ড০ প্ৰফুল্লদত্ত গোস্বামী
জীৱন আৰু কৃতি

ড° প্ৰফুল্লদত্ত গোস্বামী ঃ জীৱন আৰু কৃতি

GOVT. OF ASS
No
LIBR

ড° প্ৰবীণ চন্দ্ৰ দাস
আৰু
ড° ভৃগুমোহন গোস্বামী সম্পাদিত

অসম জনকৃষ্টি সমাজৰ হকে
বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড
গুৱাহাটী পাঠশালা কলকাতা

প্ৰকাশক
অসম জনকৃষ্টি সমাজৰ হৈ
শ্ৰীগিৰিপদ দেৱ চৌধুৰী
বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড
পাণবজাৰ
গুৱাহাটী-৭৮১০০১

প্ৰচ্ছদ পট ঃ
শ্ৰীভগৱান শৰ্মা

প্ৰথম প্ৰকাশ ঃ ১৯৯৮

বেচ ঃ
নব্বৈ টকা মাথোন
পুথি ভঁৰাল সংস্কৰণ ঃ একশ পঁচিশ টকা

ছপা ঃ
কালাৰ আছাম
৩১ উদ্যোগ পাম
বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১

GOVT. OF ASSAM
STATE LIBRARY SERVICES
No. ....

অসম জনকৃষ্টি সমাজৰ সভাপতি আৰু সম্পাদকৰ নিবেদন

'অসম জনকৃষ্টি সমাজ'ৰ প্ৰতিষ্ঠাপক সভাপতি, আন্তৰ্জাতিক খ্যাতি সম্পন্ন লোকবিদ্যাবিদ্, যশস্বী অধ্যাপক ডঃ প্ৰফুল্লদত্ত গোস্বামীৰ জীৱদ্দশাতেই অভিনন্দন-গ্ৰন্থ হিচাবে এখন ইংৰাজী আৰু আন খন অসমীয়া ভাষাত প্ৰকাশ কৰিবলৈকে 'অসম জনকৃষ্টি সমাজ'ৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ ৮/১/৯৪ ইং তাৰিখে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। পিছে নানা কাৰণবশতঃ সেই সিদ্ধান্ত বাস্তৱায়িত নহ'ল। তাৰবাবে আমি 'অসম জনকৃষ্টি সমাজ'ৰ সন্মানীয় সদস্যসকল আৰু সহানুভূতিশীল ৰাইজৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

ইং ১৯৯৪ চনৰ নৱেম্বৰ মাহৰ ১৯ তাৰিখে ডঃ প্ৰফুল্লদত্ত গোস্বামীয়ে ইহলীলা ত্যাগ কৰে। ২১/২/৯৫ তাৰিখে অনুষ্ঠিত 'অসম জনকৃষ্টি সমাজ'ৰ কাৰ্য্যনিৰ্বাহক সমিতিয়ে ডঃ প্ৰফুল্লদত্ত গোস্বামীৰ স্মৃতি ৰক্ষাৰ বাবে অসমীয়া আৰু ইংৰাজী ভাষাত দুখন গ্ৰন্থ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে আৰু অসমীয়া ভাষাত ৰচিত গ্ৰন্থখন সোনতে প্ৰকাশ কৰিবলৈ যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সমাজৰ সম্পাদকক নিৰ্দেশ দিয়ে। সেই সভাতেই অসমীয়া গ্ৰন্থখনৰ সম্পাদনাৰ ভাৰ যুটীয়াভাৱে ন্যস্ত কৰে উক্ত সমাজৰেই কাৰ্য্যনিৰ্বাহক সদস্যদ্বয় ডঃ প্ৰবীণ চন্দ্ৰ দাস আৰু ডঃ ভৃগুমোহন গোস্বামীক। গ্ৰন্থখন প্ৰয়াত ডঃ গোস্বামীৰ প্ৰথম মৃত্যু দিবস অৰ্থাৎ ১৯৯৫ চনৰ নৱেম্বৰ মাহৰ ১৯ তাৰিখে উন্মোচন কৰিব লাগিছিল; কিন্তু সেইটোও সম্ভৱ হৈ নুঠিল; আনকি দ্বিতীয় বাৰ্ষিক মৃত্যু দিৱসতো আমাৰ কামনা ফলৱতী নহ'ল। অৱশেষত প্ৰয়াত গোস্বামীদেৱৰ ৭৮তম জন্ম দিৱসতহে এই গ্ৰন্থখন উন্মোচন কৰিবলৈ সক্ষম হ'লোঁ। অযথা বিলম্বৰ বাবে আমি আকৌ এবাৰ সতীৰ্থ সদস্যবৃন্দ আৰু সদাশয় ৰাইজৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

সাধাৰণতে স্মৃতিগ্ৰন্থ ছপাবলৈ প্ৰকাশকসকল আগবাঢ়ি নাহে; যিহেতু এই জাতীয় গ্ৰন্থৰ বিক্ৰী কম। গুৱাহাটীৰ বিশিষ্ট গ্ৰন্থ-প্ৰতিষ্ঠান "বাণীপ্ৰকাশ প্ৰাইভেট লিমিটেড"ৰ স্বত্বাধিকাৰীসকলৰ অন্যতম শ্ৰীযুত অম্বিকাপদ চৌধুৰীক আমি অনুৰোধ কৰিলোঁ গ্ৰন্থখন ছপাই দিবলৈ। এই প্ৰসংগত 'অসম জনকৃষ্টি সমাজ'ৰ নিশকতীয়া কোষৰপৰা এই সমাজৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ মাননীয় সদস্যবৃন্দৰ অনুমোদন সাপেক্ষে কোষাধ্যক্ষ শ্ৰীযুত ধৰণীধৰ

চৌধুৰীদেৱে ৮০০০.০০ (আঠ হাজাৰ) টকা আগধন স্বৰূপে "বাণীপ্ৰকাশ প্ৰাইভেট লিমিটেড্"ক দিয়ে। বাকী টকা উক্ত প্ৰতিষ্ঠানটোৱে নিজৰ ফালৰপৰা খৰচ কৰি গ্ৰন্থখন 'অসম জনকৃষ্টি সমাজ'ৰ হৈ প্ৰকাশ কৰে। ইয়াৰ বাবে আমি 'অসম জনকৃষ্টি সমাজ'ৰ মাননীয় সদস্যবৃন্দ, এই সমাজৰ কোষাধ্যক্ষ আৰু "বাণীপ্ৰকাশ প্ৰাইভেট লিমিটেড"ৰ ওচৰত কৃতজ্ঞ।

গ্ৰন্থখনৰ নাম ৰখা হৈছে 'ড০ প্ৰফুল্লদত্ত গোস্বামী : জীৱন আৰু কৃতি'। পিছে ড০ গোস্বামীৰ জীৱন আৰু কৃতিৰাজিৰ বিচিত্ৰ দিশৰ পৰিপূৰ্ণ বৰ্ণন ২০০ বা ২৫০ পৃষ্ঠাৰ গ্ৰন্থ এখনৰ মাজেৰে দিবলৈ যোৱাটো যে ব্যৰ্থ প্ৰয়াস তাক নক'লেও হ'ব; তথাপিও নাই মোমাইতকৈ কণা মোমাই সাৰৰ দৰে আমিও ব্যৰ্থতাসনা প্ৰয়াসৰ মাজেৰেই আমাৰ সীমাহীন শ্ৰদ্ধা তেখেতৰ বিদেহী আত্মাৰ স্মৃতিত অৰ্পণ কৰিছোঁ। আশাকৰোঁ আমাৰ চেষ্টা-প্ৰচেষ্টা আৰু প্ৰয়াসৰ প্ৰতি সহানুভূতিশীল পাঠক-পাঠিকায়ো সঁহাৰি জনাব। ডক্টৰ গোস্বামীৰ বহুমুখী প্ৰতিভাৰ সন্ধেদ পাবলৈকে দেশ-বিদেশৰ স্থান-কাল-পাত্ৰৰপৰা সমল আহৰণ কৰিব লাগিব— সেই চেষ্টা সম্প্ৰতি আমাৰ সীমাৰ বাহিৰত। চেষ্টাৰ ত্ৰুটী নকৰা, স্বত্বেও ড০ গোস্বামীদেৱৰ বিভিন্ন নিৰ্মিতিৰ পৰিচয়মূলক টোকা একোটি দিয়াত ব্যৰ্থ হ'লোঁ। কেইবাগৰাকী লিখক-লিখিকাৰপৰা নানা অনুনয়-বিনয় কৰি সেই সেই গ্ৰন্থ বিষয়ক একোটি আলোচনা আনিব নোৱাৰিলোঁ। ন-পুৰণি লিখক-লিখিকাৰ জৰিয়তে কেইবাটিও আলোচনা খৰখেদাকৈ লিখোৱা হৈছে। গতিকে প্ৰবন্ধ নিৰ্বাচন, সংস্থাপন, সম্পাদন, শুদ্ধিকৰণ আদি নানা দিশত গ্ৰন্থখন যে ত্ৰুটীশূন্য হ'বপৰা নাই সেই বিষয়ত আমি দ্বিমত পোষণ কৰিব নোৱাৰোঁ। আমি চেষ্টা কৰিছোঁ— চেষ্টাৰো মূল্য আছে। গ্ৰন্থখন পোহৰলৈ অনাৰ প্ৰসংগত যিসকল মাননীয় লিখক আৰু মাননীয়া লিখিকাই প্ৰবন্ধ-পাতিৰে আমাক সহায় কৰিলে তেখেতসকলৰ ওচৰত আমি চিৰ কৃতজ্ঞ।

গ্ৰন্থখনৰ যুটীয়া সম্পাদক ড০ প্ৰবীণ চন্দ্ৰ দাস আৰু ড০ ভৃগুমোহন গোস্বামীও কৃতজ্ঞতাৰ পাত্ৰ। তেওঁলোক দুয়োৰে আশাশুধীয়া আৰু সজ চেষ্টাৰ বলতহে গ্ৰন্থখন ৰাইজৰ হাতত তুলি দিব পাৰিছোঁ।

ড০ গোস্বামীৰ পৰিবাৰ, পুত্ৰ-পুত্ৰিকাসকল, অঙহী-বঙহী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিভাগ, আৰ্টিষ্ট শ্ৰীভগৱান শৰ্মা, শ্ৰীধীৰাজ নাথ, শ্ৰীবিজয় শৰ্মা, শ্ৰীকনক চন্দ্ৰ চহৰীয়া, ড০ অনন্ত শৰ্মা, শ্ৰীদিলীপ ডেকা আদিৰ ওচৰতো আমি কৃতজ্ঞ।

অসমীয়া সাহিত্যৰ বিভিন্ন দিশৰ দিগ্‌দৰ্শনকাৰী ড০ প্ৰফুল্লদত্ত গোস্বামীৰ সজীৱ স্মৃতি ৰক্ষাৰ বাবে প্ৰকাশিত এই গ্ৰন্থখন আমাৰ মৰমৰ ছাত্ৰ-ছাত্ৰী আৰু শ্ৰদ্ধেয় পাঠক-পাঠিকাসকলে সহানুভূতিৰে এবাৰ পঢ়িব বুলি আমি নিশ্চিত হৈছোঁ। ইতি

শ্ৰী.নবীন চন্দ্ৰ শৰ্মা
সম্পাদক, অসম জনকৃষ্টি সমাজ
গুৱাহাটী

শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য
সভাপতি, অসম জনকৃষ্টি সমাজ
২৬/১/৯৭ ইং

আমাৰ কথা

যশস্বী অধ্যাপক প্ৰফুল্লদত্ত গোস্বামী আছিল প্ৰতিভাশালী বিশিষ্ট ব্যক্তি। তেওঁ আছিল একেধাৰে লোকসংস্কৃতিবিদ্, সমালোচক, সম্পাদক, কথা-সাহিত্যিক, পক্ষীবিদ্ আদি। ইংৰাজী আৰু অসমীয়া উভয় ভাষাৰে ৰচনাত সিদ্ধহস্ত অধ্যাপক গোস্বামীৰ ব্যক্তিত্ব আৰু কৃতিত্বৰ কথা দেশ-বিদেশত প্ৰসাৰিত হৈ আছে যদিও অসমত এই গৰাকী পণ্ডিতৰ ব্যক্তিত্ব আৰু পাণ্ডিত্যৰ বহুল চৰ্চা হোৱা নাই। ১৯৯৪ চনৰ ১৯ নবেম্বৰত গোস্বামীদেৱে নশ্বৰ দেহ এৰাৰ পাছতে অসম জনকৃষ্টি সমাজে 'ড০ প্ৰফুল্লদত্ত গোস্বামী : জীৱন আৰু কৃতি' নামৰ এখন প্ৰবন্ধৰ সংকলন উলিয়াবলৈ স্থিৰ কৰি তাৰ সম্পাদনাৰ ভাৰ আমাৰ ওপৰত ন্যস্ত কৰে। অধ্যাপক গোস্বামীদেৱৰ লগত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ আৰু বিদেশৰ বহুতো লোকৰ পৰিচয় আৰু বন্ধুত্ব আছিল যদিও প্ৰস্তাৱিত সংকলনখনৰ প্ৰবন্ধ-পাতিবোৰ অসমীয়া ভাষাতে ৰচিত হোৱা কাৰণে আমি অন্য প্ৰদেশ অথবা বিদেশৰ পণ্ডিতৰ লগত যোগাযোগ কৰা নাই। ড০ গোস্বামীৰ বিষয়ে অসমৰ যিসকলে বিশেষভাৱে জানে সেইসকলৰ লগত প্ৰবন্ধ-পাতিৰ কাৰণে চিঠিৰে আৰু ব্যক্তিগতভাৱে যোগাযোগ কৰিছিলোঁ। আমাৰ বিভিন্ন প্ৰয়াস সত্ত্বেও নানা কাৰণত বহুতৰেপৰা গোস্বামীদেৱৰ বিষয়ে লেখা সংগ্ৰহ কৰোঁতে দীঘলীয়া সময় লাগিল আৰু কেইবাজনৰোপৰা প্ৰবন্ধ-পাতি পোৱা নহ'ল। ফলত ১৯৯৫ চনত ড০ গোস্বামীৰ প্ৰথম মৃত্যু দিৱসতে প্ৰকাশ পাবলগীয়া এই সংকলনখন যথা সময়ত উলিয়াবপৰা নগ'ল। আমাৰ হাতত পৰা প্ৰবন্ধখিনিৰেই গোস্বামীদেৱৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি প্ৰবন্ধ সংকলনখন প্ৰকাশ কৰি উলিয়াবলৈ স্থিৰ কৰা হৈছে। সংকলনখন প্ৰস্তুত কৰোঁতে প্ৰয়াত গোস্বামীৰ পৰিয়ালে আমাক বিভিন্ন প্ৰকাৰে সহায়-সহযোগ কৰিছে। অসম জনকৃষ্টি সমাজৰ সভাপতি ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য আৰু এই অনুষ্ঠানৰ ধনভঁৰালী শ্ৰীধৰণীধৰ চৌধুৰীদেৱে সংকলনখনৰ সংগ্ৰহ আৰু সম্পাদনাৰ ক্ষেত্ৰত দিয়া পৰামৰ্শৰ বাবে তেওঁলোকৰ শলাগ লৈছোঁ। অসম জনকৃষ্টি সমাজৰ বৰ্তমানৰ সম্পাদক ড০ নবীন চন্দ্ৰ শৰ্মাই আমাক প্ৰবন্ধ সংগ্ৰহৰ কামত সহায় কৰি দিয়াৰ উপৰিও কিতাপখনৰ আৰ্হি কাকত চাই দিয়া বাবে আমি তেওঁলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

০.০৬

অসমৰ বিশিষ্ট প্ৰকাশক বাণীপ্ৰকাশ প্ৰাইভেট লিমিটেডে অসম জনকৃষ্টি সমাজৰ হৈ এই সংকলনটো অতি কম সময়ৰ ভিতৰতে প্ৰকাশ কৰি উলিয়াই দিয়া বাবে এই প্ৰতিষ্ঠানলৈয়ো আমি শলাগ আগবঢ়াইছোঁ।

ইতি

যুটীয়া সম্পাদক

২৬ জানুৱাৰী
১৯৯৭ চন

শ্ৰীপ্ৰবীণ চন্দ্ৰ দাস
শ্ৰীভৃগুমোহন গোস্বামী

বিষয়-সূচী

		পৃষ্ঠা
১. অসম জনকৃষ্টি সমাজৰ সভাপতি আৰু সম্পাদকৰ নিবেদন ঃ		০.০৩
২. আমাৰ কথা ঃ		০.০৫
৩. প্ৰফুল্লপ্ৰশস্তি ঃ	অশোক কুমাৰ গোস্বামী	০.০৯
৪. প্ৰফুল্লদত্ত গোস্বামী ঃ ব্যক্তিত্ব আৰু কৃতিত্ব ঃ	বীৰেন্দ্ৰনাথ দত্ত	১
৫. নশ্বৰতাৰ অন্তত ঃ	নৱকান্ত বৰুৱা	৯
৬. প্ৰফুল্লদত্ত গোস্বামী ঃ বিৰল প্ৰতিভাশালী ঃ	বিশ্বনাৰায়ণ শাস্ত্ৰী	১২
৭. প্ৰফুল্লদত্ত গোস্বামীৰ সোঁৱৰণত ঃ	অতুল চন্দ্ৰ বৰুৱা	১৬
৮. সতীৰ্থ বন্ধু— প্ৰফুল্লদত্ত গোস্বামী ঃ	কালীনাথ শৰ্মা	১৯
৯. প্ৰফুল্লদত্ত গোস্বামীৰ আধ্যাত্মিক চিন্তাধাৰা ঃ	ধৰণীধৰ চৌধুৰী	২৬
১০. প্ৰফুল্লদত্ত গোস্বামীৰ সংগত ঃ	গোবিন্দ প্ৰসাদ শৰ্মা	৩১
১১. প্ৰফুল্লদত্ত গোস্বামী ঃ মই জনা মানুহজন ঃ	যতীন গোস্বামী	৩৯
১২. বীৰ এজন পৰিল ঃ	ৰূপম বৰুৱা	৪৪
১৩. প্ৰফুল্লদত্ত গোস্বামী ঃ	আলিমুননিছা পিয়াৰ	৪৯
১৪. প্ৰফুল্লদত্ত গোস্বামীক মই যিদৰে জানো ঃ	থানেশ্বৰ শৰ্মা	৫৩
১৫. প্ৰফুল্লদত্ত গোস্বামীৰ ঘৰুৱা জীৱন ঃ	নিৰু গোস্বামী	৫৬
১৬. বৰদা গোস্বামী ঃ	দিপালী শৰ্মা	৫২
১৭. প্ৰফুল্লদত্ত গোস্বামী ছাৰ ঃ	নগেন্দ্ৰ নাথ বৰুৱা	৬৪
১৮. গোস্বামী ছাৰ ঃ মই জনা মানুহজন ঃ	গীতা গোস্বামী	৬৭
১৯. পক্ষী বিজ্ঞানী প্ৰফুল্লদত্ত গোস্বামী ঃ	ভুৱনেশ্বৰ শৰ্মা	৭১
২০. জনকৃষ্টি-সাধক প্ৰফুল্লদত্ত গোস্বামী আৰু অসম জনকৃষ্টি সমাজ ঃ	নবীন চন্দ্ৰ শৰ্মা	৭৩
২১. প্ৰফুল্লদত্ত গোস্বামীৰ জনজাতীয় প্ৰীতি ঃ	প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য	৮২
২২. জীৱনীকাৰ প্ৰফুল্ল গোস্বামী ঃ	অঞ্জলি শৰ্মা	৮৭
২৩. প্ৰফুল্লদত্ত গোস্বামীৰ গদ্যশৈলী ঃ	শশী শৰ্মা	৯৭
২৪. প্ৰফুল্লদত্ত গোস্বামীৰ ৰচনা-ৰীতি ঃ এটি চমু আভাস ঃ	সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী	১০৮
২৫. "ফেষ্টিভেলচ অব আছাম" ঃ	ভুৱনমোহন দাস	১১৯
২৬. "এচেজ অন দি ফোকলোৰ এণ্ড কালচাৰ অব নৰ্থ-ইষ্টাৰ্ন ইণ্ডিয়া ঃ	কিশোৰ ভট্টাচাৰ্য্য	১২৩

		পৃষ্ঠা
২৭. “বেলাডচ্ এণ্ড টেইলচ অব আছাম” :	দিলীপ কুমাৰ কলিতা	১৩০
২৮. “অসমীয়া জন-সাহিত্য” :	দুৰ্গেশ্বৰ শৰ্মা	১৩৪
২৯. “জাপানৰ জনকৃষ্টি আৰু অন্যান্য ৰচনা” :	কনক চন্দ্ৰ চহৰীয়া	১৩৭
৩০. প্ৰফুল্লদত্ত গোস্বামীৰ ভ্ৰমণ-বৃত্তান্ত : এটি পৰ্য্যালোচনা :	বসন্ত কুমাৰ ভট্টাচাৰ্য্য	১৪৫
৩১. “পৃথিৱীৰ চৌপাশে এপাক” :	মালিনী গোস্বামী	১৪৯
৩২. “শেষ কত ?” আৰু “কেঁচাপাতৰ কঁপনি” :	কৃষ্ণ কুমাৰ মিশ্ৰ	১৫২
৩৩. “এই যুগৰ সাহিত্য” :	ভৃগুমোহন গোস্বামী	১৬১
৩৪. “ইউৰোপৰ মনীষা” :	বসন্ত কুমাৰ দেৱ গোস্বামী	১৬৬
৩৫. “বুৰঞ্জী আৰু সংস্কৃতি” :	বাণীকান্ত শৰ্মা	১৭২
৩৬. “এছামিজ ড্ৰামা” :	যোগেন বায়ন	১৮২
৩৭. প্ৰফুল্লদত্ত গোস্বামীৰ বিহু-চৰ্চা :	ভৱপ্ৰসাদ চলিহা	১৮৬
৩৮. “বহাগ বিহুৰ বাৰেবৰণীয়া ছবি” :	উমেশ ডেকা	১৯০
৩৯. “বাৰ মাহৰ তেৰ গীত” :	বিজয়া বৰুৱা ৰাজখোৱা	১৯৫
৪০. প্ৰফুল্লদত্ত গোস্বামীৰ সাধুকথা-চৰ্চা :	লক্ষ্মীদাস পাঠক	১৯৮
৪১. “সাহিত্য-সংস্কৃতি-ইতিহাস” :	নীলিমা গোস্বামী শৰ্মা	২০৩
৪২. গল্পকাৰ প্ৰফুল্লদত্ত গোস্বামী :	নগেন ঠাকুৰ	২০৮
৪৩. প্ৰফুল্লদত্ত গোস্বামী : এটি মূল্যায়ন :	দয়ানন্দ পাঠক	২১১
৪৪. প্ৰফুল্লদত্ত গোস্বামীৰ লিখনিৰ চানেকি :		২২০
৪৫. প্ৰফুল্লদত্ত গোস্বামীৰ জীৱনৰ বিশেষ ঘটনাপঞ্জী :		২৩১
৪৬. প্ৰফুল্লদত্ত গোস্বামীৰ নিৰ্মিতিৰাজি :		২৩৩
৪৭. লিখক-লিখিকা-পৰিচিতি :		২৩৬



গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিভাগৰ প্ৰধান অধ্যাপক গোস্বামী।



গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগৰদ্বাৰা অনষ্ঠিত ৰাষ্ট্ৰীয় আলোচনাচক্ৰত ইণ্ডিয়ান ফোকল'ৰ কংগ্ৰেছৰদ্বাৰা গোস্বামীলৈ সম্বৰ্ধনা জ্ঞাপন।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগত এম্-ফিল
পাঠ্যক্রম প্রৱর্তনৰ প্রসংগত অনুষ্ঠিত সভাত গোস্বামী।

ডঃ জৱহৰলাল হাণ্ডু আৰু ডঃ বীৰেন্দ্রনাথ দত্তৰ সৈতে
গোস্বামী। মাজত শ্রীমান অৰিন্দম দাস।

[illegible]
1.11.86

শ্রীমান [illegible],

[illegible] Darlington-এর printing-এর [illegible], [illegible] ২১ তারিখে [illegible] [illegible]

[illegible] ?

[illegible] ? [illegible] ।

[illegible] ? [illegible]

[illegible] ।

[illegible]

[illegible] ।

5.9

শ্রীমান প্রবীর,

[illegible] 'হারানো [illegible]' [illegible] হল । [illegible] তুমি xerox করে দিবে [illegible] ? [illegible] । [illegible] স্নেহ এবং শুভেচ্ছা নিও । [illegible] । [illegible] । [illegible], তোমার [illegible] ।

শুভেচ্ছান্তে

[illegible] গোস্বামী ।

প্ৰফুল্লপ্ৰশস্তিঃ

অশোক কুমাৰ গোস্বামী

জয়তি জয়তি ৱাণী
জনকৃষ্টি প্ৰকাশিনী।
জয়তি প্ৰফুল্লদত্তঃ
দিৱঃস্থোঽপি যশস্তনুঃ ॥১॥

ব্ৰহ্মগ্ৰহচন্দ্ৰৱসু–
পৰিমিতে অব্দে যীশোঃ।
মাসে তৃতীয়ে পুণ্যাহে
অহো সৌভাগ্যং নো মহৎ ॥২॥

দক্ষিণকামৰূপস্য
সত্ৰে বৈ নহিৰাভিধে।
জাতঃ সিংহদত্তসূনুঃ
গোস্বামী প্ৰফুল্লদত্তঃ ॥৩॥

সুদৰ্শনঃ শিষ্টাচাৰঃ
দীৰ্ঘদেহো মিষ্টহাসঃ
পদে মানে ৱীতৰাগঃ
নায়ং জনো সাধাৰণঃ ॥৪॥

'গাল্পিকঃ' 'ঔপন্যাসিকঃ'
পণ্ডিত প্ৰৱৰঃ কৱিঃ।
চৰিত্ৰপ্ৰণেতা চাসীৎ
ইতিহাসপ্ৰেমী মহান্ ॥৫॥

ৱিৰচয্য ৱহূন্ গ্ৰন্থান্
সমালোচ্য অনূদ্য চ।
প্ৰশংসাং ভূয়সীং লেভে
অসমে ভাৰতে তথা ॥৬॥
অসমসাহিত্যাকাশে
তাৰকোঽয়মত্যুজ্জ্বলঃ।
দদৌ সমগ্ৰং জীৱিতং
চৰ্চ্চাযাং লোকসংস্কৃতেঃ ॥৭॥

ৱিশ্বৱিদ্যালয়ে খ্যাতে
গুৱাহাটী পুৰে স্থিতে।
অভৱদধ্যক্ষো ধীমান্
ৱিভাগে লোকসংস্কৃতেঃ ॥৮॥
পথিকৃৎ প্ৰথিতঃ শ্ৰীমান্
জনকৃষ্টেঃ গৱেষণে।
পূৰ্ৱপ্ৰান্তে ভাৰতস্য
সম্প্ৰদায়প্ৰৱৰ্ত্তকঃ ॥৯॥

ডক্টৰ প্ৰফুল্লদত্তঃ
ৱন্দনীয় স্মৰিষ্যতে।
স্বকীয়লেখেষু জীৱন্
কীৰ্ত্তিৰ্যস্য স জীৱতি ॥১০॥

—●—

GOVT. OF ASSAM
DIBRUGARH ... STATE LIBRARY SERVICE
C.'l No.. ....

প্ৰফুল্লদত্ত গোস্বামী ঃ ব্যক্তিত্ব আৰু কৃতিত্ব

বীৰেন্দ্ৰনাথ দত্ত

অসমৰ এগৰাকী বৰেণ্য সাহিত্যিক হিচাপে ড০ প্ৰফুল্লদত্ত গোস্বামীৰ অৱদানৰ লেখ ল'বলৈ ওলাই আৰম্ভণিতে থমকি ৰৈছোঁ দ্বিধা আৰু সংকোচত— যাইকে তিনিটা কাৰণত।

প্ৰথম, ড০ গোস্বামীৰ লগত থকা মোৰ ব্যক্তিগত সম্পৰ্কৰ যি প্ৰগাঢ়তা সি এনে এক উদ্যমত বস্তু-নিষ্ঠতাৰ অন্তৰায় বুলি গণ্য হ'ব পাৰে। দীৰ্ঘদিন ধৰি তেখেতৰ পাণ্ডিত্যৰ লগতে তেখেতৰ মানৱিক গুণৰ সুস্বাদু উষ্ণতাৰ উম মই পাই আহিছোঁ। তাৰ কিছু অংশ নিশ্চয় তেখেতৰ ৰচনাৰাজিৰ অধ্যয়নৰপৰা অহা; কিন্তু তাৰ সৰহখিনিৰ গুৰিতে আছে তেখেতৰ লগত ঘটা মোৰ আন্তৰিক সান্নিধ্য আৰু আত্মিক সংযোগ। সেয়েহে অকল তেখেতৰদ্বাৰা ৰচিত গ্ৰন্থাদিৰ ভিত্তিতে তেখেতৰ ব্যক্তিত্বৰ সামগ্ৰিক মূল্যায়ন কৰিবলৈ যোৱাটো মোৰ বাবে দুঃসাধ্যই নহ'ব, আত্মগ্লানিকৰো হ'ব, কাৰণ তাৰদ্বাৰা যেন মোৰ মহত্ত্বৰ প্ৰাপ্তিক অৱমাননা হ'ব।

মোৰ সংকোচৰ দ্বিতীয় কাৰণ ঃ প্ৰচলিত অৰ্থত সাহিত্য-কৃতিৰ যি সংজ্ঞা তাৰ পৰিধিৰ মাজত ড০ গোস্বামীৰ লেখনীপ্ৰসূত কৰ্মৰাজিক সম্পূৰ্ণভাৱে সামৰিব নোৱাৰি। তেখেতৰ প্ৰকাশিত পুথি আৰু প্ৰবন্ধ-পাতিৰ সংখ্যা যথেষ্ট বৃহৎ, কিন্তু তাৰ ভিতৰত কমসংখ্যকহে পোনপটীয়াকৈ সাহিত্য-সৃষ্টিৰ লক্ষ্যৰে ৰচিত। তেখেতৰ সৰ্বাধিক সমাদৃত ৰচনাসমূহৰ সম্পৰ্ক যিমানখিনি পাণ্ডিত্যৰ লগত সিমানখিনি সাহিত্যিক প্ৰয়াসৰ লগত নহয় (তেনে ৰচনাৰ সাহিত্যিক মূল্যক অস্বীকাৰ নকৰিও)। আনহাতে তেখেতৰ ভালেমান সৰু-বৰ ৰচনাৰ আঁৰত আছে সাহিত্যিকৰ আত্মপ্ৰকাশৰ তাগিদাতকৈ এক তীব্ৰ কৌতূহলী অনুসন্ধিৎসু আৰু জ্ঞানলিপ্সু মনৰ অভিজ্ঞতা-সঞ্চয়ৰ তাড়না। সেয়েহে তেখেতৰ ৰচনাত সৰ্বযুগৰ সৰ্বশ্ৰেষ্ঠ মনীষীৰপৰা আৰম্ভ কৰি অখ্যাত গাঁৱৰ অনামী কৃষকলৈকে সু-উচ্চ শিষ্ট সংস্কৃতিৰপৰা আৰম্ভ কৰি লোকায়ত প্ৰাকৃত পৰম্পৰালৈকে ব্যতিক্ৰম আধুনিক মহানগৰীৰপৰা আৰম্ভ কৰি প্ৰকৃতিৰ নিভৃততম পৰিবেশলৈকে সকলোৰে সহজ আৰু

---

¹প্ৰান্তিক, গুৱাহাটী; ১৬.১০.৮৯ৰপৰা পুনৰ মুদ্ৰিত।

অবাধ বিচৰণ। (আমাৰ ভিতৰত কেইজনে জানে যে ড০ গোস্বামীৰ 'চৰাই বিনন্দীয়া' নামৰ এখন পক্ষী-নিৰীক্ষণ বিষয়ক কিতাপো আছে ?) প্ৰকৃততে ড০ গোস্বামীৰ সৃষ্টিশীল জগতখন ঠিক সাহিত্যিকৰ জগত নহয়— সেইখন জগত অধ্যয়ন আৰু মননৰ, চিন্তা আৰু চেতনাৰ, নিৰীক্ষণ আৰু সংগ্ৰহৰ, জিজ্ঞাসা আৰু উপলব্ধিৰ।

তৃতীয় কথা, ড০ গোস্বামীৰ প্ৰকাশিত ৰচনাসমূহৰ এক বৃহৎ অংশ ইংৰাজী ভাষাত ৰচিত। বিদ্যায়তনিক বৈদগ্ধ্য আৰু বৌদ্ধিক ঔজ্জ্বল্যৰ স্বাক্ষৰ বহনকাৰী এই ৰচনাসমূহে তেখেতৰ সামগ্ৰিক অৱদানৰ গুৰুত্ব আৰু মূল্য বহুগুণে বৃদ্ধি কৰিছে যদিও অসমীয়া সাহিত্যলৈ তেখেতৰ অৱদানৰ সন্দৰ্ভত তেনেবোৰ ৰচনাৰ সাহিত্যিক মূল্য-বিচাৰৰ প্ৰাসঙ্গিকতা তৰ্কাতীত নহ'বও পাৰে।

মোৰ বৰ্তমান প্ৰয়াস ওপৰত বৰ্ণোৱা সীমাবদ্ধতাবদ্ধাৰা সঙ্কুচিত হোৱাৰ সম্ভাৱনা উপলব্ধি কৰিয়েই এইখিনি ভূমিকাৰ অৱতাৰণা কৰা হ'ল।

১৯১৮ *চনৰ মাৰ্চ মাহত*[1] দক্ষিণ কামৰূপৰ নহিৰা সত্ৰত জন্মগ্ৰহণ কৰা ড০ প্ৰফুল্লদত্ত গোস্বামীৰ পিতৃ ৺সিংহদত্ত গোস্বামী অধিকাৰী নিজেও এগৰাকী কবি আৰু গীতিকাৰ আছিল। সৰুতে পিতৃহাৰা হোৱা ড০ গোস্বামীয়ে খুড়াক-বৰদেউতাকৰ তত্ত্বাৱধানত স্কুলীয়া শিক্ষা লাভ কৰে নহিৰা, গুৱাহাটী আৰু তেজপুৰত। ১৯৪০ চনত কটন কলেজৰপৰা ইংৰাজীত অনাৰ্চসহ বি.এ. পাছ কৰাৰ পিছত আৰ্থিক কাৰণত কিছুদিন তেখেতে ছিলঙত স্কুলৰ শিক্ষকতা আৰু চৰকাৰৰ প্ৰচাৰ বিভাগ আৰু সচিবালয়ৰ কাম কৰে। সেই সময়তে তেখেতৰ প্ৰথম দুটা ইংৰাজী প্ৰবন্ধ যথাক্ৰমে বোম্বাইৰ *পি.ই.এন. আলোচনী* আৰু মচুলিপট্টমৰ *Triveni* আলোচনীত প্ৰকাশিত হয়। ইয়াৰ পিছত তেখেতে ইংৰাজী বিষয়ত এম.এ. পঢ়িবলৈ কলিকতালৈ যায় আৰু ১৯৪৪ চনত ডিগ্ৰী লৈ আহি কেইমাহমান যোৰহাটৰ জে.বি. কলেজত আৰু প্ৰায় চাৰে তিনি বছৰ কটন কলেজত অধ্যাপনা কৰাৰ অন্তত ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত যোগ দিয়ে বাণিজ্য আৰু বি.টি. বিভাগৰ ইংৰাজী প্ৰৱক্তাৰূপে। এই সময়তে তেখেতে অসমৰ মালিতা আৰু সাধুকথাৰ বিষয়ে গৱেষণা কৰিবলৈ লয় ড০ বিৰিঞ্চিকুমাৰ বৰুৱাৰ তত্ত্বাৱধানত। এই গৱেষণাপ্ৰসূত *Ballads and Tales of Assam* খন আছিল গুৱাহাটী বিশ্ববিদ্যালয়ত দাখিল কৰা প্ৰথম গৱেষণা-পত্ৰ (থেচিচ)। এইখনৰ বাবে ১৯৫৫ চনত তেখেতে ডি.ফিল উপাধি লাভ কৰে আৰু ১৯৬০ চনত প্ৰথমে গ্ৰন্থাকাৰে প্ৰকাশিত হোৱাৰ পিছত এইখনে তেখেতলৈ কঢ়িয়াই আনে অকল সৰ্বভাৰতীয়েই নহয়, আন্তৰ্জাতিক স্বীকৃতিও। পিছত তেখেতে বিশ্ববিদ্যালয়ত ইংৰাজী শিক্ষণ বিভাগত প্ৰাধ্যাপক (ৰীডাৰ) আৰু প্ৰধান হিচাপে নিযুক্ত হয়। (এই অভিজ্ঞতাৰেই ফলশ্ৰুতি তেখেতৰ ইংৰাজী-শিক্ষণ বিষয়ক গ্ৰন্থ *The Teaching of English*)। মাজতে তেখেতে এটা উচ্চতৰ পাঠ্যক্ৰম গ্ৰহণ কৰিবলৈ ইংলণ্ডলৈ

১. ড০ গোস্বামীয়ে কোৱা মতে তেওঁৰ জন্মবৰ্ষ ১৯১৯ চন আছিল।

যায়। সেই পাঠ্যক্ৰম সমাপ্ত কৰা নহওঁতেই যদিও সেই আগাহতে তেখেতে ইউৰোপৰ আন আন দেশতো ভ্ৰমণ কৰে। ইতিমধ্যে বিশ্ববিদ্যালয়ত আৰম্ভ কৰা 'জনজাতীয় সংস্কৃতি আৰু লোক-সংস্কৃতি গৱেষণা' প্ৰকল্পৰ দায়িত্ব তেখেতৰ হাতত ন্যস্ত হয়। ১৯৬৯ চনত তেখেত আমেৰিকাৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ৰ বিখ্যাত লোক-সংস্কৃতি প্ৰতিষ্ঠানত(Folk-lore Institute) ভিজিটিং প্ৰফেছৰ হিচাপে নিমন্ত্ৰিত হৈ যায় আৰু দুমহীয়া অধ্যাপনাৰ দায়িত্বসম্পন্ন কৰি স্বদেশলৈ প্ৰত্যাবৰ্তন কৰাৰ পথত জাপান আদি দেশ চাই আহে। এবাৰ তেখেতে সাংস্কৃতিক বিনিময় কাৰ্য্যসূচীত নিৰ্বাচিত হৈ ৰাছিয়া ভ্ৰমণ কৰে আৰু এবাৰ নেপাললৈকো যায়। ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত স্বতন্ত্ৰ লোক-সংস্কৃতি গৱেষণা বিভাগ স্থাপিত হ'লত ড০ গোস্বামী তাৰ অধ্যাপক (প্ৰফেছৰ) আৰু বিভাগীয় প্ৰধান পদত অধিষ্ঠিত হয়। ১৯৮১ চনত তেখেতে সেই পদৰপৰা অৱসৰ গ্ৰহণ কৰে যদিও বিদ্যায়তনিক ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ লগত, আৰু বিশেষকৈ লোক-সংস্কৃতি গৱেষণা বিভাগৰ লগত, তেখেতৰ ঘনিষ্ঠ সম্পৰ্ক এতিয়াও বৰ্তি আছে। Folklore Society of Assam বা অসমৰ জনকৃষ্টি সমাজৰ (ড০ গোস্বামী folklore অৰ প্ৰতিশব্দ হিচাপে 'জনকৃষ্টি' শব্দটো ব্যৱহাৰ কৰাৰহে পক্ষপাতী) তেখেত প্ৰতিষ্ঠাতা সভাপতি।

আন বহুতো স্ফুটনোন্মুখ সাহিত্যসেৱীৰ দৰে ড০ গোস্বামীৰো প্ৰথম সাহিত্য-প্ৰয়াসৰ স্থল আছিল স্কুলীয়া অৱস্থাত উলিওৱা হাতে-লিখা আলোচনী। কলেজীয়া অৱস্থাত তেখেতে অধিক নিষ্ঠাৰে লেখা-মেলা কামত লাগে আৰু তেখেতৰ প্ৰথম কালৰ ৰচনাসমূহ প্ৰকাশ পায় 'জয়ন্তী' আলোচনীত। ১৯৩৮ চনত ৰঘুনাথ চৌধাৰীৰ নেতৃত্বত গঠিত হয় প্ৰগতি সমাজ, যাৰ ঘোষিত উদ্দেশ্য আছিল "জাতীয় সাহিত্যৰ উৎকৰ্ষ সাধনৰ নিমিত্তে আলোচনাৰ মাজেৰে নতুন সমল সৃষ্টি কৰা।" ড০ গোস্বামী এই সমাজৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ পৰে আৰু ইয়াৰ সম্পাদকৰ দায়িত্ব বহন কৰে। ইয়াৰ অন্যান্য সদস্যসকলৰ ভিতৰত আছিল ৺ভৱানন্দ দত্ত, ৺চক্ৰেশ্বৰ ভট্টাচাৰ্য্য, চৈয়দ আব্দুল মালিক, শ্ৰীমহেশ চন্দ্ৰ দেৱগোস্বামী, শ্ৰীঅতুল চন্দ্ৰ বৰুৱা প্ৰমুখ্যে ব্যক্তিসকল। এই সাহিত্যিক আৰু মননশীল বাতাৱৰণত ড০ গোস্বামীয়ে অকল সাহিত্য-সৃষ্টিৰ বাবে উদ্দীপনা লাভ কৰে এনে নহয়, প্ৰগতিবাদী ধ্যান-ধাৰণাৰ প্ৰতিও আকৃষ্ট হয়। বামপন্থী ৰাজনীতিৰদ্বাৰা প্ৰভাৱিত নহ'লেও প্ৰগতিশীল আখ্যাযুক্ত কোনো কোনো সংগঠনৰ লগত তেখেতৰ সম্পৰ্কও গঢ়ি উঠিছিল। কলিকতাত পঢ়া অৱস্থাত দেশৰ সমসাময়িক দুৰৱস্থাই জন্ম দিয়া সাম্ৰাজ্যবাদ-বিৰোধী আৰু গণমুক্তিমুখী ভাৱধাৰাৰ লগতো তেখেতৰ পৰিচয় ঘটে। সম্ভৱতঃ ড০ গোস্বামীৰ গতানুগতিকতা-বিমুখ আৰু অগ্ৰগামীনিৰ্ভৰ মানসিক গঠনৰ উৎস ইয়াতে বিচাৰি পাব পাৰি।

তাৎপৰ্য্যপূৰ্ণ কথা যে সাহিত্যৰ ছাত্ৰ ডেকা গোস্বামীৰ প্ৰথম দুটা প্ৰকাশিত ৰচনাৰ শিৰোনামহে আছিল 'কিছু' আৰু 'যোজনা বা গঠন'। হয়তো এয়া আছিল এক কাকতালীয় সংযোগ, কিন্তু তাতেই যেন নিহিত আছিল ভৱিষ্যৎ সন্ধানৰ অন্তৰ্নিহিত ইংগিত।

লোক-সংস্কৃতি চৰ্চাৰ প্ৰতি আগ্ৰহৰ যি বীজ ড০ গোস্বামীৰ বৌদ্ধিক সত্তাত সেই সময়তে সংস্থাপিত হৈছিল সিয়েই অঙ্কুৰিত হৈ সময়ত শাখা-প্ৰশাখাৰে বিস্তাৰিত এক বৃহৎ বৃক্ষলৈ ৰূপান্তৰিত হয়। সেই বৃক্ষৰ পুষ্প-পল্লৱৰ শোভাই গুণগ্ৰাহীজনৰ মনোহৰণ কৰিছে, জ্ঞানান্বেষীজনে জুৰ লৈছে তাৰ সুশীতল ছাঁত, আৰু নিষ্ঠাবান অনুগামীজনৰ বাবে তাতেই ৰক্ষিত হৈ আছে ৰসপূৰ্ণ ফলৰ সম্ভাৰ।

আলোচনাৰ সুবিধাৰ কাৰণে ড০ গোস্বামীৰ বিভিন্ন ধৰণৰ ৰচনাসমূহৰ শ্ৰেণী বিভাজন বোধকৰো এনেধৰণে কৰিব পাৰি ঃ সৃষ্টিমূলক আৰু সমালোচনা জাতীয়, জীৱনীমূলক আৰু ইতিহাসভিত্তিক, ভ্ৰমণ-কাহিনী আৰু স্মৃতিচাৰণ জাতীয়, বিদ্যায়তনিক আৰু গৱেষণাধৰ্মী আৰু অন্যান্য। ইয়াৰ ভিতৰত প্ৰথম শ্ৰেণীৰ সকল হয় প্ৰত্যক্ষ নহয় পৰোক্ষভাৱে সাহিত্য-কৰ্ম বুলি চিহ্নিত হোৱাৰ বিষয়ে বিতৰ্কৰ থল নাই।

ড০ গোস্বামীয়ে যদিও দুখন উপন্যাস আৰু এমুঠিমান চুটি গল্পহে লিখিছে তথাপি আধুনিক অসমীয়া কল্প-কাহিনীৰ ইতিহাসত তেখেতৰ স্থান সুনিশ্চিত। *শেষ ক'ত* (১৯৪৯) আৰু *কেঁচা পাতৰ কঁপনি* (১৯৫২)– তেখেতৰ এই দুয়োখন উপন্যাসেই ক্ষীণ কলেৱৰৰ। কিন্তু অসমীয়া উপন্যাসৰ দৈন্যৰ দিনত এই দুয়োখনে পাঠক আৰু সমালোচক উভয়কে নতুনত্বৰ সোৱাদ দিছিল। অকল সেয়ে নহয়, অসমীয়া উপন্যাসৰ বিকাশৰ লেখ লওঁতে আজিও সম্ভ্ৰমেৰে এই দুখনৰ নাম লোৱা হয়। *নিতে নৱ-ৰূপ তাৰ* (১৯৬০) নামৰ স্বৰচিত চুটি গল্পৰ সঙ্কলনৰ উপৰিও *ভেজাল সোণ* (১৯৫৫) নামৰ তেখেতৰ আন এখন গল্প-সঙ্কলন প্ৰকাশ পাইছিল, য'ত তেখেতৰ কেইটামান মৌলিক গল্পৰ উপৰিও আন ভাষাৰ পৰা তেখেতে কৰা কিছুমান অনুবাদ আৰু ছায়া-ৰূপান্তৰো সন্নিবিষ্ট হৈছে। গোস্বামীদেৱৰ গল্পত কাহিনীৰ নিটোল গাঁথনিতকৈ একোটা পৰিস্থিতি বা চৰিত্ৰৰ সংবেদনশীল অথবা কৌতুকপূৰ্ণ চিত্ৰহে প্ৰাধান্য পায়। তেখেতৰদ্বাৰা সম্পাদিত *গল্প ঃ দেশী আৰু বিদেশী* (১৯৬০) অসমৰ কেইবাগৰাকী প্ৰথিতযশা গল্পকাৰৰ গল্পৰ লগতে দেশী-বিদেশী লেখকৰ কেইটামান বিখ্যাত গল্পৰ অনুবাদেৰে পুষ্ট। তেখেতে যুটীয়াভাৱে সম্পাদনা কৰা আন এখন গল্প-সঙ্কলন হ'ল *'বিদেশী গল্প'* (১৯৮৫)।

বিলাতী ধেমালি (প্ৰথম প্ৰকাশ, ১৯৪৮) তেখেতৰ অধিক জনপ্ৰিয় কাহিনী-সংগ্ৰহ। কিন্তু ইয়াৰ কাহিনীবোৰ চুটি গল্পৰ শাৰীত নপৰে; সেইবোৰ বৰং শিশুৰ মনোৰঞ্জনকাৰী 'যেমেলীয়া সাধু'হে।

এই যুগৰ সাহিত্য (১৯৪৭) আৰু *সাহিত্য আৰু জীৱন* (১৯৫৫) নামৰ দুখন সমালোচনামূলক গ্ৰন্থ প্ৰকাশ কৰাৰ উপৰিও গোস্বামীদেৱে বিশ্ব-সাহিত্যৰ দুখন শ্ৰেষ্ঠ গ্ৰন্থৰ অনুবাদো কৰিছে ঃ এখন চোফোক্লিচৰ *এন্টিগোন* (১৯৬৭) আৰু আনখন মেকিয়াভেলিৰ *ৰজা* (১৯৬৪)। তেখেতে সম্পাদনা কৰা সাহিত্য-কৃতিসমূহ হ'ল *ৰুক্মিণীহৰণ নাট* (১৯৪৮), *কামিনীকান্ত চৰিত্ৰ* (১৯৬০), *মাধৱ-সুলোচনা* (১৯৬৬)

আৰু *কমলাকান্ত ভট্টাচাৰ্যৰ ৰচনাৱলী* (১৯৮০)।

অসমীয়া সাহিত্যৰ আন এটি দিশত ড০ গোস্বামীৰ অৱদান বিশেষ মূল্যবান বুলি স্বীকৃত হৈছে। সেয়া হ'ল জীৱনী-সাহিত্য। অসমীয়া সাহিত্যৰ এই অংগটোত এতিয়ালৈকে থকা সাধাৰণ অপুষ্টিলৈ চাই আমাৰ ভাষাত পৰিণত জীৱনীমূলক ৰচনাই এনেয়েও সুকীয়া মূল্য দাবী কৰিব পাৰে। ড০ গোস্বামীৰ জীৱনীমূলক ৰচনাসমূহত যিহেতু অকল সংশ্লিষ্ট ব্যক্তিৰ জীৱনালেখ্যই নাথাকে থাকে সমসাময়িক সমাজৰ চিত্ৰ, সেইবাবে সেইবোৰৰ তাৎপৰ্য্য সাধাৰণ জীৱনীতকৈ অধিক, আৰু সেয়েহে তেখেতৰ এই জাতীয় ৰচনাই বিদগ্ধ সমালোচকৰো সপ্ৰশংস দৃষ্টি আকৰ্ষণ কৰিছে। *ইউৰোপৰ মনীষা* (১৯৬৭)— এইখন পূৰ্বে প্ৰকাশিত *ইউৰোপৰ মনীষী পাঁচগৰাকীৰ* (১৯৫৮) পৰিবৰ্ধিত সংস্কৰণ— *মাণিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ* (১৯৭০), *বীৰ এজন পৰিল* (১৯৭৮) আৰু *এটি জীয়া কাহিনী* (১৯৭৯)— এইকেইখন জীৱনীমূলক গ্ৰন্থৰ ভিতৰত বিস্তৃত অধ্যয়ন আৰু অনুসন্ধানমূলক দৃষ্টিভঙ্গীৰে সমৃদ্ধ প্ৰথম দুখনত প্ৰতিফলিত হৈছে তেখেতৰ মননশীলতা আৰু পিছৰ দুখনে প্ৰতিনিধিত্ব কৰিছে তেখেতৰ সংবেদনশীল মানসিকতাৰ। (এইখিনিতে উল্লেখ কৰিব পাৰি যে *মহাত্মা গান্ধী* নামৰ জীৱনীপুথিখন আছিল ড০ গোস্বামীৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ— সেয়া ১৯৪৬ চনৰ কথা।)

আমি ড০ গোস্বামীৰ জীৱনীমূলক ৰচনাৰ লগত ইতিহাস-আশ্ৰিত ৰচনাকো একেলগে সাঙোৰাৰ কাৰণ নথকা নহয়। ড০ গোস্বামীৰ নিজৰ কথাত : "জীৱনীও একপ্ৰকাৰ বুৰঞ্জী। ......মানুহ এজনৰ— বিশেষকৈ সামাজিক জীৱন পাত কৰা লোকৰ— কাম আৰু চিন্তাৰ জোখ ল'বলৈ হ'লে মানুহজনৰ ৰাজনৈতিক আৰু সামাজিক পৰিৱেশ সম্পৰ্কেও গৱেষণা কৰিবলগীয়া হয়।" মাণিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ গ্ৰন্থখন যুগুত কৰোঁতে তেখেতে ঠিক তাকেই কৰিছিল। প্ৰকৃততে বুৰঞ্জীৰ প্ৰতি ড০ গোস্বামীৰ দুৰ্বলতা গভীৰ আৰু অকৃত্ৰিম। তেখেতৰ মতে "বুৰঞ্জীৰ দৰে আৰু বিষয় নাই।" কলেজত তেখেতে ইতিহাস বিষয়টো ভাল পাইছিল আৰু তাত পাৰদৰ্শিতাও দেখুৱাইছিল। অধ্যাপক এচ.চি. ৰায়, ড০ বাণীকান্ত কাকতি, ড০ সূৰ্য্যকুমাৰ ভূঞা আদি ইংৰাজীৰ অধ্যাপকসকলৰ আকৰ্ষণত ইংৰাজীক বিশেষ বিষয় হিচাপে নোলোৱা হ'লে তেখেতে কিজানি ইতিহাসৰ ছাত্ৰই হ'লহেঁতেন। তেখেতৰ ইতিহাস-আশ্ৰিত ৰচনাসমূহ সন্নিবিষ্ট হৈছে মুখ্যকৈ *প্ৰাচীন সভ্যতা* (বুটীয়াভাৱে ৰচিত, ১৯৬০) আৰু *বুৰঞ্জী আৰু সংস্কৃতি* (১৯৮৫) নামৰ গ্ৰন্থ দুখনত; আন আন কিছুমান ৰচনা কাকতৰ পাতত অ'ত-ত'ত সিঁচৰিত হৈ আছে। এই ৰচনাসমূহে প্ৰাচীনৰপৰা আধুনিক যুগলৈ সামৰি ইতিহাসৰ বিচিত্ৰ সমলৰ প্ৰতি ড০ গোস্বামীৰ ঐকান্তিক অনুৰাগৰ সাক্ষ্য বহন কৰিছে।

মোৰ নিজৰ ধাৰণা, সাহিত্যিক গুণৰ দিশৰপৰা অধিক উচ্চ পৰ্য্যায়ত পৰে ড০ গোস্বামীৰ ভ্ৰমণ-কাহিনীসমূহ— *বিলাতত সাত মাহ* (১৯৫১), *সোণ-বৰণ নহয় যি সোণ* (১৯৬৯,

এইখন প্ৰথমখনৰেই সংশোধিত আৰু পৰিবৰ্ধিত ৰূপ), *পৃথিৱীৰ চৌপাশে এপাক* (১৯৬৭) আৰু *মোৰ বাহিৰা ভ্ৰমণ* (১৯৭৪)। প্ৰতিখন পুথিয়েই তেখেতৰ একোবাৰৰ বিদেশ ভ্ৰমণৰ অভিজ্ঞতাৰ অভিলেখ। এইবোৰত তেখেতৰ বিশেষ বিশেষ ভ্ৰমণৰ বিশেষ বিশেষ পৰিস্থিতিৰ খুটি-নাটিৰ ৰসাল বৰ্ণনাৰ লগতে আছে সংশ্লিষ্ট দেশ আৰু সমাজৰ বিষয়ে বিভিন্ন গুৰুত্বপূৰ্ণ তথ্য আৰু সুচিন্তিত মন্তব্য, আৰু এই সকলোবোৰৰ মাজেদি খেলা কৰি গৈছে তেখেতৰ স্বভাৱসুলভ বুদ্ধিদীপ্ত sense of humour। একেই সাঁচৰ ড০ গোস্বামীৰ স্মৃতিচাৰণ কিছুমান ৰচনা আলোচনী-সাময়িকীত আজিও ওলাই আছে। অপ্ৰকাশিত অৱস্থাত এখন আত্মজীৱনীমূলক ৰচনাও আছে।

আগ বয়সত ড০ গোস্বামীয়ে কবিতা লিখাতো হাত দিছিল; দুই-এটা প্ৰকাশো হৈছিল। পিছে, এই বিষয়ে তেখেতৰ নিজৰ কৌতুকপূৰ্ণ মন্তব্য : "কবি হোৱা নহ'ল।" ইয়াৰ উপৰি ড০ গোস্বামীয়ে লিখিছে বিচিত্ৰ বিষয়ক বিভিন্ন ধৰণৰ চুটি চুটি প্ৰবন্ধ, টোকা আদি, প্ৰকাশ কৰিছে ক্ষুদ্ৰ ক্ষুদ্ৰ পুস্তিকা, যেনে– *Assasmse Drama : An outline* (১৯৬০), *Fiction in Assamese* (১৯৬৩) ইত্যাদি। স্বীকাৰ কৰিব লাগিব যে এই বৈচিত্ৰ্যপূৰ্ণ ৰচনাসম্ভাৰে এহাতে যেনেকৈ তেখেতৰ আগ্ৰহ আৰু অধ্যয়নৰ পৰিসৰৰ অসাধাৰণ বিস্তৃতিৰ পৰিচয় দিয়ে তেনেকৈ সন্তেদ দিয়ে তেখেতৰ মানসিক গঠনত থকা এক ধৰণৰ বিক্ষিপ্ততা আৰু অস্থিৰতাবো। সীমিত পৰিসৰৰ বিষয়-বস্তুক লৈ অধিক নিবিষ্টভাৱে বৃহৎ গ্ৰন্থ ৰচনা কৰিবলৈ লোৱা হ'লে পণ্ডিত হিচাপে ড০ গোস্বামীৰ প্ৰতিষ্ঠা দৃঢ়তৰ হ'লেহেঁতেন সেয়া নিঃসন্দেহ। কিন্তু তেখেতৰ ব্যক্তিত্বৰ ভিতৰতে আছে পদ-প্ৰতিষ্ঠা আদিৰ বিষয়ে অদ্ভুত এক নিৰ্লিপ্ততা।

চিন্তা-চৰ্চাৰ যিটো দিশত ড০ গোস্বামীৰ কৃতিত্ব সঁচাকৈ অসামান্য আৰু যিটো দিশত অসমৰ বৌদ্ধিক আৰু সাংস্কৃতিক জগতত তেখেতৰ অৱদান স্মৰণীয় হৈ থাকিব, সেয়া হ'ল লোক-সংস্কৃতিৰ বিদ্যায়তনিক অধ্যয়নৰ দিশ। বহুকাল ধৰি ড০ গোস্বামী অকল অসম তথা উত্তৰ-পূব ভাৰতৰ লোক-সংস্কৃতি অধ্যয়নৰ ক্ষেত্ৰত প্ৰায় পিতৃ-মূৰ্তি (father-figure) ৰূপে স্বীকৃত হৈ আহিছে এনে নহয়, সমগ্ৰ ভাৰতত লোক-সংস্কৃতি অধ্যয়নৰ নতুন যুগৰ সূচনা কৰোঁতাসকলৰ ভিতৰত অগ্ৰগণ্য এগৰাকী হিচাপেও তেখেতৰ নাম শ্ৰদ্ধাৰে উচ্চাৰিত হৈ আহিছে।

মনকৰিবলগীয়া কথা যে বিশুদ্ধভাৱে লোক-সংস্কৃতিৰ বিষয়ত ড০ গোস্বামীয়ে অসমীয়া ভাষাত কৰা ৰচনাৰ সংখ্যা সৰহ নহয়। এই ক্ষেত্ৰত তেখেতৰ প্ৰকাশিত গ্ৰন্থকেইখনৰ ভিতৰত প্ৰথমখন হ'ল *অসমীয়া জন-সাহিত্য* (১৯৪৮), য'ত অসমীয়া মৌখিক সাহিত্যৰ উদাহৰণসহ আলোচনা আছে। তেখেতৰদ্বাৰা সংকলিত আৰু সম্পাদিত *বাৰ মাহৰ তেৰ গীত* (১৯৭১) অসমীয়া লোকগীতৰ সৰ্বাধিক পূৰ্ণাঙ্গ আৰু নিৰ্ভৰযোগ্য সংকলনেই নহয়, বিজ্ঞানসন্মত সম্পাদনা-কৰ্মৰ বাবে শ্ৰেষ্ঠ পুথি গণ্য হ'বলৈ যোগ্য।

জাপানৰ জনশ্ৰুতি আৰু অন্যান্য ৰচনা (১৯৮৪) বিভিন্ন সময়ত তেখেতে ৰচনা কৰা লোক-সংস্কৃতি সম্পৰ্কীয় প্ৰবন্ধৰ সংগ্ৰহ। *পৰ্বত-ভৈয়ামৰ মনোৰম সাধু* (১৯৬৮) ডঃ গোস্বামীদ্বাৰা সম্পাদিত অসমৰ বিভিন্ন জনগোষ্ঠীৰ সাধুকথাৰ সঙ্কলন। তেখেতৰ শেহতীয়া সঙ্কলন *টেঁটকুটিত* (১৯৮৭) সন্নিবিষ্ট হৈছে বুজন সংখ্যক বিভিন্ন সোৱাদৰ ধেমেলীয়া সাধু। ইয়াৰ উপৰি ডঃ গোস্বামীয়ে সম্পাদনা কৰিছে *মণিকোঁৱৰ আৰু ফুলকোঁৱৰ* (১৯৭১), *বড়ো-কছাৰী হ'ল* (সাধু) (১৯৭২) আৰু *বহাগ বিহুৰ বাৰে-ৰঙ্গীয়া ছবি* (১৯৭৫)।

লোক-সংস্কৃতি বিষয়ক ডঃ গোস্বামীৰ অধিক সুপুষ্ট ৰচনাৰ সৰহভাগেই ইংৰাজী ভাষাত ৰচিত। ইয়াৰ ভিতৰত আমি আগতেই তেখেতৰ *Ballads and Tales*-অৰ কথা উল্লেখ কৰিছোঁ। পঞ্চাশৰ দশকত প্ৰস্তুত কৰা এই গৱেষণা-গ্ৰন্থত অসমৰ মালিতা আৰু সাধুকথাৰ সমলৰ পৰিপাটি বিশ্লেষণৰ উপৰিও সেই সময়ত শেহতীয়াভাৱে লোক-সংস্কৃতি বিজ্ঞানত জনপ্ৰিয় হোৱা type আৰু motif index-অৰ সুষ্ঠ প্ৰয়োগৰ যি নিদৰ্শন আছে সি সমসাময়িক ভাৰতীয় বিদ্যায়তনিক মহলত বিৰল আছিল। সেয়েহে গ্ৰন্থখনে দেশে-বিদেশে সশ্ৰদ্ধ স্বীকৃতি লাভ কৰিছে। একে ধৰণে পাণ্ডিত্যপূৰ্ণ নহ'লেও তেখেতৰ *Folk Literature of Assam* (১৯৫৪) অসমীয়া লোক-সাহিত্যৰ বিবিধ সমলৰ সুশৃংখল পৰিচয়ৰ লগতে বিবিধ নমুনা সুন্দৰ ইংৰাজী অনুবাদেৰে সমৃদ্ধ। তেখেতৰ *The Springtime Bihu of Assam* (১৯৬৬) আৰু *Bihu Songs of Assam* (১৯৫৭) ইংৰাজীত ৰচিত বিহু আৰু বিহুগীত-বিষয়ক দুখন মূল্যবান গ্ৰন্থ। এই দুখনেও তেখেতৰ খ্যাতিক বিস্তাৰিত কৰাত সহায় কৰিছে। ১৯৮০ চনত প্ৰকাশিত হৈছিল অসমৰ বিভিন্ন গোষ্ঠীৰ প্ৰতিনিধিত্বমূলক সাধুকথাৰ সংগ্ৰহ—*Tales of Assam*। বিভিন্ন সময়ত ডঃ গোস্বামীদ্বাৰা ৰচিত নিবন্ধ আদিৰ সংগ্ৰহ এখন প্ৰকাশিত হৈছে ১৯৮৪ চনত, নাম *Essays on the Culture and Folklore of Assam*। ১৯৭৬ চনত *Songs and Tales of North-East India* বুলি তেখেতৰ সংগ্ৰহৰ সৰু পুথি এখনো ওলাইছিল। লোক-সংস্কৃতিবিদৰূপে ডঃ গোস্বামীৰ আন্তৰ্জাতিক স্থিতিৰ সাক্ষ্য পোৱা যায় বিদেশৰ বিভিন্ন গ্ৰন্থাদিত থকা তেখেতৰ উল্লেখৰ উপৰিও বিদেশৰপৰা প্ৰকাশিত একাধিক গ্ৰন্থত তেখেতে যোগোৱা বৰঙণিৰপৰা। ১৯৭৫ চনত চিকাগো ইউনিভাৰচিটী প্ৰেছৰপৰা ওলোৱা *Folktales Around the World* গ্ৰন্থৰ ভাৰতীয় সাধুৰ খণ্ড-যুগুতকৰাত তেখেতে সহযোগ কৰিছিল। এই ক্ষেত্ৰৰ শেহতীয়া নিদৰ্শন হ'ল একে প্ৰতিষ্ঠানৰপৰা ১৯৮৭ চনত প্ৰকাশিত *Folktales of India* গ্ৰন্থ, যিখনত যুটীয়াভাৱে সম্পাদকৰূপে আছে ভাৰতৰ ডঃ গোস্বামী আৰু ডঃ জৱাহৰলাল হাণ্ডু, আমেৰিকাৰ ডঃ পিটাৰ ক্ৰচ আৰু কানাডাৰ ডঃ ব্ৰেণ্ডা বেক।

এইদৰে অসমীয়া-ইংৰাজী ৰচনাৰ বিচিত্ৰ আৰু প্ৰভূত সম্ভাৰেৰে লোক-সংস্কৃতি চৰ্চাৰ উঁৱাল চহকী কৰাৰ উপৰিও ডঃ গোস্বামীয়ে এই দিশত অসামান্য সেৱা আগবঢ়াইছে

ভালেকেইগৰাকী গৱেষক ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিক পথ নিৰ্দেশনা দি আৰু অসংখ্য আগ্ৰহীজনক দৃষ্টান্ত আৰু পৰামৰ্শৰে উদ্বুদ্ধ আৰু অনুপ্ৰাণিত কৰি।

এতিয়া আমি এটা প্ৰশ্নৰ বিচাৰেৰে এই প্ৰবন্ধৰ মোখনি মাৰিব খুজিছোঁ। প্ৰশ্নটো হ'ল : ড০ গোস্বামীয়ে যি ধৰণে বিদ্যায়তনিক আৰু গৱেষণাধৰ্মী ৰচনা-পাতিৰে লোক-সংস্কৃতিৰ সেৱা কৰিছে সেয়া সাহিত্য-সেৱা বুলি গণ্য হ'ব পাৰেনে ? আৰু যদি পাৰে, কেনেকৈ ?

উত্তৰত ক'ব পাৰি : পাৰে, আৰু সেয়া হ'ব পাৰে দুই ধৰণে।

প্ৰথম কথা, লোক-সংস্কৃতিৰ ক্ষেত্ৰৰ বিৰাট অংশ আগুৰি থাকে মৌখিক সাহিত্য বা লোক-সাহিত্যৰ সমলে। যদিও সাধাৰণতে সাহিত্য বোলোতে লিখিত বা শিষ্ট সাহিত্যকেই বুজোৱা হয় আৰু তেনে সমলৰ ভিত্তিতে সাহিত্যৰ প্ৰথাগত তত্ত্বসমূহ থিয় কৰোৱা হয়, তথাপি যুক্তিৰ কাষৰপৰা এইটোও নিঃসন্দেহ যে মৌখিক বা লোক-সাহিত্যও সাহিত্যই। (বৰং স্থিতিৰ ফালৰপৰা মৌখিক সাহিত্যৰ পৰিসৰ অধিক ব্যাপক : এনে কোনো নিৰক্ষৰ সমাজ নাই, য'ত মৌখিক সাহিত্য নাই; আনহাতে শিক্ষা-সভ্যতাৰ উচ্চতম শিখৰত আসীন সমাজতো শিষ্ট-সাহিত্যৰ সমান্তৰালভাৱে মৌখিক সাহিত্যৰ পৰম্পৰা বৰ্তি থাকে।) গতিকে মৌখিক বা লোক-সাহিত্যৰ আলোচনাও সাহিত্য-অলোচনাৰ পৰ্য্যায়ভুক্ত নোহোৱাৰ কোনো কাৰণ নাই। যিহেতু সাহিত্য-আলোচনাক ন্যায়সঙ্গতভাৱে সাহিত্য-কৰ্মৰ সহচৰ বুলি লোৱা হয়। সেইবাবে লোক-সাহিত্যৰ বিচাৰ-বিশ্লেষণেৰে কৰা লোক-সংস্কৃতিৰ সেৱাও সাহিত্য-সেৱাৰ অন্তৰ্ভুক্ত হ'ব পাৰে।

আকৌ, বিষয়-বস্তু যিয়েই নহওক, যিকোনো ৰচনাই সাহিত্যপদবাচ্য হ'ব পাৰে যদিহে সি কোনো ধৰণে সাহিত্যিক গুণবিশিষ্ট হয়। ড০ গোস্বামীৰ অসমীয়া ৰচনাত— লোক-সংস্কৃতি সম্পৰ্কীয় ৰচনাকে ধৰি সাধাৰণতে তেনে বৈশিষ্ট্যৰ অভাৱ নঘটে। চুটি চুটি অজটিল বাক্যৰ গাঁথনিত গুৰুত্ব, ভাৰাক্ৰান্ত সংস্কৃতীয়া শব্দৰ মোহৰ ঠাইত সহজ ঘৰুৱা শব্দৰ প্ৰতি আগ্ৰহ। জতুৱা ঠাঁচৰ যথাযথ প্ৰয়োগৰ প্ৰৱণতা— এইবোৰে ড০ গোস্বামীৰ অসমীয়া ভাষা প্ৰয়োগক এনে এটা নিমজ আৰু গতিশীল ভঙ্গী দিছে যি তেখেতৰ গধুৰ ৰচনাতো সাহিত্যিক স্বাদ আনি দিয়ে।

একে সমানে লক্ষণীয় ইংৰাজী ভাষাৰ ওপৰত থকা ড০ গোস্বামীৰ অনায়াস অধিকাৰ। তেখেতৰ ইংৰাজী ৰচনাও ইমান প্ৰাঞ্জল অথচ প্ৰাণৱন্ত যে কেতিয়াবা প্ৰশ্ন কৰিবৰ মন যায় : ড০ গোস্বামীৰ ভাষাৰ ঐশ্বৰ্য্য অধিক প্ৰকাশ পায় অসমীয়াত নে ইংৰাজীত ? অসমীয়া সাহিত্যলৈ অৱদানৰ পৰিপ্ৰেক্ষিতত তেখেতৰ এই বিশেষ পাৰদৰ্শিতাৰ প্ৰাসঙ্গিকতা যিয়েই নহওঁক, ই যে তেখেতৰ সামগ্ৰিক সাহিত্যিক ব্যক্তিত্বত এক অতিৰিক্ত উজ্জ্বল মাত্ৰা সংযোগ কৰিছে, তাক কোনে অস্বীকাৰ কৰিব ?

—০—

নশ্বৰতাৰ অন্তত

* *

নৱকান্ত বৰুৱা

...What is corporeal fades away ...the Robe,
mantle and lyre are left upon the ground.*

নিজৰ মানুহৰ কথা লিখিবলৈ গ'লে, নিজৰ কথা লেখা যেনেই লাগে, সেইবাবে সংযত হ'বলগীয়া হয়। পাৰিবাৰিক, সামাজিক বা বিদ্যায়তনিক কোনো ক্ষেত্ৰতে প্ৰফুল্লদত্ত গোস্বামীক মোৰ নিজৰ মানুহ বোলাৰ অধিকাৰ নাই। কিন্তু মই হ'ব খুজি হ'ব নোৱাৰা মানুহ এজন হ'ল প্ৰফুল্ল ককাইদেউ। পুৰণি পৰম্পৰা ধৰি কিবা এটা সম্বন্ধ লগাই মতাটো মোৰ স্বভাৱ— চহা স্বভাৱো বুলিব পাৰি, অথবা বঙলুৱা। প্ৰফুল্ল ককাইদেউ আছিল চিৰ অসহিষ্ণু-আত্মস্থভাৱে, নিৰুদ্বেগভাৱে অসহিষ্ণু। সহ্য নকৰিবৰ বাবে যি মানসিক শক্তিৰ প্ৰয়োজন সেইটো তেওঁৰ আছিল। যি বিদ্যা-বুদ্ধিৰ প্ৰয়োজন, সেইটোৰো কোনো অভাৱ নাছিল। আমি যিবোৰে সততে সহি যাওঁ— সেইবোৰে তেওঁলৈ ঈৰ্ষা আৰু শ্ৰদ্ধাৰে চাই থাকোঁ। হাঁহেৰেও ৰাজী মাহেৰেও ৰাজী— এনে মানুহ নাছিল প্ৰফুল্ল ককাইদেউ কিন্তু হাঁহ বা মাহ কোনোটোকে অৱজ্ঞাও নকৰিছিল। হাঁহক হাঁহ আৰু মাহক মাহ বুলি মাথোন জানিছিল। তেওঁ আছিল— ইংৰাজীত যাক বোলে Thorough.... চিন্তা, কথা-বতৰা, লেখা ক'তো তেওঁ 'ভাষা ভাষা' ধৰণৰে ওপঙি নুফুৰিছিল। জনাধিনি তেওঁৰ আছিল সম্পূৰ্ণ আয়ত্তাধীন; ভৰাধিনি তেওঁ স্পষ্টকৈ লেখিছিল। কেতিয়াবা কোনো কোনো সম্পাদক বিব্ৰত হ'লেও তেওঁ বিব্ৰত হোৱাৰ প্ৰয়োজনবোধ কৰা নাছিল। ডিৰেক্টৰ বা বিৰিঞ্চি ককাইদেউৰ (ড০ বিৰিঞ্চিকুমাৰ বৰুৱা) কথা কওঁতেও (লেখোতেও) তেওঁ,— আকৌ ইংৰাজীৰেই সহায় লৈছোঁ— gloss over কৰা নাছিল। (কটন কলেজৰ পৰা এম.এ. ক্লাছ উঠাই দিয়াৰ ক্ষেত্ৰত তাৰ আঁৰৰ কাহিনীৰ নায়ক অধ্যাপক প্ৰফুল্লদত্ত ৰায় আৰু ড০ কাকতিৰ কৰ্মপন্থাৰ উল্লেখ স্মৰণীয়)....

তেওঁৰ দৰে সংস্কাৰমুক্ত মানুহ মই অতি কম লগ পাইছোঁ। সংস্কাৰমুক্ততা জীৱনমুক্তিৰ সহোদৰ বুলি এটা শ্লোকেৰে যদি প্ৰফুল্ল ককাইদেউৰ স্মৃতি তৰ্পণ কৰিব পাৰিলোঁহেঁতেন! প্ৰফুল্লদত্ত গোস্বামীৰ নিৰংকুশ সংস্কাৰমুক্ত মনৰ কথা বহুতে জানিলেও শ্ৰীমান ভৃগুমোহন

* প্ৰণত প্ৰফুল্লদত্ত গোস্বামীৰ প্ৰতি শ্ৰদ্ধা-অঞ্জলি (১৯৯৪) পৰা পুনৰ মুদ্ৰিত।

গোস্বামীয়ে ৰচনা কৰা প্ৰফুল্লদত্ত গোস্বামীৰ চমু জীৱনীখনত সেই কথা মনোজ্ঞভাৱে বৰ্ণনা কৰা হৈছে। শ্ৰীমান ভৃগুমোহনৰ ওচৰত অৱধাৰে আমি কৃতজ্ঞ।

জ্ঞানভিক্ষু বুলিব পাৰি প্ৰফুল্লদত্ত গোস্বামীক। (সাৱধান, তেওঁৰ নামটো ভাঙি প্ৰফুল্ল-দত্ত-গোস্বামী বুলি নেলেখিব— আৰু P.D. Goswami বুলি নক'ব— তেখেত আছিল প্ৰফুল্লদত্ত গোস্বামী, P. Goswami। তেওঁৰ নামটো বাৰ বেলে মন যায় তেনেদৰে লেখিলে তেওঁৰ আদিম অসহিষ্ণুতা জাগ্ৰত হৈ উঠিছিল!) কিহৰ প্ৰতি তেওঁৰ আগ্ৰহ নাছিল? প্ৰয়োজন অপ্ৰয়োজনৰ ধাৰ নোধৰা মানুহ তেওঁ। গছ, চৰাই, কিতাপ, মানুহ? গান? খাদ্য, পানীয়?

জ্ঞানৰ ৰাজ্যত বিচৰণ কৰিবৰ বাবে তেওঁৰ আছিল কিতাপৰ জগত সম্বল। 'এস্পেৰাণ্টো' (Esperanto) বোলা কৃত্ৰিম বিশ্বভাষাৰ কথা শুনিছিলোঁ, জানিছিলোঁ টলষ্টয়েও এই বিশ্বভাষাটোৰ পোষকতা কৰিছিল মানুহৰ ঐক্যৰ সম্ভাৱনাত। কিন্তু সেই ভাষাৰ এখন প্ৰাথমিক কিতাপ মাত্ৰ সৌ সিদিনা প্ৰফুল্লদত্ত গোস্বামীয়ে তেখেতৰ কিতাপৰ পাভতিৰ পৰাই আনি দিছিল!

মানুহৰ ব্যক্তিত্বৰ প্ৰতি তেওঁৰ আগ্ৰহে তেওঁক লেখাইছিল বিখ্যাত ইউৰোপীয় মনীষীসকলৰ বিষয়ে সাৱলীল গ্ৰন্থ। প্ৰত্যেকজন মনীষীৰ যি বৈশিষ্ট্য তাৰ প্ৰতি কৰিছিল তেওঁৰ নিৰ্দিষ্ট আঙুলিসংকেত। আনহাতে আকৌ তেওঁৰ এজন বন্ধু ৺পূৰ্ণ ভৰালীৰ ব্যক্তিত্বৰ কথাও একে অন্তৰ্দৃষ্টিৰে তেখেতে লেখিছিল।

যোৱা কেইবছৰমান মাহেকত বা দুমাহত একোবাৰকৈ লগ পাইছিলোঁ 'আবিলাক'ৰ (আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ) কাৰ্য্যালয়ত। বাটত লগেৰে যাওঁতে মাজে মাজে তেওঁ আগদিনা শুনা ৰবীন্দ্ৰ সংগীতৰ শাৰী একোটা আওঁৰাই বা কাগজত লেখি আনিছিল। 'বসন্ত জাগ্ৰত দ্বাৰে' গানটো কেনেকৈ বসন্ত ৰাগত ৰচনা কৰা হৈছিল— সেই জাতীয় কথা কৈছিল। এদিন ফাউষ্টনাটৰ মাৰ্গাৰেটৰ সেই বিখ্যাত গানটো— 'Meine Ruh'ist hin' (My peace is gone) জাৰ্মান ভাষাতেই গুণগুণাই আছিল! (কৰ্কাইদেৱে জাৰ্মান কিমান জানিছিল, মই ঠিক নাজানো, কিন্তু গানটো জানিছিল) মই ফাউষ্ট অনুবাদ কৰাৰ সময়ত তেওঁ মোক বিদৰে সহায় কৰিছিল অভিধান আদিৰেও— অৱধাৰে কৃতজ্ঞতাও যথেষ্ট নহয়।

এই মানুহজন গুচি গ'ল। Femur brone ভাগিলে চলন শক্তি ব্যাহত হয়, কিন্তু তাৰপৰাই অচল হৈ যায় সেই কথা শুনা নাছিলোঁ। ৭৬ বছৰ তেনে কোনো বিশেষ বয়স নহয়। আমাৰ ভাৰতীয় পৰম্পৰা মতে সাতসত্তৰ বছৰৰ সপ্তম মাহৰ সপ্তম ৰাতিটোহে ভীমাৰাত্ৰি।

এই সংস্কাৰমুক্ত মানুহজনে অৰ্ধ-অথৰ্ব ৰোগ শয্যাতেই যাক জীৱনমুক্তিৰ সুখ পাইছিলগৈ নেকি ? মোৰ এনে যেনো লাগে, মানুহক ভাল পোৱা, উদ্বেগহীন অথচ অসহিষ্ণু এই সত্ত্বাই যেন নিজৰ শয্যাশায়ী অথৰ্ব ৰূপটো সহ্য কৰিব নোৱাৰিলে আৰু শান্তভাৱে এৰি থৈ যাবলগীয়াখিনি এৰি থৈ গুছি গ'ল। জৈনসকলে ইয়াকেই 'সল্লেখন' বোলে নেকি ?

ভাবিছোঁ, তেওঁ এৰি থৈ যোৱাখিনি নে লৈ যোৱাখিনি, কোনখিনি নশ্বৰ ?

—o—

প্ৰফুল্লদত্ত গোস্বামী ঃ বিৰল প্ৰতিভাশালী

বিশ্বনাৰায়ণ শাস্ত্ৰী

মধ্যযুগৰ এজন সংস্কৃত সাহিত্য-সমীক্ষকে কবিত্বৰ আধাৰৰূপে যিকেইটা কথাৰ উল্লেখ কৰিছে, তাৰ ভিতৰত প্ৰথমে নৈসৰ্গিকী প্ৰতিভা অৰ্থাৎ সহজ প্ৰতিভাক মূল বুলি কৈছে। সহজ প্ৰতিভাৰ বিকাশৰ বাবে ব্যাপক অধ্যয়ন-শ্ৰৱণ-মননৰ আৱশ্যক আৰু লগতে সততে কাব্যানুশীলনো সমানে প্ৰয়োজনীয় বুলি তেওঁ কৈছে। কাব্য ৰচনাৰ ক্ষেত্ৰত কবিত্বৰ মূল আধাৰৰূপে বৰ্ণিত নৈসৰ্গিকী প্ৰতিভা বিৰল। বুদ্ধি আৰু প্ৰতিভাৰ প্ৰভেদ দেখুৱাবলৈ আভিধানিক অমৰসিংহই মানৱৰ জৈৱিক বাসনাৰ মূল ৰূপে বুদ্ধিৰ উল্লেখ কৰিছে আৰু যি বুদ্ধিৰ নিত্য-নতুন ৰূপত স্ফুৰণ হয়, তাকে প্ৰতিভা বুলি তেওঁ আখ্যা দিছে।

"বুদ্ধিৰ্নৱ-নৱোন্মেষ-শালিনী সা চ কথ্যতে।"

— গতিকে বুদ্ধিৰ অভিনৱ ৰূপান্তৰৰ নিহিত শক্তিয়েই প্ৰতিভা আৰু সেই প্ৰতিভাৰ অধিকাৰীজনেই নতুন কিছু সৃষ্টি কৰিবলৈ সক্ষম। কবিত্বৰ ক্ষেত্ৰত কথিত এই কথাষাৰ মানৱ জীৱনৰ অন্যান্য কৃতিত্বৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য।

ড০ প্ৰফুল্লদত্ত গোস্বামী আছিল— এনে এজন প্ৰতিভাশালী জ্ঞানপিপাসু ব্যক্তি। গোস্বামীৰ কাৰ্য্যত, সাহিত্য ৰচনা আৰু সাহিত্য সমীক্ষাত, আচৰণ আৰু কথোপকথনত স-হজ প্ৰতিভাৰ স্ফুৰণ দেখা গৈছিল। সেইদেখি ইংৰাজী সাহিত্যৰ এই অধ্যাপকজনে ইংৰাজী সাহিত্যলৈ অধিক আগ্ৰহ নেদেখুৱাই লোক-সংস্কৃতিৰ মাজত (অতীত যুগৰ) হেৰাই যোৱা মানুহৰ আশা-আকাংক্ষা, হৰ্ষ-বিষাদৰ সন্ধেদ বিচাৰিছিল আৰু সেই লোকসকলৰ সৈতে অন্তৰঙ্গ সম্বন্ধ স্থাপনৰো চেষ্টা কৰিছিল। এনে চেষ্টাৰ পৰিণতিৰূপে "অসম জনকৃষ্টি সমাজ"-এ জন্ম লাভ কৰিছিল। লোক-সংস্কৃতি চৰ্চাৰ প্ৰসঙ্গতে ড০ গোস্বামীৰ সৈতে মোৰ পূৰণি পৰিচয় নতুন হয় আৰু ক্ৰমে ক্ৰমে ই ঘনিষ্ঠতা আৰু আন্তৰিকতালৈ ৰূপান্তৰিত হয়।

ড০ গোস্বামীৰ সৈতে মোৰ প্ৰথম পৰিচয় হয়— বহু বছৰ আগতে তেখেত যেতিয়া যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত ইংৰাজী সাহিত্যৰ অধ্যাপক আছিল। সেই পৰিচয়

ঘটে ভক্তিশাস্ত্ৰ আৰু প্ৰত্নতত্ত্বত সমানে পাৰদৰ্শী প্ৰয়াত ৰাজমোহন নাথ, তত্ত্বভূষণদেৱৰ চৰকাৰী বাসভৱনত। সেই সময়ত ৰাজমোহন নাথে যোৰহাটত গড়কাপ্তানি বিভাগত কাৰ্য্যবাহী অভিযন্তাৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। জীৱিকাৰ বাবে কাৰ্য্যনিৰ্বাহ গড়কাপ্তানি বিভাগত আছিল যদিও তেখেতৰ অনুসন্ধিৎসু মনে চৰিওকালে সাহিত্য, প্ৰত্নতত্ত্ব, লোক-সংস্কৃতি— সকলো বিষয়তে বিচৰণ কৰিছিল। সেই সময়ত প্ৰাচ্যবিদ্যাৰ্ণৱ কৃষ্ণকান্ত সন্দিকৈদেৱৰ *নৈষধ-চৰিতৰ* ইংৰাজী অনুবাদ প্ৰকাশ হৈছিল। উক্ত গ্ৰন্থৰ কোনো এক কথাৰ সন্দেহ বিচাৰি প্ৰফুল্লদত্ত গোস্বামী ৰাজমোহন নাথদেৱৰ ঘৰলৈ আহিছিল আৰু সেই সময়ত ময়ো তাত উপস্থিত থকাত ক্ষীণকায়, ওখ, অলপ বেলেগ গঢ়ৰ এজন মানুহক দেখি তেখেতৰ পৰিচয় লৈছিলোঁ। সাজ-পাৰ তেনেই সাধাৰণ, অঙ্গসৌষ্ঠৱো আকৰ্ষণীয় নহয়, কিন্তু চকুযুৰি আছিল অলপ ডাঙৰ আৰু উজ্জ্বল। কিবা এটা যেন চকুৱে-মুখে প্ৰকাশ হৈছিল আৰু অন্তৰৰ ভাৱে যেন চকুৰেদি বাহিৰলৈ যাবলৈ লুকা-ভাকু খেলিছিল। প্ৰথম সাক্ষাততে তেখেতৰ ব্যক্তিত্বই মোৰ মনত যি গভীৰ সাঁচ বহুৱালে সি তেতিয়াৰেপৰা আজিলৈকে একেদৰে আছে। বয়স আৰু সময় লগলাগিও সেই ভাৱমূৰ্তি মলিন কৰিব পৰা নাই। শোক-বেজাৰ, আনন্দ-হৰ্ষ আদি ভাৱৰ তীব্ৰতা সময় পাৰ হৈ যোৱাৰ লগে লগে ক্ৰমে হ্ৰাস হয় আৰু সেই বাবে অন্তৰত শোক, হৰ্ষ আদি ভাৱৰ উদ্ৰেকৰ বাহ্যিক কাৰণ প্ৰকৃত কাৰণ নহয় বুলি এষাঁকি কথাৰে *হিতোপদেশ* ৰচয়িতাই আমাক বুজাবলৈ চেষ্টা কৰি কৈছে— "মানুহৰ অন্তৰৰ অজ্ঞানহে এইবিলাকৰ কাৰণ; কিয়নো অজ্ঞান কাৰণ নহৈ বাহিৰৰ অন্য কিবা কাৰণ হোৱা হ'লে দিন যোৱাৰ লগে লগে সেইবিলাকৰ অভাৱো মানুহে বেছিকৈহে অনুভৱ কৰিবলৈহেঁতেন আৰু শোক-হৰ্ষ আদি ক্ৰমে দিনে দিনে বাঢ়িহে গ'লহেঁতেন। কিন্তু দেখা যায়— দিন পুৰণি হৈ যোৱাৰ লগে লগে শোক-বেজাৰো কমিহে যায়। গতিকে মানুহৰ অজ্ঞানতাই শোক-বেজাৰৰ কাৰণ।"

অজ্ঞানং কাৰণং ন স্যাং বিয়োগো যদি কাৰণম্।
শোকো দিনেষু গচ্ছৎসু বৰ্দ্ধতামপযাতি কিম্॥

প্ৰফুল্লদত্ত গোস্বামীৰ অধ্যয়ন, ৰচনা আৰু আচৰণ আন বহুতভকৈ বেলেগ আছিল। আনে যোৱা বাটেদি ঘৰকৈ নগৈ নতুন বাটেদি যোৱাৰ হাবিয়াস তেওঁৰ অধ্যয়নৰ পৰিধি আৰু ৰচনাতো প্ৰকাশ পাইছিল। সেইদেখি ধ্ৰুপদী সাহিত্যৰ চৰ্চাতকৈ লোক-সাহিত্য আৰু সংস্কৃতিৰ চৰ্চাৰে তেওঁ কাল অতিবাহিত কৰিছিল আৰু তাৰ মাজতে বিচাৰিছিল— সাহিত্যিক প্ৰেৰণা। সৃষ্টিশীল আৰু মননশীল সাহিত্য ৰচনাত গোস্বামীৰ প্ৰকাশভঙ্গী আছিল সংক্ষিপ্ত, পোনপটীয়া আৰু অনেক ক্ষেত্ৰত মৰ্মস্পৰ্শী। [illegible] তেখেতৰ উক্তি আৰু ৰচনা আঁখা ভুৰবীয়া বুলি "তাৰিৰ আঁৰত ৰজাকো চৰ্চা" [illegible] কাঁপত পৰিছিল। প্ৰকৃতিতে সংক্ষিপ্ত আৰু তাৰ শেষ [illegible] যেন লগা ৰচনাই তেখেতৰ [illegible] প্ৰকাশ কৰিছিল। [illegible]

সন্মুখৰ খলা-বমা সমান হৈ পৰে বা পথৰ বাধাও নাইকিয়া হয়।

প্ৰয়াত বিৰিঞ্চিকুমাৰ বৰুৱাদেৱৰ প্ৰচেষ্টাত অসম অকাডেমী অনুষ্ঠানটো গঢ়ি উঠিছিল। প্ৰফুল্লদত্ত গোস্বামী আছিল অকাডেমীৰ সম্পাদক আৰু মই কোষাধ্যক্ষ। দেখিছিলোঁ অকাডেমীৰ পৰিচালনা সমিতিৰ অধিৱেশনৰ কাৰ্য্য-বিৱৰণী গোস্বামীয়ে সিদ্ধান্তকেইটা লিখি কম কথাতে সমাপ্ত কৰিছিল। বাক্যসমূহো আছিল তেনেই খৰাখুৰা, কিন্তু আৱশ্যকীয় কোনো কথাই বাদ পৰা নাছিল। প্ৰকাশন পৰিকল্পৰ আৰম্ভণিতে ভাৰতীয় বিদ্বানসকলৰ ৰচিত মননশীল সাহিত্যৰ এটা সংগ্ৰহ অসমীয়া অনুবাদত প্ৰকাশৰ বাবে দিহা কৰা হৈছিল আৰু বিবিধ ৰচনা আৰু গ্ৰন্থবিশেষৰপৰা নিৰ্দিষ্ট অংশ বাচনিৰ দায়িত্ব আছিল গোস্বামীৰ ওপৰত। স্বাভাৱিকতে এই বাচনিখিনি সমিতিলৈ আগবঢ়াওঁতে সচিত্ৰৰূপে মই চূড়ান্ত নিৰ্বাচন কৰিব লগা হৈছিল আৰু কোনো কোনো ক্ষেত্ৰত গোস্বামীয়ে নিৰ্বাচন কৰা দুই-এটা প্ৰবন্ধ বাদ দিব লগা হৈছিল। কিয়নো আমাৰ দুয়োৰে দৃষ্টিভঙ্গী তেনেকুৱা বিষয়ত একে নাছিল।

গোস্বামীয়ে সভাই-সমিতিয়ে বৰকৈ ঘূৰি ফুৰাতো ভাল নাপাইছিল, কিন্তু তেখেত 'গুৱাহাটী আলোচনা চক্ৰ'ৰ নিয়মীয়া সদস্য আছিল আৰু প্ৰায় সকলো বৈঠকতে যোগ দিছিল। কেৱল যোগ দিয়াই নহয়— টেটকুটীয়া কথাৰ ক্ষুদ্ৰ সংগ্ৰহৰপৰা গভীৰ বিষয়লৈকে প্ৰায়ে একোখন ৰচনা তেখেতে আলোচনা চক্ৰত পাঠ কৰিছিল। বহু বছৰ ধৰি একেৰাহে গোস্বামীয়ে 'গুৱাহাটী আলোচনা চক্ৰ'ৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। মই আলোচনা চক্ৰত সদায় যোগ দিব পৰা নাছিলোঁ, যদিও যোগ দিয়াৰ দিনাই তেখেতক নিৰ্দিষ্ট সময়ত উপস্থিত হোৱা দেখা পাইছিলোঁ।

বহু বছৰ ধৰি প্ৰফুল্লদত্ত গোস্বামী 'কামৰূপ অনুসন্ধান সমিতি'ৰ সম্পাদক আছিল আৰু পিছত উপ-সভাপতিও হৈছিল। মই অনুসন্ধান সমিতিৰ সভাপতি হৈ থকা সময়ৰ প্ৰথম হোৱাত (১৯৭১-৮৩) গোস্বামী অনুসন্ধান সমিতিৰ সম্পাদক আৰু উপ-সভাপতিৰূপে থকাত একেলগে কাম কৰাৰ সুবিধা পাইছিলোঁ। দেখিছিলোঁ সকলো বিষয়তে গোস্বামীৰ সমান আগ্ৰহ। কিন্তু একেটা বিষয়তে লেৰা-লেপেৰাকৈ লাগি থকাটো তেখেতৰ স্বভাৱ-বিৰুদ্ধ আছিল।

'অসম জনকৃষ্টি সমাজ' প্ৰতিষ্ঠাৰ বাবে তেখেতে মোৰ সহযোগ বিচাৰিছিল আৰু প্ৰথম সভাখন মোৰ সভাপতিত্বতে সম্পন্ন হৈছিল। [illegible] সক্ৰিয়ভাৱে আৰু অনেক [illegible] দূৰৈৰপৰাই 'অসম জনকৃষ্টি সমাজ'ৰ লগতে জড়িত হৈ কাৰ্য্যনিৰ্বাহ কৰাৰ সুযোগ পাই আছিলোঁ। সদায় লক্ষ্য কৰিছিলোঁ [illegible] আৰু আড়ম্বৰহীনকৈ সাধাৰণভাৱে জনকৃষ্টি সমাজৰ অধিৱেশন পাতি নিজৰে কাম কৰাতহে গোস্বামীয়ে অধিক গুৰুত্ব দিছিল। মনত পৰিছে— উক্ত সমাজত "[illegible]" শীৰ্ষক এটা বক্তৃতা দিবলৈ মোক সমিতিয়ে আমন্ত্ৰণ জনাইছিল। [illegible] বৈঠকত এই বক্তৃতা [illegible]

কৰিছিলোঁ। বক্তৃতাৰ মাজে মাজে দুই-চাৰিজন উৎসাহী সদস্যই প্ৰশ্ন কৰি বক্তৃতাৰ ধাৰাবাহিকতা ছেদ কৰিছিল বাবে গোস্বামীয়ে তেওঁলোকক সকলো কথা জুকিয়াই লৈ বক্তৃতাৰ শেষতহে প্ৰশ্ন কৰিবলৈ পৰামৰ্শ দিছিল। এই বক্তৃতানুষ্ঠানৰ আলোচনা প্ৰসংগত ৰাতি ৰাক্ষসৰ নাম ল'ব নাপায়, নাম ল'লে ৰাক্ষস অধিক বলবান হয় বুলি *ৰামায়ণত* বিশ্বামিত্ৰই ৰাম-লক্ষ্মণক উপদেশ দিয়াৰ কথা উল্লেখ কৰাত গোস্বামীয়ে তাক লোক-বিশ্বাসৰ প্ৰকাশ বুলি মন্তব্য কৰা কথা আজিও মোৰ মনত আছে।

মই লোকসভাৰ সদস্য হৈ দিল্লীত থকা সময়ত ১৯৭৩ চনৰ অক্টোবৰ নে নৱেম্বৰ মাহৰ কোনোবা এটা দিনত প্ৰফুল্লদত্ত গোস্বামী হঠাতে মোৰ নৰ্থ এভিনিউৰ আৱাসত উপস্থিত হ'ল। মই তেখেতক দেখি আচৰিত হোৱাৰ লগতে আনন্দও পালো। কোনো খা-খবৰ নোহোৱাকৈ এজন পুৰণি বন্ধু এইদৰে উপস্থিত হোৱা দেখি স্বাভাৱিকতে ঔৎসুক্য বাঢ়িল। কুশল বাতৰি সোধাৰ পিছত জানিব পাৰিলোঁ তেখেত বিদেশলৈ যাব ওলাই আহিছে— ইংলণ্ডৰ কোনোবা এটা সংস্থাই তেখেতক লোক-সংস্কৃতিৰ বিষয়ে বক্তৃতা দিবলৈ জনোৱা আমন্ত্ৰণ ক্ৰমে উৰা জাহাজৰ টিকটত যাত্ৰাৰ নিশ্চয়তা নথকা বাবে তেখেতে মোক অলপ সহায় কৰি দিবলৈ ক'লে আৰু ময়ো আনন্দেৰে সম্মতি জনালোঁ। পিছদিনা পুৱা আৱশ্যকীয় কামখিনি শেষ হ'ল, আবেলিপৰত বিমান-বন্দৰলৈ তেখেত যাবলৈ ওলাল— হাতত এটা ডেৰ ফুটমান দীঘল সৰু চুট্‌কেচ্ আৰু কান্ধত ওলোমাই লোৱা এটা কাপোৰৰ মোনা। (এনেকুৱা এটা মোনা তেখেতে প্ৰতিষ্ঠা কৰা লোক-সংস্কৃতি বিভাগৰ অধ্যাপকসকলে কান্ধত ওলোমাই লোৱা বহুতে নিশ্চয় লক্ষ্য কৰিছে।) তেখেতক দেখি মোৰ পত্নীয়ে সুধিলে ঃ "গোস্বামী, এইখিনি কাপোৰ-কানিয়ে আপোনাক বিদেশত জুৰিবনে ?" উত্তৰত তেখেতে ক'লে ঃ "এই এযোৰ পিন্ধিয়ে আছোঁ, চুট্‌কেচ্‌ৰ ভিতৰত আৰু এযোৰ আছে, বেছিকৈ এসোপা কঢ়িয়াই নি কি কৰিম ?"

ড০ গোস্বামীৰ জীৱনৰ প্ৰতিটো কামতে এনে মিতব্যয়ী আৰু সৰল ভাৱৰে প্ৰকাশ ঘটিছিল।

—o—

প্ৰফুল্লদত্ত গোস্বামীৰ সোঁৱৰণত

****

অতুল চন্দ্ৰ বৰুৱা

প্ৰফুল্লদত্ত গোস্বামীক মই কটন কলেজলৈ আহি প্ৰথমে সহপাঠী হিচাবে লগ পাইছিলোঁ ১৯৩৬ চনত। তেতিয়াই প্ৰথম চিনাকি। চিনাকি হোৱাৰ পিছৰেপৰা কিন্তু কিয় কেনেকৈ নাজানো দুয়ো হৈ পৰিছিলোঁ নলেগলে লগা বন্ধু : কলেজৰ চাৰি বছৰৰ পিছত ছিলঙৰ চাকৰি জীৱনত আৰু তাৰ পাছতো নানা অনুষ্ঠানৰ যোগেদি। কলেজত থাকোঁতে আমি মনে-মিলা বন্ধুসকলে 'প্ৰগতি সমিতি' বুলি এটা অনুষ্ঠুপীয়া সাহিত্যানুষ্ঠান গঢ়ি তুলিছিলোঁ। তাৰো সম্পাদক আছিল প্ৰফুল্লদত্ত গোস্বামী আৰু সহকাৰী সম্পাদক, এই লিখক নিজে। চাকৰি জীৱনত ১৯৫৫ চনত প্ৰতিষ্ঠা কৰা 'গুৱাহাটী আলোচনা চক্ৰ'ৰো এই অভাজনৰ পিছতেই দ্বিতীয় সম্পাদক হৈছিল ডঃ প্ৰফুল্লদত্ত গোস্বামী। তাৰ পাছত অসম জনকৃষ্টি সমাজৰো (Floklore Society of Assam) পথ-প্ৰদৰ্শক আৰু গুৰিধৰোঁতা ওজা আছিল ডঃ গোস্বামী; আমি হৈ পৰিছিলোঁ তেখেতৰ পালি। এনেকৈয়ে যেন সকলো কামতে কিবা প্ৰকাৰে নহয় কিবা প্ৰকাৰে আমি জনচেৰেক প্ৰায় সদায়ে তেখেতৰ লগত সাঙোৰ খাই পৰিছিলোঁ।

১৯৩৮ চন মানৰ কথা। দীঘলীপুখুৰীৰ পূব পাৰত জনচেৰেক কটনিয়ানৰ এটা ছাত্ৰাবাস আছিল। নাম থোৱা হৈছিল 'আমাৰ ঘৰ'। কংগ্ৰেছী নেতা তৈয়েবুল্লা চাহাবৰ এটা বাহিৰা ঘৰ কেৰেয়া লৈ তাতেই এটা ছাত্ৰাবাস আৰম্ভ কৰা হৈছিল। ই আছিল সাহিত্য চৰ্চা কৰা গোটাচেৰেক ডেকা কটনিয়ানৰ বাসস্থান। অতেই ভৱানন্দ দত্ত, চক্ৰেশ্বৰ ভট্টাচাৰ্য্য, প্ৰফুল্লদত্ত গোস্বামী, মহেশ চন্দ্ৰ দেৱগোস্বামী, উপেন্দ্ৰ চন্দ্ৰ শইকীয়া, চৈয়দ আব্দুল মালিক, অতুল চন্দ্ৰ বৰুৱা আদি ছাত্ৰসকলে সঘনে গল্প-গুজবৰ মাজেদি ৰং-ধেমালি কৰিছিল। ছাত্ৰাবাসৰ স্থায়ী বাসিন্দা কিন্তু ৫/৬ জনৰ বেছি নাছিল।

সেই সময়ত উজানবজাৰৰ বিহগী কবি ৰঘুনাথ চৌধাৰীৰ ঘৰটো আছিল সকলোৰে কাৰণে মৌ-চাকৰ দৰে আড্ডা। 'ৰঘুনাথ আড্ডা' সকলোৰে শ্ৰদ্ধা আৰু মৰমৰ আকৰ্ষণ স্থল।

আই.এ. পৰীক্ষা দিয়াৰ আগে আগে ৰঘুনাথ চৌধাৰী আতাৰ ঘৰ-ঘৰত বা সমুখৰ শেৱালিজোপাৰ তলত আমি প্ৰতি দেওবাৰে সাহিত্যৰ মেল পাতিছিলোঁ। আতা আমাৰ গুৰিয়াল। মাজে মাজে তেওঁ মুখেৰে হাঁহে আৰু মাজে মাজে বিবাদমান বিষয়ত নিজৰ যুক্তি স্থাপন কৰি আমাক দুই-এটা দাবী-ধমকি দি আমাৰ তৰ্কৰ অন্ত পেলায়। তেনেকৈয়ে গঢ়ি উঠিছিল এটি অনুষ্ঠানীয়া সাহিত্যানুষ্ঠান নাম– 'প্ৰগতি সমিতি'। আমিয়ে আলচ কৰি সেই নাম উলিয়াইছিলোঁ। চক্ৰেশ্বৰ ভট্টই প্ৰগতি শব্দটো ব্যৱহাৰ কৰিবলৈ বৰকৈ জোৰ দিছিল। তেওঁ কৈছিল ঃ আমি গতানুগতিক সমিতি নাপাতোঁ, আমাৰ সমিতি প্ৰগতিবাদী হ'ব লাগিব; মই হ'লে সেইটো নাম একোপধ্যে এৰি দিব নোখোজোঁ। দত্ত গোস্বামী আছিল তেওঁৰ প্ৰবল সমৰ্থক। অৱশ্যে অন্যান্য নামৰ প্ৰস্তাৱো উত্থাপিত নোহোৱাকৈ নাছিল। চৌধাৰী আতাই ৰায় দিছিল ঃ হ'ব বাৰু 'প্ৰগতি সমিতি'য়ে নাম হ'ব, মাত্ৰ এতিয়া তাৰ গতি যাতে সচাঁকৈয়ে প্ৰগতি হয় তাৰ বাবে প্ৰগতিবাদী সাহিত্য গঢ়াত লাগা। সেইদিনাখনেই সমিতিৰ বৈঠকত প্ৰফুল্লদত্ত গোস্বামীক সৰ্বসম্মতিক্ৰমে সম্পাদক আৰু অতুল চন্দ্ৰ বৰুৱাক সহকাৰী সম্পাদক নিৰ্বাচত কৰা হ'ল। 'আমাৰ ঘৰ' প্ৰসঙ্গত ওপৰত উল্লেখ কৰা সদস্যসকলৰ বাহিৰেও 'প্ৰগতি সমিতি'ৰ আৰু সদস্য আছিল– অমিয় শৰ্মা, ভোলানাথ হাজৰিকা, শৰৎ চন্দ্ৰ বৰা, নৰনাৰায়ণ গোস্বামী, সুৰেন্দ্ৰমোহন চৌধুৰী, নবীন চন্দ্ৰ গোস্বামী, প্ৰভাত চন্দ্ৰ বৰুৱা, ৰমেশ চন্দ্ৰ শৰ্মা, হৰিনাথ শৰ্মা, সুৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য আৰু শান্ত চৌধুৰী (শিশু সদস্য)।

প্ৰফুল্লদত্ত গোস্বামীয়ে প্ৰগতি সমিতি আৰু তাৰপৰা ওলোৱা পুথি 'চিন্তাধাৰা'– দুয়োৰে সম্পাদক হৈ দেহেকেহে খাটিছিল। এইদৰে অল্পভাষী আৰু প্ৰচাৰবিমুখ গোস্বামী ছাত্ৰকালতে সৰ্বজনপ্ৰিয় আৰু মান্য ব্যক্তি হৈ পৰিছিল।

আৰু দুটা ঘটনাৰ স্মৃতি। আই.এ. পঢ়ি থাকোঁতে মোৰ হাত-ঘড়ী এটা কিনি ল'বলৈ মনত প্ৰবল হেঁপাহ হৈছিল। অকল মোৰেই নহয় শ্ৰেণীৰ সহপাঠী কেইবাজনৰো সেই একে হেঁপাহ। মহেশ চন্দ্ৰ দেৱগোস্বামী আৰু মই, আমি দুয়োজনে তেতিয়া ঠিক কৰিলোঁ গৰমৰ বন্ধৰ পিছত হাতত বৃত্তিৰ টকা আহি পৰিলে পোনতে প্ৰত্যেকে একোটা ঘড়ী কিনিম। হেকেণ্ডাহু হাত-ঘড়ীৰ মূল্য তেতিয়া ওঠৰ টকা। সেইমতে পাণবজাৰৰ দোকানত অৰ্ডাৰ দি বন্ধত দুয়ো ঘৰলৈ গলোঁ। পূৰ্বৰ কথামতে বন্ধৰ পাছত আহি দুয়ো দুটা ঘড়ী লৈছিলোঁ। ঘড়ী ল'বৰ দিনা দোকানত আমাৰ দুয়োৰে সঙ্গী আছিল প্ৰমী-প্ৰফুল্লদত্ত গোস্বামী। গোস্বামীয়ে হাঁহি মাৰি আমাৰ উলাহত যোগ দি ক'লে ঃ আপোনালোক দুয়ো যেনেকৈ নিজে আৰ্জি ঘড়ী পিন্ধিলে মযো সেইদৰে নিজে আৰ্জিব পাৰিলেহে ঘড়ী ল'ম, দেখিব। সচাঁ-সচিঁকৈয়ে পিছত তেওঁ নিজৰ প্ৰতিজ্ঞামতে টিউচন কৰি তাৰ উপাৰ্জনেৰেহে হাত ঘড়ী এটা কিনি লৈছিল আৰু আমাক এদিন দেখুৱাই সেই কথা সগৌৰৱে সোঁৱৰাই দিছিল।

বি.এ. -ত আমি দুয়ো আলচ কৰি ইংৰাজীৰ অনাৰ্চ লৈছিলোঁ আৰু পৰীক্ষা দিছিলোঁ। তেওঁ পালে— মই নাপালোঁ। মই পাছ্ হ'লোঁ। তাৰ কাৰণ আছে। পিছে অনাৰ্চ লোৱাৰ পূৰ্বে তেওঁ এদিন ড০বাণীকান্ত কাকতি ছাৰৰ ওচৰলৈ গৈ ছাৰক সুধিলে : ছাৰ, মই ইংৰাজীত অনাৰ্চ ল'ব খুজিছোঁ, পাৰিম নে ? উত্তৰত হেনো ছাৰে তেখেতৰ স্বাভাৱিক হাঁহিটো মাৰি কৈছিল : That depends upon the striker. এই বাক্যটোৰ আমি অৰ্থ উলিয়াই কৈছিলোঁ— ছাৰে ঠিকেই ক'লে— আত্মবলং পৰম বলম্।

সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত ড০ প্ৰফুল্লদত্ত গোস্বামীৰ অৰিহণা অজস্ৰ। তেওঁৰ ৰচিত অসমীয়া আৰু ইংৰাজী দুয়ো ভাষাৰে মূল্যবান গ্ৰন্থৰ সংখ্যা দুকুৰিৰ কম নহয়। চিঠি-পত্ৰ আৰু প্ৰবন্ধ-পাতিৰ বহুততে তেওঁ নিজৰ নামটোৰ আদি আৰু অন্তৰ অক্ষৰ দুটা জুঁটি লৈ 'প্ৰমী' নামত চহী কৰিছিল। বন্ধু মহলতো তেওঁ যেইদৰেই সম্বোধিত আৰু উল্লিখিত হৈছিল।

—০—

সতীৰ্থ বন্ধু— প্ৰফুল্লদত্ত গোস্বামী

****

কালীনাথ শৰ্মা

প্ৰফুল্লদত্ত গোস্বামী সম্বন্ধে লিখিবলৈ লোৱাৰ সময়ত তেওঁৰ দুটা ছবি মোৰ মানস পটত ভাহি উঠিছে। তাৰে এটা হৈছে উইণ্ট্ৰোব্ নাৰ্ছিং হোমত কগীয়া হৈ পৰি থকা নিশ্চল গোস্বামী আৰু আনটো হৈছে তাৰে আগৰ তজবজীয়া আৰু ঘড়ীৰ ছেকেণ্ডৰ কাঁটাদালৰ দৰে মুহূৰ্তবিলাকৰ লগত খোজ দিব খোজা মানুহজনৰ ছবি। নাৰ্ছিং হোমৰপৰা গোঁসাই এবাৰ সুস্থ হৈ ওলাই আহিল, কিন্তু নিজা তজবজীয়া, আৰু দেখাত অস্থিৰ চৰিত্ৰটো তাতে থৈ আহিল।

তেওঁৰ সম্পূৰ্ণ নাম আছিল প্ৰফুল্লদত্ত দেবগোস্বামী অধিকাৰী। কটন কলেজৰ পুৰণা ৰেজিষ্টাৰ বহীত এই দীঘল নামটো এতিয়াও আছে। কেতিয়া তেওঁ দেৱঅধিকাৰী পদবী ত্যাগ কৰিলে সেই কথা মই জানো হ'বলা। 'হ'বলা' বুলিছোঁ এইবাবে যে এই ত্যাগৰ কাৰণ তেওঁৰপৰা আহৰণ কৰা নাই। গোস্বামীৰ নামটোৱে আমাৰ ইংৰাজীৰ অধ্যাপক পি.চি. ৰায়ৰ মনত আন্দোলনৰ সৃষ্টি কৰিছিল আৰু ৰসিকতা কৰি ইয়াৰ কথা ক্লাচত প্ৰকাশ কৰিছিল। তেতিয়াৰপৰা গোঁসায়ে 'দেৱঅধিকাৰী' নামাংশ বাদ দিলে। এই নামাংশই তেওঁৰ নিজৰ মনত ইতিপূৰ্বে কিবা প্ৰতিক্ৰিয়া কৰিছিল বুলি আমি ক'ব নোৱাৰোঁ। তেওঁৰ বংশৰ কোনেও এতিয়া নিজ নামত এই অংশটো ৰখা নাই। তেওঁৰ ছাত্ৰ আৰু সহকৰ্মীসকলে কিন্তু গোস্বামীক এটা সম্ভ্ৰমৰ অধিকাৰ দিছে— লোক-সংস্কৃতিত পথদ্ৰষ্টাৰ অধিকাৰ, ইয়াৰ তথ্য আৰু তত্ত্বজ্ঞানৰ অধিকাৰ। নামাংশৰ নিচিনাকৈ ইয়াক ত্যাগ কৰিবৰ অধিকাৰ তেওঁৰ নাই।

গোস্বামী মোৰ সহপাঠী। তেওঁৰ লগত মোৰ পাৰিবাৰিক সম্বন্ধ এটাও আছে। এই সম্বন্ধটো স্থায়ী হয় ১৯৪০ চনত। মই কিন্তু ১৯৩৬ চনৰপৰাই তেওঁক জানো। পাৰিবাৰিক সম্বন্ধটোৱে আমাক কিমান ঘনিষ্ঠতৰ কৰিছিল তাৰ বিচাৰ মই কৰা নাই। তেওঁ মোৰ ভাৰ্য্যাক 'তই' বুলি মাতে— তাৰ কাৰণ এয়ে যে তেওঁ মোৰ পৰিবাৰৰ 'বাপদাদা'। তেওঁৰ পৰিয়ালৰ বাহিৰে বোধকৰোঁ খুব কম মানুহেহে জানে যে তেওঁৰ ঘৰুৱা নাম বাপ! তেওঁলোক

নহিৰা সত্ৰৰ সত্ৰাধিকাৰ আছিল। সেই বাবেই তেওঁলোক 'অধিকাৰী' হৈছিল যেন পাওঁ। প্ৰফুল্লদত্ত গোস্বামীৰ জেঠাক ৺সহদেৱ গোস্বামী উজানবজাৰৰ সকলোৰে স্নেহ আৰু শ্ৰদ্ধাৰ পাত্ৰ আছিল। তেওঁৰ ঘৰখন আত্মীয়, অনাত্মীয় কেইবাজন ছাত্ৰৰ বাবে নিজ ঘৰ যেন আছিল। প্ৰফুল্লদত্ত গোস্বামীও সেই ঘৰতে পঢ়াশুনা কৰিছিল। এওঁৰ পিতৃ ৺ সিংহদত্ত গোস্বামী অধিকাৰী এহাল ল'ৰা-ছোৱালী কোমল বয়সতে এৰি স্বৰ্গী হৈছে। ল'ৰাটো হ'ল বাপ আৰু কন্যা হ'ল ময়না। ময়নাৰ ভাল নাম অৰুণা গোস্বামী। ছিলঙত চৰকাৰী চাকৰি কৰি খাৰঘুলিৰ বেলতলা বোলা চুবুৰীত এটি ঘৰ সাজি অৱসৰ জীৱন যাপন কৰিছিল সন্তদেৱ গোস্বামী– ময়নাৰ স্বামী। তিনি কি চাৰি বছৰমান আগতে সন্তদেৱে দেহত্যাগ কৰিছে। প্ৰফুল্লদত্তৰ মৃত্যুৰ পিছত সিংহদত্তৰ সন্তান বুলিবলৈ শ্ৰীমতী অৰুণা গোস্বামী ল'ৰা-ছোৱালীৰ সৈতে খাৰঘুলিত আছে।

গোস্বামীৰ খুড়াক তিনিজন। এওঁলোক হ'ল ৰামদত্ত গোস্বামী, দেৱদত্ত গোস্বামী আৰু ব্ৰহ্মদত্ত গোস্বামী। দেৱদত্ত গোস্বামী বৰ কৃতী আৰু নিয়মানুৱৰ্তী শিক্ষক আছিল। তেওঁ কেইবাবছৰো উচ্চতৰ মাধ্যমিক স্কুলৰ অধ্যক্ষ হৈ অৱসৰ গ্ৰহণ কৰিছিল। লাচিত নগৰৰ ফালে তেওঁ মাটি কিনি ঘৰ-দুৱাৰ কৰি স্বৰ্গী হ'ল। ৰামদত্ত গোস্বামীও ইহসংসাৰত নাই। খুড়াক কেইজনৰ ভিতৰত শ্ৰীব্ৰহ্মদত্ত গোস্বামীহে নহিৰাত আছে। তেওঁলোক সত্ৰাধিকাৰ হ'লেও সত্ৰ বুলিবলৈ নহিৰাৰ সত্ৰ নামটো কোনো কোনো বয়সস্থ মানুহৰ মুখত হে আছে।

দক্ষিণ পাৰ বুলিলে সাধাৰণতে পলাশবাৰীৰপৰা কুকুৰমাৰালৈ লুইতে চুই যোৱা অঞ্চলটোৰ কথাহে মানুহে বুজে। ছয়গাঁৱৰপৰা বকো, বংজুলি, কৃষ্ণাই, দুধনৈ, আগিয়া, গোৱালপাৰা আদি চহৰবোৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে হ'লেও সেইবোৰ চহৰ নিজ মাহাত্ম্যৰদ্বাৰাহে পৰিচিত। চমৰীয়া, মাজিৰগাঁও, গুইমাৰা, চাপাখুৰি আদি সৰু সৰু গাঁওবোৰ দক্ষিণপাৰৰ গাঁও। নহিৰাও লুইতৰ দক্ষিণপাৰতে; কিন্তু জনসংখ্যা আৰু মাটিকালিৰ বিচাৰত এইখন অসমৰ ভিতৰতে এখন বৃহৎ গাঁও বুলি ক'ব পাৰি। হালিগাঁও, জীয়াকুৰ, বাটবহাট, ভাগ্‌তিপাৰা (ভাগৱতীপাৰা) আদি নহিৰাৰ সংলগ্ন গাঁও। ব্ৰহ্মপুত্ৰই গুইমাৰা, চাপাখুৰি আদি নদীপৰীয়া গাঁওবোৰৰ অনিষ্টসাধন কৰিছে, কিন্তু নহিৰা গাঁওখনৰ বিশেষ অন্যায় কৰা নাই। পলাশবাৰীৰ প্ৰকাণ্ড অঞ্চল এটা লুইতৰ বুকুত জাহ্‌যোৱাত ব্যৱসায়ী সম্প্ৰদায়টোৱে নিজাববীয়াকৈ বিজয় নগৰ বুলি এখন নগৰ নিৰ্মাণ কৰিলে। অসমৰ সৰ্ববৃহৎ গাঁও ৰূপে নহিৰা নিজ মাহাত্ম্যত এতিয়াও অক্ষত হৈ আছে।

এই নহিৰাতে জন্মগ্ৰহণ কৰা প্ৰফুল্লদত্ত গোস্বামীৰ বাল্যকালৰ কথা মই নাজানো। খুড়াক দেৱদত্ত গোস্বামীৰ স্কুল সলনি হৈ থাকে। তেওঁ কোনো এঠাইত তিনি বা চাৰি বছৰৰ অধিক কাল থাকিব নোৱাৰিছিল। চৰকাৰী নিয়ম মতেই, কেতিয়াবা বাইজৰ দাবীত অথবা বহু অভিভাৱকক ক্ষুণ্ণ কৰি, তেওঁক ইখন স্কুলৰপৰা সিখন স্কুললৈ বদলি

কৰিছিল। সেইবাবে তেওঁৰ ভতিজাকে গুৱাহাটীত ৺ সহদেৱ গোস্বামীৰ ঘৰত থাকি স্কুল-কলেজত পঢ়া-শুনা কৰিছিল। প্ৰফুল্লদত্ত সকলতে পিতৃহাৰা হৈছিল। ছিলঙত চাকৰি কৰা সিংহদত্ত গোস্বামীয়ে ল'ৰা-ছোৱালীৰ বাবে গুৱাহাটীত ঘৰ-দুৱাৰ সজা বা অন্য ব্যৱস্থাৰ কথা ভাবিবলৈ আহৰিকে নাপালে। সহদেৱ গোস্বামী সিংহদত্তৰ ভিনীহিয়েক। তেওঁ নিঃসন্তান আছিল আৰু খুলশালীহঁতৰ ল'ৰা-ছোৱালী আটাই কেইজনকে পুত্ৰৱৎ স্নেহ কৰিছিল। ৰামদত্ত গোস্বামীৰ পুত্ৰ লক্ষ্মীদত্ত জেঠায়েকৰ লগত থাকি গ'ল। এওঁৰ মৃত্যুৰ পিছত তেওঁৰ পৰিয়াল সেই ঘৰতে আছে।

১৯৩৬ চনৰপৰা ১৯৩৮ চনলৈ প্ৰফুল্লদত্ত গোস্বামীক মই কটন কলেজত সহপাঠী ৰূপে পাইছোঁ। আনন্দেশ্বৰ শৰ্মা, প্ৰসন্ন গোস্বামী, মথুৰানাথ ভট্টাচাৰ্য্য, অমৰ লাহিড়ী, শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, শ্ৰীবিনন্দি বৰ্মন ইত্যাদি কেইজনমান কৃতী ছাত্ৰই প্ৰফুল্ল গোস্বামীৰ লগতে এই দুবছৰ কাল কটন কলেজৰ আণ্ডাৰ গ্ৰেজুৱেট শাখাটো শুৱনি কৰিছিল। প্ৰফুল্ল গোস্বামীকে ধৰি কেইজন মান আই.এ. আৰু প্ৰসন্ন গোস্বামীকে ধৰি কেইজনমান বন্ধু আই.এছ.ছি. ক্লাচত মোৰ সহপাঠী আছিল। প্ৰকৃতাৰ্থত ইংৰাজী-অসমীয়াতহে আমি সহপাঠী। বাকী বিষয়বোৰত পাঠ্য বেলেগ, কোঠালী বেলেগ, অধ্যাপকো বেলেগ; গতিকে সহপাঠো নাইকিয়া। গণিত বিষয় থকা আই.এ. ছাত্ৰবিলাকক হৰ্ষ বাবু আৰু ৰাধাবাবুৰ ক্লাচত লগ পাওঁ। লগৰীয়া আই.এ. ছাত্ৰসকলৰ কাৰ কাৰ গণিত আছিল এতিয়া মোৰ মনত নাই। এটা কথা মই নিঃসন্দেহে ক'ব পাৰোঁ যে আমাৰ সময়ত কটন কলেজৰ সকলো ছাত্ৰই সহপাঠী ৰূপে গণ্য আৰু পৰিচিত, আৰু সকলো প্ৰফেচৰেই গুৰুজন— তেওঁ দৰ্শনৰ পাঠেই দিয়ক বা ৰসায়নকেই শিকাওক। কোঠালীত বহি পাঠ লোৱাৰ উপৰি কমন ৰুম, খেলপথাৰ, একতা সভা (Students Union) আদি পাঠ্য বিষয় বা শ্ৰেণী নিৰ্বিশেষে সমান স্বত্বত মিলিত হ'বৰ অধিকাৰ সকলোৰে আছিল আৰু কেইবাজনো প্ৰফেচৰৰ নেতৃত্বত আমি এই অধিকাৰ ভোগ কৰিছিলোঁ। গোস্বামীৰ টান কিন্তু কমন ৰুম আৰু লাইব্ৰেৰীৰ ফালে বেছি। একতা সভা বা খেল-ধেমালিত ৰাপ থকা বুলি ভাবিবলৈ তেওঁ আমাক সুযোগ দিয়াই নাছিল। কমন ৰুমলৈ সদায় যায়— খেলিবলৈ নহয়, বাতৰি কাকতখন পঢ়িবলৈ। তেতিয়া কটন কলেজত য়ুনিয়ন হল বা প্ৰেক্ষাগৃহ বুলিবলৈ কেৱল এটা ঘৰেই আছিল— চুড্মাৰ্চন্ হলটো। তাতেই মেল-মিটিঙৰপৰা খেলা-ধূলালৈ (Indoor games) ছাত্ৰৰ প্ৰায় সকলো একত্ৰ কাৰিকুলাৰ কাম চলিছিল। তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, গান-বাজনা, বিশিষ্ট লোকৰ বা সম্বৰ্দ্ধনা সভা আদিও এই হলটোতে হৈছিল। কেইখনমান কেৰম বোৰ্ড আৰু টেবুল-টেনিছৰ ব্যৱস্থাও চুড্মাৰ্চন্ হলতে ৰখা হৈছিল আৰু মজিয়াত খেলা খেলত (Indoor games) আগ্ৰহ থকা ল'ৰাই ইয়াতেই অৱসৰ বিনোদন কৰিছিল। পঢ়াৰ সময়খিনি গোস্বামীৰপৰা আঁতৰি থকোঁ; লাইব্ৰেৰীলৈ গৈ অকলেক বহি পঢ়াশুনা কৰাৰ বাবে সময়ে নাপাওঁ। চুড্মাৰ্চন হললৈ গৈ

কেৰম, পিং-পং বা তাচ খেলাৰ ইচ্ছা থাকিলেও তালে বাবলৈ বিজ্ঞান শাখাৰ ছাত্ৰ বাবে মনৰ ইচ্ছা মনতে মাৰ যায়; ইপিনে গোস্বামীৰ খেলা-ধূলাত আগ্ৰহেই নাই। গতিকে কটন কলেজত পঢ়া দুবছৰে গোস্বামীক কদাচিৎহে লগ পাইছিলোঁ। তেতিয়া আমাৰ পাৰিবাৰিক সম্বন্ধটো স্থাপন হোৱা নাছিল। এই সম্বন্ধ স্থায়ী হোৱাৰ পিছত মই চাৰি বছৰ কলিকতা আৰু কাশীতে কটালোঁ আৰু ১৯৪২ চনত পুনঃ কটন কলেজত সোমালোঁ— এইবাৰ অধ্যাপকৰূপে। মোৰ ভাৰ্য্যাৰ বাপদাদাই বি.এ. পাছ কৰি শিক্ষকতা কৰিবলৈ ছিলংবাসী হ'লগৈ। তেওঁৰ লগত পুনঃ মোৰ দেখাদেখি হ'বলৈ ধৰিলে— কাৰণ মোৰ শহুৰৰ ঘৰো ছিলঙত। শহুৰ নহিবাৰ মানুহ। তেওঁ ছিলঙত চৰকাৰী কামত থাকিবলগীয়া হোৱা বাবে গোপাল গোস্বামী (ড০ প্ৰসন্ন গোস্বামীৰ শহুৰেক), খগেন মেধি (অধ্যাপক বিনন্দি বৰ্মনৰ শহুৰ), ভবানী বৰুৱা (শ্ৰীভাস্কৰ বৰুৱা I.A.S. ৰ দেউতাক) আদি বহুতৰ দৰে ছিলঙতে স্থায়ী ভাৱে মাটি-বাৰী, ঘৰ-দুৱাৰ কৰি ছিলঙীয়া হৈছিল। নহিবাৰ সম্বন্ধত আত্মীয় হোৱা বাবে শহুৰৰ ছিলঙৰ ঘৰখন প্ৰফুল্লদত্তৰো আপোনঘৰ হৈছিল।

গোস্বামীৰ ঘৰুৱা অৱস্থা বেয়া নাছিল। সত্ৰীয়া গোঁসাই হিচাবে তেওঁলোকৰ ভূ-সম্পত্তি নিচেই নগণ্য নহয়। এই সম্পদৰ অংশীদাৰ বহু। খুড়াকসকলৰ ওপৰত নিৰ্ভৰ কৰি বি.এ. ডিগ্ৰী লোৱাৰ পিছত পোনে পোনে এম.এ. পঢ়িবলৈ তেওঁ ইচ্ছা নকৰিলে। চাকৰি কৰি টকা-পইচা সাঁচি তেওঁ স্বাৱলম্বী হৈ অগ্ৰসৰ হ'বলৈ স্থিৰ কৰিলে। তেওঁৰ লগত হোৱা সান্নিধ্যই তেওঁ যে এজন স্বাধীনচিতীয়া মানুহ আৰু জীৱনৰ বাটত খোজ দিবলৈ আৰু লক্ষ্য বস্তু লাভ কৰিবলৈ ভাল পোৱা চৰিত্ৰৰ লোক ইয়াকে মোৰ মনত স্পষ্ট কৰি দিছিল। এইবাবেই তেওঁ কষ্ট কৰি এম.এ. পাছ কৰি অ'ত ত'ত এৰা ধৰাকৈ চাকৰি কৰি শেষত গুৱাহাটী বিশ্ববিদ্যালয়ত খোপনি পুতিলে আৰু ষাঠীৰ দশকতে এই বিশ্ববিদ্যালয়ৰ প্ৰথম তিনিজন পি.এইচ্.ডি উপাধি লাভ কৰা অধ্যাপকৰ এজন হৈ পৰিল বাকী দুজন হৈছে ড০ মহেশ্বৰ নেওগ আৰু ড০ সত্যেন্দ্ৰনাথ শৰ্মা। ইয়াৰে এবছৰ কি দুবছৰৰ ভিতৰতে ময়ো বিলাতৰপৰা ডক্টৰেট উপাধিলৈ ঘূৰি আহিলোঁ।

প্ৰতিষ্ঠা লাভৰ চেষ্টাৰ বাবে জীৱনৰ উৎকৃষ্ট কালছোৱা গোস্বামীৰ বাবে সংগ্ৰাম, সংঘাত আৰু দুচিন্তাৰ কাল। সংগ্ৰামত তেওঁ পশ্চাৎপদ হোৱা নাছিল, আৰু সংঘাতে তেওঁক ঘাইল কৰিব নোৱাৰিলে, কাৰণ দুশ্চিন্তাই তেওঁক অৱশ কৰিব পৰা নাছিল। তেওঁৰ জিজ্ঞাসু মনটো ইংৰাজী ভাষা-সাহিত্যৰ ক্ষেত্ৰতে আৱদ্ধ হৈ থাকিবলৈ নুখুজিলে। ইয়াত সকলোবিলাক চুক-কোণ, আলি-পদূলি জনাকীৰ্ণ আৰু সেইবোৰত ঘূৰি-পকি নতুনত্বৰ সন্ধান কৰিবলৈ মনে কিবা-কিবি স্বাধীন শক্তি হেৰুৱাবলগীয়া হয়। ই যেন এখন সংৰক্ষিত আৰু সযত্নে প্ৰতিপালিত উদ্যান। তাত অজস্ৰ ফুল বেদিকা, সৰোবৰ আৰু বিভিন্ন ৰঙৰ পখোৱৰ আছে। লগতে আছে তাত সোমাবলৈ আৰু ঘূৰি আহিবলৈ বহু নীতি-নিৰ্দেশনা। ইংৰাজী ভাষা-সাহিত্যত গোস্বামীৰ জ্ঞান বিস্তৃত আৰু গভীৰ আছিল। কিন্তু তেওঁৰ মনে

ইয়াত বোমাক আৰু পূলকৰ শিহঁৰণ তুলিব পৰা বৰ বেছি সমল নাপালে হ'বলা। সভ্য সমাজৰ সকলো সংস্কৃতিৰ মূল উৎস কি তাকেই বিচাৰি গোস্বামীয়ে লোক-সংস্কৃতিৰ-টোকাৰ ব কালে ঢাপলি মেলিলে। দেশৰ ভিতৰত থকা লোক-সাহিত্য, লোক-গীত, আই-নাম, বিহু-গীত, নাৱৰীয়াৰ গীত ইত্যাদি সম্বন্ধে অনুসন্ধান কৰি তেওঁ দেশৰ বাহিৰৰ ফালেও চকু দিলে। সমভাবাপন্ন আন্তৰ্জাতিক অনুষ্ঠানবোৰৰ লগত যোগাযোগ কৰি তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত এটা লোক-সংস্কৃতি বিভাগ খুলিবলৈ আয়োজন কৰিলে। এই বিভাগ স্থাপিত হ'ল আৰু তাৰ যোগেদি তেওঁ বহুল ভেটিত অধ্যয়ন-অধ্যাপনাত মনোনিবেশ কৰিলে। আনুষ্ঠানিকভাৱে লোক-সংস্কৃতিৰ চৰ্চাৰ উপৰি অনানুষ্ঠানিক সংস্থা স্থাপন কৰি তেওঁ লোক-সংস্কৃতিৰ বাটকটীয়া হ'ল। প্ৰফুল্লদত্ত গোস্বামী লোক-সংস্কৃতিৰ অধ্যাপক হিচাপে কেৱল গুৱাহাটী বিশ্ববিদ্যালয়তে নহয়, আন্তৰ্জাতিক সমাজতো অগ্ৰণী পুৰুষ বুলি জনাজাত হ'ল।

এই বিষয়ে তত্ত্বভিত্তিক আলোচনা কৰাৰ অধিকাৰ মোৰ নাই। সাধাৰণতে তেওঁৰ লগত কথা-বতৰা হৈ মই জানিব পাৰিছিলোঁ যে লোকগীত, লোক-নৃত্য বা নানা ৰকমৰ ফকৰা যোজোনাবোৰ গাঁৱলীয়া বা তথাকথিত সত্ৰীয়া মানুহৰ মাজত সোমাই থাকিবলগীয়া বিষয় নহয়। সেইবোৰ পোহৰলৈ উলিয়াই আনিবই লাগিব। যিকোনো উচ্চমানৰ সাহিত্য-সংস্কৃতিৰ লগত এইবোৰৰ ঘনিষ্ঠ সম্পৰ্ক আছে। ইয়াক বিচাৰিবলৈ আগ্ৰহ, সাহস আৰু সদিচ্ছাৰ প্ৰয়োজন। গোস্বামীৰ এই তিনিওটাই আছিল আৰু তাৰ বাবেই তেওঁ আন্তৰ্জাতিক খ্যাতিও লাভ কৰিছিল।

কিন্তু মই আচৰিত হৈছিলোঁ তেওঁৰ আন এটা অনুসন্ধিৎসাৰ বাবে। মই প্ৰাণীবিজ্ঞানৰ মানুহ যদিও ইয়াৰ এটা দিশতহে মনোযোগ দিছিলোঁ। এই দিশত চৰাই-চিৰিকতি বা পোক-পৰুৱা বিচাৰি ফুৰাৰ প্ৰয়োজন নাই। প্ৰাণীদেহত থকা আণুবীক্ষণিক কোষ আৰু ক্ৰোমোছোমবিলাকেই মোৰ মন-বুদ্ধি আচ্ছন্ন কৰি ৰাখিছিল। ছাত্ৰক পঢ়াবলৈ জীৱাণু, পতঙ্গ, সাপ, বেং বা পশু-পক্ষীৰ সাধাৰণ জ্ঞান সকলো প্ৰাণীবিজ্ঞানীৰে থাকে, যিদৰে সকলো ইংৰাজীৰ অধ্যাপকে চ'চাৰ, মিল্টন, চেক্সপীয়াৰ বা ৱৰ্ডছ্‌ৱাৰ্থ, ছেলী, কিট্‌চ, বাইৰণ আদিৰ কথা জানিব লাগে। বিশেষজ্ঞৰ কথা বেলেগ। গোস্বামীয়ে কেনেবাকৈ চৰাই-চিৰিকতি সম্বন্ধে যিমান পাৰি সিমান জানিবলৈ যত্ন কৰিলে। কেই বছৰমানৰ ভিতৰতে তেওঁ অসমৰ চৰাইবিলাকৰ সম্বন্ধে বহুকথা জনা হ'ল। চৰাইবিলাকৰ টেক্সোনমী আছে— অৰ্থাৎ বৈজ্ঞানিকভাৱে শ্ৰেণী বিভাগ কৰি প্ৰত্যেক প্ৰজাতিৰ নামকৰণ কৰা হৈছে। অসমীয়া মানুহে বৈজ্ঞানিক নামেৰে চৰাই চিনি নাপায় আৰু বিবোৰ নামেৰে পায় সেই নামবোৰ গাঁৱে গাঁৱে বেলেগ নহ'লেও জিলা ভেদে বা উজনি-নামনি ভেদে বেলেগ। একেটা চৰাইকে অসমতে ভিন ভিন নামেৰে জনা যায়। গোস্বামীয়ে এই বিষয়ে বিধিবদ্ধভাৱে জানিবলৈ যত্ন কৰিছিল। ইয়াত তেওঁ বহু পৰিমাণে সফলো হৈছিল।

গুৱাহাটী আলোচনা চক্ৰৰ কথা বহলাই লিখিবৰ প্ৰয়োজন নাই। আসাম ট্ৰিবিউন চাৰ্তিছৰ দায়িত্বপূৰ্ণ পদত থাকিও লগৰীয়া গোটাই সাহিত্য চৰ্চা কৰা শ্ৰীঅতুল চন্দ্ৰ বৰুৱাই ছিলঙত মুকুল সংঘৰ জন্ম দিছিল। গুৱাহাটীলৈ বদলি হৈ আহি তেওঁ 'গুৱাহাটী আলোচনা চক্ৰ'ৰ প্ৰথম বৈঠকখন তেওঁৰ ঘৰতে পাতি— ইয়াৰ প্ৰতিষ্ঠাপক সম্পাদক হ'ল। গল্প, প্ৰবন্ধ, পদ্য আদি লিখাত বাপ থকা কেইজনমান বন্ধু তেওঁ একত্ৰিত কৰিলে। গোস্বামী, প্ৰমোদ ভট্টাচাৰ্য্য, নেওগ, অধ্যাপক চন্দ্ৰ কলিতা আদি বহুত সাহিত্যিক বৰুৱাৰ লগ লাগিল।ময়ো বৰুৱাৰ বটীত ধৰি বল দিলোঁ। চক্ৰৰ পৰিকল্পনা, পৰিচালনা, সম্পাদনা আদিৰ দায়িত্ব বৰুৱাই কেইবা বছৰো বহন কৰি গুৱাহাটীৰপৰা বদলি হ'ল। তেওঁৰ স্থান পূৰ্ণ কৰিছিল ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে। গোঁসায়ে আলোচনা চক্ৰৰ গুৰিয়াল হোৱাৰ অলপ পিছতে ময়ো দেশ এৰি বিদেশী হ'লোঁ। প্ৰায় ৩/৪ বছৰ ধৰি গুৱাহাটী আলোচনা চক্ৰৰ যাৱতীয় কাম গোস্বামীয়ে চলাইছিল। ১৯৬০ চনত মই বিলাতৰপৰা ঘূৰি আহিলোঁ। এই সময়ত গোস্বামী লোক-সংস্কৃতি আৰু চৰাই-চিৰিকতি লৈ বৰ ব্যস্ত হৈ পৰিছিল হ'বলা। অতুল বৰুৱাই চক্ৰৰ সম্পাদকীয় দীঘলীয়াকৈ লিখিছিল। বৰুৱাৰ পিছত গোস্বামীৰ সম্পাদকীয়বিলাক পহিলতে সুন্দৰ আৰু সাহিত্য-সম্ভাৰেৰে সুসজ্জিত আছিল। পিছলৈ তেওঁ সম্পাদকীয়বোৰ চুটি কৰিবলৈ ধৰিছিল। ড০ গোস্বামীৰ পাছত ১৯৬০ চনৰপৰা ১৯৭২ চনলৈকে এই লিখকে চক্ৰৰ সম্পাদকৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

সম্পাদক নহ'লেও গোস্বামী চক্ৰৰ বৈঠকলৈ প্ৰায়ে আহিছিল আৰু আলোচনাত ভাগ লৈছিল। পিছলৈ চক্ৰৰ কাৰ্য্যসূচীৰ প্ৰতি কিছু পৰিমাণে হ'লেও তেওঁক উদাসীন যেন দেখা গৈছিল। ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যই মোৰপৰা চক্ৰৰ সম্পাদকৰ ভাৰ লৈছিল। ভট্টাচাৰ্যই প্ৰায়ে গোস্বামীক চক্ৰৰ বৈঠকলৈ মাতে আৰু গোস্বামীয়ে পাৰ্য্যমানে নিমন্ত্ৰণ ৰক্ষা কৰে।

বিশ্ববিদ্যালয়ৰপৰা অৱসৰ লোৱাৰ পিছতো তেওঁ লোক-সংস্কৃতিৰপৰা অৱসৰ নল'লে আৰু ইয়াৰ লগত সম্পৰ্ক থকা ব্যক্তি আৰু অনুষ্ঠানবোৰৰ লগত নিজকে সংশ্লিষ্ট কৰি ৰাখিলে।

ড০ গোস্বামী বৰ স্বাস্থ্যবান পুৰুষ নহ'লেও তেওঁ ৰুগীয়া নাছিল। তেওঁ গৌৰবৰ্ণ আৰু দেখনীয়াৰ মানুহ আছিল। তেওঁ ঘৰৰ ল'ৰা-ছোৱালী আৰু আত্মীয়-স্বজনৰ লগতে ফুলৰ গছ আৰু বনলতা আদিৰ প্ৰতি বৰ স্নেহশীল আছিল। কিন্তু স্বাস্থ্য কাৰো বাবে যুগমীয়া বন্ধু নহয়। গোস্বামীৰো দেহলৈ দুৰ্বলতা আহিল। এই দুৰ্বলতাৰ বাবে তেওঁ ঘনাই দুৰ্ঘটনাৰ সন্মুখীন হৈছিল। শেষত এবাৰ তেওঁ অসুস্থ হৈ নাৰ্চিং হোমত ভৰ্তি হ'বলগীয়া হ'ল। মই খবৰ ল'বলৈ গৈ দেখোঁ যে তেওঁৰ সহধৰ্মিনীও তেওঁৰ লগতে একেটা কোঠালীতে শয্যাশায়ী হৈ আছে। কোঠালীৰ বাহিৰত আত্মীয়-স্বজন, বন্ধু, ছাত্ৰ, সহকৰ্মী আদি গিজগিজাই আছিল আৰু ভিতৰত গোঁসাই আৰু গোঁসানীয়ে নীৰৱে ডাক্তৰ নাৰ্চৰ হাতত

নিজৰ সকলো স্বাতন্ত্ৰ্য সমৰ্পণ কৰি পৰি আছিল। সেইবাৰ দুয়ো নাৰ্চিং হোমৰপৰা সুস্থ হৈ ওলাল। কিন্তু পূৰ্বৰ দৰে এটা মুকলিমূৰীয়া জীৱন তেওঁ বৰ বেছি দিন ভোগ কৰিব নোৱাৰিলে। নৱগ্ৰহ পাহাৰৰ— far away from the madding crowdৰ এটা কোণত তেওঁ নিজে সজা আজিকালিৰ মতে এটা অকিঞ্চিৎকৰ আসাম টাইপৰ ঘৰত তেওঁ শেষ নিঃশ্বাস পেলালে। ইংৰাজী ভাষা-সাহিত্যৰ উচ্চতম ডিগ্ৰীধাৰী, লোক-সংস্কৃতিত কৰ্ণধাৰ হ'ব পৰা সাধক ড০ প্ৰফুল্লদত্ত গোস্বামী এতিয়া মৰ্ত্যভূমি অসমত নাই। দিব্যলোকৰপৰা তেওঁ মানুহে অপসংস্কৃতিৰদ্বাৰা আচ্ছন্ন সংস্কাৰক সংস্কৃত কৰিবলৈ কৰা ব্যৰ্থ-প্ৰয়াসৰ কালে হয়তো চাই আছে। সংস্কৃতিক জোৰ কৰি ৰূপ দিব নোৱাৰি বা আইন-কানুনেৰে সংগঠিত কৰিব নোৱাৰি। সংস্কাৰ সম্পন্ন বুলি দাবী নকৰা অবচেতন সমাজত যি সৌকুমাৰ্য্যৰ বীজ থাকে সিয়ে ইয়াক জন্ম দিয়ে আৰু সেই সুকুমাৰ কলাৰ সেৱাই সংস্কৃতিৰ পালক-পোষক হয়। ড০ গোস্বামীয়ে এইটো জানিছিল আৰু বহুতকে ইয়াৰ সংবাদ দিছিল।

— o —

প্ৰফুল্লদত্ত গোস্বামীৰ আধ্যাত্মিক চিন্তাধাৰা

ধৰণীধৰ চৌধুৰী

আধ্যাত্মিক চিন্তাধাৰা বুলিলে সাধাৰণ অৰ্থত আত্মা-পৰমাত্মা সম্বন্ধীয় চিন্তা আৰু বিচাৰ-বিশ্লেষণকে বুজায়। গোস্বামীৰ লগত নিকট সান্নিধ্য থকা কোনেও বোধকৰোঁ নক'ব যে তেওঁৰ কথা-বতৰাত আত্মা-পৰমাত্মা, ঈশ্বৰ, পৰলোক বা মোক্ষ আদিৰ বিষয়ে চিন্তা-কেতিয়াবা প্ৰকাশ পাইছিল। তেওঁৰ জীৱন-দৰ্শন আছিল জিজ্ঞাসা বা জানিবলৈ বিচৰা। তেওঁ দাৰ্শনিক নাছিল; কিন্তু দৰ্শনতত্ত্ব অধ্যয়নৰ ৰস পাইছিল। তেওঁ বিজ্ঞানী নাছিল কিন্তু সত্যৰ সন্ধানী আছিল। তেওঁ ধৰ্মত অন্ধবিশ্বাসী নাছিল, অথচ ধৰ্মৰ সহায়ক আৰু পৰিপূৰক আছিল। তেওঁ কবি নাছিল কিন্তু কাব্যৰ নিচিনা সৌন্দৰ্য্য সৃষ্টিৰ প্ৰতি সদায় আকৃষ্ট হৈছিল। তেওঁ গান্ধীবাদী নাছিল কিন্তু তেওঁৰ জীৱনৰ প্ৰথমখন পুথি মহাত্মা গান্ধীৰ জীৱন-আধাৰত ৰচিছিল। তেওঁ মাৰ্ক্সীয় দৰ্শনৰ মূল তত্ত্ববোৰৰ প্ৰতি অনুৰাগী আছিল কিন্তু কমিউনিষ্ট নাছিল। তেওঁ অসমীয়া নাটকৰ বুৰঞ্জী লিখিছিল কিন্তু অভিনেতা নাছিল। তেওঁ আছিল সামাজিক জীৱনটোৰ কিছু আঁতৰত অকলে বিচৰণ কৰা এক অন্তমুখী পৰিব্ৰাজক। সেয়ে তেওঁ হৈ পৰিছিল প্ৰচাৰ-বিমুখ আৰু অতি কম সংখ্যক বন্ধু-বান্ধৱৰ সান্নিধ্যত থাকি ভালপোৱা ব্যক্তি— যিসকলৰ লগত মনৰ পৰিধিৰ সামঞ্জস্য বিচাৰি পাইছিল।

অধ্যাত্ম-সাধন বুলিলে উল্টা-সাধনকে বুজায়। বাহিৰৰপৰা অন্তৰৰ ভিতৰলৈ নিৰীক্ষণেই উল্টা-সাধন আৰু ইয়েই হ'ল সাধাৰণ জৈৱিক প্ৰবাহৰপৰা প্ৰত্যাবৰ্তনৰ পথ। *উপনিষদৰ* য'তেই অমৃত তত্ত্বৰ বিষয়ে কোৱা হৈছে তাতেই প্ৰত্যাবৰ্তনৰ পথৰো কথা আছে। মন সদায় বহিৰ্মুখে বিষয়ৰ প্ৰতি ধাবিত হয়, প্ৰাণশক্তিয়ে জীৱনক নিত্য-পৰিৱৰ্তনৰ পথেৰে আগুৱাই লৈ যায়, বাক্যই অন্তৰৰ কথাকে বাহিৰত প্ৰকাশ কৰে, চকু আৰু কাণ আদি ইন্দ্ৰিয়বোৰে বাহিৰৰ দৃশ্য আৰু শ্ৰব্যৰ প্ৰতি নিৰন্তৰ ধাবিত হয়— আমাৰ দৈনন্দিন জীৱনত এয়াই সত্য। কিন্তু যিয়ে পথৰ মাজত থমকি পিছলৈ উভতি চালে— তাৰেই হয় প্ৰত্যাবৰ্তন বা স্বৰূপোসন্ধি। গোস্বামীৰ মনৰ সান্নিধ্য পোৱা বহুতৰে নিশ্চয় মনত পৰিব

যে তেওঁ গভীৰ আলোচনাৰ মাজত প্ৰায়ে উল্টা-সাধনৰ কথা কৈছিল। কিন্তু তেওঁৰ সাধনাৰ লক্ষ্য ব্ৰহ্ম বা মোক্ষ নাছিল। তেওঁৰ শ্ৰেয়বস্তু আছিল জীৱ আৰু জগত; যেনে : গছ-লতা, ফুল, চৰাই-চিৰিকতি, জীৱ-জন্তু আৰু মানুহ; বিশেষকৈ আদিম সভ্যতাৰ মানুহখিনি যিসকলৰ যুৱতী, কৃষ্টি আদি চৰ্চা তেওঁৰ বিশেষ প্ৰিয় আছিল। স্বামী বিবেকানন্দৰ দৰে তেওঁ বিশ্বাস কৰিছিল "বহুৰূপে সন্মুখে তোমাৰ : ছাৰি কোথা খুজিছ ঈশ্বৰ : জীৱে দয়া কৰে সেইজন সেইজন সেবিছে ঈশ্বৰ।"

নহিবা মহাপুৰুষীয়া সত্ৰৰ পৰিবেশত জন্মগ্ৰহণ কৰি গোস্বামীয়ে অধ্যয়ন কাল গুৱাহাটী আৰু কলিকতাত কটাইছিল। অধ্যাপনাৰ সময়ত বিশ্বৰ বিভিন্ন দেশ; যেনে : আমেৰিকা যুক্তৰাষ্ট্ৰ, ইউৰোপ, ৰাছিয়া আৰু জাপান আদি ভ্ৰমণ কৰি বহু পণ্ডিত আৰু নানা স্তৰৰ মানুহৰ সঙ্গ লাভ কৰি তেওঁৰ মন-দিগন্তৰ সীমা ৰেখাৰ পৰিসৰ বিস্তৃত হৈছিল। প্ৰাচ্য আৰু পাশ্চাত্য দুই দেশৰ মানৱ সভ্যতাৰ যুৱতীৰ সমল পাইছিল। সেয়ে তেওঁ সকলো দিশত বিশেষকৈ ভাৰতীয় আৰু পাশ্চাত্য দৰ্শনৰ তুলনামূলক বিচাৰৰ প্ৰতি মনযোগী হৈছিল। তেওঁ বেদ, উপনিষদ, পুৰাণ, বাইবেল, কোৰাণ আদি ধৰ্মগ্ৰন্থ, ধৰ্মীয় ভাবত নহয়, চিন্তাশীল পাঠক হিচাবে অধ্যয়ন কৰিছিল। পাশ্চাত্য দেশত তেওঁ দেখিছিল প্ৰাচীন গ্ৰীক দৰ্শনৰ ওপৰত যেতিয়া খৃষ্ট-ধৰ্মৰ পোহৰ পৰিছিল তাৰ ৰূপৰ পৰিৱৰ্তন ঘটিছিল ধীৰে ধীৰে। প্ৰাচীন দেৱময় জগতত একেশ্বৰবাদ প্ৰতিষ্ঠিত হৈছিল। ধৰ্মৰ ধাৰা অৰ্থাৎ পূজা-পাৰ্বন, আচাৰ আদিৰ সলনি হৈছিল। বিজ্ঞানৰ জয়যাত্ৰা আৰু তাৰ সহায়ত শিল্প-বাণিজ্যৰ অভূতপূৰ্ব সম্প্ৰসাৰণে পশ্চিমীয়া দেশত নতুন কল্পনাৰ আৰু নতুন আশাৰ ৰেঙনি তুলিছিল। সৃষ্টি হৈছিল তাত নতুন দৰ্শন বা আধুনিক দৰ্শন। আধ্যাত্মিক সত্য আৰু সত্তাৰ সলনি আধি দৈহিক প্ৰয়োজনৰ প্ৰাধান্য বাঢ়িছিল। বস্তুবাদ হৈছিল মূল লক্ষ্য। ভাৰতীয় বুদ্ধিজীৱীসকলৰ ওপৰতো পাশ্চাত্য দৰ্শনৰ প্ৰভাৱ নপৰাকৈ থকা নাছিল। গোস্বামী এই দৰ্শনৰ প্ৰভাৱত সোমায়ো ইয়াৰ বস্তুবাদী ধাৰাটোৰ প্ৰতি মনে-প্ৰাণে আকৃষ্ট নহ'ল। প্ৰাচীন সংস্কৃতিৰ প্ৰতি তেওঁৰ মোহ বাঢ়িহে গ'ল। তেওঁ ভাৰতীয় দৰ্শনৰ মোক্ষবাদী, ক্ৰিয়া-কাণ্ডী ধাৰাটোও গ্ৰহণ নকৰিলে। তেওঁ বিশ্বাস কৰিছিল এক নৈৰ্ব্যক্তিক সত্তা, যাক সাধাৰণ মানুহে ৰাম, কৃষ্ণ, আল্লা, ঈশ্বৰ, গদ আদি বহু নামেৰে সম্বোধন আৰু উপাসনা কৰে। তেওঁ নামধৰ্মত বিশ্বাস ৰাখিছিল। কিন্তু আনুষ্ঠানিক পূজা-পাতল, যজ্ঞ আদি কৰ্মত কেতিয়াও গুৰুত্ব নিদিছিল। তেওঁ কৈছিল উপাসনাৰ উদ্দেশ্য উপলব্ধি আৰু ই অন্তৰৰ বস্তু, সেয়ে পুৰোহিতবদ্বাৰা কৰোৱা পূজা-অৰ্চনা আদিৰদ্বাৰা উপলব্ধি সম্ভৱপৰ নহয়। পুৰোহিতৰ প্ৰয়োজন কেৱল পৰামৰ্শ আৰু আশীৰ্বাদৰ কাৰণে। এই বিষয়ত তেওঁৰ দৃষ্টিভঙ্গী বঙ্গদেশৰ ৰাজা ৰামমোহন ৰায়ৰ লগত তুলনা কৰিব পাৰি। তেওঁৰো মতবাদ আছিল পাশ্চাত্য বিজ্ঞান আৰু কাৰিকৰী জ্ঞানৰ শিক্ষাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি ভাৰতৰ হিন্দুসকলে ধৰ্মীয় আচাৰ-পৰম্পৰাৰ আমূল সংস্কাৰ কৰি কুসংস্কাৰ বৰ্জন কৰিব লাগে।

গোস্বামীৰ জীৱন দৰ্শন প্ৰতিফলিত হৈছে তেওঁৰ কৰ্মৰাজিৰ মাজেৰে। ইংৰাজী সাহিত্যৰ পণ্ডিত আৰু অধ্যাপক হৈয়ো তেওঁ জীৱনৰ অতি মূল্যবান সময়খিনি নিয়োজিত কৰিছিল জনকৃষ্টিৰ গৱেষণা, চৰ্চা আৰু সেই বিষয়ৰ ৰচনাত। দেশৰ আৰু বিদেশৰো বহু জনগোষ্ঠীৰ মাজত সোমাই তেওঁ এই বিষয়ে নিৰ্ভুল তথ্যবোৰ সংগ্ৰহ কৰি ফুৰিছিল। তেওঁৰদ্বাৰা প্ৰণীত গ্ৰন্থ সম্ভাৰ প্ৰচুৰ কিন্তু তাৰ ভিতৰত জনকৃষ্টি সম্বন্ধীয় সৃষ্টিয়ে অধিক; যেনে : অসমীয়া ভাষাৰ : ১/ *অসমীয়া জনসাহিত্য*, ২/ *অসম দেশৰ সাধু*, ৩/ *বাৰমাহৰ তেৰগীত*, ৪/ *মণিকোঁৱৰ আৰু ফুলকোঁৱৰ*, ৫/ *বড়ো-কছাৰী হ'ল*, ৬/ *বহাগ বিহুৰ বাৰেবৰণীয়া ছবি*, ৮/ *জাপানৰ জনকৃষ্টি আৰু আন আন ৰচনা*। ইংৰাজী ভাষাত লিখা পুথিবোৰ হ'ল :

(1) Folk-Literature of Assam,
(2) Bihu-Songs of Assam,
(3) Ballads and Tales of Assam,
(4) The springtime Bihu of Assam,
(5) The Indian Chapter in Folktales as Told Around the World,
(6) Songs and Tales of North-Eastern India,
(7) Tales of Assam,
(8) Essays on the culture and Folklore of N E India,
(9) Folklore of India, etc etc.

ইয়াৰ উপৰিও তেওঁ সাহিত্য আৰু সমালোচনা, কাহিনী, ভ্ৰমণ-কাহিনী, জীৱনী, পক্ষী-বিজ্ঞান, ইতিহাস আদি বিষয়বো বহু গ্ৰন্থ ৰচনা কৰিছিল। তদুপৰি আছে তেওঁৰ সম্পাদনা আৰু অনুবাদ সাহিত্য আৰু দেশ-বিদেশত প্ৰকাশিত বহু মূল্যবান প্ৰবন্ধ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি বিভাগটো যদিও ড০ বিৰিঞ্চিকুমাৰ বৰুৱাৰ দিনত আৰম্ভ হৈছিল ইয়াক পূৰ্ণাঙ্গ ৰূপ দিয়ে গোস্বামীয়ে। তেখেতৰ তত্ত্বাৱধানত কেইবাজনো অধ্যাপক আৰু গৱেষক ছাত্ৰই সেই বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰে। বিশ্ববিদ্যালয়ৰ পৰিসৰৰ বাহিৰেও আন বহুতে তেওঁৰ পৰামৰ্শ আৰু সাহায্যতে জনসংস্কৃতি বিষয়ৰ বহু অৱদান আগবঢ়াবলৈ সুবিধা পাইছিল। এওঁলোকৰ ভিতৰত বড়ো-কছাৰী পণ্ডিত ৺ভবেন নাৰ্জি আছিল অন্যতম। শিক্ষাৰ মানদণ্ডৰ উন্নতিকৰণ আৰু জ্ঞান বিতৰণ আছিল তেওঁৰ প্ৰধান লক্ষ্য। সেই আদৰ্শ সাৰোগত কৰিয়েই তেওঁ বাণীকান্ত শিক্ষক প্ৰশিক্ষণ কলেজ, ফোকলোৰ চচাইটি অৱ আসাম, গুৱাহাটী আলোচনা চক্ৰ আৰু সমাধান চক্ৰ আদিৰ লগত কেৱল জড়িতহৈ নাছিল সেইবোৰলৈ প্ৰকৃত বৰঙণিও আগবঢ়াইছিল।

আৰ্থিক দিশত চহকী তেওঁ কেতিয়াও নাছিল। জোৰা-টাপলি মাৰিহে কোনোৰকমে সংসাৰ চলাইছিল। তাৰবাবে তেওঁৰ কোনো আক্ষেপ বা অশান্তিও নাছিল। বিশ্ববিদ্যালয়ৰ চাকৰিৰপৰা অৱসৰৰ পিছত তেওঁ পেঞ্চন পাইছিল মাহে মাত্ৰ ৭০০ টকা। ইমানখিনি অৱদান সত্বেও চৰকাৰে তেওঁক সাহিত্যিক পেঞ্চন এটাও দিব খোজা নাছিল। তাৰ কাৰণ আছিল তেওঁ পেঞ্চনৰ কাৰণে চৰকাৰৰ ওচৰত দৰখাস্ত দিয়া নাছিল। এই বিষয়ে তেওঁ

কৈছিল যে কোনোবাই যদি সমাজলৈ কিম্বা অবদান আগবঢ়োৱাৰ তাৰ এখন তালিকা দাখিল কৰি মন্ত্ৰী, এম.এল.এ.-ৰ পাছে পাছে ঘূৰি চৰকাৰৰপৰা সহায় বিচৰাতো ভিক্ষাৰ বাহিৰে আন একো নহয়। তেওঁ কৈছিল যে ইংৰাজ চৰকাৰৰ দিনতো এনেকুৱা নিয়ম নাছিল, নহ'লে প্ৰৱল ইংৰাজ বিৰোধী অম্বিকাগিৰি ৰায় চৌধুৰীয়ে সেই চৰকাৰৰপৰা সাহিত্যিক পেঞ্চন নাপালেহেঁতেন। তেওঁতো কোনো দৰখাস্ত দিয়া নাছিল। ১৯৮৬ চনত। শ্ৰীকমলেশ্বৰ ৰবাদেৱ অসম চৰকাৰৰ শিক্ষা বিভাগৰ আয়ুক্ত পদত অধিষ্ঠিত হৈছিল। এদিনাখন মই আৰু ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যই তেওঁক অফিচত লগ ধৰি গোস্বামীৰ বিষয়ে বিতংকৈ সকলো কথা কৈ তেওঁৰ পেঞ্চনৰ ব্যৱস্থাটো যাতে হয় তাৰ বাবে অনুৰোধ জনালোঁ। তেওঁ কটন কলেজৰ গোস্বামীৰ ছাত্ৰ আছিল বুলি কৈ আমাক প্ৰতিশ্ৰুতি দিলে সেই বিষয়ে যি পাৰে নিশ্চয় কৰিব বুলি। ৰবাদেৱে কথা ৰাখিছিল। ১৯৮৬ চনৰ ১৪ আগষ্ট তাৰিখে সাহিত্যিক পেঞ্চন পোৱাসকলৰ ভিতৰত ড০ গোস্বামী আৰু ড০ ভট্টাচাৰ্য্য দুয়োৰো নাম দুটা ঘোষিত হ'ল। এওঁলোক দুয়োজনে কোনো দৰখাস্ত নকৰাকৈ পৰীক্ষাত উত্তীৰ্ণ হ'ল।

ইয়াৰ পিছত আৰু এটি ঘটনা ঘটিল, সাহিত্যিক পেঞ্চনৰ মাহিলি হাৰ কম হোৱা বুলি আৰু সেই হাৰ বঢ়াব লাগে বুলি প্ৰখ্যাত দুই-তিনিজন পণ্ডিতে চৰকাৰলৈ লিখা এখন দৰখাস্ত গোস্বামীৰ ওচৰলৈ আহিল– তেওঁৰ চহীৰ কাৰণে। তেখেতে এইবাৰো পণ্ডিতসকলক জনাই দিলে যে তেওঁ লঘোনে থাকিব পাৰে কিন্তু ভিক্ষুক হ'ব নোৱাৰে। পণ্ডিতসকল বিতুষ্ট হ'ল।

মোৰ চুবুৰীয়া আৰক্ষী বিভাগৰ অৱসৰপ্ৰাপ্ত অধীক্ষক টঙ্কেশ্বৰ চৌধুৰীয়ে মোক আৰু গোস্বামীক এদিন নিশাৰ আহাৰলৈ নিমন্ত্ৰণ কৰিছিল। গোস্বামী সময়মতে আহি মোৰ ঘৰ পালে; কিন্তু মোৰ ঘৰত আন কিছুমান আলহী আহি উপস্থিত হোৱাত মই নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ যাব নোৱাৰিলোঁ, তেখেত অকলে গ'ল। সিদিনাই আছিল তেখেতৰ মোৰ ঘৰত শেষ পদাৰ্পণ। কিমান দিন তেওঁৰ লগত বহিছোঁ, খাইছোঁ, নানা বিষয়ৰ আলোচনা কৰিছোঁ সেইবোৰ ঘটনা মধুৰ স্মৃতি বিজড়িত। তেওঁ সদায় কিতাপ-পত্ৰ, সাহিত্য-সংস্কৃতি, দৰ্শন এইবোৰ বিষয়ৰ কথা পাতি ভাল পাইছিল। পৰ-চৰ্চা; পৰ-নিন্দা বা আন উপলুঙা কথা সহ্য নকৰিছিল। সেইবাবে আমাৰ লগৰ দুই-এজনে তেওঁৰ গালিও খাইছিল। নিমন্ত্ৰণৰ পিছদিনা চৌধুৰীয়ে আহি মোক জনালে যে যোৱা নিশা গোস্বামীক বৰ উদ্বিগ্ন দেখা গৈছিল। তেওঁৰ কথা-বতৰাত সংসাৰৰ প্ৰতি গভীৰ বিৰাগৰ ভাব প্ৰকাশ পাইছিল। মই বিশ্বাস কৰিবলৈ টান পাইছিলোঁ। তাৰ দুদিনমান পিছতে তেওঁৰ দ্বিতীয়বাৰ ভৰি ভগাৰ খবৰ পালোঁ।

গুৱাহাটী ইষ্ট এণ্ড নাৰ্চি হোমত চিকিৎসাধীন হৈ থকা জানিব পাৰি খবৰ ল'বলৈ গৈছিলোঁ, ল'ৰা-ছোৱালীহঁতৰ সৈতে। মোৰ ৮ বছৰীয়া নাতিনী মীনাক্ষীয়ে তেওঁক দেখা মাত্ৰকে খঙৰ সুৰত ক'লে : "আতা, তুমি বৰ দুষ্ট হৈছা, তলৌ তলৌকে ঘূৰি ফুৰা

আৰু সেইকাৰণে এইবোৰ বিপদ হয়।" গোস্বামীৰ মাজু হোৱালীজনী দেউতাকৰ ওচৰতে আছিল। তাইৰ বেচেৰীৰ চকু-মুখ ৰঙা পৰিল, কিজানিবা দেউতাকৰ খঙেই উঠে, এনেয়ে অসুখীয়া মানুহ। গোস্বামীয়ে কিন্তু মীনাক্ষীক হাঁহি মাৰি বুকুৰ মাজলৈ টানি নি ক'লে, "মুনীয়া! তোমাৰ নিচিনা এজনী অভিভাৱক পালে মই বৰ শান্ত ল'ৰা হৈ যাম।" গোস্বামীৰ শিশু-প্ৰীতি আৰু বন্ধুত্বৰ এইটো সৰু ঘটনাহে। তেওঁ সৰু ল'ৰা-ছোৱালী থকা ঘৰলৈ হাতত টফি, চকলেট বা বাদাম আদি কিবা এটা লৈহে গৈছিল আৰু শিশুবোৰৰ লগত বহুত সময় ধেমালি কৰি কটাইছিল। মোৰ নাতিনীয়ে ৪/৫ বছৰ বয়সতে স্কুলত ABCD আখৰ কেইটা জনা হৈয়ে গোস্বামীক ইংৰাজী বিষয়ৰ বক্তৃতা দিছিল আৰু তেওঁ মনোযোগেৰে শুনিছিল। মীনাক্ষীক স্কুলত শিক্ষয়ত্রীয়ে যি শিকাইছিল সেয়া তাইৰ কাৰণে আছিল বেদবাণী। গোস্বামীয়ে ইংৰাজীৰ বিষয়ে তাইক কিবা শিকাব খুজিলেও তাই উত্তৰ দিছিল, "তুমি ইংৰাজী নাজানা দিয়া, আমাৰ মিচেহে জানে।"

আমৰাবীৰ 'উইনট্ৰেপ নাৰ্চিং হোম'ৰ এটি কোঠাত গোস্বামী শয্যাশায়ী। খবৰ পাইছোঁ তেওঁ একো খাবলৈ ইচ্ছা নকৰে আৰু খাবলৈ ক'লে খং কৰে। পৰিয়ালৰ মানুহ এই কথাত ভীষণ চিন্তিত। মই তেওঁৰ ওচৰত বহি মিনতিৰ সুৰত কৈছিলোঁ খোৱাৰ কথা, যাতে তেওঁ সোনকালে সুস্থ হৈ উঠে। তেওঁ কৈ উঠিছিল ঃ "আনৰ কথামতে আৰু কিমান চলিম ?" তেওঁৰ ভাষা মোৰ বোধগম্য হোৱা নাছিল। কিন্তু মই প্ৰত্যক্ষ কৰিছিলোঁ তেওঁৰ কাতৰ চকুযুৰিয়ে যেন শূন্যৰ ফালে চাই কিবা বিচাৰিছিল। তেওঁৰ এনেকুৱা অৱস্থা মই কেতিয়াও দেখা নাছিলোঁ। হঠাতে কবিগুৰু ৰবীন্দ্ৰনাথৰ গীত একাকি মনলৈ আহিছিল ঃ

বিকায়ে বিকায়ে দীন আপনাৰে
পাৰিনা ফিৰিতে দুয়াৰে দুয়াৰে
তোমাৰ কৰিয়া নিয়ো গো আমাৰে
বৰণেৰ মালা পৰায়ে।

ডাক্তৰৰ অশেষ চেষ্টা, পৰিয়ালৰ লোকৰ অকৃত্ৰিম সেৱা-শুশ্ৰূষাৰ ফলত ইয়াৰ পিছতো প্ৰাণপখী তেওঁৰ দেহ পিঞ্জৰাত কিছুদিন আছিল। কিন্তু সেয়া জীৱনো নাছিল মৃত্যুও নাছিল। সেয়া আছিল সমাধিস্থ অৱস্থা। ১৯৯৪ চনৰ উনৈশ নৱেম্বৰৰ দিনা হয়তো বৰণৰ মালা পিন্ধিলে আৰু সেয়ে প্ৰাণপখী দেহ এৰি গুচি গ'ল অসীমলৈ অনন্ত সত্তাৰ সন্ধানত।

—●—

প্ৰফুল্লদত্ত গোস্বামীৰ সংগত

(মোৰ প্ৰস্তাৱিত আত্মজীৱনীৰ এখিলা পাত)

****

গোবিন্দ প্ৰসাদ শৰ্মা

চৌপাশৰ জগতখনৰ বিষয়ে ল'বা কালত যেতিয়া সজাগ হ'বলৈ ধৰিলোঁ, তেতিয়াই কিবাকৈ অৱগত হ'লোঁ মোৰ সৰু কালৰ সেই কণমানি পৃথিৱীখনিৰ এনে কেইটামান জীৱন্ত বাস্তৱতাৰ বিষয়েও— বাণীকান্ত কাকতি, বিৰিঞ্চিকুমাৰ বৰুৱা, মহেশ্বৰ নেওগ, প্ৰফুল্লদত্ত গোস্বামী, সত্যেন্দ্ৰনাথ শৰ্মা, হেম বৰুৱা— ইত্যাদি। গুৱাহাটীত পঢ়ি থকা আমাৰ কোনো শিক্ষক বা গুৱাহাটীত পায় থকা কলেজ-বিশ্ববিদ্যালয়ৰ আমাৰ সিপিনৰ ছাত্ৰসকলৰ মুখত এনে লোকসকলৰ নাম আৰু কামৰ কথা শ্ৰদ্ধাৰে উচ্চাৰিত হোৱা শুনো; নাইবা সেই সৰু কালিতে পঢ়িব পৰা এওঁলোকৰ লেখনিৰে এওঁলোকক জানিবলৈ পাওঁ। কিন্তু প্ৰফুল্লদত্ত গোস্বামী মোৰ এজন অতি প্ৰিয় লেখক হৈ উঠিল যেতিয়া হাইস্কুলৰ অষ্টমমান শ্ৰেণীত পঢ়ি থকা সময়ত (১৯৫৪ খৃঃত) তেখেতৰ 'কেঁচা পাতৰ কঁপনি' উপন্যাসখন পঢ়িবলৈ পালোঁ। ইয়াৰ তৰুণ নায়ক উৎপলৰ স্বভাৱ-চৰিত্ৰ, মানসিক গতি-প্ৰকৃতি, অস্থিৰতা, নিঃসংগতা মোৰ ইমান চিনাকি যেন লাগিল যে এই গৰাকী লেখকে সৃষ্টি কৰা এই চৰিত্ৰটি মোৰ তেনেই আপোন হৈ উঠিল। চৰিত্ৰটিৰ লগত মই এক আশ্চৰ্য্য একাত্মতাবোধ কৰিলোঁ। উৎপলৰ অস্থিৰ, লক্ষ্যহীন জীৱন, তাৰ নিঃসংগতাৰ মাজে মাজে বিভিন্ন জনৰ ক্ষণিকৰ সংগসুখে তাৰ অন্তৰত তোলা ঢৌ, তাৰ স্থিৰতাহীন জীৱনৰ বিশৃংখলতাই তাৰ সামাজিক আদৰ্শক দিয়া ধুৱঁলি-কুঁৱলি ৰূপ, তাৰ বিভিন্ন প্ৰকৃতিৰ পৰিণতিহীন প্ৰেমৰ সম্পৰ্কবোৰ— এইবোৰ মোৰ ইমান চিনাকি যেন লাগিল যে তাৰ আগত মই তেতিয়ালৈ পঢ়া কোনো গল্প-উপন্যাসেই যেন এনে বাস্তৱ প্ৰকৃতিৰ নহয়। স্বাভাৱিকতে এনে এক চৰিত্ৰৰ স্ৰষ্টা, এনে এখন উপন্যাসৰ ৰচক প্ৰফুল্লদত্ত গোস্বামীৰ বিষয়ে জানিবলৈ মোৰ কৌতূহলৰ সীমা নাইকিয়া হ'ল। এনে সময়তে (১৯৫৫ খৃঃ) তেখেতে মহেশ্বৰ নেওগ আৰু সত্যেন্দ্ৰনাথ শৰ্মাৰ লগত একে সময়তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম পি.এইচ্.ডি. ডিগ্ৰী (তেতিয়া ডি.ফিল. বোলা হৈছিল।) লাভ কৰিলত

'অসম বাণী'ত সেই উপলক্ষ্যে এই তিনি গৰাকী পণ্ডিতৰ একেলগে ফটো দেখিবলৈ পালোঁ।

সেই সময়ত এখেতৰ লেখা যেতিয়া য'তে পাওঁ, তেতিয়াই ত'তে পৰম আগ্ৰহেৰে পঢ়ি পেলাওঁ। তেতিয়া 'ৰামধেনু'ত পঢ়ো তেখেতৰ দুই-এটা গল্প, অ'ত-ত'ত টেঁটোনৰ সাধুৰ দৰে দুই-এটা সাধু আৰু বহুতো আলোচনা-সমালোচনা, সাহিত্য আৰু লোক-সাহিত্যৰ (তেখেতৰ ভাষাত জন-সাহিত্যৰ) বিষয়ে। 'কেঁচা পাতৰ কঁপনি'ৰ তেখেতে লিখা পাতনিখনতে উল্লেখ পাইছিলোঁ তেখেতৰ প্ৰথম উপন্যাস 'শেষ ক'ত' খনৰ। কিন্তু সেইখন মই বহুত পিছতহে পঢ়িবলৈ পাইছিলোঁ তাৰ দ্বিতীয় সংস্কৰণ ওলালত আৰু তাৰ এটা কপি তেখেতেই মোক উপহাৰ দিলত।

ইয়াৰ পিছত এই গৰাকী লেখক-পণ্ডিতৰ অন্য এখন কিতাপ মোৰ হাইস্কুলৰ সৰু চহৰখনৰ কিতাপৰ দোকান এখনত দেখিবলৈ পাইছিলোঁ– 'অসমীয়া জন-সাহিত্য'। কিতাপখন কিনি আনি হ'লেও মোৰ পঢ়াৰ আগ্ৰহ। কিন্তু ইয়াৰ দাম দুটকা দিয়াও মোৰ বাবে তেতিয়া সহজ নহয়। গতিকে দোকানখনতে দুই-এদিনৰ মূৰে মূৰে ইয়াৰ পাত লুটিয়াই যাওঁ। এনেতে কি যে সৌভাগ্যৰ কথা! এদিন আমাৰ স্কুল পৰিদৰ্শন কৰিবলৈ গুৱাহাটীৰপৰা আহিল স্কুল পৰিদৰ্শিকা প্ৰীতিলতা কাকতি। মই তেতিয়া দশমমান শ্ৰেণীত (১৯৫৬ খৃঃ)। আমাৰ শ্ৰেণীত সোমাই পৰিদৰ্শিকাই ইটো-সিটো প্ৰশ্ন বিভিন্নজনক কৰি গৈছে। মোৰ পাল পৰিলত মোৰ ভাগতপৰা প্ৰশ্নটোৰ উত্তৰ সাধাৰণভাৱে নিদি উত্তৰটো আৰম্ভণী আৰু সামৰণিৰে সৈতে এটি চুটি বক্তৃতাৰ ৰূপতে দিলোঁ। প্ৰশ্নটোও আছিল সমসাময়িক সমাজৰ লগত সম্পৰ্ক থকা কিবা এটা প্ৰশ্ন। শ্ৰীমতী কাকতিয়ে বৰ মনোযোগেৰে মোৰ বক্তৃতাৰ ৰূপৰ উত্তৰটি শুনি থাকিল। তেখেতৰ ওচৰতে আমাৰ প্ৰধান শিক্ষকো থিয় দি আছিল। আৰু আছিল শ্ৰেণীৰ শিক্ষক। মোৰ উত্তৰটো শেষ হোৱাত পৰিদৰ্শিকাই তেখেতৰ মুখ উজ্জ্বল কৰি মোক উত্তৰত অতি সন্তুষ্ট বুলি ভেনিটি বেগৰপৰা পাঁচ টকীয়া নোট এখন উলিয়াই তৎক্ষণাৎ মোক উপহাৰ দিলে অন্তৰ ভৰা উৎসাহ-বাণীৰে। পৰিদৰ্শিকা কাকতি শ্ৰেণীৰপৰা ওলাই যোৱাৰ পিছত আমাৰ শ্ৰেণীত, আৰু স্কুলৰপৰা ওলাই যোৱাৰ পিছত গোটেই স্কুলখনতে এক আনন্দমুখৰ পৰিৱেশ। শিক্ষকসকলৰো মোক লৈ টনা-আজোৰা। মই কিন্তু এইবোৰৰ মাজতে সোমাই থকাতকৈ শ্ৰেণীৰ বিৰতি পৰাৰ লগে লগে সেই টকা পাঁচটা লৈ কিতাপখনৰ দোকানলৈ বেগাই খোজ দিলোঁ; আৰু তাৰে দুটকা দি একে কোবে কিনি ল'লোঁ প্ৰফুল্লদত্ত গোস্বামীৰ সেই 'অসমীয়া জন-সাহিত্য'খন। কিতাপখন পঢ়ি এটা নতুন বিষয়ৰ বিষয়ে অৱগত হৈ উঠিলোঁ। বিষয়টোৰ প্ৰতি ভালপোৱাও উপজিল। সোনকালেই আমাৰ তিহু-নলবাৰী অঞ্চলত মানুহৰ মুখে মুখে চলি থকা দুটামান দীঘলীয়া কাহিনী-গীত সংগ্ৰহ কৰিলোঁ। তাৰে এটা 'ৰামধেনু'তো প্ৰকাশ কৰিছিলোঁ।

ইয়াৰ পিছত এখেতৰ অন্যতম গ্ৰন্থ 'সাহিত্য আৰু জীৱন' পঢ়িবলৈ পালোঁ। ইয়াৰ আগতে চ'মাৰচেট্ ম'মৰ 'দি বৰ্ল্ডচ্ টেন গ্ৰেটেষ্ট নভেলচ্'খন পঢ়ি বৰ ভাল পাইছিলোঁ। আৰু ভাল পাইছিলোঁ বাণীকান্ত কাকতিৰ 'সাহিত্য আৰু প্ৰেম'খন পঢ়ি। ড০ গোস্বামীৰ 'সাহিত্য আৰু জীৱন'খন পঢ়িও সেয়েহে আনন্দিত হোৱা স্বাভাৱিক। সাহিত্য কৰ্ম এটা পঢ়ি তাৰ পিছফালে লুকাই থকা লেখকজনৰ জীৱন আৰু তেওঁৰ সমাজখন তেতিয়াৰেপৰা মোৰ বাবে কৌতূহলৰ বিষয় হৈ আছিছে। সেয়েহে ইয়াৰ পিছত এখেতৰ 'ইউৰোপৰ পাঁচগৰাকী মনীষা'খন পঢ়িও ভাল পালোঁ।

কিন্তু হাইস্কুলত পঢ়া মোৰ এই কালছোৱাত প্ৰফুল্লদত্ত গোস্বামী মানুহজনক দেখা পোৱাৰ সৌভাগ্য নহ'ল। কটন কলেজত নাম লেখি (১৯৫৭ খৃঃ) যেতিয়া গুৱাহাটী পালোঁহি, ড০ গোস্বামী মানুহজনক দেখা পোৱাৰ সুযোগ বিচাৰিবলৈ ধৰিলোঁ। লাহেঁকৈ আৱিষ্কাৰ কৰিলোঁ, বিয়লি পৰত তেওঁ নৱগ্ৰহৰ নামনিৰ তেওঁৰ ঘৰৰপৰা পাণবজাৰৰ ফালে বুক টানলৈ সক সক ল'ৰা দুটাক হাতত ধৰি লৈ অহা-যোৱা কৰে। তেখেতক চিনি উলিয়াবপৰাৰ এটা নিৰাপদ দূৰত্বৰপৰা বিয়লি পৰত ড০ গোস্বামীক তেনে অৱস্থাতেই লক্ষ্য কৰিবলৈ, নিৰীক্ষণ কৰিবলৈ ধৰিলোঁ। প্ৰফুল্লদত্ত গোস্বামী শাৰীৰিকভাৱে সৌ সিদিনা, অৰ্থাৎ ১৯৯২, ১৯৯৩ চনত যেনেকুৱা, তাহানিও, অৰ্থাৎ ১৯৫৭, ১৯৫৮ চনতো তেনেকুৱাই— ক্ষীণকায়, ওখ লোক; বগা-শাৰ বং; উজ্জ্বল চকুত চছমা; পিন্ধনত লংপেণ্ট আৰু হাফ্ৰাই চাৰ্ট। লহপ লহপ খোজ দি বেগাই যায়। তাহানি কালত যেনিবা দুই হাতত ধৰি আগুৱাই নি থাকে তেখেতৰ ডাঙৰ ল'ৰা দুটিক। মযো কেতিয়াবা পিছে পিছে গৈ পাণবজাৰলৈকে পাওঁ। কিন্তু নামাতো। চিনাকি নহওঁ। তাৰ বাবে কিবা এটা ইতস্ততঃ।

তেখেতক ব্যক্তিগতভাৱে লগপোৱা বা কথা পতা সুবিধা সোনকালে নহ'লেও, অন্য এটা বিশেষ সুবিধা আছিল। আমি কটন কলেজত থকা কালছোৱাত (১৯৫৭-৬১) ছাত্ৰসকলৰ বছৰেকীয়া উৎসৱত (কলেজ সপ্তাহ) অসমৰ সাহিত্য-সংস্কৃতিৰ বৰেণ্য পুৰুষ-মহিলাসকলক আমন্ত্ৰণ কৰি নি ছাত্ৰসকলক তেওঁলোকৰ সংসৰ্গলৈ অহাৰ সুবিধা কৰি দিয়া হৈছিল। এনেকৈয়ে ড০ প্ৰফুল্লদত্ত গোস্বামীক নিয়া হৈছিল এখন সাহিত্য বিষয়ক সভালৈ। তেখেত আহিব আৰু এটি সাহিত্য বিষয়ক বক্তৃতা দিব বাবেই সেই দিনা আগৰপৰাই প্ৰস্তুত হৈ আছিলোঁ সভাখনত উপস্থিত থাকিবলৈ। সময়ৰ পূৰ্বেই কালৰ এখন সুবিধাজনক আসনত বহি লৈছিলোঁ। যথা সময়ত সেই বিখ্যাত পণ্ডিত-সাহিত্যিকজনক আমাৰ কলেজৰ ভাৰপ্ৰাপ্ত শিক্ষক-ছাত্ৰসকলে [illegible] লৈ আহিল। সভা আৰম্ভ হ'ল। তেখেতৰ বক্তৃতাৰ পাল পৰিলত তেখেতে কিছু লিখিত কাগজ এটাহে পাঠ কৰিলে। সাম্প্ৰতিক ইউৰোপীয় উপন্যাসৰ ধাৰা— এই আছিল এটা বিষয়। সেই সময়ৰ উল্লেখযোগ্য ইউৰোপীয় উপন্যাসিকসকল আৰু তেওঁলোকৰ উল্লেখযোগ্য উপন্যাসবোৰ আৰু সেইবোৰৰ [illegible] বিষয়ে সংক্ষিপ্ত [illegible]।

তেখেতে পাঠ কৰা বক্তৃতাটি আগ্ৰহেৰে শুনি উপকৃত হ'লোঁ। 'কটনিয়ান'ৰ সংখ্যা এটিত এই ভাষণটি প্ৰবন্ধ হিচাবে প্ৰকাশ হোৱা বাবে আৰু বেছি উপকৃত হৈছিলোঁ।

সেই বি ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে সেই দিনা লিখিত ভাষণ পাঠ কৰাহে দেখিলোঁ, পিছত জানিলোঁ— তেখেতে বক্তৃতা দি বৰ ভাল নাপায়। সেই দিনাৰ সেই সভাখনত আৰম্ভণীতে বি দুষাৰ মুখেৰে কৈছিল, তাত মন্তব্য কৰিছিল যে মুখেৰে কোৱা কথাৰ স্থায়িত্ব নাই। বতাহত উৰি যায়। গতিকে তেখেতৰ ক'বলগীয়াখিনি তেখেতে লিখি আনিছে। পিছলৈ আৰু জানিছিলোঁ আৰু দেখিছিলোঁও যে তেখেতে বক্তৃতা দি অকণো ভাল নাপায়। সভাপতি বা সঞ্চালকৰ দৰে সভাৰ আসনত থাকিলেও আনকি অতি প্ৰয়োজনীয় কথা কেইটামান কৈ মাথোন দায়িত্ব পালন কৰে। দীঘলীয়া কথা ক'বলগীয়া থাকিলেই লিখিত ভাষণ। ৰাজহুৱাভাৱে কথা ক'বলৈ আৰু ৰাজহুৱা মঞ্চত উঠিবলৈ অনিচ্ছুক বাবেই হয়তো তেখেত অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰপৰাও আঁতৰি থাকিল। অৱশ্যে তেনে এখন আসনৰপৰা তেখেতেই আঁতৰি থাকিল নে তেখেতক আঁতৰতহে ৰখা হ'ল— সিও এতিয়া প্ৰশ্নৰ বিষয়।

সি বি নহওক, কটন কলেজত তেখেতক ওচৰৰপৰা দেখা আৰু তেখেতৰ লিখিত ভাষণ শুনাৰ পিছতো আৰু কেইবা বছৰলৈও তেখেতক ব্যক্তিগতভাৱে লগ পোৱা হোৱা নাছিল। তেখেতৰ উপন্যাস 'কেঁচা পাতৰ কঁপনি'খনৰ প্ৰতি ভালপোৱাও অ'ত বছৰে অকণো কমা নাছিল। ইতিমধ্যে কটন কলেজৰ ইংৰাজী সাহিত্যত অনাৰ্চ পঢ়াৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ত ইংৰাজী সাহিত্যতে এম.এ. পঢ়িবলৈ ল'লোঁ। সাহিত্য আৰু সমালোচনাৰ ইতিহাস আৰু তত্ত্ববোৰৰ সৈতে পৰিচিত হ'বলৈ ধৰিলোঁ। সাহিত্যৰ ছাত্ৰ হিচাবে আহৰণ কৰা এনে জ্ঞানৰ পোহৰত প্ৰফুল্লদত্ত গোস্বামীৰ 'কেঁচা পাতৰ কঁপনি'খনো মোৰ নিজৰ আগতেই উজ্জ্বলতৰ ৰূপত উদ্ভাসিত হৈ উঠিল। নতুন পোহৰত ধৰা দিয়া উপন্যাসৰ এই ৰূপটি এটি প্ৰবন্ধত ধৰি ৰাখোঁ বুলি প্ৰবন্ধ ৰচিলোঁ; আৰু তাক প্ৰকাশৰ বাবে পঠিয়াই দিলোঁ তেতিয়াৰ 'ৰামধেনু'ৰ সম্পাদক শ্ৰীৰাধিকামোহন ভাগৱতীৰ ওচৰলৈ (১৯৬৫ খৃঃ)। তেখেতে তেতিয়ালৈ মোৰ কেইবাটাও লেখা 'ৰামধেনু'ত প্ৰকাশ কৰিছে। এই প্ৰবন্ধটি তেখেতে 'ৰামধেনু'ত প্ৰকাশ কৰিলত প্ৰবন্ধটিৰ ওপৰতে এটি সম্পাদকীয় টোকা যুক্ত কৰি দিলে— মোৰ প্ৰশংসামূলক পৰিচয়ৰ এটি টোকা। ইয়াৰ আগতে এনে টোকা তেখেতে 'ৰামধেনু'ত প্ৰকাশ কৰিছিল শ্ৰীহীৰেন গোহাঁই (তেতিয়াও ডক্টৰেট নহয়) আৰু শ্ৰীভবেন বৰুৱাৰ বিষয়ে। কথাটোত মোৰ আনন্দ পাবলগীয়াই আছিল। তথাপিও মোৰ প্ৰবন্ধটোৰ মূল্য সম্পৰ্কে মোৰ নিজৰেই আছিল সন্দেহ। সেয়েহে সেই টোকাটোৰে সৈতে প্ৰবন্ধটি প্ৰকাশ হোৱাৰ পিছত বহু দিনলৈকে মই শ্ৰীভাগৱতীৰ ওচৰলৈকেও যাব পৰা নাছিলোঁ। বহু দিন পিছত যেতিয়া এদিন শ্ৰীভাগৱতীৰ অফিচতহে লগ পালোঁ, তেখেতে লোনে লোনেই সেই প্ৰবন্ধটিৰ কথা উলিয়ালে আৰু ড০ প্ৰফুল্লদত্ত গোস্বামীয়েও প্ৰবন্ধটি

ভালপোৱা বুলি কৈ মোক তেখেতে মাতি পঠিয়াইছে বুলি ক'লে। সোনকালেই তেখেতৰ ওচৰলৈ যাব লাগে বুলি মোক শ্ৰীভাগৱতীয়ে অগিদ্দ দিলে।

যাওঁ যাওঁ বোলোঁতেই মোৰ অৱশ্যে আৰু বহু দিন গ'ল। যাবলৈ খুবেই আগ্ৰহ; অথচ সংকোচ। অৱশেষত বেতিয়া তেখেতৰ নবগ্ৰহৰ নামনিৰ ঘৰটিত উঠি তেখেতৰ লগ পালোঁগৈ, তেখেতৰ লগত যে নতুনকৈ চিনাকি হ'লোঁ তেনে যেন অকণো নালাগিল। তেনেই চিনাকি মানুহৰ আগত যেন তেখেতে সম্পূৰ্ণ খোলাকৈ কথা পাতিলে। পিছতহে বুজিছিলোঁ— হাব মানুহজন সদায় খোলা মনৰেই। বহুতো কথা সেইদিনাই পতা হ'ল— সাহিত্যৰ কথা, উপন্যাসৰ টেকনিকৰ কথা, তেখেতৰ সাহিত্য-সৃষ্টিৰ কথা ইত্যাদি। মই তেখেতৰ ছাত্ৰ সদৃশহে যদিও, হাবে লগৰ মানুহৰ লগত কথাপতা দিয়াই অকল নহয়, চাহ-জলপানো একেলগে খালে। পিছলৈকো তেখেতে মোক চাহ-জলপান নখুৱাকৈ ঘৰৰপৰা কোনো দিন আহিব দিয়া নাই।

সেই দিনাই কথা প্ৰসংগত 'ৰামধেনু'ত ওলোৱা মোৰ সেই প্ৰবন্ধটিৰ কথাও কৈছিল। কিতাপখন সম্পৰ্কে বহুতো প্ৰশংসা যদিও হাবে পাইছে, আনকি তাৰ প্ৰশংসাত্ম ৰচনা কৰা কবিতাও, তথাপি পূৰ্ণাঙ্গ সমালোচনামূলক প্ৰবন্ধ সেইটিয়েই প্ৰথম বুলি হাবে মোক ক'লে। মই মোৰ প্ৰবন্ধটিৰ ত্ৰুটী তেখেতে কি বুলি ভাবে সুধিলোঁ। হাবে ক'লে, "উপন্যাসখনত মোৰ প্ৰতীক-চিত্ৰকল্পৰ ব্যৱহাৰৰ দিশটোও বোধহয় তুমি চাব পাৰিলাহেঁতেন। আৰু এটা কথা— কলা, তত্ত্ব— এইবোৰৰ দিশৰপৰা চাই উপন্যাসখনৰ তুমি যি মূল্য ধৰ্য্য পেলালা, জীৱনৰ উপলব্ধি, জীৱন-দৰ্শন— এনেবোৰ কথালৈ চালে উপন্যাসখন সমানেই মূল্যবান হ'বনে ? নিজৰ সৃষ্টিৰ প্ৰতিও হাবৰ এনে সমালোচনামূলক দৃষ্টিভংগীয়ে মোক অভিভূত কৰিছিল। পিছত দেখিছিলোঁ, হাব মানুহজন সদায়ে আত্ম-সমালোচনাশীল। নিজৰ দেশ, নিজৰ সাহিত্য, নিজৰ সংস্কৃতি— এইবোৰৰ প্ৰতি তেখেতৰ গভীৰ ভালপোৱা। এনে ভালপোৱাই কিন্তু তেখেতক অন্ধ নকৰে। বৰং এইবোৰৰ প্ৰতি তেখেত সমানেই সমালোচনাশীলো।

জীৱনৰ উপলব্ধি, জীৱন-দৰ্শন আদি বিষয়ত উপন্যাসখনৰ মূল্য কিমান, তাৰ আভাস মোৰ সেই প্ৰবন্ধটিত আছিলেই। কিন্তু তাত নাছিল প্ৰতীক আৰু চিত্ৰকল্পৰ দিশটোৰ আলোচনা। অৱশেষত ১৯৬৫ চনৰ মোৰ সেই প্ৰবন্ধটিত হাত ফুৰাই, এই দিশটোও যোগ দি তাৰ এটি পৰিৱৰ্তিত ৰূপ ৰচি উলিয়াইছোঁ। প্ৰবন্ধটিৰ এই নতুন ৰূপটিক স্থান দিছোঁ মোৰ সদ্য প্ৰকাশিত গ্ৰন্থ 'উপন্যাস আৰু অসমীয়া উপন্যাস'খনত (১৯৯৫)। দুখৰ বিষয়, হাবে এই প্ৰবন্ধটি বা এই কিতাপখন দেখা পাই নগ'ল।

পি বি কি নহওক, হাবক তেখেতৰ মুখামুখিকৈ সেয়া প্ৰথম লগ পোৱাৰ পিছত (১৯৯৩ চি-১৯৯৬), পাছতীয়াকৈ হ'লেও তেখেতৰ ঘৰৰ মই নিয়মীয়া পদাৰ্পণকাৰী হৈ পৰিছিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিভাগীয় কোঠালিতো সদায়েই মিলিছিলোঁ। উভয়

ঠাইতে তেখেতে জীৱনীয়াকে আৰু অত্যাংগভাৱে কথা পাতে— সাহিত্যৰ কথাই বেছিকৈ— পাশ্চাত্য আৰু অসমীয়া। প্ৰায়ে উপদেশ দিয়ে লিখা আৰু পঢ়া বিষয়ত। লিখা বিষয়ত তেখেতে কয় : "যিটো লিখিম বুলি ঠিক কৰা, লিখি পেলাবা। এই বিষয়ে আৰু পঢ়িব লাগিব, — এনে মনোভাব আৰু তেতিয়া নানিবা। আনিলে তোমাৰ আৰু কেতিয়াও লিখা নহ'ব। লিখিম বুলি ভবাৰ আগতেই পঢ়িবলগীয়াখিনি পঢ়ি ল'বা।" ছাৰে লিখা বিষয়ত আৰু কয় : "যিটো কথা এটা শব্দত ক'ব পাৰি, তাৰ বাবে একাধিক শব্দৰ এটা বাক্য ব্যয় নকৰিবা। যিখিনি কথা এটা সৰু পেৰেগ্ৰাফত লিখিব পাৰি, তাৰ বাবে এটা পৃষ্ঠা খৰচ নকৰিবা। আৰু বিশেষণ। বিশেষণ ব্যৱহাৰ কৰাটো আমাৰ ভাৰতীয়সকলৰ এটা বেয়া স্বভাৱ। পাৰ্যমানে বিশেষণ ব্যৱহাৰ নকৰিবা।" এই কথাবোৰ লেখক হিচাবে ছাৰে আখৰে আখৰে পালন কৰিছিল। মই কিন্তু সেয়া মোৰ সাধ্যাতীত বুলি জ্ঞান কৰিছিলোঁ। আজিও কৰোঁ, ছাৰৰ উপদেশ অতি সজ উপদেশ বুলি জ্ঞান কৰিও।

ছাৰৰ উপদেশ মানি চলা মোৰ বাবে যে সাধ্যাতীত, তাক এবাৰ বুজিছিলোঁ ছাৰৰ লগতে হোৱা এটা অভিজ্ঞতাৰ পৰা। দিল্লীৰ সাহিত্য একাডেমীৰপৰা তেওঁলোকৰ প্ৰস্তাৱিত 'এনচাইক্লোপিডিয়া অব্ ইণ্ডিয়ান্ লিটাৰেচ্যাৰ্' গ্ৰন্থখনৰ বাবে মই ড০ প্ৰফুল্লদত্ত গোস্বামীৰ ওপৰত এটা প্ৰবন্ধ লিখি দিব লাগে বুলি অনুৰোধ আহিল। সানন্দে মই কামটো হাতত লৈ প্ৰবন্ধটো শেষ কৰিলোঁ, আৰু টাইপ পৰ্যন্ত কৰি পঠিয়াবলৈ সাজু কৰিলোঁ। কিন্তু ছাৰক যিহেতু মই সদায় পাই থাকোঁ, তেখেতৰ অজ্ঞাতসাৰে তেখেতৰ বিষয়ে লিখা প্ৰবন্ধ এটা তৎক্ষণাৎ পঠিয়াই নিদি তেখেতক এবাৰ দেখুৱা উচিত হ'ব বুলি ডাকঘৰলৈ নিয়াৰ আগতে তেখেতৰ বিভাগীয় কোঠালৈ লৈ গ'লোঁ। ছাৰে প্ৰবন্ধটো চাই উঠি শলাগিলে। কিন্তু লগতে ক'লে : "চোৱা, প্ৰশংসাসূচক বিশেষণবোৰ তুমি প্ৰয়োজনতকৈ বেছিকৈ ব্যৱহাৰ কৰিছা। বহুতো বিশেষণৰ আকৌ অপ্ৰয়োজনীয়ভাৱে চুপাৰলেটিভ্ ডিগ্ৰী। এইবোৰ উঠাই দিয়া। আৰু তুমি কোৱা যদি ময়েই উঠাই দিওঁ। তুমি ভয় নকৰিবা। প্ৰবন্ধটো মই তাৰ পিছত আকৌ টাইপ কৰাই দিম।" ছাৰে মোৰ চকুলৈ চালে আৰু বোধহয় মোৰ চকুৰ ভাষা বুজি পাই তেখেতক প্ৰশংসা কৰি ব্যৱহাৰ কৰা কেইবাটাও বিশেষণ— বিশেষকৈ চুপাৰলেটিভ্ ফৰ্মত থকা— কাটি দিবলৈ লাগি গ'ল।

ভাষাৰ ব্যৱহাৰৰ মিতব্যয়ী হোৱাটো ছাৰে যেনেকৈ বিচাৰিছিল, তেনেকৈ তেখেতৰ ব্যক্তিগত জীৱনৰ সকলো কথাতে বাহুল্য এৰাই চলিছিল। পিন্ধন, উৰণ, কথা-বতৰা— এইবোৰৰ তেখেতে বাহুল্য কেতিয়াও নকৰে। কথা সৰুকৈ কয়; ডাঙৰকৈ নাহাঁহে; জীৱনীয়াকে লিখিছে— 'ইণ্ডাৰ্জি'। এইবোৰ [illegible] হ'ব মোৰ বিপৰীত যদিও এটা কথাত ইংলিচ জেনেৰেল নমত বৰ মিল দেখিছিলোঁ। ফাউণ্টেন্ পেনৰ প্ৰতি তেখেতৰ বৰ চখ। কলমৰ ইউৰোপীয়ান, আমেৰিকান, ভাৰতৰ বিভিন্ন-ৰাজ্যৰ কলম তেওঁ প্ৰেমেৰে সংগ্ৰহ কৰে আৰু [illegible] কৰে। এই চখটো মোৰো আছে বুলি [illegible]

মোক এটা তেখেতৰ সংগ্ৰহৰূপৰা ইউৰোপীয় পেন উপহাৰ দিলে। কথাটোত মই অকল আনন্দ পোৱাই নহয়, গৌৰৱবোধো কৰিলোঁ। এনে উপহাৰ পিছলৈ মই আৰু পাবলৈ ধৰিছিলোঁ।

তেখেতৰ জীৱনৰ শেষৰ ফালে তেখেতৰ কিতাপ-পত্ৰবোৰৰ ভালেখিনি ইয়াক-তাক দান কৰি উলিয়াই দিছিল। এবাৰ তেনেকৈ মোৰ ভাগত পৰিছিল 'বাঁহী' আৰু 'আৱাহন' যুগৰ সৰু-সুৰা কিছুমান ঔপন্যাসিকৰ অখ্যাত কেইখনমান উপন্যাস। এইবোৰ মোৰ হাতত তুলি দি ছাৰে কৈছিল ঃ "পাশ্চাত্যত গৌণ লেখকবো সাহিত্যিক বিচাৰ হয়। সাহিত্যৰ বুৰঞ্জীত গৌণ স্থান হ'লেও তেওঁলোকে চায়। আমাৰ ইয়াত কিন্তু গৌণ লেখকক সকলোৱে পাহৰি যায়। তুমি এই অনামী লেখকবোৰৰ উপন্যাসবোৰ পঢ়িবাও আৰু এওঁলোক যদি গৌণ, তাকেই দেখুৱাই এটি প্ৰবন্ধ লিখিবা।" ইয়াৰ পিছত ছাৰৰপৰা মূল্যবান গ্ৰন্থ এখনো উপহাৰ পাইছিলোঁ—Sociology of the Renaissance by Alfred von Martin (1932). এই জাৰ্মান গ্ৰন্থখন ইংৰাজীত অনূদিত হৈ প্ৰকাশিত হৈছিল ১৯৪৪ খৃঃত আৰু ছাৰে ইয়াৰ ১৯৪৫ চনৰ সংস্কৰণটো কিনি চহী কৰিছিল ১৯৪৯ চনত। ডেকা কালত ছাৰৰ মাৰ্ক্সবাদৰ প্ৰতি আকৰ্ষণ আৰু সেই বিষয়ৰ পঢ়া-শুনাৰ আভাস এনে সংগ্ৰহৰ পৰাই গম পোৱা যায়।

ছাৰে ইংৰাজী শব্দৰ উচ্চাৰণ সঠিক ইংৰাজী ৰূপত কৰাৰ আৰু লিখাৰ পক্ষপাতী আছিল। মোৰ লেখাতে কেতিয়াবা ইংৰাজী শব্দ বা নামৰ অসমীয়া বা দেশী ধৰণৰ উচ্চাৰণ পালে তুৰন্তে তাক কাটি ইংৰাজী উচ্চাৰণত শুদ্ধ কৰি দিছিল। স্বাভাৱিকতে লিপ্যন্তৰত ছাৰে সদায় সঠিক আছিল। ছাৰৰ এই গোড়ামিৰ কথা জানিয়েই, তেখেতে কি উত্তৰ দিব মই নিশ্চিতকৈ জানিও তেখেতৰ ৰং চাবলৈকে এবাৰ সুধিলোঁ, "ছাৰ, আমি প্ৰফুল্ল শব্দটো ইংৰাজীত লিপ্যন্তৰ কৰোঁ Prafulla বুলি। কিন্তু আপুনি আপোনাৰ নামটো লিখে Praphulladutta Goswami বুলি। ইয়াৰ কাৰণটো কি?" ছাৰে তেনেই গম্ভীৰভাৱে ক'লে, "ইংৰাজী f-ৰ উচ্চাৰণটো অসমীয়া ফ-ৰ উচ্চাৰণৰ লগত একে জানোঁ? অসমীয়া ফ-ৰ উচ্চাৰণ ইংৰাজীত ph -এৰেহে বুজাব পাৰি।"

ছাৰে এই ধৰণে মোক তেখেতৰ মৃত্যুৰ আগলৈকে বিভিন্ন কথা শিকাই থকা সত্ত্বেও (কেতিয়াবা মই সেইবোৰক লৈ মনে মনে আমোদহে পাওঁ), মোৰ প্ৰতি ব্যৱহাৰত তেখেতে কিন্তু সদায় অন্তৰংগ বন্ধুৰ দৰেহে। সেয়েহে মোক ব্যক্তিগতভাৱে লগ পালেই সুধিব, "পৰিয়ালৰ খবৰ", "ল'ৰাৰ খবৰ", "ছোৱালীৰ খবৰ"।

তেখেতৰ সৈতে মোৰ শেষ সাক্ষাৎটি হৈছিল কম অৱস্থাত তেখেতে থকা উজান বজাৰ আমাবাৰীৰ প্ৰাইভেট্ নাৰ্চিং হোম এখনত। এটি ৰ'দকাল বতৰৰ পুৱা। বাহিৰত সোণালী ৰ'দে লাহে লাহে ৰূপালী ৰূপ ল'বলৈ ধৰিছে। মই তেখেত থকা কোঠাটিৰ দুৱাৰ খুলি সোমাই গ'লোঁ। হস্পিতালৰ বিচনাখনত ছাৰ ওপৰ মুৱাকৈ শুই আছে। সমগ্ৰ

গাটো কাপোৰেৰে ঢাকি থোৱা বাবে দেখা পাইছোঁ মাথোন হাত দুখন আৰু মুখখন। বগা হাত দুখন তেনেই শীৰ্ণ হৈ গৈছে। মুখতো আগৰ প্ৰভা নাই। তথাপি ছাৰে এটা হাঁহি মাৰিলে— তেনেই সেঁতা হাঁহি। ওচৰতে বহিবলৈ ইংগিত দিলে। মই বহি ল'লোঁ। মই কি ক'ম ভাবি নাপালোঁ। মোক নিমাত দেখি ছাৰেই কথা আৰম্ভ কৰিলে— ক্ষীণ, নিস্তেজ কণ্ঠস্বৰ। কথাবোৰো ভালকৈ ফুটা নাই। তথাপি ছাৰে সেই দিনাও উলিয়ালে সাহিত্যৰহে কথা: "ইংৰাজী সাহিত্য পঢ়া বা পঢ়ি বুজি পোৱা অসমীয়া মানুহৰ সংখ্যা কমি গ'ল। ই অসমীয়া সাহিত্যৰ বাবে বৰ হানিকৰ হ'ব। কিয়নো ইংৰাজী সাহিত্য কৰ্মই আমাৰ ল'ৰা-ছোৱালীৰ মন পুষ্ট, সচল হোৱাত সহায় কৰে। যেনে ধৰা সুইফ্‌টৰ 'মেডিটেশ্যন্ আপন্ এ ব্ৰুম্ষ্টিক্'। এনেবোৰ লেখা আমাৰ ল'ৰা-ছোৱালীৰ বাবে পাঠ্যক্ৰমত সদায় থাকিব লাগিব। কিন্তু ল'ৰা-ছোৱালীয়ে যদি ইংৰাজীয়েই বুজি নাপায়, এনেবোৰ লেখা কেনেকৈ পঢ়িব?"

ছাৰ বোধহয় ভাগৰিলে। কিছু সময় মনে মনে থাকিল। এবাৰ মোৰ পিনে চালে। লগে লগে তেখেতৰ দুই চকুৰপৰা লোতক বাগৰি আহিল। মই তেখেতক মনে মনে শুই থাকিবলৈ ক'লোঁ। ছাৰে চকু দুটা মুদি দিলে। লাহে লাহে চকুলো ওলোৱা বন্ধ হ'ল। অলপ যেন টোপনি বাৰ খুজিলে। মই ক'লোঁ: "ছাৰ, আপুনি শোৱক। মই আজিলৈ আহোঁ।" ছাৰে ক্ষন্তেকৰ বাবে চকু মেলি সেই ক্ষীণ মাতটিৰে ক'লে: "হয়, যোৱা। আকৌ আহিবা।"

এৰা ছাৰৰ ওচৰলৈ মই আকৌ গৈছিলোঁ। কিন্তু সেইবাৰ ছাৰক লগ পাইছিলোঁ নৱগ্ৰহ শ্মশানত। ছাৰে আৰু তেতিয়া মোক নামাতে। কাকোৱেই আৰু নামাতে। বগা কাপোৰ এখনেৰে সমগ্ৰ শৰীৰ ঢাকি থোৱা আছে। সেই ছাৰৰ দেহ আৰু বগা কাপোৰ ঢাক খাই গৈছে অন্তৰ ওপচা শ্ৰদ্ধা আৰু ভালপোৱাৰে অনেকে ছটিয়াই দিয়া বং বিৰঙৰ ফুলেৰে। ময়ো লগত লৈ যোৱা বগা ফুলবোৰ ছাৰৰ গাঁলৈ ছটিয়াই দিলোঁ— মোৰ নিজৰবৰীয়াকৈ আৰু বিশ্ববিদ্যালয়ৰ আমাৰ ইংৰাজী বিভাগৰ বৰীয়াকৈ। চকু মুদি মনে মনে আওৰালোঁ: "Good night, sweet prince, And flights of angels sing thee to thy rest."

— o —

প্ৰফুল্লদত্ত গোস্বামী ঃ মই জনা মানুহজন

****

যতীন গোস্বামী

Dost thou love life? then do not squander time, for that is the stuff life is made of"
– Benjamin Franklin.

ড০ প্ৰফুল্লদত্ত গোস্বামীক সোঁৱৰণ কৰা মানেই এগৰাকী বিদগ্ধ পণ্ডিত, অবিৰত অধ্যয়নকাৰী, সমল সন্ধানী ব্যক্তিৰ উপৰিও এজন সহজ, সৰল আৰু অনুপ্ৰেৰণাদায়ক বন্ধুৰ সোঁৱৰণ। প্ৰফুল্লদত্ত গোস্বামীৰ লগত আমাৰ বন্ধুত্ব বহুদিনৰ— বিশেষকৈ ১৯৫৬ চনৰপৰা। এই বন্ধুত্ব গাঢ় হৈ আহিছিল আমি কুটীৰ শিল্পৰ সংগ্ৰহালয়ৰ অধিকাৰ হিচাপে কাম কৰি থকা কালত অসমৰ লোক-সংস্কৃতিৰ সমলসমূহৰ সংগ্ৰহ, অধ্যয়ন আৰু প্ৰদৰ্শনৰ বিচাৰ-বিশ্লেষণৰ লগতে লোক-সাহিত্যকে ধৰি অসমীয়া সাহিত্যৰ বিভিন্ন দিশত কাম কৰিবলৈ লোৱাৰেপৰা। আমাক আচৰিত কৰি তুলিছিল এটা কথাই; আমি হাতত লোৱা বা হাতত ল'বলৈ পৰামৰ্শ বিচাৰি যোৱা বিষয়ক তেওঁ ঐকান্তিকভাৱে লৈছিল আৰু কেতিয়াবা হাতত লোৱা কামত সময় উলিয়াই যথাৰ্থভাৱে লাগি নপৰিলে তেওঁ নিজেই তেওঁৰ উদ্বিগ্নতা প্ৰকাশ কৰিছিল। সাংস্কৃতিক দিশৰ বিশেষ কিবা এটা সমল প্ৰাপ্তিৰ বতৰা ড০ গোস্বামীৰ কাণত পেলোৱাৰ লগে লগেই সেই সমল নিজে প্ৰত্যক্ষ কৰি অধ্যয়নৰ কাৰণে আমাক দিশ দৰ্শন কৰাৰ উপৰিও সংগ্ৰহতো গুৰুত্ব দিছিল। তেওঁৰ লগত মোৰ চিনাকি পৰ্বৰ পাছতেই বন্ধুত্বও ক্ৰমে গভীৰৰপৰা গভীৰতৰ হৈ যাবলৈ ধৰিলে। ইয়াৰ কাৰণ আছিল পৰস্পৰৰ প্ৰতি থকা ঐকান্তিকতা আৰু শ্ৰদ্ধা।

প্ৰফুল্লদত্ত গোস্বামীক অধ্যয়ন আৰু চৰ্চাৰ কাৰণে কি কি বিষয়বোৰে আকৰ্ষণ কৰিছিল এই কথা তেওঁৰ সান্নিধ্যলৈ অহা সকলো মানুহেই জানে। আমাৰ নিজৰ অভিজ্ঞতাত প্ৰফুল্লদত্তৰ কাৰণ কেইটামান বিষয় সুকীয়াকৈ ৰাখি থলেও প্ৰকৃতপক্ষে বাকীবোৰ বিষয় (ৰাজনৈতিক বিষয়ৰ বাহিৰে)ৰ পৰাও একেবাৰে আঁতৰাই নিব পৰা বিধৰ তেওঁ নাছিল; অৰ্থাৎ সকলোবিধৰ জ্ঞান আৰু চৰ্চাৰ আৱশ্যকতাৰ কথা তেওঁ অনুভৱ কৰিছিল। আৰু এটা

কথা বিশেষভাৱে চকুত পৰিছিল যে এটা বিষয়ৰ প্ৰকাশিত ৰূপটো চাই এৰি নিদি বিষয়ৰ অন্তৰ্দৰ্শন কৰিবৰ কাৰণে তেওঁ আছিল সদায় যত্নপৰ।

প্ৰফুল্লদত্ত আছিল যশ, ঐশ্বৰ্য্য, লোভ-লালসা আৰু পদ-মৰ্য্যাদাৰ পিছে পিছে ঘূৰি ফুৰা লোকসকলৰ ব্যতিক্ৰম। ১৯৬৫-৬৬ চনৰ কথা। মই তেতিয়া নেপালৰ ৰাজধানী কাঠমাণ্ডুত। সেইছোৱা কালৰ ভিতৰতে অসম-নেপাল মৈত্ৰী সংঘৰ এটা শুভেচ্ছা দল গৈছিল নেপাললৈ। দলটিৰ নেতা প্ৰফুল্লদত্ত। নেপালত থকা কালছোৱাৰ অন্তিম কাৰ্য্যসূচী আছিল বজীৰ ভৱনত বিদায়-সম্বৰ্দ্ধনা জ্ঞাপন। সম্ভৱতঃ নেপালৰ ৰজা মহেন্দ্ৰ নিজে উপস্থিত। মঞ্চত ৰজাৰ নিচেই কাষৰ আসনখন আছিল শুভেচ্ছা দলৰ নেতাৰ আসন। এটা সময়ত সেইখন আসনত বহিবলৈ শুভেচ্ছাদলৰ নেতা গৰাকীক আহ্বান জনোৱা হ'ল। নিজে কিবা অপ্ৰস্তুত ভাৱ প্ৰকাশ কৰি প্ৰফুল্লদত্তই ক'লে যে মহাৰাজ মহেন্দ্ৰৰ কাষৰ আসনত বহা যোগ্যতা তেওঁৰ নাই। তেওঁ সবিনয়ে এই কথা প্ৰকাশ কৰিলে। ৰজা মহেন্দ্ৰ অভিভূত হ'ল— ড০ গোস্বামীৰ সৰলতা দেখি। যিসময়ত আসন নালাগে সান্নিধ্যৰ কাৰণে বহুতৰে হেতা-ওপৰা লাগে সেই সময়ত ড০ গোস্বামীৰ সৰলতা দেখি বিমোহিত ৰজাই নিজেই কৰমৰ্দন কৰি মাতি নিলে। ১৯৫৮ নে ১৯৫৯ চনত গুৱাহাটী সাহিত্য সভা অধিবেশনলৈ আহিছিল প্ৰথিত যশা সাহিত্যিক আৰু সেই কালৰ ভাৰতৰ শিক্ষামন্ত্ৰী হুমায়ুন কবীৰ। মঞ্চৰ একেশাৰীতে ড০ বিৰিঞ্চিকুমাৰ বৰুৱাকে ধৰি কেইবা গৰাকীৰ লগতে বহিবলৈ প্ৰফুল্লদত্ত গোস্বামীক কোনোপধ্যে সন্মত কৰাব পৰা নগ'ল। অসম সাহিত্য সভাৰ সন্মানজনক (আৰু বহুজনৰ কাৰণে লোভনীয়) সভাপতি পদত নাম প্ৰস্তাৱ কৰিবৰ কাৰণে আগতীয়াকৈ তেওঁৰ লগত আলোচনা কৰোঁতে তেওঁ মোক কৈছিল যে সেই পদৰ বাবে তেওঁ যোগ্য নহয় আৰু তেওঁৰ নাম যাতে কোনো প্ৰকাৰে প্ৰস্তাৱিত নহয় তাৰ কাৰণে অনুৰোধ কৰি কৈছিল ঃ "অনুগ্ৰহ কৰি মোক নাটানিব; মই মোৰ যোগ্যতা কিমান মই নিজে জানো।" অসম জন-সংস্কৃতি সমাজ(Folk-lore Society of Assam) প্ৰতিষ্ঠাৰ গুৰিতে আছিল প্ৰফুল্লদত্ত। এই অনুষ্ঠানটোৰ সভাপতি পদটি গ্ৰহণ কৰিবলৈ ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যকে ধৰি বহুজনে বহুধৰণেৰে চেষ্টা কৰাৰ পিছতহে তেওঁ পদটি গ্ৰহণ কৰিবলৈ সন্মত হ'ল।

সম্বৰ্দ্ধনা গ্ৰহণতো আছিল তেওঁৰ ঘোৰ আপত্তি। অসম সাহিত্য সভাৰ নিচিনা অনুষ্ঠানে সম্বৰ্দ্ধনাৰ কাৰণে জনোৱা অনুৰোধ তেওঁ প্ৰত্যাখ্যান কৰি কৈছিল ঃ "সম্বৰ্দ্ধনা জনাবলগীয়া কোনো কাম মই কৰা নাই, সম্বৰ্দ্ধনা জনাবলগীয়া ব্যক্তি মই নহওঁ।" গুণ-গৰিমাৰ প্ৰশংসাও তেওঁ বৰ বেয়া পায়, বেয়া পায় জনকোলাহলৰ মাজত সোমাইপৰা কথা। মৃত্যুৰ এবছৰমান আগতে শিলপুখুৰী অঞ্চলৰ বাহিৰে তেওঁক এবাৰ এখন মৰ্য্যাদাসম্পন্ন মঞ্চত পাবলৈ কৰা আগ্ৰহৰ কথা এদিন তেওঁক মই জনালোঁ। অৱশেষত সদৌ গুৱাহাটী ছাত্ৰ সন্থাই (নে মধ্য-পূব গুৱাহাটী বিহু সন্মিলনে পাহৰিলোঁ) তেওঁক নৱগ্ৰহ কালী মন্দিৰ প্ৰাংগণত পতা এক গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানৰ মঞ্চত কৰা সম্বৰ্দ্ধনা সভাৰ

কাৰণে তেওঁ যেনিবা সন্মতি দিলে। সভাখনত সভাপতিৰ আসনত মই। সভা আৰম্ভ হ'ল, সম্বৰ্ধনাৰ প্ৰথম গৰাকী ব্যক্তি প্ৰফুল্লদত্ত। সভাপতিৰ ঠিক কাষৰ আসনখনতে তেওঁ বহিছে— এক অস্বস্তি অস্বস্তি ভাব তেওঁৰ চকুৱে-মুখে। ফুচফুচাই ক'লে : "বাইজক অসন্মান কৰা হয় বুলিহে আহিলোঁ, ল'ৰাইঁতক এবাৰ নোৱাৰিলোঁ।" তেওঁৰ মনৰ কথা বুজি ল'ৰাল'ৰিকে প্ৰথমেই তেওঁক সম্বৰ্ধনা আগবঢ়াই বাইজক উদ্দেশ্যি দুষাৰ ক'বলৈ অনুৰোধ জনালোঁ। অনুৰোধ ৰক্ষা কৰি মাইকত মাত্ৰ কেইটামান বাক্যহে ক'লে। ক'লে যে সম্বৰ্ধনাৰ যোগ্য তেওঁ নহয়, বাইজলৈ প্ৰণতি জনাবলৈহে তেওঁ নবীয়া গাৰে আহিছে। দুষাৰমান কৈয়েই তেওঁ আসনত বহিল। তাৰ পিছত আনসকললৈ সম্বৰ্ধনা আৰু ভাষণৰ ক্ৰম চলি আছে। মাজতে এবাৰ মই মন কৰিলোঁ যে গোস্বামী তেওঁ বহা আসনত নাই। এজনক সোধাত ক'লে যে ভাষণ দি উঠি আসনত অলপমান বহাৰ কেইমুহূৰ্তমানৰ পিছতে তেওঁ মঞ্চৰপৰা নামি গৈ সভাগৃহৰ পিছফালৰ মানুহৰ মাজত অলপ পৰ বহি উঠি গৈছে।

পিছদিনা ৰাতিপুৱা কথাৰ বুজ ল'বলৈ গোস্বামীৰ ঘৰ ওলালোঁগৈ। তেওঁ যোক ক'লে যে ইমান ডাঙৰ আৰু জনাকীৰ্ণ সভাখনৰ মাজত মানুহজনে অসুবিধা অনুভৱ কৰিছিল। মই সুধিলোঁ : "হাজাৰ হাজাৰ মানুহ আপোনাৰ সমুখত, মঞ্চৰ গাতে গা লগাকৈ আমি বহি আছোঁ, তাতে আকৌ অসুবিধা কিহৰ ?" এটা মিঠা হাঁহি মাৰি ক'লে : "সেইকাৰণেহে মই অকলশৰীয়া।" ইয়াৰ আনটো দিশত মই মন কৰিছিলোঁ ব্যক্তি জীৱনৰ প্ৰতি মানুহজনৰ অপৰিসীম স্নেহ আৰু শ্ৰদ্ধা, এই দুয়োটা দিশত প্ৰকাশ হৈছিল তেওঁৰ ব্যক্তিগত স্বভাৱ আৰু চৰিত্ৰগত বৈশিষ্ট্যবোৰ।

আড়ম্বৰপূৰ্ণ সভা-সমিতি, এনেকি ব্যক্তিগত আলাপ-আলোচনা-বিলোচনাতো, অতিৰিক্ত কথাবোৰ তেওঁ ভাল নাপায়, বিৰক্ত হয়। গুৱাহাটী আলোচনা চক্ৰতো দীঘলীয়া প্ৰবন্ধ পাঠ কৰা বা দীঘলীয়া মন্তব্য দান কৰা বহুজন অংশগ্ৰহণকাৰী ড০ গোস্বামীৰ উপস্থিতিত সাৱধান হ'ব লগা হৈছিল। তেওঁ নিজেও আছিল স্বল্পভাষী, অলাগতিয়াল কথা-বতৰা তেওঁৰ ভাল নালাগে, অথচ আচৰণত সকলোৰে লগত সৰল আৰু মধুৰ। নিজে অস্বস্তিবোধ কৰিলেও খং কৰি নিজৰ বিৰক্তি প্ৰকাশ নকৰে। আপত্তিজনক কথা থাকিলে নিজৰ মন্তব্য চমুকৈ দি অগ্ৰহণীয়খিনিৰ কথা কয়। প্ৰফুল্লদত্তই বিশ্বাস কৰিছিল যে মানুহৰ লগত অবিকল্প সংযোগ ৰক্ষা কৰাটোৱে হৈছে ভাল কাম; য'ত মতবিৰোধ থাকে তাত নিৰক্তিমান প্ৰদৰ্শন কৰাহে উচিত। এইখিনি সহ্য গুণৰ কথা সদায় সকলোৰে চকুত পৰিছিল। সেইদৰে ঘৰুৱা জীৱনতো তেওঁ অনুভৱ কৰিছিল পৰিয়ালৰ প্ৰতিজন ব্যক্তিৰে একোটা নিজস্ব সত্তা আছে— সেই সত্তাক সংকীৰ্ণ কৰি ৰখাটোৱেই হৈছে নিৰানন্দ। নিৰাসক্ততাই হৈছে সংকীৰ্ণ ভাৱনা উদ্ভৱ হ'ব নিদিয়াৰ উপায়, নিৰাসক্ত হৈ থাকিলে কাৰো ক্ষতি নহয় আৰু সকলোৰে কাৰণে ঘৰুৱা জীৱনো সহজ হৈ পৰে। জীৱনটোক সহজ কৰিব পাৰিলেহে পাৰিবাৰিক আনন্দ লাভ কৰিব পাৰি। ঘৰুৱা বন্ধনৰ মাজতো ব্যক্তিৰ

বিকাশ ঘটিবলৈ মুক্ত চিন্তাৰ প্ৰয়োজনৰ ওপৰত তেওঁ গুৰুত্ব দিছিল।

গুণী মানুহ বিচাৰি উলিয়াবলৈ ড০ গোস্বামীক বেছি সময় নালাগে। ভবেন নাৰ্জি আছিল ড০ গোস্বামীৰ এক উপযুক্ত আৱিষ্কাৰ। সেইজন পৰম যাজৰ আৰু ভক্তই বড়ো ভাষাৰ ভাষাতাত্ত্বিক ৰূপ প্ৰদৰ্শন কৰা, বড়ো সংস্কৃতিৰ বৈশিষ্ট্য আৰু মূল খুকি উলিয়াই দেখুৱাই দিয়া আদি কামৰ উপৰিও ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰ সহযোগত নাৰ্জিৰ *বড়ো অসমীয়া অভিধান* সম্পূৰ্ণ কৰিব পাৰিলে প্ৰফুল্লদত্তৰ অনুপ্ৰেৰণা আৰু দিশদৰ্শী সহযোগত। ভবেন নাৰ্জিৰ প্ৰতিভা জিলিকি উঠিল ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰ একান্ত সহৃদয়তা আৰু ড০ প্ৰফুল্লদত্ত গোস্বামীৰ অনুপ্ৰেৰণা আৰু লেখানেপেৰা তাগিদাত। দুখৰ কথা যে ড০ গোস্বামী আৰু ভবেন নাৰ্জিয়ে *বড়ো-অসমীয়া অভিধান*খন প্ৰকাশন পৰিষদৰদ্বাৰা প্ৰকাশ হোৱাৰ আশা নেদেখাকৈয়ে গুচি গ'ল। ভবেন নাৰ্জিৰ আত্ম-জীৱন চৰিতখনো প্ৰকাশ পোৱাৰ আশাতে ড০ গোস্বামী গুচি গ'ল। এইখন কিতাপ প্ৰফুল্লদত্তৰ খেচখেচনিত পৰি লিখিছিল নাৰ্জিয়ে। দুৰাৰোগ্য ৰোগত ভুগি থকা অৱস্থাত মৃত্যু কাল সন্নিকট দেখি ড০ গোস্বামীয়ে নাৰ্জিক মনোকষ্ট লাঘৱ কৰি ব্যস্ত কৰি ৰখাৰ উপৰিও তেওঁৰ (নাৰ্জিৰ) যুধিষ্ঠিৰোপম আৰু পাৰ কৰি অহা দুঃখক্লিষ্ট সংঘাতময় জীৱন কাহিনী লিখাত ব্যস্ত কৰি ৰাখিছিল। ড০ গোস্বামীৰ জীৱনৰ এনেকুৱা সহ্য গুণৰ কাৰণে আৰু বহুজন অনুপ্ৰাণিত হৈছিল। তেনেদৰে অনুপ্ৰাণিত হৈ কাম কৰা সকলৰ ভিতৰত সোণাৰাম বেজৰ নামো উল্লেখ নকৰিলে নহ'ব।

একেদৰেই, গৱেষণা কৰোৱাৰ দৰে কামত লেখানেপেৰাকৈ লাগি ধৰিছিল নন্দ তালুকদাৰৰ ক্ষেত্ৰত। আমি নিজেও বহুদিন বহু কথাত তেওঁৰ খেচখেচনি শুনিব লগা হৈছিল। হেমিংৱেৰ 'ওল্ড মেন এণ্ড দি চী', টলষ্টয়ৰ 'বিচাৰেক্‌চন' আদি অনুবাদৰ ক্ষেত্ৰতো অগ্ৰগতিত লেহেম নহ'বলৈ তেওঁ সপ্তাহত এদিনমানকৈ হ'লেও ভু-লৈ যায়হি। তেনেদৰে কৌতুক ৰচনাকে ধৰি অন্যান্য বিষয়ৰ ৰচনাৰ বিষয়তো তেওঁৰ তাগিদা স্মৰণীয়। মোৰদ্বাৰা ছদ্মনামৰে সম্পাদিত কৌতুক আলোচনী 'ৰহিমলা'ৰ নিয়মীয়া প্ৰকাশ আৰু প্ৰবন্ধ-পাতি সংগ্ৰহতো নিজে পৰিশ্ৰম কৰিছিল। 'ৰহিমলা' আলোচনীখনৰ মই নিজে লিখি দিয়া টেইল-পিছবোৰৰ উপ-শিতানবোৰ 'জলকীয়া', 'আচাৰ', 'কাহুদী', 'খাৰলি' আদি নামেৰে কৰাত তেওঁ উৎফুল্লিত হৈ সাৰাটি ধৰিছিল।

প্ৰতিজন মানুহৰে একোটাকৈ চৰিত্ৰগত বৈশিষ্ট্য থাকে; সেই বৈশিষ্ট্য বিশেষভাৱে সমাজৰ একাংশ মানুহৰ ক্ৰিয়া-কাৰ্য্যত লক্ষ্যহীনভাৱে ধৰা পৰে। সমাজত সাধাৰণ বুলি এৰি থোৱা মানুহৰ ওপৰতো চকু প্ৰফুল্লদত্তৰ। শাক-পাচলিৰ ব্যৱসায়ী, মাছৰ ব্যৱসায়ী, ধোৱা, নাপিত, সাধাৰণ কৃষক, শ্ৰেমৰ কৰ্মচাৰী আদি সকলোৰে জীৱন-পুষ্পৰপৰা আহৰণ কৰিবপৰা মৌৰ আহৰণৰ অপেক্ষাত থাকে তেওঁ। নিউ প্ৰেছৰ প্ৰিণ্টাৰ সোণাৰাম বেজৰ ব্যক্তিত্বৰ মহত্ত্বখিনিকে আৱিষ্কাৰ কৰিবলৈ তেওঁৰ যত্নৰ কথা উল্লেখ কৰিবই লাগিব।

থলুৱা শব্দ সংগ্ৰহ, আচাৰ-নীতি, সাধুকথা, নীতি-বচন, জতুৱা-ঠাচ, খণ্ডবাক্য আদিৰ সংগ্ৰহতো এনেবোৰ সংস্পৰ্শই সহায় কৰি দিছিল। সংস্কৃতীয়া শব্দৰ বিপৰীতে হুবহু আৰু যথাৰ্থ অৰ্থব্যঞ্জক শব্দ আৰু চুটি চুটি বচনাৰ পক্ষপাতী আছিল তেওঁ। অসমৰ গাঁৱৰ আড়ম্বৰশূন্য বৰা-বঢ়াত থকা শাক-পাচলি, খাৰ, খাৰলি, পোৰা মাছ, পাজত দিয়া কচুপাতৰ জুতি লোৱা প্ৰফুল্লদত্তই একেধৰণৰ লোকায়ত জুতি বিচাৰি ফুৰিছিল সাহিত্যিক সুষমাসম্পন্ন ৰচনা সম্ভাৰত। তেওঁ বিচাৰিছিল শব্দবোৰৰ যথাৰ্থ ব্যৱহাৰ। শব্দৰ ভুল ঠাইত ভুল প্ৰয়োগ, বানান (বানন) আৰু ব্যাকৰণিক ক্ষেত্ৰত কৰা ভুলবোৰে তেওঁক বিৰক্ত কৰিছিল। সেইকাৰণে বাতৰি কাকত সদায় চাইছিল সঘনে। কেইখনমান দৈনিক আৰু সাপ্তাহিকীয়া কাকতৰ ভুল বানান, ভুল শব্দ প্ৰয়োগ (যেনে বজ্ৰপাত পৰা, বক্তব্য ৰখা, পদক্ষেপ লোৱা ইত্যাদি) দেখি খঙতে “লপচো” বুলি থৈ সেই কাগজৰ ঠাইত অন্য কাগজৰ যোগান চাইছিল। সেইদৰে কাকত-আলোচনীত প্ৰকাশিত পুথি সমালোচনাত গুণগত ফালটোলৈ লক্ষ্য নকৰি ব্যক্তিগত দিশটোক প্ৰাধান্য দিয়া কথা প্ৰফুল্লদত্তই সহিব নোৱাৰিছিল।

প্ৰফুল্লদত্তক কোনো ৰাজনৈতিক উন্মাদনাই টানিব নোৱাৰে; অথচ সমাজ আৰু জাতিৰ প্ৰতি আছিল তেওঁৰ অসীম কৰ্তব্যবোধ। অসমত বিদেশী বিতাৰণ আন্দোলনৰ দৰে আন্দোলনৰ আবেগিক ফালটো তেওঁ লক্ষ্য কৰিছিল তেওঁৰ তৃতীয় চকুৰে। মই নিজে গুৰুত্বপূৰ্ণ চৰকাৰী চাকৰি ত্যাগ কৰি আন্দোলনৰ নেতৃত্ব দিবলৈ যোৱা কিমানখিনি যুক্তিযুক্ত হৈছে সেই কথা প্ৰশ্ন কৰি তেওঁ কৈছিল : “দেশ সেৱাৰ কাৰণে ত্যাগ লাগিবই; কিন্তু চৰম ত্যাগ কৰাৰ আগতে এশবাৰ চিন্তা কৰি চোৱা উচিত— সেই ত্যাগৰদ্বাৰা কিমান সুফল লাভ কৰিব পৰা যায়।”

প্ৰফুল্লদত্তৰ মন আৰু শৰীৰৰ মাজৰ সম্পৰ্ক আৰু ভেদবোৰ লক্ষণীয় ধাৰে ধৰা পৰি যায়। একেঠাইতে একেলগে বেছি পৰ বহি থাকিব নোৱাৰে, খোজৰ গতি খৰ, খোজকাঢ়িলে তবিভঁকে কৰকালৰ পৰা ওপৰ ভাগে বেছিকৈ আগবাঢ়ি যায়; অথচ পঢ়াশুনাত প্ৰফুল্লদত্তই একেৰাহে একে বৈঠকতে বহুত পৰ থাকিব পাৰে, গভীৰ চিন্তাত নিমগ্ন হৈ থকা সময়ত অন্য কথাই প্ৰাধান্য নাপায় আৰু এটা কথা নিজৰ আয়ত্তাধীন নহয় মানে নেৰে। নিজৰ খুদুৱনি লগা কথাত বিষয়ৰ জ্ঞান বা পাণ্ডিত্য থকা ব্যক্তিকো ব্যতিব্যস্ত কৰে। সংস্কৃত সাহিত্যত থকা বহুবোৰ শ্লোক আৰু শব্দৰ বিবিধ অৰ্থক লৈ খুদুৱনি লগা কথাত কেইবাগৰাকীও সংস্কৃত পণ্ডিতৰ লগত আলোচনা কৰিছিলগৈ। সেইদৰে মানুহৰ গুণলৈ লক্ষ্য কৰি তেওঁ মানুহক সম্মান জনাইছিল। বহুতো নতুন লেখক-লেখিকাই তেওঁৰ অনুপ্ৰেৰণা আৰু উদগনিত সাহিত্যিক ৰঙণি আগবঢ়াইছে।

ড০ প্ৰফুল্লদত্ত গোস্বামীক হেৰুৱাই আমি কিমান হেৰুৱালোঁ সেই কথাৰ নিৰাকৰণ কৰিবলৈ আমাক বেছি সময় নালাগিব।

—●—

বীৰ এজন পৰিল

ৰূপম বৰুৱা

নবগ্ৰহ পাহাৰ ৰ'ড সমতলত মিলিছেহি সেইখিনিতে শৰৎচন্দ্ৰৰ ঘৰটোক লগ পালোঁ। পাহাৰৰপৰা শেষবাৰৰ কাৰণে নামি আহিছে তেওঁ। পাহাৰৰ ওপৰত তেওঁৰ ঘৰ, চাৰিওকালৰ সেই গছ-গছনিবোৰ, ফুলবোৰ, চৰাই-চিৰিকতিবোৰ, সেইখিনিৰ সেই বিশেষ আকাশ টুকুৰা যাৰ ৰ'দ-বৰষুণ-মেঘে দিছিল তেওঁক সদা সাহচৰ্য্য, পাহাৰৰ ওপৰৰ ৰাতিপুৱাবোৰ, আবেলিবোৰ আৰু সন্ধ্যাবোৰ— সকলোৰেপৰা চিৰবিদায় লৈ তেওঁ নামি আহিছে। ড০ প্ৰফুল্লদত্ত গোস্বামী— পণ্ডিত, সাহিত্যিক, গৱেষক; ওখ-পাতল মানুহজন, উন্নত নাক আৰু কপাল, চছমাৰ ফাঁকেৰে এবোৰ বয়সেও সৈমান কৰাব নোৱাৰা উজ্জ্বল চকু, ওঁঠৰ কোণত সুক্ষ্মতম ৰসবোধৰ পৰিচায়ক সেই অবিস্মৰণীয় হাঁহি, গভীৰ কণ্ঠস্বৰৰ গৰাকী— সেই স্বাধীন আপোচহীন অতি শক্তিশালী মনৰ মানুহজনে আমাৰ সকলোৰেপৰা চিৰবিদায় লৈছে। ১৯৯৪ৰ ১৯ নৱেম্বৰ, শনিবাৰ। অপূৰণীয় ক্ষতিৰ এটা দিন।

অসমীয়া আদৰ্শ ব্যৱসায়ী পূৰ্ণ চন্দ্ৰ ভৰালীৰ জীৱনী লিখি ড০ গোস্বামীয়ে নাম দিছিল *বীৰ এজন পৰিল*। ছাৰৰ প্ৰাণহীন দেহৰ কাষে কাষে আগবাঢ়োঁতে নানা ভাৱৰ মাজত সেই নামটোও মনলৈ আহিল। হয়, আৰু এজন বীৰ পৰিল। মানসিক বল আৰু প্ৰতিভাৰে ছাৰো এজন বীৰেই আছিল। শোকাহত, আবেগিক মুহূৰ্ত্তত মন কেনে অযুক্তিবাদী হয়! যদিও দেখিছিলোঁ ছাৰ বেছ কিছুদিনৰপৰাই শয্যাগত হৈ থকা— ভীষণ দুৰ্বল শৰীৰ— আগতেও কেইবাদিনো সংকটৰ মুহূৰ্ত্ত পাৰ কৰা— যদিও জানিছিলোঁ এয়া ডেকা অৱস্থাত বা অকাল মৃত্যুও নহয় তথাপি ভাব হৈছিল ছাৰ যেন ঠিক এই মুহূৰ্ত্ততে যাব নেলাগিছিল— এয়া যেন এনেকৈ তেওঁৰ যোৱাৰ সময় নহয়— আৰু কিছুদিন ছাৰ থাকিব লাগিছিল। স্বাৰ্থপৰৰ দৰে ভাবিছিলোঁ অন্ততঃ মই আৰু কিছুদিন তেওঁৰ সাহচৰ্য্য লাভ কৰিব লাগিছিল আৰু কিছু কথা বৈ গ'ল— আৰু কিছু শিকিবলগীয়া আছিল তেওঁৰপৰা— ছাৰৰ একেবাৰে ভিতৰৰ মানুহজনক যেন সম্পূৰ্ণকৈ আৱিষ্কাৰ কৰা নহ'ল। চিতাত উঠোৱাৰ আগতে মাটিত শুৱাই থোৱা নিথৰ, নিস্পন্দ মানুহজন যেন ঠিক মই জনা ছাৰ নহয়। অযুক্তিবাদী

তেতিয়াৰ মনটোৱে যেন কৈছিল হাবৰ নিচিনা শক্তিশালী মানুহ এজন এনেকৈ মাটিত পৰি থাকিব পাৰে জানো ? এই দৃশ্য সহ্য কৰিব নোৱাৰি কাৰণ ই যে মহামহীৰুহৰ পতনৰ দৃশ্য ! ই যে 'জায়েন্ট' বা 'টাইটান'ৰ ভূমাশ্ৰয়ী হোৱাৰ নিৰ্মম দৃশ্য !

বিশাল পাণ্ডিত্য, বিৰল সাহিত্য প্ৰতিভা, স্বাধীন মন, স্পষ্টভাষী স্বভাৱ, গভীৰ সংবেদনশীলতা এই আটাইবোৰ গুণেৰে হাব সঁচাকৈয়ে আছিল মহামহীৰুহ সদৃশ। ইংৰাজীত এনে লোকক আখ্যা দিয়া হয় 'জায়েন্ট' বা 'টাইটান'। হাবৰ লগত প্ৰথম চিনাকি হোৱাৰ সৌভাগ্য হয় ১৯৭৭ চনত, গুৱাহাটী বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ আহি। মাত্ৰ চিনাকিহে। বিৰাট ব্যক্তিজনৰ ওচৰ চপাটো সম্ভৱ হোৱা নাছিল। তেওঁ তেতিয়া আছিল বিশ্ববিদ্যালয়ৰ কলাগুৰু বা ডীন। খুব সকতে সাহিত্য কিতাপত লিভিংষ্টোনৰ সিংহ চিকাৰৰ ৰোমহৰ্ষক কাহিনী সোৱাদ লগাকৈ বৰ্ণনা কৰা মানুহজনৰ নামটো বিশেষভাৱে মনস্থ হৈ গৈছিল। পিছত পঢ়িছিলোঁ 'বিলাতী হোজা' আৰু 'অসম দেশৰ সাধু'। সকতে 'বিলাতী হোজা' মোৰ এখন প্ৰিয় অসমীয়া গল্পৰ কিতাপ আছিল। আজিও কওঁ 'বিলাতী হোজা'ৰ দৰে একেজন লোকে লিখা এনে ভিন্ন আৰু বিচিত্ৰ স্বাদৰ শিশু গল্প-কাহিনীৰ সংকলন অসমত দ্বিতীয়খন আজিলৈকে ওলোৱা নাই। অৱশ্যে তেতিয়াও হাবৰ অন্যান্য কিতাপ বা ৰচনা মই পঢ়া নাছিলোঁ। বোধকৰোঁ ১৯৮১ত এবাৰ হাবৰ ঘৰলৈ যাওঁতে মই বুৰঞ্জী বিষয়লৈ পঢ়িছোঁ বুলি শুনি তেওঁ সন্তোষ প্ৰকাশ কৰিলে আৰু বুৰঞ্জী সম্পৰ্কীয় নানা কথা আকৰ্ষণীয়ভাৱে কৈ গ'ল। সেই অলপ সময়তে আলোচনাৰ বিষয় প্ৰত্নতত্ত্ব, নৃতত্ত্ব আৰু বনাপ্ৰাণীলৈকেও গতি কৰিলে। হাবৰ 'এনচাইক্লোপেডিক' জ্ঞানৰ সামান্য আভাস পালোঁ। তেখেতৰ পোনপটীয়া কথাবোৰ আৰু সৰল ব্যাখ্যাবোৰত যেন বেলেগ এক সোৱাদ আছে। হাবৰ সংগ সুখৰ আকৰ্ষণৰ যাদু মই অনুভৱ কৰিলোঁ। পিছত সাংবাদিকতা বৃত্তি ধৰাৰ পাছত লিখা বিচাৰি হাবৰ ওচৰ চাপিছিলোঁ। দেখিছোঁ পাণ্ডিত্য বা প্ৰতিভাত অসাধাৰণ হাব মানুহ হিচাপে কেনে সহজ আৰু স্বাভাৱিক। মোৰ সাংবাদিক জীৱনৰ আৰম্ভণিৰ দিনৰ কথা। হাবক লিখা এটা বিচাৰিছিলোঁ। হাব ৰাজি হৈছিল আৰু কোনো এদিন আহি লিখাটো লৈ যাবলৈ কৈছিল। মই তেতিয়া উজান বজাৰত থাকোঁ। দুদিনমান পিছত পুৱাৰ পিনে দুৱাৰত টুকুৰিওৱা শুনিলোঁ। দুৱাৰ খুলি চাওঁ, হাব। হাতৰ মেৰিয়াই থোৱা কাগজখিনি দি ক'লে, "লোৱা, লিখাটো হৈ গ'ল। এইপিনেই এবাৰলৈ আহিছিলোঁ। সেয়ে লৈ আহিলোঁ।" এয়েই হাবৰ মহানুভৱতা। কোনো 'অহংকাৰ' বা জটিলতা নাই। মোৰ দৰে অখ্যাত পত্ৰিকাৰ সাংবাদিক বা সম্পাদকৰ তেওঁৰ নিঃকিন হাবৰ সমতুল্য এজনকো নিজেই আহি লিখা দিবলৈ তেওঁ সংকোচ বা কুণ্ঠাবোধ কৰা নাই, কাৰণ নিজকু তেওঁ লেখকিলোই ভাবিছে। এনেকুৱা [illegible], [illegible] [illegible]

কৰা বিশেষকৈ বয়স, অভিজ্ঞতা বা প্ৰতিভাত কনিষ্ঠজনৰ লগত। কিন্তু ছাৰ আছিল এই ধৰণৰ জটিলতা বা ভণ্ডামিৰ ঊৰ্ধত। অৱশ্যে ছাৰৰ স্নেহধন্য বা বিশ্বাসভাজন হ'ব নোৱাৰিলে হেজাৰবাৰ তেওঁৰ ওচৰলৈ গৈ তেল মাৰিলেও লাভ নহৈছিল।

১৯৮৭ চনৰপৰা ছাৰক মই ঘনিষ্ঠভাৱে পাওঁ। প্ৰায়ে যাওঁ ছাৰৰ ঘৰলৈ। আলোচনাৰ বিষয়বস্তুৰ কোনো পৰিধি নাছিল। ড্ৰয়িং ৰুমত সন্মুখৰ টি ভিৰ পৰ্দাৰ ৰাজেশ খান্না, অমিতাভ বচ্চনৰপৰা জ্যোতি প্ৰসাদ, বিষ্ণু ৰাভা, ৰবীন্দ্ৰ, নজৰুল, টলষ্টয়, সুভাষ বসু, মণিপুৰৰ যুদ্ধ, তিব্বতৰ বিচিত্ৰ কথা, গেছ্যৰ খান, চেংগিছ খানৰ বৃত্তান্ত, অৰুণাচলৰ 'যুক' ৰহস্য, ভয়েজাৰৰ সৌৰজগত অতিক্ৰম, জনজাতীয় আত্মাৰ সোৱাদ, জনজাতীয় নৃত্য, গোমাংস ভক্ষণৰ যুক্তিযুক্ততা, আগৰ দিনৰ চিকাৰ, গুৱাহাটীত ৰবটোকোলা কেইটা আছে, নৱগ্ৰহ পাহাৰৰপৰা কি কি জীৱ-জন্তু নোহোৱা হ'ল আদি বিভিন্ন আৰু বিচিত্ৰ বিষয় সম্পৰ্কে দেখিছিলোঁ ছাৰৰ 'এনচাইক্লোপেডিক' জ্ঞান আৰু পৰ্যবেক্ষণ। মাজে মাজে সূক্ষ্ম ৰসবোধপূৰ্ণ মন্তব্য বা টিপ্পনী আৰু অৰ্থপূৰ্ণ সেই মিচিকিয়া হাঁহি যাৰ সোৱাদ যিয়ে এবাৰ পাইছে কাহানিও পাহৰিব নোৱাৰে। ছাৰে প্ৰায়েই কৈছিল অসমীয়াত উন্নতমানৰ হাস্যৰস বা 'হিউমাৰ'ৰ কিতাপৰ অভাৱ। ছাৰৰ বিভিন্ন ৰচনাত 'হিউমাৰ'ৰ সঠিক আৰু সুষম প্ৰয়োগ বিশেষভাৱে লক্ষ্যণীয়। ছাৰ আছিল এনে এজন মানুহ যাৰ লগত সময় কটালে কিতাপ-পত্ৰ নপঢ়া লোকেও নানা বিষয়ে শিকিব পাৰিছিল। অৱশ্যে কিতাপ-পত্ৰ পঢ়া, অনুসন্ধিৎসু আৰু সামান্য পৰিমাণে হ'লেও মৌলিক চিন্তা-চৰ্চা কৰা লোকৰ সংগহে ছাৰে পছন্দ কৰিছিল। কথাৰ মাজতেই ছাৰে আমি সচৰাচৰ কৰা বিশেষকৈ বিদেশী শব্দৰ উচ্চাৰণ শুধৰাই দিছিল— যেনে 'লিওনাৰ্ড' নহয় 'লেনাৰ্ড', 'গ্ৰাহাম' নহয় 'গ্ৰেইএম', 'ছেক্সপীয়েৰ' নহয় 'শ্বেইক্সপীয়েৰ', 'মিছেছ' নহয় 'মিচিজ' ইত্যাদি। ছাৰৰ কেৱল 'বুৰঞ্জী আৰু সংস্কৃতি' আৰু 'সাহিত্য, সংস্কৃতি, ইতিহাস' কিতাপ দুখন পঢ়িলেই তেখেতৰ অনুসন্ধিৎসা আৰু জ্ঞানৰ পৰিধিৰ বিশালতা আৰু সেই জ্ঞান বা তথ্য সোৱাদ লগাকৈ আগবঢ়োৱাৰ সুনিপুণ দক্ষতাৰ আভাস পাব পাৰি। বিষয়ৰ বৈচিত্ৰ্য আৰু পাণ্ডিত্যপূৰ্ণ পৰ্য্যালোচনাৰে সমৃদ্ধ এনে কিতাপ অসমীয়া কিয় অন্য ভাৰতীয় ভাষাতো হয়তো কমেই ওলায়। কেৱল জনকৃষ্টিমূলক গৱেষণাৰ ক্ষেত্ৰতে নহয় গল্প, উপন্যাস, জীৱনী ৰচনাৰ ক্ষেত্ৰতো ছাৰে বিষয়বস্তু আৰু আংগিকৰ নতুন পৰীক্ষা-নিৰীক্ষা চলাই গৈছে। ভূমিকা বা বাহুল্যবৰ্জিত তেখেতৰ পোনপটীয়া লিখনীৰ চৰিত্ৰই সম্পূৰ্ণ স্বতন্ত্ৰ। ছাৰৰ ৰচনাসমগ্ৰ একেলগে প্ৰকাশ পালে অসমীয়া সাহিত্য জগতত বিষয়বস্তুৰ বৈচিত্ৰ্য আৰু আংগিকৰ গুণেৰে সেয়া যে এক ভিন্ন ধাৰাৰ অনন্য সৃষ্টি হ'ব তাত কোনো সন্দেহ নাই।

[illegible] এডভেঞ্চাৰধৰ্মী আৰু [illegible] ৰহস্যপূৰ্ণ কিতাপ পঢ়াত ছাৰৰ বিশেষ ৰাপ আছিল। কেতিয়াবা শুনিছিল, 'আজিকালি [illegible] কিতাপ [illegible]' মই ছাৰক যোগান ধৰিছিলোঁ '[illegible]', '[illegible]',

'ট্ৰেজেলাহ্ অৱ মংগোপার্ক', 'হেৰেংগেটি শ্বেল নট ডাই', 'ডু কোৰেষ্ট এক্সপেডিশ্বন' আদি কিতাপবোৰৰ। সেইবোৰ পঢ়ি ভাল পোৱা বুলি হ্যবে জনাইছিল আৰু কিতাপবোৰৰ বিষয়বস্তুৰ আনুষংগিক বহু অতিৰিক্ত তথ্যৰ সন্ধেদ আলোচনাৰ মাজেৰেই দিছিল। এবাৰ মই 'নতুন দৈনিক' কাকতত আই এন এ আৰু সুভাষ বসুৰ বিষয়ে ধাৰাবাহিকভাৱে লিখোঁতে হ্যবে সেইবোৰ পঢ়ি মোক উৎসাহৰ লগতে নানা পৰামর্শ আৰু উপদেশো দিছিল। স্বতঃপ্ৰণোদিতভাৱে তেওঁ মোক আই এন এৰ বিচাৰ সম্পৰ্কীয় এখন কিতাপ আৰু সাঁচি থোৱা বাতৰি কাকতৰ ক্লিপিংছ্ কিছুমান দি সহায় কৰিছিল। হ্যবে দিয়া প্ৰায় ২০ বছৰমান আগৰ কাগজৰ টুকুৰা এটাৰ পৰাই মই ১৯৪৬ৰ নৌবিদ্ৰোহত যে এগৰাকী অসমীয়া লোকেও গুৰুত্বপূর্ণ ভূমিকা লৈছিল সেই বিষয়ে জানিব পাৰিছিলোঁ। জ্যোতি প্ৰসাদৰ 'লভিতা'ত থকা আই এন এৰ অধ্যায়টোক লৈ মই লিখা আলোচনা এটি পঢ়ি হ্যবে কৈছিল, "তুমি ঠিক কথা লিখিছা।" হ্যবৰ এই মন্তব্য বা প্ৰশংসাতকৈ মোৰ বাবে ডাঙৰ প্ৰাপ্তি আৰু কি হ'ব পাৰিলেহেঁতেন ? হ্যবে ভুল-ভ্ৰান্তিবোৰ সমুখতে আঙুলিয়াই দেখুৱাই দিছিল, আকৌ কাৰোবাৰ কিবা ভাল পালে অকুণ্ঠিতভাৱে প্ৰশংসাও কৰিছিল। বিটো পছন্দ নকৰিছিল লুক-ঢাক নোহোৱাকৈ জানিবলৈ দিছিল। কোনোবাই তেওঁৰ বিষয়ে কৰা যুক্তিনিষ্ঠ প্ৰশংসা যে ভাল নাপাইছিল তেনে নহয়, কিন্তু ভালৰি লগাই তেওঁক সন্তুষ্ট কৰিবলৈ গ'লে হিতে বিপৰীত হোৱাৰে সম্ভাৱনা আছিল। সূৰ্য্যকুমাৰ ভূঞা আৰু বাণীকান্ত কাকতি এই দুগৰাকী অসমীয়া ব্যক্তিৰ বিষয়ে হ্যবক প্ৰায়ে উচ্চ প্ৰশংসা কৰা শুনিছিলোঁ। হ্যবে ৰবীন্দ্ৰ সংগীত আৰু নজৰুল গীতি বিশেষ ভাল পাইছিল। ৰবীন্দ্ৰ নাথৰ 'দিনেৰ শেষে ঘুমেৰ দেশে...' আছিল তেওঁৰ প্ৰিয় গান। এই গানৰ উল্লেখ তেওঁৰ 'কেঁচা পাতৰ কঁপনি' উপন্যাসতো আছে। যোৱা দুই-তিনি বছৰমানৰপৰা হ্যবে নজৰুলৰ অতি উচ্চ প্ৰশংসা কৰিছিল। 'অসমীয়াত নজৰুলৰ এখন জীৱনী ওলোৱাটো উচিত' বুলি কেইবাদিনো তেওঁক মন্তব্য কৰা শুনিছিলোঁ। বাংলাদেশৰ গান হ্যবে ভাল পাইছিল। প্ৰায়ে তেওঁক ৰেডিঅ'ত বাংলাদেশৰ গান শুনা অৱস্থাত দেখিছোঁ। 'বুজিছা এইবোৰ গানত মাটিৰ পৰশ আছে', হ্যবে কৈছিল। 'নক্সী কাথাৰ মাঠ'ৰ কবি জসিমউদ্দিন তেওঁৰ প্ৰিয় আছিল। তেখেতৰ মতে জসিমউদ্দিনৰ কবিতাত মাটিয়ে প্ৰাণ পাই উঠে। এবাৰ মোৰ মানসিক বিষন্নতাত হ্যবে সস্নেহে জসিমউদ্দিনৰ এটি কবিতা দুলাইনমান পঢ়ি শুনাই বাকীখিনি পঢ়িবলৈ মোক কিতাপখন আগবঢ়াই দিছিল। মই হ্যবক একো কোৱা নাছিলোঁ যদিও তেওঁ যেন বুজি লৈছিল মোৰ মনৰ অৱস্থা। সেই মুহূৰ্তত হ্যবক মোৰ সমবয়সীয়া বন্ধু যেন লাগিছিল। ভিতৰত হ্যব অতি সংবেদনশীল, অভিমানী আৰু কোমল হৃদয়ৰ আছিল। ভিৰৰ মাজতো তেওঁ আছিল সবাটোকৈ ভিন্ন, সবাতোকৈ স্বতন্ত্ৰ। সঁচা অৰ্থত আধুনিক আছিল তেওঁ— সংস্কাৰবিহীন চিৰনতুন মন এটাৰ গৰাকী। মনৰ খিৰিকি খুলি দি বিশ্বখনক জনাৰ আৰু জনাৰ পৰাৰ সাধনা আৰম্ভ কৰিছিল তেওঁ।

ছাৰ আছিল সুদূৰৰ পিয়াসী, সদা প্ৰাণ চঞ্চল, মুক্ত বিহংগৰ দৰে। তেওঁৰ 'শেষ ক'ত?' উপন্যাসৰ 'য'ত নাই বুদ্ধিৰ প্ৰয়োগ, য'ত সুযোগ নাই কল্পনাৰ বিকাশ সাধনৰ, ত'ত 'তাৰ মন নবহে। অফিচৰ ভেঁকুৰি থকা কাইলৰপৰা তাৰ চকু বায় খিৰিকিয়েদি দেখিবলৈ পোৱা নীলা আকাশ চমকালৈ। সৰুজ গছৰ পাতৰ গোন্ধে তাৰ মন নিয়ে কোনোবা দূৰ দেশলৈ।' এই কথাখিনিৰ মাজতেই ছাৰক বিচাৰি পোৱা যায়। সেয়ে সহ্য নহৈছিল এই প্ৰাণচঞ্চল মানুহজন শয্যাশায়ী অৱস্থাত দিনৰ পিছত দিন ধৰি মৃত্যুমুখী হোৱাৰ দৃশ্য।

ছাৰৰ সংস্পৰ্শলৈ অহা কোনোবাই তেওঁক পাহৰিব নোৱাৰে। এইখিনি মানুহৰ বাবে তেখেতৰ অনুপস্থিতি সদায়ে অনুভূত হ'ব। নৱগ্ৰহ শ্মশানত অন্ত্যেষ্টিক্ৰিয়া সমাপনৰ পিছত পাহাৰৰ একা-বেঁকা বাটটোৰে ছাৰৰ ঘৰৰ গেইটখনৰ কাষৰ দেৱদাৰু গছজোপা পোৱাৰ লগে লগে মুহূৰ্তৰ বাবে ভাব হৈছিল চছমা পৰিহিত দীঘল অৱয়বৰ মানুজনে ওলাই আহি জানোচা কয়– 'বাপম আহিছা ! বহা।'

ব্যক্তিগতভাৱে মই ছাৰৰপৰা পাইছোঁ পিতৃসুলভ স্নেহ, গুৰুৰ শিক্ষা আৰু বয়সৰ বিৰাট ব্যৱধানৰ মাজতো বন্ধুৰ আন্তৰিকতা আৰু উৎসাহ। ছাৰৰ লগত এই ব্যক্তিগত সম্পৰ্কখিনি অবিস্মৰণীয় স্মৃতি হৈ জীয়াই থাকিব।

বিদায় ছাৰ, বিদায় বন্ধু !

—০—

প্ৰফুল্লদত্ত গোস্বামী
(মই তেওঁক যিদৰে জানিছিলোঁ)

****

আলিমুননিছা পিয়াৰ

জীৱনৰ বাটত– হেৰোৱা, পোৱা, বোটলা আৰু দলিয়াই পেলোৱা এই চাৰিখন খেল সকলোৰে জীৱনত অনুষ্ঠিত হয়। আমাৰ জীৱনতো তাৰ ব্যতিক্ৰম হোৱা নাই। কিন্তু, সঞ্চয়ৰ মণিকোঠাত, মণি-মুকুতাৰ দৰে আপুৰুগীয়াকৈ সঞ্চিত হৈ আছে কেইমুঠিমান ধূলিও। কাৰণ, সেয়াতো সাধাৰণ ধূলি নহয়, সেয়া যে বালিচন্দা হয়তো মণি-মুকুতাতকৈয়ো অধিক বহুমূলীয়া।

সহানুভূতি আৰু গুণগ্ৰাহিতাৰে 'ছাৰ' আমাৰ আপোনজন হৈ পৰিছিল। 'ছাৰ'ৰ চাৰিত্ৰিক মাধুৰ্য্যত মোহিত হৈ আমি তেওঁৰ পৰিয়ালটোৰে সৈতে সুদীৰ্ঘ দিন অন্তৰঙ্গ হৈ থাকি পাহৰি আছিলোঁ তেওঁ যে ইমান ডাঙৰ এজন পণ্ডিত, জ্ঞানপিপাসু তাপস। আমাৰ বাবে ই এক বিস্ময় যে নিৰহঙ্কাৰ এই 'সাধাৰণ' মানুহজন, 'সহজ' মানুহজন আচলতে ইমান 'উচ্চ' ইমান অসাধাৰণ !!

মৃণ্ময় বাসনাক তুচ্ছ কৰি চিন্ময়ৰ প্ৰতি শ্ৰদ্ধা আগ্ৰহ সম্পূৰ্ণৰূপে বিৰাজ কৰাৰ কালতে কেইগৰাকীমান নমস্য ব্যক্তিৰ সংস্পৰ্শলৈ অহাৰ সুযোগ ঘটিছিল। স্বৰ্গীয় প্ৰফুল্লদত্ত গোস্বামী এইসকলৰ অন্যতম।

মোৰ গৃহস্থৰ শিক্ষাগুৰু আৰু অগ্ৰজপ্ৰতিম 'ছাৰ'ৰ ঘৰলৈ প্ৰথম যেতিয়া গৈছোঁ, তেতিয়া মই গীতি-কবিতাত হাত দিছোঁ। আলসুৱা, সুকোমল, অনুভূতি, শব্দচয়ন আৰু ব্যঞ্জনাৰ জলতৰঙ্গলৈ নিজেই নিজত মগন।

তাৰ আগতে ছাৰৰ লগত পৰিচয়ৰ প্ৰথম পৰ্বহে স্মৰণযোগ্য। ১৯৫৩ চনত মোৰ প্ৰথম সন্তানদ্বয় এলিজা আৰু আয়েশ্বা দুই যমজ কন্যাৰ অকাল বিয়োগ ঘটে। বিয়োগৰ এই আকস্মিকতাত মই ভাঙি পৰিছিলোঁ। ছাত্ৰী-জীৱন আধৰুৱা। এজন শিল্পীপ্ৰাণ লেখকৰ লগত নতুন সংসাৰ আৰম্ভ হৈছেহে মাথোন। শাহু-শহুৰ বা গুৰুজনৰ বৃক্ষছায়া নাই। লেখক হিচাবে প্ৰতিশ্ৰুতিসম্পন্ন এজন ঔপন্যাসিকৰ এখন ভাবৰ জগত থাকে। তাত অধিক

টো-ধুমুহা অবাঞ্ছনীয়। এনেবোৰ জানি নিছিগা চিন্তাৰ মাজেদি জীৱনৰ পানচৈখন চলি আছিল। তেনেতে এদিন মই বাহিৰত মুঠাত বহি ব'দ লৈ থাকোতে এজন দীৰ্ঘাঙ্গী চছমা পিন্ধা শুৱনি মানুহে গৃহস্থৰ নাম লৈ চিএবি মাতিলে। ক'লোঁ, গৃহস্থ ঘৰত নাই। ছাৰে চিনাকি দিলে। কিছুদিন আগতে মাথোন বিয়াত উপস্থিত থাকিব নোৱাৰি হাতীদাঁতৰ ফণী আৰু আইনা 'কইনা'লৈ উপহাৰ পঠিয়াইছিল। — ছাৰ বহিল।

মাৰে মোলৈ পঠিওৱা কড়াইগুড়ি-সান্দহ, সোপাকল আৰু ঘৰৰ গাখীৰেৰে জলপান এটা দি মই চাহ কৰিবলৈ পাগঘৰলৈ গ'লোঁ। 'অটোগ্ৰাফ'খন ছাৰৰ আগত উলিয়াই দি গৈছিলোঁ।

আমনজিমনকৈ বহি থকা শোকাকুল নতুন মাকজনীক সান্ত্বনা দি ছাৰে লিখিছিল অট'গ্ৰাফত : জীৱনত সুখ নাই, সুখৰ ক্ষণ কেতবোৰ আছে। আমি যেন সেইবোৰৰ আহ্বান উপেক্ষা নকৰোঁ : সিদিনা মনত এনে ভাব হৈছিল যেন তেওঁ মোৰ বাবে, আমাৰ বাবে আনাই পঠোৱা 'ফিৰিস্তা'।

তাৰ কিছুদিন পিছতে ইণ্টাৰ মিডিয়েট পৰীক্ষাৰ বাবে সাজু হৈছিলোঁ আৰু লেখা-মেলাও সময় আৰু সুযোগ পালেই কৰিবলৈ লৈছিলোঁ। আখলৰ বাবে থকা মোৰ এধানিমান শাকনিবাৰীত বগা চন্দ্ৰমল্লিকা, দুই এবিধ বিলাতীফুল, ইফালে সিফালে পদিনা ধনিয়াৰ মাজত আচাৰৰ বটল কেইটামানে ইটা বা কাঠৰ টুকুৰাত বহি ব'দ পুৱাইছিল।

ডিঙিত টিলিঙা লৈ মোৰ চেঁউৰী পোৱালী জুনুকাজনীয়ে (যাৰ চকুৰ কাজল আৰু দীঘল নোমাল চকুহালৰ অবিস্মৰণীয় চাৱনিয়ে আজিও বুকুত তোলপাৰ লগায়) ঘাঁহ খাইছিল। মাজে মাজে ওচৰলৈ লৰি আহি মোক শুঙিছিল। হাতৰ তলুৱাৰ নিমখখিনি লাহে লাহে চেলেকিছিল।

জাৰকালিৰ পলৰীয়া বেলিটো ধৰি ৰাখিবলৈকে আপ্ৰাণ চেষ্টা কৰিব লাগে। কাপোৰ বদোৱা, ধোৱা কাপোৰ শুকুৱা, সন্ধিয়া ধূপধূনা অলপ জ্বলোৱাকে আদি কৰি হাঁহ-কুকুৰা, গৰু-ছাগলী সামৰা আদি গৃহস্থালিৰ স্বাভাৱিক ব্যস্ততাৰ মাজেদিয়ে অতিশয় অন্তৰঙ্গতা আৰু লোক-লৌকিকতা বজায় ৰখাৰ প্ৰয়োজনীয়তা আৰু দায়িত্ব আমাৰ জীৱনত স্বাভাৱিক আচৰণ আছিল। কাৰণ 'ইনটেলেক্‌চুৱেল' বুলি দোষ মৰিবণ সহজ নাছিল। পিয়লা-পিৰিচৰ ফাঁকত লাগি থকা কিঞ্চিৎ মলি বা কাটৰ সমালোচনাও স্কুল কমনৰুম পোঁচিছিলগে।

পিছলৈ— মযো যেতিয়া ছাৰৰ 'ছাত্ৰী' হৈ পৰিলোঁ, কোনোবাই মোৰ আধকৰা গৱেষণা কৰ্মক লৈ ব্যঙ্গ-বিদ্ৰূপ কৰাত তেওঁ উত্তৰ দিছিল : She is great. তেওঁ বুজিছে, জিকিছে। তেওঁ বীৰাঙ্গনা।

ডিৰোতা মানুহে সাংস্কৃতিক উত্তৰাধিকাৰ অব্যাহত ৰখা বা কষ্টোপাৰ্জিত ভেটিটো যোগ্যজনক অৰ্পণ কৰাৰ ক্ষেত্ৰত যোৱা উজুটি ছাৰে জানহে নিৰীক্ষণ কৰিছিল। 'পোহৰৰ পখ'

পঢ়ি ছাৰে তেওঁৰ উপহাৰ পুথিখনতে দ্বিতীয় সংস্কৰণৰ উপযোগী কৰি পঠিয়াই দিছিল যোৱালৈ।

আমাৰ সমসাময়িক কেইবাগৰাকী সহযোগী আৰু সতীৰ্থৰ মাজত এগৰাকীক তেওঁ মাথোনshoulder আছিহে বুলি ভূয়সী প্ৰশংসা কৰিছিল। সেইবুলি আনকেইগৰাকীয়ে মন আমোলাই পেলাবলগীয়া হোৱা নাছিল। কাৰণ তেওঁলোকে অন্যত্ৰ মনোনিবেশ কৰিবলগীয়া হৈছে অথবা প্ৰচাৰ লাভৰ সৌভাগ্য বঞ্চিত বুলি সান্ত্বনাৰ প্ৰলেপ দি থৈছিল।

মুখেপেটে একে হ'লে ছাৰৰ নিকট সান্নিধ্য লাভৰ সৌভাগ্যৰপৰা বঞ্চিত হোৱা কমেইহে আছে। কাৰণ, ছাৰ যেনেকৈ তীক্ষ্ণধী, সেইদৰে তেওঁ সুকোমল হৃদয়ৰো অধিকাৰী আছিল। ছাৰ আধ্যাত্মিক তত্ত্ব, ইচলাম, চুফীবাদ সম্পৰ্কে আগ্ৰহশীল আছিল। সাতটা খণ্ডত ভগাই অসমীয়া জনজীৱনত ইচলামী প্ৰভাৱৰ বিষয়ে তেওঁ মোক তথ্য সংগ্ৰহ কৰিবলৈ দিছিল। 'অসম জন কৃষ্টি সমাজ'ৰ সৌজন্যত অনুষ্ঠিত (বি.বৰুৱা কলেজত) আলোচনা চক্ৰত মই আগবঢ়োৱা আলোচনাটি তেওঁ শুনিয়াই কিঞ্চিৎ ক্ষোভ প্ৰকাশ কৰিছিল এইবুলি যে আমি গৃহস্থী প্ৰশিক্ষাৰ্থীয়ে বহু সময়ত আহকালৰ বাবেSecondary data ৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়।

মোৰ নুমলীয়া হোৱালীজনী তেতিয়া কেঁচুৱা। সামাজিক শিক্ষা কাৰ্য্যালয়ত এটা লেখক শিবিৰ অনুষ্ঠিত হৈছিল। তাত সপ্তাহত দুদিন উপস্থিত থাকিব লাগে। ছাৰে জনালে : শনি আৰু মঙল দুটা আওবাবে দুপৰীয়া বা আবেলি পাক এটা মাৰিবা দেই! তেনেকৈয়ে মই 'লখিমীৰ সংসাৰ'খন লিখিছিলোঁ। 'গ্ৰুপ ফটো' তোলাৰ দিনা চাহ তেওঁ একাপ খাবলৈ মাতি গ্ৰন্থকাৰ সকলক পৰস্পৰে চিনাকি কৰি দিছিল।

'ছাৰ' উচ্চাৰণৰ ক্ষেত্ৰত বিশেষ ধৰণৰ সজাগ আৰু সতৰ্ক আছিল। 'Phonetics' ক্লাচৰ পুৰণা ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়ে ৰসাল মন্তব্য কৰা শুনিছোঁ।

সৌজন্য আৰু শিষ্টাচাৰ ৰক্ষাত 'ছাৰে' বিশেষধৰণে গুৰুত্ব দিছিল। আমাৰ ল'ৰাৰ বিয়ালৈ আগতীয়াকৈ শুভাশিস জনাই যোৰহাটৰপৰাই চিঠি লিখিছিল।

ছাৰৰ এটা ডাঙৰ গুণ আছিল। বিমূঢ় অৱস্থাত পৰি সময় নষ্ট নকৰিছিল আনক সজ বুধি দি ভাবিছিল : তেলৰ দাম বাঢ়িছে? কম তেলেৰে আহাৰ-পাতি ৰান্ধিবা। ডায়েবেটিছ বাঢ়িছে? 'চিজিগ্ৰাম' আছে। হোমিওপেথিক খোৱা, 'চাইড এফেক্ট'ৰ ভয় নাই। আনকি এওঁৰ কিড্‌নি অসুখত তেওঁ'Cystone' লৈ উপস্থিত। বুজিছা এইবোৰLess harmful.

দ্বিধা দ্বন্দ্বৰ হেন্দোলনিত তেওঁ নিজেও নাথাকে আৰু আনকো ওলমি থাকিলে বেয়া পায়। মই অনাতাঁৰ চাকৰিয়াল হৈ থকা অৱস্থাত খাটনি বেছি বুলি আৰু পিছলৈ অস্ত্ৰোপচাৰৰ বাবে ইতস্ততঃ কৰাত ছাৰে মনোবল যোগাইছিল।

আমাৰ ঘৰৰ পৰিবেশ ছাৰৰ ভাল লাগিছিল। প্ৰথম অৱস্থাত আমাৰ ঘৰৰ আগফালৰ সোণ-হালধীয়া সোণাৰু আৰু ৰঙা কৃষ্ণচূড়াৰ সমন্বয় বহুতৰে বাবে নয়নাভিৰাম আছিল।

অপৰাজিতা আৰু কুঞ্জলতাৰ স্বাভাৱিক আকৰ্ষণো আছিল। কিন্তু পিছফালে থকা বিজুলীবাঁহ, জাতিবাঁহ দুজোপামানৰ বাবেই নেকি সাপৰ আহ্বানে আমাক বিৰক্ত কৰিছিল। এবাৰ যিহে হ'ল আৰু ! মাজৰ কমত প্ৰকাণ্ড আলমাৰীটোৰ পিছফালে মস্ত এটা সাপে আশ্ৰয় লৈছিল, পিছত বন্দুকৰে গুলীয়াই হে সাপটো আঁতৰাব পৰা গ'ল। যাঠি, জোং বিফল। কেইদিনমানলৈ দুশ্চিন্তাই আমাক এৰাই নিদিয়ে !

ছাৰে সিদ্ধান্ত কৰিলে : পাহাৰৰপৰা অহা বিৰল প্ৰজাতিৰ সাপ। হ'লেও কিবা কাৰণত আতঙ্কগ্ৰস্ত হৈ অথবা থকা ঠাই সলনিৰ প্ৰয়োজনতহে নামি আহিছে। অৰ্থাৎ আমাক সি ভয় খুওৱাৰ অভিপ্ৰায় মুঠেও নাই। সাপটোৰ তাড়নাই হে তাক নিয়ন্ত্ৰিত কৰিছে।

এই ধৰণৰ সুসংযত সান্ত্বনা আৰু অভয়বাণীয়ে আমাক সহজে আশ্বস্ত কৰিলে। মোৰ গল্পপুথিৰ পাতনি লিখক 'ছাৰো' এইজনেই ! খোৱা-বোৱাৰ ক্ষেত্ৰতো যধে-মধে বিদ্ৰূপ মন্তব্য নকৰি নিজৰdelicacy সম্পৰ্কে যুক্তিপূৰ্ণ ব্যাখ্যা দিয়ে ছাৰে। ভোজন পৰিবেশনৰ আৰ্ট সম্পৰ্কে ছাৰ সজাগ, ৰুচিশীল।

মই লক্ষ্য কৰিছিলোঁ— ৰবীন্দ্ৰ সঙ্গীতৰ মূৰ্ছনাই ছাৰক কেনেকৈ তন্ময় কৰি ৰাখিছিল। বিবিধ ভাৰতীয় হিন্দী গীত উচ্চগ্ৰামৰ বিপৰীতে দুপৰীয়া আমাৰ ঘৰত ৰবীন্দ্ৰ সঙ্গীতৰ মৃদুধ্বনি ছাৰে শলাগিছিল। আতিথ্য লৌকিকতা আৰু সমাজসেৱাৰ বহুবিধ আলোচনাৰে সমৃদ্ধ সেই বৈঠকবোৰৰ স্মৃতি চিৰ সজীৱ হৈ ৰ'ব। মানুহৰ জীৱনত অতীত স্মৃতিৰ ৰোমন্থন আৰু তাৰপৰা পোৱা শিক্ষাই কেতিয়াবা সতি-সন্ততি, ভাই-ভনী বা অনুগামীকো প্ৰভাৱিত কৰিব পাৰে। তেনে এক পৰিস্থিতিত 'যেতিয়া উভতি চাওঁ' শীৰ্ষক এটি গল্প মোৰ গৃহস্থই লিখিছিল। কোৱা বাহুল্য যে পৃষ্ঠভূমি নিজৰ জীৱনৰ অতীত অভিজ্ঞতা। ছাৰে প্ৰশংসা আৰু উদগনি দিবলৈ আমাৰ ঘৰ পাইছিলহি।

মোৰ—

উভতি চোৱাৰ বাট
আজি আৰু নাই।
চিৰদিন ফুলনিত ফুলে কথা কয়
পাতৰ লগৰী হ'ব, এনে কোনো নাই।

গীতটিৰো ছাৰ আছিল চমজদাৰ। বহুতো পুৰণি ফটো এলবামৰপৰা উলিয়াই কালি পেলোৱাটো কেতিয়াবা এটা অৱশ্যে কৰ্ম বুলি কৈ ছাৰে হাঁহিছিল। কৈছিল— কিছুমান সৰাপাতে কুঁহিপাতৰ জন্ম সহজ কৰে।

জড়তা আৰু জৰা যে একে নহয়, ছাৰৰপৰাই এই মূল্যবান সত্যটো শিকিছিলোঁ। ছাৰৰ প্ৰৌঢ় চকুহালত বিস্ময়, আবিষ্কাৰৰ আৰু কৰ্মতৎপৰতাৰ চিকমিক জিলিকনিয়ে আমাৰ পৰিয়ালটো উদ্দীপ্ত কৰিছিল। সেই বৰ্ত্তিগছ আজি আৰু নাই ! এই ক্ষতি অপূৰণীয় !!

— 0 —

প্ৰফুল্লদত্ত গোস্বামীক মই যিদৰে জানো

* *

থানেশ্বৰ শৰ্মা

মই যে ড০ প্ৰফুল্লদত্ত গোস্বামী ছাৰৰ অন্তৰঙ্গ কোনোবা হওঁ বা আছিলোঁ তেনেকুৱা নহয়। কিন্তু দুটিমান কথা লৈয়ে তেখেতৰ স্মৃতিচাৰণ কৰিব পৰা যায়। তাৰে প্ৰথমটো মোৰ কলেজীয়া দিনৰ কথা। যদিও মই এজন আঢ্যৱন্ত ঘৰৰ ল'ৰা হৈয়ে জন্মিছিলোঁ, কালক্ৰমত দুখীয়াৰ শ্ৰেণীত পৰি 'earning and learning' কৰ্ম দুটা কলেজীয়া জীৱনতে কৰিবলগীয়াত পৰিছিলোঁ।

১৯৬৪-৬৫ চন মানত মই খৰচৰ অভাৱত চাকৰি বিচাৰিব লগা হৈছিলোঁ। ১৯৬৪ চনত প্ৰকাশন পৰিষদে পাণ্ডুলিপি লিখা 'Scribe' ৰ পদ এটাৰ বাবে আবেদন পত্ৰ বিচাৰিছিল। ময়ো সেই পদৰ বাবে প্ৰাৰ্থী আছিলোঁ। তাৰবাবে দুই-এখন পৰিচয় পত্ৰৰ আৱশ্যক আছিল। তাৰবাবে মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰেছত মুখ্য আৰ্হি কাকত চোৱা (বৰ্তমান অৱসৰপ্ৰাপ্ত) শ্ৰীসুৰেন ভাগৱতীৰ সৈতে শ্ৰদ্ধেয় গোস্বামী ছাৰৰ ওচৰলৈ গৈছিলোঁ। শ্ৰীযুত ভাগৱতীয়ে মোৰ পৰিচয় দি মোক এখন প্ৰমাণপত্ৰ দিবলৈ অনুৰোধ কৰিলে। লগতে মোৰ হাতৰ আখৰ যে ভাল তাকো ক'লে। ছাৰে বিনা বাক্যব্যয়ে ভিতৰলৈ গৈ মোক এখন প্ৰমাণ পত্ৰ লিখি দিলে 'He has taken Honours in Sanskrit. His handwriting is clear and legible.' সিদিনাৰ দিনটো আছিল মে দিৱস। প্ৰমাণ পত্ৰখন লিখি দি তেখেতে আমাক চাহ পানী খুৱাই বিদায় দিছিল।

সেইটো আজিও মোৰ স্মৰণীয় হৈয়ে আছে; কাৰণ চমু পৰিচয়তে তেখেতে মোক যুগমীয়া প্ৰমাণ পত্ৰখন দিছিল আৰু তাকে দেখুৱাই মই চাকৰিটো লাভ কৰিছিলোঁ। তেতিয়াৰেপৰা ছাৰক বাটে-পথে লগ পালেও 'গুৰুৰনতিক্ৰমণীয়' বুলি মাত দি নিজে সন্তোষ লাভ কৰিছিলোঁ।

আনটো ঘটনা প্ৰায় চৈধ্য বছৰৰ পিছৰ। ১৯৭৭-৮০ চনৰ ভিতৰত মই পুণা বিশ্ববিদ্যালয়ত গৱেষণাৰ কাম কৰিছিলোঁ। তাৰ মাজতে ১৯৭৮ চনত পুণেত 'All India Oriental Conference' ৰ জয়ন্তী উৎসৱ হৈছিল। তাত অসমৰপৰা ড০ মহেশ্বৰ নেওগ, ড০ প্ৰফুল্লদত্ত গোস্বামী, ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য প্ৰমুখ্যে প্ৰায় বহু-বাৰজনীয়া পণ্ডিতৰ

দল এটাই সেই অনুষ্ঠানত যোগ দিছিল। পুণেত থকা ছাত্ৰ হিচাপে সেই পণ্ডিতসকলৰ কোন ক'ত আছিল সেই বিষয়ে মই জানিব বিচাৰিছিলোঁ। প্ৰায় বিলাক প্ৰতিনিধিয়েই কাৰ্গুচন কলেজৰ ছাত্ৰাবাসত থাকিবলৈ লৈছিল। কোন ক'ত আছে জানিবলৈ গৈ গোস্বামী ছাৰৰ সৈতে ভেটা-ভেটি হ'লোঁ। মই ছাৰক তাত থাকি কেনে পাইছে সুধিছিলোঁ। তেখেতে ক'লে যে 'মাৰাঠী খোৱা বৰ জলা। খাই মোৰ পেট গৰম হৈছে। জানাই নহয় মোৰ পেট এনেয়ে বেয়া।' তেতিয়া ছাৰক মই ক'লোঁ— 'ছাৰ, মোৰ তাত এসাজ ভাত খাব নেকি ? মই কিছু দূৰৈত দেকান কলেজৰ চৌহদত ঘৰ লৈ আছোঁ।' ছাৰে কিবা এটা কোৱাৰ আগতে মই আৰু ক'লোঁ যে 'ছাৰ ড০ নবীন চৌধুৰীয়ে মোৰ ঠাই চিনি পাব। গতিকে যোৱাত আৰু মোক পোৱাত অসুবিধা নহ'ব।' ছাৰে নিমন্ত্ৰণ গ্ৰহণ কৰি ক'লে 'মই অকলে গ'লে প্ৰমোদে (ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য) বেয়া পাব। তুমি তেওঁকো এবাৰ ক'বা। মোৰ কথা ক'লে যাব।' ময়ো তেখেতসকলক তেনেকৈ ক'লোঁ। ড০ চৌধুৰী আৰু ড০ ভট্ট ছাৰেও সন্মতি দিলে। মই উৎসাহ পালোঁ। লগে লগে বাসস্থানত গৈ পত্নীক ক'লোঁ। তেওঁ ভাল পালে। খড়্‌কী বজাৰলৈ গৈ মাছ এটা আনি যা-যোগাৰ কৰিলোঁ। আঠমান বজাত (ৰাতি) তেখেতসকল গৈ পালে আৰু পাটীত বহি ভাত খালে।

সেই ভাত সাজৰ কথা ছাৰে আনকো কৈছিল। ড০ ভট্টাচাৰ্য্য ছাৰেও প্ৰায়ে মই তেখেতৰ ছাত্ৰ বুলি বঢ়াই কৈছিল আৰু আজিও কয়।

মই বিচাৰ্চ কৰি ঘূৰি অহাৰ পাছত তেখেতৰ ঘৰলৈ গৈ আশীৰ্বাদ পাইছিলোঁ। মাজতে এদিন মই মহাভাৰতৰ লোক সাধু কেইটিমানৰ অনুবাদ কৰিছিলোঁ বুলি তেখেতক কওঁতে চাই দিব বুলি কৈছিল। তেখেতৰ আগতীয়া মৃত্যুত সেই কাম নহ'ল।

তেখেত অসুখত পৰি থকা সময়ত এদিন লগ পাবলৈ গৈছিলোঁ। ভিতৰলৈ গৈ তাত ড০ ভট্টাচাৰ্য্য ছাৰ আৰু ড০ নবীন চন্দ্ৰ শৰ্মাকো লগ পালোঁ। মই কোন বুলি সুধিলত ভট্ট ছাৰে ক'লে, 'সেই যে পুণাত পাইছিল ভাৰতজৰ ওপৰত লেখা থানেশ্বৰ আহিছে।' ছাৰে 'হয়' বুলি শলাগিলে আৰু মোৰ Thesis খন পঢ়া আধকৰা হৈ থকা বুলি ক'লে। তাৰে কিছুদিনৰ পাছতে ছাৰ স্বৰ্গগামী হৈছিল।

আচলতে আমি স্কুলৰ সপ্তম-অষ্টম শ্ৰেণীত পঢ়োঁতে তেখেত সকলৰ পাণ্ডিত্যপূৰ্ণ লেখা সাধ্যমতে পাঠ কৰিছিলোঁ।

সত্ৰাধিকাৰৰ ঘৰৰ ল'ৰা হিচাপে গোস্বামী ছাৰে সংস্কৃত সাহিত্যৰো সোৱাদ লৈছিল। তাৰ প্ৰমাণ পাবলৈ অধিক দূৰলৈ যাব নালাগে। তেখেতৰ *যুৱতী আৰু সংস্কৃতি* (১৯৮৫) নামৰ কিতাপখন তাৰ প্ৰমাণ। এইখন এখন সুন্দৰ জ্ঞানগৰ্ভ পুথি। তাত সংগৃহীত ১৮টা প্ৰবন্ধৰ ভিতৰৰ ৭টা প্ৰবন্ধই তেখেতৰ সংস্কৃত চৰ্চাৰ বিশেষ পৰিচয় দিয়ে। ইয়াৰে প্ৰথম প্ৰবন্ধটোত ('যা দেৱী শক্তিৰূপেণ সংস্থিতা) মাতৃ-পূজাৰ বিষয়ে লিখিছে। শক্তি পূজাৰ বিষয়ে বিশ্ব সাহিত্য-সংস্কৃতিত প্ৰাপ্ত অনেক তথ্য তাত সন্নিবিষ্ট কৰিছে। ৪ৰ্থটো

প্ৰবন্ধত তেখেতে উপনিষদত পোৱা তত্ত্বৰ বৈদান্তিক ব্যাখ্যা কৰিবলৈ সচেষ্ট হৈছে। ৫ম প্ৰবন্ধত (*হিন্দুৰ ভক্ষাভক্ষ : গো আৰু বৰাহ ভক্ষণ*) আৰ্য্যসকলে একালত গো আৰু বৰাহৰ মাংস ভক্ষণ কৰিছিল বুলি দৃঢ়ভাৱে বস্তুনিষ্ঠ আলোচনা কৰিছে। (তেওঁৰ এই প্ৰবন্ধ প্ৰকাশ পোৱাত বিশ্বহিন্দু পৰিষদে প্ৰতিবাদ কৰিছিল)। নিজৰ বক্তব্যৰ সমৰ্থনত তেখেতে অনেক সংস্কৃত শ্লোকৰ উদ্ধৃতি দিছে। ষষ্ঠ প্ৰবন্ধত (দ্ৰাক্ষী ৰাজ্যপ্ৰদা ভৱেৎ) দ্ৰাক্ষাৰস, মদ আদি সম্বন্ধে অনেক জ্ঞাতব্য বিষয়ৰ সৰস আলোচনা কৰিছে। নিজৰ বক্তব্যৰ প্ৰয়োজনত *ঋগ্বেদ*, *বিষ্ণু স্মৃতি*, *বৃহন্নীলতন্ত্ৰ*, *কুলাৰ্ণৱতন্ত্ৰ*, *ব্যাকৰণ-অষ্টাধ্যায়ী*, *কৌটিল্যৰ অৰ্থশাস্ত্ৰ*, আয়ুৰ্বেদ আদিৰ উদ্ধৃতি তুলি ধৰিছে।

সপ্তম প্ৰবন্ধত (*বিষ্ণু পুৰাণত ৰাজনীতি*) অসুৰসকলক নিজ ধৰ্মৰপৰা আঁতৰাই কিদৰে দেৱগণে নিজ কাৰ্য্য সিদ্ধি কৰিছিল তাৰে আলোচনা কৰিছে। আলোচনাৰ সমৰ্থনত *পুৰাণ* আৰু *স্মৃতিৰ* বচন তুলি দিছে। ৮ম প্ৰবন্ধত (*নাৰদ স্মৃতিত ধনভেদ*) স্মৃতিত পোৱা বিবিধ জনৰ বিষয়ে তাত্ত্বিক মতামত দাঙি ধৰিছে। বিশেষতঃ *নাৰদ স্মৃতিত* পোৱা ধনৰ প্ৰয়োগ আৰু স্বৰূপৰ বিষয়ে আলোচনা কৰা হৈছে। "বিদ্যালব্ধ ধন, পুৰুষাকাৰদ্বাৰা প্ৰাপ্ত ধন, ধৰ্মাচৰণদ্বাৰা যি ধন লাভ কৰা যায়, ছাত্ৰৰপৰা যি পোৱা যায়, যজমানী কামৰপৰা যি উপাৰ্জন হয় আৰু উত্তৰাধিকাৰী সূত্ৰে যি ধন আছে— এই সাতবিধ শুক্ল ধন, অৰ্থাৎ নিকা পথেদি অহা ধন।"

এনেদৰে শবল বা মিশ্ৰধনৰ প্ৰকাৰো তুলি ধৰিছে। তাৰ পাছত পাশাখেল আদিৰপৰা পোৱা ধনক কৃষ্ণ ধন বোলা হৈছে।

এনেদৰে গোস্বামী ছাৰে একোটি *পুৰাণ* বা *স্মৃতি* সম্মত আলোচনা আগবঢ়াইছে। তাৰ মাজেৰে তেখেতৰ সংস্কৃত শাস্ত্ৰত দেখুৱা বিদগ্ধতা প্ৰকাশ পাইছে। লগতে সংস্কৃত প্ৰীতি আৰু সংস্কৃতজ্ঞ প্ৰীতিও দেখা গৈছে।

— ০ —

প্ৰফুল্লদত্ত গোস্বামীৰ ঘৰুৱা জীৱন

নিৰ্ম্মল গোস্বামী

১৯৫০ চনৰ মাৰ্চ মাহৰ ৯ তাৰিখৰপৰা বৈবাহিক সূত্ৰে মই ড০ গোস্বামীৰ নিবিড় সান্নিধ্যলৈ আহিছিলোঁ, আমাৰ বিৱাহ কাৰ্য্য শিৱসাগৰৰ জয়সাগৰৰ পাৰত অৱস্থিত মাননীয় মণি ফুকনৰ ঘৰত সম্পন্ন হৈছিল। বিয়াৰ আগতে কোনোদিনেই লগ নোপোৱা ড০ গোস্বামীৰ সুন্দৰ সুঠাম দেহশ্ৰীত মুগ্ধ হৈ নিজকে নিজে ধন্য মানিছিলোঁ। মোৰ বন্ধু-বান্ধৱীহঁতৰ আগত ড০ গোস্বামীদেৱৰ ৰূপ-লাৱণ্যৰ প্ৰশংসা শুনি গৌৰৱ অনুভৱ কৰিছিলোঁ।

গুৱাহাটী ৰে'ল ষ্টেচনৰপৰা মই মোৰ শাহু আই আৰু বিৱাহ যাত্ৰীসকল দলে বলে খোজকাঢ়ি আহি হেমীভিলাৰ প্ৰয়াত তিতাৰাম কাকতিৰ ভাড়াঘৰত উঠিছিলোঁ। ঘৰটো নতুনকৈ সজা বাবে মোৰ ভালেই লাগিছিল।

মোৰ বিয়াৰ আগতে গোস্বামী আৰু লগুৱা ল'ৰা এটাহে এই ঘৰটোত আছিল। শাহু আই তেতিয়া নহিৰা গাঁৱতে দেওৰেকহঁতৰ লগত যৌথ সংসাৰত বাস কৰিছিল। আমাৰ বিয়াৰ পাছত শাহু আই আমাৰ লগতে থাকিবলৈ ল'লে। শাহু আইৰ দুজন ল'ৰা আৰু এজনী ছোৱালী। ছোৱালী শ্ৰীমতী অৰুণা গোস্বামীক বাটবহাটৰ সত্ত্বদেৱ গোস্বামীলৈ সৰুতেই বিয়া দি উলিয়াই দিছে। দ্বিতীয় ল'ৰাজন ছমাহতে ঢুকাইছে। গোস্বামীৰ দেউতাক সিংহদত্ত গোস্বামী তেখেতৰ ছয় বছৰ বয়সতে মৃত্যুমুখত পৰে। গোস্বামীৰ খুৰাক দেৱদত্ত গোস্বামীয়ে তেখেতক পঢ়াই-শুনাই লগত ৰাখি বি.এ. পৰ্য্যন্ত উচ্চ শিক্ষা প্ৰদান কৰে। খুৰাকে গোস্বামীক বৰ মৰম কৰিছিল। তেখেতেও তাৰ বিনিময়ত খুৰাকক শ্ৰদ্ধা কৰিছিল। খুৰীয়েকেও নিজৰ ল'ৰাৰ দৰে বৰ মৰম কৰিছিল। ল'ৰালিকালত খুৰীয়েকৰপৰাই তেওঁৰ প্ৰিয় খাদ্য কাটা-নিমকি আৰু অন্যান্য মিঠাই আদি কৰিবলৈ শিকিছিলোঁ। সকলোৰেপৰাই গোস্বামী শান্ত স্বভাৱৰ আছিল। খুৰাকহঁতৰ ল'ৰা-ছোৱালীহঁতে তেওঁক "ডাঙৰ দাদা" বুলি মাতিছিল। সকলোৰে লগত তেখেতে সকলোৰেপৰাই মিলি-জুলি আছিল। ১৯৪৩ চনত তেখেতৰ প্ৰথম বিবাহ হয়। এই বিবাহ বিচ্ছেদ হয়। ১৯৪৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা ইংৰাজী বিষয়ত এম.এ. পাছ কৰি যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত

অধ্যাপকৰ কামত সোমায়। ১৯৪৫ চনত কটন কলেজত যোগদান কৰে। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত বাণিজ্য আৰু বি.টি. বিভাগৰ ইংৰাজীৰ প্ৰবক্তা হিচাপে নিযুক্ত হয়।

১৯৫০ চনত মোৰ লগত তেখেতৰ দ্বিতীয় বিবাহ সম্পন্ন হয়। ১৯৫০ চনৰপৰা ১৯৭২ চনলৈ তেখেতৰ এই সময়খিনি জীৱনৰ সোণালী বৰ্ষ বুলি গণ্য কৰিব পাৰি; কাৰণ ১৯৫৩ চনৰ জুলাই মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম গৱেষণা গ্ৰন্থ দাখিল কৰে। ১৯৫৫ চনত ডি.ফিল্. উপাধি লাভ কৰে। ১৯৫৮ চনত লণ্ডনলৈ যায়।

লণ্ডনলৈ যোৱা খৰচৰ যোগা মাৰিবলৈ তেখেতে আমাৰ পাহাৰৰ ওপৰত থকা মাটিৰ দুই কঠা বিক্ৰী কৰিব লগা হৈছিল ভৱ পাঠকক; কাৰণ ইনচিবেঞ্চৰ টকা দহ হেজাৰ বিচাৰি আবেদন কৰিছিল যদিও সময়ত নাপালে, তেখেত যোৱাৰ পাছত মই টকাখিনি পাই ঘৰ সজা কামত লগাম বুলি আশাৰে থৈ দিলোঁ, কিন্তু তেখেত লণ্ডনৰপৰা আহি টকাখিনি ঘূৰাই দিলে। মোক ক'লে, তেখেতৰ পিতাক হেনো গ্ৰেহৰ কাৰণে ধাৰলৈ এসপ্তাহৰ অসুখতে ঢুকাল। তৰ বিনিময়ত খুৰাহঁতে টাউনত পিতাকে কিনা মাটি মাৰ চহীলৈ মাত্ৰ চাৰে তিনি হাজাৰ (৩ হেজাৰ ৫০০ টকা) টকাতে বিক্ৰী কৰি পেলালে। এখেত নাবালক আছিল। পিছতহে গম পালে। ধাৰ ভেওঁ নলয়। তেতিয়াই তেখেতে ইউৰোপ ভ্ৰমণ কৰে। ১৯৬৬ চনত আমেৰিকাত শিক্ষকতা কৰে আৰু জাপান ভ্ৰমণ কৰে। ১৯৭১ চনত তেখেতে বাহিৰা ভ্ৰমণ কৰে।

আন্তৰ্জাতিক খ্যাতি সম্পন্ন ব্যক্তি ড০ প্ৰফুল্লদত্ত গোস্বামীৰ ঘৰুৱা জীৱনৰ সামান্য বেঙনিহে মই পঢ়ুৱৈৰ আগত দাঙি ধৰিব পাৰিম, কিয়নো সৃষ্টিশীল এটা জীৱনৰ দীৰ্ঘদিনৰ কৰ্মৰাজিৰ অভিজ্ঞতা, বিচিত্ৰ কৰ্ম, জীৱনৰ গতি, অন্তৰৰ অনন্ত পিপাসা, জাতি-ধৰ্ম নিৰ্বিশেষে হাজাৰ হাজাৰ মানুহৰ লগত তেখেতৰ সম্পৰ্ক সঁচাকৈয়ে সীমাহীন মহাসাগৰৰ লগতহে তুলনা কৰিব পাৰি। মোৰ সামান্য অনুভূতিৰে কলমৰ আগত সম্পূৰ্ণভাৱে সজাই তোলা সম্ভৱ নহয়। উপন্যাসৰ নায়ক বুলিও কিছুমান দিশৰপৰা তেখেতক উনুকিয়াব পাৰি।

প্ৰয়াত তিতাৰাম কাকতিৰ হেপীভিলাৰ সক ভাড়া ঘৰটোতে আমাৰ বৈবাহিক জীৱন আৰম্ভ হৈছিল। প্ৰথম দুজনী ছোৱালী মালবিকা আৰু চন্দনাৰ ভাড়া ঘৰতে জন্ম হৈছিল। ঘৰত মোক কামত সহায় কৰিবলৈ লগুৱা ল'বা আছিল। এই বিষয়ে তেখেত সদায় সজাগ আছিল। দিন বাগৰি যোৱাৰ লগে লগে গোটেই ঘৰৰ দায়িত্ব মোৰ ওপৰত পৰিছিল। তেখেতে বহু ৰাতিলৈকে কিতাপ-পত্ৰ পঢ়ি কটাইছিল। সীমিত আয়েৰে ঘৰৰ ভাড়া দি সংসাৰ চলাই মই চিন্তাত পৰিছিলোঁ। মোৰ বৈষয়িক মনে নিজা ঘৰ এটা সজাৰ কথা ভাবিছিল। ঘৰত টকা-পইচাৰ অসুবিধা হ'লেও পাহাৰৰ ওপৰত মাটি কাটি আসাম টাইপৰ সক ঘৰ এটা সাজিছিলোঁ। অনন্ত গোস্বামী নামৰ আপোন মানুহ এজনে চোৱাচিতা

কৰি ঘৰটো সম্পূৰ্ণ কৰি দিছিল। ল'ৰা-ছোৱালীৰ পঢ়া খৰচ, প্ৰেছত কিতাপৰ খৰচ, জীৱন বীমাৰ চিন্তা ইত্যাদিয়ে তেওঁক চিন্তিত কৰা দেখিছিলোঁ। ড০ গোস্বামী মিত্যব্যয়ী আছিল। ঘৰত শালখন সদায় আছিল। গামোছা ঘৰত বোৱা হৈছিল। বুঢ়া বয়সতো শাহু আইক মুগা, এড়ি-পাট কাপোৰ বোৱা দেখিছিলোঁ। শাহু আয়ে মোৰ কাপোৰো বৈ দিছিল। এখেতে মাকে বোৱা কাপোৰ বৰ ভাল পাইছিল। নাতিনীয়েক চিৰিমা কাপোৰ বোৱাত মনোযোগী আছিল। ড০ গোস্বামী কিতাপ পঢ়াত ব্যস্ত আৰু মই সৰু সৰু ল'ৰা-ছোৱালী কেইটাৰ যত্ন লওঁতেই যায়। অভাৱ-অনাটনৰ কথাটো সেই সময়ত আমি দুয়ো যথাকে অনুভৱ কৰিছিলোঁ। অভাৱৰ হেঁচা আৰু কিতাপ-পত্ৰ লেখাৰ চিন্তাত তেখেত বৰ খঙাল হৈ পৰিছিল। ধাৰৰ হেঁচাও জীৱনলৈ আহিছিল। প্ৰবন্ধ-পাতি লিখি প্ৰায়ে পইচাৰ টান অৱস্থাবোৰ পাৰ কৰি দিছিল। আলহী-অতিথিৰে ঘৰ সদায় ভৰপূৰ হৈ আছিল। দান-দক্ষিণাও প্ৰয়োজন মতে কৰি থকা দেখিছিলোঁ। মোৰ লগত কিছুমান কথাত তেখেতৰ মতানৈক্যও হৈছিল। খোৱা-বোৱাত তেওঁ কচি সম্পন্ন আছিল। শাক ভাল পাইছিল। বাঁহ গাজ প্ৰিয় খাদ্য আছিল। মাছ-মাংস ভাল পাইছিল। পচলাৰ খাৰ, তিতা-কেৰেলা, কলদিল, ভজা ফুলা লুচি খাই ভাল পাইছিল। পিঠাপনা, লাৰু, দৈ তেওঁৰ প্ৰিয় খাদ্য আছিল।

নিজৰ কাম নিজে কৰি তেওঁ বৰ ভাল পাইছিল। নিজক লগা সকলো বঙৰ সূতাৰ গুলি, বেজী এটা টেমাত ভৰাই লগতে ৰাখিছিল। ল'ৰা-ছোৱালী বা মই একো অসুবিধা নোহোৱাকৈ চিলাই কৰা কামটো সম্পন্ন কৰিছিলোঁ। তেখেতে নিজৰ কাপোৰ নিজে ধুইছিল। তেওঁ নিজে সাধাৰণ জীৱন যাপন কৰিছিল আৰু পৰিয়ালৰ সদস্য সকলকো বিলাসিতাৰপৰা পৰাপক্ষত আঁতৰত থাকিবলৈ উপদেশ দিছিল। কিতাপ কিনা চখ তেওঁৰ প্ৰবল আছিল। পুৰণা কিতাপ ভাল হ'লে কিনি পঢ়া তেওঁৰ অভ্যাস আছিল। ল'ৰা-ছোৱালীৰ লগত তেখেত সদায় বন্ধুভাৱাপন্ন আছিল। গাঁৱৰ মানুহে দিহা-পৰামৰ্শ বা সহায়-সাহায্য বিচাৰি আহিলে আগ্ৰহেৰে তেখেতে সহায় কৰিছিল। বন্ধু-বান্ধৱক খুৱাই তেখেতে বৰ ভাল পাইছিল। ভাৰতবৰ্ষৰ সকলো ঠাইৰে মানুহ আমাৰ ঘৰলৈ আহিছিল। পৰ্ব্বতাৰোহণকাৰী টেনজিং নৰ্কে এবাৰ আমাৰ ঘৰলৈ আহি ভাত এসাজ খাই গৈছিল। এবাৰ লণ্ডনৰপৰা কবি জন আৰ্দেন তেওঁৰ পত্নী, ল'ৰা-ছোৱালী দুটা আমাৰ ঘৰলৈ আহিছিল আৰু আমাৰ ল'ৰা-ছোৱালীৰ লগত অসমৰ আউনীআটী সত্ৰ চাইছিলগৈ। এবাৰ আমেৰিকাৰ আন্তৰ্জাতিক খ্যাতি সম্পন্ন প্ৰফেচাৰ ৰিছাৰ্ড এম. ডৰ্চন আমাৰ ঘৰলৈ আহিছিল। ভাৰত বিখ্যাত সমাজ সেৱক এছ.এনসোৱৰা ৰাও আমাৰ পৰিয়ালৰ ঘৰুৱা বন্ধু লগতে এখেতৰো প্ৰিয় বন্ধু। এখেতৰ মৃত্যুৰ খবৰ পাই তেওঁ এক ৰাতি আমাৰ ঘৰত থাকি খা-খবৰ লৈ গৈছে। ড০ গোস্বামীৰ বন্ধু, গুণমুগ্ধসকল যে সমগ্ৰ বিশ্বতে বিয়পি আছে সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। তেখেতৰ অধ্যৱসায় আৰু কৰ্মযোগী জীৱনৰ অন্তৰালত

আছিল বাস্তৱৰ ব্যক্তিগত নিষ্ঠুৰ সংঘাতবোধ। তেখেতে কোৱামতে ছয় বছৰতে পিতৃ বিয়োগে তেখেতৰ মনত মচিব নোৱাৰা দাগ বহুৱাইছিল, জীৱনত প্ৰতিষ্ঠিত হ'বলৈ তেখেতে যথেষ্ট কষ্ট কৰিব লগা হৈছিল। এটা কথা ক'বই লাগিব যে, ড০ গোস্বামী এজন জেদী আৰু অন্যায় সহিব নোৱাৰা খঙাল প্ৰকৃতিৰ লোক আছিল। আনহাতেদি তেখেতৰ অন্তৰখন আছিল শিশুৰ দৰে কোমল। মানৱ জীৱনৰ বহুৰূপী দিশটো তেখেতে পূৰ্ণাঙ্গ দৃষ্টিৰে উপলব্ধি কৰিব পাৰিছিল। অধ্যয়নে তেখেতক বিশ্বসত্যৰ সন্ধান দিছিল। জীৱনৰ শেষ সময়লৈকে তেখেতে অধ্যয়ন মগ্ন হৈয়েই কটালে। তেখেতে মোক কৈছিল : "সামাজিক সচেতনতা নেথাকিলে কোনো জাতিয়েই জীয়াই থাকিব নোৱাৰে। ইতিহাস আৰু সংলোকৰ জীৱনীয়ে মানুহক জীয়াই থাকিবলৈ প্ৰেৰণা দিয়ে।"

তেখেতে দুখ-কষ্ট কৰি হ'লেও ভ্ৰমণ কৰি বৰ ভাল পাইছিল। ঘৰৰ পৰিয়াল তথা মোকো ঘূৰা-চকাত সদায় উৎসাহ দিছিল। তেখেতৰ স্মৃতিশক্তি অতি প্ৰখৰ আছিল। বহু ৰাতিলৈকে দৰকাৰ হ'লে পঢ়াশুনা কৰি কটাইছিল। ৰবীন্দ্ৰ-সঙ্গীত বৰ ভাল পাইছিল। তেখেতে অবাবত কেতিয়াও সময় নষ্ট কৰা নাছিল। নিজে গোলাপ ফুল কৈছিল। বহুজনৰ মাজত থাকিও তেখেত নিজৰ মনৰ জগতত নিসঙ্গ আছিল।

কিতাপ পত্ৰবিলাক বৰ মৰমেৰে আৰু নফটা-নিছিগাঁকে চিজিল কৈ ৰাখিছিল। কিছুমান মানুহে কিতাপ খুজি নি দিম বুলি ঘূৰাই নিদিয়া স্বভাৱ তেওঁ সদায় নিন্দা কৰিছিল। বছৰি বনভোজলৈ যোৱা আমাৰ পৰিয়ালৰ নিয়ম আছিল। ড০ গোস্বামীয়ে নতুন নতুন ঠাইত বনভোজ খাই বৰ ভাল পাইছিল। ৰেডিঅ'ত গান শুনিও তেখেতে গৱেষণামূলক পুথিসমূহ লিখি থকা দেখিছিলোঁ।

ড০ গোস্বামী সৌন্দৰ্য্যপ্ৰিয় ৰোমাণ্টিক মন এটাৰো অধিকাৰী আছিল। প্ৰকৃতিৰ সৌন্দৰ্য্য, চৰাই-চিৰিকতিৰ আচৰণ, বিচিত্ৰ মানৱ জাতিৰ ৰূপ লাৱণ্য আৰু নানান সৌন্দৰ্য্যই তেখেতৰ অন্তৰত ৰেখাপাত কৰিছিল অৰ্থপূৰ্ণভাৱে।

দীঘদিনীয়া ঘৰুৱা জীৱনত আমাৰ মাজত মতানৈক্যও ঘটিছিল বহুবাৰ। কাৰণটো আছিল তেনেই সহজ। তেখেতৰ উপাৰ্জনৰ সীমিত অৰ্থৰ হিচাবৰ তুলাচালনিত মোৰ তালিকাত আছিল ঘৰুৱা সংসাৰৰ যাবতীয় খৰচ আৰু তেখেতৰ তালিকাত আছিল বিখ্যাত বিখ্যাত কিছুমান কিতাপ। ইতিবাচকত মোৰ বাজেট নিমিলা কিছু অৰ্থও মোৰ হাতলৈ আহিছিল। এনেকৈয়ে আমাৰ সংসাৰ চলিছিল। কিতাপ-পত্ৰ পঢ়া ল'ৰা-ছোৱালীক তেখেতে বৰ ভাল পাইছিল। উত্তৰ পুৰুষে ভালকৈ পঢ়াশুনা কৰি ভাল লেখনি থৈ যাব পাৰিব বুলি ড০ গোস্বামীয়ে বিশ্বাস পোষণ আছিল।

—o—

ৰবদা গোস্বামী

দিপালী শৰ্মা

এক বিশাল ব্যক্তিত্বৰ এজন মানুহ— দক্ষিণ কামৰূপৰ নহিৰা সত্ৰৰ অধিকাৰী গোসাঁই পৰিয়ালৰ গুৰুজনসকলৰ মৰমৰ 'বাপ' আৰু আমাৰ মৰমৰ ৰবদা, ৰবমামা ড০ প্ৰফুল্লদত্ত গোস্বামী; যি জনে আমাক সকলোকে কন্দুৱাই ১৯৯৪ চনৰ ১৯ নবেম্বৰ তাৰিখে চিৰদিনৰ বাবে গুচি গ'ল।

এইজন ৰবদা ড০ প্ৰফুল্লদত্ত গোস্বামী মোৰ ৰবদেউতা স্বৰ্গীয় সিংহদত্ত গোস্বামীৰ ল'ৰা। তেওঁৰ ছয়বছৰ বয়সত পিতৃ বিয়োগ হোৱাত একমাত্ৰ শিক্ষিত খুৰাক নহিৰা অঞ্চলৰ দ্বিতীয় বি.এ. দেৱদত্ত গোস্বামীৰ তত্বাৱধানত ডাঙৰ-দীঘল হৈছিল। তেওঁ তেতিয়া উজান বজাৰৰ জেঠাক সহদেৱ গোস্বামীৰ লগত আছিল। ১৯৫৪ চনৰপৰা মই মোৰ পিতৃ দেৱদত্ত গোস্বামীৰ লগত আছিলোঁ। মোৰ পিতৃ তেতিয়া ধুবুৰী চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক, মই আৰু পিতৃৰ বাহিৰে পৰিয়ালৰ সকলো উজান বজাৰত আছিল। ১৯৫৬ চনত ধুবুৰীত বহা অসম সাহিত্য সভাত ৰবদাক দেখি এক বেলেগ ব্যক্তিত্বৰ পৰিচয় পাইছিলোঁ। পিতা আছিল সম্বৰ্দ্ধনা সমিতিৰ সম্পাদক, গতিকে সভাপতি ৺ বেণুধৰ শৰ্মাক ষ্টেচনৰপৰা আগবঢ়াই অনাৰপৰা বিভিন্ন পৰিস্থিতিত তেওঁৰ লগে লগে ঘূৰিছিলোঁ, সেই সময়ত সভাত কথা কোৱা মানুহক মই সমীহৰ দৃষ্টিৰে চাইছিলোঁ। তেতিয়া মোৰ মাথো দহ বছৰ বয়স। পিতৃৰ লগত প্ৰায়েই তেনেধৰণৰ সভা-সমিতিৰ লগত জড়িত থাকি; তেনে পৰিবেশত ডাঙৰ হোৱা বাবেই পিছত লেখাৰ প্ৰেৰণা পাওঁ। মাজে মাজে ৰবদায়ো ধুবুৰীত গৈ থাকি মোৰ খবৰ লোৱাত তেওঁৰ বেছি ওচৰ চাপোঁ। সেই সময়ত সৰু হ'লেও ৰবদাৰ প্ৰতি পিতাৰ কেনে টান আছিল অনুভৱ কৰিব পাৰিছিলোঁ। পিছে মোৰ পিতৃৰ গহীন-গম্ভীৰ ব্যক্তিত্বৰ বাবেই তেওঁৰ লগত সকলো সমস্যা খোলোচাকৈ আলোচনা কৰিবলৈ সাহস নাপাইছিলোঁ। কিন্তু তেওঁৰ প্ৰতিটো কথা-কামৰ খবৰ মোৰ পিতৃয়ে লৈছিল। পিছৰ কালত ৰবদাই মোক এই কথা কৈছিল।

১৯৫৮ চনত পিতাই অৱসৰ লোৱাত আমি গুৱাহাটীলৈ আহি দুবছৰ উজানবজাৰত থাকোঁ। তাৰ পিছত শ্বিলঙৰ নিজা ঘৰ লাবানত থাকোঁ। উজানবজাৰত থকা সময়ত মই

কিতাপৰ আকৰ্ষণত ৰবদাৰ ঘৰতেই বেছি সময় কটাইছিলোঁ। স্কুলতৰপৰা মেট্ৰিক পাছ কৰি কলেজত পঢ়া কালত তেওঁ মোক কিতাপ দিও সহায় কৰিছিল। সেইবাবেই নেকি বাকী ভাই-ভনীৰ তুলনাত মোৰ লগতেই ৰবদাৰ ওচৰ সম্বন্ধ আছিল।

বিয়াৰ পিছতো মই যি ঠাইতে গৃহস্থৰ লগত চাকৰি স্থলত আছিলোঁ তাতেই ৰবদা গৈছিল। মোৰ শহুৰৰ ঘৰ বজালী অঞ্চলত। শাহুৰ মুখত শুনা সাধুকথা তেওঁ লিখা Tales of Assam ৰ বাবে মোৰপৰা তেওঁ সংগ্ৰহ কৰিছিল। ১৯৭৮ চনৰপৰা গুৱাহাটীত নিগাজীকৈ থাকিবলৈ লওঁ। বাহিৰলৈ গ'লেই তেওঁ মোৰ বা আমাৰ ল'ৰা-ছোৱালীৰ, গৃহস্থৰ বাবে কিবা এটা উপহাৰ লৈ আহিছিল। তেওঁ দিয়া মণিপুৰী গামোচাখন আজিও মই সযতনে থৈ দিছোঁ। তেওঁ প্ৰায়েই দেওবাৰ বা শনিবাৰে কান্ধত কাপোৰৰ নগা মোনা এখনত লিখাৰ সঁজুলিলৈ পুৰা নমান বজাত নুনমাটিত থকা আমাৰ ঘৰলৈ আহিছিল। তেওঁ শুদা হাতে কেতিয়াও নাহিছিল। কিবা এপদ লৈ আহিছিল আৰু বন্ধা-বঢ়াবো দিছি দিছিল। নিমপাত কেনেকৈ ভাজি খাব লাগে তাকো শিকাইছিল। আমাৰ ল'ৰা-ছোৱালী চাৰিটায়ো 'বৰ মামা' আহিলে সকলো কাম এৰি ওচৰত বহিছিল। ময়ো সেই সময়ত বন্ধা-বঢ়া কৰি আজৰি হৈ তেওঁৰ ওচৰত বহিছিলোঁ। মোৰ লিখা-মেলা তেৱেঁই শুধৰাই দিছিল। তেওঁ বিশেষণ বা বাহুল্য ভাল নাপাইছিল। গল্পবোৰত সদায় হাঁহিৰ বেশ থাকিলে তেওঁ ভাল পাইছিল। এদিন মোৰ গল্প এটা তেওঁক পঢ়িবলৈ দিয়াত "তেওঁৰ অন্তৰে ক'ব বিচাৰে" বোলা শাৰী এটা পঢ়ি মোক ধমক লগাইছিল "হেৰ মানুহ বিচাৰে, গৰু বিচাৰে কথাওঁ ক'ব বিচাৰেনে ? কিয় 'খোজে' লিখিব নোৱাৰ ? এনেকৈ প্ৰতিটো কথাতে আঙুলিয়াই ধৰি দেখুওৱাৰ নিচিনা তেওঁ শুধৰাই দিয়া বহীবোৰ মোৰ এতিয়াও আছে। মোৰ লিখা জীৱন ধুবুৰীত আৰম্ভ হৈছিল যদিও ৰবদাক দেখিয়েই মোৰ মনত সেই আকাংক্ষাই গঢ় লৈছিল। কাগজে-পত্ৰই গল্প ওলালে তেওঁ মোক বৰ উৎসাহ দিছিল আৰু সুধিছিল তোৰ পঞ্চাশটামান গল্প হ'ল নে ? মই লগে লগে নাই হোৱা বুলি ক'বলৈ টান পাইছিলোঁ আৰু গল্পৰ সংখ্যা বঢ়াবৰ চেষ্টা কৰিছিলোঁ কিন্তু তাৰ বাবে যথেষ্ট পঢ়াশুনা কৰিছোনে নাই সেই খবৰো তেওঁ লৈছিল।

মোৰ প্ৰথম কিতাপ "দুহেজাৰ চনলৈ বিয়াৰ বতৰ" (হাস্য-ব্যঙ্গ)খন মই তেওঁৰ নামত উছৰ্গা কৰিছিলোঁ, উন্মোচনৰ দিনা তেওঁক কিতাপখন দিয়াত মোক সমজুৱাৰ মাজত তেওঁ এটি কলম দিছিল আৰু পিছত আমাৰ ঘৰলৈ আহি মোক কৈছিল "পৰিয়ালৰপৰা প্ৰথম তই মোক উপহাৰ দিলি আৰু লিখিবি।" তাৰ পিছত হঠাৎ সুধিছিল তোক দুহেজাৰমান টকা দিব পাৰিম দে লাগিব নেকি ? মই নালাগে বুলি কৈছিলোঁ যদিও সেই মৰম মই জীৱনত পিতৃৰ পিছত কাৰোপৰাই পোৱা নাই। এইখিনি কথা লিখোতেই মোৰ চকুলোতকেৰে ভৰি আহিছে। মোৰ ল'ৰা-ছোৱালীক তেওঁ বৰ মৰম কৰিছিল। ১৯৯২ চনত তেওঁৰ প্ৰথমটো দুৰ্ঘটনাত আহুৰ বিভাগ অস্ত্ৰোপচাৰ কৰাৰ সময়ত মোৰ জোৱাইত

জে. জে. কলেজত আৰ্কিটেক্ ইঞ্জিনিয়াৰিং পঢ়ি থকা মাজু হোৱালীজনীয়ে ঘৰলৈ এখন চিঠিসহ কাৰ্ড পঠিয়াইছিল আশু আৰোগ্য কামনা কৰি। অৱশ্যে উত্তৰত তেওঁ এই চিঠিখন লিখিছিল।

মোৰ ল'ৰাটোৰ খাৰি ৰবদাৰ লগত একে আছিল। তাক কেতিয়াবা খোৱা-বোৱাত বেয়া বাবে ৰবদাৰ সন্মুখত ভাতৰ পাতত গালি পাৰিলে তেওঁ মোক ওলোটাই ধমক দি কৈছিল ঃ তাক কিয় গালি পাৰিছ ? তাৰ পাকস্থলীটো সৰু সি মোৰ দৰেই অলপ অলপ কৈ খাই ভাল পায়। তাক এনে মিলিটাৰী শাসন কৰিলে কি হ'ব ? মই তেতিয়া ওলোটাই ৰবদাই কমকৈ খোৱা বাবে শাসন কৰিছিলোঁ। তেওঁ সৰু ছোৱালীজনীৰপৰা Mills & Boon ৰ কিতাপো নি পঢ়িছিল। মুঠতে তেওঁ মোৰ সাংসাৰিক সুখ-দুখৰ ভাগ লৈছিল আৰু মোৰ আগতো নিজৰ দুই-চাৰিটা কথা কৈছিল। তেওঁৰপৰা জীৱনত বহু কথাই শিকিছোঁ, তাৰ ভিতৰত প্ৰধানকৈ এটা হ'ল উপদেশ দিয়াতকৈ নিজে কৰি দেখুৱা, আন এটা হ'ল— কেতিয়াও কাৰোপৰা এনেয়ে একো ন'লবা : Take what you want and pay for it. ইয়াৰ গভীৰ অৰ্থও আছে। তেওঁ নিজে কবিতা নিলিখিলেও ভাল কবিতা পালে পঢ়িছিল। হুইটমেনৰ এশ কবিতা নামৰ নৱকান্ত বৰুৱাই অনুবাদ কৰা এখন কিতাপ কিনি মোক দিছিল। তেওঁ আমাৰ ঘৰলৈ আহিলেই টেপত ৰবীন্দ্ৰ-সংগীতৰ কেচেট লগাই শুনিছিল। চৰাই-চিৰিকটিৰ লগতে তেওঁ প্ৰকৃতিৰ প্ৰেমীও আছিল। এসময়ত চিকাৰ কৰিবলৈও তেওঁ গৈছিল। সকলোতকৈ ডাঙৰ গুণ আছিল তেওঁ নজনা কথাটো সৰুৰ পৰাও জানিবলৈ সংকোচবোধ নকৰিছিল। অন্যায়ৰ সৈতে আপোচ নকৰা তেওঁৰ গুণটো মোৰ সকলোতকৈ ভাল লাগিছিল।

জ্ঞানত মই তেওঁতকৈ বহুতো পিছপৰা হ'লেও তেওঁৰ লগত মোৰ ভাৱধাৰাৰ মিল আছিল। তেওঁ মোৰ লগত জ্যোতিষ চৰ্চাও কৰিছিল আৰু জ্যোতিষৰ কিতাপ মোক দি মোৰপৰা এখন সেই সম্পৰ্কীয় আলোচনী নিছিল। আমাৰ জন্মসংখ্যা একে আছিল। তেওঁৰ ওঠৰ আৰু মোৰ ন। ন মঙ্গলৰ সংখ্যা। তেওঁৰ শৰীৰত '৯২ চনৰ অস্ত্ৰোপচাৰৰ পিছত যোৱা ১৯৯৪ চনৰ আঠ জুনত আকৌ এবাৰ উৰু সন্ধিৰ হাড় ভগাত তেওঁ শয্যাশায়ী হয়। এই দুৰ্ঘটনাটোৱে তেওঁৰ বাবে কাল হ'ল। এনে নোহোৱা হ'লে তেওঁ আৰু কিছুবছৰ জীয়াই থাকিলেহেঁতেন কাৰণ তেওঁ বহি থকা মানুহ নাছিল। দক্ষিণ ভাৰতত বিহু দিন তেওঁৰ লগত মনো ভ্ৰমণ কৰিছিলোঁ। তেওঁ সংবেদনশীল আৰু স্বাধীন মনৰ আছিল। দুয়োজী ল'ৰা-ছোৱালীক নিজা খৰচত পঢ়ুৱাইছিল আৰু জীৱিকাৰ পথ দেখুৱাইছিল। তেওঁ মানুহৰ প্ৰতিহে আকৃষ্ট হৈছিল জাতি-ধৰ্ম-বৰ্ণৰ প্ৰতি আকৃষ্ট হোৱা নাছিল। আত্ম প্ৰচাৰ তেওঁ ভাল নাপাইছিল।

বট গছৰ ছাঁয়াৰ দৰে তেওঁ আমাক কেনেকৈ ছাঁ দি আছিল তাক তেওঁৰ অৱৰ্তমানতহে অনুভৱ কৰিছোঁ। তেওঁৰ অবিহনে আমাৰ ব্যক্তিগত ক্ষতিৰ কথা নকওঁৱেই— অসমীয়া

জাতিটোৰ যি ক্ষতি হ'ল তাক লিখনীত প্ৰকাশ কৰিব নোৱাৰি।

তেওঁ আজি আৰু আমাৰ মাজত নাই। কিন্তু তেওঁৰ কৰ্ম আৰু আদৰ্শ আমাৰ মাজত সজীৱ হৈয়েই আছে, চিৰদিন থাকিব। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক। জয়তু বৰদা।

—০—

প্ৰফুল্লদত্ত গোস্বামী ছাৰ

****

নগেন্দ্ৰ নাথ বৰুৱা

ড০ প্ৰফুল্লদত্ত গোস্বামী ছাৰৰ কথা মনলৈ আহিলেই মোৰ বেজবৰুৱা (কৃপাবৰ) ডাঙৰীয়াই ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰক লৈ লিখা 'ঈশ্বৰচন্দ্ৰ' নামৰ কবিতাটোলৈ মনত পৰে ঃ

ঈশ্বৰচন্দ্ৰ নামে বাপু বাপেকৰ ল'ৰা।
সাহ পিত তেজে যেন চিপাহীৰ ঘোঁৰা॥
খোপত কটা মূৰত বাপুৰ টিংটিঙিয়া খং।
কেটেৰা গালিৰে দুষ্টৰ দূৰ কৰে ৰং॥
বাহিৰ কঠাল কাঁইট ভিতৰত কোহ।
সাগৰ সংকাশ দয়া ভৰা মায়া মোহ॥

✓বেজবৰুৱাদেৱৰ দিনত অৱস্থা বেলেগ আছিল। কিন্তু মুঠতে ক'বলৈ গ'লে এটা অনুসন্ধিৎসু মন লৈ ছাৰ আছিল অদ্বিতীয। তাৰ ওপৰতে ছাৰৰ টিংটিঙীয়া খঙটো সকলোৰে ওপৰত।

ছাৰৰ লগত প্ৰথম পৰিচয়ৰ কথা তেওঁ বোধহয় পাহৰি গৈছে। তেতিয়া চন ১৯৫১। আমি দুই নগেন (নগেন চমুৱা আৰু মই নগেন বৰুৱা) উত্তৰ গুৱাহাটী হাইস্কুলৰ ইউনিয়ন ছেক্ৰেটৰী আৰু সহকাৰী সম্পাদক। মই তেতিয়া ক্লাচ এইটৰ (eight) ছাত্ৰ। আমি স্কুলত মাধৱদেৱৰ তিথি পাতিছোঁ। সেয়ে সভাপতি বিচাৰি গুৱাহাটীলৈ আহিছোঁ। মই নগেনক ক'লোঁ ঃ 'নগেন, সভাপতি নিলে নামজাদা কোনো এজনক নিয়াই ভাল।'

'তেনেহ'লে ব'লা, চেনীকুঠিত বিৰিঞ্চিকুমাৰ বৰুৱা থাকে। তেওঁৰ তালৈকে যোৱা যাওঁক। সেইমতে আমি গৈ ড০ বিৰিঞ্চিকুমাৰ বৰুৱাৰ তাতেই প্ৰথম টোকৰ মাৰিলোঁ। তেওঁ কিন্তু আমাক পত্ৰ পাঠে বিদায় কৰিলে।

তাৰপিছত আমি গ'লোঁ হেম বৰুৱাৰ তালৈ। তাতো বিফল মনোৰথ। সেয়ে আমাৰ তৃতীয় লক্ষ্য হ'ল প্ৰফুল্লদত্ত গোস্বামী ছাৰ। গোস্বামী ছাৰে কিন্তু আমাক নিৰাশ নকৰিলে। মাথো ক'লে, তেওঁ এটা অতি জৰুৰী কামত বাহিৰলৈ যাব লগা হ'ল। গতিকে আমাক ক'লে ঃ তোমালোক উপেনচন্দ্ৰ লেখাৰু ছাৰৰ তালৈ যোৱা। তেওঁ বোধহয় এতিয়াও শ্ৰী

আছে। সেয়ে ছাৰৰ তালৈ গ'লোঁ। ছাৰে ক'লে, 'মই কাইলৈ ককাইদেউক চাবলৈ যামহে। হ'ব বোলা।

'ছাৰ, আপোনাক নিবলৈ কাবোবাক পঠিয়াম নেকি ?' 'নালাগে।' এটা সন্তুষ্ট মন লৈ উত্তৰ গুৱাহাটীলৈ উভতিলোঁ।

প্ৰফুল্লদত্ত গোস্বামী আছিল শিক্ষাগুৰু শিক্ষাগুৰু যেন লগা এজন সাধাৰণ মানুহ। তেওঁৰ এটা গুণ আছিল অন্যৰ লগত তেওঁ কেতিয়াও এৰা-ধৰা নকৰিছিল। তাৰ কাৰণে তেওঁ জীৱনত ভুগিছেও। কিন্তু সিংহৰ পোৱালী সিংহই। ব্যক্তিগত জীৱনতো তেওঁ আছিল আবাহন যুগৰ প্ৰখ্যাত সাহিত্যিক সিংহদত্ত দেৱ অধিকাৰীৰ পুত্ৰ। ৺সিংহদত্ত দেৱ অধিকাৰী আছিল নহিৰা সত্ৰৰ সত্ৰাধিকাৰ প্ৰভু।

তেতিয়া মই হাফলঙত চাকৰি কৰোঁ। এবাৰ বন্ধুবৰ শ্ৰীযুত প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য পৰিয়াল সহ হাফলঙলৈ ফুৰিবলৈ আহে। তাতেই তেওঁ পোনতে মোক কয় : 'বৰুৱা, আপুনি হাফলঙত থাকে। ইমান থাকোতেই ডিমাছাৰ গান, বুৰঞ্জী আদিৰ অধ্যয়ন নকৰে কিয় ? অন্ততঃ আমাৰ কামত লাগিব।'

সেই প্ৰথম মোৰ সাহিত্য জগতত প্ৰৱেশ। তাৰ পৰিণতিত মোৰ প্ৰথম আৰু দ্বিতীয় কিতাপ 'ডিমাছা শিকো আহক' আৰু 'ডিমাছা দেশৰ সাধু' প্ৰকাশিত হয়। তাকে লৈ মই শিক্ষাগুৰু অতুল হাজৰিকা ছাৰৰ তালৈ যাওঁ আৰু কিতাপ এখন (*ডিমাছা দেশৰ সাধু*) ছাৰ আৰু ড০ প্ৰফুল্লদত্ত গোস্বামী ছাৰক উপহাৰ দিওঁ। পঢ়ি অতুল হাজৰিকা ছাৰে কয় : 'নগেন, তুমি ডিমাছা লৈয়েই থাকা।' ড০ গোস্বামী মোৰ গাইড নহ'লেও মোৰ গাইডতকৈয়ো বহু ওপৰৰ ব্যক্তি। মোৰ ডিমাছা অভিধানখনৰ গাঁঠনি আৰু ধাৰাটো ছাৰে কৰি দিয়া।

এবাৰ কিতাপখন প্ৰায় প্ৰস্তুত হব লগা অৱস্থা। বাটত ছাৰে লগ পাই ক'লে : 'নগেন, তোমাৰ কিতাপখনত ডিমাছা ক্ৰিয়াবিলাকৰ এখন লিষ্টি দিব পাৰিলে ভাল হ'লহেঁতেন।'

'ভাল ছাৰ' আহি লগাই দিলোঁ মোৰ মহৰী আৰু মাষ্টাৰ বোল লেখাৰৰ নেটওৱৰ্ক (Network) খনক। এমাহৰ মূৰত Result সহ মোৰ Material ready.

ছাৰৰ লগত কাম কৰাৰ আৰু এটা আনন্দ আছে। কেতিয়াবা বাটত লগ পাই ক'ব : 'নগেন আজি তুমি ফ্ৰী আছা যদি আহিবা। আমি দুয়ো এজন মানুহৰ তালৈ যাম।'

গৈ দেখো ছাৰ ৺ভবেন নাৰ্জ্জিৰ তালৈ যাবলৈ ৰেডি(ready)। বাটে বাটে আমাৰ কথা হৈ গ'ল। তেওঁ ক'লে : 'এই নাৰ্জ্জি বোলা মানুহটো বড়ো ভাষাৰ authority। মানুহে এই মানুহটো মৰাৰ পিছতহে তেওঁৰ গুণ বুজিব।'

ভবেন নাৰ্জ্জিক মই আগতেও লগ পাইছোঁ— কিন্তু সেইদিনা যেন ছাৰে ভাণ্ড ভাঙি অমৃত পিয়ালে। মন প্ৰাণ হৰি নিয়া জোঁৱাইৰ পিলাহ হাতত লৈ দুই পণ্ডিতে বি শুনালে

সেয়া যেন আৰ্য্য সংস্কৃতিৰ পূজাৰ বেদীত ভাৰত-তিব্বতীয় সংস্কৃতিৰ মহামিলনৰ মহামন্ত্ৰহে উদ্ভাৱিত হৈছে। নাৰ্জিদাই ক'লে : 'বকৰা, লিখি যাওঁক। আমাৰ এই লিখাহে থাকিব। বাকীবোৰ জুই পুৰি ছাঁই হৈ যাব।'

সেই দিন ধৰি গোস্বামী ছাৰ নাৰ্জিদাৰ সভাত ময়ো যোগ দিছোঁ। সকলোতে ছাৰৰ আছিল এটা উদাৰ মন। তথাপি ভুল ব্যাখ্যা দিলে ছাৰে ইলেক্ট্ৰিক কন্ট ট্ৰেচৰৰ নিচিনাকে খপকৈ ধৰি পেলায়। তেতিয়া ছাৰক থমোৱা টান।

এবাৰ মোৰ ডিমাছা কবিতাৰ পুথি এখনৰ কপি (Copy) এটা দিবলৈ গৈ ছাৰক ঘৰতে লগ পালোঁ। তাৰ পিছত ছাৰে লগ পালে পিকাডেলি ৰেষ্টুৰেণ্টত। মোক সেইদিনা বৰ গালি পাৰিলে। ছাৰ ইংৰাজীৰ ছাত্ৰ— মই ইঞ্জিনীয়াৰিঙৰ; তথাপি ছাৰে বেয়া বুলিছে যেতিয়া ইংৰাজীৰ কোনো বিজ্ঞজনক দেখুৱাইহে দ্বিতীয় সংস্কৰণত হাত দিম বুলি মনতে পাঙিছোঁ।

আজি ছাৰ নাই। সমাজত বকবকৰ যেনে দৰকাৰ চাণক্যবো তেনেদৰেই দৰকাৰ। নহ'লে সমাজত স্থিতি বিকল হয়। গুৰিয়াল ভাল হ'লেহে নাওঁ নুবুৰে।

— o —

গোস্বামী ছাৰ ঃ মই জনা মানুহজন

গীতা গোস্বামী

ড০ প্ৰফুল্লদত্ত গোস্বামী ছাৰৰ অগতানুগতিক চৰিত্ৰই মানুহজন সম্পৰ্কে স্পষ্ট মত প্ৰকাশ কৰাত সততে অসুবিধাৰ সৃষ্টি কৰে। তথাপিও তেখেতৰ পাণ্ডিত্য, অনুসন্ধিৎসা, সততা আৰু নিৰ্ভীকতা সম্বন্ধে কাৰো সন্দেহ নাই। লগতে তেখেতৰ ৰুক্ষ স্বভাৱৰ বিষয়েও কোনেও দ্বিমত পোষণ নকৰে। এই ৰুক্ষ মানুহজনৰ আঁৰৰ প্ৰকৃত প্ৰফুল্লদত্ত গোস্বামীজনক কিমানে চিনি পাইছিল মই নাজানো। মোৰ সৌভাগ্য যে মই পাইছিলোঁ।

মানুহজন নিঃসংগ আছিল— বৌদ্ধিক দিশত নহ'লেও অনুভূতিৰ জগতত। অসহিষ্ণু আৰু ক্ষুব্ধ স্বভাৱৰ বাবে কাৰো লগত সহজ আন্তৰিকতাৰে ভাৱ বিনিময় কৰিব পৰা নাছিল। আমাৰ পৰিচয়ৰ আৰম্ভণীটোও মধুৰ নাছিল। ছাৰে বৰ কঠুৱা সুৰত কিবা এষাৰ কওঁতে মইয়ো সমান জোৰেৰে প্ৰতিবাদ কৰি উঠিছিলোঁ। মোৰ পূৰ্ব ধাৰণা মিছা বুলি প্ৰতিপন্ন কৰি পিছদিনা ৰাতিপুৱাই ছাৰ আহি মোৰ ল'ৰাটোক কৈছিল ঃ "মাক কোৱাঁগে আতা আহি ৰৈ আছে। তোমাক মাতিছে।" সেইদিনাৰপৰাই তেখেতে মোৰ পিতা, পুত্ৰ, বন্ধু, গুৰু আটাইৰে স্থান অধিকাৰ কৰি লৈছিল। চিন্তাৰ সমতা নথকাতো আমাৰ মাজত একাত্মীয়তা গঢ়ি উঠিছিল।

গোস্বামী ছাৰৰ সংস্কাৰ বিৰোধ, ঈশ্বৰ আৰু আত্মাৰ অস্তিত্বৰ অবিশ্বাস আদিৰ বহিঃৰূপৰ আঁৰত মই অন্য দিশ এটাও দেখিছিলোঁ। প্ৰায় সকলোবোৰ আচাৰ-অনুষ্ঠানৰ প্ৰতি বিৰূপ মনোভাৱ ব্যক্ত কৰিলেও কাৰো ব্যক্তিগত ধ্যান-ধাৰণা বা বিশ্বাসৰ প্ৰতি তেখেতে কেতিয়াও অশ্ৰদ্ধাৰ ভাৱ দেখুওৱা নাছিল। মানুহৰ মনৰ সৰ্বশক্তিময় আৰু সুন্দৰ ৰূপটোত ছাৰৰ গভীৰ আস্থা আছিল। মানসিক দৈন্য দেখি দেখি অতিষ্ঠ হৈ উঠিছিল যদিও ছাৰৰ এই বিশ্বাস এক প্ৰকাৰ সাধাৰণ মানুহৰ ঈশ্বৰ বিশ্বাসৰ সমপৰ্য্যায়ৰ আছিল। চিন্তাৰ জগতত কোনো ধৰণৰ সংস্কাৰৰ লগত বুজা-পৰা কৰিব খোজা নাছিল যদিও ঘৰুৱা জীৱনত কিছুমান সংস্কাৰৰ প্ৰয়োজনীয়তা সম্বন্ধে ছাৰ সম্পূৰ্ণ নিঃসন্দেহ হ'ব পৰা নাছিল। সংস্কাৰ বুলিলেই ক'ব নোৱাৰাকৈয়ে মহিলাসকল জড়িত হৈ পৰে। বৰ্তমানৰ পৰিপ্ৰেক্ষিতত মহিলাৰ স্থিতি আৰু ঘৰুৱা কিছুমান সংস্কাৰ সন্দৰ্ভত ছাৰক কোনো সিদ্ধান্ত ল'ব নোৱাৰা অৱস্থাত পাইছিলোঁ। মহিলাৰ মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনত ছাৰৰ যিমান উৎসাহ আছিল সিমানেই আশা কৰিছিল ঘৰুৱা জীৱনত মহিলাসকলে

চিৰাচৰিত নিৰ্বিৰোধ ভূমিকা পালন কৰাটো। পৰিচিত মহলত এই দুয়োটা দিশত সামঞ্জস্য ৰক্ষা কৰিব নোৱাৰা মহিলাৰ সংখ্যা অধিক দেখিয়েই হয়তো মহিলা সম্পৰ্কে ছাৰে কব উচ্চ মনোভাৱ পোষণ কৰা নাছিল। বেছি ভাগ মহিলাৰ চিন্তা-চৰ্চাৰ পৰিধি অতি সীমিত বুলিও তেওঁ তাচ্ছিল্য প্ৰকাশ কৰিছিল। দুই-তিনি বছৰ আমাৰ লগত অহা-যোৱা কৰাৰ পাছত তেখেতে কথাবোৰ অলপ বেলেগকৈ ভাবিবলৈ লৈছিল। ছাৰে একো কথাকেই ঘাৰে ঘাৰে নকয়। এদিন কৈছিল : 'এৰা, মহিলাসকলৰ সমস্যা আছে দিয়া। মই দিনৰ দিনটো তোমাৰ তাত বহি থাকোঁ। তুমি পঢ়া-শুনা কৰিবা কেতিয়া ?' মই এদিনো স্পষ্টকৈ ক'ব নোৱাৰিলোঁ যে ছাৰ এদিন আহিলে মই এসপ্তাহ পঢ়া-শুনা কৰাৰ উৎসাহ পাওঁ। তথাপিও ছাৰ আহিছিল। এদিন ক'লে : 'তোমাক দেখি দেখি মহিলা সম্পৰ্কে মোৰ ধাৰণাটো সলনি হৈছে।' ছাৰৰ পৰ্য্যায়ৰ মানুহ এজনেহে কথাবোৰ এনেকৈ সহজে ক'ব পাৰে।

সততে বিৰক্ত গোস্বামী ছাৰক শিশুৰ দৰে কৌতূহলী আৰু তুচ্ছ একোটা বস্তু দেখিও আনন্দিত হোৱা দেখিছোঁ। মুহূৰ্তৰ আনন্দবোধক ছাৰে তুচ্ছ জ্ঞান কৰা নাছিল। এখন ভাল কিতাপ পঢ়ি আৰু নতুনকৈ ওলোৱা পাত এখিলা দেখি একে ছাৰে আনন্দ পাইছিল। আমাৰ ঘৰৰ ওচৰৰ পাহাৰত নাম নজনা চৰাইবোৰৰ নামবোৰ তেওঁ ল'ৰা-ছোৱালীক শিকাইছিল। ৰঘুনাথ চৌধাৰীৰ কবিতাত উল্লেখ থকা বিবিধ গছ-লতাৰ লগত পৰিচয় কৰাই দিয়াৰ লগতে সিবোৰৰ ঔষধি গুণ সম্বন্ধেও ছাৰে কৈছিল। আজিকালি মানুহে প্ৰাকৃতিক চিকিৎসা আওকাণ কৰাটো ছাৰে ভাল নাপাইছিল। গুৱাহাটীৰ বা অসমৰ বাহিৰলৈ গ'লেই তেওঁ সচৰাচৰ নেদেখা গছ বা ফুলৰ সঁচ লৈ আহিছিল। এবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগত ছাৰে এটা আপুৰুগীয়া গছপুলি আনি দিছিল। বিভাগটোৰ অৱহেলাত পুলিটো মৰি থাকিল বুলি তেওঁ দুখ কৰিছিল যদিও সেই বিভাগৰ ড০ চন্দ্ৰ শৰ্মাৰ পৰা গছ-বন সম্পৰ্কে পোৱা জ্ঞানৰ কথা প্ৰায়ে শলাগিছিল। অৰ্কিড জাতীয় গছকো আহাৰ লাগে বুলি ড০ শৰ্মাই কোৱা কথাষাৰ ছাৰে মোক প্ৰায়ে সোঁৱৰাই আছিল। গছ-গছনি লৈ পৰীক্ষা-নিৰীক্ষা কৰি থাকিবলৈ ছাৰৰ মন আছিল। কেইবাবাৰো কেইবিধমান গছৰ পুলি আনি তেওঁ মোক ৰবলৈ দিছিল। এবাৰ হায়দৰাবাদৰ পৰা তেওঁ আহোঁতে এটা গছপুলি লৈ আহিল। সময়ত সেইজোপা ফল-ফুল নোহোৱা প্ৰকাণ্ড বেঙেনা গছ এজোপাৰ দৰে হ'লগৈ। ছাৰে ক'লে : 'এইজোপা কাটি পেলোৱা। মই তোমাক নতুন গছ এজোপা আনি দিম।'

গোস্বামী ছাৰৰ সৌন্দৰ্য্যৰ ধাৰণাটোও সৰ্বসাধাৰণতকৈ বেলেগ আছিল। তেওঁ বয়োবৃদ্ধ মহিলাৰ স্বাস্থ্যোজ্জ্বল সৌন্দৰ্য্য আৰু কমনীয়তা আন অসমীয়া মহিলাৰ মাজত বিচাৰি নাপাইছিল। বয়োসকলৰ প্ৰতি ছাৰৰ পক্ষপাতিত্ব প্ৰায় সকলো কথাতে প্ৰকাশিত হৈছিল।

বিশ্ববিদ্যালয় চৌহদ আৰু আন আন ঠাইতো প্ৰফুল্লদত্ত গোস্বামীৰ বিষয়ে কটু মন্তব্য শুনিছোঁ। ছাৰ বহুতৰে অপ্ৰিয় আছিল। আবেগিকৰণে ছাৰে মানুহৰ এনে মনোভাৱৰ উপভোগ কৰিছিল। আমাৰ পৰিচিতজনৰ সুদীৰ্ঘ সময়ছোৱাত কাকো বিষয়ে ছাৰে কিছু কেতিয়াও কিনাগ তাৰ

প্ৰকাশ কৰা শুনা নাই। মাত্ৰ মন কৰিছোঁ যিটো প্ৰসংগ তেওঁৰ ভাল নালাগে সেইটো সাৱধানে এৰাই যায়। জীৱনৰ আগবঢ়োৱা সময়ৰ কথা ওলালেই তেওঁ বিশেষকৈ ড০ বাণীকান্ত কাকতিৰ কথা কোৱা লক্ষ্য কৰিছিলোঁ। সমসাময়িক আৰু বৰ্তমানৰ কেইবাজনো সাহিত্যিকে পাবলগীয়া স্বীকৃতি পোৱা নাই বুলি তেওঁ আক্ষেপ কৰিছিল কিন্তু নিজৰ কথা সুধিলে হাঁহি অন্য কথাৰ অৱতাৰণা কৰিছিল। সময়ৰ পৰিবৰ্তন আৰু জীৱনৰ বিভিন্ন পৰিস্থিতিৰ কথা ওলালে তেওঁ নিৰাসক্ত মানুহৰ দৰে বুজাপৰাৰ কথা কৈছিল। কিন্তু নিজে একোকেই মানি ল'ব পৰা নাছিল। ঘৰুৱা বা সামাজিক বিষয়ত আক্ষেপ কৰি কিবা ক'লে তেখেতৰ বুজাপৰা কৰিব নোৱাৰা স্বভাৱটোৰ কথা আঙুলিয়াই দিছিলোঁ। আচৰিতভাৱে তেওঁ এদিনো খং কৰা নাছিল। দেখাত অহংকাৰী মানুহজনে কেইবাদিনো কৈছিল ঃ 'এৰা, তুমি ঠিকেই কৈছা। মোৰেই কিজানি ক'ৰবাত ভুল হৈছিল।' বাহিৰত কঠুৱা মানুহজনে কঠোৰ ব্যৱহাৰ কৰি অনুশোচনা কৰাও দেখিছোঁ। মাত্ৰ অনুশোচনাৰ ধৰণটো বেলেগ। এবাৰ তেওঁ মোলৈ কিতাপ এখন দি পঠিয়ালে। প্ৰথমৰ পাতনিখিলাত লিখা আছে ঃ 'কালি তোমাক গালি পাৰিছিলোঁ— এয়া তাৰে প্ৰায়শ্চিত্ত।' আনৰ ক্ষেত্ৰতো দিবলগীয়াতকৈ বেছিকৈ কিবা এটা দি প্ৰায়শ্চিত্ত কৰা দেখিছোঁ।

মই জনা প্ৰফুল্লদত্ত গোস্বামীৰ আটাইতকৈ ডাঙৰ দোষ বা দুৰ্বলতা আছিল যে তেখেতে পৃথিৱীখন নিজৰ দৃষ্টিকোণেৰেহে চাইছিল। আনৰ অক্ষমতা বা দুৰ্বলতা স্বাভাৱিক বুলি ভাবিব পৰা নাছিল। মই এদিন কৈছিলোঁ ঃ 'সকলো কথা আপুনি ভবাৰ দৰে হ'বলে আপুনি নিজে সক্ৰিয়ভাৱে কি কৰিছে ? আপুনি আপোনাৰ চিন্তা-চৰ্চা, পঢ়া-শুনা লৈয়েই আছে। তাৰ বাহিৰতো এখন পৃথিৱী আছে নহয় ?' এনে কথাত প্ৰশ্ৰয়ৰ হাঁহি মাৰিছিল। প্ৰতিবাদ নকৰিছিল। আৰু এদিন কৈছিলোঁ ঃ 'মোৰ থেচিচৰ কাম সম্পূৰ্ণ হ'লে মই আপোনাৰ জীৱনী এখন লিখিম। তাত আপোনাৰ বিষয়ে এটাও ভাল কথা নাথাকে।' তেওঁ কৈছিল ঃ 'হ'ব দিয়া, আহি। মই সেইটো দিনলৈকে বাট চাই আছোঁ।' কিন্তু নাথাকিল। ভীষ্মৰ ইচ্ছামৃত্যুৰ কথা পঢ়িছোঁ; কিন্তু তেওঁৰ ইচ্ছামৃত্যু দেখিছোঁ। কাৰো ওপৰত কেতিয়াও নিৰ্ভৰ নকৰা মানুহজন অক্ষম হৈ জীয়াই থাকিব নুখুজিলে।

সকলো কাঠিন্যৰ অন্তৰালত গোস্বামী তেওঁৰ শিশুৰ দৰে সৰল মনৰ স্থিতি মই সকলো সময়তে অনুভৱ কৰিছিলোঁ। শেষলৈ তেওঁ বোধহয় প্ৰকৃততেই শৈশৱলৈ উভতি গৈছিল। Wintope হাস্পতালত থাকোতে এদিন কঁপা কঁপা হাতেৰে কিবা লিখিবলৈ চেষ্টা কৰি আছিল। মই গৈ পোৱাত মোক লিখি যাবলৈ ক'লে। লিখিবলৈ লওঁতে মাত্ৰ দুটা শব্দহে ক'ব পাৰিলে—little children — কথাখিনি অসমাপ্ত হৈয়েই থাকিল। মোৰ হাতত জোৰেৰে খামুচি ধৰা তেওঁক মোৰ নিচেই সৰু ল'ৰা যেন লাগিছিল। কৈছিলোঁ ঃ 'আপুনি ওৰে জীৱন মুখা এখন পিন্ধি থাকিল। শেষলৈ মুখাখনেই মুখ হৈ গ'ল।' হাঁহিৰ নিচিনা অস্পষ্ট ৰেখা এডাল বিৰিঙি উঠিছিল তেওঁৰ মুখত। শেষলৈ ঘৰত দুদিনমান মোৰ হোৱাজী

জুনুজুনিক কিতাপ পঢ়ি শুনাবলৈ কৈছিল। এদিন Thomas Dekker-ৰ The Shoemaker's Holiday খন পঢ়ি শুনাবলৈ ক'লে। কিতাপখন নাপালোঁ। সেইখন অনুবাদ কৰিবলৈ মন আছিল বুলি ছাৰে ক'লে।

বাহ্যিক বিৰক্তি আৰু অসন্তুষ্টিৰ আঁৰত গোস্বামী ছাৰে জীৱন আৰু পৃথিৱীক কিমান ভাল পাইছিল নিজে জানিছিল নে নাই ক'ব নোৱাৰোঁ। মই এই অস্থিৰ আৰু অসহিষ্ণু মানুহজনৰ মাজত এজন সম্পূৰ্ণ আৰু আদৰ্শ মানুহ লগ পাইছিলোঁ। ছাৰৰ দৰে মানুহ নেতাৰ শাৰীলৈ উঠিবলৈ নোখোজে।

—o—

পক্ষী বিজ্ঞানী প্ৰফুল্লদত্ত গোস্বামী

ভুৱনেশ্বৰ শৰ্মা

ড০ প্ৰফুল্লদত্ত গোস্বামীৰ লগত আমাৰ দ'বা কালত তেখেতৰ কৃতি *বিলাতী হোজাৰে* চিনাকি হোৱা মনত পৰে। এইদৰে সুদীৰ্ঘকাল পাৰ হোৱাৰ পিছত প্ৰাকৃতিক সাহিত্য গোষ্ঠীৰ উদ্যোগত প্ৰকাশ পাবলগীয়া অসমীয়া ভাষাৰ একমাত্ৰ প্ৰাকৃতিক আলোচনী 'ঋতু'খনত কাৰ কাৰ লিখনী প্ৰকাশ কৰিলে ভাল হ'ব বুলি মুখ্য উপদেষ্টা বৰেণ্য কবি নৱকান্ত বৰুৱাৰ কাষ চাপিলোঁ। বৰুৱাদেৱে পোনচাটে ক'লে যে চেনীকুঠি পাহাৰত এজন চৰাই সম্পৰ্কে জনা বিজ্ঞানী লোক আছে। তেখেতেই প্ৰথমখন চৰাই সম্পৰ্কীয় পুথি 'চৰাই বিনন্দীয়া' লিখাৰ কথা ক'লে আৰু লিখনী বিচৰাৰ উপদেশো দিলে। দুৰ্ভাগ্যৱশতঃ সেই সময়ত অৰ্থাৎ ১৯৮৫ চনত তেখেতক বিচাৰিলোঁ যদিও উলিয়াব পৰা নগ'ল। তাৰ পিছত বন্ধুবৰ চন্দ্ৰকান্ত মজিন্দাৰ বৰুৱাইয়ো (অধীক্ষক অভিযন্তা, জলসিঞ্চন) মোক তেখেতৰ চৰাই সম্পৰ্কীয় লিখা দিওঁতে গোস্বামীদেৱৰ কথা কৈছিল আৰু তেখেতৰ লগত চিঠিৰে যোগাযোগ কৰি চৰাইৰ অসমীয়া নাম লিখাত সহায়ক হ'ব বুলি বিচাৰিব কৈছিল। তাৰ পিছত শ্ৰদ্ধেয় কবি মেঘৰাম পাঠকৰ আদ্যশ্ৰাদ্ধ উপলক্ষে নিমন্ত্ৰণ ৰক্ষা আৰু প্ৰাকৃতিক কবি সন্মিলনৰ শোকবাৰ্তা তথা সমবেদনা জনাব যাওঁতে শ্ৰদ্ধেয় ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য ছাৰক লগ পালোঁ। আৰু 'আজি চৰাইক চৰাই মিলাই দিওঁ' বুলি কৈ মোৰ আৰাধ্য ব্যক্তি ড০ গোস্বামী ছাৰৰ সৈতে অন্তৰঙ্গভাৱে চিনাকি কৰি দিয়ে। তৎমুহূৰ্তবেপৰা মোক তেখেতৰ কাষত বহাই লৈ এটাৰ পিছত এটাকৈ চৰাইৰ নামকে বিশ্লেষণ কৰিব ধৰিলে। মই দিয়া নাম– ৰাজধনেশ, (Great Pied Hornbill), মালীনি ধনেশ (Wreathed Hornbill), নিশাচৰ বগলী (Night heron), ফুটুকী কপৌ (Spotted Dove) নামবোৰ উপযুক্ত হোৱা বুলি ক'লে। তেতিয়া মই 'হোটি টি টি'কৈ চিঞৰি ফুৰা চৰাইটোৰ অসমীয়া নাম সোধোতে তেখেতে টিটিয়ালি (Red Wattled Lapwing) বুলি ক'লে। 'ট্ৰি স্পেৰো'ক কি বুলিম সোধোতে গছচিৰিকা (Tree Sparrow) বুলি ক'লে। তেনেদৰে Warbler ক গীতাল নাম দিছে। (Babbler) বোৰক গোলমলীয়া বুলিছে। সেয়ে আমি সকলোবোৰ 'বেব্‌লাৰ'ক সাতভনী/

সাতভাই বুলি নকৈ গোলমাল লগাই কুৰা বিধক গোলমলীয়া লিখিবও পাৰোঁ বুলি কৈছিল। সাধাৰণতে লিখাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা বান কুৰিকা(Pold Manah) ক কাৰ্যৰূপত ব্যৱহাৰ কৰা গৰে শালিকাও ক'ব পাৰি বুলি কৈছিল; বিটো নাম থকৰাভাৱে কোৱাও হয়। ঠিক এনেদৰে প্ৰায় এক-ডেৰ ঘণ্টা চৰাইৰ আলোচনা কৰাৰ পিছত মোক তেখেতৰ ঘৰলৈ লৈ গ'ল আৰু এখন বঙালী চৰাইৰ পুথি 'পাখিৰ সংসাৰ' উপহাৰ দিয়ে। তেখেতে তাত থকা সময়ত পক্ষীবিদ ড০ ছেলিম আলিয়ে দিয়া চিঠি এখন পঢ়ি শুনায় আৰু মোৰ হাতত অৰ্পণ কৰে। তাৰ পিছত আগতে কৈ অহা মজিন্দাৰ বৰুৱাৰ চিঠি এখনো দেখুৱালে। অৱশেষত আক্ষেপ কৰি ক'লে যে 'চৰাই বিনন্দিয়া'খন লিখাৰ ছয়-সাত বছৰ পিছতো কোনো এজন অসমীয়া প্ৰকাশকে সহায় অথবা প্ৰকাশৰ মনোভাব নল'লে যদিও এক বঙালী ভদ্ৰলোক ওৰিয়েণ্টেল বুক কোম্পানীৰ শ্ৰীদুৰ্গাপদ ৰায় চৌধুৰীয়ে পোন প্ৰথমে ১৯৬৯ চনত প্ৰকাশ কৰি উলিয়ায়। কিতাপখনৰ দ্বিতীয় সংস্কৰণটি হাতীগাঁৱৰ গোলক ৰায় মেধী স্মৃতি প্ৰকাশনে বহুত পলমকৈ হ'লেও ১৯৯৪ চনত প্ৰকাশ কৰিছে। অহাৰ আগে আগে পুনৰ চাতক, সখীয়তী, কৃষ্ণপক্ষী, বালিঘোৰা, মাটিভুৰি, ফণি কটৰা, নাকবালি, কাণঠুকি, ফুলচুহি/ফুলচুকি আদিৰ বিষয়ে আলোচনা কৰি ছাৰৰ কাৰবপৰা মেলানি মাগিলোঁ। অহাৰ সময়ত উত্তৰ পুৰুষৰ বাবে কামত অহাঁকৈ চৰাইৰ কথা লিখি থাকিবলৈ ক'লে আৰু যি সময়ত যি চৰাই য'ত দেখা যায় তাক 'নোট' কৰি যোৱাৰ উপদেশ দিলে।

অসমীয়া ভাষাত কোনোকালে চৰাইৰ পুথি নথকা অৱস্থাত *চৰাই বিনন্দিয়া* কিতাপখনে এটি ডাঙৰ অভাৱ পূৰণ কৰি থৈছে। কিতাপখনত তেখেতে প্ৰায় ষাঠিবিধ চৰাইৰ বৰ্ণনা ছাত্ৰ-ছাত্ৰীৰ বাবে দিয়া বুলি কৈছে। প্ৰকৃতাৰ্থত ই নতুন পুৰুষলৈ পক্ষী-প্ৰেম জগাই তোলাত উদগনি যাচিছে। অনুসন্ধিৎসুসকলক এই পুথিৰ যোগেদি শতাধিক চৰাইৰ বিষয়ে জনাৰ সুযোগ দিছে। পুথিখনিৰ ভূমিকাৰ প্ৰথম কলমতে বিহুনামৰ যোগেদি হাবি-বন, পশু-পক্ষীৰে গঠিত পৰিৱেশৰ সৈতে যে, মানৱৰ এক নিবিড় আৰু অন্তৰংগ সম্পৰ্ক আছে তাকো সম্যক ৰূপত বুজাব পাৰিছে। ইয়াৰ উপৰিয়ো বিহগী কবিৰ কবিতাৰ পংক্তি, পুৰণি গীত-মাতত সঘনে উল্লেখ থকা কুলি-কেতেকীৰ সমধুৰ স্বৰ, শালিকীৰ প্ৰবাদ, বিভিন্ন অঞ্চলৰ বিহুনামত বিহঙ্গ কুলৰ স্থিতি, চেমনীয়াৰ গীত-মাতত প্ৰকাশ পোৱা বগলীৰ হাত্ত নিয়া কথা, বেঙেনা গছত ভৌকা বথা কপৌৰ কথা, হেট্টুলুকাৰ নাম, বাঁঢ়েটোকাৰ পাখি জোকাৰি বান্দৰ পোৱালী নিয়া কথাৰ উপৰি চৰাইবোৰ যে মানুহৰ পৰম বন্ধু তাক পতিয়ন নিয়াত সফল হৈছে। প্ৰায়বোৰ চৰাইৰে ৰঙৰ সঠিক বৰ্ণনা, খাদ্য, চাল-চলন, জোখ-মাখ, চৰিত্ৰ, যুঁৰীয়া জীৱনৰ বৈশিষ্ট্য, বংশ বিস্তাৰৰ প্ৰক্ৰিয়া, বায়বিক দৃষ্টিভঙ্গী আদি সহজ-সৰল ভাষাৰে লিপিবদ্ধ কৰি বিজ্ঞানৰ কথাবোৰ সাহিত্যৰ ৰূপত লিখি এজন সফল শিশু সাহিত্যিকৰ ৰূপত ধৰা দিছে। শেহতীয়াকৈ চৰাইৰ অসমীয়া নামকৰণ কৰি থকা বৈঠকবোৰত গোস্বামীদেৱৰ উপদেশবাজিয়ে বিহঙ্গপ্ৰেমী সকলক অনুপ্ৰেৰণা যোগাই আহিছে।

—●—

GOVT. OF ASSAM
C. No
LIBRARY

জনকৃষ্টি-সাধক প্ৰফুল্লদত্ত গোস্বামী আৰু অসম জনকৃষ্টি সমাজ

নবীন চন্দ্ৰ শৰ্মা

ডঃ প্ৰফুল্লদত্ত গোস্বামীয়ে ক্ৰান্তিকাৰী উপন্যাস, বুদ্ধিনিষ্ঠ গল্প, মনোজ্ঞ ভ্ৰমণ কাহিনী, বস্তুনিষ্ঠ জীৱনী, নিৰপেক্ষ আৰু যুক্তিনিষ্ঠ সমালোচনা গ্ৰন্থ তথা ঐতিহাসিক তথ্য সমৃদ্ধ বিশ্লেষণমূলক গ্ৰন্থ-প্ৰবন্ধ ৰচনা কৰিলেও, তেওঁ মুখ্যতঃ জনকৃষ্টি বা লোক-সংস্কৃতিৰ সাধকহে। দক্ষিণ কামৰূপৰ এনে এটি পৰিৱেশত তেওঁৰ জন্ম হৈছিল— যিটো পৰিৱেশে তেওঁক জনসংস্কৃতিৰ সাধকৰূপে অৱতীৰ্ণ হোৱাত তাৎপৰ্য্যপূৰ্ণ সমল আগবঢ়াইছিল। নহিৰা গাঁৱত তেওঁৰ জন্ম হৈছিল— নহিৰাৰ ভৌগোলিক অৱস্থিতি, প্ৰাকৃতিক পৰিৱেশ, গাঁওখনৰ কাষেৰে বৈ যোৱা নৈখন, ওচৰতে থকা আৰিমত্ত ৰজাৰ বিশাল পুখুৰী 'ৰাজাপুখুৰী', 'ৰাজাপুখুৰী'ৰ মায়াভৰা চাৰিওটি পাৰ, নাতিদূৰত থকা পাহাৰখন, ওখ ওখ গছ-বিৰিখ, বিবিধ পুষ্প-কুসুম, অৱগুণ্ঠিত লতা-লতিকা, ওখ ওখ গছ-বিৰিখত পখি বিহগ-বিহগীয়ে সুললিত ৰাগিণীৰে গোৱা অবুজ গীত, জীৱ-জন্তু, ৰ'দ-বতাহ-বৰষুণ, মাটি-পানী-আকাশ আদিয়ে ডঃ গোস্বামীৰ মনৰ মাজুলীত আলোড়নকাৰী গঞ্জাকৃতি বা গঞ্জা বাইজৰ আচাৰ-ব্যৱহাৰৰ প্ৰতি ক'ব নোৱাৰাকৈয়ে আকৰ্ষণৰ বীজ ৰোপন কৰিছিল। এই প্ৰসংগত তেওঁৰ আবুৱেক (আইতাক), আতাক (ককাক), পৰিয়ালৰ আন আন সদস্যৰ ভূমিকাও অস্বীকাৰ কৰিব নোৱাৰি। দ্বিতীয়তে, ডঃ গোস্বামীৰ ওপজা গাঁওখন, সেই গাঁওখনৰ অধিবাসী, তেওঁলোকৰ সাংস্কৃতিক আচৰণ, তেওঁলোকৰ ভৌতিক সংস্কৃতি আদিৰ প্ৰতি আছিল তেওঁৰ গভীৰ আস্থাশীল আৰু সহানুভূতিশীল আকৰ্ষণ; অথচ শিশুকালতেই তেওঁ সেই গাঁওখন এৰিব লগা হৈছিল— অৱস্থাৰ মেৰপাকত; কিন্তু নহিৰাৰ স্মৃতি তেওঁ মুহূৰ্তৰ বাবেও পাহৰিব নোৱাৰিলে (ডঃ গোস্বামীৰ লেখাত নহিৰাৰ স্থান মন কৰিবলগীয়া) আৰু সেই স্মৃতিয়েই বয়স আগবঢ়াৰ লগে লগে সাংস্কৃতিক চেতনাৰ ৰূপত আত্মপ্ৰকাশ কৰি ডঃ গোস্বামীক জনকৃষ্টিৰ অগ্ৰণী সাধক ৰূপত প্ৰতিষ্ঠা কৰালে। ব্ৰাহ্ম মুহূৰ্তত ভূমাৰ সন্ধান পোৱাৰ দৰে ক্ৰমাগত দুৰ্বৰ সংক্ৰমণ নহিৰাৰ সেই পচলা খাই ভাতপোৱা আৰু পোৰা মাছ খাই তৃপ্তি পোৱা আন ৰাইজৰ লগত প্ৰায়ে মিল নথকা মানুহখিনিৰ সাংস্কৃতিক ক্ৰমবিৱৰ্তন সম্পৰ্কে সজাগ হৈ উঠিছিল নহিৰাৰ (গুৱা) ভূমাৰক্ষণ

আমেৰিকাৰ ইণ্ডিয়ানা ইউনিভাৰছিটি পৰ্যন্ত। নহিবাক কেন্দ্ৰ কৰি শুভাকাংক্ষী হোৱা সাধনাৰ অন্তৰালত আছিল মাটিৰ মোহ, জীৱনৰ মোহ, জীৱনকৃতিৰ প্ৰতি আকৰ্ষণ আৰু সাংস্কৃতিক চেতনা। সাংস্কৃতিক চেতনা নাথাকিলে, সংস্কৃতিৰ ধাৰক আৰু বাহকসকলকো ভাল পোৱা নাযায় আৰু সেই ধাৰক আৰু বাহকসকলৰ আবাসভূমি অৰ্থাৎ ভৌগোলিক সীমাৰেখাৰে আৱদ্ধ বা সীমিত কোনো এটি অঞ্চল বা ৰাজ্য বা প্ৰদেশ বা দেশক ভাল পোৱা নাযায়। মানৱ-প্ৰীতি, প্ৰকৃতি প্ৰীতি, জীৱ-জন্তু প্ৰীতি আদি সদগুণ নাথাকিলে যথাৰ্থতে জনকৃষ্টিৰ সাধক হ'ব নোৱাৰি। ড০ প্ৰফুল্লদত্ত গোস্বামী ছাৰৰ এই আটাইকেইটা গুণেই আছিল। তেওঁ মানুহ অৰ্থাৎ সাধাৰণ আৰু গঞা বাইজক নিস্বাৰ্থভাৱে ভাল পাইছিল। নগৰৰ 'নাগৰ'তকৈ গাঁৱৰ অকৃত্ৰিম গঞা লোকে গোস্বামীদেৱৰ সহানুভূতি লাভ কৰিছিল— তুলনামূলকভাৱে অধিক। গাঁৱলৈ গ'লে তেওঁ সদায় এটা টোকাবহী লৈ গৈছিল আৰু প্ৰয়োজনীয় কথা বা সমল আদি সেই বহীত টুকি থৈছিল আৰু সেইবোৰ কামত লগাইছিল। টোকাবহীটোৰ লগতে তেওঁ নিৰ্বলৈ পাহৰা নাছিল আলোক চিত্ৰ গ্ৰহণ কৰা যন্ত্ৰ অৰ্থাৎ কেমেৰাটো। প্ৰয়োজন অনুসৰি বিভিন্ন অনুষংগত তেওঁ আলোকচিত্ৰ লৈছিল। জনকৃষ্টি চৰ্চাকাৰীৰ বাবে আলোকচিত্ৰ গ্ৰহণ কৰা যন্ত্ৰ ব্যৱহাৰত দক্ষতা অতিকৈ প্ৰয়োজনীয়। গোস্বামী ছাৰ আছিল এগৰাকী সুদক্ষ ফটোগ্ৰাফাৰ।

জনকৃষ্টি-চৰ্চাকাৰীৰ বাবে ক্ষেত্ৰ অধ্যয়ন অতিকৈ প্ৰয়োজনীয়। ক্ষেত্ৰ সমল অবিহনে জনকৃষ্টিৰ কোনো এটা শাখাৰ উপশ্ৰেণীৰ প্ৰণালীবদ্ধ আৰু সুসংবদ্ধ আলোচনা কৰিব নোৱাৰি। গোস্বামী ছাৰে গাঁৱে-ভূঞে, চহৰে-নগৰে ঘূৰি অতিশয় আনন্দ লাভ কৰিছিল। যোগাযোগ বা যাতায়াতৰ ব্যৱস্থা নথকা অহিনকোণলৈ খোজকাঢ়ি যাবলৈও তেওঁ কোনো দিনে কুণ্ঠিত হোৱা নাছিল। যিখন গাঁৱলৈ তেওঁ গৈছিল সেই গাঁৱৰ প্ৰায়বিলাক বয়স প্ৰবীণ পুৰুষ আৰু মহিলাৰ সৈতে আপোনজনৰ দৰে সহানুভূতিৰ সৈতে তেওঁ কথা-বাৰ্তা পাতিছিল আৰু সেইসকল লোকৰপৰা জনসাংস্কৃতিক সমল সংগ্ৰহ কৰাৰ উপৰিও তেওঁলোকৰ ঘৰত থকা বিবিধ ভৌতিক সংস্কৃতিগত উপাদানবাজি, যেনে : সাঁচিপাত আদিত লিখা পুৰণি পুথি, তাম্ৰলিপি, পুৰণিকলীয়া মুদ্ৰা, অলংকাৰ-পাতি, পৰম্পৰাগত পোছাক-পৰিচ্ছদ, কণি-কাঁকে, বাচন-বৰ্তন, অস্ত্ৰ-শস্ত্ৰ আদি তন্ন তন্নকৈ চাই-মেলি একোটা টোকা লিখি লৈছিল আৰু প্ৰয়োজন মতে আলোক চিত্ৰও লৈছিল। খোৱাৰ বিষয়তো তেওঁ পৰম্পৰাগত অসমীয়া খাদ্য বিশেষকৈ পোৱা, সেকা, পাতত দিয়া আঞ্জা, বৰা আৰু চাউলৰ ভাত, ম'হৰ দৈৰ সৈতে বোকা চাউল, কোমল চাউল, পনা, চুঙা পিঠা, তিলৰ লাৰু আদিৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈছিল। আধুনিকতাৰ সৈতে নিবিড় সম্পৰ্ক আৰু সম্বন্ধ ৰক্ষা কৰিবলগীয়া হৈও তেওঁ মনে-চিত্তে আৰু কচিয়ে বোল অনাই জন-গণ-মনৰ সৈতে সম্পৃক্ত হৈ আছিল।

ইংৰাজী সাহিত্যৰ ছাত্ৰ হ'লেও তেওঁ জন-কৃষ্টিৰ চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণৰ

প্ৰতি আকৃষ্ট হোৱা নিতান্তই স্বাভাৱিক। ফৰাচী বিপ্লৱৰ সুদূৰ প্ৰসাৰী প্ৰভাৱৰ পৰিণতিত ইউৰোপত ৰোমাণ্টিক আন্দোলনে গা-কৰি উঠে আৰু এই আন্দোলনৰদ্বাৰা অনুপ্ৰাণিত আৰু উদ্দীপ্ত ইংলেণ্ডৰ পুৰাতত্ত্ববিদ্ আৰু জাৰ্মানদেশীয় ভাষাতত্ত্ববিদ্‌সকলে খৃঃ ঊনবিংশ শতিকাৰ আৰম্ভণিত জনসাধাৰণৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ ওপৰত সন্ধানী দৃষ্টি সম্পাত কৰিবলৈ প্ৰয়াস কৰাৰ লগে লগে জনকৃষ্টি বা লোকবিদ্যা-অধ্যয়নৰ পথ প্ৰশস্ত হৈ উঠে আৰু ইয়াৰ ফল স্বৰূপে অধ্যয়নৰ নতুন ক্ষেত্ৰ অৰ্থাৎ new field of learning ৰূপে লোকবিদ্যা বা জনকৃষ্টিয়ে আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হ'ল। ইংৰাজী ভাষা-সাহিত্যৰ অধ্যয়নৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন অঞ্চলতে ৰোমাণ্টিক জাতীয় প্ৰীতিৰ ভাৱ-আদৰ্শ প্ৰসাৰিত হৈছিল আৰু ভাৰতীয় তথা অসমীয়া শিক্ষিত ডেকাসকলৰ অন্তৰত এই ভাৱাদৰ্শই আলোড়নৰ সৃষ্টি নকৰাকৈ থকা নাছিল। স্বৰূপাৰ্থত ঊনবিংশ শতিকা ভাৰতীয় জাতিসত্তাৰ নৱজাগৰণ-নৱঅভ্যুদয় আৰু স্ব পৰিচয় প্ৰদানৰ যুগ। গতিকে অতীত প্ৰীতিয়েই হওঁক; কিম্বা জাতীয় প্ৰীতিয়েই হওঁক; অথবা ৰোমাণ্টিক জাতীয় প্ৰীতিয়েই হওঁক ইংৰাজী শিক্ষাৰে শিক্ষিত ডেকাচামৰ দুই-এজনে অনাদৃত-অৱহেলিত-বিস্মৃত প্ৰায়— লুপ্ত প্ৰায় সাংস্কৃতিক সমলৰাজি পুনৰুদ্ধাৰ কৰি সেইবোৰ প্ৰণালীবদ্ধভাৱে বিচাৰ-বিশ্লেষণ কৰি জন-গণৰ অন্তৰত জাতীয় প্ৰীতি আৰু সাংস্কৃতিক চেতনা জগাই তুলিবলৈ প্ৰচেষ্টা চলাইছিল। ইংৰাজী শিক্ষাৰে শিক্ষিত মুষ্টিমেয় কেইগৰাকীমান অসমীয়া ডেকায়ো এই বিষয়ত তৎপৰ হৈ উঠিছিল আৰু এই ডেকাসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা অন্যতম। বেজবৰুৱাৰ লগতে চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, ৰজনীকান্ত বৰদলৈ আদিৰ নামো উল্লেখযোগ্য। পৰৱৰ্তী কালৰ কেইগৰাকীমান ইংৰাজী শিক্ষাৰে শিক্ষিত ডেকা-পণ্ডিতেও বিদ্যায়তনিক দিশৰ প্ৰতি সচেতন হৈ জনকৃষ্টিৰ চিন্তা-চৰ্চা কৰিবলৈ আগবাঢ়ি আহিছিল আৰু এই সকলৰ ভিতৰত ড০ সূৰ্যকুমাৰ ভূঞা, ড০ বাণীকান্ত কাকতি আৰু ড০ বিৰিঞ্চিকুমাৰ বৰুৱা সৰ্বাগ্ৰণী। ড০ প্ৰফুল্লদত্ত গোস্বামীৰ জনকৃষ্টিৰ চিন্তা-চৰ্চাৰ উৰ্বৰ ক্ষেত্ৰ আৰু পটভূমি ৰচনাত ইংৰাজী ভাষা-সাহিত্যৰ অধ্যয়ন, বৃটিছ বিষয়া আৰু মিছনাৰীসকলৰ লোকবিদ্যাৰ সমল সংগ্ৰহ, বিচাৰ-বিশ্লেষণৰ আদৰ্শ; ড০ সূৰ্যকুমাৰ ভূঞা, ড০ বাণীকান্ত কাকতি, ড০ বিৰিঞ্চিকুমাৰ বৰুৱাৰ সংগ-সান্নিধ্য আৰু কৰ্ম প্ৰেৰণাইযে গভীৰ প্ৰভাৱ পেলাইছিল তাত মুঠেই সন্দেহ নাই। বিশেষকৈ ড০ বিৰিঞ্চিকুমাৰ বৰুৱাৰ ভূমিকা এই প্ৰসংগত বিশেষভাৱে তাৎপৰ্য্যপূৰ্ণ; যিহেতু ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে ড০ বিৰিঞ্চিকুমাৰ বৰুৱাৰ তত্ত্বাৱধান আৰু নিৰ্দেশত জনকৃষ্টিৰ বিশিষ্ট উপাদান সাধুকথা আৰু কাহিনীমূলক গীত-বিষয়ৰ গৱেষণা কৰিছিল। ড০ বিৰিঞ্চিকুমাৰ বৰুৱাৰ জনকৃষ্টি বিষয়ক চিন্তা-চৰ্চা, বিচাৰ-বিশ্লেষণৰ মনোময় কল্পনাক বাস্তৱায়িত কৰিছিল তেওঁৰ সুযোগ্য ছাত্ৰ ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে। ড০ গোস্বামী জনকৃষ্টিৰ সাধক স্বৰূপে আত্মপ্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱাৰ অন্তৰালত ড০ বিৰিঞ্চিকুমাৰ বৰুৱাৰ অৱদান বিস্ময়কৰ। স্বৰূপাৰ্থত

জনকৃষ্টিৰ চিন্তা-চৰ্চাৰ প্ৰসংগত ড০ প্ৰফুল্লদত্ত গোস্বামী আছিল যন্ত্ৰ আৰু ড০ বিৰিঞ্চিকুমাৰ বৰুৱা আছিল যন্ত্ৰী। যন্ত্ৰী স্বৰূপ দামোদৰদেৱৰ নিৰ্দেশ আৰু তত্ত্বাৱধানত কবিযন্ত্ৰ বৈকুণ্ঠনাথ ভাগৱত-ভট্টাচাৰ্যই পুৰাণ সূৰ্য্য 'শ্ৰীমদ্ভাগৱদ্ পুৰাণ' কথা বয়ে অসমীয়াত ৰচনা কৰি অসমীয়া গদ্য সাহিত্যৰ পিতৃ স্বৰূপে আত্মপ্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল; তদ্ৰূপ ড০ বিৰিঞ্চিকুমাৰ বৰুৱাৰ নিৰ্দেশ আৰু তত্ত্বাৱধানত জনকৃষ্টিৰ চিন্তা-চৰ্চাত আত্মনিয়োগ কৰি ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে জনকৃষ্টিৰ সাধক ৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে।

জনকৃষ্টিৰ পদ্ধতিগত চিন্তা-চৰ্চাৰ বাবে নৃতত্ত্ব, সমাজতত্ত্ব, ইতিহাস, সাহিত্য, ভাষা, ভূগোল আদিৰ জ্ঞান অতিকৈ প্ৰয়োজনীয়। নৃতত্ত্বৰ সম্যক জ্ঞান অবিহনে মানৱৰ উদ্ভৱ-বিকাশ আৰু আচৰণৰ বিষয়ে জনা নাযায়। জনকৃষ্টিৰ সৈতে মানৱৰ উদ্ভৱ-বিকাশ আৰু আচৰণৰ সম্পৰ্ক অতিকৈ গভীৰ। গতিকে জনকৃষ্টিৰ পদ্ধতিগত পৰিশীলনৰ বাবে নৃতত্ত্বৰ অধ্যয়ন অপৰিহাৰ্য্য। তেনেদৰে পৰিয়াল, সমাজ, সামাজিক অনুষ্ঠান, সামাজিক অন্যোন্যক্ৰিয়া আদিৰ অৰ্থাৎ সমাজতত্ত্ব বা ছছিঅ'লজিৰ বিস্তৃত অধ্যয়ন ব্যতিৰেকে জনকৃষ্টিৰ চিন্তা-চৰ্চা কৰা বাস্তৱিকতে টান। সেইদৰে ইতিহাস, ভূগোল, ভাষা, সাহিত্য আদিৰ গভীৰ জ্ঞান নহ'লেও জনকৃষ্টিৰ নিৰ্ভুল আৰু সাৰ্থক অনুশীলন কৰা সহজ নহয়। নৃতত্ত্ব, সমাজতত্ত্ব, ইতিহাস, ভূগোল, ভাষা-সাহিত্যত ড০ গোস্বামীৰ আছিল গভীৰ দখল। ইয়াৰ বাহিৰেও জ্যোতিষ, পুৰাতত্ত্ব, চিত্ৰবিদ্যা, পক্ষী বিজ্ঞান আদিতো তেওঁৰ আছিল দক্ষতা। সাংস্কৃতিক চেতনা, জাতীয় প্ৰীতি, কৃত্যবিদ্য পুৰুষৰ সংগ-সান্নিধ্য, লোকবিদ্যাৰ সৈতে সম্পৰ্ক যুক্ত বিভিন্ন বিষয়ৰ জ্ঞান আদিৰ সমাহাৰত ড০ প্ৰফুল্লদত্ত গোস্বামীৰ জনকৃষ্টি-সাধনাৰ বুনিয়াদ নিৰ্মিত হৈছিল আৰু এই একনিষ্ঠ সাধনাই পৰিশেষত তেওঁক সাধক ৰূপে প্ৰতিপন্ন কৰালে। আমাৰ এই মন্তব্যৰ সত্যতা প্ৰমাণৰ বাবে বেছি দূৰলৈ যাব নালাগে; তেওঁৰ গৱেষণা গ্ৰন্থখনিয়েই ইয়াৰ বাবে যথেষ্ট। ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে জনকৃষ্টি বিষয়ত গৱেষণা কৰাৰ সময়ত সমগ্ৰ ভাৰতত এই বিষয়ত গৱেষণা কৰা পণ্ডিতৰ সংখ্যা তেনেই নগণ্য। তেতিয়াৰ অসমত (বৰ্তমানৰ অসম, অৰুণাচল, মেঘালয়, নগাভূমি, মণিপুৰ, মিজোৰাম আদি) জাতি-জনজাতি উভয় সমাজতে প্ৰচলিত সাধুকথা আৰু বেলেড বা কাহিনী-গীতবোৰ বিভিন্ন উৎসৰপৰা সংগ্ৰহ কৰি সেইবোৰৰ তাত্ত্বিক বিচাৰ-বিশ্লেষণ আমেৰিকাৰ জগৎ প্ৰসিদ্ধ লোকবিদ্যাবিদ্ আৰ্চি-আৰণে আৰু ষ্টিথ থম্পছনৰ আৰ্দশ অনুসৰি অধ্যয়ন কৰিছিল। বেৰিয়াৰ এলউইন, ষ্টিথ থম্পছন আদিৰ দৰে প্ৰথিত যশা লোকবিদ্যা চৰ্চাকাৰী পণ্ডিত সকলে ড০ গোস্বামীৰ এই গৱেষণা গ্ৰন্থখন ভূয়সী প্ৰশংসা কৰিছে। বেৰিয়াৰ এলউইনৰ ভাষাত : "It (the thesis) reveals considerable reading in the general and international literature of this subject. It shows exceptional powers of the organization of comparative material in a clear and readable manner."

ভাৰতৰ পণ্ডিতসকলৰ মাজতেই নহয় পৃথিৱীৰ প্ৰসিদ্ধ পণ্ডিতসকলৰ মাজতো

ড০ গোস্বামীৰ গৱেষণা গ্ৰন্থখনিয়ে সমাদৰ লাভ কৰিছে। গৱেষণা গ্ৰন্থখনিৰ প্ৰকৃত নাম *A Study of Assamese Folklore of Assam : The Ballads and the Märchen* । অৱশ্যে গৱেষণা গ্ৰন্থখন*Ballads And Tales of Asasam* ৰূপতহে ছপা হয় (১৯৬০)। ড০ প্ৰফুল্লদত্ত গোস্বামীৰ এই গৱেষণা গ্ৰন্থখনেই গুৱাহাটী বিশ্ববিদ্যালয়ত দাখিল কৰা প্ৰথম গৱেষণা গ্ৰন্থ। ড০ গোস্বামীৰ গৱেষণা গ্ৰন্থখনি কেইবাটাও দিশৰপৰা তাৎপৰ্য্যপূৰ্ণ। তেওঁ যদি আন কোনো জনকৃষ্টি বিষয়ক গ্ৰন্থ ৰচনা নকৰিলেহেঁতেন; তথাপি *Ballads And Tales of Assam* গ্ৰন্থখনেই তেওঁক নিৰৱধিকাল আৰু বিপুলা পৃথিৱীত জনকৃষ্টিৰ সাধক স্বৰূপে প্ৰতিষ্ঠা কৰিবৰ বাবে যথেষ্ট হ'লহেঁতেন। কিন্তু ড০ গোস্বামী সিমানতে ক্ষান্ত নাথাকিল। জনকৃষ্টিৰ চিন্তা-চৰ্চা কেৱল অতীত প্ৰীতিৰ পৰিসীমাতে আৱদ্ধ নাৰাখি বিদ্যায়তনিক দিশৰ ফালৰপৰা জনকৃষ্টিৰ চিন্তা-চৰ্চাৰ পৰিৱেশ নিৰ্মাণ কৰাৰ উদ্দেশ্যেৰে গুৱাহাটী বিশ্ববিদ্যালয়ত লোকসংস্কৃতি গৱেষণা বিভাগ প্ৰতিষ্ঠা কৰিবৰ বাবে হাতীপুৰ দি লাগিল, অৱশেষত তেওঁ লাভ কৰিলে কৃতকাৰ্য্যতা। তেওঁৰ বহুবৰ্ষী সপোন যেন দিঠকত পৰিণত হ'ল। ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত লোক-সংস্কৃতি বিভাগ প্ৰতিষ্ঠিত হয়। সেই সময়ত ভাৰতৰ কোনো বিশ্ববিদ্যালয়তে লোক-সংস্কৃতি বা Folklore -ৰ সুকীয়া বিভাগ নাছিল। ড০ গোস্বামীয়েই গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি বিভাগৰ প্ৰথম প্ৰফেছাৰ আৰু বিভাগীয় প্ৰধান।

ড০ গোস্বামীয়ে জনকৃষ্টিৰ চিন্তা-চৰ্চা আৰু বিচাৰ-বিশ্লেষণত তাৎপৰ্য্যপূৰ্ণ অৱদান আগবঢ়ালে গৱেষণাৰ মাধ্যমেৰে। তেওঁৰ নিৰ্দেশনা আৰু পৰিচালনাত ৮ জন পণ্ডিতে ডক্টৰেট ডিগ্ৰী লাভ কৰিলে আৰু এইদৰে জনকৃষ্টিৰ গৱেষণা-পৰম্পৰাই বিজয় লাভ কৰিলে। ড০ গোস্বামীৰ তত্ত্বাৱধানত ডক্টৰেট ডিগ্ৰী লাভ কৰা প্ৰথম পণ্ডিতজনহে বীৰেন্দ্ৰনাথ দত্ত, যি গৰাকী পণ্ডিতক গোস্বামীৰ সুযোগ্য উত্তৰাধিকাৰী ৰূপে আখ্যা দিয়া হয়। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত জনকৃষ্টি বিষয়ক গৱেষণাৰ যি এক প্ৰবল আলোড়ন জাগৃত হৈছে— তাৰ অন্তৰালত আছে ড০ গোস্বামীৰ মূলীভূত প্ৰেৰণা। সেইবাবেই অকল উত্তৰ-পূব ভাৰতৰেই নহয়, ভাৰতৰ বিভিন্ন প্ৰান্তৰ লোকতত্ত্ববিদসকলে বিশেষকৈ ডেকাচাম লোকতত্ত্ববিদে গোস্বামীক 'গুৰু' স্বৰূপেহে সন্মান কৰে।

গোস্বামীৰ জনকৃষ্টিগত সাধনাৰ পৰিসৰ কেৱল অসম তথা ভাৰতৰ ভৌগোলিক সীমাৰেখাৰ মাজতে সীমিত নহয়— আন্তৰ্জাতিক ক্ষেত্ৰ পৰ্যন্ত বিস্তৃত। ১৯৬৬ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ব্লুমিংটন নগৰত প্ৰতিষ্ঠিত জগতপ্ৰসিদ্ধ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ৰ দ্বাৰা ভিজিটিং প্ৰফেছৰ ৰূপে আমন্ত্ৰিত হৈ তেওঁ ভাৰতৰ জনকৃষ্টি বিষয়ক এলানি বক্তৃতা প্ৰদান কৰিছিল। লোকবিদ্যাৰ সফল বিচাৰি তেওঁ পৃথিৱীৰ বিভিন্ন দেশত দীঘদিন ঘূৰি ভ্ৰমণ কৰি মনৰ পৰিধি, জ্ঞানৰ দিগন্ত বিস্তাৰ কৰাৰ উপৰিও বিভিন্ন পণ্ডিতৰ সান্নিধ্যলৈ আহিবলৈ সক্ষম হৈছিল। নেপাল আৰু ভূটানলৈও তেওঁ গৈছিল। ভূটানৰ [illegible] সংৰক্ষিত

'দৰ্জ' নামৰ এটি যন্ত্ৰৰ আলোকচিত্ৰ সংগ্ৰহ কৰি আনি তেওঁ মোক দি ব্যাস-ওজাপালিৰ 'তৌৰ্য্যত্ৰিক-যন্ত্ৰ' বা 'মুদ্ৰা'ৰ সৈতে মিলাই চাবলৈ নিৰ্দেশ দিছিল।

গোস্বামীৰ জনকৃষ্টি-সাধনাৰ প্ৰকৃষ্ট পৰিচায়ক তেওঁৰদ্বাৰা ৰচিত আৰু সম্পাদিত গ্ৰন্থসমূহ। ইংৰাজী আৰু অসমীয়া ভাষাত ৰচিত জনকৃষ্টি বিষয়ক তেওঁৰ গ্ৰন্থবিলাকৰ মাধ্যমেৰেই স্বৰূপাৰ্থত লোকবিদ্যাই এই অঞ্চলত নৱজীৱন লাভ কৰে। Folk-Literature of Assam (1954), Bihu Songs of Assam (1957), The Spring time Bihu of Assam (1966), The Indian Chapter in Folktales Told Around the world (Published by the University of Chicago Press, 1975), Songs and Tales of North-East India (1976), Tales of Assam (1980), Essays on the Folklore and Culture of North-Eastern India (1982), Folktales of India (Jointly ed. and Published by the University of Chicago Press (1987), Bohag Bihu of Assam and Bihu Songs (1988), আৰুFestivals of Assam (1995)— ইংৰাজী ভাষাত লিখা জনকৃষ্টি বিষয়ক গ্ৰন্থ। তেনেদৰে অসমীয়া ভাষাত লিখা তেওঁৰ জনকৃষ্টি বিষয়ক গ্ৰন্থসমূহ তলত দিয়াৰ দৰে দেখুৱাব পাৰি :

অসমীয়া জন-সাহিত্য (১৯৪৮, ৫ম সংস্কৰণ ১৯৯৪), *অসম দেশৰ সাধু* (১৯৫৫), *বাৰ মাহৰ তেৰ গীত* (১৯৬২), *মণিকোঁৱৰ আৰু ফুলকোঁৱৰ* (সম্পা. ১৯৭১), *বৰো-কছাৰী হ'ল* (সম্পা. ১৯৭৫), *ব'হাগ বিহুৰ বাবেবৰণীয়া ছবি* (সম্পা. ১৯৭৫, ১৯৯৬), *জাপানৰ জনকৃষ্টি আৰু আন আন ৰচনা* (১৯৮৪) আৰু *টেটকুটি* (১৯৮৭)।

দেশ আৰু বিদেশৰ বিভিন্ন গৱেষণামূলক আলোচনীত তেওঁ জনকৃষ্টি বিষয়ক বিবিধ প্ৰবন্ধ ইংৰাজীত ৰচনা কৰিছিল আৰু অসমৰ বিভিন্ন আলোচনী, সংবাদপত্ৰ আদিত তেওঁ অসমীয়া জনকৃষ্টি বিষয়ক প্ৰবন্ধ ৰচনা কৰিছিল।

অকল ইমানেই নহয়, জনকৃষ্টিৰ অনন্য উপাসক ড০ গোস্বামীয়ে বিভিন্নজনৰ হতুৱাই বিভিন্ন জনকৃষ্টি বিষয়ক কাম কৰাওঁ সীমাহীন আনন্দ লাভ কৰিছিল। 'ডাক-বচন' বা 'ডাক-প্ৰবচন'ৰ এটি বিশ্বাসযোগ্য পাঠ নিৰ্ণয় আৰু ডাক সম্পৰ্কীয় বিচাৰ-বিশ্লেষণ নিৰপেক্ষভাৱে সম্পাদন কৰাৰৰ বাবে ড০ গোস্বামীয়ে ইচ্ছা কৰিছিল। এই উদ্দেশ্যেৰে তেওঁ 'ডাক-বচন'ৰ এটি পাঠো নকল কৰাই থৈছিল। ১৯৮১ চনত মই গুৱাহাটী বিশ্ববিদ্যালয়ত শিক্ষক ৰূপে নিয়োজিত হওঁ। সেই বছৰতেই তেওঁ ইতিপূৰ্বে নকল কৰি থোৱা পাঠটো মোক দি কামটো কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁৰ ভাষাত :

"I had long desired that some one should take up the maxims attributed to Assam's Dak and edit them by fixing an authentic text. In fact, while I was in the Folklore Research Dept. of Gauhati University some twelve years ago, having seen a manuscript of Dak's sayings in the manuscript collection of the University had it transcribed."

ড০ গোস্বামীৰ নির্দেশ মতে কামটো সমাপ্ত কৰি তেওঁৰ হাতত তুলি দিয়াৰ প্ৰসংগত তেওঁ লিখিছিল : "Dr. Sarma has put the Assamese sayings in all-India Perspective. This is a learned study done in depth as well as extension."

অসমৰ বিহু-উৎসৱ আৰু ইয়াৰ লগত জড়িত গীত-পদ-নাচৰ বিষয়ে গৱেষণামূলক অধ্যয়ন নোহোৱা বাবে গোস্বামীয়ে ক্ষোভ প্ৰকাশ কৰিছিল। অৱশেষত তেওঁেই বিহু-উৎসৱ আৰু ইয়াৰ লগত জড়িত গীত-নৃত্য আদিৰ বিষয়ে তিনিখন গ্ৰন্থ ৰচনা কৰে। অৱশ্যে সম্প্ৰতি ড০ লীলা গগৈৰ তত্ত্বাৱধানত এজন গৱেষকে বিহু-উৎসৱৰ বিষয়ে গৱেষণা কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিছে।

সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত, কাহিনী নিৰ্মাতা আৰু কাহিনী বৰ্ণনাকাৰী অসমৰ ওজাপালিৰ বিষয়ে গৱেষণা কৰিবলৈ ড০ গোস্বামীয়ে শ্ৰীঅতুল চন্দ্ৰ বৰুৱাক পুনঃ পুনঃ অনুৰোধ কৰিছিল। শেহৰ কালে এই কামটো কৰিবৰ বাবে তেওঁ মোক কৈছিল; যদিও প্ৰবিধিগত কাৰণবশতঃ কামটো মোৰদ্বাৰা সিদ্ধ হোৱাৰ আশা নেদেখি, এখন পাণ্ডিত্যপূৰ্ণ গ্ৰন্থ ৰচনা কৰিবলৈ তেওঁ মোক নিৰ্দেশ দিয়ে। গোস্বামীৰ সেই নিৰ্দেশ প্ৰায় পালিত হৈছে আৰু ইয়াৰ মাজতে এজনে আমাৰ তত্ত্বাৱধানত এই বিষয়টোৰ ওপৰত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। ইচ্ছা পূৰ্ণ হোৱা বাবে গোস্বামীয়ে মোক আৰু ডিগ্ৰী লাভ কৰোঁতা জনক প্ৰশংসা কৰি কৈছিল : " এটি কৰিবলগীয়া ডাঙৰ কাম কৰা হ'ল।"

ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে নিজৰ চেষ্টা আৰু প্ৰচেষ্টাৰে জনকৃষ্টিৰ চিন্তা-চৰ্চাৰ অনুকূল পৰিৱেশ ৰচনা কৰি একনিষ্ঠ সাধনাত ব্ৰতীহৈ সিদ্ধি লাভ কৰিছিল বিস্ময়কৰভাৱে আৰু সেইবাবেই তেওঁ জনকৃষ্টিৰ একনিষ্ঠ সাধক।

ড০ গোস্বামী আছিল অনুষ্ঠান সদৃশ আৰু 'অসম জনকৃষ্টি সমাজ' আছিল তেওঁৰ বহিৰ্প্ৰকাশ মাথোন। অনুষ্ঠানৰ সামাজিক আৰু বিদ্যায়তনিক ভূমিকা অনস্বীকাৰ্য্য। ব্যক্তিগত চেষ্টা-প্ৰচেষ্টাতকৈ আনুষ্ঠানিক চেষ্টা-প্ৰচেষ্টাৰ গুৰুত্ব সুদূৰ প্ৰসাৰী। সংঘশক্তিৰ সহায়ত জন-সাধাৰণক অভিলষিত-পথেৰে বিদবে প্ৰভাৱান্বিত কৰিব পাৰি একক প্ৰচেষ্টাৰে নোৱাৰি। জনকৃষ্টিৰ বিজ্ঞানসন্মত চিন্তা-চৰ্চা ঊনবিংশ শতিকাৰপৰাহে আৰম্ভ হয়। জনকৃষ্টিৰ চিন্তা-চৰ্চা, বিস্তাৰণ-প্ৰসাৰণ আদিৰ প্ৰতি লক্ষ্য ৰাখি পৃথিৱীৰ বিভিন্ন অঞ্চলত জনকৃষ্টি বা ফোকল'ৰ ছোচাইটি প্ৰতিষ্ঠা কৰা হৈছিল। ১৮৩১ চনত ফিনলেণ্ডত 'ফিনিছ লিটাৰেটাৰ ছোচাইটি'(Finnish Literature Society), ১৮৭৮ চনত লণ্ডনত "ফোকল'ৰ ছোচাইটি অৱ লণ্ডন" (English Folklore Society?) ১৮৮৮ চনত আমেৰিকাত 'আমেৰিকান ফোকল'ৰ ছোচাইটি'(American Folklore Society), প্ৰতিষ্ঠা কৰা হৈছিল। ভাৰতৰ বিভিন্ন অঞ্চলতো এই জাতীয় অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপন কৰা দেখা যায়। জনকৃষ্টিৰ সাৰুৱা ভূমি স্বৰূপ অসমৰ লোক-সাংস্কৃতিক সমল ৰাজি সংগ্ৰহ, বিচাৰ-বিশ্লেষণ, সম্পাদন আৰু

প্ৰকাশন আদি উদ্দেশ্য আগত ৰাখি গুৱাহ "   'অসম জনকৃষ্টি সমাজ' নামৰ অনুষ্ঠান এটি প্ৰতি   ৰাৰ উদ্দেশ্যেৰে ১৯৬৯ চনৰ ৫ জুলাই তাৰিখে তদানীন্তন লোকসভাৰ সদস্য শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীৰ সভাপতিত্বত সাধাৰণ সভা এখন বি. বৰুৱা কলেজৰ প্ৰাংগনত অনুষ্ঠিত হৈছিল আৰু এই সভাত উপস্থিত আছিল শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, শ্ৰীফণী তালুকদাৰ, শ্ৰীঅৱনীন্দ্ৰ বৰা, শ্ৰীবীৰেন্দ্ৰনাথ দত্ত, শ্ৰীহৰেন্দ্ৰ চন্দ্ৰ ডেকা, শ্ৰীযতীন গোস্বামী, শ্ৰীঘনকান্ত চেতিয়া ফুকন, শ্ৰীদেৱেন্দ্ৰনাথ শৰ্মা, শ্ৰী কমৰাম কছাৰী, শ্ৰী প্ৰফুল্লদত্ত গোস্বামী, শ্ৰী প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য আৰু শ্ৰীমতী আলিমুন্নিছা পীয়াৰ। এখেত সকলেই আছিল 'অসম জনকৃষ্টি সমাজ'ৰ প্ৰতিষ্ঠাপক সদস্য। ১৯৭০ চনত অসম চৰকাৰৰ অধীনত 'অসম জনকৃষ্টি সমাজ' পঞ্জীভুক্ত হয়। 'অসম জনকৃষ্টি সমাজ'ৰ প্ৰথম সভাপতি আছিল ড০ প্ৰফুল্লদত্ত গোস্বামী আৰু প্ৰথম সম্পাদক আছিল ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য। প্ৰথম কোষাধ্যক্ষ আছিল শ্ৰীফণী তালুকদাৰ; শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, শ্ৰীবীৰেন্দ্ৰনাথ দত্ত, শ্ৰীযতীন গোস্বামী, শ্ৰীঘনকান্ত চেতিয়া ফুকন আৰু শ্ৰীমতী আলিমুন্নিছা পীয়াৰ আছিল কাৰ্য্যনিৰ্বাহক সমিতিৰ সদস্য।

অসম আৰু অসমৰ চুবুৰীয়া অঞ্চলবপৰা জনকৃষ্টিগত ক্ষেত্ৰ সমল সংগ্ৰহ, সেইবোৰৰ বিশ্লেষণ আৰু অধ্যয়ন, ভাৰতীয় পৰম্পৰাগত সভ্যতাৰ সমলৰ অন্বেষণ আৰু প্ৰকাশন আদি উদ্দেশ্য সাধনৰ বাবে 'অসম জনকৃষ্টি সমাজ' প্ৰতিষ্ঠা কৰা হৈছে।

প্ৰফুল্লদত্ত গোস্বামীয়ে সভাপতি হিচাবে 'অসম জনকৃষ্টি সমাজ'ৰ দেহত প্ৰাণ প্ৰতিষ্ঠা কৰি গতিশীলতা প্ৰদান কৰে। তেওঁ সভাপতি হৈ থকা কালছোৱাত কেইবাগৰাকী পাৰংগত পণ্ডিতে বিভিন্ন সময়ত 'অসম জনকৃষ্টি সমাজ'ত জনকৃষ্টি বিষয়ক বক্তৃতা প্ৰদান কৰে। সভাপতি গোস্বামী নিজেই 'জনকৃষ্টি' সম্পৰ্কে এটি তত্ত্বীয় বক্তৃতা দিয়ে। শ্ৰীৰাজেন ৰাভা, শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, শ্ৰীমতী আলিমুন্নিছা পীয়াৰ, অধ্যাপক তফজ্জুল আলি, ড০ হেমন্ত কুমাৰ শৰ্মা, শ্ৰীৰাম গোস্বামী, শ্ৰীমনেশ্বৰ দেউৰী, ড০ ৰবীন্দ্ৰ শৰ্মা আৰু শ্ৰীৰমণী বৰ্মনে ক্ৰমে 'ৰাভা জনজাতি', 'ওজাপালি', 'অসমীয়া সংস্কৃতিত ইছলামীয় প্ৰভাৱ', 'মংগলদৈ অঞ্চলৰ গীত-পদ', 'কামৰূপ জিলাৰ গীত-মাত', 'সুগন্ধি প্ৰসাধন', 'তিৱা লোকানুষ্ঠান', 'কামৰূপীয়া ঢুলীয়া (১)' আৰু 'কামৰূপীয়া ঢুলীয়া (২)' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। এই সময়ছোৱাৰ ভিতৰতেই 'অসম জনকৃষ্টি সমাজ'ৰ তৰফৰপৰা ড০ গোস্বামীৰ সম্পাদনাত 'ব'হাগ বিহুৰ বাবেৰবণীয়া ছবি', Songs and Tales of North-Eastern India", 'টেটোঁকুঁটি'; ড০ বীৰেন্দ্ৰনাথ দত্তৰদ্বাৰা ৰচিত A Bibliography of Folklore Material of Assam And Adjoining Areas", জে. ডি. এণ্ডাৰছন-ৰ "Kachari Folktales and Rhymes" আদি গ্ৰন্থ ছপা হয়। সভাপতি ড০ গোস্বামীয়ে যে 'অসম জনকৃষ্টি সমাজ'ৰ সাংগাঠনিক আৰু বিদ্যায়তনিক উভয় দিশতে সমানে গুৰুত্ব দি আনুষ্ঠানিক প্ৰাণ চাঞ্চল্য আৰু কাৰ্য্যসক্ষম কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল তাত অকণো সন্দেহ নাই।

ইংলেণ্ডত 'Folklore Society of London' আৰু আমেৰিকাত 'American Folklore Society' যে Folklore অৰ্থাৎ লোকবিদ্যা বা জনকৃষ্টিৰ অধ্যয়নৰ প্ৰতি বিদ্বৎ সমাজৰ মনাকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল; তদ্ৰূপ 'অসম জনকৃষ্টি সমাজে'ও অন্ততঃ এদল শিক্ষিত ডেকা আৰু পণ্ডিতক জনকৃষ্টিৰ পদ্ধতিগত অধ্যয়ন আৰু বিচাৰ-বিশ্লেষণৰ প্ৰসংগত অনুপ্ৰেৰণা যোগাবলৈ সক্ষম হৈছে। মুঠতে 'অসম জনকৃষ্টি সমাজ'ৰ ইতিহাসত সভাপতি ডঃ গোস্বামীৰ নাম সোণালী আখৰেৰে লিখা থাকিব।

ডঃ গোস্বামীৰ সময়ত জনকৃষ্টিৰ চিন্তা-চৰ্চা আছিল মুখ্যতঃ ঐতিহাসিক-ভৌগোলিক বা তুলনামূলক বা ঐতিহাসিক পদ্ধতি আশ্ৰয়ী অৰ্থাৎ ডঃ গোস্বামীৰ পূৰ্বসূৰী আৰু সমসাময়িক লোকতত্ত্ববিদ্‌সকলে ঐতিহাসিক পদ্ধতিৰ (diachronic method) ওপৰত গুৰুত্ব দিছিল; তদ্ৰূপ ডঃ গোস্বামীয়েও মুখ্যভাৱে গুৰুত্ব দিছে ঐতিহাসিক পদ্ধতিৰ ওপৰত। প্ৰপ, লেভিষ্ট্ৰছ আদি লোকবিদ্যাৰ পণ্ডিতে গুৰুত্ব দিছে সমকালীন অধ্যয়ন অৰ্থাৎ synchronic studies ত। অৱশ্যে এই নব্যবাদী পণ্ডিতে ঐতিহাসিক পদ্ধতিক সম্পূৰ্ণকৈ পৰিহাৰ কৰিব পৰা নাই; যিহেতু synchronic studies, diachronic study আশ্ৰয়ী। গতিকে ডঃ গোস্বামীৰ diachronic Study যে যে পৰৱৰ্তীকালৰ Synchronic পদ্ধতিত অধ্যয়ন কৰিবলৈ বিচৰা ছাত্ৰ, গৱেষক আৰু পণ্ডিতসকলক অকুণ্ঠভাৱে সহায় কৰিব তাত সন্দেহ নাই। তেওঁৰ অৱদান বাজিৰ ঐতিহাসিক মূল্যবোধ স্বীকাৰ কৰিবই লাগিব।

ডঃ গোস্বামীয়ে কৈছিল যে, synchronic study ৰ বাবে প্ৰয়োজন ক্ষেত্ৰ সমলৰ প্ৰচুৰতা; কিন্তু অসমত জনকৃষ্টিগত ক্ষেত্ৰ সমলৰ অভাৱ নাথাকিলেও সেইবোৰ পদ্ধতিগতভাৱে সংগ্ৰহ কৰিব পৰা নাই। তেনে অৱস্থাত synchronic অধ্যয়নত তাৎপৰ্য্যপূৰ্ণভাৱে আগবাঢ়িব নোৱাৰাই স্বাভাৱিক।

ডঃ গোস্বামী কীৰ্তিমান পুৰুষ; কীৰ্তিয়েই তেওঁক চিৰদিনৰ বাবে জীয়াই ৰাখিব। জয়তু গুৰু গোস্বামী !!

—o—

প্ৰফুল্লদত্ত গোস্বামীৰ জনজাতীয় প্ৰীতি

প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য

মোৰ শিক্ষাগুৰু, উপদেষ্টা, অগ্ৰজ সহকৰ্মী-বন্ধু, অধ্যাপক ডক্টৰ প্ৰফুল্লদত্ত গোস্বামীৰ সৈতে দুকুৰি দহ বছৰতকৈও অধিক কালৰ সান্নিধ্য-সম্পৰ্কৰ বিষয়ে ছাতী মাৰি ভুককাত ভৰোৱাৰ দৰে লিখাৰ শকতি আমাৰ নাই বুলি পোনতে মই স্বীকাৰ কৰিছোঁ। তেওঁৰ তিনিকুৰি যোল বছৰীয়া জীৱন কালত লুইতৰ দক্ষিণ পাৰৰ পুৰণি কামৰূপৰ গৌৰৱপূৰ্ণ নহিৰা সত্ৰৰপৰা গুৱাহাটী, শ্বিলং, কলিকতা তথা সৰ্বভাৰতীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰিক্ৰমাত বহুতো জন-গণৰ সংস্পৰ্শলৈ অহাৰ বিষয়ে তেওঁ মুখেৰে কোৱা, লিখা আৰু আনে জনা বিস্তৰ কথা-কাহিনী সিঁচৰতি হৈ আছে ঃ এইবোৰৰ মাজত মানৱপ্ৰীতি আৰু মানৱ-বিদ্বেষৰ সম্ভেদৰ উৱাদিহ বিচৰাটো দুৰূহ। গোস্বামীৰ মানৱপ্ৰীতি তথা বিদ্বেষ দুয়োটা গুণেই কম-বেছি পৰিমাণে ভিন্ন ভিন্ন অৱস্থাত দেশ-কাল-পাত্ৰ অনুসৰি প্ৰতিফলিত হৈছিল। দক্ষিণ কামৰূপৰ ভিতৰুৱা অঞ্চলৰ জীৱন যাপনৰ পৰম্পৰা আৰু প্ৰাচীন আদৰ্শ সম্পন্ন গাঁও আৰু সত্ৰৰপৰা ওলাই আহি ইংৰাজী ভাষা-সাহিত্যৰ অধ্যয়নেৰে লোক-সংস্কৃতিৰ বিশেষজ্ঞ হৈ উঠা এজনাৰ মানসত কি শ্ৰেণীৰ মানুহৰ বাবে প্ৰেম-প্ৰীতি আৰু কেনে বিধৰ লোকৰ ক্ষেত্ৰত অসূয়া-বিদ্বেষ ফুটি ওলাইছিল সেয়া আকৰ্ষণীয়ভাৱে বিশ্লেষণৰ আৱশ্যক। ব্যক্তিগত অভিজ্ঞতাৰ মাজেদি মই অনুভৱ কৰিছিলোঁ যে সৰ্বসাধাৰণ দুখীয়া-নিচলা সৰল-সহজ গাঁৱলীয়া জনজাতীয়-অজনজাতীয় নিৰ্বিশেষে কৰ্ম ব্যস্ত লোকক তেওঁ ভাল পাইছিল, মৰমো কৰিছিল আৰু পাৰ্য্যমানে দিহা-বুধি দি উপকাৰো সাধিছিল। ভেম, গৌৰৱ, বিলাসিতা সম্পন্ন লোকক জাত-কুল, ধনী-দুখী নিৰ্বিশেষে বেয়া পাইছিল, নিন্দা কৰিছিল, পৰাপক্ষত অকণো আঁসে নিদিছিল। মই জীৱনত লগ পোৱা তিনিজনা অনন্য সাধাৰণ ব্যক্তি— মনীষী ডক্টৰ বাণীকান্ত কাকতি, লোক-সংস্কৃতিবিদ্ ডক্টৰ প্ৰফুল্লদত্ত গোস্বামী আৰু বড়ো ভাষা-সাহিত্য-সংস্কৃতিৰ সাধক ভবেন্দ্ৰ নাজীৰ ক্ষেত্ৰত তুলনাক্ৰমে এনে শ্ৰেণীৰ মানৱ-প্ৰীতি তথা মানৱ-বিদ্বেষৰ কিছুমান নিদৰ্শন প্ৰত্যক্ষ কৰিছিলোঁ।

মানৱ-প্ৰীতিৰে বিশিষ্ট অংগ স্বৰূপ

গোস্বামী মহাশয়ৰ জনজাতীয় প্ৰীতি বৃহত্তৰ মানৱ-প্ৰীতিৰে বিশিষ্ট অংগ স্বৰূপ। 'তেওঁৰ বিচিত্ৰ ঘটনা বহুল জীৱনত কিমান ধৰণৰ জনগোষ্ঠী বা জনজাতীয় লোকৰ সৈতে সংস্পৰ্শ ঘটিছিল সেই সংবাদবাশি পোনতে নিশ্চিত কৰিব পাৰিলেহে বিষয়টোৰ আলোচনা সম্ভৱপৰ হৈ উঠিব। কামৰূপৰ দক্ষিণ পাৰৰ নহিৰা সত্ৰৰ চৌপাশে থকা পাতিৰাভা, গাৰো, বড়ো আৰু অদূৰত থাকি-জয়ন্তীয়া জনগোষ্ঠীৰ বাসৰ উপৰিও— গুৱাহাটী নগৰত থাকি ছাত্ৰাৱস্থাত আৰু পৰৱৰ্তী চাকৰি তথা অৱসৰী জীৱনত তেওঁ অবিভক্ত অসমৰ হাজং, ভুটীয়া, মিছিং, ডফলা, আবৰ (আদি), কাৰ্বি, তিৱা, ডিমাছা, নগা, মৈইতৈই, মিজো, খামতি, তিপ্ৰা, মিছিমি আদি জনজাতীয় লোকৰ ভিন ভিন সামাজিক স্তৰৰ লোকৰ সৈতে সংস্পৰ্শ স্থাপন কৰিছিল। তেনে পটভূমিত দৈনন্দিন জীৱন-ধাৰণ, আদান-প্ৰদানৰ ক্ষেত্ৰত এই জনজাতীয় লোকৰ সৈতে কিদৰে প্ৰীতি-অপ্ৰীতিৰ বেহা মেলিছিল— সেয়া জানিবলৈ হ'লে— তেওঁৰ পৰিয়ালৰ স্ত্ৰী-পুত্ৰ-কন্যা, বন্ধু-বান্ধৱ আদিৰ উপৰিও তেওঁৰ ৰচিত বিস্তৃত সাহিত্যৰাজি, চিঠি-পত্ৰ, দিনপঞ্জী আদিৰ সহায় ল'ব লাগিব। তেওঁৰ শৈশৱকালত দক্ষিণ কামৰূপৰ জনজাতিসকলৰ সৈতে কেনে সম্বন্ধ ঘটিছিল— সেই বিষয়ে তেওঁৰ ৰচিত আত্মজীৱনীৰ উপৰিও, তেওঁৰ পিতৃ কবি-সাহিত্যিক সিংহদত্ত দেৱ অধিকাৰীৰ ৰচনাৱলীৰপৰা কিছুমান সন্ধান পাব পাৰি। তেওঁৰ প্ৰয়াত বন্ধু মহেন্দ্ৰনাথ শৰ্মাই ছদ্মনামেৰে ৰচিত 'চাবেংমাৰ গাভৰু' নামৰ উপন্যাস এখনত গাৰোসকলৰ সমাজ-জীৱন বৰ্ণিত হৈছিল— এই পুথিখনত আপত্তিজনক বৰ্ণনা থকা বুলি অভিযোগ উঠাত অসম চৰকাৰে বাজেয়াপ্ত কৰিছিল ঃ গোস্বামী মহোদয়ে গাৰো জনগোষ্ঠীৰ জীৱন-ধাৰণৰ বিষয়ে অধিকতৰ আগ্ৰহ প্ৰকাশ কৰি মোক এই বিষয়ে কৈছিল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা পৰৱৰ্তী কালত গাৰো লোক-সংস্কৃতিৰ গীত-পদ-সাধুকথা আদি গাৰো গৱেষকৰ হতুৱাই লিখি প্ৰকাশ কৰিছিল।

ৰচনাসমূহত জনজাতীয় ৰূপৰেখা

গোস্বামী মহাশয়ৰ বিশাল পৰিধিৰ বিবিধ ৰচনাত জনগোষ্ঠী আৰু জনজাতিসকলৰ বৰ্ণনা, ৰূপায়ণ আৰু চিত্ৰৰাজি সন্নিবিষ্ট হৈছে *অসমীয়া জন সাহিত্য* (১৯৪৮ খৃঃ), *কেঁচাপাতৰ কঁপনি* (১৯৫২ খৃঃ), *বাৰ মাহৰ তেৰ গীত* (১৯৬২ খৃঃ) আদি অসমীয়া মাধ্যমত লিখিত-সম্পাদিত পুথিবোৰৰ উপৰিও ইংৰাজীত ৰচনা কৰা তেওঁৰ গৱেষণা গ্ৰন্থ তথা ব'হাগ বিহু আৰু জন সাহিত্য বিষয়ক গ্ৰন্থবোৰও জনজাতীয় তথ্য-সম্ভাৰ সততে পোৱা যায়। এনে সন্ভেদ পাবৰ বাবে কষ্ট সাধ্য অধ্যৱসায়ৰ আৱশ্যক। দুই-চাইটা উল্লেখ মাথোন মই উনুকিয়াইছোঁ ঃ 'অসমৰ নগা, আবৰ, আপাটানি আদি জনজাতীয় লোকৰ ভাষা আৰু উপভাষাবিলাকত অলেখ গীত-পদ আছে। সেই গীত-পদ অসমীয়া ভাষাৰ সংগ্ৰহত নোসোমায়; কিন্তু এহাতে অসমীয়া কথা কয় আৰু আনহাতে নিজৰ ভাঁজও ব্যৱহাৰ

কৰে নাইবা অসমীয়া ভাষা ব্যৱহাৰ কৰিলেও নিজৰ মাত-কথা একে বেলিয়ে এৰিব পৰা নাই। এনে জনজাতিৰ মাজত কেতবিলাক অসমীয়া গীত-পদ পায়— বিবিলাকত দুই-একাকি জনজাতীয় কথা থাকিব পাৰে, অথচ বিবিলাক অসমীয়া বুলিয়ে ধৰা যুগুত। এনে গীতত অসমীয়া মাত-কথাৰ গঢ়ো অলপ লৰা দেখিবলৈ পোৱা যায়’.... (*বাৰ মাহৰ তেৰ গীত*— ১৯৭০ খৃঃ, নতুন দিল্লী, পৃঃ ২২৬)। ড০ গোস্বামীয়ে বড়ো-কছাৰীৰ হাস্যৰসিক গীত, সোণোৱাল কছাৰীৰ হাইদাংগীত, ৰাভা সম্প্ৰদায়ৰ বহুৰঙী, লালুং (তিৱা) সম্প্ৰদায়ৰ বৰাতৰ গীত আদিৰ নিৰ্দশন কিছুমান ‘বাৰ মাহৰ তেৰ গীত’ নামৰ সম্পাদিত পুথিখনত আৱশ্যকীয় টীকা-টিপ্পনীৰে আগবঢ়াই তেওঁৰ জনজাতি-প্ৰীতিৰ চানেকি দাঙি ধৰিছে।

...... ঐ গোৱাহাটী জিলানি নামকাটা চিপাহী
ৰবক ৰবক হায় ৰবক ৰবক,
গল চাই গল চাই
গলফাচা দিৰ দিৰ হায়,
দিৰ দিৰ। (পৃঃ ২২৭)
দেৱৰ ডাণ্ডৰ কোন ডাণ্ডৰ ?
দেৱৰ ডাণ্ডৰ খিৰিং ৰজা।
দেৱীৰ ডাণ্ডৰ কোন ডাণ্ডৰ ?
দেৱীৰ ডাণ্ডৰ ভুকলী হাবুকী। (পৃঃ ২২৮)

অসমীয়া জন সাহিত্য নামৰ আগশাৰীৰ আলোচনামূলক পুথিখনৰ উপৰিও সম্পাদিত *বৰো-কছাৰী হ’ল* (১৯৭২ খৃঃ) আৰু *ব’হাগ বিহুৰ বাৰে-বৰণীয়া ছবি* (১৯৭৫), স্বৰচিত *জাপানৰ জনকৃষ্টি আৰু অন্যান্য ৰচনা* (১৯৮৪) আদিৰ উপৰিও ইংৰাজীত ৰচিত *ফ’ক লিটাৰেচ্যাৰ অৱ্ আছাম* (১৯৫৪), *বিহু ছংছ অৱ্ আছাম* (১৯৫৭), *বেলাডছ্ এণ্ড টেলছ্ অৱ্ আছাম* (১৯৬৬), *ছংছ এণ্ড টেইলছ্ অৱ্ নৰ্থ ইষ্টাৰ্ণ ইণ্ডিয়া* (১৯৮২) আদি গ্ৰন্থ তথা বিবিধ প্ৰবন্ধ, গল্প, জীৱনালেখ্যত জনজাতিমূলক বিৱৰণ, মন্তব্য, ৰূপায়ণৰ সন্নিবেশ ঘটিছে : এইবোৰে তেওঁৰ জনজাতীয় প্ৰীতিৰ উৎকৃষ্ট উদাহৰণ দাঙি ধৰিছে। ১৯৫১ চনতে পাঠশালাৰ বাণী প্ৰকাশ মন্দিৰৰপৰা প্ৰকাশিত ‘বিহুৱান’ নামৰ আলোচনীত ‘দৰঙাৰ মেলা’ নামৰ ভ্ৰমণ কাহিনীত গোস্বামীয়ে ভুটীয়া মানুহৰ জীৱনধাৰাৰ সবল ছবি অংকন কৰিছে।

ক্ষেত্ৰ-অধ্যয়নত জনজাতীয় নিৰীক্ষণ

লোক-সংস্কৃতিৰ সাধক গোস্বামীৰ বেছিভাগ লিখনীয়ে তেওঁৰ স্বকীয় নিৰীক্ষণমূলক ক্ষেত্ৰ-অধ্যয়নৰ কথাপ্ৰতি বুলিব পাৰি : নিজে ভাৰতবৰ্ষৰ বাহিৰে-ভিতৰে বিস্তৰ ভ্ৰমণ

কৰি তথ্য সংগ্ৰহ কৰি মানুহৰপৰা জানি-বুজি লৈহে তেওঁ একোটা তাত্ত্বিক বিষয়ত প্ৰবৃত্ত হৈছিল। অসমৰ ভিতৰৰে শ্বিলং, জোঁৱাই, ডুবা, কহিমা, মোকক্‌চাং, ইম্ফল, শিলচৰ, পাছিঘাট, বোমডিলা আদিত বিভিন্ন উপলক্ষ্যত ভ্ৰমণ কৰি মোক কথা-প্ৰসংগত জনোৱা সম্পদবোৰ সুঁৱৰি ময়ো একে ধৰণৰ প্ৰেৰণাৰে অনুপ্ৰাণিত হৈছিলোঁ। ইম্ফল, শ্বিলং, দুধনৈ, তামুলপুৰ, ৰাণী, চান্দডুবি, সোণাপুৰ, ঝাৰগাঁও, অঞ্চলি, কাজিৰঙা, মানাহ আদি ঠাইত সভা-সমিতি, ক্ষেত্ৰ-অধ্যয়ন, বনভোজ আদি উপলক্ষত ভ্ৰমণ কৰোঁতে মো সহযাত্ৰীৰূপে গোস্বামী মহোদয়ৰ জনগোষ্ঠীৰ স্নেহ-প্ৰীতিৰ পৰিচয় পাইছিলোঁ।

শ্বিলং নগৰীত দীঘলীয়া কাল থকোঁতে গোস্বামীয়ে খাছিয়া-জয়ন্তীয়াসকলৰ জীৱন যাপনৰ জ্ঞান অৰ্জন কৰাৰ উপৰিও খাছি ভাষাৰ কাৰ্য্যকৰী জ্ঞান আহৰণ কৰিছিল। নংক্ৰেম নৃত্য-গীত ব্যক্তিগতভাৱে চোৱাৰ উপৰিও— ইয়াৰ বিৱৰণ প্ৰকাশ কৰিছিল। ইম্ফলত বিশ্ববিদ্যালয় অনুদান আয়োগৰ আলোচনা চক্ৰ অনুষ্ঠিত হওঁতে গোস্বামী মহাশয়ৰ সৈতে মই কাবুই নগাসকলৰ ঘৰুৱা মদ তৈয়াৰ কৰাৰ পদ্ধতিৰ বিষয়ে জানি-বুজি সেই মদৰ বাবে লাগতিয়াল বাখৰ (মচলা) কিনি আনিছিলোঁ : এই বাখৰ গুৱাহাটীৰ খাৰঘুলি নিবাসী বৰো ভাষা-সাহিত্যৰ সুলেখক ভবেন্দ্ৰ নাৰ্জীৰ পৰিয়াৰ নুমলীক যথাযোগ্য ব্যৱহাৰৰ কাৰণে দিয়া হৈছিল। ঝাৰগাঁৱৰ ভবেন্দ্ৰ নাৰ্জীৰ ঘৰত কেইবাৰাতিও আলহী থাকোতে ৰতিকান্ত নাৰ্জাৰী মেম্বৰ আৰু তেওঁৰ পৰিয়ালৰপৰা জনগোষ্ঠীৰ আচাৰ-ব্যৱহাৰ, হাৰ্‌ছাৰ (বৰ্ণ হিন্দু) বিধৱা তিৰোতাৰ সৈতে বৰো পুৰুষৰ বিবাহ-বান্ধোন, ঢোকা-ধেমনী প্ৰথা আদিৰ তথ্য আমি দুয়ো একেলগে আহৰণ কৰিছিলোঁ। তামুলপুৰ, কুমাৰীকাটা, দৰঙ্গা অঞ্চলত গোস্বামীৰ সৈতে নাট্যশিল্পী ধৰণীধৰ চৌধুৰী আৰু মই কেইবাৰাৰো জনজাতীয় সভা-সমিতি তথা ঘৰুৱা পৰিবেশত তেওঁৰ অনুৰাগ প্ৰতিভাৰ পৰিচয় পাইছিলোঁ। দুধনৈ-দামৰা-বংজুলি অঞ্চলত লোক-সংস্কৃতিমূলক অধ্যয়নৰ সময়ত অধ্যাপক বীৰেন্দ্ৰনাথ দত্ত আৰু মই, ৰাভা আৰু গাৰো জীৱনৰ তথ্য সংগ্ৰহত সহযাত্ৰী হৈছিলোঁ— ৰাভাসকলৰ বিষহৰী মাৰৈ পূজাৰ গীত-পদবোৰ এই অধ্যয়নৰ পৰৱৰ্তী কালত গ্ৰন্থৰূপে প্ৰাণেশ্বৰ ৰাভাই প্ৰকাশ কৰিছিল। ভবেন্দ্ৰ নাৰ্জী, তৰুণচন্দ্ৰ পামেগাম, সুকুমাৰ বসুমতাৰী, মোহিনীমোহন ব্ৰহ্ম আদিয়ে গোস্বামীৰপৰা সততে প্ৰেৰণা লাভ কৰিছিল।

তিন-তিন উপলক্ষ্যত

বিভিন্ন উপলক্ষ্যত গোস্বামী মহাশয়ে জনগোষ্ঠীৰ লোক আৰু তেওঁলোকৰ জীৱনধাৰাৰ বিষয়ে প্ৰকাশ কৰা আগ্ৰহৰ সৈতে মোককচাং নগৰীত অধ্যক্ষ আপ্ৰেৰ আলি মহোদয়ৰ জৰিয়তে কৰা ভ্ৰমণ, নগালেণ্ডৰ তৎকালীন শিক্ষাসঞ্চালক মাজেন আও, পাছিঘাট-জিৰো আদি অঞ্চলত তৎকালীন বিৰমা ধৰ্মেশ্বৰ কৰুৱা আদিৰ যোগেদি কৰা তথ্য আহৰণৰ বিষয়ে মই ব্যক্তিগতভাৱে আৰু গোস্বামীৰ সহধৰ্মিনী নিৰু গোস্বামীৰ মুখত শুনিছোঁ যদিও

জনজাতীয় স্নেহ-প্ৰীতিৰ নিদৰ্শন স্বৰূপে তেওঁ অনা মোনা, জিম কাপোৰ, চোলা আদি দেখিছোঁ। বৰো সাহিত্য সভাৰ বহুতো উৎসৱত, বিশেষকৈ বোল নৱেন্দ্ৰবত প্ৰতি বছৰে পতা বৰো সাহিত্য সভা দিবসত, বঙালী বিহু উৎসৱত, সভা-সমিতি, বনভোজ, গাইগুটীয়া ভ্ৰমণত বৰো, কাৰ্বি, তিৱা, গাৰো, ৰাভা, খাছিয়া, হাজং, ভুটীয়া আদি জনগোষ্ঠীৰ লোকৰ সৈতে আলাপ-আলোচনা, দেখা-সাক্ষাৎ, পান-ভোজন পৰ্বৰ জৰিয়তে গোস্বামী মহোদয়ৰ সৈতে সহযোগী হৈ তেওঁৰ উদাৰ জনজাতীয় প্ৰীতি-অনুৰাগ, স্পষ্টবাদিতা, দয়া-দাক্ষিণ্যৰ বিষয়ে অভিজ্ঞতা হৈছিল— সেইবোৰ বৰ্ণনা কৰাটো সম্প্ৰতি সম্ভৱপৰ নহয়। চন্দ্ৰপুৰ অঞ্চলৰ ঠাকুৰকুছি (থাইগীৰ— ঔ টেঙা— থাইগীৰকুছিৰপৰা ঠাকুৰকুছি) গাঁৱৰ 'বৰপেটীয়া' নামেৰে বৰো ককাইৰ ঘৰত বৌৰ বন্ধা-বঢ়া খোৱাৰ জুতি আৰু গোস্বামী মহাশয়ক 'মৰণ নোহোৱা' বুলি বৌৱে মৰমতে পৰা গালি সুঁৱৰিলে, এতিয়াও মোৰ অকলে অকলে হাঁহি উঠে— কৰুণ বসে অন্তৰ ছানি ধৰে : গোস্বামী মহোদয়ৰ প্ৰীতিৰ নিজৰা বহুজনৰ হৃদয়ত এতিয়াও বৈয়ে আছে!

— o —

জীৱনীকাৰ প্ৰফুল্লদত্ত গোস্বামী

****

অঞ্জলি শৰ্মা

অসমীয়া সাহিত্যৰ মুষ্টিমেয় কৃতী জীৱনী লেখক কেইজনৰ ভিতৰত প্ৰফুল্লদত্ত গোস্বামী অন্যতম। জীৱনীৰ স্বৰূপ আৰু কলা-কৌশল সম্পৰ্কে অধ্যয়ন প্ৰসূত জ্ঞানেৰে অসমীয়াত জীৱনী ৰচনা কৰিবলৈ লোৱা ব্যক্তিসকলৰ ভিতৰত প্ৰফুল্লদত্ত গোস্বামীও এজন। সেয়েহে তেওঁৰ প্ৰতিখন জীৱনী গ্ৰন্থই জীৱনী ৰূপে বিশেষ বৈশিষ্ট্যপূৰ্ণ।

গোস্বামীয়ে ৰচনা কৰা জীৱনী গ্ৰন্থ কেইখনি হ'ল– *(১) ইউৰোপৰ পাঁচ গৰাকী মনীষা (১৯৫৮), ইউৰোপৰ মনীষা (১৯৬৫), (২) মাণিকচন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ (১৯৭০), মাণিকচন্দ্ৰ বৰুৱা (১৯৭৭), (৩) বীৰ এজন পথিক (১৯৭৮), এটি জীয়া কাহিনী (১৯৭৯)।*

গোস্বামীয়ে "ইউৰোপৰ পাঁচগৰাকী মনীষা" নামৰ পুথিখনিত ইউৰোপৰ পাঁচগৰাকী আগশাৰীৰ চিন্তাবিদ্ আৰু সাহিত্যিকৰ জীৱনী সংকলন কৰিছে। এই মনীষা কেইগৰাকীয়ে তেওঁলোকৰ আদৰ্শ, সাহিত্য আৰু ৰাজনৈতিক চিন্তাৰে সেই সময়ৰ ইউৰোপীয় সমাজক গভীৰভাৱে প্ৰভাৱান্বিত কৰিছিল। এই প্ৰভাৱে আনকি ইউৰোপীয় সমাজৰ চিন্তাধাৰাৰ ক্ষেত্ৰত প্ৰভূত পৰিবৰ্তন সাধন কৰিবলৈ সমৰ্থ হৈছিল। এই মনীষা কেইগৰাকী হ'ল– মেকয়াভেলি, শ্বেইক্চপিয়াৰ, ৰুছো, গেটে, ডষ্টয়এফ্স্কি আৰু পিছত "ইউৰোপৰ মনীষা"ত সন্নিবিষ্ট বাৰ্ট্ৰেণ্ড ৰাছেল।

পুথিখনিৰ পাতনিত লেখকে উল্লেখ কৰিছে, "এওঁলোকৰ চিন্তা আৰু কাৰ্য্যাৱলী মই অকল সাহিত্য প্ৰেমীৰ দৃষ্টিভঙ্গীৰপৰা বিশ্লেষণ কৰা নাই; ঐতিহাসিক, ৰাজনৈতিক, সামাজিক– বিভিন্ন দৃষ্টিভঙ্গীৰপৰা আলোচনা পূৰ্ণাঙ্গ কৰিবলৈ যত্ন কৰিছোঁ।" মানৱ সভ্যতা বিকাশৰ বুৰঞ্জীৰ ক্ৰম অনুসৰি ইয়াত বিষয়ৰ ক্ৰম নিৰূপিত হৈছে। ৰচনা কেইখনিত বিষয়ৰ ব্যক্তিগত জীৱনৰ উপৰিও সমাজ, সাহিত্য আৰু ৰাজনীতিৰ ক্ষেত্ৰত বিষয়ৰ অৱদান সম্পৰ্কে আলোচিত হৈছে। লেখকে বিষয়ৰ ৰচনাৱলীৰ মূল্যাঙ্কন কৰিবলৈ যত্ন কৰাৰ উপৰিও, পৰৱৰ্তী যুগত বিষয়ৰ ৰচনাৱলী সম্পৰ্কে দিয়া ভুল ব্যাখ্যাও খণ্ডন কৰিবলৈ যত্ন কৰিছে।

প্ৰথমখনি ৰচনা হ'ল মেকিয়াভেলি। ৰচনাখনিৰ সীমিত পৰিসৰৰ ভিতৰতেই লেখকে মেকিয়াভেলি ৰচিত 'ৰাজা' নামৰ প্ৰখ্যাত গ্ৰন্থখনিৰ বিশদ আলোচনা দাঙি ধৰিছে। পুথিখনিৰ আলোচনাৰ সামৰণিত গোস্বামীয়ে মন্তব্য কৰিছে যে ষোল শতিকাৰ আগছোৱাত

ৰচিত এই 'ৰাজা' গ্ৰন্থৰ জৰিয়তে মেকিয়াভেলিৰদ্বাৰা এক বাস্তৱসম্মত ৰাজনৈতিক সূত্ৰৰ ভেটি স্থাপন কৰা হ'ল। মেকিয়াভেলিৰ পূৰ্বৰ চিন্তাবিদ্ এৰিষ্টোটলৰ সূত্ৰৰ লগত তুলনা কৰি দেখুওৱা হৈছে যে মেকিয়াভেলিৰ ৰাজনৈতিক সূত্ৰ অধিক বাস্তৱসম্মত। মেকিয়াভেলিৰ বাস্তৱসম্মত আৰু বিশ্লেষণাত্মক অন্তৰ্দৃষ্টি, মানৱিক তিক্ততা আদি গুণসমূহো যে আধুনিক মানুহৰে লক্ষণ এই কথাও লেখকে আঙুলিয়াই দিছে।

দ্বিতীয়খন ৰচনাৰ বিষয় হ'ল ষোড়শ শতিকাৰ বিখ্যাত ইংৰাজ লেখক শ্বেইক্ছপিয়াৰ। লেখকে ইয়াত বিষয়ৰ পৰিচয় দিয়াৰ পূৰ্বে ষোড়শ শতিকাৰ শেষভাগৰ লণ্ডন চহৰৰ পৰিৱেশ বৰ্ণনা কৰাৰ উপৰিও ৰঙ্গমঞ্চৰ ক্ৰমবিকাশৰ এটি চমু পৰিচয়ো দাঙি ধৰিছে। লেখকে উল্লেখ কৰিছে যে শ্বেইক্ছপিয়াৰৰ জীৱনীৰ সমল নিতান্তই কম। তথাপি বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা সমলৰ লগত ফ্ৰান্সিচ মীয়াৰ্জ আৰু আন লেখকৰ লেখনিৰ সহায়ত বিষয়ৰ জীৱন পুনৰ্গঠন কৰিবলৈ যত্ন কৰা হৈছে। তদুপৰি বিষয়ৰ ৰচনাৱলীৰ আলোচনাৰ মাজেদি বিষয়ৰ হাস্যৰসবোধ, মনস্তাত্বিক অন্তৰ্দৃষ্টি আদি চাৰিত্ৰিক বৈশিষ্ট্যসমূহ উদঙাই দেখুৱাবলৈ যত্ন কৰা হৈছে।

তৃতীয় ৰচনাখনিৰ বিষয় ওঠৰ শতিকাৰ ফ্ৰাঞ্চ লেখক ৰুছো। এই ৰচনাখনিৰ মাজেৰে লেখকে অতি সুন্দৰকৈ দেখুৱাইছে যে ইউৰোপক বিধৌত কৰা ৰোমাণ্টিক ভাবধাৰাত ৰুছোৱে প্ৰথম দাৰ্শনিকত্ব প্ৰদান কৰে।

ৰুছোৰ আত্মজীৱনীৰ সহায়ত গোস্বামীয়ে দেখুৱাইছে যে ৰুছো দাৰ্শনিকতকৈও এজন ভাবপ্ৰৱণ ব্যক্তিহে আছিল। ইয়াত এইটোও দেখুওৱা হৈছে যে ৰুছো যদিও প্ৰকৃতাৰ্থত দাৰ্শনিক নাছিল, দৰ্শনৰ সহায়ত মানৱ সভ্যতাৰ কুফলকো তেওঁ অতি নিপুণভাৱে ব্যাখ্যা কৰি জগতবাসীক পতিয়ন নিয়াবলৈ সক্ষম হৈছিল। লেখকে ইয়াত ৰুছোৰ গণতন্ত্ৰ, ৰাষ্ট্ৰ, সমাজ আদিৰ ধাৰণাসমূহৰ বিস্তৃত ব্যাখ্যা আগবঢ়োৱাৰ লগতে, এইবোৰৰ ক্ষেত্ৰত পূৰ্বৰ চিন্তাবিদ্ প্লেটো, এৰিষ্টোটল আদিৰ মতাদৰ্শৰ লগত তুলনামূলক আলোচনাও আগবঢ়াইছে। সামৰণিত লেখকে মন্তব্য কৰিছে যে যদিও ৰুছো এজন আদৰ্শ পুৰুষ নাছিল তথাপি ইউৰোপৰ সমাজখনক ৰাজনীতি, সাহিত্য, দৰ্শন আদিৰ ক্ষেত্ৰত তেওঁ বিশেষভাৱে প্ৰভাৱিত কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ ফলতেই সৰ্বসাধাৰণৰ চিন্তাৰ ক্ষেত্ৰতো এক পৰিবৰ্তনে দেখা দিছিল।

ইয়াৰ পাছৰ ৰচনাখনি ৰচিত হৈছে জাৰ্মান কবি গেটেৰ জীৱনক কেন্দ্ৰ কৰি। লেখকে দেখুৱাইছে যে ৰুছোৰ সময়ত যি ৰোমাণ্টিক চিন্তাধাৰাৰ জন্ম হৈছিল সি ওঠৰ শতিকাৰ শেষৰ ফালে আৰু ঊনৈশ শতিকাৰ আগছোৱাত গেটেৰ ৰচনাত পূৰ্ণ প্ৰস্ফুটিত ৰূপ পালে। এই ৰচনাখনিত দেখুওৱা হৈছে যে ৰুছোৰ দৰে গেটেও খুব আবেগ প্ৰৱণ আছিল। এই আবেগ প্ৰৱণতাৰ বাবেই ভেবোঁ ৰুছোৰ দৰে প্ৰকৃতিৰ সৌন্দৰ্যত মুগ্ধ হৈছিল। এনে আবেগ প্ৰৱণতাই তেওঁক 'তৰুণ ভেৰ্টাৰৰ বেদনা' (Sufferings of Young Werther) দৰে

ভাৱবিলাসী বা ৰোমাণ্টিক উপন্যাস ৰচনা কৰিবলৈ প্ৰেৰণা যোগাইছিল। অৱশ্যে গোস্বামীয়ে সঠিকভাৱেই নিৰূপণ কৰিছে যে গেটেৰ উৎকৃষ্ট ৰচনা হ'ল 'ফাউষ্ট'(Faust) নাটক। লেখকে যথোপযুক্তভাৱেই মন্তব্য কৰিছে যে নাটকখনিৰ গীতিকবিতাসমূহ নিহিত থকা অনুপম কাব্যিক সৌন্দৰ্যই গেটেৰ *ফাউষ্ট* নাটকক এক বিশেষ মূল্য প্ৰদান কৰিছে।

পঞ্চম ৰচনাখনিৰ বিষয় হ'ল ঊনবিংশ শতিকাৰ ৰুছ লেখক ডষ্টয়এভ্স্কি। লেখকে ৰচনাখনিত বিষয়ৰ শাৰীৰিক অৱয়ব স্বাস্থ্য, ব্যক্তিত্ব অতি আকৰ্ষণীয়ভাৱে বৰ্ণনা কৰিছে। বিষয়ৰ ৰচনাৱলীৰ বিশ্লেষণৰ সহায়ত লেখক গোস্বামীয়ে অতি যথাযথভাৱে দেখুৱাইছে যে ডষ্টয়এভ্স্কি মানুহৰ অৱচেতন মনৰ বিশ্লেষণত নিপুণ আছিল। তদুপৰি ডষ্টয়এভ্স্কিৰ উপন্যাসত ফ্ৰয়েডীয়ান মনোবিজ্ঞান আৰু চেতনাস্ৰোত আদি ভাৱধাৰা সাহিত্যত সৰৱৰহী হৈ উঠাৰ আগতেই প্ৰকাশ লাভ কৰিছিল বুলি বিশ্লেষণ কৰি দেখুৱাইছে। এনেবোৰ গুণৰদ্বাৰা ডষ্টয়এভ্স্কিয়ে ইউৰোপীয় সাহিত্যত এক নতুন ধাৰা প্ৰৱৰ্তন কৰিবলৈ যে সমৰ্থ হৈছিল, সেই কথাও উল্লেখ কৰা হৈছে।

এই পুথিৰ পৰৱৰ্তী সংস্কৰণ 'ইউৰোপৰ মনীষা' (১৯৬৫)ত আৰু এখনি ৰচনা 'বাৰ্ট্ৰাণ্ড ৰাছেল' সন্নিৱিষ্ট কৰি লেখকে মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ ধাৰাটো সম্পূৰ্ণ কৰিলে বুলি ক'লেও ভুল কোৱা নহয়।

এই ৰচনাখনিতো লেখকে বিষয়ৰ জীৱন আৰু আদৰ্শৰ এটি সম্পূৰ্ণ স্বৰূপ ফুটাই তুলিবলৈ সক্ষম হৈছে। বিষয়ৰ বিভিন্ন দিশৰ আভাস দিবলৈ মাজে মাজে বিষয়ৰ মুখত দিয়া কিছুমান সংলাপ অনুবাদ কৰি দি বিষয়ক পাঠকৰ বেছি ওচৰ চপাই আনিছে। ফলত বিষয় ইয়াত আকৰ্ষণীয় আৰু সজীৱ ৰূপত ধৰা দিছে। এনেদৰে এই পুথিখনিৰ মাজেদি ইউৰোপৰ মনীষা কেইগৰাকীয়ে ইউৰোপ তথা বিশ্বৰ ইতিহাসত সাহিত্য, ইতিহাস, দৰ্শনত যি পৰিৱৰ্তন আনিলে তাৰ পূৰ্ণাঙ্গ স্বৰূপ ফুটাই তুলিবলৈ যত্ন কৰা হৈছে।

গোস্বামীৰ দ্বিতীয় জীৱনী গ্ৰন্থ হ'ল "মাণিকচন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ" (১৯৭০) আৰু পূৰ্ণতৰ ৰূপ "মাণিকচন্দ্ৰ বৰুৱা" (১৯৭৭)।

এই পুথিখনি তিনিজন কলেজীয়া ছাত্ৰ কুমুদেশ্বৰ বৰঠাকুৰ, মহীচন্দ্ৰ বৰা আৰু সোণাপতিদেৱ শৰ্মাই যুটীয়াভাৱে ৰচনা কৰা "মাণিক" (১৯১৭) নামৰ এখনমান পুথিখনিৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হৈছে যদিও লেখকে বিভিন্ন গ্ৰন্থ, আলোচনী আদি আন আন উৎসৰপৰা সমল সংগ্ৰহ কৰি বিষয়ক অধিক মাত্ৰা দান কৰি সজীৱ ৰূপত গঢ় দি তুলিছে।

পুথিখনিৰ জৰিয়তে লেখকে দেখুৱাইছে যে মাণিকচন্দ্ৰ সেই সময়ৰ অসমৰ প্ৰায় সকলো অনুষ্ঠানৰ লগত জৰিত আছিল। তেওঁ যদি আগ বয়সত ব্যৱসায়ত ব্যস্ত আছিল, তথাপি অসমৰ ৰাজনৈতিক, সামাজিক আদি জলন্ত সমস্যাৱাজি সম্পৰ্কেও সম্পূৰ্ণ সজাগ আছিল। এই সমস্যাসমূহৰ সমাধান কৰেও তেওঁ যে চেষ্টা কৰিছিল সেই কথাও পুথিখনিত সুন্দৰকৈ প্ৰকাশ পাইছে।

কাৰবাৰত ঘাটি খোৱাৰ পাছতহে মাণিকচন্দ্ৰই অসমৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ উন্নতিৰ বাবে গা-লাগি কাম কৰিবলৈ ধৰে।

এই প্ৰসংগত লেখকে দেখুৱাইছে যে ছাত্ৰ অৱস্থাৰপৰাই মাণিকচন্দ্ৰ বৰ অনুভূতিপ্ৰৱণ তথা সজাগ আছিল। সেয়েহে মাণিকচন্দ্ৰই ছাত্ৰাৱস্থাতেই জগন্নাথ বৰুৱাৰ লগ হৈ ভাৰতৰ ভাইচৰয় নৰ্থব্ৰুক চাহাবক এখনি স্মাৰক পত্ৰ দিয়ে। এই স্মাৰক পত্ৰখনিত অসমক ভাৰতৰ অন্য প্ৰদেশৰ লগত ৰে'ল-লাইনৰ জৰিয়তে সংযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছিল। কাৰণ, লেখকৰ মতে, মাণিকচন্দ্ৰই জানিছিল যে যাতায়ত ব্যৱস্থাৰ বন্দোবস্ত অবিহনে অসমে প্ৰাকৃতিক সম্পদেৰে আন প্ৰদেশৰ লগত ব্যৱসায়ৰ ক্ষেত্ৰত ফেৰ মাৰিবলৈ যাবলৈ ওলোৱাতো অবাস্তৱ চিন্তা মাথোন। সেয়েহে লেখকে মাণিকচন্দ্ৰৰ এই প্ৰচেষ্টাক মাণিকচন্দ্ৰৰ দূৰদৰ্শিতা বুলি অভিহিত কৰিছে।

তদুপৰি পুথিখনিয়ে অসমৰ ভৱিষ্যৎ ছাত্ৰসকলৰ শিক্ষা, চাকৰি আদিৰ ক্ষেত্ৰতো মাণিকচন্দ্ৰৰ দূৰদৰ্শী চিন্তাৰ আভাস দাঙি ধৰিছে। এইবোৰ বিষয়ত মাণিকচন্দ্ৰই কেনে কাৰ্য্যকৰী পন্থা অৱলম্বন কৰিছিল তাক 'গ্ৰেজুৱেট সমিতি'ৰ লক্ষ্য আৰু কাৰ্য্যৰ বিৱৰণৰ মাজেদি পোহৰলৈ অনা হৈছে। তদুপৰি এছোচিয়েশ্যন, ব্যৱস্থাপক সভা আদিৰ জৰিয়তে অসমবাসীৰ কল্যাণ সাধনৰ বাবে মাণিকচন্দ্ৰই কৰা প্ৰচেষ্টা ইয়াত উচিতভাৱেই প্ৰতিফলিত হৈছে।

মাণিকচন্দ্ৰৰ উদাৰ মনোভাব আৰু বদান্যতাও পুথিখনিত যথাযথভাৱে প্ৰকাশ কৰা হৈছে। অসমৰ শিক্ষা-সংস্কৃতিৰ বিস্তাৰৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানক ভূমিদান দিয়া কাৰ্যাই মাণিকচন্দ্ৰৰ বদান্যতাৰ কথাকে প্ৰকাশ কৰিছে। মাণিকচন্দ্ৰৰ যত্নতে যে কটন কলেজ, কাৰ্জন হ'ল (এতিয়া নবীনচন্দ্ৰ বৰদলৈ সভাগৃহ আৰু পুথিভঁড়াল), আৰ্ল. ল. কলেজ আদি গুৱাহাটীত গঢ় লৈ উঠা কথা উপযুক্ত তথ্য প্ৰমাণেৰে পুথিখনিত বিশদভাৱে বৰ্ণনা কৰা হৈছে। এইদৰে বিষয় মাণিকচন্দ্ৰৰ সময়ৰ অসমৰ সমাজৰ এটি পূৰ্ণ চিত্ৰ পুথিখনিত প্ৰতিফলিত হৈছে। সেয়েহে এই পুথিখনিক জীৱন আৰু যুগৰ পৰিচয় জ্ঞাপক জীৱনীৰ শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি।

"মাণিকচন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ" আৰু "মাণিকচন্দ্ৰ বৰুৱা" এই দুয়োখন গ্ৰন্থই গোস্বামীৰ গভীৰ গৱেষণা আৰু শ্ৰমৰ স্বাক্ষৰ বহন কৰিছে। ইয়াত লেখকে এজন প্ৰকৃত বুৰঞ্জীবিদ্‌ৰ দূৰদৃষ্টিৰে আৰু অতি সাৱধানেৰে বিষয়ৰ কাৰ্য্যাৱলীক ৰাজনৈতিক, সামাজিক বুৰঞ্জীৰ প্ৰেক্ষাপটত স্থাপন কৰি, নিৰীক্ষণ কৰি তাৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰিবলৈ যত্ন কৰিছে। ইয়াৰ ফলত আধাৰ গ্ৰন্থ "মাণিক" নামৰ পুথিখনতকৈ এই গ্ৰন্থ দুখনত বিষয় অধিক স্পষ্ট আৰু সজীৱ ৰূপত ধৰা দিছে। তদুপৰি বিভিন্ন প্ৰসঙ্গত সৰু সৰু ঘটনা, কথা আদিৰ সংযোগে পুথিখনি আকৰ্ষণীয় কৰি তুলিছে। এই তথ্যসমূহৰ উৎস উল্লেখ পুথিৰ পাতনি, পাদটীকা আৰু গ্ৰন্থৰ শেষত গ্ৰন্থপঞ্জী সন্নিবিষ্ট কৰি পুথিখনিৰ প্ৰামাণিকতাও বঢ়াইছে

হোৱা হৈছে। "মাণিকচন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ"তকৈ পৰৱৰ্তী ৰূপ "মাণিকচন্দ্ৰ বৰুৱা" অধিক তথ্য সম্বলিত আৰু পূৰ্ণতৰ।

গোস্বামীৰ আন এখনি জীৱনীমূলক প্ৰবন্ধৰ সংকলন হ'ল "বীৰ এজন পৰিল" (১৯৭৮)। এই পুথিখনি ৰচনা হৈছে নজন দেশী-বিদেশী ব্যক্তিৰ জীৱন কেন্দ্ৰ কৰি। তেওঁলোক হ'ল এনি বেজান্ট, কমলাকান্ত ভট্টাচাৰ্য্য, পণ্ডিত হেমচন্দ্ৰ গোস্বামী, দেহিৰাম হাজৰিকা, মথুৰামোহন বৰুৱা, কবি সিংহদেৱদত্ত অধিকাৰী, উমাকান্ত গোস্বামী, বিদ্যাসাগৰ, বিজ্ঞানী কাৰভাৰ।

এই পুথিখনিৰ প্ৰথম ৰচনা 'নেতৃত্বৰ পথত নাৰী : এনি বেজান্ত'ৰ মাজেদি লেখকে বেজান্টৰ সংগ্ৰামী জীৱনৰ চিত্ৰ অঙ্কন কৰিছে। প্ৰগতিশীল মনৰ অধিকাৰী বেজান্টে কেনেকৈ নিজৰ আদৰ্শৰ বাবে বৈবাহিক জীৱনৰ বন্ধন ছিঙি ওলাই আহিছিল সেই কথা ইয়াত সুন্দৰভাৱে বিধৃত হৈছে। বাৰ্ণাড শ্বৰ লগত বেজান্টৰ সম্পৰ্ক, থিওচফিৰ প্ৰতি বেজান্টৰ আকৰ্ষণ আৰু সদৌ শেষত কেনেকৈ তেওঁ ভাৰতীয়সকলৰ উন্নতিৰ বাবে আৰু নাৰীমঙ্গলৰ বাবে আত্মোৎসৰ্গ কৰিলে সেই কাহিনী অতি সাবলীল ভাষাৰে এই ৰচনাখনিত বৰ্ণিত হৈছে।

দ্বিতীয় ৰচনাখনি অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্যক কেন্দ্ৰ কৰি ৰচিত হৈছে। ৰচনাখনিত দেখুওৱা হৈছেযে কমলাকান্ত প্ৰগতিশীল ভাবধাৰৰ কবি আছিল; কিন্তু তেওঁ জনপ্ৰিয় নাছিল। ইয়াৰ কাৰণ স্বৰূপে লেখকে কমলাকান্তৰ মুখত দিয়া কথা এফাঁকি উল্লেখ কৰিব পাৰি :

'সঁচা দোষখিনি দেখুৱাই দিলেই যদি মানুহ শত্ৰু হ'বলগীয়াত পৰে তেনেহ'লে মিত্ৰ হৈ থকাতকৈ শত্ৰু হৈ থকা বৰং উপকাৰহে' (পৃঃ ১৭)। কমলাকান্তৰ একাচেকা স্বভাৱ আৰু তেওঁৰ সামাজিক সংস্কাৰৰ বাবে কৰা বিদ্ৰোহৰ ছবিৰ উপৰিও তেওঁৰ অধ্যয়ন, সংস্কাৰমুখী মন, তেওঁৰ ৰচিত সাহিত্য আদিৰ কথাও ইয়াত বৰ্ণিত হৈছে। মুঠতে এই ক্ষুদ্ৰ ৰচনাখনিৰ পৰিসৰতে কমলাকান্ত মানুহজন আৰু তেওঁৰ ব্যক্তিত্ব ফুটাই তোলাত লেখক সাৰ্থক হৈছে।

তৃতীয় ৰচনাখনি 'বীৰ এজন পৰিল' দেহিৰাম হাজৰিকা নামৰ এজন অখ্যাত লোকৰ জীৱনক কেন্দ্ৰ কৰি ৰচিত হৈছে। এই ৰচনাখনি আদিৰপৰা অন্তলৈ যি এক গল্পৰ কথনভংগীৰে ৰচিত হৈছে তাৰ ফলত হয়তো ৰচনাখনিক নতুন জীৱনীৰ আৰ্হিৰ ৰচনা বুলিব পৰা গ'লহেঁতেন যদিহে লেখকে ইয়াত উৎসৰ কথাও উল্লেখ নকৰিলেহেঁতেন। যিহেতু এই ৰচনাখনিত বৰ্ণিত সকলো ঘটনা লেখকে কোনো এক অনামী ব্যক্তি ভঁড়ালীৰপৰা শুনা বুলি উল্লেখ কৰিছে সেই দিশৰপৰা এই ৰচনা নতুন জীৱনীৰ আৰ্হিৰ ৰচনা বুলিব নোৱাৰি। তদুপৰি কেৱল কাহিনীৰ ছলেৰে জীৱনী লিখিলেই সি নতুন জীৱনী হৈ নুঠে।

এই ৰচনাখনিৰ আন এটা উল্লেখযোগ্য দিশ হ'ল যে পুথিখনিৰ আন আন ৰচনাৰ তুলনাত

বা সৰ্বসাধাৰণ জীৱনীৰ বিষয়ৰ তুলনাত ইয়াৰ বিষয় এক ব্যতিক্ৰম। কিয়নো সাধাৰণতে জীৱনীৰ বিষয় হিচাবে নিৰ্বাচন কৰা হয় বিভিন্ন ক্ষেত্ৰৰ প্ৰখ্যাত ব্যক্তিসকলক। কিন্তু ইয়াত বিষয় হ'ল ঘৰৰপৰা ওলাই যোৱা এক দুৰ্দান্ত লোক যাৰ ব্যৱহাৰত অসংস্কৃত হজুৱা গোড়ামীহে প্ৰকাশ পাইছে। অৱশ্যে বিষয়ৰ অসামাজিক কাৰ্য্য-কলাপৰ আঁৰত সাহসী অথচ মানৱীয় ৰূপ এটাও প্ৰকাশি উঠিছে। ৰচনাখনিৰ শিৰোনামাৰপৰা বুজিব পাৰি যে লেখকে বিষয়ক এজন বীৰ ৰূপে অভিহিত কৰিব বিচাৰিছে; যদিওবা সমাজে প্ৰচলিত ৰীতিৰে তেওঁ বীৰ বুলি গ্ৰহণ নকৰিব।

'পণ্ডিত হেমচন্দ্ৰ গোস্বামী' নামৰ ৰচনাখনিত লেখকে হেমচন্দ্ৰ গোস্বামীৰ জীৱনৰ বিভিন্ন ঘটনাৰ প্ৰসঙ্গত চন তাৰিখৰ উল্লেখ কৰি গৈছে। এই ৰচনাখনিত গোস্বামীৰ পুৰাতত্ত্ব, সাহিত্যালৈ বৰঙণিৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে। এই বিলাক দিশৰ ওপৰত আলোকসম্পাতৰ জৰিয়তে লেখকে অতি যথোপযুক্তভাৱে দেখুৱাবলৈ সক্ষম হৈছে যে অসমীয়া ভাষা-সংস্কৃতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰা সেনাপতিসকলৰ ভিতৰত গোস্বামী ডাঙৰীয়াও এজন। তদুপৰি এই ৰচনাখনিত পোনপ্ৰথমবাৰৰ বাবে গোস্বামীৰ জীৱনৰ কিছুমান অপ্ৰকাশিত তথ্য প্ৰকাশ পাইছে। উদাহৰণ স্বৰূপে হেমচন্দ্ৰ গোস্বামীয়ে এজন পাঞ্জাবী ভদ্ৰলোকৰ লগত সম্পত্তিৰ বাবে হোৱা কাজিয়াৰ ফলস্বৰূপে তেওঁৰ সোঁ-হাতৰ বুঢ়া আঙুলিটো চিৰদিনৰ বাবে হেৰুৱাৰ হেতু বীণা বজাবলৈ অসমৰ্থ হৈছিল। এই তথ্য গোস্বামীৰ আন কোনো জীৱনীত পোৱা নাযায়।

'সাংবাদিক মথুৰামোহন বৰুৱা'ৰ জীৱনৰ ওপৰত ভিত্তি কৰি ৰচিত ৰচনাখনিত লেখকে উল্লেখ কৰিছে যে "মথুৰামোহনৰ আগবয়সৰ কথা আমি নাজানো বুলিলেই হয়, কিয়নো তেওঁৰ বিষয়ে সমসাময়িক উল্লেখ বৰ কম" (পৃঃ ৪৫)। কিন্তু সংগৃহীত ক্ষুদ্ৰ সমলবদ্ধাৰা লেখকে বিষয়ক এক জীৱন্ত ৰূপ দিবলৈ সক্ষম হৈছে। তদুপৰি কিছুমান দৃশ্য পৰিকল্পনাৰ মাজেদি বিষয়ৰ ব্যক্তিত্বৰ মানৱীয় দিশটো উদ্ভাসিত হৈ উঠিছে। তদুপৰি *The Assam Advocate* কাকতৰ সম্পাদক ৰূপে মথুৰামোহন বৰুৱাৰ ভূমিকা কেনে আছিল সেই বিষয়েও ইয়াত আলোচিত হৈছে। এনেবোৰ প্ৰসঙ্গত লেখকে উল্লিখিত মন্তব্যৰ সমৰ্থনত বিশিষ্ট ব্যক্তি বেণুধৰ ৰাজখোৱা, মাধৱ বেজবৰুৱা আদিৰ উক্তি উল্লেখ কৰিছে।

ইয়াৰ পাছৰ ৰচনাখনিৰ বিষয় হ'ল 'কবি সিংহদত্তদেৱ অধিকাৰী'। সিংহদত্তদেৱ অধিকাৰী লেখক প্ৰফুল্লদত্ত গোস্বামীৰ পিতৃ। প্ৰফুল্লদত্ত গোস্বামীৰ কৈশোৰ কালতেই পিতাকৰ মৃত্যু হয়। সেয়েহে এই জীৱনীমূলক ৰচনাখনিৰ বাবে লেখক গোস্বামীয়ে পিতাকৰ সমসাময়িক ব্যক্তিসকলৰপৰা সমল সংগ্ৰহ কৰাৰ কথা উল্লেখ কৰিছে। বিষয় সম্বন্ধত পিতৃ হোৱা বাবেই লেখকে ৰচনাখনিত উল্লেখ কৰা প্ৰায় সকলোবোৰ ঘটনাৰ উৎসৰ উল্লেখ, চন, তাৰিখৰ উল্লেখ কৰাৰ ক্ষেত্ৰত যথেষ্ট সাৱধানতা অৱলম্বন কৰিছে। সীমিত সমলৰ জৰিয়তে লেখকে এই ৰচনাখনিত বিষয় মানুহজনক তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্যৰে স্পষ্টকৈ ফুটাই তুলিবলৈ সক্ষম হৈছে।

এসময়ৰ কটন কলেজৰ কৃতী শিক্ষকসকলৰ ভিতৰত এজন হ'ল উমাকান্ত গোস্বামী। এই কৃতী শিক্ষকগৰাকীৰ ছাত্ৰ হিচাবে লেখক গোস্বামীৰ মনত ৰেখাপাত কৰা কিছুমান সৰু সৰু ঘটনাৰ উল্লেখেৰে 'অধ্যাপক উমাকান্ত গোস্বামী' মানুহজনৰ এটি নিখুঁত ছবি ইয়াত অঙ্কিত হৈছে। উমাকান্ত গোস্বামী যেনে বুদ্ধিদীপ্ত আৰু তীক্ষ্ণধী আছিল সেই হিচাবে বৌদ্ধিক দিশত তেওঁ বিশেষ একো কৰি যাব নোৱাৰাৰ কাৰণো লেখকে ইয়াত বিশ্লেষণ কৰিবলৈ যত্ন কৰিছে।

বঙ্গদেশৰ বিখ্যাত সমাজ সংস্কাৰক বিদ্যাসাগৰ এহাতে যেনেকৈ সংস্কৃত পণ্ডিত আনহাতে তেনেকৈ বঙলা আৰু ইংৰাজী ভাষাতো তেওঁৰ পাণ্ডিত্য সৰ্বজন বিদিত। 'বিদ্যাসাগৰ' নামৰ এই ক্ষুদ্ৰ ৰচনাখনিত লেখকে বিদ্যাসাগৰৰ জীৱনীৰ কেইটামান ঘটনাৰ উল্লেখেৰে মানুহজনক জীৱন্ত ৰূপ দিবলৈ সক্ষম হৈছে। বিশেষকৈ বিদ্যাসাগৰৰ চৰিত্ৰৰ বৈশিষ্ট্য কম কথাত কেনেভাৱে প্ৰকাশ কৰিছে তলত উল্লেখ কৰা উদ্ধৃতিয়েই তাৰ প্ৰমাণ ঃ "কাশীলৈ গৈ তেওঁ বিশ্বেশ্বৰৰ মন্দিৰত ভুমুকি মৰা নাছিল, গৈছিল পিতৃ-মাতৃক দৰ্শন কৰিবলৈ। যি ৰামকৃষ্ণ পৰমহংসক লৈ সেই সময়ত একশ্ৰেণী লোক বলিয়া সেই ৰামকৃষ্ণৰ আকৰ্ষণে তেওঁক টলাব নোৱাৰিলে" (পৃঃ ৭৯)। আনহাতে ৰামকৃষ্ণইহে তেওঁৰ দৰ্শন লাভৰ উদ্দেশ্যে গৈ কৈছিল ঃ "মই সাগৰ চাবলৈ আহিছোঁ।" বিদ্যাসাগৰে ধেমালিৰ সুৰত উত্তৰ দিছিল এইবুলি ঃ "তেনেহ'লে লুণীয়া পানীকে অলপ লৈ খাওঁক" (পৃঃ ৭৯)। এনেধৰণৰ উক্তিৰ ব্যৱহাৰে দুজন প্ৰখ্যাত ব্যক্তিৰ মানৱীয় দিশটো ফুটাই তোলাৰ লগতে ৰচনাখনি সোৱাদ লগা কৰি তুলিছে। মুঠতে জীৱনীকাৰৰ থাকিবলগীয়া এটা বিশেষ গুণ ঘটনা নিৰ্বাচনৰ দক্ষতা— জীৱনীকাৰ গোস্বামীৰ ক্ষেত্ৰত সুন্দৰকৈ পৰিস্ফুট হৈছে।

পুথিখনিৰ শেহৰখনি ৰচনা 'নিগ্ৰো বৈজ্ঞানিক কাৰ্ভাৰ'ৰ জীৱনক কেন্দ্ৰ কৰি ৰচিত হৈছে। এই ৰচনাখনিৰ মাজেদি বগা আমেৰিকানসকলৰদ্বাৰা হিংসা আৰু ঘৃণাৰে পীড়িত ক'লা নিগ্ৰোসকলৰ দুৰ্দশাপূৰ্ণ জীৱনৰ চিত্ৰ পৰিস্ফুট হৈ উঠিছে। গাৰ ছালৰ ৰং ক'লা হোৱা বাবেই এই নিগ্ৰোসকল কেনেকৈ সাধাৰণ মানৱীয় অধিকাৰৰপৰা বঞ্চিত হৈছিল তাৰ চিত্ৰ অতি হৃদয়গ্ৰাহী ৰূপত ইয়াত অঙ্কন কৰা হৈছে। এনে প্ৰতিকূল পৰিস্থিতিৰ মাজতো নিগ্ৰো বৈজ্ঞানিক কাৰ্ভাৰে নিজ অধ্যৱসায় আৰু নিষ্ঠাৰ বলত কেনেকৈ এজন আগশাৰীৰ বিজ্ঞানীৰূপে নিজকে প্ৰতিষ্ঠা কৰি জাতিৰ মৰ্য্যাদা বৃদ্ধি কৰাৰ লগতে জগতবাসীৰ হিত সাধন কৰিবলৈ সমৰ্থ হৈছিল সেই কাহিনী অতি মৰ্মস্পৰ্শী ৰূপত ইয়াত বিবৃত হৈছে।

প্ৰফুল্লদত্ত গোস্বামীৰ শেহতীয়া জীৱনী গ্ৰন্থখনি হ'ল "এটি জীৱন কাহিনী" (১৯৭৯)। এই জীৱনী গ্ৰন্থখনি গুৱাহাটীৰ এজন সাধাৰণ ভৰৰ ব্যৱসায়ী পূৰ্ণচন্দ্ৰ ভঁড়ালীৰ জীৱনক কেন্দ্ৰ কৰি ৰচিত হৈছে। অসমীয়া ভাষাত সাধাৰণতে জীৱনীৰ বিষয় হিচাবে কোনো বিশিষ্ট

ব্যক্তিৰ জীৱনকহে বাচি লোৱা হয়। কিন্তু প্ৰফুল্লদত্ত গোস্বামীয়ে পৰীক্ষামূলকভাৱে ৰচনা কৰা এই গ্ৰন্থই প্ৰমাণ কৰিলে যে ৰচনা কৰাৰ কৌশল আয়ত্ত কৰিব পাৰিলে সাধাৰণ মানুহৰ জীৱনীও আকৰ্ষণীয় হ'ব পাৰে। অৱশ্যে পাশ্চাত্য সাহিত্যত চোৰ-ডকাইতৰ জীৱনক লৈ জীৱনী ৰচনা হোৱাৰ আৰ্হি আছে। মানুহৰ জীৱন বিচিত্ৰ। সেয়েহে মানুহৰ এই বিচিত্ৰ ৰূপক বিভিন্ন দৃষ্টিকোণৰপৰা অংকন কৰিব পাৰিলে জীৱনী আকৰ্ষণীয় হোৱাৰ উপৰিও ই পাঠকক অনুপ্ৰাণিতও কৰিব পাৰে। গোস্বামীয়ে পুথিৰ শেষত পূৰ্ণচন্দ্ৰ ভঁড়ালীক তেওঁ কিয় জীৱনীৰ বিষয় ৰূপে নিৰ্বাচন কৰিলে তাৰ কাৰণ এই বুলি ব্যাখ্যা কৰিছে : "আমি সাধাৰণতে বাহিৰৰ চকুৰ আগত উজলি থকা লোকসকলৰ প্ৰতিহে আকৃষ্ট হওঁ আৰু ধাৰণা কৰোঁ এই সকলেই 'মহাপুৰুষ'। যিসকলে সৎভাৱে অৱস্থাৰ লগত যুঁজিবলৈ চেষ্টা কৰে আৰু যিসকলে সমাজৰ উন্নতিত যৎকিঞ্চিৎ অৱদান আগবঢ়ায়, সেইসকলহে সন্তুৰ প্ৰশংসাৰ যোগ্য, তেওঁলোকহে স্মৰণীয় হ'ব লাগে' (পৃঃ ৯৩)।

লেখকে এই পুথিখনিত দেখুৱাইছে যে ভঁড়ালী এজন অক্লান্ত সংগ্ৰামী পুৰুষ। কাৰণ ব্যৱসায়ত প্ৰতিষ্ঠা লাভ নকৰালৈকে তেওঁ এটাৰ পাছত এটাকৈ বিভিন্ন ব্যৱসায়ত নামি নিজক প্ৰতিষ্ঠা কৰাৰ চেষ্টা অব্যাহত ৰাখিছিল।

'এটি জীয়া কাহিনী' নামৰ গ্ৰন্থখনিত লেখকে ভঁড়ালীৰ জীৱনৰ ঘটনাৱলী কাহিনীকথনৰ ৰীতিৰে বৰ্ণনা কৰি গৈছে। মাজে মাজে বিষয়ৰ মুখেৰে কাহিনী বৰ্ণনা কৰি পুথিখনি সোৱাদ লগা কৰি তুলিছে। এখন প্ৰামাণিক জীৱনীৰ বিষয়ৰ মুখত দিয়া সংলাপৰ ক্ষেত্ৰত চন, তাৰিখৰ উপৰিও সেই কথা বিষয়ে কিয়, কেতিয়া, কি প্ৰসঙ্গত কৈছিল তাৰো যথাযথ উল্লেখ থাকে। কিন্তু এই পুথিত লেখকে প্ৰামাণিকতা বজাই ৰাখিবলৈ চেষ্টা কৰা নাই, ফলত পুথিখনি সাধাৰণ গল্পৰ স্তৰলৈ নামি গৈছে।

অৱশ্যে লেখকে পুথিখনিৰ জৰিয়তে বিষয়ক এজন উৎসাহী ব্যক্তিৰূপে প্ৰতিপন্ন কৰিছে। সেই দ্বিতীয় মহাযুদ্ধৰ পূৰ্বেই ভঁড়ালীয়ে প্ৰস্তুত কৰা প্ৰসাধন সামগ্ৰীয়ে বিশ্বৰ বজাৰত স্থান পোৱা কাৰ্যই ভঁড়ালীৰ বুদ্ধিমত্তাৰ পৰিচয় দিয়ে। সেইদৰে ইয়াত ভঁড়ালীক এজন নিয়ম-শৃঙ্খলাসম্পন্ন তথা ব্যক্তিত্বপূৰ্ণ ব্যক্তি ৰূপে চিত্ৰিত কৰা হৈছে।

এই পুথিৰ সমস্ত বিষয় ভঁড়ালীৰ মুখৰপৰাই সংগ্ৰহ কৰা হৈছে বুলি পাততনিত উল্লেখ কৰা হৈছে। সেয়েহে ভঁড়ালীৰ মুখেদি বিবৃত হোৱা তেওঁৰ জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ স্বাদ পাঠকে উপলব্ধি কৰিবলৈ সমৰ্থ হৈছে। তদুপৰি এই অভিজ্ঞতাৰ মাজেদি অসমৰ গাঁৱলীয়া জীৱনৰ হেৰাই যাবলৈ ধৰা কিছুমান চিত্ৰও প্ৰতিফলিত হৈছে। যেনে : জাকৈৰে হোৱালীৰ মাছ মৰা দৃশ্য, অজগৰ সাপ মৰাৰ দৃশ্য, অসমীয়া মানুহৰ আতিথ্য ইত্যাদি। এইবিলাক বিষয়ৰ ব্যক্তিত্বৰ বিভিন্ন দিশত আলোকপাত কৰি বিষয়ক জীৱন্ত ৰূপত সজাই তুলিছে। অৱশ্যে পুথিখনিত পিতৃ ৰূপে, স্বামী ৰূপে বিষয়ৰ ভূমিকা কেনে আছিল তাৰ কোনো আভাস নাই।

আলোচনাৰ শেষত পুথিখনিৰ ৰচনা কৌশল সম্পৰ্কে একেষাৰে নকলে আলোচনা অসম্পূৰ্ণ হৈ ৰ'ব। এই পুথিৰ কৌশল অসমীয়া জীৱনীত ইতিপূৰ্বে ব্যৱহাৰ নকৰা এক নতুনত্বপূৰ্ণ কৌশল আছিল। এই কৌশলেৰে বছৱেলে তেওঁৰ বিখ্যাত জীৱনী গ্ৰন্থ "লাইফ অৱ জনছন্" ৰচনা কৰি আজিকোপতি অদ্বিতীয় জীৱনীকাৰ ৰূপে খ্যাত হৈ আছে। কিন্তু বছৱেলে জীৱনীখনত ব্যৱহাৰ কৰা ঘটনাসমূহৰ উৎসৰ উল্লেখ কৰাৰ ক্ষেত্ৰত যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছিল। বছৱেলে সাধাৰণতে ঘটনাৰ চন, তাৰিখ উল্লেখ কৰাৰ উপৰিও ঘটনাটো ক'ত ঘটিছিল সেই কথাও উল্লেখ কৰিছে। কেতিয়াবা তেওঁ জনছন্ৰ ডায়েৰীৰপৰা উদ্ধৃত কৰিছে নতুবা জনছনে কোৱা কথাটো তেওঁ কেতিয়া, কেনেকৈ, কি প্ৰক্ৰিয়াৰে টুকি ৰাখিছিল সেই কথাও উল্লেখ কৰিছে। ইয়াৰ ফলত বছৱেলৰ ৰচিত জীৱনীখনত প্ৰমাণিকতা অটুট আছে। 'এটি জীয়া কাহিনী' নামৰ গ্ৰন্থখনিত লেখকে প্ৰামাণিকতাৰ প্ৰতি আওকাণ কৰি কাহিনী কথনত অধিক গুৰুত্ব আৰোপ কৰিছে। অৱশ্যে ইয়াৰ ফলত প্ৰামাণিকতাৰ দিশত ত্ৰুটীপূৰ্ণ হ'লেও, পুথিখনি আকৰ্ষণীয় হোৱাৰ উপৰিও সুখপাঠ্য হৈছে।

পুথিৰ পাতনিত উল্লেখ আছে যে বিষয় ভঁড়ালী লেখকৰ বন্ধু শ্ৰেণীৰ লোক। সেয়েহে হয়তো পুথিত ভঁড়ালীৰ কেৱল গুণাৱলীহে বৰ্ণিত হৈছে। পুথিখনিত লেখকে বিষয়ৰ প্ৰতি সমালোচনামূলক দৃষ্টিভংগী গ্ৰহণ কৰিব পৰা নাই; যদিওবা সমালোচনা কৰাৰ যথেষ্ট থল আছিল। উদাহৰণ স্বৰূপে ভঁড়ালী এজন কৃতী ছাত্ৰ আছিল। সেয়েহে তেওঁৰ শিক্ষকসকলে তেওঁক শিক্ষকতা কৰিবলৈ মাতিছিল। কিন্তু ভঁড়ালী নগ'ল। কিয় নগ'ল তাৰ উচিত ব্যাখ্যা পুথিখনিত নাই। সেই সময়তে ভঁড়ালীয়ে বাৰ্মাত এটা চাকৰি পাইছিল। কিন্তু বাৰ্মাত ভাৰত বিৰোধী মৰা-কটা চলি থকা বাবে ভঁড়ালী নগ'ল। এজন ডেকা ল'ৰাই নিজৰ মনোমত চাকৰি পাইও এনে কাৰণত যোগ নিদিয়াটো যুক্তিসঙ্গত বুলি বিবেচনা কৰিব নোৱাৰি। আকৌ কিছু বছৰৰ পাছত ৰসায়নবিদ্ হিচাবে ভঁড়ালীয়ে জাৰ্মানীত কাম কৰিবলৈ যাবলৈ সুবিধা পাইছিল। সেইবাৰো দ্বিতীয় মহাযুদ্ধ চলি থকাৰ অজুহাতত ভঁড়ালী নগ'ল।

পুথিখনিৰ বিভিন্ন ঠাইত লেখকে দেখুৱাব বিচাৰিছে যে পৰিস্থিতি সাপেক্ষে ভঁড়ালীয়ে দৃঢ় পদক্ষেপ ল'ব পাৰে। উদাহৰণ স্বৰূপে কাপোৰৰ সদাগৰ হিচাবে বস্ত্ৰৰ কেন্দ্ৰীয় বিষয়াৰ লগত কৰা ব্যৱহাৰ বা জাৰ্মান ফাৰ্ম এখনৰ বিষয়াৰ লগত কৰা ব্যৱহাৰৰ কথা উনুকিয়াব পাৰি। কিন্তু পুথিখনিত এইটো পৰিস্ফুট হৈ উঠা নাই যে ভড়ালীৰ কি চাৰিত্ৰিক গুণৰ বলতনো এই বিষয়া দুজনে তেওঁৰ ওচৰত সেও মানিছিল। এনেবোৰ ত্ৰুটীৰ ফলত এই পুথিখন এখনি উচ্চমানবিশিষ্ট জীৱনী হোৱাৰ সম্ভাবনা থকা সত্ত্বেও সি ফলৱতী নহ'ল।

তথাপি এই কথা স্বীকাৰ কৰিবই লাগিব যে বিষয়ৰ মুখৰ সংলাপ আৰু তেওঁৰ কাৰ্য্যকলাপৰ বিৱৰণৰ সহায়ত পুথিখনিত ভঁড়ালী মানুহজন এজন তেজ-মঙহৰ মানুহ

ৰূপত ফুটি উঠিছে। তদুপৰি সুখপাঠ্যতাৰ গুণত পুথিখনি এখনি সাৰ্থক জীৱনী ৰূপে প্ৰতিপন্ন হৈছে। মুঠতে বিষয় এক নিতান্ত সাধাৰণ ব্যক্তি হোৱা সত্ত্বেও লেখকৰ বৰ্ণনা ভংগীৰ গুণ আৰু সাৱলীল কথন ভংগীয়ে বিষয়ক তেওঁৰ কথা আৰু কামৰ মাজেদি এক অসাধাৰণ ৰূপ প্ৰদান কৰিছে। সেই কাৰণেই গোস্বামীৰ এই প্ৰচেষ্টা অসমীয়া জীৱনী সাহিত্যত একক আৰু অসমীয়া জীৱনী সাহিত্যলৈ ই এক অনবদ্য অৱদান।

উপৰৰ আলোচনাৰপৰা জীৱনীকাৰ গোস্বামীৰ প্ৰকৃত স্বৰূপটো উপলব্ধি কৰিব পাৰি। আমি আগতে কৈ আহিছো যে প্ৰফুল্লদত্ত গোস্বামীয়ে জীৱনী ৰচনাৰ সম্পূৰ্ণ কৌশল আয়ত্ত কৰিহে জীৱনী ৰচনাত হাত দিছে।

এজন মানুহৰ জীৱনী ৰচনা কৰিবলৈ হ'লে মানুহজন আৰু মানুহজনে বাস কৰা যুগটোৰ বিষয়ে সম্যক জ্ঞান নাথাকিলে উপাদেয় জীৱনী ৰচনা কৰাটো যে সম্ভৱ নহয় সেই কথা প্ৰফুল্লদত্ত গোস্বামীয়ে অতি সুন্দৰকৈ হৃদয়ঙ্গম কৰিছিল। এই প্ৰসঙ্গত ড০ ভৃগুমোহন গোস্বামীয়ে ৰচনা কৰা 'জনকৃষ্টিৰ সাধক ড০ প্ৰফুল্লদত্ত গোস্বামী' নামৰ গ্ৰন্থৰ এশাৰী বাক্য উল্লেখযোগ্য : 'মানুহ এজনৰ, বিশেষকৈ সামাজিক জীৱন পাত কৰা লোকৰ কৰ্ম আৰু চিন্তাৰ জোখ ল'বলৈ হ'লে, মানুহজনৰ ৰাজনৈতিক আৰু সামাজিক পৰিৱেশ সম্পৰ্কেও গৱেষণা কৰিবৰ দৰ্কাৰ হয়' (পৃঃ ৩৬)।

তদুপৰি 'মাণিকচন্দ্ৰ বৰুৱা' (১৯৭৭) নামৰ পুথিৰ পাতনিৰপৰাও জীৱনীকাৰ গোস্বামীৰ মাজত লুকাই থকা গৱেষক গোস্বামীজনৰ স্বৰূপ উপলব্ধি কৰিব পাৰি : "মই দেখিলোঁ, মোক দুবিধ সমল লাগে—এবিধ মানুহজনৰ বিষয়ে, দ্বিতীয়বিধ তেওঁৰ সামাজিক আৰু ৰাজনৈতিক কাৰ্য্যাৱলী সম্পৰ্কে। কামটো হাতত ল'লোঁ যেতিয়া বিমানদূৰ পাৰি 'অৰুণোদই'ৰপৰা আৰম্ভ কৰি পুৰণি কাকত আলোচনী, চৰকাৰী ৰিপোৰ্ট, মিউনিচিপেলিটিৰ কাৰ্য্যাৱলীৰ নথি, আন কিতাপ-পত্ৰ, যি পোৱা যায় বিচাৰি-খুচৰি চাবলৈ ধৰিলোঁ। নতুন কথা পালোঁ, পুৰণি জীৱনীখনত থকা ঘটনা সম্পৰ্কে বেছি সঠিক নাইবা তাতকৈ বহল বিৱৰণ দিয়াটো সম্ভৱ হ'ল' (পৃঃ ০.৭, ০.৮)।

ঘটনাৰ নিৰ্বাচন আৰু নিৰীক্ষণত দক্ষতা থাকিলেহে জীৱনীকাৰে কোনো ব্যক্তিৰ জীৱনৰ তাৎপৰ্য্য বিশ্লেষণ কৰি দেখুৱাবলৈ সমৰ্থ হয়। আমি 'বীৰ এজন পৰিল' নামৰ পুথিখনিত দেখুৱাইছোঁ যে কমলাকান্ত প্ৰগতিবাদী চিন্তাধাৰাৰ লোক আছিল যদিও তেওঁ জনপ্ৰিয় নাছিল। ইয়াৰ কাৰণ লেখকে দেখুৱাইছে যে কমলাকান্ত বৰ একাচেকা বিধৰ লোক আছিল। সেই কাৰণে তেওঁ আনৰ বেয়াক বেয়া বুলিবলৈ দ্বিধাবোধ নকৰিছিল।

সেইদৰে তেওঁৰ জীৱনীমূলক ৰচনাসমূহত আমি দেখিছোঁ যে অতি কম কথাৰে কেইটামান নিৰ্বাচিত ঘটনাৰ মাজেৰে তেওঁ তেওঁৰ বিষয়ক এজন তেজ-মঙহৰ জীয়া মানুহ ৰূপে অঙ্কন কৰিবলৈ সমৰ্থ হৈছে।

এনে গুণৰ বাবেই ড০ প্ৰফুল্লদত্ত গোস্বামী অসমীয়া জীৱনী সাহিত্যত শ্ৰেষ্ঠ জীৱনীকাৰ ৰূপে স্বীকৃত হৈছে।

—●—

প্ৰফুল্লদত্ত গোস্বামীৰ গদ্যশৈলী

শশী শৰ্মা

সাধাৰণতে শৈলী শব্দটো বহল-ব্যাপক অৰ্থত প্ৰয়োগ হোৱা দেখা যায়। শৈলীয়ে ভাষাৰ আলংকাৰিক সৌন্দৰ্য্য বা সুনিৰ্বাচিত শব্দ প্ৰয়োগৰ কৌশলকো সূচায়, অভিনৱ আৰু বৈচিত্ৰ্যপূৰ্ণ বিষয়বস্তু নিৰ্বাচন ৰীতিকো সূচায় আৰু সৰ্বোপৰি শৈলীৰ মাজেদিয়ে প্ৰকাশ পায় লেখক-সাহিত্যিকৰ ব্যক্তিত্বও। আৰু সেই কাৰণেই কোৱা হয় যে শৈলীয়েই সাহিত্যিক (Style is the man)। ব্যক্তিত্বহীন লেখক-সাহিত্যিকৰ ৰচনা যেন বন্ধ্যাহে; তেনে ৰচনাই পঢ়ুৱৈ সমাজক ৰস বা ন ন চিন্তা-ভাৱনাৰে উদ্দীপ্ত কৰিব বুলি সমূলি আশা কৰিব নোৱাৰি।

ড০ প্ৰফুল্লদত্ত গোস্বামী ব্যক্তিত্বশালী লেখক আছিল। তেওঁৰ ৰচনাৰাজি বৈচিত্ৰ্যপূৰ্ণও আৰু লগতে বৈশিষ্ট্যপূৰ্ণও। উপৰৰাকৈ চালেও তেওঁ নিবন্ধকাৰ, জীৱনীকাৰ, সমালোচক, গল্পকাৰ, ঔপন্যাসিক, ভ্ৰমণ কাহিনীৰ ৰচক আৰু পৃথিৱী বিখ্যাত জন সাহিত্যিক বা লোক সাহিত্যিক (তেওঁ 'লোক-সাহিত্যৰ সলনি সততে 'জন-সাহিত্য' শব্দহে ব্যৱহাৰ কৰিছিল। কিন্তু সম্প্ৰতি প্ৰায় সমগ্ৰ অসম তথা ভাৰতেও 'লোক-সাহিত্য' শব্দহে প্ৰয়োগ কৰে। সেয়ে এই আলোচনাতো 'লোক-সাহিত্য' শব্দহে প্ৰয়োগ কৰা হ'ব।) সৃষ্টিৰ এই বৈচিত্ৰ্যই তেওঁৰ ৰচনাৰ স্বাভাৱিকতেই আকৰ্ষণ বঢ়াইছে। তাতোকৈও আকৰ্ষণীয় কথা এয়ে যে তেওঁৰ প্ৰায় প্ৰতিবিধ ৰচনাই বৈশিষ্ট্যপূৰ্ণও আৰু তেওঁৰ সবল-সাহসী ব্যক্তিত্বৰদ্বাৰা প্ৰায় আটাইবোৰ ৰচনাই সিক্ত হৈ আছে।

তেওঁৰ নিবন্ধ সংকলন 'বুৰঞ্জী আৰু সংস্কৃতি', 'সাহিত্য, সংস্কৃতি, ইতিহাস', 'সাহিত্য আৰু জীৱন', 'অসমীয়া জন-সাহিত্য' আদিৰ পাত লুটিয়ালে দেখা যায় তেওঁ কিদৰে প্ৰাচ্য-পাশ্চাত্যৰ সাহিত্য, সংস্কৃতি, বুৰঞ্জী, দৰ্শন, সমাজ, সভ্যতা আদিৰ মাজত বিচৰণ কৰি ফুৰিছিল। 'মা দেৱী শক্তিৰূপেণ সংস্থিতা'ত তেওঁ ইউৰোপ আৰু এছিয়া ব্যাপী প্ৰাগ্‌ঐতিহাসিক যুগৰপৰা প্ৰচলিত হৈ অহা দেৱী পূজাৰ উৎপত্তি, বিকাশ, বিস্তৃতিৰ বিষয়েও তথ্য অনুসন্ধান কৰে; 'চুমেৰীয় কাহিনী'ত চুমেৰীয় সভ্যতা-সংস্কৃতিৰ স্বৰূপ উদ্‌ঘাটন কৰাৰ উপৰি আনকি প্ৰাচীন নিনেভেত ৰচনা কৰা 'গিলগামেছ' কাব্যৰ সন্ধান

দি সিখন ভাৰতৰ *ৰামায়ণ*তকৈও প্ৰাচীন তাক জানিবলৈ দি পঢ়ুৱৈৰ অনুসন্ধিৎসা বৃদ্ধি কৰে। 'উপনিষদত কি পায় ?', 'বিষ্ণুপুৰাণত ৰাজনীতি', 'নাৰদ স্মৃতিত ধনভেদ' প্ৰভৃতি নিবন্ধৰ অধ্যয়নে জানিবলৈ দিয়ে প্ৰাচীন ভাৰতীয় সমাজ-শাস্ত্ৰৰ লগত থকা গোস্বামীৰ সুগভীৰ সম্পৰ্কৰ কথা। 'হিন্দুৰ ভক্ষ্যাভক্ষ্য : গো আৰু বৰাহ ভক্ষণ', 'ব্ৰাহ্মী ৰাজাপ্ৰদা ভৱেৎ' প্ৰভৃতি ৰচনাৰ মাজেদি গ'লেও গোস্বামীৰ তথ্যানুসন্ধিৎসা আৰু উদাৰ মানসিকতাৰ লগত সুপৰিচিত হ'ব পাৰি। ড০ গোস্বামীৰ অনুসন্ধিৎসাৰ তুলনা নাই। তেওঁ মোগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাপক বাবৰৰ আত্মজীৱনী 'বাবৰনামা'ৰ মাজেদি গৈ বাবৰৰ সৌন্দৰ্য্য সন্ধানী কাব্যিক মনৰ উপৰি ধৰ্মনিৰপেক্ষতাৰো স্বৰূপ উপলব্ধি কৰিবলৈ দিয়ে। বাবৰে যেতিয়া ইচ্ছাপত্ৰৰ যোগেদি পুত্ৰেক হুমায়ুনলৈ বুলি উপদেশাৱলী আগবঢ়াই যায় :

"হে মোৰ পুত্ৰ, বিভিন্ন ধৰ্মৰ লোক ভাৰতত বাস কৰে।........

সেইকাৰণে এয়ে তোমাৰ দায়িত্ব (কৰ্তব্য) যেন

১. ধৰ্মীয় পক্ষপাতিতাই তোমাৰ মন চালিত নকৰে আৰু (যেন) সকলো শ্ৰেণীৰ লোকৰে ধৰ্মীয় প্ৰবৃত্তি আৰু আচাৰ-ব্যৱহাৰলৈ লক্ষ্য ৰাখি নিৰপেক্ষভাৱে ন্যায় বিচাৰ কৰা।

২. বিশেষকৈ যদি গোহত্যাৰপৰা আঁতৰি থকা, তেনেহ'লে ভাৰতবাসীৰ অন্তৰত ঠাই এডুখৰি পাবলৈ তোমাৰ সহজ হ'ব। এইদৰে দেশৰ বাইজক তুমি কৃতজ্ঞতাৰ পাশেৰে বান্ধিব পাৰিবা।

৩. নিপীড়নৰ তৰোৱালতকৈ প্ৰেমৰ তৰোৱালে হে ইচলামৰ প্ৰচাৰ উজু কৰিব।"

(যুৱজী আৰু সংস্কৃতি : বাবৰৰ আত্মজীৱনী, পৃঃ ৪৭)।

তেতিয়া যে কেৱল বাবৰৰ উদাৰ মানসিকতাৰ লগত হে পৰিচিত হ'ব পাৰি তেনে নহয়, নিবন্ধটোৰ ৰচক ড০ গোস্বামীও যে সমধৰ্মী আৰু সমউদাৰ মানসিকতা সম্পন্ন তাকো সহজে উপলব্ধি কৰিব পাৰি।

'চাহে মাৰিলা জাতিকুল.....' বুলি লোকগীতেৰে 'চাহ-পুৰাণ'ৰ আলোচনাৰ পাতনি মেলে যদিও ক্ৰমে প্ৰৱেশ কৰে চাহৰ উৎপত্তি, বিকাশ আৰু বিস্তৃতিৰ বিশ্ব ব্যাপক ঐতিহাসিক আলোচনাৰ মাজত হে। মধ্যযুগীয় এচিয়াৰ মহাসন্ত্ৰাস স্বৰূপ পৰৰাজ্য লুণ্ঠনকাৰী 'টাইমুৰৰ দাওখোলা'ত তেওঁ টাইমুৰকো অনুসন্ধানৰ বাজত ৰখা নাই। অসমীয়া সাহিত্যিক বেজবৰুৱা, দুৱৰা, অতুলচন্দ্ৰ হাজৰিকা, যদুনাথ চৌধাৰী, অম্বিকাগিৰি ৰায়চৌধুৰী প্ৰভৃতি বিশিষ্টসকলৰ বিষয়ে তেওঁ আলোচনাত ব্ৰতী হোৱাৰ দৰে মধ্যযুগীয় ভাৰতৰ আপেক্ষিকভাৱে কম জনপ্ৰিয় সংস্কৃত সাহিত্যৰ মাৰাঠা কবি 'জোনিৰাজ'ও তেওঁৰ অনুসন্ধানৰ বাজত থাকিব পৰা নাই আৰু তেনেকৈ 'গ্ৰীক কবি হেৰৌ', 'আটিলা জোজেফ : হাংগেৰীয়ান কবি', 'কাজাখস্তানৰ কবি আবাই কুনান বায়েভ' আৰু আনকি বিশিষ্ট 'প্ৰাচ্য বিদ্যাবিদ্ জৌনজ' তেওঁৰ অধ্যয়ন আৰু চিন্তনৰ বাজত থাকিবপৰা নাই।

লোক-সাহিত্য বিষয়ক অসমীয়া পুথি 'অসমীয়া জন-সাহিত্য'খনৰ নামকৰণ হে অসমকেন্দ্ৰী; কিন্তু বিষয়বস্তুৰ ক্ষেত্ৰত তেওঁ জাপানৰপৰা যুক্তৰাষ্ট্ৰলৈ আৰু ৰুছিয়াৰপৰা আফ্ৰিকালৈ সমগ্ৰ পৃথিৱীতে পৰ্য্যটন কৰি ফুৰিছে। তেওঁ যেন সমগ্ৰ বিশ্বখনকেই আপোন কৰি লৈছিল আৰু ব্যাপক সমাজখনকো বিশ্বমুখী কৰি তোলাৰ অৰ্থেই আগবঢ়াইছিল বৈচিত্ৰ্যপূৰ্ণ এই নিবন্ধৰাজি। গোস্বামীৰ এইটো ৰূপক বুলিব পাৰি বিশ্বকোষিক (Encyclopaedic) ৰূপ। ই বিৰল প্ৰতিভাৰ স্বাক্ষৰ; ইয়ে অজানিতে পঢ়ুৱৈ সমাজক বিস্ময়-বিমুগ্ধ কৰে; নিবন্ধকাৰ গোস্বামীৰ প্ৰতি হয়তো শ্ৰদ্ধা আৰু আনন্দতো মন বিমুগ্ধ হৈ পৰে।

অৱশ্যে এই কথা কিন্তু নহয় যে গোস্বামীয়ে নিবন্ধবোৰৰ মাজেদি যি কৈছে– সি অবিভ্ৰান্ত আৰু সৰ্বশেষ। আচলতে তেওঁ যেন কেৱল অধ্যয়ন আৰু অনুসন্ধানৰ সুৰুঙাহে উলিয়াই দি গৈছে; ভিন ভিন বিষয়ে কবিব বা ক'বলগীয়া আৰু বহু বৈ আছে। উদাহৰণ স্বৰূপে 'মাদেৱী শক্তিৰূপেণ সংস্থিতা' আলচটোলৈকে আঙুলিয়াব পাৰি। তেওঁ নিজে উল্লেখ কৰি গৈছে যে ইউনেস্কোই প্ৰকাশ কৰা 'Prehistory and The Beginning of The Civilisation' বোলা গ্ৰন্থখনৰ বিষয়বস্তুৰ অৱলম্বনত হে তেওঁ যাইকে আলচটো যুগুতাইছে। কিন্তু অন্ততঃ দেৱীপ্ৰসাদ চট্টোপাধ্যায়ৰ 'লোকায়ত' গ্ৰন্থখনকো আলোচনা প্ৰসংগত সামৰি লোৱাহেঁতেন তেওঁ আলচটোত উল্লেখ কৰিলেহেঁতেন যে অষ্ট্ৰিয়াৰ ভিলনডৰ্ফত মাটি খান্দি উদ্ধাৰ কৰা দেৱী ভেনাছৰ চুণ-শিলেৰে নিৰ্মিত মূৰ্তিটোহে এতিয়ালৈকে উদ্ধাৰ হোৱা মূৰ্তিবিলাকৰ ভিতৰৰ আটাইতকৈ প্ৰাচীন (D.P. Chattopadhyaya · Lakayata, 1981, pp.241-242)। 'অসমীয়া জন-সাহিত্য'খনৰ অৰ্ন্তভুক্ত 'বাৰ মাহৰ তেৰ গীত' বোলা নিবন্ধটোৰ এঠাইত তেওঁ লোকচীনে "জন গীতৰ সহায়ত অসত্য প্ৰচাৰ কৰিছে" বুলি ক'বলৈ এৰা নাই কাৰণ চীনৰ নতুন লোকগীতত

"....আমাৰ এতিয়া খাবলৈ অপাৰ খাদ্য,
চেয়াৰমেন মাও আমাৰ মুক্তিদাতা।"

আদিৰ দৰে কথা প্ৰচাৰ কৰিছে। গোস্বামীয়ে উক্ত আলচটো সম্ভৱ ১৯৬২ চনৰ চীন-ভাৰত সংঘৰ্ষৰ কালত ৰচনা কৰিছিল আৰু সেই কাৰণেহে এনে পক্ষপাতিতাপূৰ্ণ আবেগিক কথাক নিবন্ধটোত ঠাই দিয়া সম্ভৱ হৈছিল। গোস্বামীৰ দৰে আন্তৰ্জাতিক খ্যাতি সম্পন্ন লোক-সাহিত্যিক জনাই উপলব্ধি কৰা উচিত আছিল যে শ্ৰেণী সমাজত লোক-সাহিত্যও কোনো দিন শ্ৰেণী-প্ৰভাৱ মুক্ত হৈ থাকিব পৰা নাই। অসমীয়া বিহুগীত, বোজনা আৰু আনকি ডাকৰ বচন প্ৰভৃতিৰ অধ্যয়নেও এই সত্য উপলব্ধি কৰাত সহায় কৰে। সেই একেটা আলোচনাতে গোস্বামীয়ে আইনামৰ অনুকৰণত দেশপ্ৰেমৰ গীত ৰচনা কৰি যেতিয়া পাই ঃ

"..... আই মোৰ অসমীৰ মুখনি
আই মোৰ মোলান পৰিলে
আই মোৰ শতৰু নাঁতৰে মানে।....."

গোস্বামীয়ে ইয়াত সীমাৰ সংঘৰ্ষত লিপ্ত বিদেশী চীনক 'শতৰু' বুলি এৰিলে নে অসমীৰ বুকুৰ আগমণ্ডহ কামুৰি খাই নিপোটল হৈ উঠা জাতীয় শোষক-প্ৰৱঞ্চক-নিপীড়কবিলাককো 'শতৰু' ৰূপে প্ৰতিপন্ন কৰিলে তাক অনুভৱ কৰা টান। কিন্তু উদাৰ দৃষ্টিৰে লোক-সাহিত্য বিচাৰ কৰিবলৈ অভ্যস্ত হ'লে অনুভৱ কৰা যায় যে লোক-সাহিত্যত 'শতৰু'ৰ দেশ-কাল-জাতি-ধৰ্ম-সম্প্ৰদায় নাই; শোষক-নিপীড়ক মানেই লোক সমাজৰ 'শতৰু'।

সৃষ্টিৰ কালত যাদু আৰু অতিকল্পনাই আছিল লোক-সাহিত্যৰ চালিকা শক্তি। সম্প্ৰতি বিজ্ঞানৰ দিনত যাদু আৰু অতিকল্পনাৰ দিন উকলি যোৱা কথা সঁচা। কিন্তু আজিও যাদু আৰু অতিকল্পনাময় পখী ঘোঁৰাৰ কাহিনীয়ে শিশু মনক দোলা দি নোযোৱাকৈ নাথাকে; যেনেকৈ শিশু আৰু জোনৰ গীত অপ্ৰাসংগিক হৈ যোৱা বুলিব নোৱাৰি; তেনেকৈ শিশু-জগতত 'পখী ঘোঁৰা'ৰ কাহিনীও অপ্ৰাসংগিক হৈ যোৱা বুলি কোৱা টান। ড০ গোস্বামীৰ অভিমত কিন্তু সুকীয়া। তেওঁৰ ভাষাত ঃ

"কথা ছবি আৰু ৰহস্য-উপন্যাসৰ যুগত কোনেও ৰাজকোঁৱৰে পাখি লগা ঘোঁৰাত চৰি কোনো দৈত্যক বধ কৰাৰ পাছত ৰূপহী ৰাজকন্যা লাভ কৰা বিধৰ অসংলগ্ন সাধুবোৰ শুনাৰ প্ৰয়োজনবোধ নকৰে।" — (অসমীয়া জন-সাহিত্য ঃ জনকৃষ্টি আৰু তাৰ অধ্যয়ন, পৃঃ ৬)

গোস্বামীৰ এনে উপলব্ধিয়ে অনুসন্ধিৎসা বিপাণ্ডত পেলোৱা স্বাভাৱিক। কাৰণ যাদু আৰু অতিকল্পনাৰ উপৰি লোক-সাহিত্যত ৰূপকৰ প্ৰভাৱৰ কথাও কোনেও নুই কৰিব নোৱাৰে, দৈত্যক বধ কৰি ৰাজকন্যা লাভ কৰা কাহিনী প্ৰকৃততে ৰূপকধৰ্মীহে।

এনেদৰে বিচাৰ কৰিলে গোস্বামীৰ নিবন্ধসমূহৰ মাজত ঠায়ে ঠায়ে আৰু কিছু আঁসোৱাহ বা ত্ৰুটি-বিচ্যুতি আছে। আনকি ঠায়ে ঠায়ে প্ৰসংগৰ নিৰ্দেশ নিদিও তেওঁ পঢ়ুৱৈ সমাজক পেপুৱা নলগোৱাকৈ নাথাকে। 'অসমীয়া জন-সাহিত্য'ৰ অন্তৰ্গত 'জন-সাহিত্য' বোলা নিবন্ধটোৰ অন্তত দাঙি ধৰা কথাষিনি ঃ

"এজন লিখকে জন-কৃষ্টিৰ আলোচনা প্ৰসংগত মন্তব্য কৰিছিল যে বুৰঞ্জী আৰু ভূগোলেও যদি কোনো এক জাতিৰ মনৰ পৰিচয় দিবলৈ অসমৰ্থ হয়, তেনেহলে সেই পৰিচয় দিব পাৰে সেই জাতিৰ মাজত বৰ্তি থকা গীত-পদ-সাধুৱেহে।" — (অসমীয়া জন-সাহিত্য ঃ জন-সাহিত্য, পৃঃ ১৪)

গোস্বামীৰ দৰে গৱেষক পণ্ডিতজনাই এই লেখকজন কোন আৰু তেওঁ ক'ত এই কথাষাৰ কৈছিল তাৰ সূত্ৰ-সংকেত নিদিয়া কথা প্ৰকৃততে কল্পনাই কৰিব নোৱাৰি। অথচ আন বহু ঠাইতে তেওঁ আৰু অনেক বাৰ তেনে সংযোগ কৰিছে। তাৰ ফলত অনুসন্ধিৎসু

পাঠকৰ অনুসন্ধিৎসাৰ ওপৰত চলা হৈছে কেৱল চেঁচাপানী। আৰু প্ৰকৃততে এনেবোৰ ত্ৰুটীয়েও তেওঁৰ ৰচনা শৈলীৰ সৌন্দৰ্য্য হ্ৰাস নকৰাকৈ থকা নাই।

আবেগ আৰু অনুভূতিৰ সলনি যুক্তি-বিবেচনাক প্ৰাধান্য দি অসমীয়া জীৱনী ৰচনা কৰিবলৈ লোৱাৰ বহুদিন হোৱা নাই বুলিব পাৰি। এই ক্ষেত্ৰতো গোস্বামীকেই পথিকৃত বুলিব পাৰি। ১৯৭০ চনত পোনপ্ৰথম প্ৰকাশিত গোস্বামীৰ 'মাণিকচন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ' বোলা জীৱনীখনলৈ এই ক্ষেত্ৰত মনত পৰে। এই জীৱনীখনত আবেগ-অনুভূতিৰ প্ৰাধান্য নিদিয়াকৈ থকা নাই; কিন্তু যথাসম্ভৱ ঐতিহাসিক পটভূমিত হে মাণিকচন্দ্ৰ বৰুৱাক দাঙি ধৰাৰ সাৰ্থক প্ৰচেষ্টা চলাইছে। মাণিকচন্দ্ৰ বৰুৱা আধুনিক অসমৰ স্থপতি বুলিব পাৰি। আধুনিক অসমৰ শিক্ষা, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি আদি এনে এটা দিশ নাই য'ত মাণিকচন্দ্ৰ বৰুৱাৰ হাতৰ পৰশ পৰা নাছিল। অসমৰ সৰ্বাত্মক বিকাশ সাধনৰ অৰ্থেই তেওঁ গঠন কৰিছিল 'গ্ৰেজুৱেট সমিতি'ও (সম্ভৱ ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাপক সম্পাদক ইংৰাজ আই-চি-এচ বিষয়া হিউমৰ অনুকৰণত)। তেওঁ গ্ৰেজুৱেটসকলক আকুল আহ্বান জনাইছিল সামাজিক বিকাশৰ অৰ্থে আত্মনিয়োগ কৰিবলৈ বুলি। সেই বিবৃতিত শিক্ষাৰ প্ৰচাৰ আৰু সম্প্ৰসাৰণ সাধনৰ বিষয়ে নানা কথালৈ দৃষ্টি আকৰ্ষণ কৰি প্ৰসংগক্ৰমে মাণিকচন্দ্ৰ বৰুৱাই কৈছিল :

"অনেকৰ ধাৰণা আছে যে যেই সেই ল'ৰাকেই শিক্ষা দিয়া কৰ্তব্য। এই ভুল ধাৰণা মানুহৰ মনৰপৰা যিমান সোনকালে আঁতৰাব পাৰি সিমান সোনকালে আমাৰ মানুহৰ আৰু দেশৰ মংগল উন্নতি হয়" (মাণিকচন্দ্ৰ বৰুৱা, পৃঃ ৭৭)।

মাণিকচন্দ্ৰ বৰুৱাৰ এনে ধাৰণা আছিল স্বভাৱিকতে প্ৰতিক্ৰিয়াশীল আৰু গণস্বাৰ্থ বিৰোধী। গোস্বামীয়ে কিন্তু ইয়াৰ তীব্ৰ বিৰোধিতা কৰা নাই; জানিবা এক প্ৰকাৰ আপোচকামী মনোভাৱ প্ৰকাশ কৰিহে কৈছিল :

"এই বিবৃতিৰ সামৰণিত থকা উক্তি— যেই সেই ল'ৰাকে শিক্ষা দিয়া, ইত্যাদি— আজি গণতন্ত্ৰৰ দিনত বহুতে পচন্দ নকৰিব; কিন্তু সেই যুগত, যেতিয়া গুৱাহাটী চহৰত মাত্ৰ দুখন হে হাইস্কুল আছিল আৰু যি দুখনৰ এখন চৰকাৰী হোৱা সত্বেও তাক পাতিবৰ সময়ত (১৮৩৫) বাহিৰৰ ধন তুলি পাতিব লগা হৈছিল, ধন আছিল বিদেশী চৰকাৰৰ জোলোঙাত আৰু সেই জোলোঙা শকতো নাছিল। বৰ্তমান সময়ত ভাৰতীয় চৰকাৰে যেনেকৈ শিক্ষাৰ দুৱাৰ সকলোলৈকে মুকলি কৰি দিছে, সেইদৰে কৰা সেই যুগত সম্ভৱ নাছিল" (মাণিকচন্দ্ৰ বৰুৱা, পৃঃ ৭৭-৭৮)।

প্ৰভৃতি ব্যাখ্যাৰে সবাচলতে গোস্বামীয়ে মাণিকচন্দ্ৰ বৰুৱাৰ গণস্বাৰ্থ বিৰোধী চিন্তা আৰু কাৰ্যক যেন ৰক্ষা কৰিছেহে বিচাৰিলে। কিন্তু এনে দুই-এটা ত্ৰুটি পৰিলক্ষিত হ'লেও স্বীকাৰ নকৰি উপায় নাই যে এই জীৱনীখন ৰচনাৰ ক্ষেত্ৰত গোস্বামীয়ে ব্যক্তি নিৰপেক্ষতাৰ পৰিচয় নিদিয়াকৈ থকা নাই। আধুনিক অসমীয়া জীৱনী সাহিত্যৰ বাটকটীয়াও প্ৰকৃততে গোস্বামীয়েই।

সম্প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়াৰ ফলত প্ৰায় সমগ্ৰ বিশ্বব্যাপী মাৰ্ক্সবাদৰ বিষয়ে নানা অপপ্ৰচাৰ চলা কাৰণে লেখক-সাহিত্যিকসকলৰো একো একো অংশ মাৰ্ক্সবাদৰ বিষয়ে সন্দিহান হৈ উঠা দেখা গৈছে। কিন্তু সকল অক্টোবৰ বিপ্লৱৰ পিছত আৰু বিশেষকৈ দ্বিতীয় মহাসমৰৰ মাজেদি মাৰ্ক্সবাদী সমাজতান্ত্ৰিক ছোভিয়েট দেশ চূড়ান্ত বিজয়ীৰূপে প্ৰতিপন্ন হোৱাৰ লগে লগে ভাৰতীয় লেখক-সাহিত্যিকসকলৰো এক ব্যাপক সংখ্যকে নিজক মাৰ্ক্সবাদীৰূপে পৰিচয় দি গৌৰৱবোধ কৰিবলৈ লোৱা পৰিলক্ষিত হৈছিল। সেই সকলৰ মানত মাৰ্ক্সবাদেই আছিল চূড়ান্তভাৱে প্ৰগতিবাদী আদৰ্শ। গোস্বামীও এই ক্ষেত্ৰত ব্যতিক্ৰম নাছিল। ১৯৪৭ চনতে ৰচিত 'এই যুগৰ সাহিত্য' ইয়াৰ জ্বলন্ত স্বাক্ষৰ। 'এই যুগৰ সাহিত্য' পুথিত মাৰ্ক্সবাদী আদৰ্শৰ প্ৰতিফলন লক্ষ্য কৰা যায়। ইয়াত তেওঁ মাৰ্ক্সবাদৰ আদৰ্শ আৰু লক্ষ্যৰ আলোচনা সংযোগৰ উপৰি বিশ্ববৰেণ্য মাৰ্ক্সবাদী সাহিত্যিক মেক্সিম গ'কী, ৰোঁমাৰোঁলা প্ৰভৃতিৰ সাহিত্যৰ আলোচনাও সংযোজন কৰিছে আৰু যথাৰ্থ মাৰ্ক্সবাদীৰ দৰে শ্ৰেণী-সমাজৰ চৰিত্ৰ বিচাৰ কৰি মন্তব্য স্বৰূপে কৈছে :

"পুঁজিবাদক-বাজ্য যিমানেই কটকটীয়া হ'ল, সিমানেই ব্যক্তি আৰু সমাজৰ মাজৰ বিৰোধ বেছি হ'ল; আৰু জীৱনৰ সাধাৰণ দাবীবিলাক পূৰাবলৈ কঠিন হৈ পৰাৰ লগে লগে সাহিত্যত বিলাস আৰু তাৰ প্ৰতিক্ৰিয়া স্বৰূপে নিঠুৰ অথচ উদ্দেশ্য বিহীন বস্তুবাদৰ যি প্ৰভাৱ দেখা গ'ল, সি অসাৰ্থক যেন লগা হ'ল। সমাজৰ গাঁথনিত কেৰোণে ধৰিলে তাত আপডাল পোৱা কলাতো কেৰোণে ধৰে। যি সমাজত মানুহৰ ভাতমুঠিৰ কাৰণেই হাঁহাকাৰ, য'ত যৌন জীৱন অস্বাভাৱিক, য'ত ধন, কুল-মৰ্য্যাদা আৰু আনুষ্ঠানিক ধৰ্মৰ অজুহাতত সৰহ সংখ্যক মানুহক নিপীড়ন কৰা হয়, তেনে সমাজত শাৰীৰিক আৰু মানসিক জীৱনৰ স্ফুৰণ নহয়। জীৱনত অলপমান শাৰীৰিক স্থিৰতা আৰু মানসিক আশ্ৰয় নাপালে সৃজনীমূলক প্ৰতিভাৰ সম্যক বিকাশ নহয়। মাৰ্ক্সীয় দৰ্শনে এই বিলাক কথা মুকলিকৈ দেখুৱালে।" – (এটা যুগৰ সাহিত্য, পৃ. ১০-১১)

আৰু সেই কাৰণেই ড০ গোস্বামীয়ে মানৱীয় প্ৰতিভাৰ সম্যক স্ফুৰণৰ দাবীত সাহিত্যত মাৰ্ক্সীয় দৰ্শনৰ সুবিকাশ কামনা কৰিছিল। প্ৰকৃততে অসমীয়া মাৰ্ক্সীয় দৰ্শনক সুপ্ৰতিষ্ঠা লাভত যিসকলে আগভাগ লৈছিল, সেই সকলৰ ভিতৰতো অগ্ৰণী আছিল গোস্বামীয়েই। ইও তেওঁৰ গদ্যশৈলীৰ অন্যতম আকৰ্ষণ।

সিমানেই নহয়, অসমীয়া সাহিত্যত অগতানুগতিক চেতনাস্ৰোতধৰ্মী নতুন উপন্যাসৰ প্ৰবৰ্তক পুৰুষো গোস্বামীয়েই। দেশ স্বাধীন হোৱাৰ পিছতে এখনৰ পিছত এখনকৈ লেখি উলিওৱা গোস্বামীৰ 'শেষ ক'ত ?' আৰু 'কেঁচা পাতৰ কঁপনি' অসমীয়া সাহিত্যৰ অপৰম্পৰাগত আধুনিক উপন্যাস। এই উপন্যাসত নায়ক-নায়িকা নাই, কাহিনীৰো কোনো আদি-মধ্য-অন্ত নাই, আনকি এটা পৰিকল্পিত কাহিনীও নাই। আছে কেতবোৰ চৰিত্ৰ; সেই চৰিত্ৰসমূহৰ সংগতিহীন কাম-কাজ আৰু চিন্তা-চৰ্চাৰ স্ফুৰণ। তদুপৰি ই

আত্মজীৱনীমূলকো। নানা চিন্তা-ভাৱনা, সংঘাত-সংগ্ৰামত জৰ্জৰিত আধুনিক জীৱনক অকৃত্ৰিমভাৱে চিত্ৰিত কৰা এই উপন্যাসৰ মূল লক্ষ্য। গোস্বামীয়ে এই উপন্যাস দুখন ৰচনা কৰাৰ প্ৰায় পঞ্চাশ বছৰ কাল অতিবাহিত হ'ল; কিন্তু আজিলৈ অসমীয়া আধুনিক উপন্যাসৰ বিকাশৰ ধাৰা তেনেই লেহেমীয়া হৈ থকাৰ পৰা সহজে অনুমান কৰিব পাৰি যে আধুনিক উপন্যাস ৰচনাৰ ধাৰা প্ৰৱৰ্তন কৰি তেওঁ কি গুৰুত্বপূৰ্ণ দায়িত্বই পালন কৰা নাছিল আৰু তাৰদ্বাৰা কি অসম সাহসিকতাৰো পৰিচয় দিয়া নাছিল!

সৰ্বতোপৰি গোস্বামী আছিল আন্তৰ্জাতিক খ্যাতিসম্পন্ন লোক-তত্ত্ববিদ। তেওঁৰ গৱেষণা গ্ৰন্থ 'Ballads and Tales of Assam' (অসমৰ মালিতা আৰু সাধুকথা)খন গুৱাহাটী বিশ্ববিদ্যালয়ে সুদীৰ্ঘ দহমাহ কাল পৰীক্ষা কৰিবলৈ নিদি পেলাই থোৱাৰ পৰাই অনুভৱ কৰিব পাৰি যে তেতিয়াও অসমৰ বিদ্বৎজন লোকবিদ্যাৰ প্ৰতি কেনে উদাসীন আছিল। সম্প্ৰতি লোকবিদ্যা বা লোক-সংস্কৃতিৰ প্ৰতি একাংশ শিক্ষিত যুৱক-যুৱতী ক্ৰমে অনুদ্ধিৎসু হৈ পৰিছে। প্ৰতিকূলতাক অনুকূলতালৈ ৰূপান্তৰিত কৰাৰ কাৰণে গৌৰৱৰ ভাগী যাঁহঁকে এইজনা গৱেষক গোস্বামী। ই তেওঁৰ অটলস্পৰ্শী ব্যক্তিত্বৰ নিদৰ্শন মাথোন।

অভিনৱত্বৰ প্ৰৱৰ্তক স্বৰূপে তেওঁৰ সৃষ্টিৰ বিশেষ ঐতিহাসিক মৰ্য্যাদা থকাৰ দৰে, তেওঁৰ ভাষাৰো আছে বিশেষ সুষমা। সৎ লেখক-সাহিত্যিক মাত্ৰেই জনগণৰ প্ৰতি দায়বদ্ধ আৰু সেই কাৰণে দায়বদ্ধ লেখক-সাহিত্যিকৰ ভাষা জনগণৰ মুখৰ ভাষা। গোস্বামী জীৱনযোৰা লোকতত্ত্ববিদ। তেওঁ লোকগীত, মালিতা, গালি-শপনি, যোজনা-ফকৰা, সাধুকথা আদি সংগ্ৰহ, সংকলন আৰু সিবোৰৰ বিষয়ে তাত্ত্বিক আলোচনা-বিলোচনা কৰোঁতেই জীৱনৰ সৰহ কাল কটাইছিল; অৰ্থাৎ তেওঁ যেন প্ৰায় সততে লোক-সমাজৰ মাত-কথা, ভাৱ-চিন্তাৰ মাজতেই বিচৰণ কৰি ফুৰিছিল আৰু সেই কাৰণে তেওঁৰ ৰচনাৱলীৰ ভাষা হৈ পৰিছিল লোক-সমাজৰ মুখৰ ভাষা। তেওঁ যিয়েই নেলেখক লোক-সমাজৰ উপযোগিতাৰ প্ৰতি বা গ্ৰহণ ক্ষমতাৰ প্ৰতি লক্ষ্য ৰাখিহে লেখিছিল। সেই কাৰণে তেওঁৰ ভাষা তেনেই সৰল-সহজ; তৎসম শব্দৰ ব্যৱহাৰ কম, তেনে শব্দও সৰল-সহজ। বাক্যবোৰ তেনেই চুটি চুটি। জন-সাহিত্যৰ বিচাৰ প্ৰসংগত লেখিছে :

"জন-সাহিত্য বাইজৰ সাহিত্য, বিশেষভাৱে লিখা-পঢ়া জনা শিক্ষিত মানুহৰ ৰচনা নহয়। আমি সাধাৰণতে সাহিত্য বুলিলে ছপা কিতাপত পঢ়িবলৈ পোৱা গল্প, কবিতা, নাটক আদিকে বুজোঁ; কিন্তু এই বিলাকত বাদেও গাঁৱলীয়া নাইবা চহৰীয়া মানুহৰ মাজত আৰু এক প্ৰকাৰ সাহিত্য এতিয়াও জীয়াই আছে। এই বিলাক হৈছে মুখে মুখে ৰচনা কৰা আৰু মুখবাগৰি জীয়াই থকা পুৰণি নাম, পদ, মালিতা, ফকৰা, সাঁথৰ, সাধুকথা। এই পৰম্পৰাগত ৰচনা বিলাকেই জন-সাহিত্য।"

উল্লেখিত এই অনুচ্ছেদটোত কঠিন শব্দ বুলিবলৈ এটাও নাই, বাক্যবোৰো লোক-সমাজৰ মুখৰ ভাষাৰ দৰে চুটি চুটি। অথচ তাৰ মাজেদি বক্তব্যও পৰিপূৰ্ণৰূপত প্ৰকাশ পাইছে। ৰচনাক জনপ্ৰিয় কৰি তোলাই যেন ড০ গোস্বামীৰ লক্ষ্য আছিল। জনপ্ৰিয় সাহিত্যৰ বিষয় আলোচনা প্ৰসংগত বাৰ্টোল্ট ব্ৰেশটে কৈছিল ঃ

"জনপ্ৰিয় মানে ব্যাপক জনগণৰ কাৰণে বুদ্ধিগ্ৰাহ্য কৰি তোলা, জনগণৰ নিজস্ব প্ৰকাশ ৰীতিক গ্ৰহণ কৰা আৰু তাক উন্নত কৰা, জনগণৰ জীৱনৰ দৃষ্টিকোণ নিৰ্ণয় কৰি তাক সুদৃঢ় কৰা, জনগণৰ অগ্ৰগামী অংশক এনেদৰে আগবঢ়াই নিয়া যাতে তেওঁলোকে নেতৃত্ব বহন কৰিব পাৰে, ফলত যেন সমাজৰ অন্যান্য অংশও ক্ৰমে আকৃষ্ট হ'ব পাৰে। বৰ্তমান যি সকলে নেতৃত্ব বহন কৰি আছে সেই সকলৰ কাম-কাজৰ ফলাফলৰ সবিশেষ জনগণৰ আগত দাঙি ধৰা, যাতে তাৰ প্ৰেৰণাত তেওঁলোকো ক্ৰমে আগবাঢ়ি যাব পাৰে।" – (বাৰ্টোল্ট ব্ৰেশট ঃ জনপ্ৰিয়তা আৰু বাস্তৱবাদ)

জনপ্ৰিয় সাহিত্য বিষয়ক এনে সাধাৰণ ধাৰণা ড০ গোস্বামীৰ ৰচনাত পূৰ্ণৰূপে বিদ্যমান। তেওঁ ৰচনাৱলীৰ মাজেদি জনগণকো সচেতন কৰি তুলিব পাৰিছিল, একাংশ লোকক অন্ততঃ অনুসন্ধিৎসু আৰু গৱেষণাৰত কৰিও তুলিব পাৰিছিল। শ্ৰেণী সমাজে অৱহেলা কৰি অহা লোক-সাহিত্যৰ প্ৰতি বিশেষ প্ৰীতিৰ ভাব জগাই তুলি যেন ব্যাপক সমাজত এটা নতুন আলোড়নো গঢ়ি তুলিবলৈ সমৰ্থ হৈছিল। ড০ গোস্বামীৰ গদ্য শৈলীৰ ই এক অসমান্য কৃতিত্ব আৰু আকৰ্ষণ। ৰচনা মাত্ৰকে জনপ্ৰিয় কৰি তোলাৰ অৰ্থে আনকি তেওঁ গধুৰ ঐতিহাসিক আলোচনাও প্ৰায় সাধুকথাৰ দৰে আৰম্ভ কৰে। 'হিট্টাইট সাম্ৰাজ্য'ৰ বিষয়ে আলোচনাৰ পাতনি মেলি কৈছে ঃ

"হিট্টাইট সকল আছিল পৰ্বতীয়া লোক; এচিয়া মাইনৰৰ উত্তৰ অঞ্চলৰ হাট্টুচ্চ (পিছত বোগাজকাই নামে জনাজাত) আছিল হাট্টি ৰাজ্যৰ ৰাজধানী....।" – (বুৰঞ্জী আৰু সংস্কৃতি ঃ হিট্টাইট সাম্ৰাজ্য, পৃঃ ৯)

ৰচনাৰ এনে আৰম্ভণ সাধুকথা যেনেই নহয় জানো ?

তেওঁ আৱশ্যকতাতকৈ বেছি কথা কেতিয়াও নকয়, কোনো আঁৰ-বেৰ নোহোৱাকৈ মূল বক্তব্য দাঙি ধৰাৰ প্ৰয়াস তেওঁৰ অন্যতম আকৰ্ষণ। এই লক্ষণ আনকি তেওঁৰ গল্প-উপন্যাসতো পৰিলক্ষিত। তেওঁৰ বিশিষ্ট উপন্যাস 'কেঁচা পাতৰ কঁপনি'ৰ আৰম্ভণ ঃ

"গৌৰীপুৰৰপৰা উভতি ঘৰ পায়েই অলপ অপ্ৰিয় কামত হাত দিব লগা হ'ল। মাটি-বাৰী অলপ আছিল, ৰায়তবিলাক কছাৰী। তাঁহাতে খাজানা দিব নোখোজে, নতুন যুগৰ প্ৰভাৱত। চাৰিওপিনে মানুহৰ মনত অস্থিৰতা। দিনে দিনে যেনেকৈ বাহিৰৰ অৱস্থা বেয়া হৈ আহিছে সেইদৰে গাঁৱৰ সোৱোপা কোনো কথালৈ কাণ নকৰা কছাৰী-মিকিৰবোৰ অন্তৰত কিহবাৰ ভুই উমাই উমাই জ্বলিব খোজে। তাঁহাতক দেখি বেজাৰো লাগে, অথচ মাটিখিনিৰ মায়া এৰিব নোৱাৰি।" (পৃ. ১)

আধুনিক উপন্যাস আধুনিক যুগৰ মানুহৰ চিন্তা-চেতনা আৰু সমস্যাৰ ধ্বনি-প্ৰতিধ্বনি মাথোন। উপন্যাসখনৰ প্ৰাৰম্ভৰ অনুচ্ছেদটোৰেই ব্যঞ্জনাৰ সহায়ত সেই সত্য সুন্দৰকে উপলব্ধি কৰিব দিব পৰাটো সামান্য কথা নহয়। এই অনুচ্ছেদটোত নাই এটাও দীঘল বাক্য বা টান শব্দ, আনকি 'কামত হাত দিবলগীয়া', 'কাণ নকৰা' আদিৰ দৰে জতুৱা ঠাঁচবো সুপ্ৰয়োগ ঘটা সম্ভৱপৰ হৈছে। অনুচ্ছেদটোৰ মাজত অনাৱশ্যকীয় শব্দ এটাও নাই। প্ৰতিটো শব্দ আৰু প্ৰতিটো বাক্যই বক্তব্য স্পষ্ট কৰাত আৰু যুগৰ চেতনাৰ লগত পৰিচিত হোৱাতো সহায় কৰিব পাৰিছে।

তেওঁ পৰিৱেশ-পৰিস্থিতিৰ ছবি চিত্ৰণতো সুদক্ষ শিল্পীৰ পৰিচয় দিবলৈ সমৰ্থ হৈছে। নতুন যুগত পুৰণি জমিদাৰী চহৰ গৌৰীপুৰৰ চেহেৰা চিত্ৰিত কৰি কৈছে :

"সক চহৰ এখন, ৰজাৰ বংশত ওপজা জমিদাৰে পুৰণি গৌৰৱৰ আলমলৈ নিস্প্ৰাণ জীৱন কটায়; আগৰ দিনো নাই, পুৰণি দিনৰ প্ৰতিপত্তিবো অভাৱ। পুৰণি ঘৰবাৰীবোৰৰ ওপৰত ব'দ-বৰষুণে মেলি দিয়া ভেকুৰা আৱৰণ। মানুহ-দুনুহৰ সমাগম নাই। চাৰিওপিনে জাহ যোৱা সমাজ এখনৰ সেমেকা পৰিৱেশ।" – (কেঁচা পাতৰ কঁপনি, পৃ. ৪)

সঁচাকৈয়ে জাহ যাবলৈ উপক্ৰম কৰা এখন চহৰৰ ই এটা জীৱন্ত ভাৱময় ছবি। সেই একেখন গৌৰীপুৰৰ পুৰণি প্ৰাসাদৰ ছবি চিত্ৰণৰ ক্ষেত্ৰত যেন বিশ্ববিশ্ৰুত চিত্ৰশিল্পী ৰেমব্ৰাণ্টৰ দৰে ড০ গোস্বামীয়ে আন্ধাৰ-পোহৰৰ হে খেলা খেলিছে :

"গৌৰীপুৰৰপৰা ডেৰমাইলমান আঁতৰত পুৰণি প্ৰাসাদ এটি। মৰা নৈ এখনৰ পাৰত চাপৰ পাহাৰ। তাৰ দুকালে মুকলি পথাৰবোৰ বাগৰি দূৰেত মিলি গৈছে। মাজে মাজে দুই-এজোপা অকলশৰীয়া গছ। তেতিয়া বেলি মাৰ গৈছে, প্ৰাসাদৰ পুৰকালে ছাঁ। প্ৰকাণ্ড ঘৰটোৰ মাই দুৱাৰত প্ৰায় আন্ধাৰেই। ভিতৰৰপৰা আন্ধাৰে যেন সমুখত পোহৰ আঁতৰি যাবলৈ বাট চাই আছে।....." – (কেঁচা পাতৰ কঁপনি, পৃ. ৪)

এনে বৰ্ণনাক কেৱল সবাক আন্ধাৰ-পোহৰ মিশ্ৰিত ছবি বুলি ক'লেই নহ'ব, এই বৰ্ণনা প্ৰতীকীও, অথচ তাৰ অৰ্থ সহজগম্য; সাধাৰণ-অনাখৰীজনেও অনুভৱ কৰিব যে সামন্তযুগীয়া জমিদাৰী সমাজ-ব্যৱস্থা নতুন যুগত কেৱল তমসাচ্ছন্ন বাতিৰ দৰেই আৰু সি ইমান অতীতমুখী যে নতুন যুগৰ নতুন পোহৰো সহিব নোৱাৰে।

'কেঁচা পাতৰ কঁপনি'খনৰ শেষৰ ফালে এঠাইত কথাছবিৰ নায়িকাৰ সপোন সপোন লগা চিত্ৰৰ কাব্যিক-বৰ্ণনা দি লেখিছে :

"নায়িকা এগৰাকী স্বৰ্গলৈ উৰি গৈছে, শুকুলা ঘন ডাৱৰৰ মাজেদি।.... তেওঁৰ বুকুৰপৰা ওপৰৰিনি দেখা যায়। বনমালাৰ (নায়িকা) কোমল ভাৱপ্ৰকাশী চকুযুৰিয়ে বিয়াইছে। বগাশৰীৰত লাৱণ্য। আনফালৰপৰা ডাৱৰৰ ফাকেদি গাত জোনাক উপচিছে। ..... পটভূমিৰ মৃদু সংগীতে চিত্ৰটো সম্পূৰ্ণ কৰিছিল আৰু গোটেই অভিজ্ঞতাৰিনিত কাব্যৰ উপলব্ধি লাভ কৰিছিলোঁ।" – (কেঁচাপাতৰ কঁপনি, পৃ. ১৩৩-১৩৪)

নিচেই কম কথাৰ মাজেদি একো একোটা চৰিত্ৰ চিত্ৰণতো তেওঁ যেন সিদ্ধহস্ত। সচিবালয়ৰ উচ্চপদস্থ কেৰাণী এজনৰ কুৎসিত চৰিত্ৰ চিত্ৰিত কৰি কৈছে :

"বুজিছা-বুজিছা, টকাহে পৰম বন্ধু। টকা নহ'লে ঘৰ-সংসাৰ সকলো মিছা। দেখা নাইনে আজিকালি কিমান তিৰোতাই মিলিটেৰীৰ লগ লৈছে গৈ ?" – (কেঁচাপাতৰ কঁপনি, পৃ. ১৬)

ড০ গোস্বামী বহুবক্তী কেতিয়াও নাছিল। নিচেই কম কথাৰ মাজেদি বহুভাব প্ৰকাশৰ দক্ষতা তেওঁ নিপুণতাৰে আয়ত্ত কৰিছিল। ইয়াক অনুভৱ কৰিবলৈ পোৱা যায় তেওঁৰ গল্প-উপন্যাসৰ মাজেদিও, জীৱনী, সমালোচনা বা ভ্ৰমণ কাহিনীৰ মাজেদিও। উপন্যাসত কলা-সংস্কৃতিৰ বিকাশৰ অন্তৰায়ৰ প্ৰসংগত কৈছে :

"সেই কাৰণেই কৈছোঁ, ঘৰগুলিৰ ওপৰত তোমাৰ আৰ্ট নচলিব, গোটেই সমাজে-গোটেই গাঁও বা চহৰে যেতিয়ালৈকে নাচোঁ বা গাওঁ বুলি নুঠিব, তেতিয়ালৈকে তুমি যোৱা শিলঘাটৰ বালিলৈ (খেতি কৰিবলৈ) আৰু মই বিচাৰি ফুৰোঁ চাকৰি।" – (কেঁচা পাতৰ কঁপনি, পৃ. ১২)

এই এধানিমান কথাৰ মাজেদি এক বিৰাট সমাজ-সত্যৰ আভাস দিব পৰা সামান্য কথা নহয়। তেওঁ আন্তৰিকতাৰে অনুভৱ কৰিব পাৰিছিল যে কলা-সংস্কৃতিৰ জনক জনগণহে আৰু তাৰ বিকাশ সাধন হ'ব পাৰে শ্ৰেণীহীন-বিভেদহীন সমূহীয়া সমাজতহে।

সম্প্ৰতি আমেৰিকাৰ যুক্তৰাষ্ট্ৰ পৃথিৱীৰ ভিতৰত সবাতোকৈ চহকী। কিন্তু ধনতন্ত্ৰই আমেৰিকাবাসীক কৰি তুলিছে চূড়ান্তভাৱে আত্মকেন্দ্ৰী। সেই ৰূপৰ আভাস দি ভ্ৰমণ কাহিনীত কৈছে :

"ল'ৰা-ছোৱালী খুটি খাব পৰা হ'ল, দিহাদিহি গ'ল। পিতৃ-মাতৃয়ে কেনেকৈ চলে তালৈ লক্ষ্য কৰাৰ প্ৰয়োজন নাই। ইয়াৰ পৰিয়াল মানে স্বামী-স্ত্ৰীৰ পৰিয়াল।" – (পৃথিৱীৰ চৌপাশে এপাক, পৃ. ৭৭)

সাম্যবাদী সাহিত্যিকৰ দায়িত্বৰ বিষয়ে আলোচনা প্ৰসংগত এঠাইত কৈছে :

"সাম্যবাদী সাহিত্যিকৰ দায়িত্ব যথেষ্ট– গোটেই ভৱিষ্যৎ তেওঁৰ সমুখত, জন-সাধাৰণৰ প্ৰাণ প্ৰতিষ্ঠা তেওঁৰ মন্ত্ৰ; কিন্তু সমাজৰ হিতৰ আদৰ্শ চকুৰ আগত লৈয়ো যদি তেওঁ আৰ্টৰ নামত দলগত ৰাজনৈতিক প্ৰচাৰ বা প্ৰোপাগাণ্ডা নকৰাকৈ ৰ'ব পাৰে, তেতিয়াহে কলাকাৰ হিচাবে তেওঁৰ সফলতা প্ৰমাণ হ'ব।" – (এই যুগৰ সাহিত্য, পৃ. ২২)

মাথো এটা বাক্যৰ মাজেদি সাহিত্যৰ এটা দিশৰ বিশিষ্ট আলোচনা দাঙি ধৰা সামান্য কথা নহয়। আন এটা বাক্যত তেওঁ যুদ্ধোত্তৰ কালৰ যুগ-সন্ধিক্ষণৰ সমাজ আৰু সাহিত্যৰ দিশনিৰ্দেশৰ সম্ভেদ দি কৈছে :

"এইখিনিতে বিসকলে এই সাহিত্যৰ সম্ভাৱনাবিলাক লক্ষ্য কৰিব নোৱাৰি ওপৰে ওপৰে ডেকা লিখকসকলক ইতিকিং বা উলাই কৰে, তেওঁলোকক এবাৰি আত্মালবাদী

শুনাব পাৰি যদিও এই কেইবছৰ তীব্ৰ পৰিৱৰ্তনৰ সময়, যদিও এটাৰ পাছত এটা ঘটনাই ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনত চাঞ্চল্য তুলি আছে, যদিও সমাজত চিঞৰ আহিবলৈ আৰু কেইবছৰমান লাগিব, আৰু যদিও এইটোক কামতকৈ বক্তৃতাৰ যুগ যেন হে লাগে, তথাপি এনে ঝঞ্ঝাপূৰ্ণ সময়বিলাকতে মানুহৰ মন তলিলৈকে কঁপি উঠে; আৰু মানুহে মনৰ কামনা মতে ততালিকে জগতখন সাজি ল'ব নোৱাৰি সেই কামনা আন মাধ্যম বা আলমৰ সহায়ত প্ৰকাশ কৰিবলৈ বাধ্য হয়, তেতিয়াই দেখা পায় সাহিত্যৰো সম্ভাৱনা।" – (এই যুগৰ সাহিত্য, পৃ.৩৪)
গোস্বামীৰ ৰচনাৱলীৰ মাজত সম্ভৱ এইটোৱে আটাইতকৈ দীঘলীয়া বাক্য। কিন্তু মন কৰিবলগীয়া কথা এয়ে যে ইয়াৰ মাজেদি বক্তব্য বিক্ষিপ্ত হোৱা নাই।

এনেদৰে বিচাৰ কৰি দেখুৱাব পাৰি যে গোস্বামী এগৰাকী নিপুণ কথা-শিল্পী আছিল আৰু তেওঁৰ ৰচনাৰ আদৰ বহু দিনলৈ আদৰণীয় আৰু আদৰ্শস্থানীয় হৈ ৰ'ব বুলিয়ে আশা।

—০—

প্ৰফুল্লদত্ত গোস্বামীৰ ৰচনা-ৰীতি
ঃ এটি চমু আভাস

সত্যেন্দ্ৰনাৰায়ণ গোস্বামী

অসমীয়া সাহিত্যৰ আধুনিক যুগৰ প্ৰতিভাবান কথা-সাহিত্যিকসকলৰ ভিতৰত ড০ প্ৰফুল্লদত্ত গোস্বামী অন্যতম। তেখেত একেধাৰে প্ৰবন্ধকাৰ, জীৱনী লিখক, সমালোচক, ঔপন্যাসিক, গল্পকাৰ আৰু ভ্ৰমণ কাহিনী ৰচয়িতা। অসমৰ জন-সংস্কৃতিৰ ভঁড়ালটিতো তেখেতৰ অৰিহণা প্ৰচুৰ। মূলতঃ আধুনিক অসমীয়া সাহিত্যৰ তেখেত এজন আগশাৰীৰ গদ্যৰচক। সেই গদ্যসম্ভাৰৰ মাজতে আকৌ তেখেতৰ প্ৰতিভা বিশেষকৈ অধ্যয়নপুষ্ট মন আৰু ব্যক্তিত্ব নিহিত হৈ আছে। সেই গদ্যভঙ্গীত তেখেতৰ নিজৰ ঘৰুৱা দৈনন্দিন জীৱনত সততে ব্যৱহাৰ কৰা কথিত ভাষা তথা মাত-কথাৰ প্ৰভাৱ স্পষ্ট। কেৱল ইংৰাজী সাহিত্যৰ ছাত্ৰ হিচাবেই নহয় আজীৱন ইংৰাজী ভাষা-সাহিত্যৰ অধ্যয়ন-অধ্যাপনাৰত হোৱা সত্ত্বেও তেখেতৰ গদ্যৰীতিত ইংৰাজীৰ প্ৰভাৱ সমপৰ্য্যায়ৰ লোকৰ তুলনাত বহু কম। সম্ভৱতঃ এই ক্ষেত্ৰত ব্যক্তিগত পাৰিবাৰিক জীৱনৰ সাংস্কৃতিক ঐতিহ্যমণ্ডিত ৰক্ষণশীল পৰিৱেশে তেখেতক বহু ইন্ধন যোগাইছিল। তদুপৰি ড০ গোস্বামী আছিল লোক-সাহিত্যৰ বিশেষকৈ অসমৰ জন-সংস্কৃতিৰ এগৰাকী প্ৰথিতযশা একনিষ্ঠ গৱেষক। এই বিষয়ত তেখেতে ডক্টৰেটৰ বাবে যি গৱেষণাত মনযোগ দিছিল সিয়েই হৈ পৰিছিল তেখেতৰ জীৱনৰ অধ্যয়ন-অধ্যাপনাৰ প্ৰধান অৱলম্বন। গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰৱক্তা ৰূপে যোগদান কৰাৰ পিছৰেপৰা ড০ বিৰিঞ্চিকুমাৰ বৰুৱাৰ সাহচৰ্য্যত তেখেতে অসমৰ জন-সংস্কৃতিৰ বিশেষকৈ লোক-সাহিত্যৰ প্ৰতি আকৃষ্ট হৈ পৰে আৰু জীৱনৰ শেষ মুহূৰ্তলৈকে কেৱল সেই বিষয়তে একান্তভাৱে মনোনিৱেশ কৰি নিজকে বিশ্বৰ বিদ্বৎ সমাজত এজন আন্তৰ্জাতিক খ্যাতি সম্পন্ন লোক-সংস্কৃতিবিদ্ ৰূপে প্ৰতিষ্ঠা কৰি এটা উজ্জ্বল দৃষ্টান্ত ৰাখি যাব পাৰিছে। জন-সংস্কৃতিৰ বিষয়ে অসমীয়া আৰু ইংৰাজী ভাষাত তেখেতে যিবিলাক লিখি থৈ গৈছে সিয়েই তেখেতৰ চিন্তা-চৰ্চা তথা গৱেষণাৰ এটা চমৎকাৰ প্ৰমাণ। তেখেতৰ অসমীয়াত লিখা গ্ৰন্থৰ সংখ্যাও

প্ৰায় ডেৰ কুৰি। সেই সমস্ত ৰচনাই গদ্যত লিখিত। গদ্যকাৰ হিচাপে তেখেত এজন আদৰ্শস্থানীয় ব্যক্তি। তেখেতৰ ৰচনা ৰীতিৰ সমীক্ষামূলক আলোচনাত সেই ৰচনাসমূহৰ উপৰিও সমসাময়িক আলোচনী, পত্ৰিকা আদি নানা ঠাইত বিক্ষিপ্তভাৱে থকা প্ৰবন্ধসমূহো সামৰি লোৱাটো কৰ্তব্য। এই প্ৰচেষ্টাত অৱশ্যে কেৱল তেখেতৰ গ্ৰন্থখনিকে মুখ্য সম্বল ৰূপে লোৱা হ'ব।

গোস্বামী ডাঙৰীয়াৰ জীৱনৰ সুদীৰ্ঘ কাল গুৱাহাটীতে অতিবাহিত হৈছিল যদিও তেখেতৰ বহু কথাত কামৰূপীয়া গাঁৱৰ প্ৰভাৱ স্পষ্ট। তেখেতৰ জন্মস্থান দক্ষিণ কামৰূপৰ নহিৰা গাঁৱত। পিতৃ সিংহদত্তদেৱ গোস্বামী আৰু মাতৃ সুমিত্ৰা দেৱী। নহিৰা এখন ভিতৰুৱা গাঁও, কৃষি প্ৰধান অঞ্চল, এই অঞ্চলটো নানা জাতিৰ মানুহৰ উপৰিও জনজাতীয় লোকৰো বসতি অঞ্চল। শিক্ষাৰ পোহৰ নপৰা গাঁওখনিত তেখেতসকলৰ গোঁসাই পৰিয়াল বুলি এটা বিশেষ মৰ্য্যাদা আছিল। সেই বুলি উজনিৰ মাজুলিৰ কথা বাদেই নগাঁও সত্ৰবিলাকৰ দৰেও নহিৰাত সত্ৰীয়া পৰিবেশ নাছিল, কিন্তু বামুণীয়া সংৰক্ষণশীলতাৰ প্ৰভাৱ তাত কিছু আছিল। সেই পৰিবেশত গোস্বামীয়ে জীৱনৰ মাথো আঠোটা বছৰহে কটাব পাৰিছিল। লগ-সমনীয়াৰ লগত উমলি-জামলি নানা ধেমালি-ধুমুলাৰ মাজেদি লহপহীয়া হৈ উঠিবলৈ নৌপাওঁতেই পিতৃ বিয়োগ হোৱাত তেখেতক গুৱাহাটীলৈ সহদেৱ গোস্বামীয়ে লৈ আহে। সেই যে গাঁও এৰিলে তেখেতে আৰু পুনৰায় গাঁওবাসী হোৱাৰ সুযোগ নাপালে, কিন্তু গাঁৱৰ চাপ তেখেতৰ মনৰপৰা কোনোদিনেই নাইকিয়া নহ'ল। মুকলি পৰিৱেশত প্ৰকৃতিৰ কোলাত শৈশৱৰ দিন কেইটাতে যি অভিজ্ঞতা হ'ল সিয়েই তেখেতক জন-সংস্কৃতিৰ সাধক হ'বলৈ যেন বিন্ধিয়াই সঁকিয়াই দিছিল। অৱশ্যে গাঁৱত নাথাকিলেও সেই দিনত গুৱাহাটী আদি সকলো নগৰতে বিশেষকৈ অসমৰ নগৰবোৰত গ্ৰাম্য পৰিৱেশ বিৰাজ কৰিছিল। গুৱাহাটীৰ সহদেৱ গোস্বামী জেঠাকৰ ঘৰখন তাৰ ব্যতিক্ৰম নাছিল, সততে গাঁৱৰ লগত এটা সম্পৰ্ক থকা বাবে তেখেতৰ তেনে এটা মানসিকতা গঢ়ি উঠিছিল একালে ইংৰাজী শিক্ষাৰ প্ৰভাৱত গঢ়ি উঠা আধুনিক নগৰীয়া কৃষ্টি আৰু আনফালে অসমৰ গাঁৱলীয়া জীৱন যাত্ৰাৰ কৃষ্টি এই দুয়োটাৰ সংমিশ্ৰণ দেখিবলৈ পাওঁ আমি ড০ গোস্বামীদেৱৰ জীৱনত, দৈনন্দিন জীৱনৰ কাৰ্য্যাৱলী আৰু চিন্তা-চৰ্চাৰ মাজত। সঘনাই গাঁৱৰ অঙহী-বঙহী, পেহী-মাহী, বাই-ভিনিহি আদিৰ ঘৰলৈ আই অতিথিৰ দৰে হ'লেও কাজে-কৰ্মে, বিয়াই-সবাহে গৈ দিনটো-ৰাতিটো কটাই অহাৰ সুযোগতে তেখেত সেই পৰিৱেশৰ লগত নিবিড় হৈ পৰিছিল। সেই কাৰণে ইংৰাজী পঠন-পাঠনৰ এজন অধ্যয়নবিলাসী লোক হৈয়ো কিন্তু অসমীয়া ভাষাৰ প্ৰয়োগত অতি চতুৰ ব্যক্তিৰূপেই পৰিচয় ৰাখি যাব পাৰিছে। কলিকতা বিশ্ববিদ্যালয়ত দ্বিতীয় মহাসমৰৰ আগৰ দিনতেই ইংৰাজী হেন বিষয়ত এম.এ. মহলাত সোণৰ পদক পোৱা কৃতী ছাত্ৰ তথাপি অসমীয়া ভাষাৰ প্ৰয়োগত তেখেতে ক'তো উজুটিতো খোৱা নায়েই

ৰবং বহুতৰ বাবে অনুকৰণীয় গদ্যৰহে উদাহৰণ ৰাখি গৈছে। অৱশ্যে, পিছত তেখেত জন-সংস্কৃতিৰ অধ্যয়ন-গৱেষণাত মনোনিবেশ কৰি লোক-সংস্কৃতিবিদ্ ৰূপেহে প্ৰতিষ্ঠিত হ'ল, ইয়ো কম কথা নহয়। সেইজন ব্যক্তিয়ে অসমীয়া লিখোঁতে কিন্তু নহিবা তথা কাম্বৰণীয়া শিক্ষিত সমাজৰ দৈনন্দিন জীৱনত ঘৰুৱা পৰিৱেশত ব্যৱহাৰ কৰা অসমীয়া ভাষা প্ৰয়োগত কেনেকৈ ইমান সিদ্ধহস্ত হৈ পৰিল ভাবিবলগীয়া কথা। ড০ গোস্বামীৰ অসমীয়া গদ্যৰীতিৰ শব্দচয়ন আৰু তাৰ প্ৰয়োগৰ ইয়েই উৎকৃষ্ট বৈশিষ্ট্য।

ড০ গোস্বামীৰ জ্ঞান লিপ্সাৰ কথা ভাবিলে আচৰিত হ'ব লাগে। যি কোনো পুথি বা কাগজৰ কথা সুকীয়া, আনকি ছপা আখৰৰ সৰু টুকুৰা বা সেই জাতীয় কাগজ হাতত পৰিলেও তাৰ ওপৰত খৰকৈ হ'লেও এবাৰ চকু ফুৰোৱাটো আছিল তেখেতৰ স্বভাৱ তথা 'হবি'। দোকানবপৰা চেনী বান্ধি অনা কাগজৰ ঠোঙাত চকু ফুৰোৱা বাবেহে সেই ঠোঙা সজা মানুহৰ ঘৰ বিচাৰি গৈ 'কামিনীকান্তৰ চৰিত্ৰ' প্ৰথম অসমীয়া উপন্যাসখনৰ মিছনেৰীসকলে ছপা কৰা পাণ্ডুলিপি উদ্ধাৰ কৰিব পাৰিছিল; ড০ গোস্বামীৰ এই লেখিয়া অনুসন্ধিৎসু মন বা কৌতূহল প্ৰৱণতা কেইজন লোকৰ আছে ? ইয়ো তেখেতৰ জ্ঞানপিপাসাৰে পৰিচয় দিয়ে। কথা-বতৰাত যুক্তিবাদী আৰু বুদ্ধিদীপ্ত এই লোকজনে কিন্তু বহুবক্তিতা সমূলি পছন্দ নকৰিছিল। সকলো বিষয়তে তেখেত আছিল মিতব্যয়ী। তেখেতক বহুতে অত্যন্ত খাৰাংখাচ তথা স্পষ্টবাদী হোৱা বাবে বেয়াও পাইছিল, কিয়নো বহু সময়ত সেই স্পষ্টবাদিতাৰ কাৰণেই তেখেতে অপ্ৰিয় হ'লেও সত্য কথা কৈয়ে পেলাইছিল। কথা-বতৰা, ৰচনা আদি সকলোতে তেখেতৰ পৰিমিতবোধৰ চিনাকি পোৱা যায়। ব্যক্তিগত জীৱনত তেখেত যেনে নিকা আৰু আড়ম্বৰহীন আছিল লিখনিতো তেনে পোনপটীয়া আৰু পৰিচ্ছন্ন আছিল। তেখেতৰ ৰচনাত তাৰ বহু প্ৰমাণ পোৱা যায়; বক্তব্য উপস্থাপনত অযথা দীঘলীয়া প্ৰস্তাৱনা বা ভূমিকাৰ অৱতাৰণা তেখেতে ক'তো কৰা নাছিল। আজিকালি হক কথাত মাত নমতা লোকৰ সংখ্যা বিস্তৰ, সততে ব্যক্তিগত স্বাৰ্থৰক্ষাৰ কথা ভাবিহে লোকে মাত মাতে; কিন্তু ড০ গোস্বামী আছিল তাৰ ব্যতিক্ৰম। তেখেতৰ লিখনিতো সেই কথাৰ প্ৰমাণ পোৱা যায়। কোনোৱে বেয়া পোৱা বা অসন্তুষ্ট হোৱা কথালৈ লক্ষ্য কৰি তেখেতে মাত নমতাকৈ থকা নাছিল। উচিত বুলি উপলব্ধি কৰিলে কাকো পৰোৱাই নকৰাকৈয়ে তেখেতে লিখিবলৈ যত্ন কৰিছিল। "বুৰঞ্জী আৰু সংস্কৃতি"ৰ একাধিক প্ৰবন্ধই ইয়াৰ সাক্ষ্য বহন কৰে। সকলো কথাকে বি কোনো লিখনিকে তেখেতে এটা সহানুভূতিশীল দৃষ্টিভঙ্গীৰে চাবলৈ যত্ন কৰিছিল আৰু সেই দৃষ্টি আছিল সমীক্ষকৰ দৃষ্টি; সেই বুলি তেখেতে বেয়া বা অনুপযুক্ত ৰচনাক কেতিয়াও প্ৰশংসা নকৰিছিল। তোষামোদ তেখেতে সমূলি ভাল নাপাইছিল। অনুচিত আৰু অবাস্তৱ কথা সহস্ৰজনে বেয়া পালেও মুখ খুলি কোৱাৰ সৎসাহস তেখেতৰ আছিল। ইয়াৰ উৎকৃষ্ট নিদৰ্শন 'কথা' আলোচনীত প্ৰকাশিত সাক্ষাৎকাৰটো; (কথা, ১ম বছৰ, ১ম সংখ্যা, ১৯৯৫)। বিভিন্ন

ৰচনাৰ মাজত প্ৰচুৰ অধ্যয়ন প্ৰয়াসী ড০ গোস্বামী মেধাৱী ব্যক্তিজন নিজস্ব ৰূপত বিৰাজমান। অৱশ্যে জীৱনৰ আগছোৱাৰ ৰচনাতকৈ পাছৰ ছোৱা কালৰ ৰচনাত তেখেতৰ অধিকতৰ উজ্জ্বল ৰূপত পোৱা যায়। তাৰ বাবে প্ৰয়োজন পঢ়ুৱৈৰ গভীৰ চিন্তা আৰু আন্তৰিকতা, তেতিয়াহে পাঠকৰ চকুত ড০ গোস্বামীৰ ব্যক্তিত্ব ধৰা পৰিব আৰু তেখেতৰ ৰচনা ৰীতিৰ বিশ্লেষণেও সাৰ্থকতা লাভ কৰিব।

ভাৰতীয় প্ৰচিন সমালোচক তথা আলংকাৰিকসকলে যিটোক 'ৰীতি' আখ্যা দিছে পাশ্চাত্যৰ সমালোচকসকলে তাকেই 'ষ্টাইল' ৰূপে অভিহিত কৰিছে। আমি 'ষ্টাইল'ৰ অৰ্থ কৰোঁ শৈলী, ৰীতি, ধৰণ ইত্যাদি ৰূপে। অৱশ্যে সূক্ষ্ম বিচাৰত ইয়াৰ কিছু তাৰতম্য ঘটিলেও সাধাৰণভাৱে 'ষ্টাইল'ৰ সমাৰ্থক উক্ত শব্দকেইটাহে প্ৰযোজ্য। তেতিয়া হ'লে আমাৰ আলংকাৰিকৰ 'ৰীতিবাদ'ৰ লগত ইংৰাজী 'ষ্টাইল'ৰ এটা তুলনা হ'ব পাৰে। পণ্ডিত বামনৰ মতে 'ৰীতিৰাত্মা কাব্যস্যেতি' অৰ্থাৎ ৰীতিয়ে কাব্যৰ আত্মা; তেতিয়া হ'লে ৰচনা ৰীতি তথা প্ৰকাশভঙ্গীৰ সকলো গুণাগুণ যি কোনো লিখকৰ ৰচনাৰ মাজত বিৰাজমান। সেইদৰে জে. মিডল্‌টন মূৰেৰ মতে ৰচনাৰ ভাষাৰ ওপৰতে লিখকৰ প্ৰকাশভঙ্গী বিৰাজমান; তেওঁৰ ভাষাত : 'Style consists in adding to give thought all the circumstances calculated to produce the whole effect that the thought aught to produce. (*The Problem of Style* গ্ৰন্থ)। যি কোনো ৰচনাত লিখকৰ নিজস্ব ৰীতি বা ষ্টাইলটো প্ৰকাশ পায়েই; কিয়নো লিখকজনৰ মনৰ চিন্তা আৰু ব্যক্তিগত অভিজ্ঞতাৰ সমন্বয়ৰ স্বৰূপটোৱে হ'ল তেওঁৰ ৰচনাৰ ধৰণ বা ৰীতি। সেই ৰীতিটোৱে তেওঁৰ আহিন। তেওঁৰ ৰচনাত মূৰ্তিমন্ত হৈ উঠে লিখকজনৰ নিজস্ব প্ৰতিভা আৰু ব্যক্তিত্ব। আচলতে লিখকৰ ব্যক্তিত্বৰ ওপৰত যিটো ৰূপত ৰচনা বা লিখনি আকৰ্ষণীয় হৈ উঠে সেই ৰূপটোতে তেওঁৰ ষ্টাইলটো নিহিত হৈ থাকে। সেই কাৰণেই ক'ব পাৰি যে ব্যক্তিৰ ব্যক্তিত্বৰ প্ৰতিফলনেই প্ৰকৃতাৰ্থত লিখকৰ ৰচনাশৈলী। লিখকে মনৰ ভাব, অনুভূতি, চিন্তাৰ লগত ভাষা তথা শব্দ, উপমা-পটন্তৰ, চিত্ৰকল্প, বাক্য, যোজোনা আদিৰ যি সমন্বয় সৃষ্টি কৰে তাৰ মাজতে তেওঁৰ লিখনি তথা ৰচনাৰ ৰীতি অৰ্থাৎ ষ্টাইল প্ৰকাশ পায়। আচলতে ৰচনা লিখোঁতাজনে যিটো বিষয় লৈ লিখিবলৈ ওলায়— সেইটো অতি সুন্দৰভাৱে উপলব্ধি কৰিব পাৰিব লাগিব অৰ্থাৎ সেই বিষয়টোৰ অন্তৰ্নিহিত সকলোবিলাক কথা যেতিয়া তেওঁৰ মৰ্মচকুত জল জল পট পট হৈ ধৰা দিব তেতিয়া তাক প্ৰকাশ কৰিবলৈ লিখকজনে আৰু আনৰ চকুৰে বাট বুলিবলগীয়া নহয়, নিজৰ চকুৰে আগবাঢ়ি নিতান্ত নিজস্ব ভঙ্গীৰে সেই কথা নিজৰ ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰিব লাগিব। এইদৰে নিজস্ব ভাবানুভূতিৰে বিধৌত এটা বিষয় ভাষাৰ মাধ্যমেৰে যিটো ৰূপত প্ৰকাশ কৰি লিখক আহ্লাদিত হয়, মনত আনন্দ নধৰা হয়, সেই ৰচনা ৰীতিয়ে লিখকজনৰ ৰচনা-ৰীতি বা ষ্টাইল। প্ৰখ্যাত সমালোচক এম.এল. লুকাছৰ মতে ৰচনা-ৰীতি বা ষ্টাইলৰ

প্ৰধান লক্ষণ হ'ল ৰচনাৰ স্পষ্টতা, সংক্ষিপ্ততা, বিচিত্ৰতা, সৰলতা, পৰিশুদ্ধতা, মাত্ৰাজ্ঞান অৰ্থাৎ যথাৰ্থতা আৰু একনিষ্ঠতা। পঢ়ুৱৈৰ মনত আনন্দৰ খলকনি তুলিবলৈ হ'লে লিখকৰ ৰচনা সৰল, পৰিচ্ছন্ন আৰু সাৱলীল তথা গতিশীল হোৱাটো বাঞ্ছনীয়। বক্তব্য উপস্থাপনত জড়তা বা সামান্য অস্পষ্টতা থাকিলেও সি দূষণীয় হ'ব; তাৰ বাবে ভাষা হ'ব লাগিব সহজ-সৰল আৰু শুদ্ধ। জটিলতাৰ সামান্যকণ ছাঁও পৰিব নালাগিব। গতিকে চুটি চুটি বাক্যৰে অধিক ভাৱ প্ৰকাশক বছা বছা শব্দৰ সুপ্ৰয়োগৰদ্বাৰা লিখকে তেওঁৰ বিষয়বস্তু উত্থাপন কৰাৰ লগে লগে সেই একেদৰে গতিশীল ভাষাৰে ব্যাখ্যাও দিবলৈ যত্ন কৰিব লাগিব স্পষ্ট আৰু পৰিচ্ছন্ন ৰূপত। তেতিয়াহে সি হৈ পৰিব সকলো শ্ৰেণীৰ পাঠকৰ সহজবোধ্য আৰু মনোৰঞ্জক। ৰচনাত ব্যৱহৃত উপমা-পটন্তৰ আদিৰ প্ৰয়োগত লিখকৰ বিচক্ষণতা আৰু পৰিমিতবোধতাৰ দৰ্কাৰ। যি কোনো বিষয়ত বাহুল্য আমনিদায়ক। ৰচনাৰ গতিশীলতাৰ বাবে লিখকৰ ভাববৈচিত্ৰ্যৰো দৰ্কাৰ আৰু ভাষাও হোৱা উচিত নিত্য ব্যৱহৃত সৰল ভাষা। আচলতে ভাষাৰ প্ৰয়োগত ৰচনা ৰস মধুৰ অথবা ৰসহীন হয়। সেইবাবেই কোৱা হয় যে কথনভঙ্গীৰ ভাষাৰ প্ৰয়োগতে দৰাচলতে গদ্যৰ ভাষা ৰসাল আৰু চিত্তবিনোদক হৈ পৰে। ড০ গোস্বামীৰ ৰচনাৰাজিৰ গদ্যৰীতিৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে তেখেতৰ ব্যক্তিগত জীৱনৰ পৰিসৰ তথা সামাজিক পৰিৱেশ, বৃত্তিগত পাৰিপাৰ্শ্বিকতা আৰু ৰচনাৰ ষ্টাইল সম্পৰ্কীয় গুণাগুণৰ দিশ চকুৰ আগত ৰাখিব লাগিব; তাৰ এটা দিশ বাদ দিলেও আলোচনা অসম্পূৰ্ণ হৈ ৰ'ব।

বৃত্তিগত দিশৰপৰা চাবলৈ গ'লে ড০ গোস্বামী লোক-সংস্কৃতিবিদ্ অৰ্থাৎ 'ফোক্‌লোৰিষ্ট'। সেই দিশত তেখেতক বিশ্ববিখ্যাত লোক বুলিলেই নহয় সেই বিষয়ৰ বিদ্যায়তনিক ক্ষেত্ৰত এজন বিশেষজ্ঞ বোলাহে যুগুত। তেখেতৰ নগৰাঞ্চলৰ অভিজ্ঞতাৰ তুলনাত গ্ৰামাঞ্চলৰ অভিজ্ঞতা যথেষ্ট বেছি। ভাষাৰ ক্ষেত্ৰতো সেই কথাই সত্য। সেইবাবে তেখেতৰ ৰচনাৰ ভাষাত ঘৰুৱা পৰিৱেশত দৈনন্দিন জীৱনৰ সৰু-ডাঙৰ সকলো বয়সৰ লোকৰ মাজত প্ৰচলিত অসমীয়া ভাষাৰ প্ৰয়োগ দেখা যায়। সেই ভাষা তেনেই সহজ-সৰল; তাৰ উপমা-পটন্তৰ, যোজোনা-খণ্ডবাক্য আদিও সকলোৰে পৰিচিত; সন্ধি-সমাসযুক্ত সংস্কৃতীয়া শব্দাদিৰ প্ৰয়োগ বৰ কম; সেইবুলি ইংৰাজী আদি বিদেশী ভাষাৰ উপাদানেও ভাষাৰ সেই ঘৰুৱা ছাপটো কলুষিত কৰিব পৰা নাই, যিকণ আছে সেয়া ঘৰুৱা পৰিৱেশৰ ভাষাত থকাৰ দৰেই। তদুপৰি অতি মন কৰিবলগীয়া কথা হ'ল তেখেতৰ গদ্যৰ ভাষা কথোপকথন তথা আলাপ-আলোচনাৰ কথনভঙ্গীৰ প্ৰতিধ্বনিপ্ৰধান। সম্ভৱতঃ এইবিলাক কাৰণতে তেখেতৰ প্ৰায়বিলাক গদ্য ৰচনাই সুখপাঠ্য হৈছে। যিকোনো পাঠকে বিনা আয়াসে তেখেতৰ ৰচনা উপলব্ধি কৰিব পাৰে আৰু পঢ়ি আমোদ পোৱা যায়। ভাষাত ব্যৱহাৰ কৰা শব্দ ভাণ্ডাৰৰ প্ৰায় নৈবে শতাংশই তদ্ভৱ আৰু খলুৱা বা দেশী শব্দ; সেইবোৰ অসমীয়া পাঠক-পাঠিকাৰ অতি পৰিচিত শব্দ। তেনে শব্দৰাজিৰ কলাসুলভ

প্ৰয়োগেও আৰৌ কথা-সাহিত্যিক ড০ গোস্বামীৰ হাতত এক জীৱন্ত ৰূপ লৈছে, পাঠক-পাঠিকায়ো তাৰ মাজত পাইছে এক নতুন স্বাদ। যেনে :

"ভাল হ'ল এই আঁকৰীজনীও একে বিবিধৰে গুটি, তাইৰ বুকুতো জুই জ্বলিছে। বেলি লাহিয়াৰ ধৰা দেখি মই উঠিলোঁ। খাজানাৰ কথা আৰু নুলিয়ালোঁ। আনৰ ঘৰলৈও যাবৰ মন নগ'ল। সময়ৰ সোঁত, তাক ভেটা দিয়াও টান। তাই ভাগ্যেল এখন দিলে। তাইৰ পাতল আটিল শৰীৰটো লক্ষ্য কৰি ভাব হ'ল এনেকুৱা এজনী বিয়া কৰাব নোৱাৰিনে? লিখা-পঢ়া শিকাব পাৰিলে ইহঁতৰ মনবিলাকতো নুফুলা ফুল ফুলিব। ইহঁতেওতো নতুন যুগৰ নব-নাৰী তৈয়াৰ কৰিব পাৰিব।" (কঁপনি/৩)

ড০ গোস্বামীয়ে ৰচনা কৰা উপন্যাস দুখনৰ প্ৰথমখন 'শেষ ক'ত' প্ৰমী ছদ্মনামেৰে প্ৰকাশ হোৱাৰ চাৰি বছৰ পিছত 'কেঁচা পাতৰ কঁপনি' (১৯৫২) নিজৰ নামত প্ৰকাশ হোৱা দ্বিতীয়খন উপন্যাস। প্ৰথমখন আকাৰত সৰু যদিও তাৰ কাহিনী নিৰ্মাণ, চৰিত্ৰ ৰূপায়ণ, ঘটনাৰ সমাবেশ আদিত অভিনবত্বৰ সূচনা চকুত পৰে। এইয়া তেখেতৰ ইংৰাজী আধুনিক উপন্যাস অধ্যয়নৰ প্ৰভাৱ। উপন্যাসখনৰ মাজত পাশ্চাত্যৰ আধুনিক উপন্যাস ৰচনাৰ ৰীতি আৰু কৌশলৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। উপন্যাসখনিৰ মাজেদি মধ্যবিত্ত পৰিয়ালৰ সমস্যা আৰু আদৰ্শহীন জীৱনৰ চিত্ৰ অংকন কৰিবলৈ যত্ন কৰা দেখা যায়। একেদৰে দ্বিতীয়খন উপন্যাসেও মধ্যবিত্ত পাৰিবাৰিক জীৱনৰে প্ৰতিনিধিত্ব কৰে। কাহিনী, চৰিত্ৰ-ৰূপায়ণ, ঘটনা বিন্যাসৰ মাজত মধ্যবিত্ত শ্ৰেণীৰ শিক্ষিত যুৱক কেনেভাৱে কল্পনাত উটি-ভাহি ফুৰে, জীৱনত কেনেভাৱে ব্যৰ্থ হৈ গতানুগতিকতাক সাৱটি লয় তাৰেই এটা সুন্দৰ ছবি এই উপন্যাসখন। উপন্যাস দুখনত ড০ গোস্বামীক ঘটনাৰ সমাৱেশত চৰিত্ৰ কেইটাৰ মাজেদি চেতনা প্ৰকাশত অধিক গুৰুত্ব আৰোপ কৰাহে দেখিবলৈ পোৱা যায়। দুয়োখন উপন্যাসত আধুনিকতাবাদৰ আঁচোৰ চকুত পৰে। এনে নতুনত্বৰ সূচনা কৰিবলৈ গৈয়ে সম্ভৱতঃ তেখেতে ভাষা প্ৰয়োগত কিছু সাৱধান হৈছিল। ঘৰুৱা সৰল ভাষাত ৰচনা কৰিবলৈ গৈছে যদিও বাক্য ৰীতিত বিশেষকৈ দ্বিতীয়খন উপন্যাসত অধিক খণ্ডবাক্যৰ প্ৰয়োগযুক্ত ইংৰাজীৰ দৰে বাক্যৰ প্ৰয়োগো চকুত পৰে। সেই বুলি শব্দচয়নৰ ক্ষেত্ৰত তেওঁ কিছু ঘৰুৱা ভাষাকেই অনুসৰণ কৰিছে। যেনে :

"আগ বয়সত মিনতি দেখিবলৈ কুশ্ৰী নাছিল— কিন্তু বছৰবোৰ বাগৰি যোৱাৰ লগে লগে তাইৰ নাকৰ তলত নোমবোৰ বেছি স্পষ্ট হৈ পৰিছে; মুখত যৌৱনৰ প্ৰথম পুৱাৰ আভা ধৰি ৰাখিবলৈ প্ৰসাধনৰ সহায়ত যিমানেই চেষ্টা চলিছে আৰু সেই অনুৰূপ তাইৰ হাঁহিটো যিমানেই নাটকীয় হ'বলৈ ধৰিছে, সিমানেই তাইৰ চকুজুৰিৰ বাহিৰৰ কোণ দুটা ওপৰৰ ফালে উঠিবলৈ ধৰা যেন লগা হৈছে।.... হয়তো তাই জীৱনৰ দাবী অস্বীকাৰ কৰিব নোৱাৰি, অনুকূল পৰিৱেশ নাপাই, নিজৰ বাসনাবোৰ আপদাল কৰিব নোৱাৰিয়ে সোঁহৰে ফুৰে।" (কঁপনি/৪২)

ড০ গোস্বামীৰ গল্পবোৰৰ ৰচনাৰীতি মন কৰিবলগীয়া। বৰ্ণনা আৰু প্ৰকাশভঙ্গী কৌতুহলোদ্দীপক। ভাষা সৰল যদিও সাৱলীল আৰু সাধুকথাধৰ্মী। চুটি চুটি বাক্য বকৰা উপমা-পটন্তৰেৰে আকৰ্ষণীয় আৰু মনোগ্ৰাহী। 'বিলাতী হোজা'ৰ গল্পবোৰত সাধুকথা কোৱাৰ ভাষা ৰীতি বৰ্তমান, কাহিনীৰ বৰ্ণনাত ঘটনাৰ লাগবান্ধৰ পৰিপাটি নাই যদিও গদ্যৰীতি বৰ মনত লগা। আনহাতে 'সিতে নৱৰূপতাৰ' সংকলনটিৰ গল্পবোৰত চুটিগল্পৰ বৈশিষ্ট্য আৰু ৰচনা কৌশলত গদ্যৰীতিয়ে সোণত সুৰগা চৰাইছে। গল্পকেইটাৰ গদ্যৰীতি অতি আকৰ্ষণীয় আৰু সোৱাদ লগা। তেনে গদ্যই যি কোনো পাঠকক অভিভূত কৰি পেলায়। হুবহু কথোপকথনৰ ভাষা, গতিশীল; এনে হেন লাগে যেন স্বয়ং লিখকে নিজেই আনন্দৰ জলক লগোৱা পৰিৱেশত হাত-মুখৰ অঙ্গী-ভঙ্গীৰে কৈছে আছে। যেনে ঃ

"তাইক দূৰৈৰপৰা দেখোঁ, চাই থকোঁ, তাই মোলৈ চাই হাঁহে, আঁতৰ হয়, আকৌ ঘূৰি হাঁহি পঠিয়ায়, কেতিয়াবা তাইৰ মাকো আকস্মিক সাক্ষী হয়। তেতিয়া মোৰ অলপ লাজ লাগে। নেমু টেঙাৰ ফুলৰ গোন্ধৰ দৰে কৰুণ স্নিগ্ধ সেই হাঁহি।" (নিতে নৱৰূপ তাৰ/৭৭)

গদ্যৰীতিৰ পিনৰপৰা 'এটি জীয়া কাহিনী' আৰু 'মাণিকচন্দ্ৰ বৰুৱা' গ্ৰন্থ দুখন অতি মনোগ্ৰাহী। ইয়াৰে প্ৰথমখনৰ জীৱন কাহিনীৰ নায়ক পূৰ্ণচন্দ্ৰ ভৰালীৰ লগত তেখেতৰ ব্যক্তিগত ঘনিষ্ঠতা থকা বাবেই বোধহয় ভাষা বৰ মন চুই যোৱা বিধৰ। লিখকক ঠায়ে ঠায়ে অধিক ভাৱপ্ৰৱণ হৈ পৰাও দেখা যায়। 'ইউৰোপৰ মনীষা' ছুগৰাকী জগত বিখ্যাত 'ইউৰোপীয় মনীষাৰ জীৱন কাহিনী, পঢ়োতে উপন্যাসৰ কাহিনী যেন লাগে। প্ৰতিজন ব্যক্তিৰ জীৱনৰ ঘটনাৰাজি অতি সুন্দৰভাৱে নিজৰ ভাষাত ইমান ৰসালকৈ লিখিব পৰাটো বৰ সহজ কথা নহয়। আচলতে ভাষাত কেৱল দখল থাকিলেও নহয়, তাৰ প্ৰয়োগটোহে মূল কথা। ড০ গোস্বামীক সেই বিষয়ত এজন শিল্পী বুলিয়ে ক'ব লাগিব। পৰিৱেশৰ লগত খাপ খুৱাই বছা বছা শব্দ অনুভূতিপূৰ্ণ দৃষ্টিভঙ্গীৰে প্ৰয়োগ কৰি তেখেতে অলংকাৰত সোণপানী চটিওৱাৰ দৰে কৰিতা-পানী ছটিয়াবলৈ যত্ন কৰিছে। যেনে ঃ

"আন আন মাইকী মানুহৰ লগত তেওঁৰ দুই-এটি ঘটনা নঘটিছিল বুলি ক'ব নোৱাৰি যদিও এই আপচু আৰু অলগৰ্ধ তিৰোতাজনীৰ লগতে তেওঁ জীৱনৰ বাকী কালছোৱা কটায়। টেইবেজে লিখা-পঢ়া একো নাজানিছিল (কছোৱে পিছত তাইক অকল লিখিবলৈ শিকাইছিল), ধনৰ হিচাব নাজানিছিল, আনকি মাহকেইটাৰ লেখো দিব নোৱাৰিছিল। তাইৰ মাক আছিল ধনৰ খকুঁৱা আৰু তাই, কছো আৰু কছোৰ বন্ধুসকলক ভালকৈয়ে খিৱাইছিল। টেইবেজৰ গৰ্ভত কছোৰ পাঁচটি সন্তান ওপজে।" (ইউৰোপৰ মনীষা/ ৪৫-৪৬)

জীৱনী-ৰচনাতো তেওঁৰ গদ্য-ৰচনা বহু সময়ত চিত্ৰধৰ্মী হৈ পৰা দেখা যায়। ঔপন্যাসিক ডষ্টয়এভৃস্কিৰ 'দৰিদ্ৰ লোক' লিখি সমালোচক বেলিনস্কিৰ মুখত প্ৰশংসা শুনি তেওঁ

আনন্দিত হোৱাই নহয় নিজৰ প্ৰতিভাৰ বিষয়ে সচেতন হোৱাৰ লগতে আত্মন্তৰিতাও প্ৰকাশ কৰিছিল। সেই সময়ত মানুহজনৰ বৰ্ণনা দিবলৈ গৈ ড০ গোস্বামীয়ে লিখা কেনে বৰ্ণনাটি তলৰ কথাখিনিয়ে তাৰ চিনাকি :

"ডষ্টয়এফ্স্কিৰ চেহেৰা আছিল এইধৰণৰ— মানুহজন চুটি আৰু খীণ, চুলি পাতল বগুৰ (ক'লা নহয়), গাৰ বৰণত স্বাস্থ্যৰ জেউটি নাই, কজলা সৰু চকুদুটি ইটো বস্তুৰপৰা সিটোলৈ লৰি ফুৰে, শেঁতা ওঁঠ দুটিতো এটি অস্থিৰ কম্পন। দেখিলেই তেওঁক ৰতাহত উৰা আৰু দুৰ্বল স্নায়ুৰ যেন লাগে।" (ইউৰোপৰ মনীষা/৮৭)

জীৱনী কেইখনত লিখকে প্ৰতিজন ব্যক্তিৰ চাৰিত্ৰিক বৈশিষ্ট্য, ভ্ৰাতৃত্ব আৰু মানৱীয় দিশটোৰ প্ৰতি সিসকলৰ দৃষ্টিভঙ্গীৰ ওপৰত আলোকপাত কৰিবলৈ যত্নবান হৈছে। সেইবুলি তেনেদৰে ব্যক্তিত্ব বিচাৰ কৰিবলৈ যাওঁতে তেখেতে কেৱল গুণানুকীৰ্তনত ব্যস্ত হৈ পৰা নাই, বৈশ্লেষণিক ৰীতি এটা গ্ৰহণ কৰিছে। একেদৰে তেখেতৰ ভ্ৰমণ কাহিনী তিনিখনতো তেনে এটা পৰ্য্যবেক্ষকৰ দৃষ্টি পোৱা যাবে তিনিওখন গ্ৰন্থই সুখপাঠ্য হৈছে। অৱশ্যে সেই সূক্ষ্ম পৰ্য্যবেক্ষণৰ আঁৰত তেখেতৰ এটা বিদ্যায়তনিক অনুসন্ধিৎসা আছিল। সেই কথাৰ সুন্দৰ প্ৰমাণ পোৱা যায় আমেৰিকাত ভিজিটিং প্ৰফেচাৰ হিচাপে কাৰ্য্যনিৰ্বাহ কৰি ফুৰি আহি লিখা ভ্ৰমণ অভিজ্ঞতা 'পৃথিৱীৰ চৌপাশে এপাক' পুথিত। তেখেতৰ পৰ্য্যবেক্ষণৰপৰা ঘৰুৱা পৰিৱেশৰ মৰ্মকথাও বাদ পৰা নাই। যেনে :

"ইয়াত পৰিয়াল মানে স্বামী-স্ত্ৰীৰ পৰিয়াল। নতুন সংসাৰত আই নাইবা বোপাই কোনোবা এজনক ৰাখিব লাগিলে সমস্যা গুৰুতৰেই।" (এপাক/৭৭)

ড০ গোস্বামীৰ প্ৰবন্ধ, সমালোচনা আদিৰ কিতাৰ কেইখনৰ গদ্যৰীতি তুলনামূলকভাৱে আন কেইখনতকৈ অলপ গহীন। সিবিলাকৰ বিষয়বস্তু বৈচিত্ৰ্যপূৰ্ণ; অৱশ্যে সৰহখিনিয়ে সাহিত্য, সংস্কৃতি, লোকসাহিত্য, ইতিহাস, সভ্যতা, পুৰাতন শাস্ত্ৰাদি সম্পৰ্কীয়। প্ৰবন্ধবোৰৰ মাজত তেখেতৰ প্ৰগতিশীল চিন্তাধাৰৰ পৰিচয় পোৱা যায়। তেখেত সমাজ সম্পৰ্কেও বেছ সচেতন আছিল। তেখেতে সকলো কথা যুক্তিৰে বিচাৰ কৰিবলৈ গৈছিল বাবেই বৈপ্লৱিক দৃষ্টিভঙ্গীৰে যুক্তি দাঙি ধৰি কিছু কিছু নতুন চিন্তাৰ প্ৰকাশ কৰিবলৈকো যত্ন কৰিছিল। তাৰ উজ্জ্বল দৃষ্টান্ত হ'ল 'যুৱতী আৰু সংস্কৃতি' গ্ৰন্থৰ প্ৰবন্ধবাজি। যেনে :

"নাৰদস্মৃতি মনুস্মৃতিৰ ওপৰত নিৰ্ভৰশীল হ'লেও ইয়াত সাধাৰণ ধৰ্মীয় কৰ্ত্তব্যাকৰ্ত্তব্যতকৈ আইন সংক্ৰান্ত কথাহে সৰহ পায়। ইয়াৰ মুখ্য বিষয় হ'ল 'ব্যৱহাৰ' অৰ্থাৎ আইন; আচাৰ আৰু প্ৰায়শ্চিত্তৰ কথা ইয়াত নাই।" (যুৱতী আৰু সংস্কৃতি/৩৭)

এইবোৰৰ অন্তৰালত ড০ গোস্বামীদেৱৰ সূক্ষ্ম পৰ্য্যবেক্ষণ আৰু অধ্যয়নৰ গভীৰ উপলব্ধি নিহিত আছে। সেইদৰে নতুন চিন্তাৰ আভাস কিদৰে তেখেতৰ লিখনিত পোৱা যায় তাৰ প্ৰমাণ তলৰ কথাখিনিয়ে দিয়ে :

"মান্যজন আলহী হ'লেও মধুপৰ্কৰ লগত গোমাংস বাজি খুৱাব লাগে বুলি শতপথ

ব্ৰাহ্মণ, বিষ্ণুস্মৃতি, মনুসংহিতা আদি শাস্ত্ৰৰ নিৰ্দেশ আছে।... চৰক সংহিতাৰ মতে গো, মহিষ, বৰাহ আদি সদায় খাব নালাগে। কিন্তু শক্তি সঞ্চাৰী আহাৰ হিচাপে তাৰ ব্যৱহাৰত বাধা নাই। মহাভাৰতত গোমাংস খোৱা কথাৰ উল্লেখ একাধিক।... সময়ত শ্ৰাদ্ধত মাংসাদি দিয়া মতান্তৰ নাইবা বহিত হ'লগে। কেতিয়া হ'ল ক'বলৈ টান।" (বুৰঞ্জী আৰু সংস্কৃতি/২৪)

তেখেতৰ দৃষ্টিভঙ্গী গৱেষকৰ তত্ত্বানুসন্ধানী বিধৰ হোৱা বাবে উন্মোচিত তথ্যাদিৰ বিশ্লেষণৰ ভাষাও আছিল অতি স্পষ্ট আৰু পোনপটীয়া, শব্দাদিৰ ফুলজাৰিৰে তাৰ স্বাভাৱিক অৰ্থোদ্ধাৰত কোনো বাধাৰ সৃষ্টি নকৰাটোৱে আছিল তেখেতৰ গদ্যৰ বৈশিষ্ট্য। জটিল অথবা নতুন কথাৰ সন্ধেদ দিবলৈ যাওঁতে অস্বাভাৱিকতাৰ অৱতাৰণা বাঞ্ছনীয় নহয়, স্পষ্টবাদিতা আৰু প্ৰকৃত অৰ্থসূচক শব্দৰ প্ৰয়োগহে নিতান্ত দৰ্কাৰ। ড০ গোস্বামী সেই বিষয়ত সিদ্ধহস্ত। যেনে :

"হিন্দুৰ বিভিন্ন পন্থাৰ শাক্তসকলেহে ধৰ্মীয় সুৰা সমৰ্থন কৰে।...দ্ৰাক্ষী অৰ্থাৎ আঙুৰৰপৰা জাত সুৰাৰ স্পষ্ট উল্লেখ পোৱা যায় পাণিনিৰ ব্যাকৰণ অষ্টাধ্যায়ীত।....ৰজা-মহাৰজা, অমাত্য পাৰিষদ আদি চহকী লোকেহে ইয়াক ভোগ কৰিছিল।" (বুৰঞ্জী আৰু সংস্কৃতি/৩০)

লোক সাহিত্যৰ অন্তৰ্ভুক্ত বিষয়ক কিতাপ চাৰিখনৰ কিছু কিছু সংগ্ৰহ যদিও সৰহভাগেই তেখেতৰ ৰচনা। জন-সাহিত্যৰ পৰিচয় দিবলৈ গৈ যি ব্যাখ্যাৰ অৱতাৰণা কৰিছে তাৰ প্ৰকাশভঙ্গী যিদৰে প্ৰাঞ্জল একেদৰে তাৎপৰ্য্যও অতি চমৎকাৰ, ক'তো ভাঁজভূজ নাই সলসলীয়া। যেনে :

"জন-সাহিত্য বাইজৰ সাহিত্য, বিশেষভাৱে লিখা-পঢ়া জনা শিক্ষিত মানুহৰ ৰচনা নহয়।...এইবিলাক হৈছে মুখে মুখে ৰচনা কৰা আৰু মুখ বাগৰি জীয়াই থকা পুৰণি নাম, পদ, মালিতা, ফকৰা, বচন, সাঁথৰ, সাধুকথা।" (অসমীয়া জন-সাহিত্য/১২)

অৱশ্যে এইবিধ ৰচনাৰ সৰহভাগেই তেখেতে আনৰপৰা সংগ্ৰহ কৰা বিষয়বস্তুৰ আলম লৈ লিখা। সেইবাবে গদ্যৰীতিত বহু সময়ত আন ভাষাৰ কিম্বা আন লোকৰপৰা অনা ভাষাৰ কিবা আঁচোৰ থাকিব পাৰে; কিন্তু তাৰ প্ৰকাশভঙ্গীত তেখেতৰ নিজস্ব দৃষ্টিভঙ্গী আৰু বৈশিষ্ট্য বিদ্যমান।

ড০ গোস্বামীৰ গদ্যৰীতিৰ বিশেষত্ব হ'ল বক্তব্য উপস্থাপনত অদৰ্কাৰী কথাৰ অৱতাৰণাৰ অভাৱ আৰু সকলো সময়তে বাহুল্য বৰ্জন। তদুপৰি সংক্ষিপ্ততা আৰু অতিৰঞ্জনহীনতাও তেখেতৰ গদ্যৰ বিশেষত্ব। পৰাপক্ষত তেখেতে চুটি চুটি বাক্যৰে ক'বলগীয়া কথা ঘৰুৱা দৈনন্দিন জীৱনৰ ভাষাৰে প্ৰকাশ কৰিবলৈ যত্ন কৰিছিল। অৱশ্যে দীঘলীয়া বাক্য যে তেখেতে নিলিখিছিল তেনেও নহয়, কিন্তু তেনে বাক্যৰ সমাবেশ বৰ কম। সেইবোৰতে ইংৰাজীৰ প্ৰভাৱ চকুত পৰে। সৰহভাগ দীঘলীয়া বাক্যত এই প্ৰভাৱ স্পষ্ট। যেনে :

"ৰচনাত তেওঁ দেখুৱালে বিজ্ঞান, কলা, সাহিত্য আদি সভ্যতাৰ কল সৰলতা আৰু নীতিৰ আঁটাইতকৈ প্ৰবল শত্ৰু, কিয়নো অভাৱ সৃষ্টি কৰি ইহঁতেই দাসত্বকো জন্ম দিছে, যি আমেৰিকাৰ অসভ্যবিলাকৰ দৰে মাওঠ, সিহঁতৰ শৰীৰত শিকলিৰ বান্ধ নপৰে, যিবিলাক 'সভ্য' সিহঁতহে নানান বান্ধৰ মাজতে চেপা খাই আছে।" (ইউৰোপৰ মনীষা/৪৭)

ড০ গোস্বামীৰ ৰচনাৰ শব্দচয়নৰ ক্ষেত্ৰত মন কৰিবলগীয়া কথা হ'ল থলুৱা শব্দৰ যথেষ্ট প্ৰয়োগ। মনৰ ভাৱ পোনপতীয়াকৈ প্ৰকাশ কৰিবলৈকে বুলি তেখেতে উপযুক্ত শব্দ, খণ্ডবাক্য, জঁতুৱা ঠাচ যথাস্থানত ব্যৱহাৰ কৰিবলৈ যত্ন কৰিছিল। প্ৰয়োজনবোধে তেখেতে দৰ্কাৰ অনুভৱ কৰিলে অপ্ৰচলিত শব্দ কিম্বা কামৰূপী তথা নামনি অসমৰ কথিত ভাষাৰ শব্দও বাছি ল'বলৈ সংকোচবোধ নকৰিছিল। এইটোৱো ড০ গোস্বামীৰ গদ্যৰ এটা বিশেষত্ব। যেনে:

"কুঁহি ধাননি, বিমানৰ ভন্‌ভননি, হেহোঁ-নেহোঁ, জেকনি, আবাৰা, ভৱৰি উঠা, বাইবেলধাৰী খৃষ্টান, বুকু চম্‌চমা, মূৰা তুলি, তৰণি, বয়সৰ ভৰ, আওবাট, চিন্তাৰ খাপ, হ'ব পায়, খুৰাব-বুৰাব, টেঙা হাঁহি, সকমায়, বিৰবিৰীয়া বতাহ, ফেঁউৰা, মাই, চোভা" ইত্যাদি।

সেই একেদৰে তেখেতে ঠায়ে ঠায়ে কছাৰী মানুহৰ মুখৰ অসমীয়া ভাষাৰ প্ৰয়োগ কৰিবলৈ যত্ন কৰিছে পৰিৱেশ সৃষ্টিৰ কাৰণে অধিক মনোৰম আৰু তাৎপৰ্য্যপূৰ্ণ কৰিবৰ বাবে। যেনে:

"চাউল আনিচোং আবো, কি কৰিম আবো, মাইতুৰ ঘৰ, জানং ন-খোৱাৰ সময়, আমাৰ উপৰত মকওমা কৰি, আং বু-লো হা-গো— পিটিব পাবোঁ, দা-বু দা-বু—নামাবিবি নামাবিবি, কিনো হ'ব আবো" ইত্যাদি।

তেখেতৰ ভাষাৰীতিৰ আন এটা বৈশিষ্ট্য হ'ল জঁতুৱা ঠাচ আৰু অনুৰূপ আৰু যুৰীয়া শব্দৰ প্ৰয়োগ। জঁতুৱা ঠাচৰ প্ৰয়োগ তেনেই স্বাভাৱিক। যেনে:

"কাণত ঠিলা মাৰি, বিপদ-আপদৰ চাৰ্কনেয়া, গাইগুটীয়া কাম, মুখ বাগৰি বাগৰি ক্ষয় হোৱা, সভ্যতাৰ ভাপ নলগা, গহ্বত গৰু উঠা কথা, লুইতেহে জানে ব'ঠা কিমানলৈ বহে, মানুহ-দুনুহ, ইফালে-সিফালে, চলণে-ফুৰণে, পিন্ধনে-উৰণে, বিয়াই-সবাহে, মাজে-সময়ে, যাত্ৰা-ভাওনাত, ভোগ-ভাত, ঘৰ-বাৰী, কাম-কাজ, ঘৰ-পথাৰ, ল'ৰা-বুঢ়া, মতা-মাইকী, ধাৰ-ধুৰ, আত্মীয়-কুটুম্ব, বুঢ়া-মেথা, ভাত-কাপোৰ, উখল-মাখল, গালি-গালাজ, আশা-ভৰসা, নদন-বদন, মায়া-মোহ, বোকা-পানী, আচাৰ-ব্যৱহাৰ, আউল-বাউল, চাহ-তাহ, চেদেলি-ভেদেলি ইত্যাদি।"

এইবিলাকৰ প্ৰয়োগত তেখেতৰ ৰচনা-ৰীতি সৰস আৰু সাৱলীল হৈ পৰিছে। তদুপৰি অসমীয়া ভাষাৰ নিজস্ব ৰূপটো অধিক প্ৰাঞ্জল ৰূপত প্ৰকাশ হোৱা দেখিবলৈ পোৱা যায়।

অৱশ্যে আন এটা মন কৰিবলগীয়া কথা হ'ল তেখেতৰ গদ্যৰীতি ঠাই বিশেষে প্ৰকাশ পোৱা নাটকীয় কথোপকথনভঙ্গী আৰু কবিত্বসুলভ প্ৰকাশভঙ্গী।

অসমীয়াত লিখা গ্ৰন্থখিনিৰ মাজত বিৰাজ কৰা ৰচনা-ৰীতিয়ে ড০ গোস্বামীক অসমীয়া সাহিত্যিক সকলৰ মাজত এখন বিশিষ্ট আসন দিবলৈ সক্ষম হৈছে। অসমীয়া গদ্য-সাহিত্যৰ ভড়াঁললৈ তেখেতে যিখিনি অৰিহণা আগবঢ়াই গৈছে সেইখিনি কেউপিনৰপৰা অতি মূল্যবান। বিষয়বস্তু আৰু ভাষাৰ কথা বাদ দিলেও তাত প্ৰয়োগ কৰা ৰচনা-ৰীতিয়ে সেই কথাৰ সাক্ষ্য বহন কৰে। তেখেতৰ সাৱলীল ৰচনা-ৰীতিৰ সৰলতা, স্পষ্টবাদিতা তথা প্ৰাঞ্জলতা, বিশুদ্ধতা আদিৰ কাৰণে উত্তৰ পুৰুষৰ বাবে প্ৰেৰণাদায়ক আৰু অধ্যয়নৰ প্ৰয়োজনীয় সম্পদ ৰূপে প্ৰবৰ্তি থাকিব বুলি ক'ব পাৰি। তাতেই আছে ড০ গোস্বামীৰ প্ৰতিভা আৰু ব্যক্তিত্বৰ স্বাক্ষৰ। অদূৰ ভৱিষ্যতত ড০ গোস্বামীৰ ৰচনা-ৰীতি গভীৰ অধ্যয়ন আৰু গৱেষণাৰ মূল্যবান সম্পদ ৰূপে বিবেচিত হ'লেও তাত একো আচৰিত হ'বলগীয়া নাই।

—০—

"ফেষ্টিভেলচ অব আছাম"

ভুবনমোহন দাস

অসম বিভিন্নবিধ জনগোষ্ঠীৰ বাসভূমি। ইয়াৰ ভিতৰত অজনজাতিৰ ককেচীয় অসমীয়া, মংগোলীয় প্ৰজাতিৰ বাভা, তিৱা, কছাৰী, কাৰ্বি, মিছিং, দেউৰী, আহোম আদিৰ নাম উল্লেখ কৰিব পাৰি। প্ৰত্যেকটো জনগোটৰে নিজস্ব পৰম্পৰাগত আৰু স্বকীয় বৈশিষ্ট্যপূৰ্ণ বহুতো উৎসৱ-পাৰ্বন আদি আছে। সেইবোৰ বছৰৰ বিভিন্ন সময়ত আৰু বিভিন্ন কাৰণত বা প্ৰয়োজনত পালন কৰা হয়। বৰ্তমানৰ আলোচ্য পুথিখনত অসমৰ নানান জনগোষ্ঠীৰ মাজত প্ৰচলিত থকা বহুতো উৎসৱ-পাৰ্বনৰ চমু পৰিচয় আৰু বিৱৰণ সন্নিবিষ্ট কৰা হৈছে। গ্ৰন্থকাৰে প্ৰতিটো জনগোটৰে অন্ততঃ এটাকৈ প্ৰধান উৎসৱৰ বিষয়ে লিখিছে। মন কৰিবলগীয়া যে বহুত পিছত অসমলৈ অহা চাহ বাগিচাৰ শ্ৰমিক আৰু শিখ সম্প্ৰদায়ৰ উৎসৱৰ উল্লেখ কৰিবলৈও লিখকে পাহৰা নাই। বৰাক উপত্যকাৰ কোনো এক জনগোটৰ এটা উৎসৱৰ কথাও পুথিখনত লিপিবদ্ধ কৰা হৈছে।

পুথিখনত চাব্বিশটা ভাগ আছে। তাৰ ভিতৰত 'চমু গ্ৰন্থপঞ্জী' আৰু 'পৰিশিষ্ট'ত অন্তৰ্ভুক্ত। প্ৰায় কুৰিটা উৎসৱৰ বিৱৰণ দিয়া হৈছে। তাৰে কিছুমান উৎসৱত লিখকে নিজে ভাগ লৈ অভিজ্ঞতা অৰ্জন কৰি সেই বিষয়ে লিখিছে। আনহাতে কিছুমান উৎসৱৰ বৰ্ণনা পঢ়ি বা লোকৰপৰা শুনা কথাৰ ওপৰত ভিত্তি কৰি লিখা।

উপস্থাপন ভাগটোত অসমলৈ জনগোষ্ঠীবোৰৰ আগমন আৰু অসমৰ সংমিশ্ৰিত বা যৌগিক সংস্কৃতিৰ বিষয়ে উল্লেখ মাত্ৰ কৰা হৈছে। লিখকে ক'ব খোজে যে উৎসৱ-পাৰ্বনবোৰ পৰম্পৰাগত সংস্কৃতিৰ অংশবিশেষ। জনগোটৰ ধৰ্ম বিশ্বাস আৰু ঋতুবন্ধাৰা সেইবোৰ প্ৰভাৱান্বিত হয়। কথাটো সঁচা। উৎসৱবোৰৰ বৰ্ণনা দিওঁতে লিখকে সেই কথা মনত ৰাখি সেই বিষয়ে সময়ে সময়ে আঙুলিয়াই গৈছে। তদুপৰি আন এটা বিষয়ে লিখক সম্পূৰ্ণ সজাগ। সেইটো হৈছে সময় যোৱাৰ লগে লগে জনগোটৰ জীৱন ধাৰাৰ পৰিৱৰ্তন ঘটে আৰু তাৰ ফলত আচাৰ-বিধি, বিশ্বাস আদিৰো পৰিৱৰ্তন হয়। উৎসৱৰ বিৱৰণ দিওঁতে সেই কথা মাজে-সময়ে মনত পেলাই দিছে আৰু তাৰ উদাহৰণ দিছে। এটা ভাগত ভৌগোলিক অঞ্চল ভেদে থকা পাৰ্থক্যবোৰৰ বিষয়েও উদাহৰণ সহ উল্লেখ কৰিছে। উৎসৱত স্থানীয় প্ৰভাৱ নুই কৰিব নোৱাৰি।

কিছুমান উৎসৱ সৰ্বভাৰতীয়। বিভিন্ন ৰূপত এইবোৰ ভাৰতবৰ্ষৰ নানান ঠাইৰ বিভিন্ন বিধ জনগোষ্ঠীয়ে পালন কৰে। সেইবোৰৰ ভিতৰত জন্মাষ্টমী, সৰস্বতী-পূজা, দেৱালী, দুৰ্গা-পূজা, হোলি, ৰাস আদিৰ বিষয়ে এটা ভাগত কোৱা হৈছে। তেখেতে মন কৰিছে যে অসমত, বিশেষকৈ বৈষ্ণৱ প্ৰভাৱান্বিত কেন্দ্ৰবোৰত হোলি উৎসৱ পালনত বিশেষ ধৰণৰ পৰিৱৰ্তন ঘটিছে। দক্ষিণাঞ্চলতে ক'বলৈ গ'লে অকল হোলিৰ ক্ষেত্ৰতে নহয়, আন বহুতো উৎসৱত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ প্ৰকট। সেইয়া তেখেতে বিভিন্ন ভাগত অন্তৰ্ভুক্ত কৰা উৎসৱৰ ক্ষেত্ৰত উল্লেখ কৰিছে।

অসমৰ মানুহৰ ধৰ্মীয় জীৱনত শিৱই এক প্ৰধান ভূমিকা পালন কৰে। সেইবাবেই বোধকৰোঁ লিখকে 'অসমত শিৱ আৰু শিৱৰাত্ৰি' সম্বন্ধে বেলেগ ভাগ এটা কৰিছে। তদুপৰি কেইবাটাও উৎসৱৰ বৰ্ণনা দিওঁতে সেইবোৰত শিৱৰ ওপৰত আলোকপাত কৰা হৈছে।

ড০ গোস্বামীদেৱে অসমৰ বিহুৰ সম্বন্ধে বহুতো প্ৰামাণিক আৰু তথ্যপূৰ্ণ প্ৰবন্ধ আৰু পুথি ৰচনা কৰি বিহুৰ বিষয়ে স্পষ্ট ধাৰণা পঢ়ুৱৈ সমাজলৈ আগবঢ়াইছে। এইখন পুথিত অৱশ্যে তেখেতে সিমান গভীৰতালৈ যোৱা নাই। পিছে চমুকৈ হ'লেও স্পষ্টভাৱে বিহুৰ সময়ত পালন কৰা আচাৰ-অনুষ্ঠান আদিৰ বিৱৰণ পৰ্য্যায়ক্ৰমে দিছে। বিহু শব্দটোৰ উৎপত্তি লৈ কিছুমান বিষয়ে সৈদ্ধান্তিক আলোচনাও কৰিছে। অসমৰ বাহিৰৰ কিছুমান জনগোট আৰু অসমৰ কোনো কোনো জনজাতিৰ মাজত থকা বিহু উৎসৱৰ বিষয়েও কোৱা হৈছে। উজনি আৰু নামনি অসমৰ বিহুৰ মাজত থকা পাৰ্থক্যবোৰ তেখেতে লক্ষ্য কৰিছে। আকৌ, 'অসমৰ বসন্তকালীন উৎসৱ' শীৰ্ষক ভাগ এটাত কিছুমান জনজাতি, যেনে, বড়ো-কছাৰী, মিছিং, দেউৰী আৰু ৰাভাৰ মাজত থকা অসমীয়া ধৰণৰ বিহু সম্বন্ধে আলোচনা কৰিছে।

ভুথেলী আৰু দেউল প্ৰধানকৈ নামনি অসমৰ অসমীয়া মানুহৰ মাজত সীমাবদ্ধ। এই দুটা উৎসৱত বাঁহৰ স্থান মন কৰিবলগীয়া। থিয়কৈ পোতা দীঘল বাঁহৰ লগত ইন্দ্ৰ-পূজা আৰু মুণ্ডা জনজাতিৰ লোকৰ মাজত প্ৰচলিত ইন্দ্ৰ-পৰৱৰ কিবা এটা সম্বন্ধ থকাৰ কথা লিখকে কৈছে। অসমৰ একাংশ মুছলমান লোকে প্ৰায় এনে ধৰণৰ উৎসৱ পালন কৰে। তেওঁলোকে ইয়াক বাঁহ-বিয়া/বাচ-বিয়া বুলি কয়। মদন-কাম পূজা বা বাচ-পূজাতো বাঁহৰ প্ৰাধান্য আছে। গাৰো আৰু হাজং জনজাতিৰ কোনো কোনো উৎসৱতো বাঁহৰ ব্যৱহাৰ দেখা যায়। বাঁহ কিহৰ প্ৰতীক হ'ব পাৰে, সেই বিষয়ে বিভিন্ন জনগোটৰ কি ধাৰণা ইত্যাদি সম্বন্ধে লিখকে আলোচনা কৰিছে।

এটা ভাগত 'ওজাপালি : বিয়াহ, সুকনান্নি', 'কুশান গান' সম্বন্ধে কোৱা হৈছে। ওজা-পালি এক প্ৰকাৰৰ প্ৰদৰ্শনমূলক কলা। লিখকে স্থানভেদে ইয়াৰ বিভিন্নতা লক্ষ্য কৰিছে। ওজা-পালিৰ লগত সংশ্লিষ্ট দেৱদেৱীও স্থান ভেদে ভিন্ ভিন্। তেখেতে জানিবলৈ

দিছে যে এটা সময়ত আনকি মুছলমান লোকো ওজা আছিল। হিন্দুধৰ্ম গ্ৰহণ কৰা জনজাতিৰ লোকেও ওজা-পালিক নিজৰ সংস্কৃতিত আঁকোৱালি লৈছে। এই উৎসৱবোৰৰ বিষয়ে লিখকে স্পষ্ট ধাৰণা এটা প্ৰকাশ কৰিছে।

শ্ৰীমন্ত শংকৰদেৱে ভাওনা প্ৰৱৰ্তন কৰে তেতিয়াৰ পৰাই তাৰ প্ৰচলন আৰম্ভ হয়। ভাওনা প্ৰায় সম্পূৰ্ণৰূপে বৈষ্ণৱীয় প্ৰদৰ্শনমূলক কলা। চমুকৈ হ'লেও ভাওনাৰ বিভিন্ন দিশ সামৰি লিখকে ভাওনাৰ স্পষ্ট ৰূপ এটা দাঙি ধৰিছে। বাৰেচহৰীয়া ভাওনা সম্পৰ্কে বেলেগে আলোচনা কৰিছে।

পচতি বা পাচেতি আৰু মথেনি উৎসৱ ধৰ্মীয় বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। এই দুটা উৎসৱ স্থানীয় উৎসৱ বুলি ক'ব পাৰি। এই দুটাৰ উৎপত্তি আৰু বিকাশ লগতে স্থানীয় বিভিন্নতা সম্বন্ধেও লিখকে আলোচনা কৰিছে।

আন এটা একেবাৰে স্থানীয় উৎসৱ হ'ল তিৱা জোনবিল মেলা। এই উৎসৱত বিভিন্ন জনগোষ্ঠীৰ লোক মিলিত হয় আৰু তেওঁলোকৰ মাজত বস্তুবাবীৰ আদান-প্ৰদান কৰাৰ লগতে ভাৱধাৰাৰ বিনিময় হয়। ডিমাছাসকলৰ মাঘ সাইনজ্ৰা আৰু বড়ো-কছাৰীৰ খেৰাই পূজা আন দুটা উল্লেখযোগ্য উৎসৱ, যি দুটাই পুথিখনত স্থান পাইছে।

চৌমাংকান মৃতকৰ সংকাৰৰ লগত জড়িত কাৰ্বিসকলৰ এটা প্ৰধান উৎসৱ। ই বৰ দীঘলীয়া আৰু আড়ম্বৰপূৰ্ণ। পুথিখনত এই উৎসৱৰ বিষয়ে কোৱা হৈছে। লিখকে লক্ষ্য কৰিছে কাৰ্বিসকলে কিছুমান সাংস্কৃতিক উপাদান খাচিয়াসকলৰপৰা গ্ৰহণ কৰিছে। অৰ্থাৎ কাৰ্বি আৰু খাচিয়াৰ মাজত সাংস্কৃতিক সম্বন্ধ আছে। মেইডাম-মেইফি আহোমসকলৰ এটা প্ৰধান উৎসৱ। পূৰ্ব পুৰুষৰ পূজাৰ লগত ইয়াৰ সম্বন্ধ। চাহ বাগিচাৰ শ্ৰমিকসকলে টুচু পূজা বৰ উৎসাহ-উদ্দীপনাৰ মাজেৰে পালন কৰে। পুথিখনত টুচু পূজাৰ কথা আছে, লগতে মুছলমানসকলৰ ঈদ আৰু বৰাক উপত্যকাৰ নৌকা-টানা উৎসৱৰো উল্লেখ পোৱা যায়।

নামনি অসমত বছৰৰ এটা সময়ত মহ খেদিবলৈ মহৌ-হো উৎসৱ পালন কৰে। আগৰ দিনত মহৌ-হো বৰ জনপ্ৰিয় আছিল। গোৱালপাৰাত মহৌ-হোক মাচো-চো বুলি কয়। মহৌ-হোৰ সময়ত গোৱা গীত ঠাই বিশেষে বেলেগ বেলেগ।

গ্ৰন্থকাৰে নিজেই স্বীকাৰ কৰিছে যে অসমত পৰম্পৰাগত কিমান উৎসৱ আছে সেই বিষয়ে সঠিককৈ কোৱা সম্ভৱপৰ নহয়। উৎসৱৰ সংখ্যাও সময় যোৱাৰ লগে লগে বাঢ়ি আহিবলৈ ধৰিছে। তেখেতে কিছুমান উৎসৱ, যিবোৰ সাম্প্ৰতিক কালত অসমৰ মানুহে পালন কৰিবলৈ লৈছে, তালৈ পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিছে।

উপস্থাপন ভাগটোৰ কথা আগতে কৈ অহা হৈছে। এই ভাগটো তেনেই চমু। কিন্তু অত কেইটামান বৰ তাৎপৰ্য্যপূৰ্ণ তথ্যৰ উল্লেখ আছে। সেইবোৰৰ বিষয়ে বিশদ আলোচনা হোৱাৰ অৱকাশ নথকা নহয়। উদাহৰণ স্বৰূপে প্ৰথমতে ক'ব পাৰি যে অসমৰ মানুহ একক

জনপ্ৰজাতি বা জনগোটৰ মহন্ম। সংমিশ্ৰণৰ ফলত অসমৰ মানুহ গঠিত হৈছে। সংমিশ্ৰণ জৈৱিক আৰু সাংস্কৃতিক উভয় দিশতে হৈছে। ফলত অসমৰ সংস্কৃতিও মিশ্ৰিত। সেইবাবে সাম্প্ৰতিক কালত অসমৰ সংস্কৃতিত থকা কোনো কোনো উপাদানৰ মূল উৎস বিচাৰি পোৱা টান। জনগোটবোৰৰ ইটোৱে সিটোৰ পৰা নানান উপাদান গ্ৰহণ কৰি নিজৰ কৰি লৈছে। এনেবোৰ ঘটনা অসমত কেতিয়াবাৰেপৰা সংঘটিত হৈ আছে আৰু ই সাধাৰণ কথা যেন হৈ পৰিছে। জনজাতিৰ স্বকীয় উৎসৱবোৰত হিন্দুধৰ্মৰ প্ৰভাৱ পৰিছে। আনহাতে বহুতো জনজাতীয় উপাদান হিন্দুৰ মাজত প্ৰৱেশ কৰিছে। মুছলমানসকলে কোনো কোনো অনা-মুছলমান উৎসৱত অংশগ্ৰহণ কৰাটোও বিশেষভাৱে মন কৰিবলগীয়া ঘটনা। দ্বিতীয়তে, ধৰ্ম আৰু ঋতুৱে উৎসৱৰ ক্ষেত্ৰত তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ বহুতো উৎসৱত লক্ষ্যণীয়। তৃতীয়তে, উৎসৱবোৰ পৰম্পৰাগত সংস্কৃতিৰ অংগ। সংস্কৃতি পৰিৱৰ্তনশীল। গতিকে উৎসৱৰ পৰিৱৰ্তন হোৱাটো স্বাভাৱিক। চতুৰ্থতে, অঞ্চল ভেদে একোটা উৎসৱৰে বেলেগ বেলেগ ৰূপ দেখা যায়। তদুপৰি, সকলো ঠাইতে সকলোবোৰ উৎসৱ পালন কৰা নহয়। কিছুমান উৎসৱ স্থানীয় আৰু বিশেষ অঞ্চলত সীমাবদ্ধ। আগতেই কৈ অহা হৈছে যে লিখকে উৎসৱবোৰৰ বিৱৰণ দিওঁতে মাজে-সময়ে এইবোৰ গুৰুত্বপূৰ্ণ ঘটনালৈ আঙুলিয়াইছে। তাৰ ফলত পুথিখনৰ মান বৃদ্ধি হৈছে। পাঠকে এইবোৰ কথা মনত ৰাখি পুথিখন পঢ়িলে বেছি উপকৃত হ'ব আৰু লগতে পুথিখনৰ প্ৰকৃত মূল্য নিৰ্ণয় কৰিব পাৰিব।

এটা কথা ক'বই লাগিব যে পুথিখন বিৱৰণমূলক বা পৰিচয়মূলক। বিৱৰণবোৰে উৎসৱবোৰৰ চমু আভাসহে দাঙি ধৰিছে। কিন্তু লগতে এইটোও স্বীকাৰ কৰিব লাগিব যে পুথিখনত বহুতো অৰ্থপূৰ্ণ আৰু তাৎপৰ্য্যপূৰ্ণ তথ্য আছে। সেইবোৰ বিশ্লেষণ কৰিব পাৰিলে পুথিখনে অন্য মৰ্য্যাদা লাভ কৰিব। এইটোও সত্য যে যিসকল অনা-অসমীয়া লোক পুথিত সন্নিবিষ্ট কৰা অসমৰ সাংস্কৃতিক দিশটোৰ বিষয়ে জানিবলৈ আগ্ৰহী, পুথিখন পঢ়ি তেনে লোক বিশেষভাৱে উপকৃত হ'ব।

—o—

"এচেঞ্জ অন দি ফোকলোৰ এণ্ড কালচাৰ অব নৰ্থ-ইষ্টাৰ্ন ইণ্ডিয়া"

কিশোৰ ভট্টাচাৰ্য্য

প্ৰফুল্লদত্ত গোস্বামীৰ লোক-সংস্কৃতি চৰ্চাৰ এটা সামগ্ৰিক আভাস 'এচেঞ্জ অন দি ফোকলোৰ এণ্ড কালচাৰ অব নৰ্থ-ইষ্টাৰ্ন ইণ্ডিয়া' (এতিয়াৰ পৰা এচেঞ্জ কোৱা হ'ব) গ্ৰন্থত পোৱা যায়। বিষয় বৈচিত্ৰ্যত তেওঁৰ এইখন কিতাপ অনন্য। অৱশ্যে 'জাপানৰ জনকৃষ্টি আৰু অন্যান্য ৰচনা' গ্ৰন্থত এইধৰণৰ বহুমুখী বিষয়লৈ আলোচনা কৰা হৈছে। এই দুখন গ্ৰন্থ প্ৰায় সমসাময়িক, বোধকৰোঁ সেই পৰ্য্যায়ত তেওঁ অ'ত ত'ত সিঁচৰিত হৈ থকা প্ৰবন্ধবোৰ থুপ খোৱাই প্ৰকাশ কৰাৰ কথা ভাবিছিল। কিতাপ দুখন প্ৰকাশ পোৱাৰ দুই বছৰ আগতে ১৯৮১ চনত তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অৱসৰ গ্ৰহণ কৰিছিল। বিভিন্ন ধৰণৰ প্ৰবন্ধৰ সংকলন হোৱাৰ বাবেই ড০ গোস্বামীৰ লোক-সংস্কৃতিৰ বিভিন্ন দিশ সম্পৰ্কে চিন্তা, আৰু সংহত ৰূপত দিয়া তেওঁ কিছুমান গৱেষণাৰ সাৰবস্তু এই কিতাপখনত পোৱা যায়। 'এচেঞ্জ'ত লোক-সাহিত্যৰ উপৰিও, আচাৰ-অনুষ্ঠান, ভাষা আৰু সংস্কৃতিলৈ লিখা প্ৰবন্ধও অৰ্ন্তভুক্ত কৰা হৈছে। আঠাইবিলাক প্ৰবন্ধ উত্তৰ-পূৰ্ব ভাৰত আৰু নেপালৰ বিষয়ে (এটা ব্ৰহ্ম দেশৰ সাধুকথাৰ বিষয়ে) লিখা। স্বাভাৱিকভাৱে অসমৰ ওপৰত লিখা প্ৰবন্ধই তাত প্ৰাধান্য পাইছে। তেখেতে পাতনিত লিখিছিল যে বিভিন্ন সময়ত বিভিন্ন ঠাইত প্ৰকাশিত প্ৰবন্ধবোৰ এঠাইত প্ৰকাশ কৰা হ'ল— উত্তৰ-পূৰ্ব ভাৰত আৰু নেপালৰ সংস্কৃতিৰ কেইটামান কৌতূহলোদ্দীপক দিশ সম্পৰ্কে দৃষ্টি আকৰ্ষণ কৰিবলৈ।

এই অঞ্চলৰ লোক-সংস্কৃতিৰ কেইটামান বৈশিষ্ট্যৰ বিষয়ে তেওঁ আলোচনা কৰিছে। ঠায়ে ঠায়ে কিছুমান তাত্ত্বিক প্ৰস্তাৱনা, প্ৰকল্প আৰু মতবাদৰ প্ৰতি আগ্ৰহ মৃদুভাৱে হ'লেও উচ্চাৰিত হৈছে। ড০ গোস্বামীয়ে বিদ্যায়তনিক আড়ম্বৰ পৰিহাৰ কৰিছিল। 'এচেঞ্জ'ত অতি সাধাৰণভাৱে কৰা আলোচনাত কেতিয়াবা বিজুলীৰ দৰে কিছুমান বিশ্লেষণৰ সূত্ৰ তেওঁ দি থৈ গৈছে। সেইবোৰ বিস্তাৰিত কৰা নাই আৰু বিভিন্ন পণ্ডিত আৰু মতবাদৰ উল্লেখ কৰি সবল আলোচনা কণ্টকিত কৰা নাই। ড০ গোস্বামীয়ে অসমৰ লোক-সাহিত্যৰ

শ্ৰেণী বিভাগ আৰু অন্য অঞ্চলৰ লগত এই প্ৰদেশৰ লোক-সাহিত্যৰ সাদৃশ্য ব্যাখ্যাৰ মাজত জীৱনৰ অধিক সময় নিজক সীমাবদ্ধ ৰাখিলেও 'এচেজ'ৰ শিথিল গাঁথনিৰ মাজত কৰা সৰল আলোচনাত তেওঁৰ বৃহত্তৰ তাত্ত্বিক দৃষ্টিভঙ্গীৰ অনুসন্ধান সম্ভৱ। কিন্তু পাঠকে ভাবিব নালাগে যে সকলোৱোৰ বিষয়ৰ ওপৰত তাত বিস্তাৰিত আলোচনা আছে। আচলতে বিভিন্ন প্ৰসঙ্গত সেই কথবোৰ আহিছে। প্ৰফুল্লদত্ত গোস্বামীয়ে যি সময়ত লোক-সংস্কৃতি চৰ্চা কৰিছিল সেই সময়ত তেওঁ তিনিটা সমসাময়িক তাত্ত্বিক দৃষ্টিভঙ্গীৰ প্ৰভাৱত আহিছিল। এটা হ'ল লোক-সাহিত্যৰ সময়, এঠাইৰ পৰা আনঠাইলৈ প্ৰসাৰ হোৱাৰ যাত্ৰাপথ আৰু উৎপত্তি স্থল আৱিষ্কাৰৰ ঐতিহাসিক ভৌগোলিক(Historical-geographical) মতবাদ। তেওঁ প্ৰধানতঃ এই তত্ত্বৰ প্ৰভাৱত তুলনামূলক লোক-সংস্কৃতিৰ চৰ্চাৰ কৰিছিল। আনটো হ'ল নৃতত্ত্বৰ বিৱৰ্তনবাদ। ইয়াৰ উপৰি অতি সূক্ষ্মভাৱে হ'লেও ভাৰত তত্ত্ববাদী এটা সুপ্ত ধাৰা কিছুমান প্ৰবন্ধত আছে আৰু ফলত কিছুমান পৰস্পৰ বিৰোধী ধাৰণাও আমি আঙুলিয়াই দিব পাৰোঁ যেনে ঃ তেওঁ লোক-জীৱনৰ সৃজনশীলতাক স্বীকৃতি দিছিল কিন্তু সাদৃশ্য পালেই সংশয়াতীতভাৱে সৰ্বভাৰতীয় ধ্ৰুপদী পৰম্পৰাৰ লগত যোগসূত্ৰ স্থাপনৰ প্ৰৱণতা তেওঁৰ ৰচনাত আছে (২)। এই বিষয়ে আৰু পুংখনাপুংখ অনুসন্ধান নকৰি আলোচনা নকৰাই ভাল হ'ব। তথাপি এই সমালোচনাত্মক পৰিপ্ৰেক্ষিতত আমাক সুস্থ আৰু ফলপ্ৰসু আলোচনাত সহায় কৰিব পাৰে। লোক-সংস্কৃতিৰ মাজতো আদিম বা শিশু মনৰ লক্ষণ বিচাৰি পোৱাৰ মাজত আমি বিৱৰ্তনবাদী অলঙ্কাৰৰ(figures) ব্যৱহাৰ দেখা পাওঁ (৪৮)।

সমাজ, সংস্কৃতি আৰু লোক-সংস্কৃতি

লোক-সংস্কৃতি তুলনামূলক অধ্যয়ন কৰিলে কোন অঞ্চলৰ স্থানীয় লোক-সংস্কৃতিৰ লগত পৃথিৱীৰ বিভিন্ন ঠাইৰ লোক-সংস্কৃতিৰ সাদৃশ্য পোৱা যায়।তেওঁ লিখিছে যে, মানুহৰ অভিজ্ঞতাৰ সাদৃশ্য আৰু মানসিক সাযুজ্যৰ কাৰণে এনেধৰণৰ মিল চকুত পৰে (৫৫)। এই উক্তিৰ মাজত 'মানৱৰ মানসিক ঐক্য'ৰ(phsychic unity of mankind) ধাৰণাৰ অনুৰণন শুনিবলৈ পোৱা যায়। তেওঁ লোক-সাহিত্যৰ সৃজনশীলতাকো যথেষ্ট গুৰুত্ব দিছিল আৰু লিখিছিল মানুহৰ কল্পনা শক্তিৰ ওপৰত লোক-স্যাহিত্য নিৰ্ভৰশীল আৰু কল্পনাই মানুহক সৃজনশীল কৰে (৮৭)। এইখিনিতে তেওঁ কোনো তত্ত্বৰ মাজত নিজক সীমাবদ্ধ ৰখা নাই আৰু এটা সংশ্লেষণবাদী মনবো আমি পৰিচয় পাওঁ। ইয়াৰ পিছত তেওঁ লোক-সংস্কৃতিক সমাজ আৰু সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত চাবলৈ কৈছে। লগতে এইটোও কৈছিল যে লোক-সাহিত্যই সমাজ আৰু সংস্কৃতিৰ বিভিন্ন দিশ উন্মোচিত কৰে (১৬)। 'অসমৰ লোক-সংস্কৃতিত নাৰী' প্ৰবন্ধটো এই প্ৰতিজ্ঞাৰ ওপৰত প্ৰতিষ্ঠিত। সমাজ আৰু লোক-সাহিত্যৰ সম্পৰ্কৰ এটা দিশ হ'ল যে সামাজিক গাঁথনিৰ বিভিন্ন পদাধিকাৰীৰ আৰু শ্ৰেণীৰ দৃষ্টিভঙ্গীৰ প্ৰকাশ আমি লোক-সাহিত্যত সন্ধান কৰিব পাৰোঁ। দুৰ্বলৰ মৰ্মবেদনা তাত প্ৰকাশিত হয়। বিভিন্ন লিংগ আৰু শ্ৰেণীৰ বাবে পৃথক গীত-মাতৰ

শ্ৰেণী (genre) থাকিব পাৰে। ড০ গোস্বামীয়ে আইসকলৰ নাম, বিয়া নাম, বিহু গীতৰ মাজেদি নাৰীৰ হৃদয়ৰ কথা আমি বেছি জানিব পাৰোঁ বুলি লিখিছে। কিন্তু প্ৰবাদ আৰু ফকৰা-যোজনাৰ মাজেদি (নাৰীয়ে ব্যৱহাৰ কৰিলেও) আমি পুৰুষৰ কেন্দ্ৰিক কথাহে পাওঁ (১৭)। তেওঁৰ মতে সাধুকথা আৰু বেলেডতো নাৰীৰ চিত্ৰ অপৰিশীলিতভাৱে দেখুৱা হৈছে (১৯)। তেওঁ কৈছে যে আমি সাধুকথাত কিছুমান সমস্যাৰ সৃষ্টিকাৰী বুঢ়ীক দেখিবলৈ পাওঁ। ইয়াত একধৰণৰ জনবিশ্বাস নিহিত আছে যে লোকৰ কথা ক'বলৈ ভাল পোৱা আৰু উপযাচি উপদেশ দিবলৈ ভাল পোৱা মাইকী মানুহে গাঁৱলীয়া জীৱনত সমস্যাৰ সৃষ্টি কৰে (২৮)। এনেদৰে নাৰী সম্পৰ্কীয় সাংস্কৃতিক দৃষ্টিভঙ্গী (outlook) সাধুকথাত প্ৰতিফলিত হয়।

যিবোৰ সমাজ বিভিন্ন গোষ্ঠী আৰু সংস্কৃতিৰ সমন্বয়ত গঢ় লৈ উঠে তেওঁলোকৰ লৌকিক পৰম্পৰাতো বিভিন্ন প্ৰভাৱৰ সমিলমিল দেখিবলৈ পোৱা যায়। নেপালৰ কিছুমান পৌৰাণিক কাহিনীৰ মাজত এই প্ৰৱণতা তেওঁ বিচাৰি পাইছে। বিভিন্ন সাংস্কৃতিক পৰম্পৰাৰ লগত পাৰম্পৰিক ক্ৰিয়াৰ ওপৰত লোক-সংস্কৃতিৰ চৰিত্ৰ নিৰ্ভৰ কৰে। এই প্ৰসঙ্গত আমি মণিপুৰৰ লোক-সংস্কৃতিৰ বিষয় লিখা প্ৰবন্ধটোৰ কথাও উল্লেখ কৰিব পাৰোঁ। মনপা আৰু নেপালৰ সংস্কৃতিৰ বিষয়ে লিখা প্ৰবন্ধ দুটাত সমাজ সংগঠন, ইতিহাস, লোক-সঙ্গীত, সাধুকথা, প্ৰবাদ, উৎসৱ, নৃত্য, শিল্প, ধৰ্ম, সাংস্কৃতিক প্ৰতীক, নীতি আৰু বিশ্ব বীক্ষা (World view) ইত্যাদিক সামৰি লোৱা দেখা যায়। লগতে এই সামগ্ৰিক পটভূমিয়ে লোক-সংস্কৃতিৰ চৰিত্ৰৰ নিৰ্ধাৰণত লোৱা ভূমিকাৰ বিষয়ে তেওঁ উনুকিয়াই দিছিল। সমাজ আৰু সংস্কৃতিৰ পৰিবৰ্তনৰ ফলত লোক-সংস্কৃতিৰ অৱক্ষয় আৰম্ভ হ'ব পাৰে। তেওঁ নেপালৰ বিষয়ে লেখিছিল অৰ্থনীতি গ্ৰামীণ হৈ থকাৰ বাবে তাত গীত-নৃত্যবোৰৰ জনপ্ৰিয়তা অটুট (৮৪)। অসমৰ লোকগীতৰ বিষয়ে আলোচনা কৰিবলৈ গৈ কৈছে যে অৰ্থনৈতিক পৰিবৰ্তন আৰু পৰিবৰ্তিত মূল্যবোধৰ প্ৰভাৱত লোকগীত আৰু বাদ্যযন্ত্ৰৰ প্ৰতি আমাৰ অন্তৰৰ টান কমি আহিছে (১৫)।

অসমৰ লোক-সংস্কৃতিত ভাৰতৰ অইন ঠাইৰ দৰে শিষ্ট-সংস্কৃতিৰ উপাদান সমন্বিত হৈছে। বিশেষকৈ ধৰ্মীয় অনুষ্ঠানত পৰিবেশিত নৃত্য, গীত আৰু নাট্যাভিনয়ত। ওজাপালিত মহাভাৰতৰ আখ্যান ব্যৱহাৰ কৰা হয় (১১-১২)। তেওঁ কৈছে যে ভাৰতীয় লোক-সংস্কৃতি যিমানখিনি হিন্দু মানুহৰ সিমানেই জনজাতীয় লোকৰ। দুটা ধাৰাৰ মাজত পাৰ্থক্য থাকিলেও ভালেখিনি বস্তু উমৈহতীয়া। উত্তৰ-পূব ভাৰতৰ সমলৰ মাজতো এই উমৈহতীয়া পৰম্পৰা পোৱা যায় (১)। গতিকে লোক-সংস্কৃতিও সংস্কৃতিৰ বৃহত্তৰ ঐতিহাসিক উত্থান-পতন, সমন্বয়, সংযোগ আৰু সমাজ পৰিবৰ্তন নিৰপেক্ষ নহয়।

লোক-সংস্কৃতি চৰ্চাৰ পদ্ধতি আৰু কেইটামান প্ৰকল্পৰ বিষয়ে

প্ৰফুল্লদত্ত গোস্বামী বাইকে লোক-সংস্কৃতিৰ তুলনামূলক অধ্যয়নত ব্যাপৃত আছিল।

তেওঁ সাধুকথাৰ সময়, উৎস স্থান আৰু প্ৰসাৰৰ বিষয়ে উৎসাহী আছিল। সেয়ে উত্তৰ-পূৱ ভাৰতত প্ৰচলিত সাধুকথাৰ প্ৰচীন ৰূপ জাতক আৰু পঞ্চতন্ত্ৰৰ সাধুকথাত বিচাৰি পাইছে (২৯,৪৮)। এই বিষয়ে বিস্তৃত বিশ্লেষণ Ballads and Tales of Assam গ্ৰন্থত পোৱা যাব। লোক-সাহিত্যৰ তুলনামূলক অধ্যয়নৰ লগত তেওঁ মাজে মাজে কিছুমান সমাজতাত্ত্বিক আৰু সাংস্কৃতিক বিশ্লেষণৰ ইঙ্গিত দি গৈছে। সেইবোৰ তেওঁ বিশদভাৱে যুক্তিতৰ্কৰ মাজেদি প্ৰতিষ্ঠা কৰিবলৈ যোৱা নাই। টেটোন সাধুকথা (Trickster tales) সম্পৰ্কে এনেধৰণৰ মন্তব্য কৰিছে। তেওঁ কৈছে এই জাতীয় সাধুকথা মঙ্গোলীয় সংস্কৃতিৰ বিশেষত্ব। এই ধৰণৰ সাধুকথাত চতুৰতাৰ মাজেদি সমাজৰ উচ্চশ্ৰেণীৰ মানুহক জব্দ কৰা হয় (৪৯)। মাজে মাজে এই ধৰণৰ চতুৰ মানুহৰ চৰিত্ৰবোৰ মাউৰা, দুৰ্বল আৰু অসহায় কিন্তু তেওঁলোকৰ প্ৰচেষ্টা শেষত সাফল্যমণ্ডিত হয়। এই ধৰণৰ সমাজতাত্ত্বিক বিশ্লেষণ ড০ গোস্বামীৰ গৱেষণাৰ প্ৰধান বিষয় নাছিল। সমাজৰ বিভিন্ন শ্ৰেণী মানুহৰ লগত বিশেষ বিশেষ গীত-মাতৰ সম্পৰ্কৰ কথা আমি ইতিমধ্যে উল্লেখ কৰিছোঁ। ইয়াৰ উপৰিও পৌৰাণিক কাহিনী, কিংবদন্তী, নৃত্য-গীত আৰু নাট্যকলাৰ মাজত বিষয়বস্তুৰ সানমিহলি হোৱাৰ কথাও তেখেতে কৈছে (১৩,৫২)। ইয়াত এটা কথা নিহিত হৈ আছে লোক-সাহিত্য আৰু পৰিৱেশ্য কলাৰ বিষয় একেই হ'ব পাৰে। ইয়াৰ আৰু বিশেষত্ব আমি আৰু গভীৰভাৱে অনুসন্ধান কৰিব লাগে। তেনেদৰে অসমীয়া আৰু জনজাতীয় প্ৰবাদৰ ওপৰত ধ্ৰুপদী সাহিত্যৰ প্ৰভাৱৰ কথাও তেওঁ উল্লেখ কৰিছে (৯৪)।

এই ধৰণৰ চিন্তা উদ্দীপক মন্তব্যৰ লগত 'এচেজ'ত কিছুমান বিৱৰ্তনবাদী পদ্ধতিৰ প্ৰয়োগ চকুত পৰে। পৃথিৱীৰ বিভিন্ন অঞ্চলৰ আৰু সাংস্কৃতিক স্তৰৰ তুলনাৰ মাজেদি প্ৰাচীন সাংস্কৃতিক স্তৰৰ চিহ্ন আবিষ্কাৰ কৰিবলৈ যত্ন কৰিছে (১২৬)। যেনে : দৰা আগছাৰ ৰীতিৰ মাজত marriage by capture ৰ প্ৰভাৱ দেখা পাইছে। তেওঁ প্ৰাচীন ইন্দ্ৰজালৰ (magic) মাজেদি আচাৰ-অনুষ্ঠান ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল। বৰঘুণ মাতি অনাৰ আচাৰৰ এইধৰণৰ বিশ্লেষণ আমাৰ চকুত পৰে (১০০-১০৪)। সমসাময়িক নৃতাত্ত্বিক অগ্ৰগতিৰ পৰিপ্ৰেক্ষিতত যাদুবিদ্যা, সাংস্কৃতিক স্তৰৰ ফ্ৰেজাৰ আদি পণ্ডিতে কৰা অতি সৰলীকৃত বিশ্লেষণৰ প্ৰয়োগে অপেক্ষাকৃতভাৱে এটা বিশেষ ৰীতি বুজিবলৈ আমাক সহায় নকৰে। তথাপি অসমৰ পৰিপ্ৰেক্ষিতত সেইবোৰেও এটা নতুনত্বৰ ইঙ্গিত বহন কৰিছিল। এই বিৱৰ্তনবাদী মনোভাৱৰ লগত ভাৰত তত্ত্বৰ কথন ৰীতি (discorse) ৰ প্ৰভাৱ আমৰ চকুত পৰে। যেনে : ভথেলী উৎসৱৰ আলোচনা কৰিবলৈ গৈ জনজাতীয় পৰম্পৰাতকৈ শাস্ত্ৰীয় পৰম্পৰাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল (৬)। সংশয়াতীতভাৱে বৰো-কছাৰী গীত-মাতৰ লগত শিল্পৰ সম্পৰ্কৰ স্বীকাৰ কৰি লৈছিল (১১)। এনেকুৱাওতো হ'ব পাৰে যাৰ্যৌৰ লগত শিল্পৰ সাংস্কৃতিক, একাধীকৰণ উপকৰণ, আদি এই সমন্বয়ৰ পিচটোত লাগি থাকিলে বাস্তৱ ধৰ্মৰ স্বৰূপ বুজিবলৈ অসুবিধা হ'ব।

তথাপি উত্তৰ-পূব ভাৰত আৰু নেপালত বিভিন্ন ধৰ্মীয় পৰম্পৰা আৰু লৌকিক ঐতিহ্যৰ পাৰস্পৰিক ক্ৰিয়াৰ মূল্যবান আলোচনা আমি 'এচেজ'ৰ বিভিন্ন প্ৰবন্ধত পাওঁ। লগতে পাওঁ সমাজ আৰু সংস্কৃতিৰ বিষয়ে বুজিবলৈ হ'লে লোক-সংস্কৃতিৰ ভৰালৰ উপযোগিতা যে অপৰিসীম সেই সম্পৰ্কীয় মতামত। অসমীয়া বিয়াৰ প্ৰথা বুজিবলৈ লোক-পৰম্পৰাই কেনেকৈ আমাক সহায় কৰিব পাৰে উদাহৰণৰ মাজেদি তেওঁ আমাক বুজাই দিয়ে।

অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ লোক-সংস্কৃতি

'এচেজ'ত উত্তৰ-পূব ভাৰত আৰু অসমৰ বিভিন্ন সাংস্কৃতিক স্তৰৰ কথা কোৱা হৈছে। তেওঁ জৰ্জ লৰেঞ্চ গোম আদি নৃতত্ত্বপন্থী লোক-সংস্কৃতিবিদ্‌ৰ দৰে সাংস্কৃতিক ইতিহাসৰ প্ৰতি দৃষ্টিপাত কৰিছিল। অসমৰ সাংস্কৃতিক জীৱন যে মঙ্গোলীয় জনজাতীয় স্তৰৰ ওপৰত প্ৰতিষ্ঠিত এই বক্তব্য নামঘৰৰ বিষয় লিখা প্ৰবন্ধত প্ৰকাশিত হৈছে (১৩৭-৩৮)। ইয়াৰ পিছত অসমীয়া বিয়াৰ ওপৰত লিখা প্ৰবন্ধটোত খোৱা-খুৱীৰ আচাৰ শাক্ত আৰু বৈষ্ণৱ স্তৰৰ নহয়, শৈৱ যুগৰহে বুলি উল্লেখ কৰিছে (১২৪)। আকৌ চৰ্য্যাপদৰ সংস্কৃতিৰ এটা প্ৰলেপ অসমত পৰিছিল সেই ঘটনাৰ চিন অসমীয়া প্ৰবাদত তেওঁ দেখুৱাইছে (১২৪)। কিন্তু তেওঁ এই বিষয়ৰ ওপৰত বিস্তৃত গৱেষণা কৰা নাই, যেনেদৰে গভীৰ অধ্যয়ন তেওঁ লোক-সাহিত্যৰ বিষয়ে কৰিছে। এই বিষয়ে বিৰিঞ্চিকুমাৰ বৰুৱা, বাণীকান্ত কাকতি আৰু মহেশ্বৰ নেওগ প্ৰভৃতিয়ে অপেক্ষাকৃতভাৱে অধিক আলোচনা কৰিছে।

লোক-সাহিত্যৰ আলোচনাত তেওঁ উত্তৰ-পূব ভাৰতৰ বিভিন্ন জনগোষ্ঠীৰ মাজত নৈকট্য অধিক বিতংভাৱে আলোচনা কৰিছে। অকল এই সাদৃশ্য অসমীয়া সাধুকথাৰ লগত নহয়, বিভিন্ন জনজাতীয় লোক-সাহিত্যৰ ভিতৰতো আছে। যেনে : বৰো-কছাৰী 'বাওনা আৰু বাওচি' আৰু মিচিং সাধু 'বিজুলী আৰু ঢেৰেকনি'ৰ সাদৃশ্য (৪১)। আৰু এটা সততে চকুত পৰা সাদৃশ্য পোৱা যায় টেটোন জাতীয় সাধুৰ ক্ষেত্ৰত। ইয়াৰ উপৰি তেওঁ বিভিন্ন জনজাতীয় আৰু অসমীয়া সাধুকথাৰ উপাদানৰ সাদৃশ্যৰ কথা কৈছে। আমি বিভিন্ন জনগোষ্ঠীৰ মাজত পোৱা মোটিফৰ এটা তুলনামূলক চিত্ৰ নিম্নলিখিত সাৰণীত দাঙি ধৰিছোঁ :

সাৰণী

মোটিফ	কছাৰি	মিচিং	নাগা	কাৰবি	অসমীয়া
১. সাপৰ লগত ছোৱালীৰ বিয়া			+		+
২. এটা জন্তুৱে অন্য জন্তুক ফাকি দিয়া	+	+	+		+
৩. মানুহ, বস্তু প্ৰাণীৰ ৰূপান্তৰ	+		+		+
৪. ভায়েক-ভনীয়েকৰ প্ৰতি আকৃষ্ট হয়	+	+			

উপৰত দিয়া সাৰণী চালে এই অঞ্চলৰ সাধুকথাৰ মাজত কিছুমান সাদৃশ্য চকুত পৰে। এই বিষয়ে তেওঁ দুটি প্ৰবন্ধবোৰত ইঙ্গিত দিছে। অসম আৰু উত্তৰ-পূব ভাৰতৰ জন-সাহিত্যৰ লগত সৰ্বভাৰতীয় পৰম্পৰাৰ পাৰস্পৰিক আদান-প্ৰদানো তেওঁৰ এটা প্ৰিয় বিষয়।

পুৰণি অসমৰ লিখিত সাহিত্যত যে লোক-পৰম্পৰাৰ প্ৰভাৱ পৰিছিল ৰাম সৰস্বতীৰ 'ভীম-চৰিত'ৰ আলোচনাৰ মাজেদি তেওঁ এই প্ৰসঙ্গটো আনিছে (১৫০-১৬৪)। তেওঁ কৈছে যে 'ভীম-চৰিত'ত মহাকাব্যিক উপাদানৰ লৌকিক পৰিৱেশন আমাৰ চকুত পৰে। এই ৰচনাখন আমি লিখিত ৰচনাত লৌকিক উপাদানৰ নিৰ্দশন বুলি ক'ব পাৰোঁ আমাৰ লিখিত পৰম্পৰা পুৰণি যুগত লৌকিক ঐতিহ্যৰপৰা বৰ দূৰত নাছিল। ইয়াৰ উপৰি বৈষ্ণৱ যুগৰ পৰিৱেশত ইয়াৰ নাটকীয় সম্ভাৱনা সঙ্কুচিত হৈছে বুলিও তেওঁ কৈছে। এই বিষয়টো তেওঁৰ সংস্কৃতি সম্পৰ্কীয় এটা বৃহত্তৰ প্ৰকল্পৰ লগত জড়িত। আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে সংস্কৃতিৰ বিভিন্ন পৰম্পৰাৰ মাজত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ভেটিত সংস্কৃতিৰ চৰিত্ৰ নিৰ্ধাৰিত হয় বুলি ড০ গোস্বামীয়ে কৈছে।

'এচেজ'ত ভাৰতীয় সংস্কৃতিত অসমৰ অৱদানৰ বিষয়েও এটা প্ৰবন্ধ সংকলিত হৈছে। অসম উত্তৰ-পূব ভাৰতীয় সভ্যতাৰ সীমামূৰীয়া অঞ্চল। তেওঁৰ মতে অসমৰ প্ৰধান অৱদান হ'ল এই অঞ্চলত হিন্দু সভ্যতাৰ বিস্তাৰ। অসমৰ সমাজত ৰীতি-নীতি কিছু পৰিমাণে শিথিল। এই উদাৰনৈতিক মনোভাৱৰ ফলত হিন্দু ধৰ্মই বৌদ্ধ ধৰ্মৰ প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ সহায়ক হৈছিল (১৬৯)। অন্নও হ'ল অসমৰ আন এটি স্মৰণীয় অৱদান। ইয়াৰ নৱ-বৈষ্ণৱবাদৰ সামাজিক দৰ্শন ভক্তিমূলক গীত, নৃত্য, নাট্য সাংস্কৃতিক উন্নতিৰ এটা বিশিষ্ট উদাহৰণ। অসমৰ বুৰঞ্জী সাহিত্য এক অতুলনীয় পৰম্পৰা। ভাৰতৰ ধৰ্ম নিৰপেক্ষ উৎসৱ বুলি আমি বিহুক আঙুলিয়াই দিব পাৰোঁ। এই বিহুগীতক ভাৰতৰ আগৰৰোৱা চহকী লোক-কবিতাৰ পৰম্পৰা বুলিও কোৱা হৈছে।

'এচেজ'ত ড০ গোস্বামীৰ লোক-সংস্কৃতি চৰ্চাৰ সামগ্ৰিক পৰিসৰ আমাৰ চকুত পৰে। Ballads and Tales দৰে এটা বিষয়ৰ ওপৰত আলোচনা ইয়াত নাই। কিন্তু সামগ্ৰিকভাৱে লোক-সংস্কৃতিবিদ্ প্ৰফুল্লদত্ত গোস্বামীক আমি এই প্ৰবন্ধজানিত পাওঁ। বিশেষকৈ সামাজিক

আৰু সাংস্কৃতিক পৰিমণ্ডলত লোক-সংস্কৃতিক চাবঁলে তেওঁ যি প্ৰয়াস কৰিছে সেই বাটত আমি ভৱিষ্যতে অগ্ৰসৰ হ'বলৈ চেষ্টা কৰিব পাৰোঁ। উত্তৰ-পূৰ্ব ভাৰত আৰু অসমৰ লোক-সংস্কৃতিৰ উমৈহতীয়া উত্তৰাধিকাৰৰ কথা আলোচনা কৰাৰ উপৰিও তেওঁ সাংস্কৃতিক যোগাযোগৰ কথাও কৈছে। লগতে ভাৰতীয় পৰম্পৰাৰ বহুও কেনেকৈ উত্তৰ-পূৰ্ব ভাৰতৰ লোক-সংস্কৃতিত সোমাই আছে তাকো দেখুৱাইছে। এই কিতাপখনৰ সামগ্ৰিক দৃষ্টিভঙ্গী আৰু বিভিন্ন বিষয়ৰ বিশ্লেষণে চিন্তাৰ উদ্ৰেক কৰে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ লোক-সংস্কৃতি চৰ্চাত পৰৱৰ্তীকালত অনুসৰণ কৰিবলগীয়া কিছুমান কাৰ্যপন্থা এই কিতাপখনত আছে।

—০—

“বেলেড্‌চ এণ্ড টেইলচ অব আছাম”

দিলীপকুমাৰ কলিতা

ড০ প্ৰফুল্লদত্ত গোস্বামী সঁচা অৰ্থত এগৰাকী আন্তৰ্জাতিক লোক-সংস্কৃতিবিদ্‌ আছিল। তেখেতে অৱশ্যে ইংৰাজী “ফ’কল’ৰ”(folklore) শব্দটোৰ অসমীয়া প্ৰতিশব্দ হিচাবে “লোক-সংস্কৃতি”তকৈ “জনকৃষ্টি” শব্দটোহে বেছি ভাল পাইছিল। তেখেতৰ এই জনকৃষ্টিৰ অধ্যয়ন কিমান আধুনিক আৰু বিজ্ঞানসম্মত আছিল সেই কথা ক’বলৈ গ’লে বিশ্বত লোক-সংস্কৃতিৰ প্ৰণালীবদ্ধ অধ্যয়নৰ বিষয়ে দুআষাৰ নক’লে নহ’ব।

লোক-সংস্কৃতিৰ সমল সংগ্ৰহ, সংকলন, সম্পাদনা আৰু প্ৰকাশৰ কাম অতীজৰেপৰাই হৈ আহিছে। ইংৰাজী ভাষাত এই সমলসমূহক এটা সময়ত “পপুলাৰ এণ্টিকুইটিজ” (popular antiquities) বুলি কোৱা হৈছিল। কিন্তু ১৮৪৬ চনত উইলিয়াম জন্‌ থমচ্‌ নামৰ লোক-সংস্কৃতিবিদ্‌জনে উদ্ভাৱন কৰা “ফ’ক্‌ল’ৰ”(folklore) শব্দটোৱেই লাহে লাহে সৰ্বজনগ্ৰাহ্য হৈ পৰিল। তেতিয়াৰপৰা লোক-সংস্কৃতিৰ সমল আৰু লোক-সংস্কৃতি বিজ্ঞান “ফ’কল’ৰ”(folklore) আৰু লোক-সংস্কৃতি বিজ্ঞানৰ তত্ত্ব “ফ’কল’ৰিষ্টিকচ্‌” (folkloristics) হিচাবে জনাজাত হৈ আহিছে।

এণ্টি আৰ্ণেই(Antti Aarne) এই শতিকাৰ প্ৰথম দশকত সাধুকথাৰ শ্ৰেণীসূচী(type index) প্ৰস্তুত কৰি প্ৰথমবাৰৰ বাবে লোক-সংস্কৃতিৰ সমলৰ একক(unit) নিৰূপণৰ চেষ্টা কৰে। যিকোনো বিষয়ৰ অধ্যয়নৰ বাবে বিষয়টোৰ একক বা যিবোৰ উপাদানেৰে বিষয়টো গঠিত সেইবোৰ বিভাজন কৰিব পৰা ক্ষুদ্ৰতম অংশটোৰ স্বৰূপ জনাটো নিতান্তই আৱশ্যক। এণ্টি আৰ্ণেই সাধুকথাবোৰক type বা শ্ৰেণীত বিভক্ত কৰাৰ এই পদ্ধতি প্ৰকাশ কৰে ১৯১০ চনত। তাৰ পাছত ষ্টিথ থমচনে এইtype সমূহতকৈও ক্ষুদ্ৰ অংশ “মটিফ”(motif) লোক-সংস্কৃতিৰ, বিশেষকৈ লোক-সাহিত্যৰ একক ৰূপে চিহ্নিত কৰে তেওঁৰ “মটিফ ইণ্ডেক্স অব ফ’কলিটাৰেচাৰ”(*Motif Index of Folk Literature*) নামৰ ছটা খণ্ডৰ বিশাল গ্ৰন্থত। এই গ্ৰন্থৰ প্ৰথম প্ৰকাশ ১৯৩২ চনৰপৰা ১৯৩৬ চনৰ কালছোৱাত এখন এখনকৈ হৈ উঠিছিল। ১৯৩২ চনৰপৰা ১৯৩৬ চনৰ ভিতৰত আমেৰিকাত প্ৰকাশ হৈ ওলোৱা গ্ৰন্থখনত থমচনে আগবঢ়োৱা লোক-সাহিত্য অধ্যয়নৰ পদ্ধতি ১৯৫৩

চনৰ জুলাই মাহত গুৱাহাটী বিশ্ববিদ্যালয়ত দাখিল কৰা গৱেষণা গ্ৰন্থত ড০ গোস্বামীয়ে সফলভাৱে প্ৰয়োগ কৰাটো আজি ১৯৯৬ চনত বিশেষ কৃতিত্ব যেন নেলাগিব পাৰে, কিন্তু ১৯৩৯ চনৰপৰা আৰম্ভ হোৱা দ্বিতীয় মহাসমৰ আৰু ১৯৪৭ চনলৈ চলা ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত চাবলৈ গ'লে সেই কালছোৱাত মটিফ সূচীৰ (motif index) দৰে কাৰিকৰী বিষয় এটাৰ কোনোধৰণৰ প্ৰণালীবদ্ধ শিক্ষাৰ সুবিধা অসমত নথকা অৱস্থাত সম্পূৰ্ণ নিজৰ প্ৰচেষ্টাৰে আয়ত্ত কৰি তাক সফলভাৱে প্ৰয়োগ কৰাটো কম কথা নহয়। তাৰোপৰি ১৯৫৩ চনত ডক্টৰেট ডিগ্ৰীৰ বাবে দাখিল কৰা গৱেষণা গ্ৰন্থখনৰ প্ৰস্তুতি ড০ বিৰিঞ্চিকুমাৰ বৰুৱাৰ তত্ত্বাৱধানত তাৰ কেইবাবছৰো আগতে আৰম্ভ হৈছিল।

সেই কালত মটিফ সূচী(Motif Index) লোক-সংস্কৃতি অধ্যয়নৰ একেবাৰে শেহতীয়া ধাৰাৰ অংশ। তেতিয়ালৈকে ভ্লাডিমিৰ প্ৰপৰ(Vladimir Propp) ১৯২৮ চনত প্ৰকাশিত মূল ৰুছ ভাষাৰ "মৰ্ফলজীয়া স্কাজ্‌কি"ৰ*(Morfologiya Skazki)* ইংৰাজী "মৰ্ফলজী অব দি ফ'কটেইল" *(Morphology of ther Folktale)* প্ৰকাশেই হোৱা নাছিল। ১৯৫৮ চনত প্ৰকাশ হোৱা এই অনূদিত গ্ৰন্থখনে লোক-সংস্কৃতি বিজ্ঞানৰ গতিত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। এই অনুবাদ প্ৰকাশৰ লগে লগে লোক-সংস্কৃতি বিজ্ঞানত বিশ্লেষণৰ বাবে (Function) "ফাংচন" নামৰ এককটো ব্যৱহাৰ কৰিবলৈ লোৱা গ'ল। প্ৰপে সকলো সাধুকথাকে, বিশেষকৈ ৰুছদেশীয় পৰীকথা (fairy tale), মাত্ৰ একত্ৰিশটা "ফাংচন" নামৰ এককত বিভক্ত কৰিব পাৰি বুলি প্ৰতিপন্ন কৰিছিল। তাৰ আগলৈকে মটিফ সূচী (motif index) কোনোপধ্যেই অত্যাধুনিক আৰু আটাইতকৈ বৈজ্ঞানিক লোক-সংস্কৃতি অধ্যয়নৰ আহিলা নহয় বুলি ক'ব নোৱাৰি। গতিকে ড০ প্ৰফুল্লদত্ত গোস্বামীৰ "বেলেড্‌চ এণ্ড টেইল্‌চ অব আছাম" *(Ballads and Tales of Assam)* নামৰ গ্ৰন্থখন কেৱল সেইকালৰ এখন অত্যাধুনিক আৰু বৈজ্ঞানিক লোক-সংস্কৃতিৰ গ্ৰন্থই নহয় বৰং আজি পৰ্যন্ত অসমৰ লোক-সংস্কৃতি জগতত এখন অনন্য গ্ৰন্থ। সেই কালততো বাদেই, আজিও ভাৰতৰ বহু ভাষাতে তেনে গ্ৰন্থ নাই।

তেখেতৰ "বেলেড্‌চ এণ্ড টেইল্‌চ অব আছাম" *(Ballads and Tales of Assam)* গ্ৰন্থখন তেখেতৰ গৱেষণা গ্ৰন্থ(thesis) *A Study of the Folk Literature of Assam : The Ballads and the Marchen* অৰেই আন এটা নাম। অৱশ্যে গৱেষণা গ্ৰন্থখনি পুথি আকাৰে গুৱাহাটী বিশ্ববিদ্যালয় পুথি প্ৰকাশন বিভাগৰপৰা ১৯৬০ চনত ছপা হৈ ওলোৱাৰ আগতে ষ্টিথ থমচনৰ "মটিফ ইণ্ডেক্স অব ফ'ক লিটাৰেচাৰ"খনো*(Motif Index of Folk Literature)* পুনৰ সংশোধিত হৈ ১৯৫৫-৫৮ চনৰ ভিতৰত ওলাই গৈছিল। গতিকে পুথি আকাৰে প্ৰকাশ কৰাৰ আগেয়ে ড০ গোস্বামীয়ে থমচনৰ নতুন সংযোজনবোৰৰ ওপৰত চকু ফুৰাই নিজৰ গৱেষণা গ্ৰন্থৰ কিছু পৰিবৰ্তন কৰিছিল। সেই কালৰপৰা "বেলেড্‌চ এণ্ড টেইল্‌চ অব আছাম" *Ballads and Tales of Assam*

এহাতে আমেৰিকাৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ত চলি থকা লোক-সংস্কৃতিৰ গৱেষণাৰ সৈতে খোজত খোজ মিলাই কৰা এক গৱেষণাৰ পৰিচায়ক আৰু আনহাতে গুৱাহাটী বিশ্ববিদ্যালয়ত দাখিল কৰা প্ৰথমখন গৱেষণা গ্ৰন্থ। গতিকে এই গ্ৰন্থখন সমসাময়িক আধুনিক লোক-সংস্কৃতি বিজ্ঞানৰ এক উৎকৃষ্ট নিদৰ্শনেই নহয় বৰং সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে স্থানীয়ভাৱে বৈজ্ঞানিক পদ্ধতিৰে গৱেষণা গ্ৰন্থ প্ৰণয়ন কৰাত বাটকটীয়া।

মটিফ ইণ্ডেক্সৰ(Motif Index) জনক ষ্টিথ থমচনো ড০ প্ৰফুল্লদত্ত গোস্বামীৰ গৱেষণা গ্ৰন্থৰ এজন পৰীক্ষক আছিল। যি সময়ত ড০ গোস্বামীৰ গৱেষণা গ্ৰন্থ তেখেতৰ ওচৰ পাইছিল তেতিয়া ইণ্ডিয়ানা বিশ্ববিদ্যালয়ত লোক-সংস্কৃতিৰ ওপৰত প্ৰথমজন গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছিল। থমচনৰ উপৰিও এই গৱেষণা গ্ৰন্থৰ আন গৰাকী পৰীক্ষক আছিল ভেৰিয়াৰ এলউইন। এলউইনে এই গ্ৰন্থখনৰ বিষয়ে লিখিছিল, "it reveals considerable reading in the general and international literature of this subject. It shows exceptional powers of organisation of comparative material in a clear and readable manner."

এইখিনিতে উল্লেখ নকৰিলে নহ'ব যে মটিফ ইণ্ডেক্স(motif index) হৈছে লোক-সংস্কৃতিৰ সমলৰ শ্ৰেণী বিভাজনৰ আহিলাহে মাত্ৰ। ই এক স্বয়ং সম্পূৰ্ণ অধ্যয়ন নহয়। অধ্যয়নৰ সুবিধাৰ বাবে কৰি লোৱা এই আহিলাৰ ওপৰত বিচাৰ্ড ডৰ্চনৰ মন্তব্য প্ৰণিধানযোগ্য। তেখেতে কৈছিল:

.... the folklorist in order to indentify and classify his materials must cultivate the use of indexes, the ingeneous classificatory systems such as Stith Thompson's giant *Motif Index of Folk Literatutre*, the Aarne-Thompson type index of Folk Tales....

ড০ গোস্বামীয়ে অসমৰ সাধুকথা আৰু মালিতাৰ মটিফ সূচী(motif index) কৰি সমলখিনি চিহ্নিত কৰা আৰু বিভাজন কৰাৰ সূচল কৰি দিয়েই ক্ষান্ত থকা নাছিল। আলোচিত গ্ৰন্থত মুঠ কলেৱৰৰ এক তৃতীয়াংশত অসমৰ সাধুকথা আৰু মালিতাৰ চমু motif index সন্নিবিষ্ট কৰি বাকী দুই তৃতীয়াংশৰো অধিক ঠাইত আগবঢ়াইছে লোক-সংস্কৃতিৰ ওপৰত সাধাৰণ আলোকপাত আৰু মালিতা আৰু সাধুকথাৰ তাত্ত্বিক আলোচনা।

অসমৰ মালিতাৰ বিষয়ে আলোচনা কৰিবলৈ গৈ তেখেতে প্ৰথমে সুচিন্তিত সূত্ৰৰে মালিতাৰ স্বৰূপ নিৰ্ণয় কৰি লৈ চাৰিটা ভাগত ভগাই মালিতাসমূহৰ আধাৰত আলোচনা দাঙি ধৰিছে। মালিতাসমূহক তেখেতে বুৰঞ্জীমূলক, ঐন্দ্ৰজালিক, যান্ত্ৰিক আৰু ব্যঙ্গ এই চাৰি ভাগত ভগাইছে। এই মালিতাসমূহৰ গায়কৰ বিষয়েও তেখেতে প্ৰচুৰ তথ্য উপস্থাপন কৰিছে।

অসমৰ মালিতাসমূহৰ লগত আন আন ঠাইৰ মালিতাৰ সাদৃশ্যও তেখেতে স্পষ্টভাৱে আঙুলিয়াই দিছে। অসমৰ মালিতাৰ সাদৃশ্য যে ভাৰতৰ আন ঠাইতেই নহয় বৰং ইউৰোপত

বা ক্ৰাঞ্চৰ মালিতাৰ লগতো আছে সেই কথা ড০ গোস্বামীয়ে তথ্য সহকাৰে উল্লেখ কৰিছে। মালিতাসমূহৰ ৰচনাশৈলীৰ সম্পৰ্কে তেখেতে অধ্যয়ন পুষ্ট আৰু তত্ত্বগধুৰ আলোচনা আগবঢ়াইছে। লোকগীতৰ দ্ৰষ্টাই লিখিব পঢ়িব নজনাকৈও কেনেকৈ ইমান দীঘল মালিতা কেৱল ৰচনা কৰাই নহয় বৰং মনতো ৰাখে সেই কথা সুন্দৰভাৱে দাঙি ধৰিছে তেখেতৰ মালিতাৰ ওপৰত গুৰুত্বপূৰ্ণ আলোচনা অংশত।

অসমৰ সাধুকথাৰ ওপৰত কৰা আলোচনাত তেখেতে ষ্টিথ থমচনে আগবঢ়োৱা শ্ৰেণী বিভাজন আগত ৰাখি সাধুকথাবোৰক জীৱ-জন্তুৰ সাধু, অলৌকিক সাধু, ধেমেলীয়া সাধু, ঠগ বা প্ৰৱঞ্চকৰ সাধু আৰু লেঠৈৰী নিছিগা সাধু, এই পাঁচ ভাগত ভগাইছে। এই সাধুবোৰৰ উৎস আৰু আন ঠাইৰ সাধুৰ লগত এইবোৰৰ সাদৃশ্যও তেখেতে বিতংভাৱে আলোচনা কৰিছে। এই আলোচনাত মধ্যভাৰতৰ জনজাতিসমূহৰ সাধুৰ লগত আৰু অসমৰ জনজাতিসমূহৰ ইটোৰ লগত সিটোৰ সাধুকথাবোৰৰ সাদৃশ্য তথ্যসহকাৰে আগবঢ়াইছে। তেখেতে আৰ্ণে-থমচন প্ৰণীত The Types of the Folktale গ্ৰন্থৰ আলমত আন্তৰ্জাতিকভাৱে স্বীকৃত তথা গৃহীত শ্ৰেণীতো অসমৰ সাধুকথাবোৰৰ বিভাজন দেখুৱাইছে।

অসমীয়া মালিতা আৰু সাধুকথাৰ চমু motif index খণ্ডত ষ্টিথ থমচনে প্ৰণয়ন কৰা মুঠ তেইশবিধ "মটিফ"ৰ দহবিধৰহেindex বা সূচী প্ৰস্তুত কৰিছে। কেৱল দহবিধ "মটিফ"ৰ সূচী প্ৰণয়ন কৰাৰ যুক্তিযুক্ততা সম্পৰ্কে তেখেতে লিখিছে :

" .for to include all would swell the chapter into a fair sized book. Further, when the tales with their various versions have not been recorded comprehensively, any attempt to make a definitive index would end in much ado about nothing."

"Scholarship lies in being able to cut down inessentials" বুলি ড০ বাণীকান্ত কাকতিয়ে কৰা উক্তিক সাৰোগত কৰা এইগৰাকী ব্যক্তিৰBallads and Tales of Assam গ্ৰন্থখনিয়ে অসমত লোক-সংস্কৃতিৰ অধ্যয়নক বিদ্যায়তনিকভাৱে সমকালীন বিশ্বৰ লোক-সংস্কৃতি চৰ্চাৰ মানদণ্ডৰ সমপৰ্য্যায়লৈ উন্নীত কৰি থৈ গ'ল।

—●—

"অসমীয়া জন-সাহিত্য"

দুৰ্গেশ্বৰ শৰ্মা

অসমত যিসকল ব্যক্তিয়ে বৈজ্ঞানিক পদ্ধতিৰে লোক-সংস্কৃতিৰ চৰ্চা কৰিছে, তেওঁলোকৰ ভিতৰত ড০ প্ৰফুল্লদত্ত গোস্বামী অন্যতম। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি বিভাগ সংগঠিত কৰিছিল আৰু সেই বিভাগৰ তেওঁ প্ৰথমে বিভাগীয় প্ৰধানৰ আসন অলংকৃত কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ত জনকৃষ্টি সম্পৰ্কীয় গৱেষণা গ্ৰন্থ দাখিল কৰি ১৯৫৫ চনত তেওঁ লাভ কৰিছিল ডি.ফিল উপাধি। ১৯৬৬ চনত তেওঁ মাৰ্কিন যুক্তৰাজ্যৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ত জনকৃষ্টি বিষয়ত অধ্যাপক হিচাপে কাম কৰাৰ গৌৰৱ অৰ্জন কৰিছিল। তেওঁৰ এই নিযুক্তিয়ে কঢ়িয়াই আনিছিল অসমৰ লগতে ভাৰতীয় পণ্ডিতৰ সন্মান আৰু গৌৰৱ।

গোস্বামীদেৱৰ 'অসমীয়া জন-সাহিত্য' উনত্ৰিছখনি ৰচনাৰ সমষ্টি। 'জনকৃষ্টি আৰু তাৰ অধ্যয়ন'ত কৃষ্টি আৰু সংস্কৃতিৰ ব্যাখ্যা বিভিন্ন দিশৰপৰা উত্থাপন কৰা হৈছে। গোস্বামীয়ে 'কালচাৰ'ৰ প্ৰতিশব্দ হিচাপে কৃষ্টি শব্দটো গ্ৰহণ কৰিছে যদিও বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰে 'সংস্কৃতি' শব্দটোহে 'কালচাৰ'ৰ প্ৰতিশব্দ বুলি অভিহিত কৰিছে। বিশ্ব কবিৰ দৃষ্টিত কৃষ্টি শব্দটোৱে এটা জাতিক আৰু জাতিটোৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আদি সূচায়। এই প্ৰবন্ধটোত গোস্বামীদেৱে পৰম্পৰাগত মৌখিক সাহিত্যৰো আলোচনা কৰিছে।

'জন সাহিত্য' প্ৰবন্ধত তেওঁ জন সাহিত্যৰ স্বৰূপ আৰু তাৰ সৌন্দৰ্য্য বিশ্লেষণ কৰিবলৈ যত্ন কৰিছে। বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰ সামাজিক আচাৰ আৰু আৰু নীতি-নিয়মৰ আভাস জন সাহিত্যই দিব পাৰে বুলি গোস্বামীয়ে উল্লেখ কৰিছে। 'বাসন্তী উৎসৱ বিহু' প্ৰবন্ধত বিহুৰ বিষয়ে প্ৰাপ্ত তথ্য-পাতিৰ আধাৰত তেওঁ বিহুৰ বিষয়ে আলোচনা কৰিছে। 'বিহু গীত আৰু বনঘোষা'ত বিহুগীত আৰু বনঘোষাৰ সৰস আলোচনা সংযোজন কৰা হৈছে। গোস্বামীদেৱে বিহুগীতৰ লক্ষণ থকা আন গীতৰ বিষয়েও আলোচনা কৰিছে। 'দেশ-বিদেশৰ বিহু' প্ৰবন্ধত ভাৰতবৰ্ষ আৰু ভাৰতৰ বাহিৰত বিহুৰ লগত সাদৃশ্য থকা উৎসৱৰ বিষয়ে আলোচনা সংযোগ কৰা হৈছে। 'মালিতা' শীৰ্ষক প্ৰবন্ধত কৃত্ৰিম কাহিনী গীত সম্পৰ্কে

আলোচনা আছে। তেনেদৰে ‘সাধুকথা’ত সাধুৰ বিষয়ে, ‘সাধুকথাৰ সাধু’ত সাধুকথাৰ সৃষ্টি-কাহিনীৰ বিচাৰ, ‘জন্তুকেন্দ্ৰিক কেইবল’ত জন্তুক মানুহৰ শৰীৰলৈ আনয়ন আৰু জন্তুৰ কাৰ্য্যৰদ্বাৰা নীতিকথাৰ ব্যাখ্যা দান আৰু একোটা ‘কেইবল’ বিভিন্ন দেশত মুখ বাগৰি কেনেদৰে বিভিন্ন ৰূপ লয় তাৰ প্ৰমাণিক বিচাৰ কৰা হৈছে। সমস্যা কেন্দ্ৰিক সাধুৰ বিষয়ে ‘সমস্যামূলক সাধু’ত বিচাৰ-বিশ্লেষণ কৰা হৈছে। ‘বিবিধ গীত’ প্ৰবন্ধত বিয়া নাম, আই নাম, নিচুকনি গীত, ভেকুলী বিয়াৰ নাম, জিকিৰ, বাৰ মাহী গীতৰ বিষয়ে বৰ্ণনা উত্থাপন কৰা হৈছে। ‘গীত-পদত বোৱা কটা’ প্ৰবন্ধত বোৱা-কটাৰ বিষয়ে গীত-পদত কেনে ধৰণৰ চিত্ৰ প্ৰকাশ পাইছে তাৰ আলোচনা আছে। ‘হেম্লিয়ত আৰু ডাকপুৰুষ’ প্ৰবন্ধত দুয়োজন পুৰুষৰ বিষয়ে খবচি মাৰি আলোচনা কৰি প্ৰবন্ধটোৰ সৌন্দৰ্য্য বৃদ্ধি কৰা হৈছে। ড০ গোস্বামীয়ে তেওঁৰ গ্ৰন্থখনিত দেহবিচাৰৰ গীত, ফকৰা, নাম আৰু উপাধি, যোজোনা আৰু পটন্তৰৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰি গ্ৰন্থখনিৰ সৌষ্ঠৱ বঢ়াইছে। আন এটিত প্ৰবন্ধত ‘গাঁৱৰ লোক অজ্ঞাননে ?’– এই প্ৰশ্নৰ অৱতাৰণা কৰি গাঁৱৰ লোকৰ জ্ঞান, বুদ্ধি, কৰ্মশক্তি আৰু নীতি-নিয়মৰ প্ৰতি থকা আস্থাৰ বিষয়ে লোক-সংস্কৃতিৰ আধাৰত বিচাৰ কৰি চোৱা হৈছে। অসমীয়া সমাজত মন্ত্ৰৰ প্ৰভাৱ সম্পৰ্কে ‘মন্ত্ৰ’ প্ৰবন্ধত আলোচনা আগবঢ়োৱা হৈছে। অসমীয়া লোকগীতত মহাত্মা গান্ধীৰ উল্লেখ আৰু স্বনামধন্য সাহিত্যিক বেজবৰুৱাৰ সাধুকথা চৰ্চা সম্পৰ্কেও আন দুটি প্ৰবন্ধত আলোচনা আছে। বেজবৰুৱাই দেখুৱাবলৈ যত্ন কৰিছে যে অসমত প্ৰচলিত সাধুকথা কেতবোৰ ভাৰতবৰ্ষৰ আন ৰাজ্যতো পৰিবৰ্তিত ৰূপত পোৱা যায়। ইয়াৰ কাৰণ সাধু মুখ বাগৰি চলি থকা আনন্দ আৰু নীতি শিক্ষাৰ খোৰাক। এই সন্দৰ্ভত লক্ষ্মীনাথ বেজবৰুৱাই লিখিছিল ঃ “কিছুকালৰ আগলৈকে সাধুবোৰৰ আচল মূল্য নুবুজি সকলোৱে সেইবোৰ ল’ৰা-ধেমালি আৰু অকামিলা বুলি ভাবিছিল। কিন্তু প্ৰথমে জাৰ্মান পণ্ডিতসকলে এই ভুল ভাঙি দিয়ে। প্ৰথমতে জাৰ্মানীত সাধু-কথাৰ প্ৰকৃত মূল্য নিৰ্দ্ধাৰিত হয় আৰু তাতে বৈজ্ঞানিক প্ৰণালীত আলোচিত হয়।” লক্ষ্মীনাথ বেজবৰুৱাই সাধুৰ সামাজিক মূল্য সম্পৰ্কে তেওঁৰ প্ৰবন্ধত বিস্তৃতভাৱে আলোচনা কৰি সাধুৰ মৰ্য্যাদা আৰু প্ৰয়োজনীয়তাৰ দিশত গুৰুত্ব আৰোপ কৰিছে। “সময়ৰ সোঁত আৰু জনসাহিত্য” শীৰ্ষক ৰচনাখনিত সময়ৰ পৰিবৰ্তনৰ লগে লগে জন সাহিত্যই কেনেদৰে পৰিবৰ্তনৰ আচোঁৰ খাবলগীয়া হয় তাকে দেখুৱাইছে। এনে অৱস্থাত সাধুকথাৰ মূল ৰূপটো আৱিষ্কাৰ কৰা প্ৰকৃত গৱেষকৰ লক্ষ্য হোৱা উচিত। “বাৰ মাহৰ তেৰ গীত” প্ৰবন্ধত বছৰৰ বিভিন্ন মাহৰ উপযোগীকৈ লোকৰ মুখে মুখে বাগৰি ফুৰা লোকগীতবিলাকৰ সমীক্ষা দাঙি ধৰাৰ লগতে সিবিলাকৰ কাব্যিক সৌন্দৰ্য্যবো অনুসন্ধান কৰা হৈছে। এই গীতবিলাকত স্বভাৱ কবিৰ প্ৰতিভাৰ প্ৰতিফলন ঘটিছে। জাপানৰ লোক কৃষ্টিত ভাৰতীয় লোক-সংস্কৃতিৰ প্ৰভাৱৰ বিষয়ে “জাপানৰ জনকৃষ্টিত ভাৰতীয় প্ৰভাৱ” প্ৰবন্ধত চমুকৈ আলোচনা কৰা হৈছে। “বেউলাৰ

বাৰমাহী" গীতেৰে গোস্বামীদেৱে গ্ৰন্থখনিৰ সামৰণি মাৰিছে। এই গীতটিত প্ৰতি মাহৰ প্ৰাকৃতিক চিত্ৰ আৰু মানৱ মনত ইবোৰৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ বক্তব্য উত্থাপন কৰা হৈছে।

গোস্বামীদেৱে জনকৃষ্টি সম্পৰ্কীয় তেওঁৰ আলোচনা বৈজ্ঞানিক পদ্ধতিত উপস্থাপন কৰিবলৈ যত্ন কৰিছে। জাৰ্মানৰ গ্ৰীম ভাই-ককায়ে ফ'কল'ৰ সম্পৰ্কে যি মতামত দাঙি ধৰিছে, তাৰ উল্লেখ কৰি আলোচনা বিশ্বাসযোগ্য কৰিছে। প্ৰায় ক্ষেত্ৰতে গোস্বামীয়ে তেওঁৰ আলোচনা তথ্যপূৰ্ণ আৰু প্ৰামাণিক কৰিবলৈ যত্ন কৰিছে। তেওঁৰ আলোচনা পৰিপাটি আৰু শৃঙ্খলাবদ্ধ। 'জন সাহিত্য'ৰ বিষয়ে আলোচনা কৰোঁতে লোক বিশ্বাস আৰু যুৱতীৰ দিশবপৰাও জন সাহিত্যৰ গুৰুত্ব আৰু সৌন্দৰ্য্যৰ আভাস দিবলৈ যত্ন কৰিছে। লোক-সংস্কৃতিৰ অনুৰক্ত সাধকসকলৰ বক্তব্য, সিদ্ধান্ত আৰু আলোচনাৰ অংশগ্ৰহণ কৰিও গোস্বামীদেৱে তেওঁৰ বক্তব্য বিষয়ৰ গুৰুত্ব বৃদ্ধি কৰিছে : "ওচৰ-চুবুৰীয়া দেশৰপৰাও সাধু অহা-যোৱা কৰিবলৈ সুচল পায়। সেই দেখি আমি অসমীয়া সাধু বঙ্গদেশত, যাইকৈ পূৰ্ববঙ্গত অনেক পাওঁ। আৰু এটা কথা মন কৰিবলৈ পাহৰিব নালাগে যে পূৰ্ববঙ্গ আৰু উত্তৰবঙ্গৰ এডোখৰ পুৰণি কামৰূপ ৰাজ্যৰ ভিতৰত থকা বাবে আমাৰ বহুত কামৰূপীয়া অৰ্থাৎ অসমীয়া সাধু বঙলা হ'ল।" (লক্ষ্মীনাথ বেজবৰুৱা)

গোস্বামীয়ে তেওঁৰ গ্ৰন্থখনি ৰচনা কৰোঁতে অকল পুথিভড়ালত পোৱা তথ্যৰ ওপৰতে নিৰ্ভৰ নকৰি বিস্তৃতভাৱে ক্ষেত্ৰ অধ্যয়ন কৰিও লোক-সংস্কৃতিৰ সমল সংগ্ৰহ কৰিছিল। "বিহুগীতৰ লক্ষণ থকা আন গীত", "দেশ-বিদেশৰ বিহু", "মালিতা", "ফকৰা" আৰু "বাৰ মাহৰ তেৰ গীত" ক্ষেত্ৰ অধ্যয়নৰ ফচল বুলি চিহ্নিত কৰিব পাৰি।

লোক কৃষ্টিৰ সমল সংগ্ৰহ কৰোঁতে তেওঁ যি কষ্ট মূৰ পাতি ল'বলগীয়াত পৰিছিল তাৰ আমোদজনক বৰ্ণনা বন্ধুমহলত ব্যক্ত কৰিছিল। অনেক ঠাইত মানুহক সন্তুষ্ট কৰোঁতে দিবলগীয়াত পৰিছিল নিজৰ জেপৰ পইচা। কাৰোবাক খুৱাব লগীয়াত পৰিছিল মদ-ভাং। তত্ৰাচ তেওঁ লোককৃষ্টিৰ সমল সংগ্ৰহৰ আশা পৰিত্যাগ কৰা নাছিল।

ক্ষেত্ৰ অধ্যয়ন কৰোঁতে পোৱা ফকৰা, যোজোনা, পটন্তৰ, সাঁথৰ, কিংবদন্তি, উপমা আৰু লোক সাধু মানুহৰ মুখত যেনে ৰূপত পাইছিল, তেনেভাৱে তেওঁ গ্ৰন্থত সংযোজন কৰিছিল। ইয়াৰ ফলত সিবিলাকৰ প্ৰাচীনতাৰ বিচাৰ কৰাৰ লগতে কোন উপভাষা অঞ্চলৰ সম্পদ তাক নিৰ্ণয় কৰিবলৈ সহজ হৈছে। এনেদৰে সংগৃহীত লোক কাহিনী, লোকাচাৰ, ভৌতিক সংস্কৃতি আৰু লোক কলাসমূহে এখন দেশৰ প্ৰাচীন ইতিহাস, ইতিহাসৰ লগত জড়িত আন্দোলন, বিদ্ৰোহ, বিপ্লৱৰো বতৰা দিয়ে। ইয়াৰ বাহিৰেও ইবিলাকে সামাজিক ৰীতি-নীতি, বিভিন্ন বৃত্তিৰ লগত জড়িত মানুহৰ চাৰিত্ৰিক বিশেষত্ব আৰু দেশ-বিদেশৰ নানা কথাৰ ভড়াল উদঙাই দিব পাৰে। গোস্বামীদেৱৰ 'অসমীয়া জন সাহিত্য' গ্ৰন্থত সন্নিবিষ্ট প্ৰবন্ধসমূহৰ মাজেৰে উপৰোক্ত বৈশিষ্ট্যসমূহ প্ৰতিফলিত হোৱাত গ্ৰন্থখনিৰ সমাদৰ আৰু মহত্ত্ব বাঢ়িছে। লোক-সংস্কৃতিৰ পৰৱৰ্তী চিন্তা-চৰ্চা কৰোঁতাসকলক ই বিশেষভাৱে সহায় কৰিব বুলি ভবাৰ যুক্তি আছে।

— ● —

‘জাপানৰ জনকৃষ্টি আৰু অন্যান্য ৰচনা’

কনক চন্দ্ৰ চহৰীয়া

লোক-সংস্কৃতিৰ বিশিষ্ট গৱেষক ড০ প্ৰফুল্লদত্ত গোস্বামীৰ এখন উল্লেখযোগ্য প্ৰবন্ধ সংকলন হ'ল ঃ ‘জাপানৰ জনকৃষ্টি আৰু অন্যান্য ৰচনা’। বাৰটা প্ৰবন্ধৰ সমষ্টি এই সংকলনটো প্ৰধানতঃ লোক-সংস্কৃতি বিষয়ক। দেখা যায়, অসমীয়া ভাষাত ৰচিত প্ৰায়বোৰ লোক-সংস্কৃতিৰ গ্ৰন্থই অসমৰ বাৰে-ৰহনীয়া সংস্কৃতিৰ আলোচনাতে সীমাবদ্ধ আৰু সেই আলোচনাও পৰম্পৰাগত পদ্ধতিৰে বিৱৰণমূলক পদ্ধতি আশ্ৰয়ী। এই ক্ষেত্ৰত কিন্তু ড০ গোস্বামীৰ ‘জাপানৰ জনকৃষ্টি আৰু অন্যান্য ৰচনা’ নামৰ গ্ৰন্থখন কিছু ব্যতিক্ৰম। ইয়াত অসমৰ উপৰিও জাপান, চীন, আফ্ৰিকা, আমেৰিকা আদি বিভিন্ন দেশৰ জনকৃষ্টিৰ বিষয়ে প্ৰবন্ধবোৰত আলোকপাত কৰিবলৈ চেষ্টা কৰা হৈছে। এই আলোচনাবোৰ কিন্তু বিৱৰণাত্মক নহয়, সমীক্ষামূলকহে। সেইকালৰ পৰা ক'ব পাৰি লোক-সংস্কৃতি বিষয়ক অসমীয়া গ্ৰন্থৰ শিতানত ড০ গোস্বামীৰ এই গ্ৰন্থখন একক আৰু অনন্য সংযোজন। গ্ৰন্থখনৰ নামকৰণত *জাপানৰ জনকৃষ্টি* বুলি উল্লেখ কৰা হৈছে যদিও আটাইকেইটা প্ৰবন্ধ কিন্তু জাপানৰ জনকৃষ্টি বিষয়ক নহয়। কেৱল মাত্ৰ প্ৰথম প্ৰবন্ধটোহে জাপানৰ জনকৃষ্টি বিষয়ক। অৱশ্যে ইয়াত কৃষ্টি বোলোতেও আটাইবোৰ দিশ আলোচনা নকৰি কেৱল লোক-সাহিত্যৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে; বিশেষকৈ সাধু আৰু প্ৰবচনৰ ওপৰত। অধ্যয়ন কৰিলে দেখা যায় গ্ৰন্থখনৰ প্ৰায় আটাইকেইটা প্ৰবন্ধই লোক-সাহিত্য বিষয়ক। ইয়াৰে কোনোবাটোত লোকগীত বা জন-গীত, কোনোবাটোত সাধু, কোনোবাটোত ফকৰা-যোজনা, কোনোবাটোত প্ৰবাদ, কোনোবাটোত জনশ্ৰুতি আৰু কোনোবাটোত মন্ত্ৰ-সাহিত্যৰ বিষয়ে পদ্ধতিগতভাৱে আলোচনা কৰা হৈছে। অৱশ্যে ‘বাসন্তী উৎসৱ বিহু’, ‘গাঁৱৰ লোক অজ্ঞাননে’, ‘নাম আৰু উপাধি’ আদি বিষয়ক প্ৰবন্ধকেইটা ইয়াৰ ব্যতিক্ৰম।

গ্ৰন্থখনৰ শিৰোনামামূলক প্ৰবন্ধ ‘জাপানৰ জনকৃষ্টি’ তিনিটা অংশত বিভক্ত। প্ৰথম অংশত জনকৃষ্টি চৰ্চাৰ সম্পৰ্কত দেশে-বিদেশে গা-কৰি উঠা প্ৰৱণতাৰ বিষয়ে আলোচনা কৰা হৈছে। ড০ গোস্বামীৰ মতে ডাৰউইনৰ বিৱৰ্তনবাদ তথা মানুহৰ সভ্যতা সম্বন্ধে

চিন্তা কৰিবলৈ প্ৰেৰণা দিয়ে; আৰু সেই প্ৰেৰণাৰ ফলতে মানুহে জনকৃষ্টিৰ চৰ্চা কৰিবলৈ লয়। তদুপৰি উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা, ইউৰোপ আৰু এচিয়াত গঢ়ি উঠা জাতীয় জাগৰণবোৰেও জনকৃষ্টি-চৰ্চাত প্ৰেৰণা আগবঢ়াই বুলি ড০ গোস্বামীয়ে উল্লেখ কৰিছে। জনকৃষ্টি-চৰ্চাৰ প্ৰেৰণাবোৰ দাঙি ধৰাৰ লগতে ভাৰতীয় জনকৃষ্টি-চৰ্চাৰ ইতিহাস সম্বন্ধেও কিছু কথা প্ৰবন্ধটোৰ এই অংশত আছে।

জাপানৰ জনকৃষ্টি সম্বন্ধীয় মূল আলোচনা দাঙি ধৰা হৈছে প্ৰবন্ধৰ দ্বিতীয় অংশত। এই সম্পৰ্কত ড০ গোস্বামীয়ে উল্লেখ কৰিছে যে, কোনো সংস্কৃতিয়েই স্বাধীন নহয়, ইটোৰ প্ৰভাৱ সিটোৰ ওপৰত পৰিবই। সেইফালৰপৰা জাপানৰ জনকৃষ্টিত ভাৰতীয় প্ৰভাৱ স্পষ্ট; আনকি তাত চীনৰো প্ৰভাৱ বিদ্যমান। জাপানৰ জনকৃষ্টি বোলোতে ড০ গোস্বামীয়ে প্ৰধানতঃ জাপানৰ জন-সাহিত্যখিনিকে দাঙি ধৰিছে। তেওঁ উল্লেখ কৰিছে যে, ভাৰতবৰ্ষৰ দৰেই জাপানৰ গাঁৱলীয়া অঞ্চলবোৰতো গীত-পদ, সাধু, বচন, মিথ্ আদি পোৱা যায়। ভাৰতবৰ্ষৰপৰা যি বৌদ্ধধৰ্ম চীনদেশলৈ গৈছিল সেই বৌদ্ধধৰ্ম এদিন জাপানৰ জনসাধাৰণেও গ্ৰহণ কৰিছিল। সেয়ে জাপানৰ লোক-সাহিত্যত ভাৰতৰ লগতে চীনদেশীয় প্ৰভাৱ স্পষ্ট। জাপানী জনবিশ্বাস প্ৰতিফলিত হোৱা ভালেমান জাপানী প্ৰৱচনত কেনেদৰে ভাৰতীয় চিনাকি ছবি প্ৰতিফলিত হৈছে তাক দেখুৱাবলৈ ড০ গোস্বামীয়ে প্ৰবন্ধৰ দ্বিতীয় অংশৰ শেষত কেইটামান উদাহৰণো সন্নিবিষ্ট কৰিছে।

জাপানত প্ৰচলিত সাধুবোৰ বিবিধ প্ৰকাৰৰ। এইবোৰৰ বেছি ভাগেই ভাৰতীয় সাধুৰ লগত একে হোৱাৰ উপৰিও পৃথিৱীৰ আন আন ঠাইৰ লগতো মিল আছে বুলি ড০ গোস্বামীয়ে উল্লেখ কৰিছে প্ৰবন্ধটোৰ তৃতীয় তথা শেষ অংশত। অৱশ্যে জাপানত প্ৰচলিত ভালেমান সাধুৰ উৎপত্তিস্থল যে জাপানেই সেই কথা ক'বলৈও ড০ গোস্বামীয়ে প্ৰবন্ধৰ সামৰণিত পাহৰা নাই।

এটা বটা চৰাইৰ সাধুৰে আৰম্ভ কৰা গ্ৰন্থখনৰ দ্বিতীয় প্ৰবন্ধটো হ'ল— 'জন্তুকেন্দ্ৰিক ফেইব্‌ল'। এই আলোচনাটোত কেৰ্কেটুৱাৰ ৰাজসেৱা, কুকুৰনেচীয়া আৰু নিগনি আদি আন দুটামান সাধুৰো নমুনা দাঙি ধৰা হৈছে। এই সাধুবোৰ প্ৰধানতঃ নীতিমূলক। ইংৰাজীত এনে ধৰণৰ সাধুকে ফেইব্‌ল আখ্যা দিয়া হৈছে। ড০ গোস্বামীয়ে উল্লেখ কৰিছে যে *পঞ্চতন্ত্ৰ* আৰু *ঈচপৰ সাধু*টো এনেধৰণৰ ভালেমান সাধু পোৱা গৈছে। আচলতে এই সাধুবোৰত জন্তুৰ চৰিত্ৰৰ মাজেদি মানুহৰ চৰিত্ৰৰে বিভিন্ন দিশলৈ আঙুলিওৱা হয়। কেতিয়াবা কেতিয়াবা সমাজ আৰু ৰাজনীতি ক্ষেত্ৰৰ অনিয়মবিলাকো ব্যঙ্গাত্মক দৃষ্টিৰে এই সাধুবোৰত উদঙাই দিবলৈ প্ৰয়াস কৰা দেখা যায়। ড০ গোস্বামীয়ে উল্লেখ কৰিছে যে কেতিয়াবা এনেধৰণৰ সাধুত জন্তুৰ পৰিবৰ্তে মানুহো থাকে। আধুনিক ফেইব্‌লবিলাকত আকৌ সমসাময়িক সমস্যাবোৰৰো প্ৰতিফলন লক্ষ্য কৰিব পাৰি। মঙ্গোলীয় মানুহৰ মাজত প্ৰচলিত এনে ভালেমান ফেইব্‌ল আছে যিবোৰত ভাৰতীয় প্ৰভাৱ

বিদ্যমান বুলি ড০ গোস্বামীয়ে উল্লেখ কৰিছে। কৈ থোৱা ভাল, আমি ইতিপূৰ্বে উল্লেখ কৰা কেৰ্কেটুৱাৰ ৰাজসেৱা, কুকুৰনেচীয়া আৰু নিগনি আদি বিষয়ক কেইবৰ্ণকেইটা ড০ গোস্বামীয়ে বাছিয়াৰ লেখক ইভান ক্ৰিলফৰ ৰচনাৰপৰা সংগ্ৰহ কৰা। ড০ গোস্বামীৰ মতে এইবোৰো আধুনিক কেইবৰ্ণৰ উদাহৰণ।

'বাঘ আৰু মেকুৰীৰ খৰিয়াল' সাধুটো গ্ৰন্থখনৰ তৃতীয় প্ৰবন্ধ। ইয়াত একে নামৰ ভাজেকেইটা নমুনা দাঙি ধৰি ড০ গোস্বামীয়ে এক সমীক্ষামূলক আলোচনা আগবঢ়াইছে। ড০ গোস্বামীৰ মতে বাঘ আৰু মেকুৰীৰ খৰিয়াল শীৰ্ষক সাধুটো মূলতঃ ইউৰোপীয়। অৱশ্যে ইয়াৰ প্ৰচলন আমাৰ দেশতো নোহোৱা নহয়। এই ক্ষেত্ৰত মিনাং (আবৰ), নষ্টে, বাভা, খাচীয়া, কণ্ড (উৰিষ্যা), পেৰেজা (কোৰাপুট), গড়ৱালী আৰু পাঞ্জাবী লোকসকলৰ মাজত বাঘ আৰু মেকুৰীৰ সাধুটো কেনেধৰণে প্ৰচলিত হৈ আছে তাক ড০ গোস্বামীয়ে নমুনা সহকাৰে দাঙি ধৰিছে। প্ৰবন্ধৰ সাৰবণিত ড০ গোস্বামীয়ে বাঘ-আৰু মেকুৰীৰ খৰিয়াল সম্বন্ধে দুটা কাৰণ উল্লেখ কৰিছে। সেয়া হ'ল : মেকুৰীয়ে বাঘক এটা বিদ্যা নিশিকোৱাকৈ ৰাখে আৰু মেকুৰীয়ে বাঘৰ কথা মতে জুই আনিবলৈ যায় যদিও উভতি নাহে। সাধুটো কম-বেছি পৰিমাণে ভাৰতৰ সকলো ঠাইতেই প্ৰচলিত হৈ আছে। সেয়ে ভাৰতৰ সকলো ঠাইৰপৰা নমুনা কিছুমান সংগ্ৰহ কৰিব পাৰিলে ইয়াৰ সম্ভাব্য উৎপত্তিৰ স্থল সম্বন্ধে সিদ্ধান্ত ল'ব পৰা যাব বুলি ড০ গোস্বামীয়ে মন্তব্য প্ৰকাশ কৰিছে।

ড০ সূৰ্য্যকুমাৰ ভূঞাই সংগ্ৰহ কৰা বদনচন্দ্ৰ বৰফুকনৰ গীতৰ আধাৰত যোৰামুৱা আৰু এঠেঙীয়া দেশৰ সন্ধান বিচৰা আলোচনাটো গ্ৰন্থখনৰ চতুৰ্থ প্ৰবন্ধ। Stith Thompson ৰ *Motif Index of Folk Literature* গ্ৰন্থকে ধৰি *বৃহৎ সংহিতা*, *স্কন্দপুৰাণ*, *মৎস্যপুৰাণ*, হিউয়েনচাঙৰ টোকা, ইষ্টাৰ্ণ ইণ্ডিয়া আদিতো উল্লেখ থকা এই যোৰামুৱা আৰু এঠেঙীয়া দেশ কোনো ভৌগোলিক দেশ নহয়, ই পৰম্পৰাগত জনবিশ্বাসৰপৰা উদ্ভূত সাধুকথাৰ দেশ বুলিহে ড০ গোস্বামীয়ে মন্তব্য দাঙি ধৰিছে। একেদৰে পুৰণি গ্ৰন্থৰাজিত উল্লেখ থকা ত্ৰিনেত্ৰ দেশ, একলোচন দেশ আদিও ড০ গোস্বামীৰ মতে কল্পনাপ্ৰসূত।

গ্ৰন্থখনৰ পঞ্চম প্ৰবন্ধটো ৰচনা কৰা হৈছে মন্ত্ৰৰ ওপৰত। এই প্ৰবন্ধটো দুটা খণ্ডত বিভক্ত। প্ৰথম খণ্ডত মন্ত্ৰৰ প্ৰাচীনতা সম্বন্ধে আলোচনা কৰা হৈছে। ড০ গোস্বামীৰ মতে খৃঃপূঃ ৩০০০ বছৰমান আগতেই ইজিপ্তত মন্ত্ৰৰ প্ৰৱচন আৰম্ভ হৈছিল। মন্ত্ৰ হ'ল যাদুৰ খাই সহায়ক। ইজিপ্তত ধৰ্ম আৰু যাদুৰ অন্তৰঙ্গ সম্বন্ধ থকা বাবেই সেই ঠাইত মন্ত্ৰৰ ব্যৱহাৰো যথেষ্ট পৰিমাণে হোৱাৰ সম্ভৱনা আছে বুলি ড০ গোস্বামীয়ে উল্লেখ কৰিছে। ভাৰতত এই মন্ত্ৰৰ প্ৰচলন ইজিপ্তকৈ পিছত। ড০ গোস্বামীৰ মতে অথৰ্ববেদৰপৰাই ভাৰতবৰ্ষত মন্ত্ৰ-পৰম্পৰাৰ সৃষ্টি হয়। ভাৰতৰ দৰেই বেবিলনতো মন্ত্ৰৰ প্ৰচলন পুৰণি।

ড০ গোস্বামীয়ে যাদুমন্ত্ৰৰ বিষয়ে গৱেষণা কৰা বিশিষ্ট পণ্ডিত চৈয়দ ইব্ৰিহ খাহৰ মত উল্লেখ কৰি কৈছে যে, যাদু আৰু ইন্দ্ৰজালৰ গুৰি প্ৰথমে এচিয়াৰ মঙ্গোলসকল।

এই প্ৰবন্ধৰ দ্বিতীয় অংশত মন্ত্ৰৰ বৈশিষ্ট্য আৰু বিকাশ সম্বন্ধে আলোচনা আগবঢ়োৱা হৈছে। ড০ গোস্বামীয়ে উল্লেখ কৰিছে যে বৌদ্ধযুগত মন্ত্ৰৰ প্ৰচলন অত্যধিক হৈছিল। এই সময়ত বৌদ্ধধৰ্মাৱলম্বী লোকে ধাৰণি মন্ত্ৰৰ প্ৰয়োগ ইমানেই কৰিছিল যে, ইয়াক খেতি পথাৰৰ অপায়-অমঙ্গল দূৰ কৰিবলৈকো ব্যৱহাৰ কৰা হৈছিল। এই যুগৰ মন্ত্ৰবোৰত ধৰ্মৰ প্ৰচলন আছিল লক্ষ্য কৰিবলগীয়া বৈশিষ্ট্য। মধ্যযুগত নাথ-যোগী সকলেও প্ৰচুৰ পৰিমাণে মন্ত্ৰৰ সাধন কৰিছিল। অসমত পোৱা সেই সময়ৰ কামৰত্ন তন্ত্ৰ, কৰতিমন্ত্ৰ আদিয়েই তাৰ সাক্ষ্য দাঙি ধৰে। কৈ যোৱা ভাল, অথৰ্ববেদৰ ধৰ্মৰ সুৰ অসমীয়া মন্ত্ৰতো লক্ষ্য কৰা যায়। পিছলৈ এই মন্ত্ৰ মুছলমান সকলেও ব্যৱহাৰ কৰাত মন্ত্ৰবোৰত ভালেমান আৰবী শব্দৰ সংযোজন হয়। ড০ গোস্বামীয়ে অৱশ্যে এই কথাও উল্লেখ কৰিছে যে মুছলমানসকল যি মধ্যপ্ৰাচ্যৰ দেশৰপৰা আহি ভাৰতত সোমাইছিল সেই দেশবোৰত ভাৰতকৈ আগতেই মন্ত্ৰৰ প্ৰচলন আছিল। সেই কাৰণেই আৰবী শব্দবোৰ পিছত লোসোমাই আগৰেপৰা থকাৰ সম্ভাৱনাহে বেছি যেন অনুমান হয়।

'বাসন্তী উৎসৱ বিহু' নামৰ প্ৰবন্ধটো গ্ৰন্থখনৰ ষষ্ঠ প্ৰবন্ধ। এই আলোচনাত অকল বিহু উৎসৱৰ বিষয়েই আলোচনা নকৰি সমসাময়িক আন আন বসন্ত উৎসৱৰো আভাস দাঙি ধৰা হৈছে। বিহুৰ প্ৰাচীনতা সম্বন্ধে উল্লেখ কৰি ড০ গোস্বামীয়ে কৈছে যে পুৰণি কালত যোধকৰোঁ বিহু বাসন্তী উৎসৱ হিচাপে ফাগুন মাহমানতে অনুষ্ঠিত হৈছিল। পৰৱৰ্তী কালতহে হিন্দুধৰ্মৰ প্ৰভাৱৰ ফলত ফাগুন-চ'তমহীয়া এই বিহু হুহকি আহি বিষুৱ সংক্ৰান্তিৰ লগ লাগেহি। বিহুৰ লগত জৰিত নৃত্য আৰু গীতৰ ভালেমান তাত্ত্বিক ব্যাখ্যাও ড০ গোস্বামীয়ে এই প্ৰবন্ধত আগবঢ়াইছে। তদুপৰি বিহু সম্বন্ধে বিভিন্ন সময়ত বিভিন্নজনে কৰা ভাল আৰু বেয়া মন্তব্যবোৰো ড০ গোস্বামীয়ে সন্নিৱিষ্ট কৰিছে। অসমৰ বিহু উৎসৱৰ ইতিহাস যে যথেষ্ট পুৰণি সেই বিষয়েও মাধৱ কন্দলিৰ ৰামায়ণ, মুছলমান ভ্ৰমণকাৰীৰ টোকা, নৱম-দশম শতিকাৰ কামৰূপীয় ৰজাসকলে ভূমি দান কৰা ফলি আদিত পোৱা বিহু সম্বন্ধীয় ভালেমান উল্লেখ ড০ গোস্বামীয়ে দাঙি ধৰিছে। লোক-সাহিত্যৰপৰা কালৰি কাটি আহিলেও গৱেষণাধৰ্মী এই ৰচনাখনেও যে কৃষ্টিৰেই এটা অন্তৰঙ্গ দিশ উৎসৱ-অনুষ্ঠানৰ আলোচনাত সহায়ক হৈছে তাত সন্দেহ নাই।

'গাঁৱৰ লোক অজ্ঞাননে' শীৰ্ষক গ্ৰন্থখনৰ সপ্তম প্ৰবন্ধটো মূলতঃ লোক-সাহিত্যক লৈয়েই ৰচিত। গাঁৱৰ জনসাধাৰণৰ মাজত প্ৰচলিত বিবিধ গীত-পদ, যোজোনা, পটন্তৰ আদিৰ উদ্ধৃতিৰে ড০ গোস্বামীয়ে দেখুৱাইছে যে, এইবোৰৰ স্ৰষ্টা হিচাপে গাঁৱৰ লোক কোনো গুণেই অজ্ঞানী বা অন্তঃসাৰশূন্য হ'ব নোৱাৰে। গাঁৱৰ সহজ-সৰল হোজা জনসাধাৰণে নিজৰ কৰ্ম জীৱনৰ অভিজ্ঞতাৰ ওপৰত ভেজাদি ৰচনা কৰা লোক উক্তি বা-বচনবোৰেই

দাঙি ধৰে তেওঁলোকৰ সাধুতা আৰু বুদ্ধিশীলতাৰ গভীৰতা। গাঁৱলীয়া মানুহৰ ঐহিক আৰু পৰমাৰ্থিক জ্ঞানো কম নহয়। তেওঁলোকৰ মাজত প্ৰচলন থকা যোজোনা আৰু ফকৰাবোৰেই তাৰ প্ৰমাণ বুলি ড০ গোস্বামীয়ে প্ৰবন্ধটোৰ সামৰণিত উল্লেখ কৰিছে। ক'বলৈ গ'লে লোক-সমাজত প্ৰচলিত লোক-সাহিত্যৰ সম্পদবোৰৰ সহায়ত লোক মনৰ উমান ল'ব বিচৰা এই প্ৰবন্ধটোৰ জৰিয়তে ড০ গোস্বামীৰ অনুসন্ধিৎসু মনবেই প্ৰকাশ ঘটিছে।

গ্ৰন্থখনৰ লোক-সাহিত্য বিষয়ক অন্য এটা প্ৰবন্ধ হ'ল ঃ 'ফকৰা'। এইটো গ্ৰন্থখনৰ অষ্টম প্ৰবন্ধ। আলোচনাৰ সুবিধাৰ বাবে প্ৰবন্ধটোক তিনিটা অংশত বিভক্ত কৰা হৈছে। প্ৰথম অংশত ফকৰাৰ সজ্ঞাৰ বিষয়ে আলোচনা আগবঢ়াই ড০ গোস্বামীয়ে কৈছে যে— "ওভোতা নাইবা গুপুত অৰ্থ থকা পদবিলাকেই ফকৰা। ফকৰা প্ৰায়ে চাৰিশাৰীয়া আৰু তাৰ ব্যাখ্যা দিয়া হয় ধৰ্মীয় নাইবা নৈতিক প্ৰসঙ্গত। ড০ গোস্বামীয়ে আৰু উল্লেখ কৰিছে যে ফকৰা, সাঁথৰৰ দৰে যদিও ই ধেমালিৰ সামগ্ৰী নহয়। তদুপৰি ফকৰাৰ সম্বন্ধ সাধুৰ লগত নহয়, কোনো অৱস্থা বা ঘটনাৰ লগতহে।

প্ৰবন্ধৰ দ্বিতীয় অংশত ফকৰাৰ মৰ্ম সম্বন্ধে আলোকপাত কৰাৰ উপৰিও ইয়াৰ প্ৰাচীনত্বৰ সম্বন্ধেও ড০ গোস্বামীয়ে আলোচনা আগবঢ়াইছে। ফকৰাৰ আভ্যন্তৰীণ অৰ্থবোৰ বহু ক্ষেত্ৰত কবীৰৰ ৰচনাবোৰৰ লগতো একে বুলি দেখুৱাবলৈ গৈ ভালেমান উদাহৰণো প্ৰবন্ধটোৰ এই অংশত ড০ গোস্বামীয়ে ডাঙি ধৰিছে।

ফকৰাৰ লগত সাদৃশ্য থকা কবীৰৰ গীতসমূহৰ মূল যে বৌদ্ধ সহযানী দোহা সেই কথা আলোচনা কৰিছে প্ৰবন্ধটোৰ তৃতীয় তথা শেষ অংশত। এই অংশতে ড০ গোস্বামীয়ে অসমীয়া ফকৰাৰ সৰহভাগ নৰবৈষ্ণৱ যুগৰ বুলিও মন্তব্য আগবঢ়াইছে। ড০ গোস্বামীয়ে আৰু কৈছে যে অসমৰ পূৰ্ণ সেৱা বা ভিতৰ সেৱাৰ দৰে সম্প্ৰদায়ৰ মাজতো চলতি থকা এই ফকৰা কিন্তু বঙলা ভাষাত দুষ্প্ৰাপ্য।

গ্ৰন্থখনৰ 'নাম আৰু উপাধি' শীৰ্ষক নৱম প্ৰবন্ধটোৰ এটা ব্যতিক্ৰমধৰ্মী প্ৰবন্ধ। দুটা খণ্ডত বিভক্ত এই প্ৰবন্ধটোৰ প্ৰথম খণ্ডত নামৰ বিষয়ে আলোচনা কৰা হৈছে। আলোচনাৰ আৰম্ভণিতে অসমীয়া মানুহৰ নামকৰণৰ বিষয়ে আলোকপাত কৰা হৈছে। নামথোৱাৰ পৰম্পৰা সম্বন্ধে বিচাৰ কৰি ড০ গোস্বামীয়ে উল্লেখ কৰিছে যে সমাজৰ সকলো শ্ৰেণী লোকৰ নাম একে পৰ্য্যায়ৰ নহয়। শিক্ষিত আৰু উচ্চ শ্ৰেণীৰ লোকে নাম থয় দেৱ-দেৱীৰ অনুকৰণত। কেতিয়াবা অৱশ্যে অপদেৱতাই লগে বুলি তাল নাম নঁথে বেয়া নাম থোৱাৰো উদাহৰণ নথকা নহয়। হোৱালীৰ প্ৰতি ভূত-প্ৰেতৰ আসক্তি কম। সেয়ে হোৱালীৰ নামকৰণত এনেধৰণৰ জনবিশ্বাস বৰ বিশেষ দেখা নাযায়। নামকৰণত দেৱ-দেৱীৰ উপৰিও সপ্তাহৰ সাতবাৰৰ নাম, বছৰৰ বাৰ মাহৰ নাম, স্মৰণীয় ঘটনা আদিও জড়িত হৈ থকা দেখা যায়। ড০ গোস্বামীয়ে উল্লেখ কৰিছে যে নিগ্ৰোৰ দৰে কেতবোৰ

জাতিয়ে আকৌ দাস হৈ মালিকৰ উপাধিকে গ্ৰহণ কৰি নিজৰ বংশ, পৰিচয়ৰ বিলুপ্তি ঘটাইছিল। নামকৰণৰ অন্তৰালত জনবিশ্বাস আৰু কুসংস্কাৰেৰে সদায়েই এক প্ৰভাৱ থাকিবাই আহিছে তাক ড০ গোস্বামীৰ এই আলোচনাৰ পৰাই জনাত বেছ পৰিষ্কাৰ হৈ পৰিছে।

প্ৰবন্ধৰ দ্বিতীয় অংশত উপাধি সংক্ৰান্তত এক বহল আলোচনা দাঙি ধৰা হৈছে। এই সংক্ৰান্তত ড০ গোস্বামীয়ে উল্লেখ কৰিছে যে অতীতত ভাৰতীয় মানুহৰ উপাধিবোৰত কুলৰ লগতে বৃত্তিও জড়িত হৈ আছিল। কিন্তু পিছৰ কালে বৃত্তিৰ লগত উপাধিৰ সম্পৰ্ক নোহোৱা হৈ আহিব ধৰিলে। ভাৰতৰ বেছিভাগ লোকেই উপাধিৰ ক্ষেত্ৰত আৰ্য্যসকলৰ নীতিকে অনুসৰণ কৰিছিল। অসমৰ উপাধিবোৰৰ কিছুমান অৱশ্যে ৰজাঘৰীয়া বা সত্ৰীয়াও আছিল। হিন্দুস্থানীসকলৰ কিছুমানে আকৌ 'বেদ'ৰ অনুসৰণতো উপাধি গ্ৰহণ কৰাৰ পৰম্পৰা এটা আছিল বুলি ড০ গোস্বামীয়ে উল্লেখ কৰিছে। নামৰ দৰে এই উপাধিবোৰৰ অন্তৰালতো জনসাধাৰণৰ বিশ্বাস, কৰ্ম আদিয়ে জড়িত হৈ আছে। অৱশ্যে নামতকৈ উপাধিৰ আলোচনাতহে জনসাধাৰণৰ কৃষ্টিৰ বিবিধ দিশ উদ্‌ঘাটিত হোৱাৰ সম্ভাৱনা অধিক বুলি ড০ গোস্বামীয়ে মত প্ৰকাশ কৰিছে।

'অসমীয়া জন গীতত মহাত্মা গান্ধী' শীৰ্ষক প্ৰবন্ধটো গ্ৰন্থখনৰ দশম প্ৰবন্ধ। প্ৰবন্ধটোৰ সহায়ত হোজা গাঁৱলীয়া জনসাধাৰণৰ মনতো স্বাধীনতাৰ স্পৃহা জাগি উঠাৰ উমান পোৱা যায়। গাঁৱলীয়া স্বভাৱ কবিসকলে ৰচনা কৰা মহাত্মা গান্ধী বিষয়ক গীতবোৰত কিছুমান সত্য কাহিনীৰো আভাস নথকা নহয়। সহজ-সৰল গাঁওবাসীয়ে সঁচা-মিছা একো নাজানি কূটবুদ্ধি সম্পন্ন ভলণ্টিয়াৰৰ কথা মতে বিদেশী বস্ত্ৰৰ লগতে স্বদেশী পাট-কাপোৰো জলাই দিয়া কথাবোৰেই এই ক্ষেত্ৰত উল্লেখযোগ্য উদাহৰণ। ড০ গোস্বামীয়ে দাঙি ধৰা তেনে এফাঁকি গীত এনেধৰণৰ :

> *"পাটৰ কাপুৰ বিলাতী কাপুৰ*
> *জাপাত নথবি ভৰে।*
> *বুকনোক উইলেদি নবীনক উইলেদি*
> *চতলোত জুই দি পুৰে ॥"*

— এই লোকগীতবোৰে যে অকল গান্ধী বা স্বাধীনতা আন্দোলনৰ কথাকেই কয় তেনে নহয়, সমাজত সংঘটিত এনে বহু চক্ৰান্তকাৰী ঘটনাৰো আভাস দিয়ে। গান্ধীৰ উল্লেখ থকা গীতবোৰ কেতিয়াবা বিহু গীত, কেতিয়াবা বিয়াগীত আৰু কেতিয়াবা জনাগাঁথিৰ দৰে পৰিৱেশ্যকলাৰ গীত ৰূপেও প্ৰকাশ হৈছিল। আনকি আইনামৰ চাঁচতো গান্ধী বিষয়ক গীতবোৰ এসময়ত প্ৰচাৰ হৈছিল বুলি ড০ গোস্বামীয়ে উল্লেখ কৰিছে। কৈ থোৱা ভাল, গান্ধী বিষয়ক এই গীতবোৰ যুৱতীমূলক মানসিকতাৰ ভিতৰতে আলোচনা কৰাৰ থল আছে।

'বেজবৰুৱাৰ সাধুকথা চৰ্চা' নামৰ দুটা খণ্ডত বিভক্ত প্ৰবন্ধটো গ্ৰন্থখনৰ একাদশ প্ৰবন্ধ। ইয়াৰে প্ৰথম খণ্ডত বেজবৰুৱাৰ সাধু চৰ্চাৰ অন্তৰালত থকা প্ৰেৰণাবোৰৰ সম্পৰ্কে আলোচনা কৰা হৈছে। তদুপৰি সাধুকথা সংগ্ৰহৰ ইতিহাস সম্বন্ধেও কিছুকথাৰ আভাস দিয়া হৈছে। বেজবৰুৱাৰ আগতেই ১৮৮১ চনত প্ৰকাশ পোৱা লাল বিহাৰী দেৰ *ফোকটেইলজ অব বেঙ্গল*, মেক্সমুলাৰৰ ভাৰতীয় পুৰাণ বিষয়ক ৰচনা, ৰবীন্দ্ৰনাথৰ *লোক-সাহিত্য, বাউলেৰ গান*, দক্ষিণা ৰঞ্জন মিত্ৰ মজুমদাৰৰ *ঠাকুৰ মাৰ ঝুলি, ঠাকুৰ দাদাৰ ঝুলি* আদিয়ে বেজবৰুৱাৰ সাধুকথা চৰ্চাত প্ৰেৰণা যোগায় বুলি ড০ গোস্বামীয়ে এই আলোচনাত উল্লেখ কৰিছে। সাধুকথাৰ সম্পৰ্কত বেজবৰুৱাই নিজেও যিবোৰ কথা কৈ গৈছে সেইবোৰো ড০ গোস্বামীয়ে আলোচনাত দাঙি ধৰিছে। বেজবৰুৱাই সংগ্ৰহ কৰা ভালেমান সাধু অসমৰ বাহিৰৰ বঙ্গদেশ বা আন আন ঠাইৰ লগতো মিল থকাৰ কাৰণ সম্বন্ধে বেজবৰুৱাই নিজেই কৈ যোৱা কথাবোৰো ড০ গোস্বামীয়ে এই আলোচনাত সন্নিবিষ্ট কৰিছে। উল্লেখ কৰা ভাল, সাধুবোৰৰ মিল থকাৰ সম্পৰ্কত বেজবৰুৱাই কোৱা কথাষাৰ আছিল : "অতীতত আৰ্য্যসকল একেলগে থাকোতেই এই সাধুবোৰ ৰচিত হৈছিল। কালক্ৰমত আৰ্য্যবিলাক ফাটি ইউৰোপ আৰু এচিয়াত ভাগ ভাগ হৈ পৰাত দেশ-কাল-পাত্ৰ অনুসৰি তেওঁলোকৰ স্বভাৱ আৰু গঢ়গতিৰ সলনি হোৱাৰ্হি সেই সাধুবোৰতো গঢ়গতিৰ সলনি ঘটিছে।" বেজবৰুৱাই কোৱা কথাৰ সুৰতে সুৰ মিলাই ড০ গোস্বামীয়ে একেটা সাধুৰে ভিন ভিন ৰূপ অসমৰ ওচৰ-চুবুৰীয়া ঠাইত পোৱাৰ কাৰণবোৰো ব্যাখ্যা কৰিছে।

প্ৰবন্ধৰ দ্বিতীয় অংশত বেজবৰুৱাৰ ওপৰত পৰা বঙলা প্ৰভাৱৰ কথা দাঙি ধৰা হৈছে। বঙালী সমাজত থাকিলেও যে বেজবৰুৱাৰ ৰচনাৰাজি অসমীয়াকেন্দ্ৰিক সেই কথা ড০ গোস্বামীয়ে ক'বলৈ পাহৰা নাই। তদুপৰি সাধুকথাৰ সংগ্ৰহত সহায় কৰোঁতাসকলক প্ৰকাশ্যে স্বীকাৰ কৰি থৈ যোৱাটো বেজবৰুৱাৰ বৈজ্ঞানিক আৰু গৱেষক মনৰেই পৰিচায়ক বুলি ড০ গোস্বামীয়ে প্ৰশংসাও কৰিছে। অৱশ্যে বেজবৰুৱাই সংগ্ৰহ কৰা পানেশৈৰ সাধুটো অসমীয়া নহৈ গোড়জাতীয়হে হোৱাৰ সম্ভাৱনা বুলি ড০ গোস্বামীয়ে মত প্ৰকাশ কৰিছে।

'জনকৃষ্টি আৰু তাৰ অধ্যয়ন' নামৰ প্ৰবন্ধটো গ্ৰন্থখনৰ দ্বাদশ তথা শেষ প্ৰবন্ধ। এইটো পোনতে ইংৰাজীত ৰচনা কৰি ইম্ফলৰ এখন চেমিনাৰত (১৯৮২) পাঠ কৰা হৈছিল বুলি ড০ গোস্বামীয়ে পাদটীকাত নিজেই উল্লেখ কৰিছে। দুটাখণ্ডত বিভক্ত এই প্ৰবন্ধটোৰ প্ৰথম খণ্ডত জনকৃষ্টিৰ সংজ্ঞা আৰু ব্যাখ্যা আগবঢ়োৱা হৈছে। ড০ গোস্বামীয়ে আলোচনা প্ৰসঙ্গত কৈছে যে কালচাৰৰ অসমীয়া প্ৰতিশব্দ কৃষ্টিহে, সংস্কৃতি নহয়। কৃষ্টিক যেতিয়া সংস্কাৰ কৰা হয় তেতিয়াহে সংস্কৃতি বা কালচাৰড্ আখ্যা দিয়া হয়। জনকৃষ্টিৰ ইতিহাস বিচাৰ কৰি ড০ গোস্বামীয়ে দাঙি ধৰিছে যে আৰম্ভণিতে জনকৃষ্টি বোলোতে জনসাহিত্যকে বুজাইছিল, পৰৱৰ্তী কালত হে কৃষ্টিৰ আন আন দিশবোৰ ই সামৰে। জাৰ্মানৰ গ্ৰীম ভ্ৰাতৃদ্বয়ে

সংগ্ৰহ কৰা সাধুবোৰৰ অধ্যয়নৰ সংকেত দিবলৈ Volkskunde শব্দটো পোনতে ব্যৱহাৰ কৰা হৈছিল। ইংৰাজীত ইয়াক Folklore বুলি কোৱা হয়। জাৰ্মান Kunde আৰু ইংৰাজীLore শব্দৰ অৰ্থ হ'ল জ্ঞান। ইংৰাজী ভাষা চলা দেশবোৰত Folklore শব্দটোৰ ব্যৱহাৰ যথেষ্ট যদিও আন ঠাইবোৰত ইয়াক ভিন ভিন নামেৰেও বুজোৱা হয়। অসমত ইয়াক জনকৃষ্টি বুলি ড০ গোস্বামীয়েই পোন প্ৰথমে ব্যৱহাৰ কৰে। ড০ গোস্বামীয়ে দেখুৱাইছে যে ঠাইভেদে জনকৃষ্টিৰ ক্ষেত্ৰ আৰু পৰিধি বেলেগ বেলেগ। আমেৰিকাৰ Stith Thompson, R.M. Dorson আদি পণ্ডিতে জনকৃষ্টি বুলিলে প্ৰধানতঃ বৰ্ণনাত্মক দিশটোৰ ওপৰতহে গুৰুত্ব দিছিল। ইয়াৰেও আকৌ সাধুৰ ওপৰতহে অধিক গুৰুত্ব দিয়া হৈছে। দেখা যায় ড০ গোস্বামীয়েও আমেৰিকান পণ্ডিত দুগৰাকীৰ দৰেই জনকৃষ্টি বোলোতে বৰ্ণনাত্মক বা মৌখিক ৰূপটোৰ সাধুৰ ওপৰতে অধিক গুৰুত্ব দিছে। উল্লেখ কৰা ভাল, এইকথাটোৰ বাবেই বোধকৰোঁ ড০ গোস্বামীয়ে তেওঁৰ এই 'জাপানৰ জনকৃষ্টি" শীৰ্ষক গ্ৰন্থত জনকৃষ্টিৰ মৌখিক ৰূপটোহে আলোচনাৰ বিষয় হিচাপে লৈছে। ড০ গোস্বামীয়ে এই প্ৰবন্ধৰ প্ৰথম খণ্ডৰ শেষৰ ফালে 'জন' শব্দটোৰো এক ব্যাখ্যা দাঙি ধৰিছে। আৰম্ভণিতে 'জন' মানে পৰম্পৰাগত জীৱনক সাবটি লোৱা অনাখৰী মানুহ বুজোৱা হৈছিল যদিও আজিকালি কিন্তু সি সলনি হৈছে। ড০ গোস্বামীৰ মতে অতিকমেও এটা সাধাৰণ উপাদান থাকিলে শিক্ষিত মানুহৰ সমষ্টিকো আজিকালি 'জন' আখ্যা দিব পৰা যায়। অৰ্থাৎ আধুনিক ধাৰণা মতে 'জন' বুলিলে গ্ৰাম্য আৰু নগৰীয়া উভয়কে বুজায়। এইফালৰপৰা জনকৃষ্টি সৃষ্টিত যে নগৰীয়া মানুহৰো অৱদান থাকিব পাৰে সি নিঃসন্দেহ।

প্ৰবন্ধটোৰ দ্বিতীয় তথা শেষ অংশত পৰম্পৰাগত মৌখিক সাহিত্যৰ এটা পদ্ধতিমূলক শ্ৰেণী বিভাগ কৰি প্ৰত্যেকটো শ্ৰেণীৰেই আভাস আগবঢ়োৱা হৈছে। তদুপৰি এই প্ৰণালীবদ্ধ শ্ৰেণীসমূহৰ অধ্যয়ন সম্পৰ্কতো ড০ গোস্বামীয়ে কিছুমান বিজ্ঞানসন্মত পৰামৰ্শ আগবঢ়াই আলোচনাৰ সামৰণি মাৰিছে। নৈকে নোৱাৰি, ড০ গোস্বামীয়ে পূৰ্বৰ ধাৰণা মতেই এই মৌখিক সাহিত্যৰাজিক জনকৃষ্টি আখ্যা দিছে আৰু অসমত এইবোৰৰ চৰ্চা মিছনেৰী ধৰ্মপ্ৰচাৰকসকলৰ লগতে প্ৰশাসনীয় বিষয়াসকলে আৰম্ভ কৰা কাৰণে তেওঁলোকক অসমৰ জনকৃষ্টি চৰ্চাৰ বাটকটীয়া বুলি কৃতজ্ঞতা জনাইছে।

—০—

প্ৰফুল্লদত্ত গোস্বামীৰ ভ্ৰমণ বৃত্তান্ত ঃ এটি পৰ্য্যালোচনা

বসন্ত কুমাৰ ভট্টাচাৰ্য্য

সাহিত্য-সৃষ্টিৰ ক্ষেত্ৰত অভিজ্ঞতাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা প্ৰসংগত, কৃষ্ণকান্ত সন্দিকৈদেৱে তেখেতৰ অসম-সাহিত্য-সভাৰ সভাপতিৰ অভিভাষণখনৰ এঠাইত এনেদৰে লিখিছে ঃ "ব্যক্তিগত অভিজ্ঞতাৰ সামান্য এটা নিদৰ্শন ভ্ৰমণেও সাহিত্যক আহিলা-পাতি দিছে। ফৰাচী সাহিত্যৰ বৰ সৌভাগ্য যে, ইটালীয় হৈও মাৰ্ক-পলই ত্ৰয়োদশ শতিকাৰ শেষ ভাগত তেওঁৰ বিশ্ববিখ্যাত ভ্ৰমণ কাহিনী ফৰাচী ভাষাত লিখিছিল। পৰ্বতে-প্ৰান্তৰে, দ্বীপ-দ্বীপান্তৰে অনাই-বনাই ফুৰি ভগ্নস্বাস্থ্য ষ্টিভেন্‌ছনে ইংৰাজী সাহিত্যৰ ভঁৰাল গদ্যেৰে চহকী কৰি থৈ গৈছে।" ভাষা-সাহিত্যক সুসমৃদ্ধ কৰাত ভ্ৰমণ বৃত্তান্তইও যে অবিস্মৰণীয় বৰঙণি যোগাব পাৰে, সেইকথা, সন্দিকৈদেৱৰ উক্ত মন্তব্যৰপৰা স্পষ্টভাৱে অনুভৱ কৰিব পাৰি।

দেশ-বিদেশ ভ্ৰমণৰ জৰিয়তে লাভ কৰা অভিজ্ঞতাৰ ভেটিত, অসমীয়া সাহিত্যত ভ্ৰমণ বৃত্তান্ত ৰচনাৰ পৰম্পৰা আৰম্ভ হয় স্বাধীনতাৰ উত্তৰ কালত। দেশে স্বাধীনতা লাভ কৰাৰ পিছৰপৰা দেশ-বিদেশ ভ্ৰমণৰ সুবিধা বাঢ়িছে; শৈক্ষিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু বাণিজ্যিক কাৰণত অসমীয়া লোকে দেশ-বিদেশৰ নানা ঠাইলৈ যাবলগীয়াত পৰিছে। এনেদৰে গমনাগমনৰ জৰিয়তে লাভ কৰা অভিজ্ঞতাৰ আধাৰত বহুজনে ৰচনা কৰা ভ্ৰমণ বৃত্তান্তই অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। এইদৰে ভ্ৰমণ বৃত্তান্ত ৰচনাৰে অসমীয়া সাহিত্য জগতত যি কেইগৰাকী ব্যক্তিয়ে খ্যাতি লভিবলৈ সমৰ্থ হৈছে, সেই কেইগৰাকীৰ ভিতৰত ড০ প্ৰফুল্লদত্ত গোস্বামীৰ স্থান নিঃসন্দেহে আগশাৰীত। আজীৱন শিক্ষাব্ৰতী, বিশিষ্ট শিক্ষক আৰু লোক-সংস্কৃতিৰ বিদগ্ধ গৱেষক ড০ গোস্বামীৰ সাহিত্যিক প্ৰতিভা বৈচিত্ৰ্যপূৰ্ণ। অসমীয়া সাহিত্যলৈ তেখেতে আগবঢ়োৱা বৰঙণিসমূহৰ স্থায়িত্ব অনতিক্ৰম্য।

শিক্ষা আৰু সাহিত্য-সংস্কৃতি সম্পৰ্কীয় কাৰ্য্যত ড০ গোস্বামীয়ে একাধিকবাৰ বিদেশ ভ্ৰমণৰ সুবিধা লাভ কৰিছিল। ইয়াৰ ফলত ব্যক্তিগতভাৱে তেখেত বিমান লাভবান হৈছিল, তাতোকৈ অধিকতৰ লাভবান হৈছিল অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতি। ইয়াৰ প্ৰমাণ— বিদেশ ভ্ৰমণৰ অভিজ্ঞতাৰে ৰচিত তেখেতৰ ভ্ৰমণ বৃত্তান্ত কেইখন।

ড০ গোস্বামীৰদ্বাৰা ৰচিত ভ্ৰমণ বৃত্তান্ত চাৰিখন ঃ (ক) *বিলাতত সাত মাহ* (১৯৫৯), (খ) *সোণৰূপৰ নহয় সি দেশ* (১৯৬২), (গ) *পৃথিৱীৰ চৌপাশে এপাক* (১৯৬৭) আৰু (ঘ) *মোৰ ৰাছিয়া ভ্ৰমণ* (১৯৭৪)।

ড০ গোস্বামীয়ে বিদেশী শিক্ষা গ্ৰহণ আৰু বিদেশ চোৱাৰ আগ্ৰহৰ তাড়নাত ১৯৫৮ চনত ইংলণ্ডলৈ গৈছিল আৰু তাত সাত মাহ কটাইছিল। এই সময়ছোৱাৰ ভিতৰত, তেখেতে ইংলণ্ডৰ লগতে আন দুই-চাৰিখন দেশ ঘূৰি-ফুৰি সেইবোৰত প্ৰচলিত শিক্ষা তথা সমাজ ব্যৱস্থা সম্পৰ্কে যি অভিজ্ঞতা আহৰণ কৰিছিল, তাৰ ভেটিত ৰচিত *বিলাতত সাত মাহ* শীৰ্ষক গ্ৰন্থখনেই তেখেতৰ প্ৰথম ভ্ৰমণ বৃত্তান্ত। এইখন গ্ৰন্থই পিছত *সোণৰূপৰ নহয় সি দেশ* নামেৰে প্ৰকাশ পায়। তেখেতৰ নিজৰ ভাষাত ঃ "সাত মাহ কালৰ ভিতৰত পঢ়াশুনা আৰু ফুৰা-চকা কৰি ইংলণ্ড আৰু আন দুই-এখন দেশৰ শিক্ষাবিধি, সংস্কৃতি আৰু সমাজ-ব্যৱস্থাৰ বিষয়ে যি এটা ধাৰণা কৰিবলৈ সমৰ্থ হৈছিলোঁ, তাৰে এটি আভাস কিতাপখনত দিয়া হৈছে।"

১৯৬৬ চনত আমেৰিকাৰ ইণ্ডিয়েনা ইউনিভাৰ্চিটিৰ ফোকলোৰ ইন্‌স্‌টিটিউটৰ ডাইৰেক্টৰ ড০ ডৰ্ছনৰ আমন্ত্ৰণক্ৰমে ড০ গোস্বামীয়ে তালৈ শিক্ষকতা কৰিবলৈ যায়। এয়া তেখেতৰ দ্বিতীয়বাৰৰ কাৰণে বিদেশ ভ্ৰমণ। এই সুযোগতে তেখেতে ৱাছিংটন, জাপান আদি দেশতো ভুমুকি মাৰে। এইদৰে বিদেশী শিক্ষানুষ্ঠানত পাঠদান কৰি লাভ কৰা অভিজ্ঞতা আৰু তাৰ সমাজ-জীৱনৰ বিভিন্ন দিশত দৃষ্টিপাত কৰি তেখেতৰ মনত ওপজা ধাৰণাৰ ভেটিত, তেখেতে ৰচনা কৰে দ্বিতীয়খন ভ্ৰমণ বৃত্তান্তৰ গ্ৰন্থ— *পৃথিৱীৰ চৌপাশে এপাক*। ১৯৬৮ চনত এইখন গ্ৰন্থ প্ৰকাশিত হয়।

ভাৰত চৰকাৰৰ শিক্ষা দপ্তৰৰ সৌজন্যত ড০ গোস্বামীয়ে চোভিয়েট ৰাছিয়া ভ্ৰমণৰ সুযোগ লাভ কৰে ১৯৭১ চনত। এয়া তেখেতৰ তৃতীয়বাৰৰ কাৰণে বিদেশ ভ্ৰমণ। তেখেতৰ *মোৰ ৰাছিয়া ভ্ৰমণ* বোলা গ্ৰন্থখন, এই ভ্ৰমণৰ জৰিয়তে আহৰণ কৰা অভিজ্ঞতাৰ ফল। এইখন গ্ৰন্থ প্ৰকাশ পায় ১৯৭৪ চনত।

ড০ গোস্বামীৰ ভ্ৰমণ বৃত্তান্ত কেইখনলৈ লক্ষ্য কৰিলে দেখা যায় যে, তেখেতে বিষয়বস্তু সৰস আৰু প্ৰাঞ্জল ভংগীত উপস্থাপন কৰে। সেয়েহে তথ্যপূৰ্ণ হৈও তেখেতৰ ভ্ৰমণ বৃত্তান্ত আবেদনক্ষম আৰু কৌতূহল উদ্ৰেককাৰী। ড০ গোস্বামী সংযমী লেখক। আলংকাৰিক ভাষা প্ৰয়োগেৰে তেখেতে তেখেতৰ কোনো ৰচনাকে ভাৰাক্ৰান্ত কৰা দেখা নাযায়। ভ্ৰমণ বৃত্তান্ত কেইখনৰ ভাষালৈ লক্ষ্য কৰিলেও ইয়াৰ সত্যতা অনুভৱ কৰিব পাৰি। এই প্ৰসংগত ড০ বীৰেন্দ্ৰনাথ দত্তই ড০ গোস্বামীৰ ব্যক্তিত্ব আৰু কৃতিত্ব সম্পৰ্কে দাঙি ধৰা মন্তব্যলৈ আঙুলিয়াব পাৰি ঃ "প্ৰচলিত অৰ্থত সাহিত্যকৃতিৰ যি সংজ্ঞা তাৰ পৰিধিৰ মাজত ড০ গোস্বামীৰ লেখনী প্ৰসূত কৰ্মৰাজিক সম্পূৰ্ণভাৱে সামৰিব নোৱাৰি।.... তেখেতৰ সৰ্বাধিক সমাদৃত ৰচনাসমূহৰ সম্পৰ্ক বিজ্ঞানৰিনি পাণ্ডিত্যৰ জগতসিমানখিনি সাহিত্যিক

প্ৰয়াসৰ জগত নহয় (যেনে ৰচনাৰ সাহিত্যিক মূল্য অস্বীকাৰ নকৰিও)। আনহাতে তেখেতৰ ভালেমান সৰু ১ ক ৰচনাৰ আঁৰত আছে সাহিত্যিকৰ আত্মপ্ৰকাশৰ তাগিদাতকৈ এক তীব্ৰ কৌতূহলী অনুসন্ধিৎসু আৰু জ্ঞান-লিপ্সু মনৰ অভিজ্ঞতা সঞ্চয়ৰ তাড়না।........ প্ৰকৃততে ড০ গোস্বামীৰ সৃষ্টিশীল জগতখন ঠিক সাহিত্যিকৰ জগত নহয়-- সেইখন জগত অধ্যয়ন আৰু মননৰ, চিন্তা আৰু চেতনাৰ, নিৰীক্ষণ আৰু সংগ্ৰহৰ, জিজ্ঞাসা আৰু উপলব্ধিৰ।' ড০ দত্তদেৱৰ এই মন্তব্য, ড০ গোস্বামীদেৱৰ ভ্ৰমণ বৃত্তান্ত কেইখনিৰ ক্ষেত্ৰত সম্পূৰ্ণভাৱে প্ৰযোজ্য।

ড০ গোস্বামীয়ে, তেখেতৰ ভ্ৰমণ কাহিনীত কোনো এটা ঘটনা বা কাৰ্যাৰ ধাৰাবাহিক বিৱৰণ দাঙি ধৰিয়েই ক্ষান্ত নাথাকে, সেই ঘটনা বা কাৰ্য্যই তেখেতৰ মনৰ ওপৰত কেনে ধৰণৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰে, সেইকথাও তেখেতে বিশ্লেষণ কৰে। এই প্ৰসংগত, মস্কোৰ চাবলগীয়া বস্তুৰ বিষয়ে তেখেতে দাঙি ধৰা বিৱৰণৰ একাংশলৈ আঙুলিয়াব পাৰি : 'কাশীলৈ গ'লে যেনেকৈ বাবা বিশ্বনাথৰ মন্দিৰ নোচোৱাকৈ মানুহ নাহে, সেইদৰে মস্কোৰ ক্ৰেমলিন দুৰ্গ নাচালে নাইবা লেলিনৰ সমাধিত ভুমুকি নামাৰিলে ৰাচিয়া ভ্ৰমণ ব্যৰ্থ বুলিব পাৰি। ক্ৰেমলিন এতিয়া দুৰ্গ হিচাপে ব্যৱহাৰ নকৰে; সি গেৰুৱা ৰঙৰ দেৱালৰ ভিতৰত সুৰক্ষিত ঘৰ কেতবিলাকৰ সৃষ্টিহে। তথাপি এই ঠাইত আছে উচ্চতম চোভিয়েটৰ অফিচ আৰু এই ঠাইয়ে যেনিবা আধুনিক ৰাচিয়াৰ শক্তি-সামৰ্থ্যৰ প্ৰতীক। (*মোৰ ৰাছিয়া ভ্ৰমণ*, পৃ.৫)

সাধাৰণতে চকুত নপৰা বা গুৰুত্ব নিদিয়া সৰু-সুৰা ঘটনাৰ প্ৰতি ড০ গোস্বামীয়ে সততে চকু দিয়ে। বিদেশ ভ্ৰমণ কালতো তেখেতে সৰু-সুৰা ঘটনাবোৰলৈ লক্ষ্য কৰিছিল আৰু সেইবোৰে তেখেতৰ মনত যেনে অনুভূতিৰ সৃষ্টি কৰিছিল, ভ্ৰমণ বৃত্তান্তত তাৰো প্ৰকাশ ঘটিছে। উদাহৰণস্বৰূপে, লণ্ডনৰ মটৰ চালকৰ বিষয়ে তেখেতে প্ৰকাশ কৰা মন্তব্যৰ এছোৱা তলত উল্লেখ কৰা হ'ল :

"ইংৰাজ মটৰ চালকৰ ইউৰোপত সুনাম। ইয়াৰ কাৰণ এওঁলোকে অতি সতৰ্কভাৱে আৰু সাৱধানে মটৰ চলায়। চহৰৰ ভিতৰত বেগাই নচলায় আৰু যদিও আলিবাটত মানুহ পাৰ হোৱা নিৰ্দিষ্ট ঠাই আছে, তথাপি কোনোবা মাজবাটৰ কাষত উদগ্ৰীৱ হৈ থাকিলে, মটৰ ৰাখি পাৰ হ'বলৈ দিয়ে। এই ভদ্ৰ আচৰণ বিদেশীৰ মানত আচৰিত কথা-- লণ্ডনত মটৰৰ শিঙা বজোৱা কদাচহে শুনিবলৈ পোৱা যায়।" (*সোণৰূপৰ নহয় সি দেশ*, পৃ.২)

ভ্ৰমণ বৃত্তান্ত ৰচি অসমীয়া সাহিত্যক সমৃদ্ধ কৰা লেখকসকলৰ ভিতৰত হেম বৰুৱাও অবিস্মৰণীয়। পিছে হেম বৰুৱা আৰু ড০ প্ৰফুল্লদত্ত গোস্বামীৰ ৰচনাৰীতি আৰু দৃষ্টিভংগীৰ মাজত পাৰ্থক্য আছে। হেম বৰুৱাৰ ৰচনাৰীতি কাব্যিক গুণেৰে ৰমণীয় আৰু দৃষ্টিভংগী কল্পনা আশ্ৰয়ী। আনহাতে ড০ গোস্বামীৰ ৰচনাৰীতি পোনপটীয়া আৰু দৃষ্টিভংগী সূক্ষ্ম

নিৰীক্ষকৰ। অৱশ্যে ঠাই বিশেষে তেখেতৰ বৰ্ণনাতো চিত্ৰধৰ্মিতা লক্ষ্য কৰিব পাৰি। এনে বৰ্ণনাত কাব্যিক মাধুৰ্য্য বৰ্তমান। যেনে :

"বিমান বন্দৰ এৰিয়ে পাৰোঁ বাটৰ দুয়োকাষে অসংখ্য পোন পাতল গছৰ শাৰি। সৰল, ওক, বাৰ্চ্চ আদি বিভিন্ন গছ্ যদিও শেহৰ বিধে সততে দৃষ্টি আকৰ্ষণ কৰে। গছবিলাক লাহী আৰু বগা, মাজে মাজে পথালিয়ে কেতবোৰ খাকৰ দৰে দাগ। এইয়ে অমাৰ ভূৰ্জবৃক্ষ। গছৰ তলত ঘাঁহ আছে। আমাৰ ইয়াত পোৱাৰ দৰে জংগল নাই। চাইবেৰিয়া অঞ্চলত এনে গছৰ হাবি সৰহ। তাত এনে হাবিক কোৱা হয় টাইগা।" (*মোৰ বাহিৰা ভ্ৰমণ*, পৃ.২)

ভ্ৰমণ বৃত্তান্ত তথ্যনিষ্ঠ আৰু ব্যক্তিগত অভিজ্ঞতা সম্ভূত হ'লেহে, সি উপাদেয় হয়। ড০ গোস্বামীৰ ভ্ৰমণ বৃত্তান্তত উক্ত দুয়োটা বৈশিষ্ট্যই বৰ্তমান। সেইকাৰণে সেইবোৰ উপাদেয়ও। ড০ গোস্বামীৰ ৰচনাত, ক'তো অতিৰঞ্জনৰ চেষ্টা নাই, অথবা কোনো তথ্যক বিকৃত কৰাৰো প্ৰয়াস নাই; আছে সত্যক সাহসেৰে প্ৰকাশ কৰাৰ একান্ত অনুৰাগ। ৰচনাৰ মাজেদি ড০ গোস্বামী ব্যক্তিগৰাকী, অকপটভাৱে প্ৰকাশ পোৱাটো, ভ্ৰমণ বৃত্তান্ত কেইখনৰ অন্যতম উল্লেখনীয় দিশ। ইয়াৰ ফলত, গোটেইকেইখন গ্ৰন্থই লাভ কৰিছে একো একোটা বিশিষ্ট মাত্ৰা।

অসমীয়া ভাষাত ৰচিত ভ্ৰমণ বৃত্তান্ত, সাম্প্ৰতিক কাললৈকে অসংখ্য প্ৰকাশিত হৈছে। নক'লেও হ'ব যে সেইবোৰে অসমীয়া সাহিত্যৰ এই দিশটোক পুৰিপুষ্ট কৰাত সহায়তাও কৰিছে; কিন্তু মান বিশিষ্ট আৰু সুলেখিত ভ্ৰমণ বৃত্তান্তৰ সংখ্যা আমাৰ সাহিত্যত আজিও সামান্য। এই ক্ষেত্ৰত ড০ প্ৰফুল্লদত্ত গোস্বামীৰ ভ্ৰমণ বৃত্তান্ত কেইখনৰ স্বকীয় বিশিষ্টতা নিঃসন্দেহে তাৎপৰ্যাপূৰ্ণ।

—০—

‘‘পৃথিৱীৰ চৌপাশে এপাক’’

মালিনী গোস্বামী

কৃতবিদ্য পণ্ডিত অধ্যাপক প্রফুল্লদত্ত গোস্বামী একেধাৰে এজন যশস্বী শিক্ষক, লোক-সংস্কৃতিৰ সাধক, সাহিত্য-সমালোচক আৰু কথা-সাহিত্যিক। তেখেতে ৰচনা কৰি থৈ যোৱা বাৰমখন গ্ৰন্থ, ভালেমান গৱেষণামূলক আৰু জনপ্ৰিয় প্ৰবন্ধৰ ভিতৰত চাৰিখন মনোৰম ভ্ৰমণ কাহিনী পোৱা যায়। তাৰ ভিতৰত *পৃথিৱীৰ চৌপাশে এপাক* ১৯৬৮ চনত প্ৰকাশ পোৱা ১৬০ পৃষ্ঠাৰ এখন দীঘলীয়া ভ্ৰমণ কাহিনী। ১৯৬৬ চনত আমেৰিকাৰ ইণ্ডিয়ানা ইউনিভাৰ্চিটিৰ ফোকল'ৰ ইন্‌ষ্টিটিউটৰদ্বাৰা নিমন্ত্ৰিত হৈ গোস্বামীদেৱে আমেৰিকালৈ যাবলগীয়া হৈছিল। লোক-সংস্কৃতি বিষয়ৰ সেই অনুষ্ঠানৰ সঞ্চালক অধ্যাপক ডৰ্ছনৰ উদ্যোগত গোস্বামীদেৱে সেই অনুষ্ঠানত ভাৰতীয় জনকৃষ্টি বিষয়ক পাঠদানৰ দায়িত্ব ল'বলগীয়া হৈছিল আৰু সেই অৱসৰতে তেখেতে যুক্তৰাষ্ট্ৰৰ জীৱনধাৰাৰ বিভিন্ন দিশত ভুমুকিয়াই চাবলৈ সুবিধা পাইছিল। গোস্বামীদেৱৰ জ্ঞানলিপ্সা আৰু অনুসন্ধিৎসা প্ৰবল হোৱা বাবে আৰু দৃষ্টিভঙ্গী বিশ্লেষণাত্মক হোৱা বাবে তেখেতৰ আমেৰিকা যাত্ৰাৰ অভিজ্ঞতা আছিল অতি সূক্ষ্ম আৰু তথ্য সমৃদ্ধ। *পৃথিৱীৰ চৌপাশে এপাক* নামৰ গ্ৰন্থখনৰ পৰা পাঠকে তেখেতৰ এই বহুমূলীয়া অভিজ্ঞতাৰ সোৱাদ চাকি চাবলৈ সুবিধা পাইছে।

গ্ৰন্থখন ১৯৬৬-৬৭ চনৰ ভিতৰত ৰচনা কৰা হৈছিল। আমেৰিকাত থকা কালছোৱাত তেখেতে ব্লুমিংটন, নিউয়ৰ্ক, হাৰ্ষি, ৱাছিংটন, পেনচিলভেনীয়া আদি ঠাই ভ্ৰমণ কৰিছিল আৰু ঘূৰি অহাৰ পথত জাপান দেশ ফুৰিছিল। তেখেতৰ এই ভ্ৰমণ বৃত্তান্তত গোস্বামীদেৱে বাটত পৰা সকলোবোৰ ঠাইৰ লগতে জাপানৰ ট'কিঅ', য়োকোহামা আদি প্ৰধান নগৰসমূহৰ ওপৰত একোটা পৰিচয়মূলক টোকা দি গৈছে। ঠাইবোৰৰ ভৌগোলিক, ঐতিহাসিক আৰু বাণিজ্যিক প্ৰসিদ্ধি সম্পৰ্কে লিখি গৈছে। যবলৈ ঘূৰি আহোঁতে বিমানেৰে পাৰ হোৱা বেংকক, থাইলেণ্ড আদি ঠাইবো বিৱৰণ তেখেতে দি গৈছে। এই সকলোবোৰ ঠাই নগৰ বা মহানগৰ হোৱা বাবে এনে ৰচনাত নৈসৰ্গিক বৰ্ণনাৰ সুবিধা নাই যদিও এঠাইৰপৰা আন ঠাইলৈ বাছেৰে বা উৰাজাহাজেৰে যাতায়ত কৰোঁতে দেখা পোৱা ঠাইৰ

প্ৰাকৃতিক বৰ্ণনাই তথ্য সমৃদ্ধ এই ভ্ৰমণ কাহিনীখনলৈ এক কাব্যিক স্বাদ আনি দিছে। বিশেষকৈ পেনচিলভেনীয়াৰ সেউজীয়া পাহাৰীয়া অঞ্চলৰ বৰ্ণনা অতি মনোৰম হৈছে। অসমৰ সেউজীয়া বন-বননিৰ মাজত অভ্যস্ত, পক্ষীপ্ৰেমী গোস্বামীদেৱৰ এই বৰ্ণনাত এক মধুৰ আত্মীয়তা প্ৰকাশ পাইছে।

ভ্ৰমণ কাহিনী হ'লেও গ্ৰন্থখনত চন-তাৰিখৰ উল্লেখ কম আৰু ই দিনলিপিৰ দৰে লিখা ধাৰাবাহিক সংবাদ সংগ্ৰহো নহয়। গোস্বামীদেৱে আলোচনা প্ৰসঙ্গত দেশ দুখনৰ প্ৰায় সকলোবোৰ দিশ সামৰি লৈছে। তেখেতে ভ্ৰমণ কৰা ইণ্ডিয়ানা আৰু ছাচেক্স বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থা, পাঠ্যক্ৰম, পৰীক্ষা পদ্ধতি, পৰীক্ষণ ৰীতি আদিৰ বিষয়ে পৰিপাটিকৈ লিখি থৈ গৈছে। যি ঠাইলৈকে গৈছে সেই ঠাইৰ ইতিহাস চমুকৈ আগবঢ়াইছে। যুক্তৰাষ্ট্ৰৰ স্বাধীনতা দিৱসৰ বৰ্ণনাত যুক্তৰাষ্ট্ৰৰ জন্মকাহিনী, ১৯১৯ চনৰপৰা আমেৰিকান নিগ্ৰোসকলৰ প্ৰব্ৰজনৰ ইতিহাস, তেওঁলোকৰ সামাজিক স্থিতি আৰু কৃষ্ণশক্তিৰ অভ্যুত্থান আদি বিষয় স্যাধু কোৱাৰ দৰে কৈ গৈছে। তদুপৰি নিউয়ৰ্ক, ৱাছিংটন, হাৰ্ম্নি আদি ঠাইৰ চমু ইতিহাসৰ লগতে যাদুঘৰবিলাকত সংৰক্ষিত কিছুমান প্ৰসিদ্ধ সামগ্ৰীৰ ইতিহাসো গ্ৰন্থখনত লিখি থৈ গৈছে।

আমেৰিকাৰ জনজীৱনৰ বিভিন্ন দিশত গোস্বামীদেৱে আলোকপাত কৰি গৈছে। সেই ঠাইৰ শাসন ব্যৱস্থা, যাতায়ত, শিক্ষা আনকি দোকান-পোহাৰ, ঘৰ-দুৱাৰ আদিৰ বিষয়েও প্ৰসঙ্গক্ৰমে কৈ গৈছে। বিদেশত থকা কালত কেইবাটাও বিদেশী আৰু ভাৰতীয় পৰিয়ালৰ লগত তেখেতৰ ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিছিল। সেই সুযোগতে তেখেতে পশ্চিমীয়া সংসাৰ একোখনৰ খুটি-নাটিবোৰ ধৰা পেলাইছিল। তেওঁলোকৰ শাসন, শিক্ষা বা যাতায়াত ব্যৱস্থাক গোস্বামীদেৱে প্ৰশংসা কৰিছে যদিও সামাজিক আৰু সাংসাৰিক বিশৃংখলতাক সমালোচনা কৰিছে। বিশেষকৈ পশ্চিমীয়া সমাজত উত্তাপহীন আতিথ্য, স্বামী-স্ত্ৰীৰ মাজত সৌহাৰ্দহীন সম্বন্ধ, বৃদ্ধ পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ উদাসীনতা, সঘনাই হোৱা বিবাহ-বিচ্ছেদ, যুৱক-যুৱতীসকলৰ অস্থিৰ আৰু বিশৃংখল স্বভাৱ আদিক তেখেতে তীক্ষ্ণভাৱে সমালোচনা কৰিছে। বিশেষকৈ বৃদ্ধকালৰ নিঃসঙ্গতাক তেখেতে বৰ সহানুভূতিৰে উপলব্ধি কৰিছে। ভাৰতত বৃদ্ধবয়সৰ মৰ্য্যাদা আৰু বৃদ্ধলোকৰ নিৰাপত্তাৰ বিপৰীতে সেই ঠাইত তেওঁলোকৰ অৱহেলিত আৰু উপেক্ষিত জীৱনবোৰৰ মৰ্মান্তিক অৱস্থাৰ কথা কৈছে। আশ্ৰয় গৃহত থকা আৰু নিঃসঙ্গভাৱে নিজৰ ঘৰত কাল কটোৱা বুঢ়া মানুহৰ মনস্তত্ত্ব তেখেতে বৰ সুন্দৰকৈ অধ্যয়ন কৰিছে আৰু এজন নৃতাত্ত্বিকৰ ৰচনাৰপৰা উদ্ধৃতি দি এনে ব্যৱস্থাক জেনোচাইদ্ বা 'সমূহীয়া নৰহত্যা' বুলি কৈছে।

গ্ৰন্থখনৰ প্ৰায় প্ৰতিটি পাততে এটি বিশেষ অনুভূতিৰ ঘন ছাঁ অনুভৱ কৰা যায়। সি হৈছে গোস্বামীদেৱৰ স্বদেশপ্ৰীতিৰপৰা ওপজা এক অহংকাৰৰ ভাৱ। সাধাৰণতে বিদেশলৈ যোৱা ভাৰতীয়ৰ সৰহভাগে বিদেশৰ ভালখিনি সদৰি কৰি স্বদেশৰ বেয়াখিনি সমালোচনা

কৰা দেখা যায়। কিন্তু গোস্বামীয়ে আলোচনাৰ ভিতৰত সামৰি লোৱা বিদেশৰ প্ৰায় প্ৰতিটি বিষয়কে ভাৰতীয় মানেৰে জুখি চাইছে। তেনে তুলনামূলক বিচাৰবদ্ধাৰা ভাৰতীয় শাসন ব্যৱস্থা, শিক্ষা ব্যৱস্থা আদিত থকা ক্ৰুটীসমূহ তেখেতে আঙুলিয়াই দিছে যদিও এই দেশৰ সাংস্কৃতিক পৰম্পৰা, জাতীয় চৰিত্ৰৰ বৈশিষ্ট্য, সামাজিক শৃংখলা, উচ্চ নৈতিকতা আদি বিষয়ক লৈ গৌৰৱ কৰিছে। ব্লুমিংটনত লিখা 'ভাৰতৰ বদনাম' নামৰ প্ৰবন্ধতো গোস্বামীদেৱৰ স্বদেশ গৌৰৱ ফুটি উঠিছে। ভাৰতীয় কৃষ্টিক বিকৃতৰূপত ব্যাখ্যা কৰা লোকক তেখেতে এই প্ৰবন্ধতে চুঙা চাই সোপা দি থৈছে।

গ্ৰন্থখনৰ আন এটি উল্লেখযোগ্য বিষয় হ'ল এয়ে যে ইয়াত গ্ৰন্থকাৰে যুক্তৰাষ্ট্ৰ আৰু জাপানৰ সকলো প্ৰসিদ্ধ ঠাই, অনুষ্ঠান আৰু বুৰঞ্জীবিখ্যাত স্মৃতিচিনবোৰৰ বৰ্ণনা দি গৈছে। যুক্তৰাষ্ট্ৰৰ চেণ্ট্ৰেল পাৰ্ক, নেচাৰেল হিষ্টৰি মিউজিয়াম, ৰাষ্ট্ৰসংঘৰ টোল, পাৰ্লিয়ামেন্ট হাউচ, হোৱাইট হাউচ, পুথিভঁৰাল, তেখেতে ভ্ৰমণ কৰা বিশ্ববিদ্যালয় আদি অনুষ্ঠানবোৰৰ এনে বৰ্ণনা তেখেতে আগবঢ়াইছে যে পাঠকে গ্ৰন্থখনৰ জৰিয়তে এই প্ৰসিদ্ধ স্থানসমূহৰ লগত সহজে পৰিচয় হ'ব পাৰে।

গোস্বামীদেৱ নিজে ঔপন্যাসিক হোৱা বাবে তেখেতে ভ্ৰমণমূলক তথ্যৰ উপস্থাপনতো কাব্যিক কৌশল প্ৰয়োগ কৰি ৰচনা সৰস কৰি তুলিছে। তেখেতে এই যাত্ৰাত লগ পোৱা ড০ এডাৰ, ড০ টিলহাগেন, ড০ লিণ্ডা ডেগ, মিচেজ ডল্টন, ব্লেকেনষ্টোজ, পেটেল আদি অধ্যাপক, সহকৰ্মী, সহযাত্ৰী, ছাত্ৰ আদি অনেক লোকৰ পৰিচয়, কথা প্ৰসঙ্গত দি গৈছে। এই সকলো লোকৰ স্বভাৱ, চৰিত্ৰ, মনস্তত্ত্ব, চাল-চলন আদি অতি চমুকৈ অথচ অতি স্পষ্টকৈ এনেদৰে কৈ গৈছে যে ভ্ৰমণকাহিনীখন এখন ঘটনা বহুল আৰু চৰিত্ৰ বহুল উপন্যাসৰ দৰে সোৱাদ লগা হৈ পৰিছে। তদুপৰি তেখেতৰ স্বাভাৱিক সৰল ঘৰুৱা কথনভঙ্গীয়েও গ্ৰন্থখনলৈ কাব্যসুলভ মাধুৰ্য্য আনিছে। যেনে ঃ

"বুঢ়াৰ কথাৰ ভঙ্গী দেখি সৰু ল'ৰাই এচাৰিবে চুই দিয়া বিছাই গা ভোৰোৰাই দিয়াৰ দৰে মোৰো মেজাজ ভোৰোৰি উঠিছে।"

"মানুহজনৰ গুৰি শকত, অৰ্থাৎ আত্মীয়-কুটুম্ব চহকী আৰু নিজেও যথেষ্ট টেঙৰ।"

ইতিমধ্যে কৈ অহা হৈছে যে তেখেতৰ শিশুসুলভ অনুসন্ধিৎসাৰ বাবেই এইখন গ্ৰন্থই সাৰ্থক ৰূপত প্ৰকাশ পাইছে। তেখেতৰ এই ঔৎসুক্যৰ লগত বজিতা খোৱাকৈ তেখেতে গ্ৰন্থখনৰ শেষত উদ্ধাৰ কৰি দিয়া জাপানী যোজোনাটিৰ অনুবাদে সকলো অনুসন্ধিৎসু ভ্ৰমণকাৰীক প্ৰেৰণা যোগাব পাৰে ঃ

"এশবাৰ শুনিলেও এবাৰ দেখাৰ সমান নহয়, সোধাটো ক্ষন্তেকৰ লাজ, নোসোধাটো জীৱনৰ লাজ। ভ্ৰমণত সঙ্গী, জীৱনত সমবেদনা।"

—০—

"শেষ ক'ত ?" আৰু "কেঁচা পাতৰ কঁপনি"

কৃষ্ণকুমাৰ মিশ্ৰ

অসমীয়া উপন্যাসৰ আধুনিকতাবাদী ধাৰাটোৰ প্ৰাৰম্ভ সূচিত হৈছিল প্ৰফুল্লদত্ত গোস্বামীৰ হাতত। তেওঁৰ "শেষ ক'ত ?" (১৯৪৮) আৰু "কেঁচা পাতৰ কঁপনি" (১৯৫২) দুয়োখন উপন্যাসেই অসমীয়া সাহিত্যলৈ নতুনত্বৰ বাণী কঢ়িয়াই আনিছিল। অসমীয়া উপন্যাসৰ ক্ষেত্ৰত এনে সচেতন সম্পৰীক্ষাৰ গুৰিতে আছিল তেওঁৰ ইংৰাজী সাহিত্যৰ বিশদ জ্ঞান আৰু এটি পৰিশীলিত সাংস্কৃতিক মনন। সেয়ে এই দুখন উপন্যাসে যে অসমীয়া পাঠকক অকল অভিনৱত্বৰ স্বাদ প্ৰদান কৰিছিল এনে নহয় একোটি বিশিষ্ট শিল্প-কৰ্মৰ স'তেও পাঠকক পৰিচয় কৰি দিছিল।

অসমীয়া উপন্যাসৰ এটা সাধাৰণ পৰম্পৰা আছে। এটা নিৰ্দিষ্ট পটভূমিৰ আধাৰত ঔপন্যাসিকে কাহিনী নিৰ্মাণ কৰে, কেতবোৰ চৰিত্ৰৰ যোগেদি সুসংহতভাৱে সেই কাহিনীৰ বিন্যাস কৰা হয়। কাহিনীৰ আদি-মধ্য-অন্ত থাকে। 'বিষয়বস্তুৰ পিনৰপৰা ঘাইকৈ সামাজিক আৰু ৰাজনৈতিক বাস্তৱতাত আশ্ৰয় গ্ৰহণ, আৰ্থ-সামাজিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষাত প্ৰেম বা তেনে কোনো অভিজ্ঞতাৰ বিচাৰ, নিৰ্দিষ্ট গুণসম্পন্ন কিছুমান চৰিত্ৰৰ অৱতাৰণা, দুই-এটা ব্যতিক্ৰমৰ বাহিৰে কাহিনীৰ বস্তুনিষ্ঠ বৰ্ণনা— এই পৰম্পৰা অনুসাৰেই অসমীয়াত উপন্যাস ৰচনা হৈছিল, এতিয়াও হৈ আছে।' মন কৰিবলগীয়া যে উপন্যাস-ৰচনাৰ এনে সুস্পষ্ট পৰম্পৰা পাশ্চাত্য সাহিত্যতো পোৱা যায়। উল্লিখিত নিৰ্দিষ্ট প্ৰকৃতিৰ উপন্যাসক পৰম্পৰাবাদী উপন্যাস আখ্যা দিয়া হৈছে। ডেভিড ডেইছেজে এইবিধ উপন্যাসৰ আৰু দুটামান লক্ষণৰ বিষয়ে আলোচনা কৰিছে। সেইমতে, পৰম্পৰাবাদী উপন্যাসৰ ঘটনাৰাজিৰ তাৎপৰ্য্য সকলোৱে বুজিব পৰা অৰ্থাৎ বোধগম্য; এনে উপন্যাসৰ এটা সামৰণি থাকে, কাহিনী শেষ হোৱাৰ লগতে উপন্যাসেও পৰিণতি লাভ কৰে। গোহাঞিবৰুৱা-বেজবৰুৱাৰপৰা আৰম্ভ কৰি বিৰিঞ্চিকুমাৰ বৰুৱালৈকে আৰু তাৰ পিছতো এই পৰ্যন্ত অসমীয়া ঔপন্যাসিকে উপন্যাস-ৰচনাত ওপৰত আলোচনা কৰা প্ৰকৃতি সাধাৰণভাৱে অনুসৰণ কৰি অহা দেখা যায়।

এই পৰম্পৰা ভঙ্গ কৰিলে প্ৰফুল্লদত্ত গোস্বামীয়ে। তেওঁ গতানুগতিক আৰ্হি পৰিহাৰ কৰি কলা সম্মতভাৱে নতুন কৌশল প্ৰয়োগ কৰি উপন্যাস ৰচিলে। যথাযথ কাহিনী নিৰ্মাণ অথবা চৰিত্ৰ-চিত্ৰণত তেওঁ গুৰুত্ব নিদিলে। ইংৰাজ ঔপন্যাসিক ভি.এছ. প্ৰিছেটে আঙুলিয়াই দিয়াৰ দৰে জীৱন-সৌৰৱণ অথবা আত্মজীৱনীৰ আৰ্হিত গঢ় লোৱা, প্লটবিহীন আধুনিক উপন্যাস ৰচনাৰ সচেতন প্ৰয়াসৰ ফলতে যে আধুনিকতাবাদী উপন্যাস দুখনৰ জন্ম হৈছিল তাৰ উমান পাব পাৰি "কেঁচা পাতৰ কঁপনি"ৰ ভূমিকাত প্ৰফুল্লদত্ত গোস্বামীয়ে নিজে লেখা কথাৰপৰাই :

উপন্যাস আৰু এতিয়া গতানুগতিক অৰ্থৰ কাহিনী নহয়। সেই অনুসৰি ইয়াৰ ৰচনাৰ ঠাঁচো লৰি গৈছে। কেতিয়াবা অকণমান অভিজ্ঞতা এটিৰে ধৈৰ্যশীল বিশ্লেষণ, কেতিয়াবা বহুতো ঘটনাৰ সংক্ষিপ্ত বৰ্ণনা মাথোন। ভাষাও সাংকেতিক, প্ৰতীকবাদী, অৱস্থা বুজি কাৰিক। মাৰ্চেল প্ৰাষ্টৰপৰা টমাছমানলৈ, জেমিছ জইছৰপৰা ফ্ৰান্টছ্ কাফ্কালৈ আধুনিক উপন্যাসৰ যি বিকাশ, তাৰ মৰ্ম গ্ৰহণ কৰিবলৈ ল'লে নম্ৰভাত মুৰ দোঁ খায়। আমাৰ অসমীয়া উপন্যাসেও নিশ্চয় এদিন এই বাটেদিয়ে খোজ পেলাব।

অসমীয়া উপন্যাসৰ এনে নতুন চিন্তা আৰু ভাৱধাৰা সমৃদ্ধ অভিনৱ দৃষ্টিভঙ্গীয়ে তেতিয়াই বাণীকান্ত কাকতিকো প্ৰভাৱিত কৰিছিল। "শেষ ক'ত ?" প্ৰকাশ হোৱাৰ পিছত কাকতিয়ে এইবুলি মন্তব্য কৰিছিল :

অসমীয়া সাহিত্যৰ নতুন যুগৰ এইখনি নতুন কিতাপ। ই উপন্যাস নহয়, ইয়াত ধাৰাবাহিক কোনো ঘটনাৰ চকৰী নাই; ই আত্মচৰিত নহয়, ইয়াত নিজা জীৱনৰ ঘটনা-পৰম্পৰাৰ বিশ্লেষণ নাই। ই আধুনিক শিক্ষিত কলা বিলাসী ডেকাৰ জীৱনৰ বাটেদি খোজ কাঢ়োঁতে চকুত পৰা বা গাত আঁচোৰা ঘটনাৰ প্ৰতি মনৰ প্ৰতিক্ৰিয়াৰ মুকলি গল্প আকাৰত সমাবেশ। ইয়াক Byron ৰ Childe Harold's Pilgrimage ৰ লগত বিজাব পাৰি গঠন-ৰীতি বিষয়ত।

অগতানুগতিক কলা-কৰ্ম ৰূপে প্ৰফুল্লদত্ত গোস্বামীৰ উপন্যাস দুখনৰ বিশিষ্ট নিৰ্মাণ শৈলীৰ বিষয়ে আলচৰ পূৰ্বে উপন্যাসত "আধুনিকতা"ৰ সম্পৰ্কে কিছু কথা উল্লেখ কৰা প্ৰয়োজন। সাহিত্যিত "আধুনিকতা" সময়সূচক নহয়, ই এটা প্ৰকৃতিসূচক শব্দহে। আধুনিক সাহিত্যই এটা বিশেষ সাহিত্য আন্দোলনক প্ৰতিনিধিত্ব কৰে। সাহিত্যৰ এটা সুস্পষ্ট ৰীতি ৰূপে ইয়াৰ লগত বিষয়বস্তু, গঢ়, অৱস্থা, সৃষ্টিৰ প্ৰকাৰ আদি মিহলি হৈ পৰে। এই আধুনিক ঐতিহ্যৰ পৰিচয় এনেধৰণৰ :

Committed to everything in human experience that militates against custom, abstract order, and even reason itself, modern literature has elevated individual existence over social man, unconscious feeling over self-conscious perception, passion and will over intellection and systematic morals, dynamic vision over the static image, dense actuality over practical reality (Richard Ellmann and

charles Feidelson, Jr. (ed.), *The Modern Tradition* (1965), Oxford University Press, New York, 1973, P vi)

আধুনিকতাবাদীসকলে আধুনিক অভিজ্ঞতাৰ উপলব্ধিৰ বাবে অভিনৱ কলাৰ সন্ধান কৰে; সমাজক আশ্ৰয় কৰি, সমাজৰ বাবেই নতুন আৰ্হিৰ আৱিষ্কাৰ কৰি নৱজীৱনৰ কলাদৰ্শ প্ৰতিষ্ঠাত ব্ৰতী হয়; পৰম্পৰা সম্পৰ্কে বৈপ্লৱিক ধাৰণাৰে সমাজক উজ্জীৱিত কৰে। কিন্তু সমসাময়িক লেখক মাত্ৰেই 'আধুনিক' লেখক হ'ব নোৱাৰে। জীৱনৰ প্ৰতি এজন 'আধুনিক' লেখকৰ যি দৃষ্টিভঙ্গী অথবা তেওঁৰ ৰচনাৰ যি বিশিষ্ট-ৰীতি সমকালীন আন এজন লেখকৰ ৰচনাত সিবোৰৰ অভাৱ ঘটিব পাৰে। সেয়ে সকলো আধুনিক লেখক এটা কালৰ সমসাময়িক হ'লেও সেই কালৰ সকলো লেখকেই সুনিৰ্দিষ্ট অৰ্থত 'আধুনিক' নহয়।

আধুনিক সাহিত্যৰ যি প্ৰকৃতি স্বাভাৱিকতে তাৰ অচিৰেই প্ৰৱেশ ঘটিল উপন্যাসৰ মাজতো। শৈলী, কাহিনী-উপস্থাপন, লেখক আৰু বিষয়বস্তুৰ সম্পৰ্কক ধৰি বিভিন্ন দিশত পৰম্পৰাৰ পৰিৱৰ্তন হ'ল। কুৰি শতিকাৰ প্ৰথম দশকতে এই পৰিৱৰ্তনৰ বাৰ্তা ঘোষিত হ'ল বিশ্ব-সাহিত্যত। মাৰ্চেল প্ৰুষ্ট, ডৰথি ৰিচাৰ্ডচন, জেইমছ্ জয়ছ, হেনৰি জেইমছ্, জোজেফ কনৰাড্, ডি. এইচ্. লৰেন্স, ভাৰ্জিনিয়া ৱোলফ্ আদিয়ে আধুনিকতাবাদী ধাৰাৰ উপন্যাসৰ সমৃদ্ধিত অৰিহণা যোগালে। এই ধাৰাৰ উপন্যাসৰ লক্ষণ আৰু বৈশিষ্ট্যসমূহ তলত দিয়াৰ দৰে দেখুৱাব পাৰি :

(ক) গঢ়হীনতাৰ প্ৰতি প্ৰৱণতা (tendency to deformalization)। সুসংহত কাহিনীৰ পৰম্পৰাৰ বিপৰীতে "বিচ্ছিন্ন, ঐক্যহীন আৰু আপাততঃ বৈশিষ্ট্যহীন" ঘটনাৰ অৱতাৰণা।

(খ) অনৈক্য আৰু জটিলতাৰ প্ৰতি প্ৰৱণতা (diversity and complexity)। কাহিনীৰ সৰলৰৈখিক ৰূপৰ ঠাইত জটিল, বিস্তীৰ্ণ ৰূপেৰে উপন্যাসক বৰ্ণাঢ্য কৰি তুলিলে।

(গ) বিচ্ছিন্নতাৰ প্ৰতি প্ৰৱণতা (tendency to discontinuity)। খণ্ডিত ৰূপৰ মাজেৰে জীৱনক উপলব্ধি কৰাৰ প্ৰয়াস। এলানি ঘটনাৰপৰা হঠাতে (abrupt) আন এলানিৰ মাজলৈ, এমুঠি চৰিত্ৰৰপৰা আন এমুঠিলৈ, চেতনাৰ এটা কেন্দ্ৰবিন্দুৰপৰা আন এটালৈ কৰা গতিৰ মাজতহে আচল জীৱন পৰিস্ফুট হয়। জীৱনৰ প্ৰকৃত ৰূপ নিৰৱচ্ছিন্ন প্ৰৱাহৰ মাজত নেথাকে। তাৰ বাবে টুকুৰা-টুকুৰ আপাতঃ বিচ্ছিন্ন খণ্ড-চিত্ৰৰ যোগেদি জীৱন-অন্বেষা। ভাৰ্জিনিয়া ৱোলফৰ ভাষাৰে :

Life is not a series of gig lamps, symmetrically arranged; life is a luminous halo, a semi-transparent envelope surrounding us from the beginning of consciousness to the end. [Virginia Woolf, 'Modern Fiction' in *Modern British Fiction*, ed. Mark Schorer.]

(ঘ) নাটকীয় পৰিস্থিতি চিত্ৰণতকৈ কাব্যিকতাৰ প্ৰতি অধিক আকৰ্ষণ।

(ঙ) ভিতৰৰপৰা চৰিত্ৰ-নিৰ্মাণ প্ৰক্ৰিয়া আৰু তেনে চৰিত্ৰৰ মনৰ ভিতৰেদিয়েই কাহিনী-সংঘটন। নিঃসঙ্গতাবোধ, বিচ্ছিন্নতাবোধ, হতাশা, অস্থিৰতা, লক্ষ্যহীনতা আদি চাৰিত্ৰিক বৈশিষ্ট্য আৰোপ।

(চ) যান্ত্ৰিক জীৱন, নগৰ-সভ্যতা, স্নায়বিক বিকাৰ আদি সমকালীন ঘটনাৰ সচেতন প্ৰকাশ, প্ৰচলিত সমাজ আৰু সমাজ-ব্যৱস্থাৰ প্ৰতি বিদ্ৰোহ-আচৰণ।

(ছ) অস্তিত্ববাদী চিন্তাধাৰাৰ প্ৰকাশ, চেতনা-প্ৰৱাহ ৰীতিৰ প্ৰয়োগৰ জৰিয়তে বহুধাবিভক্ত চেতনাৰ প্ৰতিফলন।

(জ) বৰ্ণিত ঘটনাৰ ব্যক্তিগত তাৎপৰ্য্য।

(ঝ) কাহিনীৰ সামৰণিতো অসম্পূৰ্ণতাৰ অভিজ্ঞতা তথা মুক্ত-প্ৰকৃতি(openness)।

ওপৰত উল্লেখ কৰা আধুনিক উপন্যাসৰ ভালেমান বৈশিষ্ট্য প্ৰফুল্লদত্ত গোস্বামীৰ উপন্যাস দুখনত প্ৰকাশ পাইছে। ধৰা-বন্ধা ৰীতিৰ কাহিনীৰ অভাৱ, নায়ক-নায়িকাৰ পৰম্পৰা বিলোপ, খণ্ড-চিত্ৰৰ যোগেদি আধুনিক কালত জীৱন-যন্ত্ৰণাৰ প্ৰতিফলন, উপস্থাপন-ৰীতিৰ অভিনৱত্ব আদি লক্ষণৰ সচেতন প্ৰয়োগ আমি ইয়াত দেখিবলৈ পাওঁ। এইখিনিতে প্ৰণিধানযোগ্য যে গোবিন্দ প্ৰসাদ শৰ্মাই ১৯৬৬ চনত ১৮শ বছৰ ৮ম সংখ্যা *ৰামধেনুত* প্ৰকাশিত এটা প্ৰবন্ধৰ যোগেদি পোনপ্ৰথমে "কেঁচা পাতৰ কঁপনি" উপন্যাসৰ আধুনিক প্ৰকৃতিৰ বিষয়ে আলোকপাত কৰিছিল। পিচতো তেওঁ এই দিশত অধিক বিশ্লেষণ আগবঢ়াইছে (*উপন্যাস আৰু অসমীয়া উপন্যাস*, ১৯৯৫)।

"শেষ ক'ত ?" গোস্বামীৰ প্ৰথম উপন্যাস। ১৯৪৮ চনত "প্ৰমী" ছদ্মনামত পোনতে প্ৰকাশ হৈছিল। ইয়াৰ কাহিনীৰ পটভূমিত আছে ছিলং চহৰ আৰু কলিকতা মহানগৰী। কাহিনী বোলোঁতে কোনো সুস্পষ্ট অথবা নিৰ্দিষ্ট ঘটনা প্ৰবাহৰ সমষ্টি ইয়াত পাবলৈ নাই। লেখকে সৰ্বজ্ঞ কথকৰ ভূমিকা লৈ নবকুমাৰৰ জীৱন-প্ৰৱাহ অনুসৰণ কৰিছে, টুকুৰা-টুকুৰ কেতবোৰ ঘটনাৰ মাজেদি। সাধাৰণ পৰম্পৰাগত উপন্যাসৰ কাহিনীৰ আদি-মধ্য-অন্ত সম্বলিত সংযুতি "শেষ ক'ত ?" উপন্যাসত বিচাৰি পোৱা নেযায়। কাহিনীৰ কেন্দ্ৰত নবকুমাৰ আছে যদিও তাৰ নায়কতাৰ বৈশিষ্ট্য নাই। সি অস্থিৰচিত্ত, লক্ষ্যহীন। কেৰাণীৰ চাকৰিৰ মাজত সি মনৰ খোৰাক বিচাৰি নেপায়, "বুদ্ধিৰ প্ৰয়োগ আৰু কল্পনাৰ বিকাশ সাধনৰ সুযোগ"ৰ অভাৱ সি পদে পদে উপলব্ধি কৰে। প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি আস্থাহীনতা, সন্দেহ, ক্লান্তি আৰু নৈৰাশ্যবোধে তাক আৱৰি ৰাখে। সমসাময়িক ৰাজনৈতিক চিন্তাধাৰাৰ গভীৰত প্ৰৱেশ কৰাতো সি ব্যৰ্থ হয়, তাতো জাতীয়-চেতনাৰ দিশৰপৰা সি কেৰোণ থকাটো অনুভৱ কৰে। প্ৰতিকূল আৰ্থিক অৱস্থাই মনৰ ভাল চিন্তাবোৰক বাস্তৱায়িত কৰাত বাধা জন্মায়। সি বেদনাৰে উপলব্ধি কৰে যে জীৱনৰ সাধাৰণ দাবী পূৰণতে শিক্ষা, সংস্কৃতি, কলা সীমাবদ্ধ। আনকি বস্তুবাদী জীৱন-ধাৰাই

কেনেকৈ প্ৰেমৰ বিনাশ ঘটাইছে তাকো সি লক্ষ্য কৰে। নবকুমাৰৰ চৰিত্ৰ আৰু কাম-কাজৰ যোগেদি ঔপন্যাসিকে আধুনিক জীৱনৰ কৰ্ম-কাণ্ডকে উদঙাই দেখুৱাইছে। সমাজৰ প্ৰতি অনাস্থা, বিগুৱা বিগুৱা মনোভাৱ, ভাৱপ্ৰৱণ আত্ম কেন্দ্ৰিকতা, পৰম্পৰাগত আদৰ্শৰপৰা বিচ্যুতি, অস্থিৰতা, নিঃসঙ্গতাবোধ; সনাতন মানৱিক মূল্যবোধৰ প্ৰতি উদাসীনতা বা অনীহা; জীৱনৰ প্ৰতি নেতিবাচক দৃষ্টিভঙ্গী আদি আধুনিক জীৱনৰ লক্ষণবোৰ "শেষ ক'ত ?" উপন্যাসত প্ৰকাশ পাইছে।

নবকুমাৰৰ চৰিত্ৰৰ সৈতে সাঙোৰ খাই আছে তাৰ বন্ধুমহল। অধ্যাপক প্ৰভাত, সৈনিক বিজয় আৰু ধীৰেন, সংস্কৃতি-কৰ্মী ৰথীনকুমাৰ আৰু বিপিন শইকীয়া, নবকুমাৰৰ চৰিত্ৰৰ ভিন্ ভিন্ দিশত এই চৰিত্ৰবোৰৰ পৰিপূৰক ভূমিকা আছে। দুটা নাৰী চৰিত্ৰৰ মাজৰ বৈপৰীত্যও লক্ষ্যণীয়। বিমলা নিকা আৰু সহানুভূতিশীলা; কিন্তু কমলাৰ সৌন্দৰ্য্য বাহিৰৰহে, হৃদয় তেওঁৰ অগভীৰ। গতিকে নবকুমাৰৰ চৰিত্ৰাংকণত ঔপন্যাসিকে পৰম্পৰা পৰিহাৰ কৰি আদৰ্শবাদী নায়কৰ বিপৰীতে আধুনিক মানসিকতা আৰু জীৱন-বৈশিষ্ট্য আৰোপ কৰিছে। এইটোও মনকৰিবলগীয়া কথা যে জীৱন আৰু জগত সম্বন্ধে উপন্যাসখনত নিৰূপিত ধ্যান-ধাৰণাসমূহৰ তাৎপৰ্য্যও ৰাজহুৱাবিধৰ নহয়। নবকুমাৰ ইচ্ছা কৰিয়েই 'ভণ্ড' হৈছে, তাৰ মতে "জীৱনৰ কিছুমান মুহূৰ্তত মানুহ ভণ্ড নহৈয়ো উপায় নাই।" সেয়ে নবকুমাৰৰ চিন্তা-চেতনাৰ জগতখনো এক প্ৰকাৰ আচহুৱা, ব্যক্তিগত। শিক্ষিত অসমীয়া যুবক নবকুমাৰ, কিন্তু আৰম্ভণিৰপৰাই সি অস্থিৰ। জীৱিকাৰ বাবে চাকৰি কৰিছে, তাতো সি অসন্তুষ্ট। বন্ধু-বান্ধৱৰ সান্নিধ্য তথা বৈৱাহিক জীৱনেও তাক সুস্থিৰ কৰিব পৰা নাই। তাৰ প্ৰেমো বিফল হৈছে। কেৰাণীৰ চাকৰিৰপৰা সাংবাদিকতাৰ বৃত্তিলৈ, আকৌ তাৰপৰা ব্যৱসায়লৈ— এইদৰে সি ক'তো থিত ল'ব পৰা নাই। বহুতৰ মাজতো সি অহৰহ অনুভৱ কৰিছে নিঃসঙ্গতা। এইদৰে উপন্যাসৰ প্ৰাৰম্ভতে ধৰা পৰা নবকুমাৰৰ অস্থিৰতা আৰু নিঃসঙ্গতা এক অন্তহীন স্ৰোতত পৰিণত হৈছে। ঔপন্যাসিকে সামৰণিসূচক কোনো কথাৰে "শেষ ক'ত ?"ৰ সমাপ্তি ঘটোৱা নাই। আনহাতে উপন্যাসখনত কোনো প্ৰকাৰৰ নাটকীয় চমক সৃষ্টিৰ প্ৰয়াসো দেখা নেযায়। কিন্তু কাব্যিক বৰ্ণনাৰ স্পন্দিত মাধুৰ্যাই পুলকিত কৰে :

এৰা, এতিয়াও গাঁৱলৈ যাওঁ। বাৰিষা গাঁৱৰ দ' বাটেদি সোমাই অহা নদীৰ পানী, পথাৰ ঢাকি পেলোৱা হুলহুলীয়া ঢল, কুঁহি ধানৰ টৌ, উজানৰ মাছৰ বা হাঁহিমুখৰ গাভৰুৰ জাক— এইবিলাকৰ টান মই উলাই কৰিব নোৱাৰোঁ। (পৃষ্ঠা ২৮)

তিনিকুৰি আঁঠ পৃষ্ঠাৰ, তেৰটা অধ্যায়ত বিভক্ত এই চুটি উপন্যাসখনত লেখকৰ আচুতীয়া জীৱন জিজ্ঞাসাৰ পৰিচয় আছে। নবকুমাৰৰ চৰিত্ৰৰ যোগেদিয়েই লেখকৰ এই জীৱন-অন্বেষা :

সংসাৰৰ দুঃখ-দুৰ্গতিহে মোৰ চকুত বেছিকৈ পৰে, ভাবোঁ কিবা এটা কৰিম, দেশৰ

কাৰণে সমাজৰ কাৰণে....(পৃষ্ঠা ২১)

কিন্তু কাৰ্যতঃ সেয়া হৈ নুঠে। গ্ৰন্থৰ মাজত জীৱনৰ অন্যৰূপ সি দেখা পায়। বিদ্ৰোহী নাট্যকাৰ আৰ্নষ্ট টলাৰ— যাৰ আদৰ্শ পুৰুষ আছিল প্ৰমিথিউছ— তেওঁৰ বেদনাৰ উপলব্ধিয়ে চুই গৈছিল নবকুমাৰৰ মন :

লোৰ শলাৰ খোঁচনিতকৈয়ো দুখ লগা হৈছে আধ্যাত্মিক নিৰ্জনতা আৰু শূন্যতাৰ গভীৰতা। (পৃষ্ঠা ২৪)

আকৌ ক্লড্ হাফটনৰ উপন্যাসৰ নায়কৰ (Hudson rejoins the herd) জীৱন-অভিজ্ঞতাৰ সঁকীয়নি : জংগলৰ নীতি— নিৰৰ্থক আৰু পাশৱিক খোৱা-কামোৰা। এয়েই হৈছে সমাজৰ মত, ইয়েই যেন একমাত্ৰ সত্য; আন সুকুমাৰ বৃত্তিবিলাক, আদৰ্শ, ধৰ্ম— এইবিলাকৰ স্থান নাই কাৰো মনত। (পৃষ্ঠা ৫)

"শেষ ক'ত ?" আধুনিক জীৱনৰ অস্থিৰ, বিষন্ন মানৱ নবকুমাৰৰ জীৱনোপলব্ধিৰ অসমাপ্ত ইতিকথা। ওপৰত উনুকিয়াই অহাৰ দৰে আধুনিকতাবাদী উপন্যাসৰ ভালেমান লক্ষণ উপন্যাসখনত প্ৰতিফলিত হৈছে। ঔপন্যাসিক প্ৰফুল্লদত্ত গোস্বামীয়ে এইদৰেই তেওঁৰ প্ৰথমখন উপন্যাসতে অসমীয়া উপন্যাসৰ বিশিষ্ট পৰম্পৰাৰপৰা ফালৰি কাটি এক ব্যতিক্ৰমৰ সূচনা কৰিলে।

১৯৫২ চনত প্ৰকাশ হ'ল প্ৰফুল্লদত্ত গোস্বামীৰ আনখন আধুনিকতাবাদী উপন্যাস "কেঁচা পাতৰ কঁপনি"। স্বাভাৱিকতেই "শেষ ক'ত ?"ৰ যোগেদি আৰম্ভ হোৱা ঔপন্যাসিকৰ সজাগ প্ৰচেষ্টাই অধিক পৈণত ৰূপ লাভ কৰিলে এইখন উপন্যাসত। এইখনো গতিশীল অস্থিৰ জীৱনৰে কাহিনী। উপন্যাসখনৰ ব্যঞ্জনাধৰ্মী নামটোৱেই এহাতে সূচাইছে জীৱন-যৌৱনৰ কথা আৰু আনহাতে তাৰ অস্থিৰ প্ৰকৃতি। "কেঁচা পাতৰ কঁপনি"তো সুসংহত কাহিনী নাই, কোনো নায়ক-নায়িকা নাই। "শেষ ক'ত ?"-ৰ নবকুমাৰে বিস্তাৰ লাভ কৰিছে 'উৎপল'ৰ মাজত। উপন্যাসখনত পোৱা যায় উৎপল আৰু তাৰ সংস্পৰ্শলৈ অহা আন আন চৰিত্ৰৰ মানসিক আৰু আনুভৌতিক পৰিমণ্ডলৰ বিশ্লেষণ আৰু তাৰ পটভূমিত থকা 'আধুনিক' সমাজখনৰ স্বৰূপ, এই সন্দৰ্ভত লেখকৰ নিজা বক্তব্য প্ৰণিধানযোগ্য :

এই কিতাপখনত চৰিত্ৰৰ ওপৰত অলপ জোৰ দিয়া হৈছিল। চৰিত্ৰৰ ওপৰত সমাজৰ প্ৰভাৱ আৰু যুগৰ মানসিক পৰিবেশ অনুসৰি সেই চৰিত্ৰৰ দ্বিধা-সংশয়ৰ বিশ্লেষণ কিতাপখনে আগবঢ়াবলৈ চেষ্টা কৰিছিল। উৎপল আধুনিক শিক্ষিত মধ্যবিত্তৰ প্ৰতীক— এওঁৰ সাধাৰণ অৰ্থত 'নায়কতা' গুণ সমূলি নাই। নায়ক নহয় কাৰণে এওঁ কোনো চকুত লগা নাইবা মন উজ্জল কৰা কাৰ্যও নকৰে; এক হিচাবে এওঁৰ কাহিনীৰ আগ নাই, গুৰিও নাই— এওঁ চলিহে থাকে। এনে কিতাপত সাধাৰণ অৰ্থত প্লট কেনেকৈ ক'ৰ পৰা ? কিতাপখনিৰ পটভূমিত যি এটি ঐক্য আছে, সি ভাব-চিন্তাৰ ঐক্য, কাহিনীৰ সঙ্গতি নহয়। (প্ৰথম সংস্কৰণ পাতনি)

"কেঁচা পাতৰ কঁপনি"ৰ কাহিনীৰ সুস্পষ্ট আঁত নাই। উৎপলৰ জীৱনৰ টুকুৰা-টুকুৰ ঘটনা বিচ্ছিন্ন ৰূপত ঔপন্যাসিকে চয়ন কৰিছে। কাহিনী বৰ্ণিত হৈছে প্ৰথম পুৰুষত আত্মচৰিতৰ দৰে। তাৰ বাবে লেখকে মাজে মাজে আংশিকভাৱে চেতনা-প্ৰৱাহ ৰীতিবো প্ৰয়োগ কৰিছে। এইখন উপন্যাসবো ঘাই সুৰ হ'ল জীৱনৰ অস্থিৰতাবোধ আৰু নিঃসঙ্গতা। আধুনিক জীৱনৰ এনে লক্ষণ সম্পৰ্কে লেখক ওয়াকিবহাল :

সৰল গছৰ পাতৰ কঁপনিৰ দৰে জীৱনৰ স্পন্দন চলিয়ে থাকে। তাৰ মাজতে প্ৰত্যেকেই কিমান অকলশৰীয়া। নিজৰ নিজৰ ভাব-চিন্তাৰ প্ৰত্যেকৰে একোটা আত্মাৰ গুহা। গুহাৰ ভিতৰত প্ৰত্যেকৰে সুকীয়া সুকীয়া ঐশ্বৰ্য্য। এজনে আনজনক সেইবিলাক আঁজলি কৰি উলিয়াই দিয়ে— কিজানি গ্ৰহণ কৰেই। আনৰ চাবলৈ আহৰি নাই, গ্ৰহণ কৰিবলৈ শক্তি নাই। প্ৰত্যেকৰে নিজৰ নিজৰ সত্তাৰ, নিৰ্জলৈয়ে ব্যস্ত। লগৰ মাজত আমি অকলে; আনকি নুবুজি নিজকো বুজাব নোৱাৰি মাথোন গৈ থাকোঁ, বাট বুলোঁ। (পৃষ্ঠা ১২)

আধুনিক মানুহ আৰু আধুনিক জীৱন সম্পৰ্কে লেখকৰ এয়া নিখুঁট উপলব্ধি। দৰাচলতে গোস্বামীৰ দুয়োখন উপন্যাসৰ ভাববস্তু এই বক্তব্যৰ মাজেদিয়েই স্পষ্ট হৈ পৰিছে। এনে উপলব্ধি আছিল অসমীয়া উপন্যাসৰ বাবে সঁচাকৈয়ে নতুন আৰু তাতেই কলা-কৃতি ৰূপে উপন্যাস দুখনৰ আছুতীয়া কৃতিত্ব। ব্যক্তিগত জীৱনৰ দুঃখানুভূতি, নিঃসঙ্গতাবোধ, অস্থিৰতা, আত্মিক দ্বন্দ, দ্বিধা, আশংকা, সংশয়, সিদ্ধান্তহীনতা, হতাশা, লক্ষ্যহীনতা আদি বিভিন্ন লক্ষণৰে আধুনিক জীৱন ভাৰাক্ৰান্ত।

"কেঁচা পাতৰ কঁপনি"ত তেনে এক আধুনিক জীৱনৰ চিত্ৰকে প্ৰকাশ কৰিছে ঔপন্যাসিকে।

উপন্যাসখনৰ প্ৰধান চৰিত্ৰ উৎপল শিক্ষিত ডেকা। কিন্তু সি অস্থিৰচিত্ত, তাৰ চিন্তা আৰু কাৰ্য্যৰ মাজত বহু সময়ত সঙ্গতিৰ অভাৱ। তদুপৰি সময়মতে সিদ্ধান্ত ল'ব নোৱাৰাৰ বাবে সেই অস্থিৰতা বাঢ়ি যায়। সংসাৰক অভিজ্ঞ দৃষ্টিৰে সি আৱিষ্কাৰ কৰিব পাৰিছে বুলি দাবী কৰে, কিন্তু আচলতে তেনে দাবী অৰ্থহীন, 'ভণ্ডামি'ৰ নামান্তৰ। এনে মধ্যবিত্তীয় মানসিকতাত নবকুমাৰৰ দৰেই (শেষ ক'ত ?) সি স্বীকাৰ কৰে :

এই শ্ৰেণীৰ মানুহে লুকুৱাই বহুতো কাম কৰে, কিন্তু বাহিৰত সমাজৰ আগত নিজৰ মুখ ৰক্ষা কৰিবলৈকেও কম যত্নপৰ নহয়। (পৃষ্ঠা ৪৮)

ভদ্ৰ জীৱনৰ সম্মান বজাই ৰাখি নৈতিকতাৰ খোলাটো নকটাকৈ আঁৰ-বেৰৰ মাজত এই শ্ৰেণীৰ মানুহে প্ৰকৃতিৰ খোৰাক বিচাৰে। এনে আধুনিক মধ্যবিত্তীয় মানসিকতাক ঔপন্যাসিকে উদঙাই দিছে খটিয়া দেহোপজীৱীনী কা-ডুপৰ যোগেদি :

চৰম লাগে যদি আমাৰ পিচে পিচে দৌৰি ফুৰে কিয় ? (পৃষ্ঠা ১১১)

ইয়াৰ বিপৰীতে কা-ডুপহঁত মুক্ত, দ্বিধাহীন; জীৱনৰ সহজ সত্যক সিহঁতে স্বীকাৰ কৰি লৈছে :

জীয়াই থাকিবইতো লাগিব, কান্দি বহি থাকিলে কোনে খুৱাব ? (পৃষ্ঠা ১৩৪)

মধ্যবিত্তৰ দাপোণত জীৱনৰ এনে ৰূপৰ প্ৰতিফলন আশা কৰিব নোৱাৰি। উৎপলৰ চৰিত্ৰটো সেয়ে একাগ্ৰতাৰ অভাব, কোনো ঠাইতে সি থিৰেৰে থাকিব নোৱাৰে। একপ্ৰকাৰ নিৰাসক্তি তাৰ লগৰীয়া, উপন্যাসখনৰ কাহিনীৰ প্ৰাৰম্ভণিতেআছে গৌৰীপুৰ। গৌৰীপুৰীয়া গাভৰু নীলিমাৰ সৈতে উৎপলৰ হঠাৎ পৰিচয় হৈছিল আৰু ক্ৰমশঃ দুয়ো অন্তৰঙ্গ হৈছিল। কিন্তু নীলিমা উপযুক্ত হোৱা স্বত্বেও উৎপলে তাইক চিৰজীৱনৰ বাবে আপোন কৰিব নোৱাৰিলে। সাহসৰ অভাৱ আৰু সিদ্ধান্তহীনতাৰ বাবেই উৎপল ব্যৰ্থ হ'ল এই ক্ষেত্ৰত। তেনেকৈ তাৰ একালৰ সহপাঠী মিনতি ওচৰ চাপিছিল যদিও সময়ত সহাঁৰি নেপাই আৰু পিচত "থিৰতা নাই" বুলি পতিয়ন গৈ নিজেই আঁতৰি গ'ল, এইদৰে উৎপল এক অস্থিৰ মনোজগতৰ বাসিন্দা। সি কি কৰে, কি কৰিব খোজে নিজেই নেজানে। দেউতাকৰ কথামতে ৰায়তৰপৰা খাজনা আদায়ৰ বাবে যুলবাৰী গাঁৱলৈ যায়, তাত মোহনীয়া কছাৰী গাভৰু ব'হাগীক লগ পাই খাজানাৰ কথা পাহৰে, মনত পৰে নীলিমালৈ। পিচৰবাৰ আকৌ শিল্পী-বন্ধু ৰবীনকুমাৰৰ সৈতে আৰ্টৰ আলোচনাত মগ্ন হৈ পৰে। ব্যৱসায়, চাকৰি, প্ৰেম ক'তো তাৰ থান-থিত নেলাগিল। দেউতাকৰ মৃত্যুৱেও তাৰ যাযাবৰী জীৱনৰ গতি সলাব নোৱাৰিলে।

"কেঁচা পাতৰ কঁপনি" আধুনিকতাবাদী ধাৰাৰ এখন বিষয়ধৰ্মী উপন্যাস। ইয়াত উৎপলৰ চৰিত্ৰ নিৰ্মিত হৈছে ভিতৰৰপৰা। এই সন্দৰ্ভত গোবিন্দ প্ৰসাদ শৰ্মাই লিখিছে :

উৎপলৰ অন্তৰ্জগতৰ ভাব-অনুভূতি, মানসিক জগতখনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া আমাৰ চকুৰ আগত ধৰা দি থাকে। ফলত উৎপলক আমি ভিতৰৰপৰা জানো। কিন্তু উৎপলৰ এই অন্তৰ্জগতৰ অন্তৰীকৰণ, চেতনাস্ৰোত পদ্ধতিৰ চৰিত্ৰৰ অন্তৰীকৰণপৰা পৃথক। (উপন্যাস আৰু অসমীয়া উপন্যাস)

এইখিনিতে উল্লেখ কৰা যুগুত যে উপন্যাসখনত চেতনা-স্ৰোতৰ বাবে বহুৰূপাত্মক চেতনাৰ (multiple consciousness) যথাযথ প্ৰকাশ ঘটা নাই; সেই আঙ্গিকৰ ছাঁ মাথোন অ'ত ত'ত পৰিছে। উৎপলৰ চেতনালৈ অনুষঙ্গই কঢ়িয়াই আনিছে এটাৰপৰা আন এটা ঘটনা। ইয়াত সময়ৰ নিৰৱচ্ছিন্ন প্ৰবাহ অথবা চেতনাৰ বিবিধ তৰপ প্ৰকাশ পোৱা নাই। সেইফালৰপৰা উৎপলৰ বিষয়ধৰ্মী চৰিত্ৰটো সীমিত হৈ পৰিছে। তথাপি আপোন জগতৰ মাজতে উৎপলে বিচৰণ কৰি থকা কাৰণে তাৰ কাম-কাজৰ তাৎপৰ্য্য বাজহুৱা বিধৰ নহয়। বৈষয়িক কথাৰে হওক অথবা চাকৰি-বাকৰি, প্ৰেমৰ কথাতেই হওক উৎপলৰ কামৰ মাজত ব্যক্তিগত তাৎপৰ্য্যহে পৰিলক্ষিত হয়। তদুপৰি এনে কোনো কথাতে উৎপলৰ সিদ্ধান্ত উপন্যাসৰ সামৰণিত ঘোষিত হোৱা নাই। আৰম্ভণিতে থকাৰ দৰেই শেষতো উৎপল অস্থিৰ আৰু নিঃসঙ্গ। অভিজ্ঞতাৰ অন্তহীন প্ৰৱাহ সামৰণিতো ব্যাহত হোৱা নাই। সেয়ে "কেঁচা পাতৰ কঁপনি" এক মুক্ত উপন্যাস, ইও আধুনিকতাবাদী উপন্যাসৰে লক্ষণ।

উপন্যাসখনৰ আন এক সম্পদ ইয়াৰ ভাষা, ইয়াৰ অনুভূতিসিক্ত ভাষা(Felt language) আৰু গীতিধৰ্মিতাৰ বিষয়ে গোবিন্দ প্ৰসাদ শৰ্মাই পূৰ্বোক্ত গ্ৰন্থৰ এটি প্ৰবন্ধত সম্যক আলোচনা আগবঢ়াইছে। উপন্যাসখনৰ একাধিক ঠাইত চিত্ৰময়, কাব্যিক বৰ্ণনাৰ সমাৱেশ ঘটিছে, সিবোৰে উপন্যাসখনক বিশিষ্ট কলা-কৰ্মলৈ উন্নীত কৰাত অৰিহণা যোগাইছে। "গৌৰীপুৰৰ সুপ্ৰাচীন জনপদৰ অৱশেষ ঐতিহ্য, মৰানদী, মুকলি পথাৰৰ মাজৰ অন্ধকাৰৰ ছাঁত লীন হৈ থকা পুৰণি প্ৰাসাদ, আন্ধাৰ-পোহৰৰ মাজত দুৱাৰডলিত বহি থকা অকলশৰীয়া বৃদ্ধ চকীদাৰ, অথবা নীলিমাই গোৱা ৰবীন্দ্ৰ সঙ্গীতৰ কলিৰ (দিনেৰ শেষে ঘুমেৰ দেশে ঘোমটা পৰা ঐ ছায়া) চিত্ৰকলাৰ মাজতো আধুনিক জীৱনৰ বিষন্নতাই অধিক প্ৰকট হৈছে। ভাষা আৰু আৰু ৰচনা-ৰীতিৰ এনে বৈশিষ্ট্যইও লেখকৰ মহত্বৰ কথাকে সূচায় :

The great ,writer does not really come to conclusions about life: he discerns a quality in it. His emotion re-inforcing one another, gradually from in him a habit of emotion; certain kinds of objects and incidents impress him with a peculiar weight and significance. (J. Middleton Murry, *The Problem of style*, Reprinted paperrback, 1961, PP.25)

প্ৰফুল্লদত্ত গোস্বামীৰ উপন্যাস দুখনৰ বিষয়ে ওপৰত কৰা আলোচনাৰপৰা এটা কথা স্পষ্ট হৈ পৰে যে অপৰম্পৰাগত কাহিনী-বিন্যাস, নায়ক-নায়িকাৰ ধাৰণাৰ বিলোপ সাধন, আধুনিক জীৱনধাৰাৰ প্ৰকৃত মূল্যায়নৰ যোগেদি অসমীয়া উপন্যাসৰ এটা নতুন ধাৰা প্ৰৱৰ্তিত হৈছিল। আধুনিকতাবাদী ধাৰাৰ উপন্যাস ৰূপে গোস্বামীৰ "শেষ ক'ত ?" আৰু "কেঁচা পাতৰ কঁপনি" সাৰ্থক কলা-কৃতি।

প্ৰসঙ্গ গ্ৰন্থ :

১. "শেষ-ক'ত ?" ড০ প্ৰফুল্লদত্ত গোস্বামী, ৩য় প্ৰকাশ, ১৯৮০

২. "কেঁচা পাতৰ কঁপনি", ড০ প্ৰফুল্লদত্ত গোস্বামী, ৪ৰ্থ সংস্কৰণ, ১৯৭৭

৩. "বিৰিঞ্চিকুমাৰ বৰুৱা আৰু প্ৰফুল্লদত্ত গোস্বামীৰ উপন্যাস", ড০ কৃষ্ণকুমাৰ মিশ্ৰ, ২য় পৰিবৰ্দ্ধিত সংস্কৰণ, ১৯৯৫

৪/ "উপন্যাস আৰু অসমীয়া উপন্যাস", ড০ গোবিন্দ প্ৰসাদ শৰ্মা, প্ৰথম সংস্কৰণ, ১৯৯৫

৫. 'The Novel and the Modern World,' David Daiches, 1981.

৬. "The Modern Tradition", Ed. Richard Ellmann and Charles Feridelson, 1973.

৭. "The Turn of the Novel", Alan Friedman, 1970

৮. "The Problem of Style", J. Middleton Murry, 1961.

৯. "The Struggle of the Modern", Stepen Spender, 1963.

— o —

"এই যুগৰ সাহিত্য"

ভৃগুমোহন গোস্বামী

"খাই বৈ থাকি মানবীয় বৃত্তিবিলাকৰ কৰ্ষণ কৰিবলৈ যেতিয়া অসুচল হয়, তেতিয়াই বুজিব লাগে যে সমাজৰ কোনোবাখিনিত কেৰোণ লাগিছে। তেতিয়া সেই কেৰোণ বিচাৰি উলিয়াই তাক নিৰ্মূল কৰিবলৈ হ'লে শ্ৰীৰামচন্দ্ৰৰ দৰে হাতত বিশেষ ব্যৱস্থা ল'বলগীয়া হয়। ৰুচি আৰু সুযোগ অনুসৰি প্ৰত্যেকৰে ব্যৱস্থা বেলেগ বেলেগ হ'ব পাৰে; সাহিত্যৰ ফালৰপৰা কিমান দূৰ সাধিব পাৰি সেই বিষয়ে অলপ কোৱাটোহে এই পুস্তিকাখনৰ উদ্দেশ্য।" ড০ প্ৰফুল্লদত্ত গোস্বামীৰ *এই যুগৰ সাহিত্য* সৰু পুথিখনৰ 'ভূমিকা'ৰ আৰম্ভণিতে এই কথাখিনি লিখিছে। একচল্লিশ পিঠীয়া পুস্তিকাখনিত ভূমিকাৰ লগতে এই তিনিটা প্ৰবন্ধ আছে— (১) এই যুগৰ সাহিত্য, (২) আধুনিক অসমীয়া সাহিত্যৰ পটভূমি আৰু (৩) সাহিত্যত আত্মপ্ৰতিষ্ঠা— বিদেশী চানেকি। পুথিখনৰ প্ৰথম সংস্কৰণ ওলাইছিল ১৯৪৯ চনত আৰু পুথিখন প্ৰকাশ কৰিছিল সাহিত্যৰত্ন হৰিনাৰায়ণ দত্তবৰুৱাই। *এই যুগৰ সাহিত্য* গোস্বামীৰ দ্বিতীয় পুথি। তেওঁৰ প্ৰথম ছপা পুথিখন আছিল *মহাত্মা গান্ধী* (১৯৪৬)। ডক্টৰ বাণীকান্ত কাকতিৰপৰা তেওঁ শিকিছিল ঃ "সদায় মূল কথালৈ যোৱা আৰু যিমান পাৰি ডাল-পাত কঁটালি পেলোৱা।" সেয়ে ড০ গোস্বামীৰো ৰচনাৰ বৈশিষ্ট্য এয়ে যে তাত অযথা শব্দৰ বিলাস নাই। তেওঁৰ ৰচনাৰ প্ৰতিটো বাক্যই অৰ্থ, সংযুক্তি, বিষয়বস্তু আৰু প্ৰসংগৰ ফালৰপৰা তাৎপৰ্য্যপূৰ্ণ; তাত ব্যাখ্যাৰ স্থান থাকে। কেতিয়াবা তেওঁ লিখা বিষয়বস্তুৰ ওপৰত দখল নাথাকিলে কিছুমান কথা বুজা টান হৈ পৰে। *এই যুগৰ সাহিত্য* পুস্তিকাখনিৰ ক্ষেত্ৰতো সেই কথা প্ৰযোজ্য। *এই যুগৰ সাহিত্য* ১৯৪৯ চনত প্ৰকাশ পালেও পুস্তিকাখনি দেশ স্বাধীন হোৱাৰ সময়ত ১৯৪৭ চনতে লিখা। ইয়াৰ কিছুমান অংশ 'সুৰভি' আৰু 'অসমীয়া'ত প্ৰবন্ধ আকাৰেও প্ৰকাশ পাইছিল

ড০ গোস্বামীৰ সাধনা আছিল ওলোটা; সহজলভ্য সুবিধাৰ প্ৰতি আছিল আওকাণ। বজাকো 'তঁই' নোবোলা লোক। তেওঁ অসম সাহিত্য সভাৰপৰা ইচ্ছা কৰিলে অনেক সুবিধা আদায় কৰিব পাৰিলেহেঁতেন, কিন্তু সেই সুবিধা গ্ৰহণ নকৰি সাহিত্য সভাৰ ত্ৰুটিবোৰহে

দেখুৱাই দিছিল। *এই যুগৰ সাহিত্যৰ* 'ভূমিকা'ৰপৰাই (পৃ.৩) এটা দৃষ্টান্ত তাঙি ধৰা হ'ল :
"১৯৩৭ চনত গুৱাহাটীত বহা সাহিত্য সভাত অভ্যৰ্থনা সমিতিৰ তৰফৰপৰা দিয়া বক্তৃতা প্ৰসঙ্গত শ্ৰীযুত গোপীনাথ বৰদলৈদেৱে মন্তব্য কৰিছিল : 'যি সাহিত্যাই জন-সাধাৰণৰ অন্তৰ ঢুকি নাপায় আৰু তেওঁলোকৰ আবেগ-অনুভূতি, সুখ-দুঃখ, অভাৱ-অভিযোগবিলাক প্ৰকৃত ৰূপ দি মানৱ সমাজত প্ৰচাৰ কৰিব নোৱাৰে তাক প্ৰকৃত সাহিত্যাই বুলিব নোৱাৰি।' এই ধৰণৰ কথা কোৱাৰপৰা যে অসম সাহিত্য সভাৰ কিবা উন্নতি ঘটিছে তাৰ চিন ইমান দিনে নাপালোঁ।" তেওঁ সেই সময়তে আকৌ লিখিছিল : "এই সাত-আঠ বছৰৰ তৰুণ লিখকসকলৰ ফালৰপৰা দৃষ্টিকোণৰ যি সলনি লক্ষ্য কৰা গৈছে সিও সফল হ'ব পৰা নাই। অসমত আলোচনী নাই বুলিলেও অত্যুক্তি নহয়, কিতাপ লিখি প্ৰকাশ কৰিব সুবিধাও নাই বুলিব পাৰি। তাৰ উপৰি কষ্ট কৰি লিখিলেও তাৰপৰা যে লিখকে কিবা "মজুৰী" আশা কৰিব পাৰে এনে কথা ক'বই নোৱাৰি। এই আহুকলীয়া পৰিস্থিতিত শিল্পীৰ প্ৰেৰণা যে নুশুকাৰ তাত কোনো সন্দেহ নাই। বতাহ খাইতো আদৰ্শ জীয়াই ৰাখিব নোৱাৰি! যিসকলৰ হাতত শাসনৰ ভাৰ সেইসকলে এই বিলাক লক্ষ্য কৰা কিমান যুগুত তাক দোহাৰিবৰ সকাম নাই। যদি পৰাধীনতা আৰু প্ৰতিকূল অৰ্থনৈতিক ব্যৱস্থাৰ চেপাত মুজুৰা মাৰি থকা জাতি এটাক সজাগ কৰিবলৈ, কিবা যুক্তি আছে তেনেহলে কোনো চৰকাৰেই শিল্পী আৰু সাহিত্যিকসকলক আওকাণ কৰি থাকিব নোৱাৰে।" ড০ গোস্বামীয়ে দেশ স্বাধীন হোৱাৰ লগে লগে আগবঢ়াই থৈ যোৱা এই পৰামৰ্শ আজিও নতুন হৈ আছে— সেই পৰামৰ্শৰ কিমানখিনি বাস্তৱত ৰূপ পালে তালৈ মন কৰিবলগীয়া কথা।

এই যুগৰ সাহিত্য হাতীমাৰি ভুক্কাত ভৰোৱা বাবে বহুতো কথাই বুজি পোৱাত টান হৈছে। তেওঁ নিজেও সেইকথা উপলব্ধি কৰিছিল। তেওঁৰ ভাষাত কথাখিনি এনে ধৰণৰ : "ভিন ভিন সাহিত্য আৰু তাৰ বুৰঞ্জী অধ্যয়ন কৰি আৰু কড্‌ৱেল, ৰালফ্ ফক্স, ৰোমা ৰোলাঁ আদি লিখকসকলৰ ৰচনা আৰু চিন্তাৰপৰা যিমানখিনি আহৰণ কৰিব পাৰিছোঁ তাকেই প্ৰকাশ কৰিবলৈ যত্নপৰ হৈছোঁ। মোৰ মন্তব্যত বিবিধ পন্থৰ লোকে বিবিধ ধৰণৰ আসোঁৱাহ উলিয়াব পাৰে; ৰোমাণ্টিক দৃষ্টিভঙ্গীৰ ব্যাখ্যাত উগ্ৰ মাৰ্ক্সবাদীয়ে সন্তোষ নাপাব, আনহাতে আন কিছুমান মন্তব্যত উগ্ৰ গান্ধীপন্থীও অসন্তুষ্ট হ'ব। মই সিদ্ধান্তকৈ চিন্তাৰ খোৰাকহে দিবলৈ চেষ্টা কৰিছোঁ। কিতাপখনৰ "এই যুগৰ সাহিত্য" অধ্যায়টো অতি চমুকৈ লিখিবলৈ বাধ্য হোৱাত কিছুমান পাঠকে বুজিবলৈ অলপমান টান পাব পাৰে।" এই উক্তি ড০ গোস্বামীৰ আন আন লিখনিৰ ক্ষেত্ৰতো পৰিলক্ষিত হয়।

আমি পশ্চিমৰ আদৰ্শ ল'বলৈ ধৰা বাবে গোস্বামীয়ে পশ্চিমীয়া সাহিত্যৰ আলোচনাকে *এই যুগৰ সাহিত্যত* স্থান দিছিল। তেওঁ নিজেও "এই যুগৰ সাহিত্য" প্ৰবন্ধৰ আৰম্ভণিতে

লিখিছিল : "ভাৰতবৰ্ষত যি সামাজিক আৰু সাংস্কৃতিক পৰিৱৰ্তনৰ সোঁত ব'ব ধৰিছে তাৰ প্ৰেৰণা যাইকে পশ্চিমীয়া জগতৰপৰা অহা। এই পৰিৱৰ্তন বোধ কৰিবলৈকে যি চেষ্টা তাৰ আৰিও পশ্চিমৰ পৰাই শিকা। সেই কাৰণে পশ্চিমীয়া সাহিত্যৰ আলোচনা কৰিলেহে আমাৰ বৰ্তমান সাহিত্যৰ গতি বুজিবলৈ সুচল হ'ব।" (*এই যুগৰ সাহিত্য*, পৃ.৫)

মাৰ্ক্সীয় দৰ্শনৰ নতুন দৃষ্টিকোণৰ কথা ক'বলৈ গৈ তেওঁ *এই যুগৰ সাহিত্যৰ* এঠাইত লিখিছে : "জীৱনত অলপমান শাৰীৰিক স্থিৰতা আৰু মানসিক আশ্ৰয় নাপালে সৃজনীমূলক প্ৰতিভাৰ সম্যক বিকাশ নহয়। মাৰ্ক্সীয় দৰ্শনে এইবিলাক কথা মুকলিকৈ দেখুৱালে"(পৃ.১১)।

তেওঁৰ *এই যুগৰ সাহিত্যত* থকা "আধুনিক অসমীয়া সাহিত্যৰ পটভূমি" নামৰ প্ৰবন্ধটোও সেই সময়ত লিখা নতুন দৃষ্টিভঙ্গীৰ প্ৰবন্ধ। এই প্ৰবন্ধৰ আৰম্ভণিতে তেওঁ যি কথা লিখিছিল সেই কথা এতিয়া আকৌ নতুনকৈ চিন্তা কৰিবলগীয়া বিষয়। তেওঁ লিখিছিল : "আজিকালি পশ্চিমীয়া দৃষ্টিভঙ্গীৰ প্ৰসাৰৰ ফলত সাহিত্য আলোচনাৰ যি নতুন পদ্ধতি ওলাইছে তাত লিখকৰ পটভূমিৰ ওপৰত যথেষ্ট মূল্য আৰোপ কৰা হয়। এই মতে সাহিত্যই প্ৰভাৱ বা সাময়িক ভাৱধাৰাবিলাক আওকাণ কৰিব নোৱাৰে। যদি মানুহৰ ভাত-কাপোৰৰ কাৰণে অতিকৈ চিন্তা কৰিবলগীয়া হয় আৰু মানুহ ৰাষ্ট্ৰীয় আৰু সামাজিক আলোচনাত থৌকিবাথৌ হ'ব লাগে, তেতিয়া কেতিয়াও সুখভিলাস আৰু অলস কল্পনাৰ জীপ লোৱা সাহিত্য বা শিল্পৰ সৃষ্টি নহয়। সামাজিক প্ৰভাৱৰ ফলত সাহিত্যই কেনে ৰূপ ল'ব পাৰে তাৰ উদাহৰণ শঙ্কৰী যুগৰ সাহিত্যৰপৰা দিব পাৰি" (*এই যুগৰ সাহিত্য*, পৃ.২৩)।

· গোস্বামীয়ে "শঙ্কৰী যুগত যি সাহিত্য (আৰু কলা) ওলাল সি ভক্তিৰসত পৰিপুষ্ট সৰ্বভাৰতীয় আন্দোলন এটাৰ প্ৰেৰণাৰে জনম লৈছিল" বুলি কৈছিল। তেওঁ এই কথাও লিখিছিল : "সেই সময়ত অসমীয়া সমাজত ভাত-কাপোৰৰ হাহাকাৰ আৰু ব্যক্তি আৰু সমষ্টিৰ মাজৰ যি বিৰোধ সি তিমান তীব্ৰ নাছিল; দেশখন স্বাধীন থকা কাৰণে ৰাষ্ট্ৰীয় সমস্যা বা বৈদেশিক ৰাজনীতিয়েও বাইজক ইমানকৈ ব্যতিব্যস্ত নকৰিছিল।" দেশ স্বাধীন হোৱাৰ আগতে আৰু স্বাধীন হোৱাৰ লগে লগে সমাজত দেখা দিয়া অৱস্থালৈ লক্ষ্য কৰি তেওঁ এই পৰামৰ্শ আগবঢ়াইছিল : "মোৰ বিশ্বাস আলোচনীবিলাক নিয়মিতভাৱে ওলালে আৰু কিতাপ ছপাবৰ সুবিধা বাঢ়িলে আমাৰ সাহিত্যৰ যি নতুন চিনবিলাক ওলাইছে সেইবিলাক সুশৃঙ্খল হৈ আগবদৰে সবল সোঁত এটাৰ ৰূপ ল'বলৈ বেছি দিন নালাগিব।"

এই যুগৰ সাহিত্যত থকা "সাহিত্যত আত্মপ্ৰতিষ্ঠা বিদেশী চানেকি" তেওঁৰ আন এটা মূল্যবান প্ৰবন্ধ।

— ● —

'ইউৰোপৰ মনীষা'

বসন্তকুমাৰ দেৱ গোস্বামী

'শৰীৰস্য গুণানাঞ্চ দূৰমত্যন্তমন্তৰম্।
শৰীৰং ক্ষণবিধ্বংসি কল্পান্তস্থায়িনো গুণাঃ ।।'

— শৰীৰৰ আৰু গুণৰাশিৰ মাজত প্ৰভেদ বহু বেছি, শৰীৰ ক্ষন্তেকতে বিনাশ হ'ব পাৰে, (কিন্তু) গুণৰাশি কল্পান্তকাললৈ স্থায়ী হৈ ৰয়। 'হিতোপদেশ'-ৰ এই প্ৰবচন সদৃশ কবিতা গুচ্ছ সাধাৰণ উপদেশমূলক। ইয়াকে ভিত্তি কৰি কোনো চিন্তাশীল লোকে 'গুণৰ বাবেহে গুণী পূজাৰ যোগ্য, বয়স বা লিঙ্গৰ বাবে নহয়' ('গুণাঃ পূজাস্থানং গুণীষু ন চ লিঙ্গং ন চ বয়ঃ') আৰু শেষত বিবেক বুদ্ধিৰে 'কুলাই পতানবোৰ আঁতৰাই পেলোৱাৰ দৰে সাধুলোকে দোষবোৰ আওকান কৰি গুণবোৰহে গ্ৰহণ কৰিব লাগে' ('শূৰ্পবদ্দোষানুৎসৃজ্য গুণান্ গৃহ্ণন্তি সাধবঃ')— এই সিদ্ধান্তত উপনীত হয়। সাধাৰণৰপৰা সূক্ষ্মলৈ গতি কৰা এই প্ৰবাহত বিশ্লেষণৰ বা সমালোচনাৰ চিন্তন ঘটে। ফলত সমাজতত্ত্বৰ অনুকূলে বহুতো প্ৰগতিবাদী, চিন্তাশীল লোকে প্ৰথিতযশা কবি-সাহিত্যিক সেইদৰে ৰাজনীতিক, দাৰ্শনিকক তেওঁলোকৰ স্বতন্ত্ৰ বিশেষ বিশেষ কৰ্মৰ ভেটিত বিচাৰ কৰি চাবলৈ ইতিমধ্যে আলোচনাৰ বিভিন্ন ধাৰা প্ৰবৰ্তন কৰিছে। সমালোচনাৰ ক্ষেত্ৰত তুলনামূলক সমালোচনাৰ ধাৰা অধিক জনপ্ৰিয় হোৱাটো স্বাভাৱিক। কোনো কোনোজনৰ গগনচুম্বী ব্যক্তিত্বই ৰাষ্ট্ৰ আৰু সমাজ জীৱনক এনেকৈ আন্দোলিত কৰে যে, তেনে ক্ষেত্ৰত তেওঁলোকৰ পৰ্য্যায়ৰ দ্বিতীয় এগৰাকী ব্যক্তি গোটেই বিশ্বজুৰি সতকাই বিচাৰি পাবলৈ নাথাকে। বিগত পোন্ধৰশ শতিকাৰ ৬ষ্ঠ দশকৰপৰা আৰম্ভ কৰি এই শতিকাৰ ৭ৰ দশকলৈ ইউৰোপৰ পাঁচশ বছৰ যোৱা দীঘলীয়া ইতিহাসত এনে ছয়গৰাকী গগনচুম্বী ব্যক্তিয়ে খলক লগাইছিল। ড০ প্ৰফুল্লদত্ত গোস্বামীৰ বিশেষ নিৰ্মিতি *ইউৰোপৰ মনীষা* তেওঁলোকৰেই জীৱন বৃত্তৰ এক সূক্ষ্ম আৰু বিশ্লেষণাত্মক প্ৰকাশ। ড০ গোস্বামীৰ অসমীয়া মানসিকতাৰ প্ৰকাশ এই পুথিখনৰ পাতনিত সিদ্ধান্ত ৰূপত প্ৰকাশ পাইছে এইদৰে :

"লিখিছোঁ অসমীয়া পাঠকৰ কাৰণে— সময়ত সৰহ অসমীয়া পাঠকে বিদেশী ভাষাৰ ওপৰত নিজৰ আত্মসম্মান জাহ নিদি নিজৰ ভাষাৰ যোগেদিয়ে লাগতিয়াল জ্ঞান আহৰণ কৰিব লাগিব....." ইত্যাদি। পুথিখনৰ ৰচনাৰ তাৎপৰ্য্যও ইয়াতে অন্তৰ্নিহিত হৈ আছে। গৌৰৱৰ কাৰণে নহয়, কৰ্তব্যৰ বাবে কৰ্তব্য কৰি যোৱাটো ড০ গোস্বামীয়ে হক বুলি বিবেচনা কৰিছিল।

ইংৰাজী ভাষা সাহিত্যৰ পণ্ডিত ড০ গোস্বামীৰ বিশাল পাণ্ডিত্য, বিৰল সাহিত্য প্ৰতিভা, বিস্তৃত অধ্যয়ন আৰু বৈচিত্ৰ্যময় অভিজ্ঞতাৰ তুলনা নাই। ইংৰাজীৰ উপৰিও ভাৰতীয় ভাষাসমূহৰ মূল সংস্কৃত ভাষাৰ গভীৰ অধ্যয়নপুষ্ট জ্ঞানে স্বাধীনচিতীয়া ড০ গোস্বামীক প্ৰাচ্য-পাশ্চাত্যৰ উচিত অনুচিতখিনিক নিৰ্মোহভাৱে বিশ্লেষণশীল আৰু গভীৰ সংবেদনশীল কৰি তুলিছিল আৰু এই কাৰণেই তেওঁ আপোচহীন স্বভাৱৰ এগৰাকী ব্যক্তি ৰূপে প্ৰতিষ্ঠিত হৈছিল। বিশ্লেষণৰ এই ধাৰা *ইউৰোপৰ মনীষা* গ্ৰন্থত প্ৰতিফলিত হোৱাৰ দৰে তেওঁৰ বাকী চাৰিখন জীৱনী সাহিত্য আৰু অন্যান্য ৰচনাৰাজিতো প্ৰতিফলিত হৈছে।

একোগৰাকী বিশিষ্ট পণ্ডিতৰ মৰম-স্নেহ, উৎসাহ-উদগনি কাৰোবাৰ বাবে সৃষ্টিৰ প্ৰেৰণা হয়। প্ৰফেছৰ পি.চি. বয়ৰ তেনে প্ৰেৰণাতে ড০ গোস্বামীয়ে 'ইউৰোপৰ মনীষা'ৰ কামত আত্মনিয়োগ কৰিছিল। প্ৰথমতে 'ইউৰোপৰ মনীষা পাঁচ গৰাকী' এই নামত ১৯৫৭ চনতে 'লয়াৰ্চ বুক ষ্টলে' প্ৰকাশ কৰি উলিওৱা এইখন পুথিৰ প্ৰসঙ্গত 'অসম বাণী'য়ে লিখিছিল ঃ প্ৰত্যেকজন মনীষীৰে চিত্ৰ-সম্বলিত এইখন আমাৰ ভাষাৰ এই বছৰৰ এখন শ্ৰেষ্ঠ গ্ৰন্থ' (১৮/৪/৫৮)। পুনৰ সংশোধিত এই পুথিখনৰ লগত 'দাৰ্শনিক বাৰট্ৰেণ্ড ৰাচেল' নামৰ ৬ষ্ঠ ৰচনাখন সংযোগ কৰি 'ইউৰোপৰ মনীষা' নামত পুথিখনে ১৯৬৫ চনত নতুন ৰূপত প্ৰকাশ লাভ কৰে। অধুনালব্ধ পৰিশোধিত সংস্কৰণটো (১৯৯১) 'নীলকণ্ঠ বুক হাউচ' পৰিবেশিত। গ্ৰন্থকাৰে পুথিখনৰ বিষয়সূচীত কালানুক্ৰমিকভাৱে সজাই-পৰাই লোৱা নিৰ্বাচিত মনীষী কেইগৰাকী হ'ল-ঃ (ক) ইটালীৰ ৰাজনীতিজ্ঞ নিকোলো মেকিয়াভেলি (১৪৬৯-১৫২৭ খৃঃ), (খ) ইংলেণ্ডৰ নাট্যকাৰ উইলিয়াম শ্বেইক্‌ছপিয়াৰ (১৫৬৪-১৬১৬ খৃঃ), (গ) ফ্ৰান্সৰ বিপ্লৱী ৰ্যাঁ ৰ্যাক ৰুচো (১৭১২-১৭৭৮ খৃঃ), (ঘ) জাৰ্মানীৰ কবি য়হান ভলফ্‌গাং গেটে (১৭৪৯-১৮৩২ খৃঃ), (ঙ) ৰুচিয়াৰ ঔপন্যাসিক ডষ্টয়এফ্‌স্কি (১৮২১-৮১ খৃঃ) আৰু (চ) ইংৰাজ দাৰ্শনিক বাৰট্ৰাণ্ড ৰাচেল (১৮৭২-১৯৭০ খৃঃ)।

উল্লিখিত কেউগৰাকী মনীষীৰ জীৱন আৰু কাৰ্য্যাৱলী পৰ্য্যালোচনা কৰোতে ড০ গোস্বামী সাহিত্যপ্ৰেমীৰ দৃষ্টিভঙ্গীতে আবদ্ধ থকা নাই, সেইবোৰক গতিশীল কৰি তুলিবলৈ ঐতিহাসিক, ৰাজনৈতিক, সামাজিক আৰু অন্যান্য দৃষ্টিভঙ্গীকো গ্ৰহণ কৰিছে। ডাল-পাত কটালি, মূলতে দৃষ্টি ৰাখি পাঠকক বিন্দুতে সিন্ধুৰ সন্ধান দিব পৰা নিপুণতা আয়ত্ত কৰিব পাৰিছিল বাবেই ড০ গোস্বামীৰ বিশেষ নিৰ্মিতি এই পুথিখনৰ আকাৰ সীমিতৰূপত

দেখা গৈছে। তেওঁ নিজেই কৈছে : "শ্বেইকপিয়াৰৰ নাইবা গেটেৰ প্ৰতিভাৰ জ্ঞান ৰচনা এখনিৰ জৰিয়তে দিবলৈ টান, সুকীয়াকৈ কিতাপত বহলাই লিখিবৰ আৱশ্যক" (*ইউৰোপৰ মনীষা*, পাতনি)। পুথিখনৰ প্ৰসঙ্গত তেওঁ স্পষ্ট কৰি কৈছে : "আধুনিক ইউৰোপৰ প্ৰতিভা বিশ্লেষণ কৰা এই কিতাপখন যিমান দূৰ পাৰি স্বয়ংসম্পূৰ্ণ কৰিবলৈ যত্ন কৰিছোঁ। এই অৰ্থে মনীষীসকলৰ উক্তি নাইবা ৰচনাৰপৰা যথেষ্ট উদ্ধৃতি অনুবাদ কৰি দিছোঁ।" অনুবাদৰ সমস্যা সন্দৰ্ভত ড০ গোস্বামীৰ মন্তব্য হ'ল : "অনুবাদ জটিল কাম; প্ৰত্যেক ভাষাৰ প্ৰকাশভঙ্গীৰ সুকীয়া ধৰণ-ধাৰণ আছে; কেতিয়াবা এক ভাষাৰ বাক্য-গাঁথনিত যিটো সম্ভৱ হয় সেইটো আন এটাৰ বাক্য-গাঁথনিত সম্ভৱ নহয়, আনহাতে মূলৰ ব্যঞ্জনা কিছু ৰাখিব নোৱাৰিলে অনুবাদ সাৰ্থক বুলিব নোৱাৰি" (পাতনি)। উল্লেখযোগ্য যে তেখেতে বিহগী কবি ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' কবিতা পুথিখন ইংৰাজীলৈ অনুবাদ কৰোতে দুই-এটা স্তৱক অনুবাদ কৰিবলৈ এৰি দিছিল। তেখেতৰ মতে সকলোবোৰ স্তৱকতে ঝংকাৰ থাকিলেও ভাৱ নাথাকিব পাৰে আৰু ভাৱৰ অভাৱ হেতু কেতবোৰ স্তৱক অনুবাদৰ যোগ্য বিবেচিত নহ'ব পাৰে (*জনকৃষ্টিৰ সাধক ড০ প্ৰফুল্লদত্ত গোস্বামী* : ড০ ভৃগুমোহন গোস্বামী, ১৯৯০)। প্ৰত্যেক ভাষাৰে এটা নিজস্ব ঠাঁচ থাকে। ড০ গোস্বামীৰ অনুবাদ কৰ্ম মূলানুগ, প্ৰাঞ্জল, তাল-লয়যুক্ত আৰু হ্লাদিনী শক্তিৰে খদ্ধ। এনে হোৱা বাবে অসমীয়া নজনা বিদেশী লোকেও তেখেতৰ ইংৰাজীলৈ অনূদিত অসমীয়া গীত-পদ পঢ়ি তাৰ স্বৰূপ উপলব্ধি কৰিবলৈ সমৰ্থ হয়। উইলিয়াম আৰ্চাৰ(William Archer), প্ৰফেছৰ চি.ভন. ফুৰাৰ-হৈমেনডৰ্ফ(Prof. C. Von Furer-Haimendorf), মেছিমো স্কেলিগেৰো (Massimo Scalgero) আদি পাশ্চাত্য পণ্ডিতসকলে ড০ গোস্বামীৰ অনুবাদ ৰীতিক প্ৰশংসা কৰিছিল (উপৰোক্ত গ্ৰন্থ)।

পুথিখনৰ লেখা ছয়টাৰ প্ৰতিটোকে সাত/আঠটা নাতিদীৰ্ঘ ছেদত ভগাই বিষয়বস্তুক ভিন ভিনকৈ প্ৰাঞ্জলভাৱে আলোচনা কৰা দেখা গৈছে। এই ছেদবোৰত অপ্ৰাসঙ্গিক কোনো কথাৰ অৱতাৰণা হোৱা নাই, কোনো কথাৰ দ্বিৰুক্তি হোৱা নাই। গ্ৰন্থকাৰৰ প্ৰতিটো বক্তব্যই সুচিন্তিত, সুস্পষ্ট আৰু সাৰগৰ্ভ হোৱা বাবে পুথিখন অনুসন্ধিৎসু পাঠক মাত্ৰৰে মনোগ্ৰাহী হৈ পৰাটো স্বাভাৱিক।

গ্ৰন্থকাৰে পাশ্চাত্যৰ এই মনীষীকেইগৰাকীক আলোচনা কৰোতে আলোচনাৰ বাবে প্ৰয়োজন সাপেক্ষে ভাৰতীয় ৰাজনীতিক আৰু সাহিত্যিকৰ উপৰিও ভাৰতীয় সাহিত্যকো সাঙুৰি লোৱা দেখা গৈছে। উদাহৰণ হিচাবে 'মেকিয়াভেলি' ৰচনাখনত ভাৰতৰ ঐতিহাসিক মন্ত্ৰী চাণক্য আৰু তেওঁৰ *অৰ্থশাস্ত্ৰ*, সোমদেৱ সুৰি আৰু তেওঁৰ *নীতি-বাক্যামৃত*, সেইদৰে *মহাভাৰতৰ* উল্লেখ কৰিছে। 'শ্বেইক্‌ছপিয়াৰ' ৰচনাখনত 'বণিজকোঁৱৰ'-ৰ বীজ হিচাপে *পিৰিজাভকৰ* উল্লেখ, 'গেটে' ৰচনাখনত 'ফাউষ্ট' নাটকৰ আৰম্ভণিতে কালিদাসৰ *শকুন্তলা* নাটৰ অনুকৰণ ইত্যাদি কথালৈ আঙুলিয়াব পাৰি।

পুথিখনত সন্নিবিষ্ট কৰা প্ৰতিগৰাকী মনীষীৰ ছবিয়ে পাঠক বৰ্গক বিষয়বস্তুৰ গভীৰতালৈ যোৱাত কিদৰে সহায় কৰিব পাৰে সেইদৰে পুথিখনৰ শেষত সংযোগ কৰা 'চমুগ্ৰন্থসূচী'খনৰ প্ৰসঙ্গপুথি আঠষষ্ঠিখনৰ সত্তেদ ইংৰাজী ভাষাৰ ছাত্ৰ-ছাত্ৰীসকলকযে নথৈ উপকাৰ সাধিব পাৰিব তাত সন্দেহ নাই।

পৰৱতী ছেদ কেইটাত ড০ গোস্বামীৰ দৃষ্টিভঙ্গীৰে প্ৰতিখন ৰচনাৰ চমু আভাস একোটা দিবলৈ যত্ন কৰা হৈছে।

(ক) মেকিয়াভেলি

ড০ গোস্বামীয়ে মেকিয়াভিলি ৰচনাখনত নীতিবাক্যামৃতৰ– 'অথ ধৰ্মাৰ্থকামফলায় ৰাজ্যায় নমঃ'– কথাশাৰীৰ উদ্ধৃতি দি ৰাজনীতি শাস্ত্ৰৰ মূলমন্ত্ৰ যে 'ৰাজ্যায় নমঃ' হয়, ৰাজ্যৰ নিৰাপত্তা আৰু শক্তি সংবৰ্দ্ধনত ব্যক্তি যে প্ৰধান নহয়– এনে সিদ্ধান্তই মেকিয়াভেলিৰ জীৱনত কিদৰে প্ৰভাৱ পেলাইছিল তাৰ ওপৰত আলোকপাত কৰিছে।

মেকিয়াভেলিৰ 'ৰজা' (১৫৩২) বাস্তৱ অভিজ্ঞতাৰ ভেটিত ৰচিত এখন অনুপম গ্ৰন্থ। মৃত্যুৰ পাঁচ বছৰ পিছত প্ৰকাশ হোৱা এই পুথিখনৰ পৰৱৰ্তী বিশ বছৰত পঁচিছটা সংস্কৰণ ওলাইছিল। ধৰ্ম সংক্ৰান্ত কাৰণত ৰোমৰ পোপে এই পুথিখনৰ প্ৰচাৰ বন্ধ কৰি দিছিল। মন কৰিবলগা কথা হ'ল ফৰাচী লিখক জেন্‌টিলেটে ইয়াক কুৎসাকৈ সজাই চয়তান (১৫৭৬) অৰ্থত "মেকিয়াভেলিজিম্" বুলি কথা এফাকি প্ৰচাৰত সহায়ক হৈছিল। স্বৰূপাৰ্থত মেকিয়াভেলি আছিল এগৰাকী স্বদেশপ্ৰেমী ৰাজবিষয়া। তেওঁ ভাৱে– 'ৰজাই নিজ শক্তি অক্ষুণ্ণ ৰাখিবলৈ আৰু দেশৰ শক্তি সুসংহত কৰিবলৈ ভণ্ডামি আৰু নিষ্ঠুৰতাৰ আশ্ৰয় ল'ব লাগে (পৃ.২)। মানুহে মেকিয়াভেলিৰ এই ভণ্ডামি আৰু নিষ্ঠুৰতাৰ ধাৰণাত ইংৰাজী নাটকৰ 'দুস্মণ' চৰিত্ৰৰ গোন্ধ হে পালে। মাৰ্লো, শ্বেইক্‌ছপিয়াৰ আদিৰ নাটকত মেকিয়াভেলিৰ প্ৰভাৱ স্পষ্ট।

ড০ গোস্বামীয়ে 'ৰজা' পুথিখনৰ পঞ্চদশ আৰু অষ্টাদশ অধ্যায় দুটা ক্ৰমে 'মানুহে, বিশেষকৈ ৰজাই, কি কি কাৰণত সদনাম বা বদনাম পায়' আৰু 'ৰজাই কিদৰে বিশ্বাস বা কথা ৰাখিব লাগে'– এই শিৰোনামাৰে অসমীয়ালৈ ভাঙনি কৰি মেকিয়াভেলিৰ ৰাজনৈতিক চিন্তাধাৰাৰ আভাস পাঠকৰ আগত ডাঙি ধৰিছে। স্বদেশৰ ঐক্য আৰু স্বাধীনতা ৰক্ষাত মেকিয়াভেলিয়ে দিয়া অগ্ৰাধিকাৰৰ বিষয়ে গ্ৰন্থকাৰে এই গৰাকী মনীষীৰ কথাৰে লিখিছে– 'কাৰ্য্যতঃ ধূৰ্ত বা শঠ হোৱাৰো এটা সীমা আছে; কাৰণ যিবিলাক অস্ত্ৰেৰে এজন ডাঙৰ হয় সেইবিলাক অস্ত্ৰেৰেই তেওঁক আনে নিপাত কৰে' (পৃ.১০)। তেখেতে স্পষ্টকৈ দেখুৱাই দিছিল : 'গান্ধীবাদত মেকিয়াভেলিৰ তথ্যৰ স্থান দুষ্প্ৰাপ্য, লক্ষ্য বি সিহে পন্থাৰ যুক্তিযুক্ততা নিৰ্ণয় কৰে।'

দেশৰ ঐক্য স্থাপনৰ শিক্ষা আহৰণৰ কাৰণে জাৰ্মানীৰ ফ্ৰেডেৰিক আৰু বিছ্‌মাৰ্কে মেকিয়াভেলিৰ 'ৰজা' বিশেষভাৱে অধ্যয়ন কৰিছিল। হিটলাৰে গাৰুৰ কাষতে 'ৰজা' নামৰ পুথিখন ৰাখিছিল।

মুছোলিনিৰ মতে 'ৰজা' আছিল 'ৰাজনীতিজ্ঞৰ শ্ৰেষ্ঠ গুৰু।' ড০ গোস্বামীয়ে সংক্ষেপে এৰিষ্টটলৰ সমাজ বা ৰাষ্ট্ৰৰ লক্ষ্যৰ ওপৰত চকু দি মেকিয়াভেলিৰ ৰাষ্ট্ৰনীতিৰ লগত এৰিষ্টটলৰ প্ৰভেদখিনি ডাঙি ধৰিছে। 'ডিছক'ৰ্ছেজ'- পুথিত মেকিয়াভেলিয়ে লিখিছে ঃ "পিতৃভূমিৰ নিৰাপত্তাৰ লৈ যেতিয়া কথা উঠে, তেতিয়া ন্যায় বা অন্যায়, দয়া বা নিষ্ঠুৰতা, সন্মান বা অসন্মান– এনে কথা উঠিব নোৱাৰে; বৰং যি উপায় ল'লে স্বদেশৰ জীৱন আৰু স্বাধীনতা ৰক্ষা পৰে তাৰ কথা হে উঠা যুগুত।'

মেকিয়াভেলিয়ে 'ৰজা'-ৰ যোগেদি অৰ্জা খ্যাতি বা কুখ্যাতি শেষলৈ চিন্তাবিদ হেগেল আদি দাৰ্শনিকৰ বৈজ্ঞানিক আৰু তাত্ত্বিক বিশ্লেষণত মানুহৰ চকুত ধৰা দিয়ে। দেশবাসীয়ে এইগৰাকী মনীষীৰ সমাধিৰ ওপৰৰ ফলকত লিখি দি গৌৰৱবোধ কৰিছিল ঃ 'এনে মহান নামৰ কাৰণে কোনো সন্মানেই উপযুক্ত নহয়।'

(খ) উইলিয়াম শ্বেইকছ্পিয়াৰ

ড০ গোস্বামীয়ে পাঁচ-ছয়শ বছৰৰ আগতে ভাৰতবৰ্ষ জুৰি সংস্কৃত সাহিত্যৰ ভেটিত বৈষ্ণৱ সাহিত্যই গঢ় লৈ উঠাৰ উদাহৰণ দি প্ৰায় একে সময়তে প্ৰাচীন গ্ৰীক আৰু লেটিন ভাষাৰ ভেটিত ইউৰোপৰ বিভিন্ন দেশত মাৰ্লো, শ্বেইকছ্পিয়াৰ আদি সাহিত্যিকৰ যত্নত এক স্থায়ী নতুন সাহিত্যৰ সৃষ্টি হোৱা কথালৈ পাঠকসকলক আঙুলিয়াই দিছে। এই সময়ৰ ইউৰোপৰ সামাজিক বাতাবৰণ বৈষম্যপূৰ্ণ আছিল যদিও সুকুমাৰ বৃত্তিৰ কৰ্ষণ এই যুগৰে এটা ফেশ্যন আছিল। তেখেতে লণ্ডনত প্ৰথম থিয়েটাৰ ঘৰ (১৫৭৬) সজাৰেপৰা দহ বছৰৰ ভিতৰত ছটাকৈ থিয়েটাৰ কোম্পানী আৰু এইদৰে ডা-ডাঙৰীয়াৰ পৃষ্ঠপোষকতাত গঢ়ি উঠা নাট্য আন্দোলনৰ চমু আভাস এটিও সংযোগ কৰিছে। গ্লোব থিয়েটাৰৰ কালি, মঞ্চৰ কালি, ছোঁঘৰ, অভিনয়ৰ কাল ইত্যাদি দিশবোৰ সামৰি তাত শ্বেইকছ্পিয়াৰৰ সৰহসংখ্যক নাটক মঞ্চস্থ কৰাৰ কথাও জানিব দিছে। অতীতৰ লণ্ডনত নাট প্ৰকাশ বা অভিনীত হ'লে চৰকাৰী ৰেজিষ্টাৰত লিখি থোৱা নিয়ম আৰু ইয়াৰ ভেটিতে কিছুমান নাটকৰ ৰচনাকাল জানিব পৰা গৈছে।

শ্বেইকছ্পিয়াৰে লৰ্ড চেম্বাৰলেইনৰ থিয়েটাৰ কোম্পানীৰ সদস্য হোৱা সময়লৈ প্ৰায় এঘাৰখন 'ৰংগনাটক' বা 'কমিডি' ৰচনা কৰিছিল। এইগৰাকী নাট্যকাৰক প্ৰসিদ্ধ কৰি তোলা 'ট্ৰেজিডি' নাটকসমূহৰ ৰচনাৰ তাৎপৰ্য্য নিৰ্ণয় সম্দৰ্ভত ড০ গোস্বামীয়ে মন্তব্য কৰিছে ঃ 'বাস্তৱ অভিজ্ঞতাৰ আলম লৈহে কল্পনাৰ সৌধ সাজিব পাৰি।' এই নাটবোৰত 'কমিডি'ৰ উৎসাহ-উদ্দীপনাৰ পৰিবৰ্ত্তে বিশ্লেষণশীলতা, আবেগ আৰু আত্মসংযমৰ মাজত কিছুদূৰ বিৰোধ দেখুৱা হৈছে। হেমলেটৰ দুৰ্গতি নিবাৰণৰ উপায় আত্মসংযম। জীৱনৰ ধাৰা মনৰ কাৰ্য্যৰ ওপৰত নিৰ্ভৰশীল। যুক্তিৰ কালৰণৰা ইয়াৰ ব্যাখ্যা সিদ্ধ নহয়, কেৱল সংযমৰদ্বাৰাহে তাৰ তীব্ৰতা আঁতৰাব পাৰি।

সমালোচক লেম, কলৰিজ, ব্ৰেগোলৰ শ্বেইকছ্পিয়াৰ বিষয়ক বক্তৃতা, ৰচনা, সমালোচনাই

এই নাট্যকাৰ গৰাকীক সৰ্বজনবিদিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। এভন-নদীৰ পাৰত গঢ়ি উঠা 'শ্বেইকছ্‌পিয়াৰ সোঁৱৰণী ৰঙ্গমঞ্চ'-ৰ বিৱৰণ আৰু কাৰ্য্যাৱলী ৰচনাখনত সন্নিবিষ্ট কৰি ড০ গোস্বামীয়ে মন্তব্য কৰিছে— 'বৰ্তমান যুগত শ্বেইকছ্‌পিয়াৰ অনুশীলন হৈ পৰিছে এক বৃহৎ শিল্প।'

(গ) ৰুঁ আৰু ৰুছো

গ্ৰন্থকাৰে এইখন ৰচনাৰ আৰম্ভণিতে ভল্‌টেয়াৰ, মণ্টেস্কু, ডিডেৰো, ডালম্বেৰ আৰু ৰুছো— এই আগশাৰীৰ লিখকসকল যে অষ্টাদশ শতিকাৰ ফ্ৰান্সৰ ৰাজকীয় শাসনৰ অসাৰতাত একমত, এই কথাৰ উল্লেখ কৰিছে। এই কেইগৰাকী চিন্তাবিদৰ মাজতো মতৰ ভিন্নতা আছিল। ৰুছো আছিল ভাৱবিলাসী। তেওঁ বুদ্ধিতৰ্কে বোধক আৰু চিন্তাশক্তিতকৈ অন্তৰক বেছি প্ৰাধান্য দিছিল। ৰুছোৰ অনুভূতি প্ৰৱণতাই দৰ্শন, ৰাজনীতি, সমাজ, শিক্ষা সকলোতে প্ৰকাশ লাভ কৰিছিল।

সাতত্ৰিশ বছৰ বয়সলৈ ৰুছোৱে ডিডেৰোৰ আহ্বান ক্ৰমে বিশ্বকোষৰ কাৰণে দুটি-এটি প্ৰবন্ধ, ৰংগনাট, কবিতা আৰু সঙ্গীত ৰচনা কৰিছিল। ডীজঁৰ একাডেমীয়ে 'বিজ্ঞান আৰু কলাৰ পুনৰুজ্জীৱনে নীতি শোধিত কৰিছে নে তাৰ অপকাৰ সাধিছে ?'— এই বিষয়ৰ ওপৰত অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাত ৰুছোৱেই পুৰস্কাৰ (১৭৫০) লাভ কৰি সেই সময়ৰ লিখকসকলৰ মাজত এক সম্মানজনক স্থানত অধিষ্ঠিত হ'ল। 'মানুহৰ মাজত অসাম্য' ৰচনাখনত তেওঁ দেখুৱালে "মানুহ স্বভাৱতে সৎ, অনুষ্ঠান বিলাকেহে তেওঁক অসৎ কৰে।" এই ৰচনাখনৰ ওপৰত ভল্‌টেয়াৰে কৰা মন্তব্য ড০ গোস্বামীয়ে অনুবাদ কৰি পাঠকসকললৈ আগবঢ়াইছে। ইয়াক পঢ়ি বুজিব পাৰি যে, ভল্‌টেয়াৰ আৰু ৰুছোৰ বন্ধুত্বৰ শিকলিডাল ক্ষীণ হৈ পৰিছে। ৰুছোৱে ভল্‌টেয়াৰৰ সকলো কাৰ্য্যতে বিৰূপ সমালোচনা কৰিহে এৰিছিল। অৱশ্যে শেষৰ কালে ৰুছোৱে ভল্‌টেয়াৰৰ প্ৰতিভাক স্বীকৃতি দিছিল।

ড০ গোস্বামীয়ে ৰুছোৰ 'নৱ এলইজ' (১৭৬১) পুথিত চিত্ৰিত হোৱা প্ৰকৃতিৰ সৌন্দৰ্য্য আৰু চহা জীৱনৰ সৰল মাধুৰ্য্যই আন্তৰিক অনুভূতিৰ আপডাল টানকীয়াল হৈ ইউৰোপীয় সাহিত্যত ৰোমাণ্টিক ভাৱধাৰাৰ সৃষ্টি হোৱা বুলি উল্লেখ কৰিছে। ৱৰ্ডছ্‌ৱাৰ্থ, বাইৰণ, শ্বিলাৰ, গেটে— এওঁলোক উক্ত ৰোমাণ্টিক পৰম্পৰাৰ শিশু। তেওঁৰ 'এমিল' (১৭৬২) পুথিখনতো প্ৰকৃতিমুখী শিৰাৰ আলোচনা আছে। এই প্ৰসঙ্গত গ্ৰন্থকাৰৰ নিৰ্বাচিত অনূদিত অংশ এটা হ'ল ঃ "আমাৰ শিশুবিলাকক বাহিৰৰ অস্বাভাৱিক সাঁচ এটিত গঢ়িব নালাগে; নিজৰ প্ৰকৃতিৰ নিৰ্দেশ অনুসৰিহে সিহঁতৰ বিকাশ হ'ব লাগে।" ৰুছোৰ এই শিক্ষাই শিক্ষাবিধিত যথেষ্ট প্ৰভাৱ পেলাইছিল। আনকি শিশুমনৰ উপযোগী পুথি ৰচনাৰ কামো এই সময়ৰ পৰা আৰম্ভ হয়।

'এমিল' আৰু 'লে কঁট্ৰে ছছিয়াল' পুথি দুখনৰ বাবে ৰুছোৱেই ধৰ্মগুৰু আৰু ৰাজশক্তিৰ

ভয়ত দেশে দেশে পলাই ফুৰিছিল। এইদৰে পলাই ফুৰা কালছোৱাতে (১৭৬৪-৭০) তেওঁ 'লে কঁফেছ্যঁ' (১৭৮২) নামৰ আত্মজীৱনীখন লিখে। শেৰিছৰ বাহিৰত, এগৰাকী হিতকাৰী লোকৰ দয়াত, এটা গাঁৱলীয়া অঞ্চলত নিঃকিনভাৱে দিন কটাই এইগৰাকী মনীষীয়ে নশ্বৰ দেহ ত্যাগ কৰে।

(ঘ) গেটে

মাকৰ প্ৰভাৱ গেটেৰ জীৱনত অধিক যদিও পিতাকৰ প্ৰকৃতিৰ দৃঢ়তাই তেওঁক সংযত জীৱন গঢ়াত সহায় কৰিছিল। তেওঁ জাৰ্মান ভাষাৰ উপৰিও ইংৰাজী আৰু লেটিন ভাষা শিকিছিল। বাইবেলৰ পুৰণি খণ্ডটোৰ জ্ঞান আয়ত্ব কৰিছিল।

গেটে জাৰ্মানীৰ গঠিক শ্ৰেণীৰ ভাস্কৰ্য্যৰ সৌন্দৰ্য্যত মুগ্ধ হৈছিল। হেৰ্ডাৰে তেওঁক চহাৰ মুখত শুনা জনগীতৰ প্ৰতি আকৰ্ষণ কৰিছিল আৰু তেওঁৰ প্ৰেৰণা পাইয়ে গেটে আলচেশিয়াৰ চহা গীতবোৰৰ সংগ্ৰহ কাৰ্য্যত আত্মনিয়োগ কৰিছিল।

'ভেটাৰ' আৰু 'গেটছ'— এই কাব্য দুখনে গেটেক বিশ্ববন্দিত কবি তোলাৰ লগে লগে ইউৰোপত জাৰ্মান সাহিত্যই এখন সম্মানজনক আসন দখল কৰিলে। ডিউক কাৰ্ল আউগুষ্টৰ নিমন্ত্ৰণক্ৰমে তেওঁ ভাইমাৰ পালেগৈ। গেটেৰ জৰিয়তে ভাইমাৰ চহৰখন সাহিত্য চৰ্চাৰ কেন্দ্ৰ স্থল হৈ পৰিল।

ড০ গোস্বামীয়ে প্ৰতিভা বিকাশৰ ক্ষেত্ৰত ৱৰ্ডজৱাৰ্থ আৰু কোলৰিজৰ যি সম্পৰ্ক, সেই একে সম্পৰ্ক শ্বিলাৰ আৰু গেটেৰ মাজতো আছিল বুলি মন্তব্য কৰিছে। গেটে আছিল ইতিহাসৰ অধ্যাপক আৰু দাৰ্শনিক, শ্বিলাৰ নাট্যকাৰ আৰু ভাববাদী। শ্বিলাৰৰ প্ৰেৰণাতে গেটে 'ভিলহেল্ম মাইষ্টাৰছ লেৰয়াৰে' (১৭৯৬) উপন্যাস ৰচনা কৰে আৰু গেটেৰ জীৱিত কালতে এইখন কাৰ্লাইলে ইংৰাজীলৈ অনুবাদ কৰে। 'ফাউষ্ট'ৰ কামত আত্মনিয়োগ কৰাৰ মূলতো শ্বিলাৰৰ প্ৰভাৱ আছে।

এইগৰাকী মনীষীক নেপোলিয়নে অপৰিসীম শ্ৰদ্ধা কৰিছিল। চাক্সে-ভাইমাৰ অধিগ্ৰহণ হোৱাত তেওঁ তেওঁৰ সৈন্যসকলক, গেটেক যাতে অসম্মান কৰা নহয় তাৰ বাবে বিশেষ নিৰ্দেশ দিছিল।

(ঙ) ডষ্টয়এফস্কি

ঊনবিংশ শতিকাৰ শ্ৰেষ্ঠ ৰুচীয় উপন্যাসিক ডষ্টয়এফস্কিক ড০ গোস্বামীয়ে সত্যৰ সন্ধানী বুলি উল্লেখ কৰিছে। ইঞ্জিনিয়াৰিং স্কুলত পঢ়ি থাকোতে লিখা 'দৰিদ্ৰলোক' পুথিখনৰ বাবে এওঁ বিখ্যাত হৈ পৰিছিল। সেই যুগৰ বহুতো প্ৰতিভাশালী ব্যক্তিৰ অলপ কথাতে ৰাজক আৰু চৰকাৰে জে'ল-নিৰ্বাসন দণ্ড দিছিল। ডষ্টয়এফস্কিয়ে চাইবেৰীয়াৰ জে'ল জীৱনৰ অভিজ্ঞতাৰে 'মৃতকৰ ঘৰ' লিখি উলিয়ায়। বিলিয়াৰ্ড, কলেট আৰু জুৱা খেলৰ স্পৃহাই তেওঁক দেউলীয়া সজাইছিল। এনে অৱস্থাতে তেওঁ 'অপৰাধ আৰু দণ্ড' উপন্যাসখন লিখিবলৈ লয়। প্ৰকাশকৰ ধাৰ পৰিশোধৰ বাবে ষ্টেনোগ্ৰাফাৰ পত্নী আনা

পৃগবিয়েৰ্ফ্নাৰ সহায়ত মাত্ৰ ছাব্বিশ দিনৰ ভিতৰতে 'জুৰাবী' উপন্যাসখন লিখি দিয়ে। ইয়াৰ পিছত 'অকৰা', 'যুগমীয়া স্বামী', 'দেৱে লজ্জা', 'কেঁচা যৌৱন' ইত্যাদি পুথিসমূহ লিখি উলিয়ায়।

ড০ গোস্বামীয়ে জাৰ্মান দাৰ্শনিক নীটছ্শ্বেহ ডষ্টয়এফস্কিৰ 'মৃতকৰ ঘৰ'-ত দেখুওৱা 'অতিমানৱ' তথ্যৰপৰা নিচৰ 'অতিমানৱ তত্ত্ব'ৰ ধাৰণা গ্ৰহণ কৰিছে বুলি মত প্ৰকাশ কৰিছে। সেইদৰে ফ্ৰইটীয় মনোবিশ্লেষণৰ গুৰি হিচাপেও এইগৰাকী উপন্যাসিকৰ প্ৰায়বোৰ উপন্যাসৰ অৱদান অনস্বীকাৰ্য্য।

(চ) ৰাছেল

গ্ৰন্থাকাৰে অশীতিপৰ ৰাছেলৰ সঁচাকৈয়ে কিবা সত্য উদ্ঘাটন কৰিব পাৰিনে আৰু ইয়াতকৈ অধিক সুখী জগত এখন সৃষ্টি কৰিব পাৰিনে ?— এই দুটি লক্ষ্যৰ কথা পাঠকক অৱগত কৰিছে। ৰাছেলে পাৰমাণৱিক যুদ্ধৰ প্ৰস্তুতিত শঙ্কিত হৈ বিশ্বশান্তিৰ বাবে আগবঢ়োৱা যুক্তি ড০ গোস্বামীয়ে তেখেতৰ আলোচনাত প্ৰাঞ্জলভাৱে প্ৰকাশ কৰিছে। ৰাছেলৰ জন্ম হৈছিল ধৰ্মবিষয়ত এক মুক্তচিন্তক পৰিয়ালত। নিজৰ প্ৰতিভাৰ গুণতে গণিত, দৰ্শন, অৰ্থনীতি আৰু আৰ্টৰ উচ্চ শিক্ষা অৰ্জন কৰি দেশ-বিদেশত কৃতিত্বৰে কৰা শিক্ষকতাৰ প্ৰচুৰ অভিজ্ঞতাৰে ৰাছেল পৰিপুষ্ট আছিল। শিক্ষাৰ স্বৰূপ কি; আমেৰিকাৰ জন ডিউই আদি শিক্ষাবিদৰ শিক্ষানীতিৰ দোষ ক'ত, ছাত্ৰই ধৰা-বন্ধা কঠিন অনুসৰণ কৰিব লাগেনে, শিক্ষণৰ দায়িত্ব কাৰ, শিক্ষক কোনবোৰ— এনে বহু প্ৰশ্ন আৰু তাৰ সমাধান তেওঁ নিজৰে 'এডুকেশ্যন এণ্ড দি চোচিয়েল অৰ্ডাৰ' (১৯৩২), 'অন এডুকেশ্যন' (১৯২৬) আদি কিতাপত ব্যাখ্যা কৰিছে। তেওঁৰ মতে শিক্ষাই ব্যক্তিক নিৰপেক্ষভাৱে, বৈজ্ঞানিকভাৱে চালি-জাৰি চাবলৈ শিকায়। ৰাছেল আছিল যুক্তিবাদী মনৰ মানুহ। অপ্ৰিয় সত্য অপ্ৰকাশৰ তেওঁ পক্ষপাতী নাছিল। ড০ গোস্বামীয়ে ৰাছেলৰ প্ৰসঙ্গত কৈছে যে, জ্ঞানৰ ভাণ্ডাৰ নথকাকৈ জ্ঞানৰ বেহা কৰিব যোৱা লোকৰ প্ৰতি ৰাছেলৰ পুতৌ জন্মিছিল। অৱশ্যে গুণী শিক্ষক বা ছাত্ৰৰ প্ৰতি তেওঁ শ্ৰদ্ধালু আছিল। দাৰ্শনিক লুড্ভিক ভিট্‌গেনষ্টাইন তেওঁৰ ছাত্ৰও, বন্ধুও। তেওঁৰদ্বাৰা ৰাছেল প্ৰভাৱান্বিত হৈছিল।

ভাষাৰ সৌন্দৰ্য্য বৰ্দ্ধনৰ বাবে ৰাছেলে ৱলটাৰ আৰু ফৰাচী লিখক ফ্লোবেয়েৰক অনুকৰণ কৰিছিল। ভাষাৰ স্বৰূপ আৰু প্ৰয়োগৰ ক্ষেত্ৰত নতুন আঙ্গিকৰ সংযোগো তেওঁ ঘটুৱাইছিল। গ্ৰন্থকাৰে ৰাছেলৰ লিখনিবোৰ সূত্ৰৰ দৰে অন্তৰ পৰশা আৰু প্ৰৱচনৰ দৰে প্ৰয়োগ কৰিবলগীয়া বুলি মন্তব্য কৰিছে। গাণিতিক ন্যায়ৰ ভাষাও ৰাছেলৰ গদ্যশৈলীত প্ৰয়োগ হৈছিল। 'তেওঁৰ গদ্যৰ আন এটি লক্ষণ হ'ল শব্দ প্ৰয়োগৰ ক্ষেত্ৰত মিতব্যয়িতা আৰু বাক্য গাঁথনিৰ প্ৰাঞ্জলতা।'

ৰাছেলৰ কিতাপৰ সংখ্যা বহুতো। গ্ৰন্থকাৰে সেইবোৰৰ কেইখনমো এই ৰচনাত বিশ্লেষণ কৰি দেখুৱাইছে।

—●—

"বুৰঞ্জী আৰু সংস্কৃতি"

বাণীকান্ত শৰ্মা

আধুনিক যুগৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু প্ৰাচীন গুৰুকুল পদ্ধতিৰ আচাৰ্য্য শব্দ দুটাক সমাৰ্থক বুলি গ্ৰহণ কৰিলে বোধহয় ভুল কৰা নহ'ব। প্ৰফুল্লদত্ত গোস্বামী বিশিষ্ট অধ্যাপক; অধ্যাপক হ'বলৈ হ'লে পাণ্ডিত্যৰ শীৰ্ষস্থান অধিকাৰ কৰিব লাগে; অৰ্থাৎ অধ্যাপক হ'লে বিশিষ্ট পণ্ডিত হ'ব লাগে। গোস্বামীৰ আছিল বিশিষ্ট পাণ্ডিত্য; সাধাৰণ অৰ্থত আমি বুজা পণ্ডিত তেওঁ নহয়, তেওঁ আছিল কৃতবিদ্য পণ্ডিত, যাৰ ওচৰত কোনো জিজ্ঞাসু বিমুখ হ'বলগীয়া নৌহৈছিল। কোন নো প্ৰকৃত পণ্ডিত সেই বিষয়ে *মহাভাৰতত* পোৱা যায় এইদৰে ঃ

প্ৰবৃত্তবাক্ চিত্ৰকথঃ ঊহবান্ প্ৰতিভানবান্।
আশু গ্ৰন্থস্য বক্তা চ যঃ স পণ্ডিত উচ্যতে॥

—যিজন কথা ক'বলৈ কৃতনিশ্চয়, যিজনে মনোগ্ৰাহীকৈ ক'ব পাৰে, যিজনে পৰ্য্যালোচনাপূৰ্বক ক'ব পাৰে, যিজনৰ বিষয়বস্তুৰ গভীৰ আৰু স্বচ্ছ ধাৰণা আছে, যিজনে শীঘ্ৰে গ্ৰন্থৰ অৰ্থ ব্যাখ্যা কৰিব পাৰে তেৱেঁই পণ্ডিত।

উক্ত গুণাৱলী গোস্বামীৰ গাত বিৰাজমান। তেওঁ আছিল বহু অধ্যয়নশীল লোক। লৰ্ড মেকলেৰ নিচিনাকৈ গ্ৰন্থ অধ্যয়ন কৰাটোৱে আছিল তেওঁৰ বৈশিষ্ট্য। কিতাপৰ পাত লুটিয়ালেই অধ্যয়ন নহয়, কিতাপৰ বিষয়বস্তু পঢ়ি মৰ্ম উপলব্ধি কৰিব পৰাটোহে প্ৰকৃত পাণ্ডিত্যৰ পৰিচয়। সংস্কৃত সাহিত্যৰ *সুভাষিতাৱলীত* আছে ঃ

যস্য নাস্তি বিবেকস্তু কেৱলং যো বহুশ্ৰুতঃ।
ন স জানাতি শাস্ত্ৰাৰ্থান্ দৰ্বী পাকৰসানিৱ।

—যাৰ বহু অধ্যয়ন আছে অথচ বিচাৰ-বিবেচনা শক্তি নাই তেওঁ শাস্ত্ৰৰ অৰ্থ বুজি নাপায় যেনেকৈ পাক কৰি থাকিও হেতাই আঞ্জাৰ সোৱাদ বুজি নাপায়।

গোস্বামীয়ে সকলো বিষয় তন্ন তন্নকৈ অনুসন্ধান কৰিহে অধ্যয়ন কৰিছিল, তেওঁৰ অধ্যয়ন একমুখী নহয়, বহুমুখী। প্ৰত্নতত্ত্ব, ইতিহাস, জনসংস্কৃতি, কিংবদন্তী, পৌৰাণিক আখ্যান, উপাখ্যান ইত্যাদি বিষয়বোৰৰ সূক্ষ্মাতিসূক্ষ্ম বিশ্লেষণ কৰি চোৱাটোৱে আছিল

তেওঁৰ স্বভাৱ। তেওঁ সুন্দৰকৈ উপলব্ধি কৰিছিল যে "শ্রমানুসাৰিণী বিদ্যা", ধন, প্ৰতিপত্তি, যশস্যালাভ আদি বহু পৰিমাণে ভাগ্যাধীন, কিন্তু বিদ্যা বা জ্ঞান পৰিশ্ৰম ব্যতিৰেকে সম্ভৱপৰ নহয়। নীতিশাস্ত্ৰত আছে ঃ *নৰত্বং দুৰ্লভং লোকে বিদ্যা তত্ৰ সুদুৰ্লভা*। সুদীৰ্ঘকাল অধ্যয়ন ব্যতিৰেকে পাণ্ডিত্য লাভ হ'ব নোৱাৰে। গোস্বামী আঁশেশৰ মৰণ পৰ্যন্ত সমগ্ৰ জীৱনটো ব্যস্ত ৰাখিছিল অধ্যয়নত। যিটো জাতি বা যিখন দেশ অধ্যয়ন-অধ্যাপনাৰ প্ৰতি বীতশ্ৰদ্ধ হয়, সেই দেশ বা জাতিৰ অধঃপতন সুনিশ্চিত। আমাৰ দেশৰ বহুতো জ্ঞানৰ ভাণ্ডাৰ জাতি, দেশ আৰু ব্যক্তিৰ অনীহাৰ কাৰণে লুপ্ত হোৱা কথা আমি অস্বীকাৰ কৰিব নোৱাৰোঁ। সেইকাৰণে ব্যক্তি, দেশ আৰু জাতিৰ অগ্ৰগতিৰ কাৰণে জ্ঞানৰ অন্বেষণ, বিস্তাৰ আৰু প্ৰচাৰ অপৰিহাৰ্য্য। গোস্বামীৰ জীৱন জ্ঞানৰ অন্বেষণত অতিবাহিত হৈছিল। তেওঁৰ জ্ঞানৰ অন্বেষণ কেনেধৰণৰ আছিল তাৰ নিদৰ্শন তেওঁৰ গৱেষণা প্ৰসূত গ্ৰন্থৰাশিৰ বাহিৰেও দুখন প্ৰবন্ধ সম্বলিত গ্ৰন্থই তেওঁৰ অধ্যয়নৰ মৌলিকত্ব আৰু মননশীলতাৰ পৰিচয় দিয়ে। তাৰে এখন হ'ল *সাহিত্য আৰু জীৱন* আৰু আনখন হ'ল বিভিন্ন সময়ত লিখা বিভিন্ন বিষয়ৰ প্ৰবন্ধৰ সংকলন— *যুৱতী আৰু সংস্কৃতি*। প্ৰথমখন গ্ৰন্থত আছে ৪২টা প্ৰবন্ধ আৰু দ্বিতীয়খনত আছে ১৮টা প্ৰবন্ধ। এই ১৮ সংখ্যাটোৰ এটা মাহাত্ম্য আছে— *শ্ৰীমদ্ভগৱদগীতাৰ* অধ্যায় সংখ্যা ১৮, কুৰুক্ষেত্ৰ মহাসমৰৰ যুদ্ধৰ দিন সংখ্যা ১৮, ব্যাসকৃত মহাপুৰাণৰ সংখ্যা ১৮ ইত্যাদি। ইয়াত দ্বিতীয়খন গ্ৰন্থত সন্নিবিষ্ট ১৮টা প্ৰবন্ধৰ বিষয়ে যৎসামান্য নিবেদন কৰা হ'ব।

গ্ৰন্থখনৰ প্ৰথম প্ৰবন্ধটোৰ শিৰোনামা ধাৰ কৰা হৈছে মহৰ্ষি বেদব্যাস প্ৰণীত *মাৰ্কণ্ডেয়পুৰাণৰ* অন্তৰ্গত *শ্ৰীশ্ৰীচণ্ডীৰ* পঞ্চম অধ্যায়ৰ ৩৪নং শ্লোকৰপৰা ঃ

যা দেৱী সৰ্বভূতেষু শক্তিৰূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমোনমঃ॥

"যা দেৱী শক্তিৰূপেণ সংস্থিতা' নামৰ প্ৰবন্ধটোত গোস্বামীয়ে প্ৰত্নতাত্ত্বিক দিশৰপৰা আদ্যা শক্তিৰ উপাসকসকলে কেতিয়াৰপৰা পৃথিৱীৰ কোন কোন ঠাইত শক্তিৰ উপাসনা কৰিছিল তাৰ এটি বিশ্লেষণাত্মক বিচাৰ যুক্তিনিষ্ঠভাৱে নিৰ্ণয় কৰিবলৈ যত্ন কৰিছে। মাতৃৰূপে শক্তিক দেৱীৰূপত উপাসনা কৰা নিদৰ্শন ইউৰোপ তথা মধ্য এচিয়াৰ ইউফ্রেটিছ আৰু টাইগ্ৰিছ উপত্যকাত গঢ়ি উঠা মেছপটোমিয়া সভ্যতাৰ যুগত পোৱা যায়। চুমেৰীয়, এচিৰীয়, হিট্রাইটীয়সকলৰ মাজত দেৱীৰ পূজা যে হৈছিল তাৰ প্ৰমাণ আৱিষ্কৃত দেৱীমূৰ্ত্তিসমূহৰপৰা সহজে অনুমান কৰিব পাৰি। প্ৰাচীন প্ৰস্তৰ যুগৰপৰা ভাৰতত আৰ্য্য সভ্যতাৰ চূড়ান্ত বিকাশৰ সময়লৈ দেৱীক আৰাধনা কৰাৰ প্ৰমাণ মূৰ্ত্তিসমূহৰ জৰিয়তে পোৱা যায়। সিন্ধু সভ্যতাৰ ধ্বজা বহনকাৰী হৰপ্পা আৰু মহেঞ্জোদাৰোৰ খনন কাৰ্য্যৰ ফলত আৱিষ্কৃত দেৱী-মূৰ্ত্তি আৰু লিঙ্গাকৃতিৰ মূৰ্ত্তিবোৰে সৃষ্টিৰহস্যৰ সূচনা কৰে বুলি গোস্বামীদ্বাৰা অভিহিত হৈছে। সকলো দেশত মাৰীমূৰ্ত্তি বা দেৱীমূৰ্ত্তিক ভয় আৰু ভক্তিত

উপাসনা কৰা হয় সৃষ্টিৰ অধিষ্ঠাত্ৰীৰূপে। গোস্বামীয়ে লিখিছে : "...এক মহান বা মহাদেৱী, মাতৃদেৱী, ধৰিত্ৰীদেৱী শস্যাধিপতিদেৱী, ৰণদেৱী নাইবা আন কোনো মুখ্য নাৰী দেৱীৰ পূজা-উপাসনা অতি প্ৰাচীন কালৰপৰা চলি আহিছে।" বৌদ্ধ, জৈন আদি ধৰ্মতো অদ্যাবধি শক্তিৰ উপাসনা বিভিন্ন ৰূপত প্ৰচলিত। এই প্ৰবন্ধত উল্লিখিত বিভিন্ন জাতি, ধৰ্ম আৰু দেশত শক্তি পূজাৰ অস্তিত্ব সম্পৰ্কে লিখা তথ্য সম্বলিত কথাবোৰে গোস্বামীৰ অনুসন্ধিৎসা আৰু জিজ্ঞাসাৰ পৰাকাষ্ঠা সূচনা কৰাৰ উপৰিও ভৱিষ্যতৰ গৱেষকসকলক প্ৰচুৰ আৰু প্ৰভূত অৰিহণা যোগাব। প্ৰবন্ধটোত গোস্বামীৰ হাতী মাৰি ভুকক্যাং ভৰোৱা পদ্ধতি মন কৰিবলগীয়া।

দ্বিতীয় প্ৰবন্ধটো হ'ল 'চুমেৰীয় কাহিনী'। বৰ্তমানৰ ইৰাকৰ টাইগ্ৰিছ আৰু ইউফ্ৰেটিছ নদী দুখনৰ উপত্যকাত পুৰণি কালত মেছোপটামিয়া সভ্যতা গঢ়ি উঠিছিল। 'মেছোপটামিয়া' শব্দটো গ্ৰীক ভাষাৰ শব্দ— ইয়াৰ অৰ্থ হ'ল দুখন নদীৰ মাজত থকা সমতল ভূমি বা উপত্যকা। মিছৰৰ সভ্যতাৰ সমসাময়িকভাৱে গঢ়ি উঠিছিল মেছোপটামিয়াৰ সভ্যতা। উল্লিখিত নদীৰ পাৰৰ ভূখণ্ডৰ একেবাৰে উত্তৰ অঞ্চলক চুমেৰ বুলিছিল আৰু চুমেৰৰ উত্তৰ-পূব অঞ্চলক যথাক্ৰমে বেবীলনীয়া আৰু অক্কাদ বোলা হৈছিল। একেবাৰে উত্তৰ অঞ্চলটোৰ নাম এচিৰিয়া আছিল। চুমেৰসকলেই পোন প্ৰথমতে মেছোপটামিয়াত বসতি স্থাপন কৰি আৰবৰ মৰুভূমি অঞ্চলৰ চেমেটিক লোকসকলৰ লগলাগি এক প্ৰখ্যাত সভ্যতা গঢ়ি তুলিছিল— এয়েই চুমেৰীয় সভ্যতা। খৃষ্টপূৰ্ব প্ৰায় ৩০০০ চনত চুমেৰীয় সভ্যতাই উন্নতিৰ চৰম সীমাত উপনীত হোৱাৰ প্ৰমাণ পোৱা যায়। চুমেৰীয়সকলে দেশখন সৰু সৰু নগৰ ৰাষ্ট্ৰত ভাগ কৰি শাসনকাৰ্য্য চলাইছিল। এৰেক, এৰিডু, লাগাছ আৰু উৰ— এই চাৰিখন প্ৰধান নগৰৰাষ্ট্ৰৰ ৰাজধানী আছিল। বানপানী নিয়ন্ত্ৰণৰ ব্যৱস্থা স্বৰূপে ইয়াৰ অধিবাসীসকলে চিৰকলীয়া জলসিঞ্চন পদ্ধতি উদ্ভাৱন কৰি উলিয়াইছিল। এই নগৰৰাষ্ট্ৰবোৰৰ অধিবাসীসকলৰ জীৱন ধাৰণৰ মান, সংস্কৃতিৰ ধাৰণা, আচাৰ-ব্যৱহাৰ আদি একে ধৰণৰ আছিল যদিও এই ৰাষ্ট্ৰবোৰৰ মাজত অৰিয়াঅৰি চলিছিল। প্ৰায় ২৬০০ খৃষ্টপূৰ্বত উৰৰ ৰজাসকল বৰ প্ৰতাপী হৈ উঠিছিল আৰু তেওঁলোকৰ প্ৰভাৱ সমগ্ৰ দেশতে বিস্তাৰিত হৈছিল।

অক্কাদ নামৰ নগৰৰাষ্ট্ৰৰ অধিবাসীসকল চেমিটিক গোষ্ঠীৰ আছিল। তেওঁলোকে ২৬০০ খৃষ্টপূৰ্বত চুমেৰীয়সকলক পৰাস্ত কৰে, তেওঁলোকৰ ৰজা আছিল প্ৰথম ছাৰ্গন (Sargon I)। প্ৰায় ২১০০ খৃষ্টপূৰ্বত এমৰাইটসকলে অক্কাদসকলৰ অধীনস্থ বেবিলন নামৰ সৰু নগৰ এখন দখল কৰি বেবিলনীয় সভ্যতাৰ পাতনি মেলে। বেবিলনৰ নাম অনুসৰিয়ে খিনাৰ সমস্ত ভাগ বেবিলনীয়া নামে বিখ্যাত হৈ পৰিছিল। বেবিলনৰ সৰ্বশ্ৰেষ্ঠ ৰজা হামুৰাবিয়ে সৰু সৰু ৰাজ্যবোৰ একত্ৰিত কৰি শাসন কৰিছিল। বেবিলন সাম্ৰাজ্য প্ৰায় খৃঃপূঃ ১৬০০ চনত ধ্বংস হয়। এচিয়া মাইনৰৰ কালৰপৰা হিট্টাইটসকলে বেবিলন

সাম্ৰাজ্য ধ্বংস কৰে। হিট্টাইটসকলে প্ৰথমতে লোৰ অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ কৰে।

এই প্ৰবন্ধটোত প্ৰফুল্লদত্ত গোস্বামীয়ে ঐতিহাসিক তথ্যৰ ওপৰত ভিত্তি কৰি জনসংস্কৃতিৰ স্বৰূপ উদ্‌ঘাটন কৰিবলৈ চেষ্টা কৰিছে। চুমেৰীয়সকলে লিখা পদ্ধতি আৱিষ্কাৰ কৰিছিল। তেওঁলোকে কিছুমান বস্তুৰ নিৰ্দিষ্ট চিন, প্ৰতীক, ছবি আদি ব্যৱহাৰ কৰি মনোভাৱ ব্যক্ত কৰিব বিচাৰিছিল। এই চিনবোৰৰ সহায়ত ভাব, নাম, শব্দ, ইত্যাদি প্ৰকাশ কৰা হৈছিল। এইদৰে লিখা পদ্ধতি কীলকাকাৰ (Cuneiform) লিপি বোলা হৈছিল। চেপেটা বহল ফলিৰ আকৃতিৰ আঠালতীয়া মাটিৰ ওপৰত তেওঁলোকে 'ষ্টাইলাছ' নামৰ এক বিশেষ কলমেৰে লিখিছিল। এনেকৈ লিখা মাটিৰ ফলিবোৰ ৰ'দত শুকাই টান কৰি লোৱা হৈছিল। এনেধৰণৰ ফলিবোৰ তেওঁলোকে গ্ৰন্থাগাৰত সংৰক্ষণ কৰিছিল। ইয়াৰ অধিকাংশতেই চিঠি, দলিল, বেপাৰ-বাণিজ্যৰ চুক্তিনামা, ৰাজকীয় অনুশাসন, ধৰ্মৰ মূলতত্ত্ব লিপিবদ্ধ কৰা হৈছিল। বেবিলনীয়সকলেও সেই একে পদ্ধতি অনুসৰণ কৰিছিল। বেবিলনীয়সকলে প্ৰস্তুত কৰা ফলিৰপৰা পাঠ-উদ্ধাৰ কৰি উলিওৱা এটা সাধুকথা গোস্বামীয়ে প্ৰবন্ধটোত উদ্ধৃত কৰি সেই কালৰ সৰ্বসাধাৰণ লোকৰ জীৱনৰ সমস্যাৰ আভাস দাঙি ধৰিছে। এই ফলিবোৰতে লিপিবদ্ধ কৰা এখন কাব্য হ'ল ঃ "গিলগামেছ" কাব্য। গোস্বামীয়ে এই কাব্যৰ কাহিনীটো মনোমোহাকৈ বৰ্ণাইছে। জৰ্জস্মিথ নামৰ এগৰাকী বৃটিছ কৰ্মচাৰীয়ে বৃটিছ মিউজিয়ামত সংৰক্ষিত ফলি কিছুমানৰ পাঠ উদ্ধাৰ কৰি এই কাব্যখনৰ কাহিনীটোৰ কিছু অংশ উলিয়ায়, পিছত তেওঁ কুয়ুনজিক (নিনেভে) নামৰ ঠাইত অৰ্থাৎ যি ঠাইত বৃটিছ মিউজিয়ামত সংৰক্ষিত ফলিবোৰ পোৱা হৈছিল তাতে খনন কাৰ্য্য চলাই ৩৮৪ টুকুৰা ফলি আৱিষ্কাৰ কৰে আৰু ইয়াৰ মাজতেই কাব্যখনৰ বিচাৰি নোপোৱা অংশবোৰ ওলায়। এইখনেই পদ্যত ৰচা 'পৃথিৱীৰ প্ৰথম কাব্য' বুলি গোস্বামীয়ে অভিহিত কৰিছে।

গোস্বামীৰ 'বুৰঞ্জী আৰু সংস্কৃতি' গ্ৰন্থৰ তৃতীয়টো প্ৰবন্ধ হ'ল "হিট্টাইট সাম্ৰাজ্য"; এই প্ৰবন্ধটো বেছ দীঘল। হিট্টাইট সাম্ৰাজ্যৰ উদ্ভৱ, বিকাশ আৰু পতন বহু যুগ ধৰি অজ্ঞাত আৰু অবিদিত হৈ আছিল। হিট্টাইট সাম্ৰাজ্যৰ ইতিহাস উদ্ধাৰৰ বৰ্ণনাও গোস্বামীয়ে দিছে।

সেই বৰ্ণনাৰপৰা বিস্মৃতিৰ গৰ্ভত বিলীন হোৱা ইতিহাস কিদৰে নিৰ্মাণ কৰা হয় তাৰ ইঙ্গিত পোৱা যায়। গোস্বামীয়ে প্ৰবন্ধটোত হিট্টাইটসকলে মানৱ সভ্যতাৰ বিকাশত কিদৰে অৰিহণা যোগাইছিল তাৰ আলোচনা দাঙি ধৰিছে। ব্ৰঞ্জৰ যুগৰ সমাপ্তি ঘটে হিট্টাইটসকলৰ আবিৰ্ভাৱৰ লগে লগে। হিট্টাইটসকলে লো, খনিৰপৰা কেনেকৈ উলিয়াব পাৰি আৰু লো-ৰে অস্ত্ৰ-শস্ত্ৰ কেনেকৈ প্ৰস্তুত কৰিব পাৰি তাক আৱিষ্কাৰ কৰিছিল। গোস্বামীয়ে প্ৰবন্ধটোত হিট্টাইটসকলৰ সাহিত্য-সংস্কৃতিৰ দিশটো বিস্তৃতভাৱে আলোচনা কৰাৰ ফলত সুদূৰ অতীতত মানৱ জাতিয়ে সভ্যতাৰ ক্ষেত্ৰত কিদৰে অগ্ৰগতি লাভ কৰিছিল তাৰ উমান

পোৱাও সুবিধা হৈছে। আৰ্যসকলে পৰিদৃশ্যমান জগতৰ বস্তুবোৰৰ শক্তিত মোহিত হৈ যিদৰে নানা দেৱ-দেৱীৰ কল্পনা কৰিছিল সেইদৰে হিট্টাইটসকলেও প্ৰাকৃতিক আৰু পাৰিপাৰ্শ্বিক জগতত সংঘটিত ঘটনাৰাশিত ঐশী শক্তি নিহিত থকা বুলি বিশ্বাস কৰা কথাটো গোস্বামীয়ে উদ্ঘাটন কৰিছে। আমাৰ দেশত শীতলা দেৱী, কালী, মনসা আদিক যেনেকৈ ভীতিগ্ৰস্ত হৈ জনসাধাৰণে উপসনা কৰে ঠিক সেইদৰে হিট্টাইসকলেও ভীতিগ্ৰস্ত হৈ মহামাৰীৰ প্ৰাদুৰ্ভাৱৰপৰা ৰক্ষা পোৱাৰ উদ্দেশ্যে স্তুতি কৰাৰ প্ৰমাণ পোৱা যায়। উদাহৰণ স্বৰূপে গোস্বামীয়ে হিট্টাইট সাম্ৰাজ্যৰ ৰজা দ্বিতীয় মুৰ্টিলিচে খৃঃপূঃ ১৩৪০ মানত প্লেগ মহামাৰীৰ প্ৰকোপত পৰা লোকসকলৰ উদ্ধাৰৰ কাৰণে 'প্লেইগৰ সময়ৰ প্ৰাৰ্থনা' নামে ৰচনা কৰা এটা স্তুতিৰ অসমীয়া অনুবাদ মনোৰমভাৱে উপস্থাপন কৰিছে।

হাট্টি দেশৰ লোকসকলৰ আৰ্য্যগোষ্ঠীৰ লোক বুলি ঐতিহাসিকসকলে স্বীকাৰ কৰিছে। এনেকুৱা চিন্তাধাৰা বৈদিক আৰু স্মাৰ্ত্ত গ্ৰন্থবোৰত, আনকি *ৰামায়ণ, মহাভাৰত, পুৰাণ* আদিতো পোৱা যায়। তেওঁলোকৰ প্ৰাৰ্থনাৰ লগত আৰ্য্যসকলৰ স্তুতি-পদ্ধতিৰ মিল দেখা যায়। ঋকবেদত সূৰ্য্যক পুং দেৱতা বুলি কল্পনা কৰা হৈছে। হিট্টাইটসকলে সূৰ্য্যক স্ত্ৰী দেৱতা ৰূপে কল্পনা কৰিছিল। সূৰ্য্য দেৱীৰ নাম আছিল এৰিন্না— এওঁ হাট্টি দেশৰ ৰাণী, আকাশ আৰু পৃথিৱীৰ ৰাণী। এওঁৰ স্বামী বায়ু দেৱতা— যিজনাক তেওঁলোকে 'আকাশৰ ৰজা, হাট্টি দেশৰ প্ৰভু' বুলি উপাসনা কৰিছিল। বৈদিক দেৱতাসকলক যিদৰে স্তুতি কৰা হয় তেওঁলোকে সেইদৰে স্তুতি কৰিছিল। হিট্টাইটসকলৰ ভাষাৰ বিষয়েও গোস্বামীয়ে ঐতিহাসিক দৃষ্টিৰে মন্তব্য পৰিৱেশন কৰিছে।

পুথিখনৰ চতুৰ্থ প্ৰবন্ধ— 'উপনিষদত কি পায় ?' শীৰ্ষক আলোচনাত উপনিষদৰ প্ৰতিপাদ্য বিষয় যে ব্ৰহ্মজিজ্ঞাসা তাক থূলমূলভাৱে পাঠকৰ আগত উপস্থাপন কৰাৰ চেষ্টা দেখা যায়। গোস্বামীয়ে লিখিছে উপনিষদৰ বিষয় সম্পৰ্কে এইদৰে : "*জীৱন কি ? ক'ৰপৰা ইয়াৰ উৎপত্তি ? শেষ ক'ত ? এনেবিলাক প্ৰশ্নৰ উত্তৰ কবিসকলে পাইছিল নিৰাকাৰ, সৰ্বব্যাপী, সৰ্বশক্তিমান নিৰ্গুণ ব্ৰহ্মত; সেই কাৰণে এই সত্তাৰ সন্ধান কৰাটোতে মানৱ জীৱনৰো সাৰ্থকতা।*"

উপনিষদৰ গূঢ়তত্ত্ব সম্পৰ্কে গোস্বামীৰ আলোচনা অতি সীমিত আৰু প্ৰবন্ধটোৰপৰা বুজা যায় যে তেওঁ সকলোবোৰ *উপনিষদৰ* মূল গ্ৰন্থ পঢ়া নাই। ইংৰাজী ভাষাত তৰ্জমা কৰা গ্ৰন্থৰপৰা বিষয়বস্তু গ্ৰহণ কৰিছে যেন লাগে। প্ৰবন্ধটোত *উপনিষদৰ* কেইটামান কাহিনী দাঙি ধৰি তাত তেওঁ জনসংস্কৃতিৰ উহ উলিওৱাৰ চেষ্টা কৰিছে। কিন্তু গোস্বামীয়ে উপনিষদৰ মূলতত্ত্ব উপলব্ধি কৰা নাই যেন লাগে, কিয়নো তেওঁ "তেন ত্যক্তেন ভুঞ্জীথা" ব্যাখ্যা প্ৰসঙ্গত শেষত মন্তব্য কৰিছে : "ত্যাগ কৰিবলৈ যদি নাথাকে ?" আমি মনত ৰখা উচিত যে উপনিষদৰ প্ৰতিপাদ্য বিষয় ভোগসুখবাদৰ লগত জড়িত নহয়। তদুপৰি গোস্বামীয়ে লিখিছে :

বিবেকানন্দৰপৰা ৰাধাকৃষ্ণণলৈ ভাৰতীয় পণ্ডিত আৰু প্ৰচাৰকে আমাৰ ধৰ্মৰ ব্যাৱহাৰিক

দিশটোৰ কথা নকৈ ব্ৰহ্মবাদী বেদান্তৰ জুলজাৰিৰে পশ্চিমীয়া সমাজত ভাৰতৰ আধ্যাত্মিক মহিমাৰ চমক দেখুৱাবলৈ যত্ন কৰে। ...*উপনিষদত* ব্ৰহ্মৰ মহাত্ম্য কীৰ্তন কৰা হৈছে, কিন্তু কি উপায়েৰে তাক আয়ত্ত কৰিব পাৰি তাৰ সবিশেষ ব্যাখ্যা নাই।

গুৰুমুখী বিদ্যাৰম্ভাবাহে *উপনিষদ*ৰ ব্যাখ্যা,মৰ্ম আৰু তত্ত্ব উপলব্ধি কৰিব পাৰি। উল্লিখিত মন্তব্যই গোস্বামীৰ পাণ্ডিত্যৰ সূক্ষ্মতা প্ৰমাণ নকৰে।

পঞ্চম প্ৰবন্ধ– 'হিন্দুৰ ভক্ষ্যাভক্ষ্য ঃ গো আৰু বৰাহ ভক্ষণ'। ইয়াত গোস্বামীৰ একদেশদৰ্শিতা পৰিস্ফুট, কাৰণ তেখেতে *মনুসংহিতা* বা অন্য স্মৃতিশাস্ত্ৰ দুই-এখনৰপৰা উদ্ধৃতি দাঙি ধৰিয়েই হিন্দুসকলে গোভক্ষণ কৰা কথা প্ৰতিপন্ন কৰিবলৈ বিচাৰিছে। *মনুসংহিতা*তেই গোভক্ষণ নিষেধ কৰা অথবা বৰাহ মাংস ভক্ষণ নিষেধ কৰা বাক্য বিধান আছে; আকৌ বিভিন্ন *গৃহ্য সূত্ৰ, ধৰ্মশাস্ত্ৰ, মহাকাব্য* আদিতো এই দুইবিধ মাংসকে ধৰি অন্যান্য মাংস ভক্ষণ নিষিদ্ধ কৰা বহুতো বচন আছে। গতিকে কোনো সুদূৰ অতীতত কোনো বিশেষ পৰিস্থিতিত কোনোবাই গোমাংস বা বৰাহ মাংস ভক্ষণ কৰিলেও আৰ্য্য ধৰ্মাৱলম্বী সৰ্ব-সাধাৰণৰ ভক্ষ্য বস্তু বুলি অভিহিত কৰিব নোৱাৰি– বিশেষকৈ হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ ক্ষেত্ৰত। বেদতো গোমাংস ভক্ষণৰ বহুল প্ৰমাণ নাই। *ঋগবেদ*ৰ পঞ্চম মণ্ডলৰ ঊনত্ৰিংশ সূক্তৰ অষ্টম মন্ত্ৰত ইন্দ্ৰকহে তিনিশ মহিষৰ মাংস একেলগে খোৱা বুলি উল্লেখ আছে আৰু সেইখন বেদৰে প্ৰথম মণ্ডলৰ ১৬৪ সূক্তৰ ৪০-৪৩ সংখ্যক মন্ত্ৰত আছে এনেদৰে– হে অহননীয়া গাভী, তুমি সুন্দৰ শস্য তৃণ আদি খোৱা আৰু প্ৰচুৰ দুগ্ধৱতী হোৱা। তেনে কৰিলে আমিও প্ৰচুৰ ধন লাভ কৰিব পাৰিম। সকলো সময়তে তুমি তৃণ (ঘাঁহ) খাবা আৰু সকলো ঠাইলৈ গৈ নিৰ্মল পানী খাবা।...পানীৰে সকলো জীৱেই প্ৰাণ ধাৰণ কৰে। অনতিদূৰত শুকান গোবৰৰপৰা ওলোৱা ধোঁৱা দেখিবলৈ পাইছোঁ। চাৰিওফালে আৱৰি থকা অতি বেয়া ধোঁৱাৰ সিফালে অগ্নিক দেখিবলৈ পাইছোঁ। বীৰসকলে বগাবৰণৰ বৃষ পাক কৰিছে, তেওঁলোকৰ এই অনুষ্ঠানেই প্ৰথম।

—এই বীৰসকলনো কোন ? ইয়াৰ কোনো নিৰ্ণয় নাই; সেই কাৰণে ইয়াৰপৰা হিন্দুসকলে গোভক্ষণ কৰা কথা গ্ৰহণ কৰিব নোৱাৰি। ইন্দ্ৰ দেৱতাকো মৰ্ত্ত্যবাসী মানুহ বুলি কল্পনা ক'ৰা কৰা নাই, গতিকে ইন্দ্ৰই মহিষ মাংস খোৱা কথাটো মানুহৰ ক্ষেত্ৰত প্ৰযোজ্য হয় কেনেকৈ ?

আনকালে বহুকাল ধৰি মুখে মুখে চলি অহা শাস্ত্ৰবচনবোৰৰ মাজত বহুতো প্ৰক্ষিপ্ত বচনৰ অনুপ্ৰৱেশ ঘটাটো অসম্ভৱ নহয়। হিন্দুৰ গো-বৰাহ ভক্ষণৰ সমৰ্থন কৰি দুই-চাৰিগৰাকী পণ্ডিতে বিদৰে পুথি লিখিছে সেইদৰে মাংস ভোজন নিষিদ্ধ কৰা বিধি-বিধান শাস্ত্ৰৰপৰা উদ্ধৃত কৰিও বহু পণ্ডিতে গ্ৰন্থ প্ৰণয়ন কৰিছে। গতিকে এনে ধৰণৰ বিতৰ্কমূলক বিষয়বস্তুৱে হিন্দু সমাজৰ গাঁথনি বিনষ্ট কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি, অৱশ্যে ই গৱেষণীয় বিষয় হিচাপে গ্ৰহণযোগ্য– যি বস্তু বহুজনহিতায় আৰু বহুজনসুখায়

নহয় তাৰপৰা সৰ্বসাধাৰণ লোক আঁতৰি থকা উচিত।

গোস্বামীয়ে 'স্বাক্ষী ৰাজাপ্ৰদা ভৱেৎ' নামৰ ষষ্ঠ প্ৰবন্ধটোত ভাৰত তথা পৃথিৱীৰ অন্যান্য দেশত সুৰাৰ প্ৰচলন সম্পৰ্কে ঐতিহাসিক বিৱৰণ দাঙি ধৰিছে। বিশেষকৈ আঙুৰৰপৰা উৎপাদন কৰা সুৰা আৰু আঙুৰৰ সংযোগত উৎপাদন কৰা বিভিন্ন ঔষধ, চিৰিকা, সাৰ, তেল আদিৰ বিষয়েও প্ৰবন্ধটোত উল্লেখ কৰা হৈছে।

অষ্টাদশ মহাপুৰাণৰ অন্তৰ্গত *বিষ্ণুপুৰাণ*ৰপৰা লোৱা কাহিনীৰ ওপৰত ভিত্তি কৰি গোস্বামীয়ে 'বিষ্ণুপুৰাণত ৰাজনীতি' শীৰ্ষক সপ্তম প্ৰবন্ধটোত দেৱতা আৰু অসুৰসকলৰ পৰস্পৰ বিৰোধত ভগৱান বিষ্ণুৰ কূট-কৌশলৰদ্বাৰা অসুৰসকল কিদৰে পৰাভূত হৈছিল তাৰ উদাহৰণ দাঙি ধৰিছে আৰু বৰ্তমান যুগতো ৰাজনীতিত নেতাসকলে তেনে কূটকৌশল অৱলম্বন কৰা নিদৰ্শন উপস্থাপিত কৰিছে। ইয়াত বিদ্যা আয়ত্ত কৰি কাৰ্য্য ক্ষেত্ৰত প্ৰয়োগ কেনেকৈ কৰিব পাৰি তাৰ নিদৰ্শন গোস্বামীয়ে পৰিস্ফুট কৰি তুলিছে।

ভাৰতীয়সকলৰ জীৱন নিৰ্বাহ পদ্ধতিত *ধৰ্মশাস্ত্ৰ* বা *স্মৃতিশাস্ত্ৰ*সমূহৰ প্ৰভাৱ অপৰিসীম। *ধৰ্মশাস্ত্ৰ*ত যিবোৰ বিধি নিষেধ অৱতাৰণা কৰা হৈছে সেইবোৰ ধৰ্মত আস্থাশীল সমাজ তথা ব্যক্তিয়ে আখৰে আখৰে পালন কৰা দেখা যায়। ব্যক্তি, পৰিয়াল আৰু সমাজৰ সুসংহত আৰু সুপৰিকল্পিত আচৰণ বিধিয়েহে দেশ আৰু জাতিৰ স্বাৰ্থ আৰু উন্নতি, সভ্যতা আৰু সংস্কৃতিৰ সংৰক্ষণ সম্ভৱ কৰি তুলিব পাৰে। গোস্বামীয়ে *ধৰ্মশাস্ত্ৰ*সমূহৰ অন্যতম গ্ৰন্থ *নাৰদ-স্মৃতি*ত ধনৰ বিভাজন আৰু ব্যৱহাৰ কিদৰে নিৰ্দিষ্ট কৰা হৈছে তাৰ এটি বিৱৰণ অষ্টম প্ৰবন্ধ 'নাৰদস্মৃতিত ধনভেদ'ত আলোচনা কৰিছে। এই প্ৰবন্ধটোৰপৰা প্ৰাচীন ভাৰতত হিন্দু আৰ্য্যসকলৰ মাজত ধনৰ ব্যৱহাৰ কিদৰে কৰা হৈছিল তাৰ আভাস পোৱা যায়।

মনুসংহিতা, অৰ্থশাস্ত্ৰ আদিতো ধন সম্পৰ্কে এনে দৃষ্টিভঙ্গী পোৱা যায় বুলি প্ৰবন্ধত উল্লেখ কৰা হৈছে। "*নাৰদ-স্মৃতি*য়ে যি ধনৰ কথা ক'লে এই ধন শুক্ল, মিশ্ৰিত আৰু কৃষ্ণ।"

শুল্ক সম্পৰ্কেও *নাৰদ-স্মৃতি*ত উল্লেখ আছে। গোস্বামীয়ে এই প্ৰসঙ্গত *নাৰদ-স্মৃতি*ৰপৰা উদ্ধৃতি দাঙি ধৰি লিখিছে :

নাৰদ-স্মৃতিত শুল্কভেদ অংশত থকা এটি শ্লোকে এক প্ৰাচীন যুগ (খৃষ্টীয় পঞ্চম শতিকা) আৰু বৰ্তমান যুগৰ মাজৰ পাৰ্থক্যলৈ স্পষ্টভাৱে আঙুলিয়ায় :

প্ৰতিগ্ৰহো দ্বিজাতীনাং ধনং ৰঙ্গোপজীৱিনাম্।
স্বজবাহ্যং চ যদ্ দ্ৰব্যং তদযুক্তং প্ৰদাপয়েৎ ॥ ৩/৩/১৫

—ব্ৰাহ্মণে পোৱা দান, নৃত্য-গীত আদি কৰি উপাৰ্জিত ধন, কান্ধত ভাৰ কঢ়িয়াই যি বেপাৰ কৰে সেইবিলাক বাণিজ্য নহয় আৰু তাৰ ওপৰত শুল্ক অমুক্তিকৰ অৰ্থাৎ এইবিলাকত শুল্ক নাই। বৰ্তমান যুগত ব্ৰাহ্মণে অধ্যাপনা কৰি উপাৰ্জন কৰা অৰ্থৰ ওপৰত

আয়কৰ দিব লাগে, আনহাতে ৰঙ্গোপজীৱীসকলে যি পৰিমাণে উপাৰ্জন কৰিছে তাৰ ওপৰত দিবলগীয়া আয়কৰো লক্ষ লক্ষ টকা আৰু শাক-পাচলিৰ বেপাৰীয়েও বজাৰত বস্তু বেচিলে এটি শুল্ক দিদি লোৱাবে।

প্ৰবন্ধটোৱে প্ৰাচীন ভাৰতৰ শাসন পদ্ধতিৰো ইঙ্গিত বহন কৰিছে।

নৱম সংখ্যক প্ৰবন্ধটো হ'ল— "টাইমূৰৰ লাওখোলা"। নৃতাত্ত্বিকসকলে পুৰণি ধ্বংসাৱশেষৰপৰা সভ্যতা-সংস্কৃতিৰ পৰিচয় উদ্ধাৰ কৰি উলিয়ায়; তেওঁলোকে মানুহৰ শৰীৰৰ জঁকা, লাওখোলা আদিৰ বিজ্ঞানসম্মত বিশ্লেষণ কৰি মানুহৰ স্বভাৱ-চৰিত্ৰ আদি কিদৰে উদ্ধাৰ কৰিব পাৰে তাৰ শুংসূত্ৰ প্ৰবন্ধটোত পৰিস্ফুট হৈছে। টাইমূৰৰ চেহেৰা সম্পৰ্কে ইতিহাস নিমাত, কিন্তু ৰুছ দেশৰ নৃতাত্ত্বিক শিল্পী মিথাইল গেৰাছিমভে কবৰৰপৰা পাঁচশ বছৰৰ পূৰ্বে মৃত্যুবৰণ কৰা টাইমূৰৰ শৰীৰৰ জঁকা আৰু লাওখোলা উলিয়াই পৰীক্ষা-নিৰীক্ষা কৰি টাইমূৰৰ মূৰ্ত্তি নিৰ্মাণ কৰি উলিয়াই জগতক স্তম্ভিত কৰিলে। টাইমূৰৰ জঁকা আৰু লাওখোলা পৰীক্ষা কৰি গেৰাছিমভে জানিব দিলে ঃ

টাইমূৰৰ সোঁহাতৰ গাঁথি তৰোৱালৰ কোবত প্ৰায় অকামিলা হৈছিল। তেওঁৰ মূৰৰ চুলিও দীঘল। ইয়াঁৰ কাৰণ জীৱনৰ শেহ যুদ্ধৰ সময়ৰ অভাৱত তেওঁ চুলি খুৰাবলৈ সময় উলিয়াবপৰা নাছিল। এই চুলি আছিল স্বাভাৱিকতে ইটা ৰঙীয়া, তাত ৰং সনা হোৱা নাছিল। সাধুত শুনাৰ দৰে তেওঁৰ মঙ্গোল ভঙ্গীৰ তললৈ ওলমি পৰা গোঁফ। মুছলমানৰ আচাৰ মতে গোঁফ ৰখা নিষেধ, পিচে যোদ্ধা নাইবা বীৰৰ ক্ষেত্ৰত নিশ্চয় এই নীতি আওকাণ কৰিব পৰা হৈছিল।

শেষত টাইমূৰৰ মূৰ্ত্তি তৈয়াৰ হ'ল। দেখা গ'ল মানুহজন ওখ, শক্তিশালী, মঙ্গোল, এওঁৰ ভৰি এখন খোৰা, হাতখন ঘুণীয়া যদিও অকামিলা নহয়। কান্ধত এটি তেজী গৰ্বিত শিৰ। এইয়ে "জগতৰ চাবুক"ৰ মূৰ্ত্তি।

গোস্বামীৰ ভাষাৰ মনোৰম প্ৰয়োগ মনকৰিবলগীয়া। প্ৰবন্ধটোৱে আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে উপকাৰ সাধন কৰিব।

"বাবৰৰ আত্মজীৱনী" শীৰ্ষক দশম সংখ্যক প্ৰবন্ধটোত প্ৰথম মোগল সম্ৰাট বাবৰৰ আত্মজীৱনী নামৰ পুথিখনত পোৱা কথাৰ আলোচনা কৰা হৈছে। গোস্বামীয়ে বাবৰৰ মহত্বসূচক বিবৰণ দাঙি ধৰাৰ উপৰিও বাবৰে পুত্ৰ হুমায়ুনৰ অৰ্থে এৰি থৈ যোৱা ইচ্ছাপত্ৰৰ কেইটামান অতি মূল্যবান কথা উদ্ধৃত কৰিছে।

একাদশ প্ৰবন্ধ "আদালতত জীৱ-জন্তু"। এই প্ৰবন্ধত আদলততো জীৱ-জন্তুক উপস্থিত কৰাই সিহঁতে কৰা অন্যায়-উপদ্ৰপৰ বিচাৰ কৰা আমোদজনক কাহিনী উপস্থাপিত হৈছে। ইয়াত মানুহৰ বিচাৰ-বুদ্ধিৰ মূঢ়তা আৰু অপৰূতাৰ নিদৰ্শন পোৱা যায়।

"কবি লোলিম্বৰাজ" নামৰ দ্বাদশ প্ৰবন্ধটোত আয়ুৰ্বেদৰ অন্যতম প্ৰসিদ্ধ গ্ৰন্থ *বৈদ্যজীৱন* নামৰ গ্ৰন্থখনৰ ৰচিয়তা লোলিম্বৰাজৰ আয়ুৰ্বেদ শাস্ত্ৰত থকা পাৰদৰ্শিতা তথা

তেওঁৰ কবি প্ৰতিভা সম্পৰ্কে আলোচনা কৰা হৈছে।

"ঔপন্যাসিক থেকাৰেৰ ককাদেউতাক 'চিলহেট' থেকাৰে" শীৰ্ষক ত্ৰয়োদশ সংখ্যক প্ৰবন্ধটোত গোস্বামীয়ে থেকাৰৰ জীৱনীটকে সেইসময়ৰ তেওঁৰ জীৱনৰ লগত জড়িত কেইটামান "আমোদজনক আৰু জানিবলগীয়া" কথাহে অৱতাৰণা কৰিছে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনত কলিকতা চহৰখন কেনেকুৱা আছিল আৰু তাৰ অধিবাসীসকলৰ স্বাস্থ্য সম্পৰ্কীয় কথাবোৰ কেনেকুৱা আছিল তাৰ কিছু আভাস দিয়া হৈছে। থেকাৰে চিলেটত (বৰ্তমান বাংলাদেশত) উপস্থিত হৈ কেনেকৈ জয়ন্তীয়াসকলক বশ কৰিছিল তাৰ বিৱৰণ সুন্দৰভাৱে গোস্বামীয়ে দাঙি ধৰিছে। প্ৰবন্ধটোত পুৰণি অথচ অত্যাৱশ্যকীয় কথা কিছুমান দাঙি ধৰাৰ ফলত জয়ন্তীয়াসকলৰ সংস্কৃতি-সভ্যতাৰ বহুতো কথা জনা গৈছে।

চতুৰ্দশ প্ৰবন্ধ "প্ৰাচ্যবিদ্যাবিদ জনৌজ"। এই প্ৰবন্ধত কলিকতাত স্থাপিত এচিয়াটিক ছোচাইটি অৱ বেংগল, ওৱাৰেন হেষ্টিংছৰ প্ৰাচ্যবিদ্যাস্পৃহা, চাৰ উইলিয়াম জ'নচৰ পাণ্ডিত্য আদি বিবিধ বিষয়ৰ আলোচনা উপস্থাপিত কৰা হৈছে। তদুপৰি জ'নচৰ প্ৰাচ্য বিদ্যাৰ পাণ্ডিত্যপূৰ্ণ সমালোচনা আৰু *অভিজ্ঞানশকুন্তলাৰ* অনুবাদে পাশ্চাত্যৰ পণ্ডিতসকলক অনুপ্ৰেৰণা যোগাইছিল।

পঞ্চদশ প্ৰবন্ধ "বাইবেলৰপৰা অৰুণোদইলৈ"। ইয়াত অসমীয়া ভাষালৈ বাইবেলৰ অনুবাদ কেনেকৈ কৰা হৈছিল, 'অৰুণোদই' বাৰ্ত্তালোচনীখনে আধুনিক অসমীয়া ভাষাৰ সাহিত্যৰ বিকাশ তথা অসমীয়া ভাষা আদালত আৰু পঢ়াশালিত পুনঃ প্ৰৱৰ্তন কৰাত কিদৰে সহায় কৰিছিল সেই বিষয়ে সুদীৰ্ঘ আলোচনা উপস্থাপন কৰা হৈছে। পাঠকসকলক এই প্ৰবন্ধই বহুতো অনুদ্ঘাটিত তথ্যৰ সন্ধেদ দিছে। অসমত নতুন যুগৰ সূচনা, বৈজ্ঞানিক দৃষ্টিভংগী, পাশ্চাত্যৰ চিন্তাচৰ্চা কেনেকৈ সোমাল তাৰ আভাস এই প্ৰবন্ধটোত পোৱা যায়। গোস্বামীৰ বিষবস্তু উপস্থাপন পদ্ধতি বিজ্ঞানসন্মত।

'এযুগৰ সমাজৰ ছবি' শীৰ্ষক ষোড়শ প্ৰবন্ধটোও জয়ন্তীয়া সমাজৰ অন্ধবিশ্বাসৰ কথা উপস্থাপন কৰাৰ উপৰিও নৰবলি জয়ন্তীয়াসকলে কিদৰে দিছিল তাৰ বিৱৰণ গোস্বামীয়ে অতি চিত্তাকৰ্ষক আৰু কৌতূহলপূৰ্ণভাৱে দাঙি ধৰিছে। অতীতৰ জয়ন্তীয়া সমাজ আৰু সভ্যতাৰ ছবি ইয়াত পায়।

'চাহ পুৰাণ' নামৰ সপ্তদশ প্ৰবন্ধটোত চাহৰ উৎপত্তি, প্ৰচলন আৰু বৰ্তমান যুগত পৃথিৱী বিয়পি চলা ইয়াৰ প্ৰচলনৰ চমু বিৱৰণ দাঙি ধৰি গোস্বামীয়ে পাঠকসকলক গৱেষণাধৰ্মী বিষয়ৰ প্ৰতি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে।

"দক্ষিণ কামৰূপৰ বুৰঞ্জী প্ৰসঙ্গত" বোলা অষ্টাদশ প্ৰবন্ধটোত স্থানীয় বুৰঞ্জী সংৰক্ষণ কৰাটো যে এটা জাতিৰ মহৎ কৰ্তব্য সেই কথা গোস্বামীয়ে দোহাৰিছে।

শেষৰ প্ৰবন্ধটোৰ শেষত উল্লেখ কৰা গোস্বামীৰ মন্তব্যই তেওঁৰ সুদূৰপ্ৰসাৰী চিন্তা, গৱেষণা আৰু অনুসন্ধিৎসাৰ পৰিচয় দাঙি ধৰে। সৰ্বশেষত এই কথা ন দি ক'ব পাৰিযে গোস্বামীয়ে প্ৰবন্ধকাৰ হিচাপে প্ৰকৃত পাণ্ডিত্যৰ পৰিচয় দিছে।

—০—

‘এছামিজ ড্ৰামা’

* *

যোগেন বায়ন

জন-জীৱনৰ প্ৰতিচ্ছবি অঁকা বিশিষ্ট সাহিত্যিক ড০ প্ৰফুল্লদত্ত গোস্বামীৰ লিখনিৰ বৈশিষ্ট্য হ’ল ‘বিন্দুতে সিন্ধুৰ প্ৰকাশ’ কৰাৰ ক্ষমতা। বিষয়টো গভীৰভাৱে আৰু সূক্ষ্মদৃষ্টিৰে অধ্যয়ন কৰি গাথীৰৰপৰা ঘিউ প্ৰস্তুত কৰাৰ দৰে ‘ৰসতে নাম থৈ’ মনোগ্ৰাহী কৰি প্ৰকাশ কৰাৰ ক্ষমতা তেখেতৰ চমকপ্ৰদ। তেখেতৰ ‘এছামিজ ড্ৰামা’ নামৰ সৰু পুথিখন তেনে এটি প্ৰচেষ্টাৰপৰা উদ্ভৱ। এইটো স্বীকাৰ্য্য যে এই মনত লগা সৰু পুথিখনৰ নিৰ্মাণ কৰ্মত ড০ গোস্বামীক উদগনি যোগাইছে তেওঁৰ প্ৰখৰ সৃষ্টিশক্তি আৰু মানসিক দৃষ্টিভংগীয়ে। অবিভক্ত কামৰূপত তাহানি মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ দিনৰপৰাই, আধুনিক কাল অবধি মঞ্চ নাটকে গুৰুত্ব লাভ কৰি আহিছে। পৰৱৰ্তী কালত তেওঁসকলৰ শিষ্যসকলেও কামৰূপৰ সত্ৰ আৰু নামঘৰ আদি ধৰ্মানুষ্ঠানসমূহত নাটক লিখি আৰু সেইবোৰ মঞ্চস্থ কৰি জনগণৰ মনোৰঞ্জন কৰাৰ লগতে অসমীয়া সাহিত্যলৈ তাৎপৰ্য্যপূৰ্ণ অৰিহণা যোগাইছিল। ওজাপালি, দেওধনী নৃত্য, পঞ্চালী গীত, পুতলা-নাচ, ঢুলীয়া নৃত্য, মহখেদা গীত-নৃত্য, নাওঁখেলৰ গীত আদি লোকনৃত্য আৰু লোকনাট্যসমূহবো আছিল পয়োভৰ। এই অনুষ্ঠানসমূহ ড০ গোস্বামীয়ে সৰুৰেপৰাই দেখিবলৈ পাইছিল আৰু সেই কলা-অনুষ্ঠানৰ নৃত্য-গীত আৰু সংলাপে ড০ গোস্বামীৰ মনত যোগাইছিল অফুৰন্ত আনন্দ। বৃটিছে অসম অধিকাৰ কৰাৰ পাছত বংগদেশৰপৰা অসম সোমোৱা যাত্ৰা-গান আৰু কলিকতাত পঢ়া অসমীয়া ছাত্ৰসকলে ‘বিলাতী কায়দা’ৰ প্ৰ’ছেনিয়াম যুক্ত মঞ্চ নাট্যৰ আন্দোলনৰ ভূমিকা ড০ প্ৰফুল্লদত্ত গোস্বামীৰ চেমনীয়া কালৰপৰাই দৃষ্টিত ধৰা দিছিল আৰু তেখেতৰ শিল্পীমন সেই কলাশিল্পৰ সৌন্দৰ্য্যই বাৰুকৈয়ে আকৰ্ষণ কৰিছিল। ড০ গোস্বামীৰ নিজৰ কথাৰপৰাই জনা যায় যে নৃত্য-গীতৰ প্ৰাচুৰ্য্য থকা, মুকলি মঞ্চত অভিনয় কৰা যাত্ৰা-গানে তেওঁক এনেভাৱে আকৰ্ষণ কৰিছিল যে, সেই যাত্ৰা-গান চাই তেওঁ হেনো বহু নিশা কটাই দিছিল। এনে এটা কলাশিল্পৰ পয়োভৰ থকা অঞ্চলত লালিত-পালিত হোৱা বাবে ড০ গোস্বামীৰ দেহ-মন চেমনীয়া কালৰপৰাই এনে কলা-শিল্পই পুষ্ট কৰি ৰখাটো অতি স্বাভাৱিক। তেনে চাক্ষুষ অভিজ্ঞতাই আৰু বহল অধ্যয়নে ড০ গোস্বামীৰ মন তেনে কলাৰ প্ৰতি আকৃষ্ট হোৱা হেতুকে নাটক আৰু মঞ্চ বিষয়ক বাস্তৱ

ছবি অঁকাত সিদ্ধহস্ত হৈ পৰিছিল আৰু ইয়াৰ পৰিণতিত জন্ম লাভ কৰিছিল তেখেতৰ *Assamese-Drama* নামৰ পুথিখনে।

বিশ্বৰ বিভিন্ন দেশৰ মাংগলিক অনুষ্ঠানসমূহৰপৰা কেনেদৰে নাটকে জন্ম লাভ কৰিলে, উপমা সহকাৰে তাৰ এটি সমীক্ষা আগবঢ়াই, অসমীয়া নাটকৰ জন্মলগ্নৰপৰা পঞ্চম দশকলৈ এই সুবিশাল সময়খিনিত সেই কলা-সংস্কৃতিয়ে কেনেদৰে বিকাশ লাভ কৰিলে তাৰ এটি থূলমূল বৰ্ণনা ড০ গোস্বামীয়ে পৰিপাটিকৈ এই ক্ষুদ্ৰ পুথিখনত সন্নিবিষ্ট কৰিছে। লোকনাট্যৰ জন্ম কাহিনীৰপৰা আধুনিক কাললৈ এই সংস্কৃতিৰ ক্ৰমবিকাশেই হ'ল আধুনিক নাট্যমঞ্চৰ ৰূপ পৰিগ্ৰহণ যাৰ ওপৰত আজিৰ কলাবিদসকলে, সমালোচকসকলে পৰীক্ষা-নিৰীক্ষা চলাই আহিছে। ড০ গোস্বামীয়ে লোকনাট্যৰ জন্ম নক্ষত্ৰৰ কথা কওঁতে, আদিম মানৱে ধৰ্মানুষ্ঠান পতা সময়ত কেনেদৰে নৃত্য-গীত পৰিবেশন কৰি আনন্দ উৎসৱ পাতিছিল আৰু কেনেকৈ নৃত্য-গীতৰ লগত সংলাপৰ সংযোগত লোকনাট্যৰ জন্ম সম্ভৱ হৈ উঠিছিল তাৰ ইতিহাস বৰ্ণনা দিবলৈ গৈ মালয় দেশৰ মানুহে খেতি পথাৰৰপৰা শস্য আহৰণ কৰি নিজ ভঁড়াললৈ নিয়াৰ প্ৰসংগত উদ্‌যাপন কৰা আনন্দ-উৎসৱ, সমদল যাত্ৰা, মুখা পিন্ধি প্ৰদৰ্শন কৰা নৃত্য-গীত আদিৰ যুক্তিনিষ্ঠ বৰ্ণনা উপস্থাপন কৰিছে। মালয় দেশৰ মানুহে এই আনন্দ-উৎসৱত খেতিপথাৰৰ অধিষ্ঠাত্ৰী দেৱীলৈ পূজা-অৰ্চনা আগবঢ়ায়, যাতে তেওঁ সন্তুষ্ট হৈ পথাৰ শস্য ৰক্ষা কৰে আৰু সেই শস্য আহাৰ ৰূপে ভোগ কৰি জীয়াই থকাৰ সুবিধা লাভ কৰে। এনেভাৱে নৃত্য-গীত পৰিৱেশন কৰি পৃথিৱীৰ বহু দেশৰ লোকেই পথাৰৰপৰা নিজ ভঁড়াললৈ শস্য কঢ়িয়াই লৈ আহে। স্বাভাৱিকতেই এনে আনন্দ-উৎসৱত নৃত্য-গীতে স্থান পায়। এনেদৰে ধৰ্মানুষ্ঠান সম্পন্ন কৰোতে লোকনাট্যই স্বতঃস্ফূৰ্তভাৱে যিটো ৰূপ পৰিগ্ৰহণ কৰে তাত জনজীৱনৰ স্বকীয় অৱিহণা সহজতে দৃষ্টিগোচৰ হয়।

লোকনাট্য সম্পৰ্কত এনেদৰে মোখনি মাৰি ড০ দত্তগোস্বামীয়ে অসমৰ লোককলালৈ দৃষ্টিপাত কৰিছে। আন পণ্ডিতৰ খোজতে খোজ মিলাই তেখেতে কয় যে স্থানীয়ভাৱে চলি থকা ওজাপালি, পুতলা নাচ আদি লোক-কলাৰপৰা মহাপুৰুষ শংকৰদেৱে সৃষ্টি কৰা অংকীয়া নাটে বহু সমল বিচাৰি পাইছে। ওজাপালি নৃত্যৰ ওজাজনে ধৰ্মপুথি অথবা কোনো আখ্যানৰপৰা গীত-নৃত্য কৰে আৰু অংগী-ভংগীৰ সহায়ত বিষয়বস্তুৰ প্ৰকাশ কৰি দৰ্শকক বুজাই দিয়াৰ প্ৰয়াস কৰে। পালি কেইজনেও নাচে, গীত গায় আৰু গোৰোহাৰে মাটিত মাৰি তাল ৰাখে। ওজাপালিৰ ওজাজনে আখ্যানৰ বৰ্ণনা দিওঁতে দাইনাপালিজনৰ সৈতে মাজে মাজে সংলাপ সাধনত ব্যস্ত হয়। ওজা আৰু পালিয়ে এনেভাৱে নৃত্য-গীত আৰু সংলাপৰ অনুষ্ঠান পাতোঁতে খুহঁতীয়া কথাকৈ দৰ্শকক হুহঁৱায়। এনে হাস্যৰসিক সংলাপ জন-গণ-মনৰ বিনোদনৰ কাৰণে কৰা হয়। ঢুলীয়া নৃত্যৰ ওজাজনেও এনেদৰে পালিৰ লগত সংলাপৰ আধাৰত আখ্যান একোটি পৰিৱেশন কৰে।

তৃতীয়া অনুষ্ঠানৰ এনেকুৱা সংলাপ কেতিয়াবা কেতিয়াবা অশ্লীল হৈ পৰে। বহুৱা অনুষ্ঠানও এবিধ লোক-নৃত্য। বহুৱাইও সংলাপৰ সহায় লয় আৰু এনেকুৱা সংলাপতো অশ্লীলতাৰ গোন্ধ পোৱা যায়। অসমৰ দেৱদাসী নৃত্যও অতি পুৰণি আৰু এই অনুষ্ঠান সম্পূৰ্ণৰূপে ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত। মন্দিৰৰ দেৱদাসী অনুষ্ঠান এটি পবিত্ৰ অনুষ্ঠান আছিল। দেৱদাসীয়ে তেওঁৰ দেহ-মন মন্দিৰৰ দেৱতাৰ পাদপদ্মত অৰ্পণ কৰিছিল আৰু অতি পবিত্ৰভাৱে জীৱন নিৰ্বাহ কৰিছিল। কালক্ৰমত দুৰ্নীতিগ্ৰস্ত লোকৰ হাতত পৰি এই অনুষ্ঠানৰ দেৱদাসীসমূহৰ গাত কলুষতাৰ ছাঁ পৰি বিনষ্ট হয়। এই সকলোবোৰ লোকনৃত্যই এসময়ত অসমৰ জনগণৰ মনোৰঞ্জন কৰি আহিছিল। এই অনুষ্ঠানসমূহৰ নৃত্যকলাসমূহে জনগণক আমোদ-প্ৰমোদ যোগোৱাৰ ওপৰিও ধৰ্মৰ প্ৰতি আকৰ্ষণ কৰিছিল। এই লোক কলাসমূহ অসমীয়া লোকৰ বাপতি সাহোনৰ দৰে। দুৰ্নীতিৰ মেৰপাকে ইয়াৰ ওপৰত যি কলুষতা আনিছে সেই কলুষতাখিনি আঁতৰাই ধৰ্মৰ পবিত্ৰতাৰ মাজত আপদাল কৰি তুলিলে, এই অনুষ্ঠানসমূহে অসমৰ নাম উজ্বলাব বুলি নিশ্চিতভাৱে ক'ব পাৰি। অসমৰ ভৈয়ামৰ মানুহখিনিৰ লোকগীত, লোকনৃত্য আৰু লোকনাট্যৰ বিভিন্ন দিশ সামৰি এই কলাশিল্পবিলাকৰ মৰহি যাব ধৰা সুগন্ধখিনি আহৰণ কৰিবলৈ প্ৰয়াস কৰাৰ লগতে ড০ গোস্বামীয়ে পৰ্বত-পাহাৰ আৰু ভৈয়ামত বাসকৰা জনজাতিসকলৰ বহুতো নৃত্য-গীতৰ কথা উল্লেখ কৰিছে। এই সন্দৰ্ভত নগা আৰু গাৰোসকলৰ সমৰ নৃত্য আৰু কছাৰীসকলৰ নেউলা-নেউলী নৃত্য উল্লেখযোগ্য। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ অংকীয়া নাট, নাট ঝুমুৰা আদি নাট্যকলাৰ বিশ্লেষণ কৰাৰ লগতে তেখাসৱৰ শিষ্য-প্ৰশিষ্যসকলে ৰচনা কৰা আৰু মঞ্চত অভিনয় কৰা নাটসমূহৰ ৰচনাৰ কথাও তেওঁ বৰ্ণনা কৰিছে। *তুংখুঙীয়া বুৰঞ্জীৰ* উদ্ধৃতি দি ড০ গোস্বামীয়ে উল্লেখ কৰিছে যে, আহোম ৰজাসকলৰ অনুপ্ৰেৰণাত পুৰণি নাট-ভাওনাসমূহ আহোম ৰাজ-কাৰেঙত অতি আনন্দ-উৎসৱৰ মাজেৰে মঞ্চস্থ হৈছিল। *ৰাৱণ-বধ* নাটখনৰ অভিনয়ত উচ্চখাপৰ ৰাজবিষয়াসকলেও অংশগ্ৰহণ কৰিছিল। এই ভাওনাখন মঞ্চস্থ কৰিবলৈ হেনো সাতশ লোকৰ দৰকাৰ হৈছিল। কাছাৰ আৰু মণিপুৰৰ ৰজাৰ সম্মানাৰ্থে আহোম ৰাজ-কাৰেঙত এই *ৰাৱণ-বধ* ভাওনাখন অভিনীত হৈছিল। ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে, ভাওনাই অকল জনগণকেই যে আনন্দ দিছিল এনে নহয় ৰাজপৰিয়ালেও ভাওনাক সমাদৰ কৰিছিল।

আধুনিক নাটক

বৃটিছে অসম অধিকাৰ কৰাৰ পিছৰেপৰা অসমীয়া নাটকৰ সংস্কৃতি আৰু ৰূপৰ পৰিবৰ্তন ঘটে। পাশ্চাত্যৰ নাটকসমূহে মঞ্চ অধিকাৰ কৰি লয়। পাশ্চাত্য নাট্য-সাহিত্যৰ জিলিকণিত অসমীয়া নাটকে নতুন সাজ লয় আৰু অংকীয়া নাটৰ অভিনয় গাঁৱৰ নামঘৰতে সীমাবদ্ধ হৈ পৰে। ১৮৫৮ চনত গুণাভিৰাম বৰুৱাই প্ৰথম বিষাদান্ত আৰু সামাজিক নাটক *ৰামনৱমী* লিখে। বিধৱা বিবাহৰ পটভূমিত এই নাটক লিখা হয়। নাটকখন হয়তো

সেই সময়ৰ অসমীয়া বাইজে আদৰেৰে গ্ৰহণ কৰিবপৰা নাছিল আৰু সেয়েহে নাটখন মঞ্চস্থ কৰা কথা ক'তো উল্লেখ নাই। হেমচন্দ্ৰ বৰুৱাই ১৮৬১ চনত অসমীয়া মানুহৰ দোষ-ত্ৰুটিসমূহৰ ওপৰত ভিত্তি কৰি *কানীয়াৰ কীৰ্ত্তন* নামৰ নাটখন ৰচনা কৰে। ১৮৫৭ চনতে গুৱাহাটী নগৰত স্থায়ী নাট্যমঞ্চ নিৰ্মাণৰ কাম হাতত লোৱা হয় আৰু সেই নাট্যমঞ্চত *সাবিত্ৰী-সত্যবান, পৰীক্ষিতৰ ব্ৰহ্মশাপ, নল-দময়ন্তী* আদি পৌৰাণিক নাটসমূহৰ মঞ্চৰূপ দিয়া হয়। কলিকতাত পঢ়া অসমীয়া ছাত্ৰসকলে বিখ্যাত নাট্যকাৰ শ্বেইক্‌ছপিয়াৰৰ নাট আৰু আন পাশ্চাত্য নাটৰ সোৱাদ লাভ কৰি তেওঁৰ 'কমেডি অব্ এৰ্ৰছ' নাটখন 'ভ্ৰমৰংগ' নামেৰে অসমীয়ালৈ অনুবাদ কৰে। উনৈশ শতাব্দীৰ শেষৰ পিনে সামাজিক, ঐতিহাসিক আৰু পৌৰাণিক কাহিনীৰ ওপৰত বহু নাট ৰচিত হয়। লক্ষ্মীনাথ বেজবৰুৱাৰ চাৰিখন হাস্যৰসিক নাটিকাই নাট্যশিল্পী আৰু দৰ্শকক আমোদ যোগাইছিল। এই নাটিকা কেইখন হ'ল *লিটিকাই, পাচনি, নোমল আৰু চিকৰপতি-নিকৰপতি*। এই নাটিকা চাৰিখন সাধুকথাৰ পটভূমিত ৰচিত। সাহিত্যৰথী বেজবৰুৱাৰ পূৰ্ণাঙ্গ নাটসমূহ হ'ল *বেলিমাৰ, চক্ৰধ্বজ সিংহ, জয়মতী কুঁৱৰী*। এই তিনিওখন ঐতিহাসিক নাটক। বিশ্ববৰেণ্য নাট্যকাৰ শ্বেইক্‌ছপিয়াৰৰ প্ৰভাৱ বেজবৰুৱাৰ নাটকত পৰিছে। পদ্মনাথ গোহাঁঞিবৰুৱাই বেজবৰুৱাৰ দৰে টেটোন তামুলী নাটকখন এটি সাধুকথাৰ পটভূমিত ৰচনা কৰিছে। অসমীয়া পূৰ্ব সাক্ষৰ সমাজৰ মাজত থকা অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ ভিত্তিত গোহাঁঞিবৰুৱাই 'ভূত নে ভ্ৰম' ৰচনা কৰে। তেওঁ *জয়মতী, গদাধৰ আৰু লাচিত বৰফুকন* নামে তিনিখপন নাটক অসম-বুৰঞ্জীৰ পটভূমিত ৰচনা কৰিছে। অসমৰ বীৰ-বীৰাংগনাৰ চৰিত্ৰ সম্বলিত নাটক কেবাজনো নাট্যকাৰে ৰচনা কৰিছে। এওঁলোকৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঁঞিবৰুৱা অগ্ৰণী। দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ কাপ নিসৃত *মহৰী* নাটকখনে সমসাময়িক যুগৰ নাট্যপ্ৰেমী দৰ্শকক বৰ আমোদ দিছিল। অম্বিকাগিৰী ৰায়চৌধুৰীয়ে ১৯০৯ চনৰপৰা বৰপেটাত অৱতীৰ্ণ হৈ থকা কালত *জয়দ্ৰথ বধ, ভক্তগৌৰৱ* আৰু *কল্যাণময়ী* নামেৰে তিনিখন পূৰ্ণাঙ্গ নাটক লিখে। বঙালী যাত্ৰা-নাট কামৰূপ, বিশেষকৈ বৰপেটাৰ ৰজমঞ্চৰপৰা বিতাৰণ কৰিছিল এই নাট কেইখনে। ৰায়চৌধুৰীৰ নাট কেইখন হ'ল পৌৰাণিক নাটক। মহাত্মা গান্ধীৰ স্বাধীনতাৰ আন্দোলনে ঐতিহাসিক নাট লিখাত অসমীয়া নাট্যকাৰসকলক বিশেষ অৰিহণা যোগাইছিল। তেনেদৰে নাট্যকাৰ ৰাধাকান্ত সন্দিকৈৰ *মূলাগাভৰু*, নকুল চন্দ্ৰ ভূঞাঁৰ *চন্দ্ৰকান্ত সিংহ* আৰু *বদন বৰফুকন*, দৈৱচন্দ্ৰ তালুকদাৰৰ *অসম প্ৰতিভা* আৰু প্ৰসন্নলাল চৌধুৰীৰ *নীলাম্বৰ* নাটকলৈ ডঃ প্ৰফুল্লদত্ত গোস্বামীয়ে আঙুলিয়াইছে। বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত অতুল চন্দ্ৰ হাজৰিকা, আনন্দ চন্দ্ৰ বৰুৱা, গণেশ চন্দ্ৰ গঁগৈ, কামাখ্যানাথ ঠাকুৰ, সুৰেশ চন্দ্ৰ গোস্বামী আদি নাট্যকাৰসকলে বিবিধ নাটক ৰচনা কৰে। এই নাটসমূহে অসমৰ ৰংগমঞ্চসমূহ পোহৰাই ৰাখিছিল।

জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া নাটকত অভিনৱত্ব প্ৰদান কৰে। জ্যোতিপ্ৰসাদৰ নাটসমূহে অসমীয়া মঞ্চশিল্পীসকলক উৎসাহিত কৰাৰ উপৰিও অসমীয়া নাট্য সাহিত্যত এটি নতুন যুগৰ সৃষ্টি কৰে। তেওঁৰ নাট চাৰিখন হ'ল *শোণিত কুঁৱৰী* (১৯২৫), *কাৰেঙৰ লিগিৰী* (১৯৩০) *ৰূপালীম* (১৯৬১) আৰু *লভিতা* (১৯৪৮)। জ্যোতি প্ৰসাদে তেওঁৰ নাটৰ গীতসমূহত অসমীয়া গীতৰ সুৰ প্ৰদান কৰিছে অতি কৌশলৰদ্বাৰা। বনগীত, বিহুগীত, বিয়া নাম আদি গীতৰ সুৰ সংযোজনা কৰি জ্যোতিপ্ৰসাদে অসমীয়া মঞ্চ নাটকৰ গীতত নতুনত্বৰ সৃষ্টি কৰে। অসমত 'পেচাদাৰী' নাট্যমঞ্চৰ অভাৱ অনুভৱ কৰি ড০ গোস্বামীয়ে দুঃখ কৰিছে। ভ্ৰাম্যমান নাটকৰ সৃষ্টি কৰি অসমৰ মঞ্চ আন্দোলনক ব্ৰজনাথ শৰ্মাই উন্নীত কৰা কথা আৰু মঞ্চত প্ৰথমবাৰৰ বাবে মহিলা শিল্পী নমোৱা কথাও তেওঁ স্মৰণ কৰিছে। ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে সফল মঞ্চ আন্দোলনৰ ক্ষেত্ৰত চৰকাৰৰ পৃষ্ঠপোষকতা যে অতি প্ৰয়োজনীয় সেই কথাও মৰ্মে মৰ্মে অনুভৱ কৰিছে আৰু কথাছবিৰ হিলদল ভঙা যাত্ৰাই যেন ৰংগমঞ্চক উচ্ছেদ কৰিব নোৱাৰে তাৰবাবে সজাগ দৃষ্টি ৰাখিবলৈ নাট্যকাৰ, অভিনেতা আৰু নাট্যপ্ৰেমী ৰাইজক সকিয়াই দি পুথিখনৰ সমাপ্তি ঘোষণা কৰিছে।

স্বল্পপাৰ্থত সীমিত পৰিসীমাৰ ভিতৰতে ড০ গোস্বামীয়ে *এহ্যামিজ ড্ৰামাৰ* জৰিয়তে নাটক আৰু অসমীয়া নাট তথা মঞ্চৰ উদ্ভৱ-বিকাশ সম্পৰ্কীয় যুক্তিনিষ্ঠ আৰু বস্তুধৰ্মী আলোচনা উপস্থাপন কৰিবলৈ সক্ষম হৈছে। ক্ষুদ্ৰত ভূমাৰ আভাস দিব পৰা ক্ষমতা যে ড০ গোস্বামীৰ আছিল তাৰ প্ৰত্যক্ষ প্ৰমাণ এই পুথিখন।

—০—

প্ৰফুল্লদত্ত গোস্বামীৰ বিহু-চৰ্চা

ভৱপ্ৰসাদ চলিহা

অসমৰ জনকৃষ্টিৰ অধ্যয়ন-গৱেষণাৰ পিতৃ স্বৰূপ ডঃ প্ৰফুল্লদত্ত গোস্বামী সৃষ্টিধৰ্মী আৰু সমালোচনামূলক উভয়বিধ ৰচনাতে সমানে দক্ষতা দেখুওৱা এজন শীৰ্ষস্থানীয় সাহিত্যিক আৰু গৱেষক পণ্ডিত আছিল। ইংৰাজী সাহিত্যৰ অধ্যাপক ডঃ গোস্বামীয়ে সাহিত্যৰ কেইবাটাও দিশত তেওঁৰ বিশিষ্ট বৰঙণি আগবঢ়াই গৈছে। একেধাৰে ঔপন্যাসিক, চুটিগল্প লেখক, জীৱনীকাৰ, ভ্ৰমণ কাহিনী লেখক, নিবন্ধকাৰ আৰু সমালোচক পণ্ডিত হিচাপে অসমীয়া সাহিত্যৰ বুৰঞ্জীত ডঃ গোস্বামীৰ এখন সুকীয়া আসন সদায় থাকিব। কিন্তু বিদ্যায়তনিক ক্ষেত্ৰৰ যিটো দিশত তেওঁ সবাতোকৈ মহৎ দান আগবঢ়াই গৈছে সেইটো হৈছে জনকৃষ্টিৰ চৰ্চা আৰু গৱেষণা। ছাত্ৰাৱস্থাতেই গোস্বামীৰ মন কেনেবাকৈ লোক-সাহিত্যৰ প্ৰতি আকৃষ্ট হৈছিল। তেতিয়াই তেওঁৰ প্ৰথম দুটা প্ৰকাশিত ৰচনাৰ শিৰোনামা আছিল 'বিহু' আৰু 'যোজোনা বা পটন্তৰ'। 'লোক-সংস্কৃতি চৰ্চাৰ প্ৰতি আগ্ৰহৰ যি বীজ ডঃ গোস্বামীৰ বৌদ্ধিক সত্তাত সেই সময়তে সংস্থাপিত হৈছিল সিয়েই অঙ্কুৰিত হৈ সময়ত শাখা-প্ৰশাখাৰে বিস্তাৰিত এক বৃহৎ বৃক্ষলৈ ৰূপান্তৰিত হয়। সেই বৃক্ষৰ পুষ্প-পল্লৱৰ শোভাই গুণগ্ৰাহীজনৰ মনোহৰণ কৰিছে, জ্ঞানান্বেষীজনে জুৰ লৈছে তাৰ সুশীতল ছাঁত, আৰু নিষ্ঠাবান অনুগামীজনৰ বাবে তাতেই ৰক্ষিত হৈ আছে সম্পূৰ্ণ ফলৰ সম্ভাৰ' (বীৰেন্দ্ৰনাথ দত্ত ঃ *প্ৰকাশ*, আগষ্ট, ১৯৮৮)।

ছাত্ৰাৱস্থাতে ডঃ গোস্বামী অসমৰ জাতীয় উৎসৱ বিহুৰ প্ৰতি আকৃষ্ট হয় আৰু বিহুশীৰ্ষক এটি প্ৰবন্ধেৰে তেওঁ এই অধ্যয়নৰ পাতনি মেলে। যোৱা শতিকাত অসমৰ সম্ভ্ৰান্ত পৰিয়ালৰ অনেকে বিহুৰ প্ৰতি উদাৰ মনোভাৱ পোষণ কৰা নাছিল। হলিৰাম ঢেকিয়াল ফুকন (১৮২৯), বুদ্ধীন্দ্ৰনাথ দিলিহিয়াল ভট্টাচাৰ্য্য (১৮৯৮) আদি সকলে বিহুক কুৰুচিপূৰ্ণ অনুষ্ঠান বুলি উল্লেখ কৰিছিল। বলিনাৰায়ণ বৰাই (১৮৮৫) প্ৰথমে বিহু উৎসৱৰ প্ৰশংসা কৰে। ৰজনীকান্ত বৰদলৈয়ে (১৮৯৫) তেওঁৰ উপন্যাসত বিহুৰ মনোৰম বৰ্ণনাৰে বিহুক জনপ্ৰিয় কৰি তোলে। বৰ্তমান শতিকাৰ আৰম্ভণিতে বিহু উৎসৱ আৰু বিহুগীত সম্পৰ্কে কেইবাজনেও চেগাচোৰোকাকৈ আলোচনা কৰিলেও ১৯১৮ চনত

প্ৰকাশিত শিৱসাগৰৰ কোঁৱৰপুৰৰ গণেশ চন্দ্ৰ হাজৰিকাৰ *বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ* শীৰ্ষক পুথিখনেই বিহু সম্পৰ্কীয় প্ৰথম পুথি। পুথিখনত হাজৰিকাই বিহুৰ উৎপত্তি আৰু তাৰ বিৱৰণ, বিহুৰ আৱশ্যকতা, বিহু আৰু তাৰ সাময়িক দৃশ্যাৱলী, কাতি বিহু, মাঘ বিহু, ৰঙালি বিহুৰ আদৰণি, বহাগ বিহু, সামৰণি শৰাইত বিহুৰ অবিহুণা আদি কেইবাটাও অধ্যায়ত বিহু সম্পৰ্কে বিশ্লেষণশীল আলোচনা আগবঢ়াইছে। পুথিখনৰ পাতনিত তেওঁ লেখিছে ঃ 'বিহু ভাৰতীয় হিন্দুৰ উৎসৱ। ঠাঁই আৰু সমাজভেদে উৎসৱৰ সঁজুলিবো ভেদাভেদ আছে। উৎসৱে নানা ঠাঁইত নানা ধৰণেৰে মোট সলালেও ই যে ভাৰতব্যাপী চলিত তাক নিঃসন্দেহে ক'ব পাৰি।....সজ বিবেচকৰ কৰ্তব্য হৈছে সমাজৰ লাগতিয়াল পুৰণি বস্তুবোৰ সাৰ সংগ্ৰহ কৰি তাক বৰ্তমান সময় আৰু সমাজৰ উপযোগী কৰি তোলা আৰু সেই সম্বলেৰেই বৰ্তমান সমাজৰ মঙ্গল সাধন কৰা।'

কিন্তু তেতিয়ালৈকে বিহুগীতৰ কোনো সংগ্ৰহ প্ৰকাশ হোৱা নাছিল। নকুল চন্দ্ৰ ভূঞাই ১৯২৩ চনত প্ৰকাশ কৰা *বহাগীয়েই* বিহুগীতৰ প্ৰথম সংগ্ৰহ। কিন্তু তেতিয়াও বিহুগীতক ভদ্ৰ সমাজৰ সকলোৱে আগ্ৰহেৰে গ্ৰহণ কৰিবপৰা নাছিল। *বহাগীৰ* সংকলন সম্পৰ্কত নকুল চন্দ্ৰ ভূঞাই ড০ প্ৰফুল্লদত্ত গোস্বামীলৈ ১/১০/৪৯ তাৰিখে দিয়া চিঠিত লেখিছে ঃ 'আপুনি এতিয়া বুজিবলৈ টান পাব— আমি যেতিয়া বিহুগীত গোটাইছিলোঁ, ভয়ত আৰু লাজত, কোনেও নজনাকৈ মনে মনে গোটাইছিলোঁ— বিহুনামবিলাকৰ যাতে প্ৰচলন হয়, এই উদ্দেশ্যেৰে মই তেতিয়া লিখা চুটি গল্পবিলাকত প্ৰায়ে বিহুনাম সুমুৱাই দিছিলোঁ। যদিও কিছুমান আপোন মানুহে দাবি দিছিল, কিন্তু ৺বেজবৰুৱা, ৺হেমচন্দ্ৰ গোস্বামী, ৺চন্দ্ৰকুমাৰ আগৰৱালা আদিয়ে খুউব উৎসাহ দিছিল। বিশেষভাৱে উদগনি দিছিল শ্ৰীযুত পদ্মধৰ চলিহাই।' পদ্মধৰ চলিহাই *বহাগীৰ* এখন সুন্দৰ 'ভূমিকা'ও লেখি দিছিল। সামৰণিত চলিহাই এইবুলি মন্তব্য কৰিছিল ঃ 'সামৰণিত ক'বলগীয়া এই যে এই গৰখীয়া গীতবিলাকে আমাৰ সাহিত্যৰ ভিতৰত ঠাঁই পোৱা নিতান্ত বাঞ্ছনীয়। সূক্ষ্মদৰ্শী সমালোচকসকলে সেইবিলাক বিশ্লেষণ কৰি নতুন নতুন তথ্য নিৰূপণ কৰিব পাৰিব বুলি মোৰ বিশ্বাস।' চলিহাৰ আশা বিফলে নগ'ল। ড০ গোস্বামীৰ লেখীয়া পণ্ডিতে বিহু সংস্কৃতি আৰু বিহুগীত সম্পৰ্কে বিজ্ঞানসম্মতভাৱে বিচাৰ-বিশ্লেষণ কৰি বিহুৰ বিভিন্ন দিশ পোহৰলৈ আনিছে। গোস্বামীয়ে ১৯৪৮ চনত প্ৰকাশ কৰা *অসমীয়া জনসাহিত্য* গ্ৰন্থত 'বিহুগীত আৰু বনঘোষা' আৰু 'বিহুগীতৰ লক্ষণ থকা আন গীত' শীৰ্ষক প্ৰবন্ধ দুটাত বিহু সম্পৰ্কে বহল আলোচনা আগবঢ়াইছে। তেওঁ বিহুগীত আৰু বনঘোষাৰ মাজত বিশেষ পাৰ্থক্য নাই বুলি কৈছে আৰু ইবোৰক পথৰুৱা গীত বুলিছে। তেওঁ বিহুগীতৰ লগত নাচৰ ঘনিষ্ঠ সম্বন্ধৰ কথা উল্লেখ কৰি কৈছে যে, বিহুগীত যেনিবা বিহুনাচৰ ভাষা বা টীকাহে। তেওঁৰ মতে বিহু নাচৰ মূল প্ৰেৰণা যৌনমূলক। লগতে আছে আহি কসুমতীক শস্যশ্যামলা কৰাৰ প্ৰয়াস; কাৰণ, পৃথিৱী শস্যগৰ্ভা নহ'লে মানুহৰ মৰণ। ড০ গোস্বামীয়ে সমাজৰ পৰিবৰ্তনৰ লগে লগে

বিহুৰ পৰিবৰ্তনৰ কথাও আলোচনা কৰিছে। তেওঁ কৈছে যে বিহুনাচ আৰু তাৰ আনুষঙ্গিক মন্ত্ৰ বা গীতৰ উদ্দেশ্য গুৰিতে বিয়েই নহওঁক সমাজৰ পৰিৱৰ্তনৰ লগে লগে সি এতিয়া ৰূপ সলাইছে। হিন্দু ধৰ্মৰ প্ৰভাৱেও এই নাচৰ মূল্য কমোৱাত সহায় কৰিলে। এই প্ৰাক্-আৰ্য্য অনুষ্ঠানটো কেনেকৈ সংস্কাৰ কৰি ল'বলৈ চেষ্টা চলিছিল তাৰ উদাহৰণ স্বৰূপে তেওঁ হুচৰি অনুষ্ঠানটোৰ কথা উল্লেখ কৰিছে। অসমীয়া হুচৰি অনুষ্ঠানটোত যাইকে বৈষ্ণৱ ধৰ্মৰ সাঁচ পৰা গীত গোৱা হয় আৰু গৃহস্থক আশীৰ্বাদ কৰা হয়। যিবিলাকে বিহুনাচ আৰু গীতত আপত্তি তোলে তেওঁলোকে হুচৰিত আপত্তিজনক কথা নাপায়। হুচৰি যদি ঘৰচীয়া, বিহু নাচ আৰু গীত তেনেই পথৰুৱা। তেওঁ বিহুগীত আৰু বনঘোষাৰ সাহিত্যিক বৈশিষ্ট্য সম্পৰ্কেও আলোচনা কৰিছে। তেওঁৰ মতে প্ৰেম-কবিতা হিচাপে বিহুগীত পৃথিৱীৰ পুৰণি-নতুন—প্ৰাচিন গ্ৰীকৰপৰা বৰ্তমান যুগৰ শ্বেলি-হাইনেলৈ—যি কোনো প্ৰেম কবিতাৰ ওচৰে ওচৰে যায়। আন্তৰিকতা, অনুভৱৰ গাম্ভীৰ্য্য, বিশ্বাত্মবোধ, উচ্চস্তৰৰ কল্পনা, সৌন্দৰ্য্যবোধ, প্ৰকাশ ভঙ্গীৰ সংযম— এই আটাইবিলাকৰ চানেকি বিহুগীতত আছে। বিহু যে কেৱল উজনিৰ অসমীয়াসকলৰে উৎসৱ নহয়, ই যে অসমৰ উজনি-নামনি আৰু জনজাতি-অজনজাতি সকলোৰে উমৈহতীয়া উৎসৱ সেই কথা ড০ গোস্বামীয়ে বিহু সম্পৰ্কীয় তেওঁৰ ৰচনাৱলীৰ মাজতে উদাহৰণ সহ বিশ্বাসযোগ্যভাৱে আলোচনা কৰিছে। তেওঁৰদ্বাৰা সংকলিত-সম্পাদিত *ৰঙাগ বিহুৰ বাবেৰৰণীয়া ছবি* (১৯৭৫) শীৰ্ষক গ্ৰন্থত সন্নিৱিষ্ট বিভিন্ন লেখকৰ প্ৰবন্ধসমূহতো এই কথা ভালকৈ পৰিস্ফুট হৈছে। যুগৰ পৰিৱৰ্তনৰ লগে লগে বিহুৰো যথেষ্ট সলনি হৈছে। তেওঁ দেখুৱাইছে যে বিহু এতিয়া আগৰ দৰে ধৰ্মমূলক অনুষ্ঠান নহয়, ই যাইকে জাতীয় উৎসৱ আৰু সংস্কৃতিৰ প্ৰতীক স্বৰূপ। আনহাতে বৰ্তমান সময়ত ই বিভিন্ন গোষ্ঠীৰ বিভিন্ন ভাষাৰ লোকৰ মিলনৰ ক্ষেত্ৰ হিচাপে সাংস্কৃতিক সমন্বয়ৰো প্ৰতীক।

বিহু-সংস্কৃতিৰ গৱেষক হিচাপে ড০ গোস্বামীৰ আটাইতকৈ ডাঙৰ অৱদান হৈছে এই যে তেৱেঁই অসমৰ বিহু সংস্কৃতিক ইংৰাজী ভাষাৰ মাধ্যমেৰে অসমৰ বাহিৰত সম্প্ৰসাৰণিকৈ প্ৰচাৰ কৰাৰ গৌৰৱ অৰ্জন কৰিছে। বিহুগীতৰ বিশ্লেষণাত্মক অধ্যয়নেৰে ৰচনা কৰা তেওঁৰ *Bihu Songs of Assam* (1957) আৰু বিহু উৎসৱৰ নানা দিশ ধৰবটি যাৰি ৰচনা কৰা তেওঁৰ *Springtime Bihu of Assam* (1965) গ্ৰন্থ দুখন বিহু সম্পৰ্কীয় ড০ গোস্বামীৰ মূল্যবান অৱদান। ১৯৮৮ চনত প্ৰকাশ হয় ড০ গোস্বামীৰ অন্যতম কীৰ্তিস্তম্ভ স্বৰূপ বিহু সম্পৰ্কীয় শেহতীয়া বৃহৎ ইংৰাজী গ্ৰন্থ *Bohag Bihu of Assam and Bihu Songs*। ওপৰত উল্লেখ কৰা আৰু এতিয়া দুষ্প্ৰাপ্য ইংৰাজী গ্ৰন্থ দুখনৰ আধাৰতে কিছু নতুন সংযোজনেৰে এই গ্ৰন্থখন যুগুতোৱা হয়। অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা এই গ্ৰন্থখনত দুটা খণ্ড আছে। প্ৰথম খণ্ডত বিহু কৃষ্টি সম্পৰ্কে আৰু দ্বিতীয় খণ্ডত বিহু গীত সম্পৰ্কে আলোচনা কৰিছে। প্ৰথম খণ্ডৰ বিষয়সূচী এনেধৰণৰ—

Cultural Synthesis : The place of Bihu, Kati and Magh Bihu, Bihu as observed by Assamese Hindus, Bhatheli or Sori, Among other Sections Kachari, Lalung, Abor (Adi), Miri (Mising), Wancho, Nokte, and Tangsa, Deuri, Kuki and Puram, Rabha), Huchari Singing, The Dance, Some Paralles and Similarities Elsewhere, Choice of Life Partners, Love in Bihu Songs, Social Life in the Songs, Weaving and Spinning, Certain Technical Features of the Songs, and Bihu in a Changing World. । বিহুগীত সম্পৰ্কে বহল আলোচনা থকা দ্বিতীয় খণ্ডৰ বিষয়সূচী হৈছে— The Setting, Love and Yearning, Chequred is the Course of Love, Miscellaneous, Huchari Songs, Miri (Mising) Ai-nitams, and The Assamese Text of the Bihu Songs ।

গ্ৰন্থখনৰ বিষয়সূচীৰপৰাই ক'ব পাৰি যে ড০ গোস্বামীৰ এই গ্ৰন্থখন অসমৰ বিহু-সংস্কৃতিৰ সকলো দিশ সামৰা এক সামগ্ৰিক অধ্যয়ন। গ্ৰন্থখনত ড০ গোস্বামীয়ে প্ৰাচীন কালৰপৰা এতিয়ালৈ বিহুৰ ঐতিহ্য আৰু বিবৰ্তন সম্পৰ্কে অধ্যয়ন কৰিছে। বিহু এক সমাহৰণ উৎসৱ। আৰ্য্য আৰু আৰ্য্যেতৰ, জনজাতীয় আৰু অজনজাতীয় সকলোলোকৰ সাংস্কৃতিক উপাদানেৰে কেনেকৈ বিহু উৎসৱে গঢ় লৈছে তাৰ বিস্তৃত আলোচনা গ্ৰন্থখনত পোৱা যায়। ড০ গোস্বামীৰ আগতে বিহুৰ বিষয়ে এনে বিশ্লেষণাত্মক অধ্যয়ন কৰা হোৱা নাছিল। বিহুৰ লগত নৃত্যৰ ওতপ্ৰোত সম্পৰ্ক। তেওঁ বিহু উৎসৱৰ সমাজতাত্ত্বিক দিশটোৰ বিষয়েও বিতং আলোচনা আগবঢ়াইছে। গ্ৰন্থখনৰ আন এটা উল্লেখযোগ্য দিশ হৈছে এই যে ইয়াত ড০ গোস্বামীয়ে প্ৰতিনিধিত্বমূলক তিনিশৰো অধিক বিহুগীতৰ মূল আৰু তাৰ ইংৰাজী অনুবাদ সংযোগ কৰিছে। ইয়াৰ ফলত ইংৰাজী ভাষা-ভাষী অনা-অসমীয়া পাঠকে সহজে বিহুগীতৰ মৰ্ম আৰু সৌন্দৰ্য্য উপলব্ধি কৰিব পাৰিব। লোকগীত হিচাপে অসমৰ বিহুগীতবোৰ পৃথিৱীৰ ভিতৰতে এক অনুপম সাহিত্য। সন্দেহ নাই, ড০ গোস্বামীৰ এই গ্ৰন্থখনে অসমৰ বিহু সংস্কৃতিক সৰ্বভাৰতীয় তথা আন্তৰ্জাতিক মান্যতা দিয়াৰ লগতে ই বহু দিনলৈ এই বিষয়ৰ প্ৰামাণিক গ্ৰন্থ হৈ থাকিব।

—o—

"ৰহাগ বিহুৰ বাৰেবৰণীয়া ছবি"

উমেশ ডেকা

জীৱন ৰাৰেৰহণীয়া, সমাজ বাৰেৰহণীয়া , সেয়ে সমাজৰ পৰিপ্ৰেক্ষাত আশ্ৰিত জীৱনবোধৰ অভিব্যক্তিও বৈচিত্ৰ্যপূৰ্ণ। অস্তিত্বৰ সীমাহীনতা-অনুভৱ-জাগ্ৰত সন্দেহ তথা বাস্তৱৰ কাঞ্চণ্যাসিক্ত কাঠিন্যই জীৱনৰ স্বচ্ছ অনুভূতিক ব্যথিত কৰি ৰাখিলেও হৃদয় সন্দিগ্ধ প্ৰবৃত্তিগত সুকুমাৰ অনুভৱৰ সাহচৰ্য্যই জীৱন-মৃত্যুৰ অন্তৰৱৰ্ত্তী-ভাৱনাক অৰ্থবহ কৰি ৰখাৰ উদ্দীপত্তাও অনিৰূদ্ধ ৰূপতেই প্ৰবহমান। অন্তহীন স্পৃহা, স্বপ্নময় বাসনা আৰু মৰ্য্যাদাৰ সচেতনতাই মানুহক চিৰকালেই ঐন্দ্ৰজালিকতাৰে সম্মোহনীয় কৰি আহিছে। ক্ষণে ক্ষণে হৃতৰ শংকা আৰু পলে পলে অৱসাদৰ সুস্বপ্নই ক্ৰিয়াশীল কৰা দেহমনক প্ৰাপ্তিৰ প্ৰাবল্য তথা সন্তুষ্টিৰ আধিক্যই অহৰহ আন্দোলিত কৰে; ব্যক্তি হৈয়ো সমষ্টিৰ পুলকিত এনাজৰীত শৃংখলিত হৈ আত্মপৰিতৃপ্তিৰ ৰঙ সনা পথ বিচাৰে। বহুৰঙী প্ৰবৃত্তিৰ মুকুল মানৱহৃদয়ৰ এনে সুসম অনুভূতিৰ বহিঃ আৱেগে স্বাভাৱিক ৰূপত অনুভূত হয় সমষ্টিগতভাৱে সমাজ আচাৰিত উৎসৱ আনন্দৰ নিবৃত্তিত। সেয়ে নৈসৰ্গিক প্ৰকৃতিৰ নিয়ম বিধায়িত ঋতু পৰিবৰ্তনৰ চক্ৰাকাৰ গতিত সৃষ্টি হোৱা পৰিবেশতেই হৃদয়ৰ পুলকিত চেতনাই প্ৰসাৰিত ৰূপ লয়, উছৱৰ ভোগজৰাত জীৱনৰ মধুময় আলিপনা অংকিত হয়। এনে পৰিৱৰ্তনৰ গতিতেই হয়তো সাধক ঋষিৰো আৰ্ষ প্ৰয়োগ ঘটিছিল— "জীৱম শাৰদঃ শতম্ পশ্যেম্ শাৰদ শতম্ শৃণুয়াম্ শাৰদ শতম্"। শত সহস্ৰ শৰতে জীৱন বিমণ্ডিত কৰাৰ দৰেই শত-সহস্ৰ বসন্তয়ো জীৱন সুৰভি সুমণ্ডিত কৰি ৰাখিছে। শৰতে সিঁচি দিয়া কুসুম সুবাসিত ঋতুৰ আঁচল বসন্তই বুঁটা তুলি উখৰ জীৱন চিন্তাত সানে যৌৱনৰ হেঙুল, হৃদয় উজ্জীৱিত কৰে ৰঙ-ৰেখাৰ হাইতালেৰে, সমাজ বিধৌত হয় ৰাৰেবৰণীয়া জ্যোৎস্না আলোকেৰে।

বসন্তৰ সিক্ত স্পৰ্শতেই অসমীয়া জনজীৱনলৈ আহ্বায়িত হয় ৰহাগৰ মৰমী উছৱ ৰঙালী বিহু। বিহু অসমৰ ৰঙৰ উৎসৱেই নহয়— ই জাতীয় জীৱন চিন্তাৰ ৰাহকো। দেহ-মনৰ পৰিতৃপ্তিতেই বিহু উৎসৱ সীমিত নহয়, আত্মিক তৃপ্তিৰ মাদকতাতে বিহুৰ উৎস পৰিসীমিত। সেয়ে জাতীয় ঐতিহ্য আৰু সাংস্কৃতিক পৰম্পৰাৰ ধাৰক হিচাপে বিহু অসমীয়া মনত অধিগৃহীত। বৰ্ষাৰম্ভৰপৰা বৰ্ষশেষলৈকে উদ্‌যাপিত হোৱা তিনিটি বিহুৱেই নিশ্চয় এনে

চিন্তাকেই সোঁৱৰাই দিয়ে। অসমীয়া সমাজত তিনিটি বিহুৱেই তাৎপৰ্য্যপূৰ্ণভাৱে জনসাংস্কৃতিক জীৱনৰ অৰ্থ আৰু যোগসূত্ৰ নিৰ্ণয় কৰি ৰাখিছে। ঋতু পৰিক্ৰমণৰ সন্ধিক্ষণত সৃষ্ট ৰঙালী আৰু ভোগালী বিহু কেৱল আবেগ উচ্ছ্বাস বা ৰংৰহইচৰ বিগলিত ৰূপেই নহয় তাত্ত্বিক গূঢ়তাৰেও ই সঞ্জীৱিত। প্ৰকৃতিৰ বিতোপন শোভাৰ সহচৰী ৰঙালী বিহুৰ আবেগ সঞ্চাৰিত দেহ-ললনাৰ আৱয়ৱিকতাৰ মাজতে জীৱন স্পন্দিত হৃদয় বন্ধনৰ সাক্ষ্য অনুভূত হয়। কৃষিজীৱী জীৱনৰ শস্য অংকুৰিত সজল অনুভূতিত সংগোপনে সিক্তহৈ থাকে কঙালীৰ জীয়া প্ৰতিশ্ৰুতি। ভোগালীৰ ভোগ প্ৰবৃত্তিৰ আত্মীয়তাতেই গঢ়ি উঠে জীৱনক মহত্ত্বৰ কৰি তোলাৰ তাত্ত্বিক ব্যঞ্জনা। জীৱন ধাৰণৰ দৈনন্দিন কৰ্ম প্ৰক্ৰিয়াতেই সৃষ্টি হয় বিহুৰ বিনন্দীয়া ৰূপ। সঞ্চাৰিত অনুভৱৰ আকুতিত অভিব্যক্ত হয় বিহুৰ সাংস্কৃতিক পৰম্পৰা। এই দুইৰ সমাহাৰিত ৰূপে জাগ্ৰত হয় জীৱন ভাৱনা, প্ৰতিফলিত হয় জীয়াই থকাৰ প্ৰেৰণা, হিল্লোলিত হয় মনৰ সজীৱ কুশলতা। সেয়ে সহস্ৰ বৰ্ণালী বিমণ্ডিত এই বিহুৰ সৈতে আমি অনুভৱ কৰোঁ নিবিড় অন্তৰংগতা আৰু আত্মীয়তা। বিহুগীতৰ মাজত আমি অনুভৱ কৰোঁ এনে সংগোপিত চেতনাৰ বিমূৰ্ত্ত প্ৰাত্যহিকতা। আমাৰ সুখ-দুখ, আশা-ভৰসা, হাঁহি-কান্দোন বিমিশ্ৰিত জীৱনৰ পৰমাৰ্থ আমাৰ অতীত ঐতিহ্য, দৈন্য-প্ৰাচুৰ্য্য তথা প্ৰাপ্তি, সন্তুষ্টি, কামনা-বাসনা— এই আটাইবোৰেই যেন বিহু গীতত মূৰ্ত্তহৈ উঠিছে। মানৱ হৃদয়ৰ চিৰন্তন সৌন্দৰ্য্যবোধ আৰু ৰহস্যানুভূতিৰ ওপৰত প্ৰতিষ্ঠিত হোৱা বাবে বিহুগীত সকলোৰে উপভোগ্য। সেয়ে বিহু অসমীয়া জনজীৱনৰ বাবে এক বিস্ময়কৰ অনুভূতি— য'ত আছে ৰামধেনুৰ বিচিত্ৰ ৰং, মৃগনাভা কস্তুৰীৰ সুৰভি, সূৰ্য্যস্নাতা সোণালী-ৰূপালী উত্তুংগ শিখৰ, উত্তাল-তেজাল সমুদ্ৰৰ অদৃষ্টি নীলাভ তথা আদিগন্ত বিস্তৃত নীলাকাশ। পৰিণতিত বিহুৱে আনে শৰীৰ-মন আৰু আত্মাৰ সু-সামঞ্জস্য সাযুজ্য লাভৰ পৰিতৃপ্তি।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত স্থিত অসম বৈচিত্ৰ্যপূৰ্ণ জনগোষ্ঠীৰ সন্মিলিত বাসভূমি। প্ৰকৃতিৰ বৈচিত্ৰ্যময় অনুভূতিৰ আকৰ অসমৰ শীতলী কোলাত বিভিন্ন জনগোষ্ঠীৰ আত্মিক যোগসূত্ৰ নিয়ন্ত্ৰণ কৰিছে বিহুৰ সাংস্কৃতিক পৰম্পৰাই। প্ৰকৃতপক্ষে এই জনগোষ্ঠীসমূহৰ নিজস্ব সাংস্কৃতিক পৰম্পৰা আৰু বসন্ত উৎসৱ আছে যদিও অসমৰ বুকুত বিহু সংস্কৃতিয়ে বৰলুইতৰ দৰেই সৰ্বত্তৰকেই সামৰি ৰাখিবলৈ সক্ষম হৈছে। বড়ো, মিচিং, দেউৰী, চুতীয়া, লালুং, ৰাভা, হাজং ইত্যাদি অলেখ জনগোষ্ঠীৰ সাংস্কৃতিক জীৱন ধাৰাই বিহুৰ ঐতিহ্য আৰু সংস্কৃতিক যুগে যুগে প্লাৱিত কৰি ৰাখিছে। বৈচিত্ৰ্যপূৰ্ণ জনগোষ্ঠীসমূহৰ বিচিত্ৰ বসন্ত উৎসৱসমূহৰ বন্যা-বিধৌত প্লাৱনে বিহুক সমন্বয়ৰ সংস্কৃতি হিচাপে নিশ্চিতভাৱে প্ৰতিপন্ন কৰিছে। সেয়ে বিহুৰ আতিগুৰি পৰ্য্যালোচনাৰ ক্ষেত্ৰত জনগোষ্ঠীয় উৎসৱসমূহৰ বৈশিষ্ট্য বিশ্লেষণ নিতান্তই প্ৰয়োজনীয়। বিহুৰ জাতীয় ঐতিহ্য আৰু সাংস্কৃতিক তাৎপৰ্য্য অনুধাৱনত উক্ত জনগোষ্ঠীয় উৎসৱসমূহৰ আনুষংগিকতা সৰ্বক্ষেত্ৰতেই উপলব্ধিৰ যোগ্য। ইয়াৰ অবিহনে বিহুৰ তাত্ত্বিক ৰূপ অনুশীলন আংশিক হোৱাটোৱে স্বাভাৱিক।

বিহু প্ৰসংগ "সাংস্কৃতিক বৈভৱ আৰু ঐতিহ্যৰ অনুভৱ" চিন্তাৰ মূলতে হ'ল ড০ প্ৰফুল্লদত্ত গোস্বামী সম্পাদিত *ব'হাগ বিহুৰ বাবেবৰণীয়া ছবি* শীৰ্ষক অসমীয়া সাহিত্যৰ এখন অমূল্য গ্ৰন্থৰ আনুষংগিক বিচাৰ। অসম জনকৃষ্টি সমাজ, গুৱাহাটীৰদ্বাৰা প্ৰকাশিত গ্ৰন্থখনি বিহুৰ উৎস আৰু পৰম্পৰা তথা বিভিন্ন জনগোষ্ঠীয় উৎসৱ সম্বলিত কুৰিখন বিশেষ ৰচনাৰে সমৃদ্ধ। পুথিখনৰ প্ৰথম প্ৰকাশ ১৯৭৫ চনত হৈছিল আৰু দ্বিতীয় প্ৰকাশ হৈছে ১৯৯৬ চনত। প্ৰথম প্ৰকাশৰ পাতনি লেখিছিল ড০ গোস্বামীয়ে আৰু দ্বিতীয় প্ৰকাশৰ পাতনি লেখিছে ড০ নবীন চন্দ্ৰ শৰ্মাই। গ্ৰন্থখনিত লোকসংস্কৃতি-তত্ত্ববিদ্ ড০ প্ৰফুল্লদত্ত গোস্বামী, প্ৰাচ্যতত্ত্ববিদ্ ড০ মহেশ্বৰ নেওগ, সাহিত্য-সংস্কৃতিৰ গৱেষক ড০ হেমন্তকুমাৰ শৰ্মাক প্ৰমুখ্য কবি শ্ৰীহিন্দ্ৰ প্ৰসাদ শইকীয়া, শ্ৰীগগণ চন্দ্ৰ সোণোৱাল, শ্ৰীবিশ্বেশ্বৰ হাজৰিকা, শ্ৰীযতীন গোস্বামী, শ্ৰীভূপেন্দ্ৰ চন্দ্ৰ বসুমতাৰী, ৰমাকান্ত পাতিৰ, বসন্তকুমাৰ দেউৰী, বলাইৰাম সেনাপতি, ড০ বীৰেন্দ্ৰনাথ দত্ত, পৰেশ চন্দ্ৰ হাজং, সমৰ সিং ৰাভা, ড০ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, সুনীলকুমাৰ দাস, অতুল চন্দ্ৰ বৰুৱা, ড০ প্ৰবীণ দাস আৰু ড০ নবীন চন্দ্ৰ শৰ্মা আদি কেবাগৰাকীও সাহিত্য সংস্কৃতিৰ পূজাৰী তথা গৱেষকে ঋতু উদ্যাৱিত বিবিধ ৰচনাত নিজস্ব দৃষ্টিভংগী প্ৰতিফলিত কৰিছে। ৰচনাসমূহ বৰ্ণনাত্মক। ব্যাখ্যাত্মক বিশ্লেষণ কমসংখ্যক ৰচনাতহে লক্ষ্য কৰিবপৰা যায়। তাত্ত্বিক বিশ্লেষণো সীমিত। ৰচনাসমূহ পোনপটীয়া। জনসমাজৰ উৎসৱ পৰম্পৰাৰ আভাস, জনজীৱনৰ সৰল বিশ্বাস আৰু বিষয়বস্তুৰ তথ্যগত উল্লিখনেৰে ৰচনাসমূহৰ পৰিধি আবৃত্ত। তথ্য উদ্ঘাটনতকৈ তাত্ত্বিক আলোচনাৰ প্ৰতিহে ৰচকসকল অধিক আগ্ৰহী। এই ক্ষেত্ৰত জনজীৱনৰ সৈতে আনুষংগিক ৰূপত সংযোজিত বসন্ত উৎসৱসমূহৰ বহিৰাবেগ প্ৰকাশে ৰচকসকলক তন্ময়ান্বিত কৰাটোৱে ইয়াৰ মূল কাৰণ বুলি ভবাৰ থল আছে। ৰচনাসমূহৰ ঐতিহাসিকত্ব এইখিনিতেই যে অসমৰ বিহুৰ বাবেবৰণীয়া ছবিৰ সৈতে নামনি অসমৰ দোমাহী তথা মিচিং, দেউৰী, লালুং, হাজং, ৰাভা আৰু বৰোসকলৰ স্বপৰম্পৰাত বিহুৰ চিত্ৰ প্ৰত্যয়শীল ৰূপত উপস্থাপন কৰিব পৰাটোতে। তদুপৰি কৃষিজীৱী জীৱনৰ সৈতে বিজড়িত বসন্ত ঋতুৰ আচাৰ-অনুষ্ঠানসমূহক গ্ৰন্থখনিত প্ৰাসংগিক ৰূপত উল্লেখ কৰিব পৰাটোতে। আনহাতে কামৰূপ, দৰং আদি অঞ্চলৰ সুঁৱৰি, সোৰি, দেউল আদি লোক উৎসৱ তথা বৰ্তমান লুপ্তপ্ৰায় মদনোৎসৱৰ ভুখুৰীয়া ছবি সন্নিৱিষ্ট কৰিবপৰাটোত গ্ৰন্থখনিৰ সামাজিক-সাংস্কৃতিক প্ৰমূল্য উল্লেখনীয় ৰূপত ধৰা দিছে। ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে "ব'হাগ বিহুৰ পৰম্পৰা" শীৰ্ষক প্ৰবন্ধত বিহুৰ উৎস সম্পৰ্কত এটি প্ৰণালীবদ্ধ আলোচনাৰ দিশ উন্মোচিত কৰিছে। প্ৰবন্ধটিত *অথৰ্ববেদ* আৰু *ঐতেৰীয় ব্ৰাহ্মণ* আদি সংস্কৃত শাস্ত্ৰত, বিহুৰ উৎস অনুসন্ধানেৰে ভাৰতৰ বিভিন্ন অঞ্চলত এনে পৰম্পৰাৰ উল্লেখ সহ এক তাত্ত্বিক আৰু তাত্ত্বিক বিশ্লেষণ উপস্থাপন কৰিবলৈ যত্নপৰ হৈছে। তদুপৰি সামাজিক বিৱৰ্তন তথা ৰুচি পৰিৱৰ্তনত বিহুৰ অস্তিত্ব আৰু ঐতিহ্য বিশ্লেষণৰ বাস্তৱিক দৃষ্টিভংগী প্ৰবন্ধটিৰ

উল্লেখনীয় দিশ হিচাপে অভিহিত কৰিব পাৰি। প্ৰবন্ধটিক মূলতঃ জীৱনৰ ৰুচিবোধ আৰু সমাজ পৰিপ্ৰেক্ষাত সাংস্কৃতিক পৰম্পৰাৰ বিৱৰ্তনমুখী পৰিণতি হিচাপে চিহ্নিত কৰাৰ থল আছে। ড০ মহেশ্বৰ নেওগৰ "চ'তৰ বিহু ৰঙালী" শীৰ্ষক ৰচনাখনি বিহুৰ গতি-প্ৰকৃতিৰ আৰু সামাজিক তাৎপৰ্য্য বিশ্লেষণ কৰাৰ প্ৰচেষ্টা অধিক। ৰঙালী, কঙালী, ভোগালী– তিনিওটি বিহুৰ পৰম্পৰাগত সামাজিক ঐতিহ্য বিশ্লেষণেই ৰচনাখনিৰ মূল বক্তব্য। তদুপৰি সময়ৰ কুটিল গতিত ক্ষীয়মান হৈ অহা "জেং-বিহু" তাৎপৰ্য্য-বিচাৰ ৰচনাখনিৰ উল্লেখনীয় বৈশিষ্ট্য। আনহাতে সমালোচনাৰ ব্যাখ্যাত্মক ধাৰাটো ৰচনাখনিত লক্ষ্য কৰিব পাৰি। পুথিখনিৰ উল্লেখনীয় ৰচনাৰ ভিতৰত শ্ৰীগগণ চন্দ্ৰ সোণোৱালৰ "উজনি অসমৰ হুচৰি গীত", শ্ৰীবিশ্বেশ্বৰ হাজৰিকাৰ "হুচৰিৰ হাও" বৈশিষ্ট্যপূৰ্ণ। ৰঙালী বিহুৰ অতি আৱশ্যকীয় আৰু অবিচ্ছেদ্য অংগ হুচৰিৰ তথ্যভিত্তিক আলোচনাৰে ৰচনা দুখনি সমৃদ্ধ। বিহুৰ সংস্কৃতিগত পৰম্পৰা হুচৰিৰ আধ্যাত্মিক আবেদন কিমান স্পৰ্শকাতৰ হ'ব পাৰে তাৰেই সম্যক নিদৰ্শন এই প্ৰবন্ধটি। সোণোৱালৰ প্ৰবন্ধটিত কছাৰীসকলৰ মাজত প্ৰচলিত হুচৰি আৰু হাজৰিকাৰ প্ৰবন্ধটিত উজনি অসমত প্ৰচলিত হুচৰিৰ তথ্যভিত্তিক আলোচনাই প্ৰধান স্থান লাভ কৰিছে। অৱশ্যে ই তথ্যৰ ব্যাখ্যাত্মক ৰীতিৰ অন্তৰ্গত নহয়। তেনেদৰে ড০ হেমন্তকুমাৰ শৰ্মাৰ "কামৰূপত ব'হাগ বিহু" ৰচনাখনিতো বিহুৰ পৰম্পৰাগত বৰ্ণনাই মুখ্যৰূপ লৈছে। কিন্তু ব'হাগ বিহুৰ আনুষংগিক লোকাচাৰসমূহৰ উৎস অনুসন্ধান আৰু অনুদ্ঘাটিত দিশৰ বিশ্লেষণে বৈশিষ্ট্যপূৰ্ণভাৱে গৱেষণীয় দিশৰ সন্ধান দিছে। নিঃসন্দেহে এইখন তথ্যভিত্তিক ৰচনা। সেইদৰে ভূপেন্দ্ৰ চন্দ্ৰ বসুমতাৰীৰ "বড়োসকলৰ বিহু মাঘ আৰু বহাগ", ৰমাকান্ত পাতিৰৰ "আলিয়াই লৃগাং", বসন্তকুমাৰ দেউৰীৰ "দেউৰী সম্প্ৰদায়ৰ বিহু", ৰামেশ্বৰ দেউৰীৰ "দেউৰী বিহুৰ বনগীত", বলাইৰাম সেনাপতিৰ "লালুঙৰ চ'ত বিহু-মেলা আৰু বোকা নাচ" পৰেশ চন্দ্ৰ হাজঙৰ "হাজংসকলৰ লেৱাটানা বিহু", সমৰসিং ৰাভাৰ "ৰাভাৰ বিহুধৰ্মী প্ৰেমগীত" আদি ৰচনা কেইখন বৰ্ণনাধৰ্মী পৰম্পৰাগত ৰচনা। জনগোষ্ঠীয় সমাজত বসন্ত উৎসৱৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া আৰু ঋতুস্পৰ্শিত আবেগ-অনুভূতিয়ে হৃদয়ত তোলা ধ্বনি-প্ৰতিধ্বনিৰে প্ৰবন্ধকেইটি উজ্জ্বল। বসন্তই গচকি যোৱা জনজাতীয় ডেকা-গাভৰুৰ যৌৱনকাংক্ষিত প্ৰায়, স্বপ্ন আৰু পাৰস্পৰিক আকৰ্ষণ-বিকৰ্ষণত সৃষ্টি হোৱা অনুৰাগসিক্ত অভিব্যক্তি সুপ্ৰকাশক গীত-মাতৰ বৰ্ণনাৰে ৰচনা কেইখনি সমৃদ্ধ। প্ৰাসংগিকৰূপে উল্লেখিত হৈছে বসন্তকালৰ কৃষি উৎসৱ সম্বন্ধীয় জনজাতীয় তাৎপৰ্য্য। অৱশ্যে এই ৰচনা কেইখনিতে বিহু আৰু জনজাতীয়-সংস্কৃতিৰ এক সম্মিলিত চিনাকি সুৰৰ মূৰ্চ্চনা অনুভৱ কৰা হয়। ইয়াৰ উপৰি ড০ বীৰেন্দ্ৰনাথ দত্তৰ "গোৱালপাৰাৰ বিহু" আৰু ড০ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ "বিহু আৰু নগা বিহু" ৰচনা দুখনিত ক্ৰমে গোৱালপৰীয়া সমাজ আৰু নগা সমাজত প্ৰৱৰ্ত্তিত বিহুৰ লোকাচাৰ, ৰীতি আৰু অনুষ্ঠানৰ সংক্ষেপে আভাস

দিবলৈ যত্ন কৰা হৈছে। সংস্কৃতিৰ অধ্যয়ন আৰু নান্দনিক দিশৰপৰা দুয়োখন ৰচনাকে সময় সাপেক্ষ বুলি মন্তব্য কৰিব পাৰি। বিহু ভিন্ন আনুষংগিক বসন্ত উৎসৱ, যেনে—সুনীলকুমাৰ দাসৰ "বৰপেটা সত্ৰৰ দৌল উৎসৱ" আৰু ড০ প্ৰবীণ দাসৰ "হাজোৰ দৌল আৰু মদন উৎসৱ" প্ৰবন্ধ দুটিও গ্ৰন্থখনিৰ সৌন্দৰ্য্য বৰ্ধনৰ সহায়ক হৈছে। বিষয়বস্তুৰ আলোচনা প্ৰবন্ধ দুটিত সীমিত যদিও জনজীৱনত প্ৰসাৰ লাভ কৰা এই উৎসৱ দুটিৰ আভাসে পাঠকীয় আবেদন সিদ্ধতা লাভ কৰিবলৈ সক্ষম হৈছে। সৰ্বশেষত অতুল চন্দ্ৰ বৰুৱাৰ "বহাগৰ বঙালী দেউল" আৰু ড০ নবীন চন্দ্ৰ শৰ্মাৰ "দৰঙৰ বঙালী বিহু" পুথিখনিৰ আন এক আকৰ্ষণীয় দিশ হিচাপে পৰিগণিত হৈছে। বৰুৱাৰ প্ৰবন্ধটিত দৰঙৰ উদ্‌যাপিত দেউলৰ ধৰ্মীয় আৰু সামাজিক ভিত্তি বিশ্লেষণৰ সবল প্ৰচেষ্টা আছে। আনহাতে ড০ শৰ্মাৰ প্ৰবন্ধটিত দৰঙত পৰিবেশিত বহাগ বিহুৰ ঐতিহ্য তাৎপৰ্য্য আৰু আনুষংগিক ৰূপ বিজড়িত লোক উৎসৱসমূহৰ বিৱৰণাত্মক ব্যাখ্যা আছে। অসমীয়া সংস্কৃতিৰ সমাহাৰিক ৰূপত দৰঙী ৰাজ পৃষ্ঠপোষকতা প্ৰসাৰিত সংস্কৃতিৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ আছে। দৰঙীৰজাৰ স্বকীয় সংস্কৃতিৰ উৎস অনুসন্ধান অসমীয়া সংস্কৃতিৰ বাবে সেয়ে তাৎপৰ্য্যপূৰ্ণ। ড০ শৰ্মাৰ ৰচনাখনিত ধৰ্মীয় আৰু সামাজিক উভয় দিশৰে দৰঙী বিহু আৰু আৰু লোক উৎসৱসমূহৰ ব্যাখ্যাত্মক পৰ্য্যালোচনা সম্ভৱ হৈছে। তথ্যগত বিৱৰণ, বাস্তৱ পৰ্য্যবেক্ষণ আৰু মনস্তাত্ত্বিক অনুশীলন, ৰচনাখনিৰ বিশ্লেষণৰ মাধ্যম হোৱা হেতুকে ঐতিহাসিক আৰু নান্দনিক দুয়োটি দিশেৰে ই সমৃদ্ধ হৈ পৰিছে।

সামৰণিত "ব'হাগ বিহুৰ বাৰেবৰণীয়া ছবি" গ্ৰন্থখনিত সন্নিৱিষ্ট ৰচনাসমূহৰ উপস্থাপন ৰীতিত দুই চাৰিটা ত্ৰুটি-বিচ্যুতি ঘটিছে যদিও সামাজিক আৰু সাংস্কৃতিক দিশৰপৰা এইখনৰ ঐতিহাসিক গুৰুত্বও আছে। বিভিন্ন জনগোষ্ঠী পৰিবেষ্টিত অসমীয়া সাংস্কৃতিক জীৱনধাৰাৰ ঐতিহাসিক পটভূমি নিৰ্ণয় উক্ত গ্ৰন্থখনৰ বিশেষ সামাজিক প্ৰমূল্য নিঃসন্দেহে থাকিব। গ্ৰন্থখনৰপৰা সাধাৰণ পাঠকে মনৰ খোৰাক পাব; গৱেষকসকলে তথ্য-অনুসন্ধানৰ সন্ধেদ পাব আৰু সমাজ-নৃতাত্ত্বিক পণ্ডিত মহলে সংস্কৃতিৰ পুনঃনিৰীক্ষণৰ আহিলা পাব।

ড০ গোস্বামীয়ে বিহুৰ বিষয়ে জীৱনব্যাপী চলাই অহা অধ্যয়ন-মনন আৰু বিচাৰ-বিশ্লেষণৰ তাৎপৰ্য্যপূৰ্ণ অভিব্যক্তিসমূহৰ ভিতৰত এই নিৰ্মিতি বিশেষ উল্লেখযোগ্য। গ্ৰন্থখনিৰ পৰিকল্পনা, বিষয়বস্তু নিৰ্বাচন, নিৰ্বাচিত বিষয়বস্তুৰ সম্পাদনা আৰু উপস্থাপন আদিয়ে পণ্ডিত গৰাকীৰ সংস্কৃতি সচেতন মনটোৰ স্বৰূপ উপলব্ধি কৰাত নিশ্চিতভাৱে সহায়ক হ'ব। *ব'হাগ বিহুৰ বাৰেবৰণীয়া ছবি* ড০ গোস্বামীৰ প্ৰকৃষ্ট অৱদান।

—●—

"বাৰ মাহৰ তেৰ গীত"

****

বিজয়া বৰুৱা ৰাজখোৱা

লোকসংস্কৃতিৰ একনিষ্ঠ গৱেষকৰূপে আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠা লাভ কৰা পণ্ডিত ড০ প্ৰফুল্লদত্ত গোস্বামী এজন বিশিষ্ট সাহিত্যিক তথা সমাজ পৰ্য্যবেক্ষক। তীব্ৰ কৌতূহলী আৰু অভিজ্ঞতা সন্ধানী তেখেতৰ স্বাভাৱিক প্ৰৱণতাই জীৱনৰ বিচিত্ৰ অভিজ্ঞতাক লেখনীৰ বিভিন্ন মাধ্যমত প্ৰকাশ সম্ভৱ কৰি তুলিছে।

অসমীয়া লোকসংস্কৃতিৰ বৈজ্ঞানিক তথা পদ্ধতিমূলক অধ্যয়নৰ ক্ষেত্ৰত অধ্যাপক গোস্বামী বাটকটীয়া বা পথ প্ৰদৰ্শক। বিদ্যায়তনিক ভিত্তিত লোকসংস্কৃতিৰ আন্তঃৰাষ্ট্ৰীয় ভাৱধাৰা আৰু পদ্ধতিগত অধ্যয়নৰ সূত্ৰ ধৰি অসমীয়া লোকসংস্কৃতিক এইজনা পণ্ডিত-গৱেষকেই পোনপ্ৰথমে প্ৰতিষ্ঠা কৰি যায়। অসমীয়া সাহিত্যৰ ইতিহাসত এতিয়ালৈকে অসমীয়া লোকজীৱনত সিঁচৰিত হৈ থকা গীত-মাত, সাধুকথা আদি বিভিন্ন উদীয়মান সংগ্ৰাহকে সংগ্ৰহ কৰিছে। কিন্তু ড০ গোস্বামীয়ে তেখেতৰ আশাশুধীয়া সংগ্ৰহ তৃষ্ণাৰে লোকসাহিত্যৰ সম্পদ সংগ্ৰহ কৰি পদ্ধতিগতভাৱে সজাই প্ৰকাশ কৰাৰ কাৰণে পৰৱৰ্তী গৱেষক-সংগ্ৰাহক-সমালোচকসকলৰ বাবে অতি প্ৰয়োজনীয় আৰু আদৰ্শনীয় হৈছে। এনে জনকৃষ্টি বিষয়ক সংগ্ৰহ গ্ৰন্থ *বাৰ মাহৰ তেৰ গীত* (১৯৬২ চন, ১ম তাঙৰণ, ২য় তাঙৰণ ১৯৯৩ চন) নিঃসন্দেহে অসমীয়া লোকসংস্কৃতি অধ্যয়নত এক নতুন সংযোজন।

বাৰ মাহৰ তেৰ গীত অসমীয়া লোকজীৱনৰ বিভিন্ন ক্ষেত্ৰত সিঁচৰিত হৈ থকা সংগীত মধুৰ গীতসমূহৰ এটি নিৰ্বাচিত সুসম্পাদিত সংগ্ৰহ। গ্ৰন্থখনিত অসমৰ বহল ভৌগোলিক খণ্ডৰ উজনি-নামনিৰ ঠাঁচ অনুসৰি, জনজাতীয় অঞ্চল সামৰি প্ৰতিনিধিত্বমূলকভাৱে লোকজীৱনৰ প্ৰসংগ(context) আৰু জমিন(texture) আদিৰ প্ৰতি সচেতন হৈ বিষয়বস্তু অনুযায়ী গীতসমূহ উপস্থাপন কৰা হৈছে। গ্ৰন্থখনি ড০ গোস্বামীৰ লোকসাহিত্যৰ নিয়ত চৰ্চা আৰু পদ্ধতিমূলক অধ্যয়ন-মননৰ উজ্জ্বল নিদৰ্শন।

লোকগীত বা জনগীত(Folksongs) বাচিক কলা বা মৌখিক সাহিত্যৰ অন্যতম এক বিভাগ। লোকজীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন আদি স্বাভাৱিক অনুভূতিসমূহৰ সুকুমাৰ প্ৰকাশ ঘটে এই গীতবোৰৰ মাজেদি। লোকসাংস্কৃতিক মাপকাঠিৰে এই লোকগীতবোৰ

কিছুমান ভাগত বিভক্ত কৰা হৈছে। যেনে ঃ (ক) বেলাড, (খ) ধৰ্মীয় গীত, (গ) প্ৰণয় গীত, (ঘ) কৰ্ম গীত, (ঙ) উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীত, (চ) তত্ত্বপূৰ্ণ গীত, (ছ) চিকাৰ আদিৰ লগত জড়িত গীত, (জ) বিদ্ৰূপাত্মক গীত, (ঝ) কেঁচুৱা বা ল'ৰা-ছোৱালীৰ লগত সম্পৰ্কযুক্ত গীত— টোপনি নিওৱা গীত(Lullabies) – নিচুকনি গীত (Nursery rhymes) – শিশুৰ খেল-ধেমালিৰ লগত জড়িত গীত(children game songs) ইত্যাদি। জন্মৰপৰা মৃত্যুলৈকে পালন কৰা ধৰ্ম, কৰ্ম, উৎসৱ-অনুষ্ঠানৰ লগত এই গীতবোৰৰ সম্পৰ্ক। এই গীতবোৰত ল'ৰা নিচুকোৱা, খেল-ধেমালি কৰা, তাঁত বোৱা, মাছ মৰা, চিকাৰ কৰা, ধান বোৱা, নাও বোৱা, প্ৰেম-পীৰিতি জনোৱা বিভিন্ন অনুষ্ঠানমূলক— বিয়া নাম, আই নাম, ভেকুলি বিয়াৰ নাম, অপেস্বৰী সবাহৰ নামত সহজ-সৰল গাঁৱলীয়া জীৱনৰ বিভিন্ন আচৰণৰ অকৃত্ৰিম প্ৰকাশ ঘটিছে। এই গীতবোৰৰ সমাজতাত্ত্বিক প্ৰমূল্যও(sociological significance) যথেষ্ট। সেয়েহে লোকসংস্কৃতিত এনে গীত-মাতবোৰ'social heritage' ৰূপে আখ্যা দিয়া হৈছে।

যাব যাইব তেব গীতৰ নামভূমিকাও উল্লেখযোগ্য। পুৰণি অসমীয়া লোকসমাজত গীত-পদে মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। উৎসৱ-অনুষ্ঠান, পূজা-পাতল, খেতি-পথাৰ, অপায়-অমঙ্গল সমাজ জীৱনৰ বিভিন্ন দিশৰ সৈতে এই গীত-মাতবোৰ জড়িত। লোকসমাজত সৰ্বব্যাপী থকা লোকগীতৰ প্ৰাচুৰ্য্য আৰু প্ৰভাৱক সঙ্কলনটিৰ শিৰোনামাই সাৰ্থকভাৱে প্ৰকাশ কৰিছে। দ্বিতীয়তে, সংগ্ৰাহক আৰু সম্পাদকৰ ১০ পৃষ্ঠা জোৰা ভূমিকাটিয়ে পাঠকক তথা পৰৱৰ্তী গৱেষকক লোকগীতৰ তাত্ত্বিক(Theoritical) তাৎপৰ্য্যৰ আভাস দিয়াৰ উপৰিও সৰ্বভাৰতীয় পৃষ্ঠভূমিত অসমীয়া লোকসংস্কৃতিৰ এই সম্পদসমূহৰ তুলনামূলক পৰিচয়ৰ সংযোগত বিষয়বস্তু আলোচনা কৰিছে। সাহিত্যৰ ছাত্ৰ হিচাপে লোকগীতসমূহৰ কাব্যিক ৰমণীয়তাক স্বীকাৰ কৰি ৰূপ তাত্ত্বিক প্ৰমূল্য আৰোপ কৰাৰ লগতে লোকসংস্কৃতিবিদ্‌ৰ ভূমিকাৰে উচিত মন্তব্য আগবঢ়াইছে ঃ 'গীতৰ কাল আৰু পৰিৱেশ সম্বন্ধে সিদ্ধান্ত নকৰি নোৱাৰি।' এজন প্ৰকৃত গৱেষকৰ দৃষ্টিভঙ্গীৰে অসমীয়া লোকগীতসমূহৰ ওপৰত সুদীৰ্ঘ দিন ধৰি চলোৱা চৰ্চাৰ পিছত অসমীয়া লোকগীতৰ বৈশিষ্ট্যসমূহ চালি-জাৰি চাই ড০ গোস্বামীৰ জনগীতবোৰ বহলভাৱে দুভাগত বিভক্ত কৰিছে ঃ আনুষ্ঠানিক আৰু স্বাধীন। অসমীয়া স্বাধীন গীতৰ এটি উল্লেখযোগ্য ঠাল হ'ল মালিতা বা বেলাড। ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে লোকসাহিত্যৰ বৈজ্ঞানিক সূত্ৰ অনুসৰণ কৰি অসমীয়া লোকগীতৰ বিষয়বস্তু, শাখা-প্ৰশাখা আৰু প্ৰকাশভঙ্গীলৈ লক্ষ্য কৰি প্ৰতিনিধিমূলক বাছনিৰে *যাব যাহৰ তেব গীত* সঙ্কলনটি যুগুত কৰি উলিয়াইছিল। সঙ্কলনটিৰ ইংৰাজী অনুবাদ প্ৰকাশ হ'লে দেশ-বিদেশৰ লোকসংস্কৃতিবিদ্‌সকল বিশেষভাৱে উপকৃত হ'লহেঁতেন। তেখেতৰ ইংৰাজীত প্ৰকাশিত *Bohag Bihu of Assam And Bihu Songs* গ্ৰন্থখনিয়ে একে অৰ্থতেই আন্তৰ্জাতিক সমাদৰ লাভ কৰিছে।

গ্ৰন্থখনিৰ গীতসমূহৰ পৰিশেষত টোকা সন্নিবিষ্ট কৰি গীতসমূহৰ সংগ্ৰহৰ স্থান-কাল উৎস সম্পৰ্কে সবিশেষ জনাই পণ্ডিতজনাই উদাৰতা আৰু বৈজ্ঞানিক মনোভাৱৰ স্বাক্ষৰ বহন কৰিছে।

অসমৰ সংস্কৃতি সংমিশ্ৰিত সংস্কৃতি। আৰ্য্য-আৰ্য্য ভিন্ন, থলুৱা জন-জাতিৰ সংমিশ্ৰণে অসমীয়া সংস্কৃতিক সোণসেৰীয়া কৰি তুলিছে। সঙ্কলনটিৰ শেহৰফালে জনজাতীয় লোকৰ মুখে মুখে প্ৰচলিত অসমীয়া গীতৰ নিদৰ্শন স্বৰূপে কেইটিমান গীত উপস্থাপন কৰা হৈছে। এইয়া সঁচাকৈয়ে সংগ্ৰাহক আৰু সম্পাদকৰ বস্তুনিষ্ঠ নিৰ্বাচন পদ্ধতিৰ পৰিচায়ক।

সময়ৰ অগ্ৰগতিৰ লগে লগে লোকজীৱনৰ বুকুলৈ পৰিবৰ্ত্তন নামি আহে। সেয়েহে লোকসংস্কৃতিৰ বাচিক কলাৰ বিভিন্ন সম্পদ আধুনিক যুগত বিলুপ্ত হ'বলৈ উপক্ৰম কৰিছে। তেনে অৱস্থাত ড০ গোস্বামীৰ এই গ্ৰন্থখনৰ গুৰুত্ব আৰু ভূমিকা অৰ্থপূৰ্ণ। সেইবাবেই ড০ বিৰিঞ্চি কুমাৰ বৰুৱাই ড০ গোস্বামীৰ *বাৰ মাহৰ তেৰ গীত* নামৰ গ্ৰন্থখনক অসমীয়া জাতীয় জীৱনৰ দাপোণ বুলিছে।

—০—

প্ৰফুল্লদত্ত গোস্বামীৰ সাধুকথা চৰ্চা

লক্ষ্মী দাস পাঠক

ডঃ প্ৰফুল্লদত্ত গোস্বামী সাহিত্যিক জীৱনৰ বৰ্ণাঢ্য পৰিচিতিয়ে তেওঁৰ প্ৰতি সকলোকে আগ্ৰহী কৰে। ইংৰাজী সাহিত্যৰ এগৰাকী ছাত্ৰ আৰু অধ্যাপক হৈ সাহিত্য পৰিক্ৰমাৰ কোনটো আলি কেঁকুৰিত তেওঁ লোকসাহিত্য বা জনসংস্কৃতিৰ মৌলিক কথাবোৰৰ প্ৰতি আগ্ৰহী হ'ল কোৱা টান। সাহিত্যৰ কোনো কৃতী ছাত্ৰই লোকসাহিত্য আৰু জনসংস্কৃতিৰ প্ৰতি পিঠি দি সাহিত্য সাধনাত ব্ৰতী হ'ব নোৱাৰে। আজি যাক আমি আধুনিক সাহিত্য বুলি আখ্যা দিও সেই সাহিত্য ৰচিত হৈছে লোকসাহিত্যৰ আধাৰত। তেনে আধাৰ দুৰ্বল আৰু নিশকতীয়া হ'লে আধুনিক অথবা লিখিত সাহিত্যৰ সমৃদ্ধি আশা কৰাটো মিছা। সৰহ সংখ্যক সাহিত্যিকেই তেওঁলোকৰ সাহিত্য পৰিক্ৰমাত লোকসাহিত্যক বিশেষ গুৰুত্ব প্ৰদান কৰা দেখা যায়। তেনেদৰে গুৰুত্ব আৰোপ কৰিলেও তেওঁলোকে লোকসাহিত্যৰ বহল পথাৰ ভ্ৰমি ফুৰিব নোখোজে। ডঃ প্ৰফুল্লদত্ত গোস্বামীক এই ক্ষেত্ৰত ব্যতিক্ৰম বুলিব পাৰি।

ডঃ গোস্বামীয়ে আধুনিক সাহিত্যৰ বাবে এক সুদৃঢ় বুনিয়াদ ৰচনা কৰাৰ কথা নভবা নহয়। তেওঁৰ কথা, কাম আৰু দৃষ্টিভংগীত লেশমানো যুক্তি বৰ্জিত সংৰক্ষণশীলতা নাই। সাহিত্যিক জীৱনৰ আৰম্ভণ তেখেতে আধুনিক সাহিত্যৰ মাধ্যমেৰেই কৰিছে। কিন্তু তথাকথিত আধুনিকতাৰ ওৰণিৰ তলত থকা লোক-সাহিত্যৰ ৰূপটোলৈহে তেওঁৰ দৃষ্টি আকৃষ্ট হ'ল। সেই ক্ষেত্ৰখনতেই তেওঁ আমৰণ ব্যস্ত থাকিল।

ডঃ প্ৰফুল্লদত্ত গোস্বামীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লোক-সাহিত্যক সমুজ্জ্বল কৰি ৰখা সাধুকথাবোৰ সংগ্ৰহ কৰি লিখিত ৰূপত উপৰিষ্ট কৰি এক মহৎ কাম কৰিছে। সাধুকথাবোৰে একেটা জাতি বা সম্প্ৰদায়ৰ সভ্যতা, সংস্কৃতি, বিশ্বাস, ৰীতি-নীতি আৰু জীৱন-ধাৰণৰ দস্তাবেজৰ ভূমিকা পালন কৰে।

M.J. Herskovits-এ কৈছে : *A substantial body of folktales is more than the literary expression of a people. It is, in a very real sense, their ethnography which, if systematized by the student, gives a penetrating picture of their life.* (*Man and His Works* p.418)

এনে সাধুকথাবোৰৰ অন্তৰালত লোকশিক্ষা আৰু শিক্ষণৰ দিশো নিহিত। যিটো সময়ত লিখিত সাহিত্যৰ কথা মানুহে ভাবিবও পৰা নাছিল সেই সময়ত মৌখিক জগত প্ৰচলিত সাধুকথাবোৰ অতি জনপ্ৰিয় গল্পৰ জগতত বৰ্তিছিল। মৌখিক সাহিত্যই জনমানসত কৰা প্ৰভাৱ লিখিত সাহিত্যতকৈ কোনো গুণে কম নহয়। বৰং জনসমাজ সাপেক্ষে এনে প্ৰভাৱ তীব্ৰতৰ বুলিহে ক'ব লাগিব। ড০ গোস্বামীয়ে সাধুকথা সংগ্ৰহ আৰু সংকলন আৰু বিচাৰ-বিশ্লেষণৰ অনন্য নিদৰ্শন প্ৰদৰ্শন কৰে তলত উল্লেখ কৰা গ্ৰন্থসমূহে : *Tales of Assam (1980), Songs and Tales of North-Eastern India (1976), Folk-Tales of India (1987), Ballads and Tales of India (1960), Folk-Tales Told Around the world (1975), অসম দেশৰ সাধু (১৯৫৫)*।

সাধুকথা শুনা আৰু কোৱাৰ সহজাত প্ৰবৃত্তি মানৱ সভ্যতাৰ কোনটো স্তৰত কেতিয়া আৰম্ভ হ'ল সঠিককৈ কোৱা টান। হয়তো সভ্যতাৰ আৰম্ভণিৰ লগে লগে সাধুকথাৰ জন্ম হয়। মানৱ সভ্যতাৰ প্ৰথম স্তৰত মানুহৰ জীৱন, প্ৰকৃতিয়ে নিয়ন্ত্ৰণ কৰিছিল ক্ৰমে ক্ৰমে মানুহ অদৃষ্ট আৰু ধৰ্মীয় চিন্তা-চৰ্চাৰদ্বাৰা নিয়ন্ত্ৰিত হ'বলৈ আৰম্ভ কৰিলে। এয়া বিজ্ঞানসন্মত যুক্তিবাদৰ উত্তৰণৰ আগৰ কথা। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আৰম্ভণিৰ লগে লগে সাধুকথাৰ পৰম্পৰাত যতি পৰিল। সাধুকথাৰ স্থান দখল কৰিলে চুটিগল্পই, উপন্যাস সাহিত্যই।

ড০ গোস্বামীয়ে বিষয় বিশেষে সাধুকথাবোৰ বিভিন্ন শ্ৰেণীত ভাগ ভাগ কৰি দেখুৱাইছে। যেনে : Mythological or Etiological, Trickster Tales, Wisdom and Folly Tales, Wonder Tales। লগতে জগতৰ বিভিন্ন বস্তুৰ সৃষ্টি সম্পৰ্কীয় বহুকেইটাও সাধুকথা অৰ্থাৎ মিথ সংগ্ৰহ কৰিছে। এনেবোৰ সাধুকথা পূৰ্বৰ অবিভক্ত অসমৰ বিভিন্ন জনগোষ্ঠীৰ জনজীৱনৰপৰা সংগৃহীত। যেনে : দেউৰী, ৰাভা, ডিমাছা কছাৰী, লালুং, খাছী, মিৰি-মিছিং, বিভিন্ন নগা সম্প্ৰদায় ইত্যাদি।

ড০ গোস্বামীয়ে তেওঁৰ *Tales of Assam* নামৰ গ্ৰন্থৰ পাতনিত লিখিছে যে, ভাৰতবৰ্ষত সাধুকথা সংগ্ৰহৰ পৰম্পৰা প্ৰায় দুই হাজাৰ বছৰ পূৰ্বৰপৰাই চলিছে। প্ৰতিটো প্ৰজন্মই পৰৱৰ্তী প্ৰজন্মৰ বাবে মৌখিকভাৱে সাধুকথাৰ অক্ষয় ভাণ্ডাৰ এৰি গৈছে। *জাতক, পঞ্চতন্ত্ৰ বা কথা সৰিৎ সাগৰ* আদি সাধুকথাৰ সংকলনে ধ্ৰুপদী সাহিত্যৰ মৰ্য্যাদা লাভ কৰিছে। *পঞ্চতন্ত্ৰৰ* সাধুকথাবোৰৰ প্ৰভাৱ আৰু জনপ্ৰিয়তাই সমগ্ৰ বিশ্ববাসীৰ হৃদয়-মন জয় কৰিবলৈ সমৰ্থ হৈছে। ড০ গোস্বামীয়ে লিখিছে যে, সাধুকথা এটি গতিশীল পৰম্পৰা। এটি সাধুকথা যে একেখন স্থান আৰু পাত্ৰৰ বাবে চিৰস্থায়ী হৈ ৰ'ব তেনে নহয়। পানী আৰু বায়ুৰ দৰে কোনো ভৌগোলিক পৰিসীমা নাথাকে সাধুকথাৰো কোনো স্থিৰ ভৌগোলিক সীমাবদ্ধতা নাথাকে। এটি মহৎ আৰু জনপ্ৰিয় সাধুকথা সকলোৰে বাবে সমানে জনপ্ৰিয় হ'ব পাৰে। ভাৰতবৰ্ষৰ সাধুকথা এটি চীনদেশ বা জাপানতো আংশিকভাৱে পৰিৱৰ্তিত ৰূপত জনমানসত বৰ্তিব পাৰে। ড০ গোস্বামীৰ ভাষাত :

Panchatantra had a tremendous impact in the west. It was translated into Middle Persian in the sixth century, from persian into Arabic in the eight, and from Arabic into Hebrew in the thirteenth century. (Tales of Assam, p.XV)

ড০ প্ৰফুল্লদত্ত গোস্বামীৰ পূৰ্বেও সাধুকথা সম্পৰ্কে এনে বিশ্লেষণ কৰা হৈছিল। এই ক্ষেত্ৰত জাৰ্মান পণ্ডিত থিঅডৰ বেনফেৰ(Theodor Benfey) কথা উল্লেখ কৰিব পাৰি। বেনফে-এ ১৮৫৯ চনতে সংস্কৃত ভাষাৰপৰা পঞ্চতন্ত্ৰৰ সাধুকথাবোৰ জাৰ্মান ভাষালৈ তৰ্জমা কৰিছিল। তৰ্জমা কৰিবলৈ যাওঁতে তেওঁ কৈছে যে, প্ৰচিন ভাৰতীয় সাধুকথাসমূহৰ আধাৰত পৰৱৰ্তী কালত পৰ্য্যায়ক্ৰমে ইউৰোপৰ বিভিন্ন দেশত জন প্ৰব্ৰজনৰ বাবে বিভিন্ন সাধুকথাৰ সৃষ্টি হৈছে। বেনফেৰ এই মন্তব্যাৰৰ সাৰ্থকতা মন কৰিবলগীয়া।

এইদৰে এটা ভাষাৰ সাধুকথা এটি দ্বিতীয় ভাষালৈ আৰু দ্বিতীয় ভাষাৰপৰা তৃতীয় বা চতুৰ্থ ভাষালৈ অনূদিত হৈছে। কেৱল সেয়াই নহয়, কোনো এক জনগোষ্ঠীৰ কোনো এটা সাধুকথা আন এক জনসম্প্ৰদায়ৰ মাজতো প্ৰচলিত হৈ থাকিব পাৰে। পিছে, একোটি জনসম্প্ৰদায়ৰ পৰিসীমা অতিক্ৰম কৰিলেই তেনেবোৰ সাধুকথা গাঠনিক দিশৰপৰা অপৰিৱৰ্তিত ৰূপত থাকিলেও স্থানীয় জন-জীৱনৰ সাংস্কৃতিক বৈশিষ্ট্য প্ৰতিফলিত হোৱাৰ প্ৰসংগত সাধাৰণ পৰিৱৰ্তন চকুত পৰিব পাৰে। এনে পৰিৱৰ্তনৰ পৰিণতিত প্ৰতিটো সাধুকথাই স্থানীয় জনসম্প্ৰদায়ৰ ভাৱনা আৰু সংস্কাৰৰ প্ৰতিফলকৰ ৰূপ গ্ৰহণ কৰে। ড০ গোস্বামীৰ ভাষাত :

Even within this vast sub-continent of India tales found in some corner of Assam have their variants on close relations in other parts of India (Tales of Assam) ।

কছাৰী সংবাদদাতা এগৰাকীৰপৰা শুনা বৃদ্ধা মহিলা এগৰাকীৰ সাধুকথা এটিৰ লেখিয়া সাধুকথা তেওঁ উত্তৰ প্ৰদেশৰ গাৰোৱাল অঞ্চলতো শুনিবলৈ পাইছে। উদাহৰণ স্বৰূপে, গঙ্গা দত্ত ইউপ্ৰেতিৰ *Proverbs and Folklore Kumaon and Garhwal,* 1894 গ্ৰন্থত সন্নিবিষ্ট সাধুকথা এটিৰ উদাহৰণ দাঙি ধৰিছে। তেনে এটি সাধুকথা ড০ গোস্বামীয়ে পাঞ্জাবী সমাজতো বিচাৰি পাইছে। ড০ গোস্বামীয়ে লিখিছে :

Though tales travel and are adopted, some of the tales and motifs are fairly old and are closely linked with the modes of life and beliefs of particular communitiey. (Folktales of Assam)

সাধুকথাৰ পৰিভাষাৰ বিষয়ে আলোচনা কৰিবলৈ গৈ ড০ গোস্বামীয়ে উল্লেখ কৰিছে যে, 'সাধু' মানে কোনোবা বণিকে তেওঁৰ বণিজ যাত্ৰাত কঢ়িয়াই লৈ ফুৰা কাহিনী। পলাশবাৰী এলেকাত সাধুকথা 'সাজো কথা' ৰূপে পৰিচিত। অৰ্থাৎ সাজবেলা বা আবেলি কোৱা কাহিনী। বণিকে বণিজ-যাত্ৰাত ঘূৰি ফুৰিবলগীয়া হয়। তেনেদৰে ঘূৰি ফুৰোঁতে অৱসৰ বিনোদনৰ বাবে সাধুকথা শুনা বা কোৱাৰ প্ৰয়োজনীয়তা আছে। সাধুকথাই ভ্ৰমণৰ বিৰক্তিক ভ্ৰমণ বিনোদনলৈ ৰূপান্তৰিত কৰে। নীতি শিক্ষাৰ বাবেও সাধুকথাৰ প্ৰয়োজনীয়তা আছে। পঞ্চতন্ত্ৰ বা জাতকৰ কাহিনীবোৰ তেনে পৰ্য্যায়ৰ। এনেদৰে

ভাৰতীয় ধৰ্মগ্ৰন্থ *ৰামায়ণ-মহাভাৰত* আদিৰ কাহিনীবোৰৰ আধাৰতো অলেখ সাধুকথাৰ সৃষ্টি হৈছে। তেনেদৰে ইউৰোপত ইচপৰ(Aesop) সাধুবোৰৰ ক্ষেত্ৰতো একে কথাকে ক'ব পাৰি। ইচপৰ সাধুকথাসমূহ আজি ইউৰোপীয় মানুহৰ একমাত্ৰ সম্পত্তি নহৈ ভাৰতীয়সকলৰ বাবেও পঠনীয় হৈছে। আনকি *ইচপৰ সাধু*বোৰ ভাৰতীয় পঢ়াশালিৰ পাঠ্যপুথি হিচাপেও ছাত্ৰৰদ্বাৰা পঠিত হৈছে। অসমীয়া মানুহৰ মাজত জনপ্ৰিয় সাধুকথাসমূহৰ বহুখিনি ভাৰতীয় আন আন প্ৰদেশৰ মানুহৰ মাজতো শুনা যায়। তেনে বিবেচনাৰে চাবলৈ গ'লে কোনটো সাধুকথাৰ জন্মস্থান ক'ত তাক সঠিকভাৱে নিৰ্ণয় কৰাটো কঠিন।

অসমৰ সাধুকথাসমূহ ড০ গোস্বামীৰ আগতেও লিখিত ৰূপত প্ৰকাশিত হৈছে। ড০ গোস্বামীয়ে J.D. Anderson -ৰ *Kachari Folktales and Rhymes* (1895), J. Borooah -ৰ *Folk-Tales of Assam* (1915) আদিৰ দৰে ইংৰাজী সাধুকথা সংগ্ৰহৰ কথাও উল্লেখ কৰিছে। আনকি Grierson -ৰ দৰে ভাষাবিদ্‌গৰাকীয়েও তেওঁৰ *The Linguistic Survey of India* Vol.III (1903) ত প্ৰকাশিত হোৱা অসম অঞ্চলৰ বহুকেইটা সাধুকথাৰ কথা উল্লেখ কৰিছে। লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ *বুঢ়ী আইৰ সাধু* (১৯১১), *ককাদেউতা আৰু নাতি ল'ৰা* (১৯১২), বেণুধৰ ৰাজখোৱাৰ Assamese Demonology (১৯০৫) নামৰ গ্ৰন্থত কেইবাটিও অসমীয়া সাধুকথা প্ৰকাশিত হৈছে। পৰৱৰ্তী কালত অসম অঞ্চলৰপৰা আৰু একাধিক সাধকথাৰ সংকলন প্ৰকাশিত হৈছে। যেনে : Verrier Elwin's *Myths of the N.E. Frontier* (1958), *A New Book of Tribal Fiction* (1970), Dewansing Rogmuthri's *Folk-Tales of the Garos* (1960), I.M. Simon's *Khasi and Jaintia Tales and Beliefs* (1966) আৰু R. Grace Lewison's *Folklore of the Assamese* আদি। ড০ গোস্বামীয়ে এই গ্ৰন্থসমূহৰ উল্লেখ কৰিছে।

ড০ গোস্বামীৰ মতে অসমীয়া মানুহৰ মাজত প্ৰচলিত সাধুকথাবোৰৰ উৎস সৰ্বভাৰতীয় ধৰ্মীয় চেতনা, ধৰ্মীয় গ্ৰন্থ আৰু উপাখ্যান বা মিথ (Myth)। অসমীয়া মানুহৰ নিজস্ব কোনো ধৰ্মীয় গ্ৰন্থ বা উপাখ্যান নাই। গতিকে, অসম তথা অসম অঞ্চলৰ সাধুকথাবোৰৰ উৎস বিশাল ভাৰতীয় পৰম্পৰা বুলি তেওঁ কৈছে।

টৌটকুটি (১৯৮৭) গ্ৰন্থখনৰ মাজেৰেও তেওঁ সাধুকথা প্ৰীতিৰ অন্য এক দিশৰ পৰিচয় দিছে। *অসম জনকৃষ্টি সমাজ* নামৰ প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা কিতাপখনে আমাৰ এক অভাৱ পূৰণ কৰিছে। ইংৰাজীত আমি বিশেষ ধুহুতীয়া চুটি চুটি কাহিনীক 'জৌক' (Joke) বুলি কওঁ সেইবোৰকে তেখেতে টৌটকুটি আখ্যা দিছে। এনে টৌটকুটি বা Jokes -ৰ সংগ্ৰহ বিশ্বৰ আন আন ভাষাত বহুতো পোৱা যায়। যেনে : *English Joke Book, Polish Joke Book* আদি। ড০ গোস্বামীয়ে লিখিছে : "হাঁহিব জনাটো সজীৱতাৰ লক্ষণ।" ইহুদী আৰু স্কটলেণ্ডীয় মানুহবিলাকে নিজেও হাঁহিব জানে আৰু আনকো

হুহুৱাব জানে। সেই সকলোৰে নিজাববীয়াকৈ 'জোক' সৃষ্টি কৰি নিজেও হাঁহে অইনকো হুহুৱায়। পিছে, অসমীয়া মানুহৰ মাজত নিজে হুহাঁ আৰু আনক হুহুওৱাৰ প্ৰৱণতা অতি ক্ষীণ। টেঁটকুটিৰ উদাহৰণ এটি দিবলৈ গৈ তেখেতে নিজেই এটি টেঁটকুটিৰ সৃষ্টি কৰিছে :

"ঘৰৰ ল'ৰা-ছোৱালী স্কুললৈ গ'ল, গিৰিয়েক গ'ল অফিছলৈ, এনে সময়তে আহিল চুবুৰীৰ শইকীয়ানী মেল মাৰিবলৈ। বৰুৱানীয়ে সুধিলে, আপোনালোকৰ নতুন ঘৰ ওলালনে ?

শইকীয়ানীয়ে ক'লে : এহ্ ক'ত ওলায়, এতিয়াও বাকী আছে, চিমেণ্টেই বোলে নাপায়।

আপুনি নেৰিব, শইকীয়াক খুচি থাকিব, তেহে যদি হয়। আমাৰ কথানো কি ক'ব ? আমাৰ তেখেতো সেইয়ে নহয়, মই নাথাকিলে কিবা হ'লহেঁতেননে ? ঘৰটো মোৰ কাৰণেই হ'ল। আৰু বুজিছেনে মই অহাৰ আগেয়ে তেওঁৰ ল'ৰা-ছোৱালীও নাছিল নহয় !"

এনেবোৰ উদ্ভাৱনী ক্ষমতাৰ সংযোগত তেখেতৰ মাজত লুকাই থকা ব্যংগ্য-হাস্যৰ উৎস বিচাৰি পাবলৈ টান নালাগে। টেঁটকুটি পুথিখনৰ পূৰ্বেও এনেধৰণৰ 'জোক' সংগ্ৰহত তেওঁ আগবাঢ়িছিল। 'ৰহিমলা' নামেৰে প্ৰকাশ কৰিব খোজা সংগ্ৰহখনি কোনোবা ব্যক্তিয়ে পঢ়িবলৈ নি নিজৰ নামতেই প্ৰকাশ কৰাৰ কথাও তেওঁ উল্লেখ কৰিছে। টেঁটকুটিয়ে যদি ইকাণ-সিকাণকৈ বাগৰি ফুৰিবলৈ আৰম্ভ কৰে, তেতিয়া ই সাধুকথাৰ মৰ্য্যাদা লাভ কৰিব বুলিও তেওঁ কৈছে।

লক্ষ্মীনাথ বেজবৰুৱাই আৰম্ভ কৰা সাধুকথাৰ চৰ্চাই দৰাচলতে ড০ প্ৰফুল্লদত্ত গোস্বামীৰ সাধনাৰ জৰিয়তেহে পূৰ্ণত্ব লাভ কৰিছে।

—০—

"'সাহিত্য-সংস্কৃতি-ইতিহাস"

নীলিমা গোস্বামী শৰ্মা

সাহিত্য, সংস্কৃতি আৰু ইতিহাস— এই তিনিওটা অভিধা ইটোৰ লগত সিটো অংগাংগীভাৱে জৰিত। ইতিহাস অবিহনে সাহিত্য গঢ় লৈ উঠিব নোৱাৰে আৰু সাহিত্য অবিহনেও সংস্কৃতি বৰ্তি থাকিব নোৱাৰে। অধ্যাপক প্ৰফুল্লদত্ত গোস্বামীৰ *সাহিত্য, সংস্কৃতি, ইতিহাসত* পাঠকৰ মানসিক দিগন্তৰ পৰিধি বৃদ্ধি কৰিবপৰা ভিন্ ভিন্ সময়ত লিখা, বিভিন্ন বিষয়ৰ মননশীল আলোচনা আছে। গ্ৰন্থখনি একুৰি সাতটা চুটি চুটি প্ৰবন্ধৰ সমষ্টি। এই প্ৰবন্ধবিলাকত বুৰঞ্জী, ভূগোল, প্ৰাচীন বা মহাকাব্যযুগীয় আখ্যান, লোককথা আৰু ভাষাতত্ত্বৰ বিষয়ে মননশীল আলোচনা উপস্থাপন কৰা হৈছে।

সমালোচক অধ্যাপক গোস্বামীৰ প্ৰকৃত ছবিখন ফুটি উঠিছে "সভা, একেডেমি, ছোছাইটি" শীৰ্ষক ৰচনাত। যোৱা শতিকাত অসমীয়া আৰু উৰিয়া— এই দুই ভাষাৰ মৃতপ্ৰায় অৱস্থা হৈছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ আজীৱন সংগ্ৰাম, কলিকতীয়া ছাত্ৰসকলৰ প্ৰচেষ্টা, মিশ্যনেৰীৰ সহায় আৰু অসমীয়া চিন্তাশীল লোকৰ উদ্যমত অসমীয়া ভাষাই নিজস্ব মৰ্য্যাদা লাভ কৰে। অষ্টাদশ শতিকাত ৱৰেণ হেষ্টিংজৰ দিনত কলিকতাৰ এছিয়াটিক ছোছাইটিৰ জন্ম হয়। প্ৰথমে অকল চাহাবসকল ইয়াৰ সভ্য আছিল। পিছত নেটিভ সভ্য সোমাব পৰা হ'ল। এই অনুষ্ঠানৰ গৱেষণামূলক আলোচনীত বুৰঞ্জী, ভূগোল, সংগীত, সংস্কৃত, সাহিত্য, উদ্ভিদবিদ্যা আদি বিবিধ বিষয়ৰ ৰচনা প্ৰকাশ কৰা হৈছিল। অনুষ্ঠানটো বৰ্তমানো জীয়াই আছে। ইয়াৰ সভ্যপদ লাভ কৰা কঠিন আৰু সভ্যপদ সন্মানসূচক উপাধিৰ দৰে। বঙ্গীয় সাহিত্য পৰিষদো যেই সেই মানুহৰ কাৰণে নহয়। একোখন দেশত একাধিক অনুষ্ঠান থাকে— বিজ্ঞানমূলক, ভাষাৰ সংশোধনী, পুৰণি কিতাপ সম্পাদন ইত্যাদি। এইবোৰক একেডেমি বা ছোছাইটি নামেৰে জনা যায়। এইবিলাকৰ সভ্যপদ যেয়ে সেয়ে নাপায়। সভ্যৰ সংখ্যা নিৰ্ধাৰিত থাকে। এজনৰ মৃত্যু হ'লেহে নতুন এজনে স্থান পায়। ফ্ৰান্স দেশৰ ভাষাৰ সঙ্কট কেতিয়াও হোৱা নাছিল যদিও এটি 'সাহিত্য চ'ৰা' ই ১৬৩৫ চনত ৰজা ত্ৰয়োদশ লুইৰপৰা স্বীকৃতি লাভ কৰে। ইয়াৰ নীতি হ'ল "যত্ন আৰু ধৈৰ্য্যৰে শ্ৰম কৰি আমাৰ ভাষাৰ যথাযথ নিয়ম বান্ধি দিয়া, ই যাতে কলা আৰু বিজ্ঞানৰ

বিশ্বয় চন্তালিবলৈ সক্ষম হয় তাৰ কাৰণে সামৰ্থ্য দান কৰা।" ইয়াৰ সভ্যৰ সংখ্যা চল্লিশ। এওঁলোক সম্মানিত সাহিত্যিক বা আনক্ষেত্ৰৰ প্ৰসিদ্ধ লোক বুলি পৰিগণিত। অসাহিত্যিকো এই সংস্থালৈ নিৰ্বাচিত হ'ব পাৰে।

অসম সাহিত্য সভা এটি বিশেষ অনুষ্ঠান। ইয়াৰো কিছুমান বিধি-ব্যৱস্থা আছে। সজীৱ ভাষা এটা হ'লেহে তাৰ ভেটিত সাহিত্য সৃষ্টি হ'ব পাৰে। ১৯১৭ চনত এই সভা সৃষ্টি হোৱাৰপৰা এনে প্ৰচেষ্টা আৰু উদ্যম বেছি উদ্দেশ্যমূলক হৈ পৰিল। অসমীয়াসকলে ভাষা লৈ বৰ চিঞৰ-বাখৰ নকৰি তাৰ পৰিপোষণতহে জোৰ দিয়া যুগুত। নোবেল প্ৰাইজ অসমীয়া লিখকে কেতিয়া পাব, সেই বিষয়ে নভবাই ভাল। 'গ্ৰীক কবি চেফৌ' অধ্যাপক গোস্বামীৰ অন্য এক সাহিত্যিক ৰচনা। খৃঃপূঃ সপ্তম শতিকাৰ গ্ৰীক কবি চেফৌ প্ৰাচীন জগতৰ নাৰীসকলৰ ভিতৰত উচ্চ স্থানৰ অধিকাৰিণী। তেওঁৰ সৰল, সংক্ষিপ্ত অথচ কলা-কৌশল আৰু ছন্দ-বৈচিত্ৰ্য সম্বলিত কবিতা পৰৱৰ্তী যুগৰ মানৱৰ বাবে আৰ্হি স্বৰূপ। চেফৌৱে গ্ৰীক ভাষাৰ ইওলিক উপভাষাত ৰচনা কৰিছিল। তেওঁৰ এটি চুটি আকৰ্ষণীয় কবিতাৰ নিমজ ভাঙনি গোস্বামীয়ে উপস্থাপন কৰিছে। কবিতাটি তলত দিয়া হ'ল:

মোৰ এটি সন্তান আছে, ৰূপহী
সোণৰ ফুলহে যেন,
ক্লেইচ মোৰ, বুকুৰ ধন।
তাইক মই এৰি নিদিওঁ
বিয়পি থকা লিডিয়াৰ সলনি
নাইবা মানুহে চাবলৈ হেঁপাহ কৰা দেশৰ হেতু। (পৃঃ ৭)

যুৰোপীয় সাহিত্যত চেফৌৰ ৰচনাতে পোন প্ৰথমবাৰৰ বাবে কাব্যিক অমৰত্বৰ ধাৰণাও লক্ষ্য কৰিব পাৰি। কবিৰ ভাষাত: 'মই কওঁ, কেতবিলাকে আমাক স্মৰণ কৰিব, আহিবলৈ ধৰা বছৰবিলাকত।' (পৃঃ ১০)

'মধ্যযুগীয় নাৰী কবি' শীৰ্ষক ৰচনাত অধ্যাপক গোস্বামীয়ে মধ্যযুগীয় ভাৰতীয় নাৰী কবিসকলৰ ভিতৰত ৱিজ্জা, শীলভট্টাৰিকা, বিকটনিতম্বা, চন্দ্ৰিকা, লভহচন্দ্ৰা, ইন্দুলেখা, পদ্মাৱতী, ফল্গুহস্তিনী ইত্যাদিৰ নাম উল্লেখ কৰিছে। উচ্চ নীতি বা দাৰ্শনিকতাতকৈ জাগতিক অভিজ্ঞতাৰ স্বতঃস্ফূৰ্ত প্ৰকাশ এওঁলোকৰ সৰহভাগৰে লিখনিৰ বৈশিষ্ট্য। 'অসমীয়া ভাষাত মহিলা লিখক' শীৰ্ষক ৰচনাত অধ্যাপক গোস্বামীৰ তিৰোতা মানুহৰ প্ৰতিভা বিকাশৰ প্ৰতি সুতীব্ৰ চেতনাবোধ প্ৰকাশ পাইছে। ভাৰ্জিনিয়া ৱোলফ*ৰ উক্তি দি গোস্বামীয়ে কৈছে যে, অকলশৰীয়াকৈ বহিবলৈ খোটালি এটা আৰু স্বাধীনভাৱে চলিবৰ বাবে বছৰেকত কিছু ধন (ৱোলফৰ হিচাপত ৫০০ পাউণ্ড) নাথাকিলে কোনো তিৰোতা মানুহে সাহিত্যত একো দান দিব নোৱাৰে।

---

*ভাৰ্জিনিয়া ৱোলফে ১৯২৮ চনত কেমব্ৰিজৰ নিউনহেম আৰু গাৰ্টন কলেজত দিয়া ভাষণৰপৰা।

সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকলে আনন্দৰাম ঢেকিয়াল ফুকনৰ কন্যা পদ্মাৱতী দেৱী ফুকননী (১৮৫৩-১৯২৭) প্ৰথম অসমীয়া মহিলা লিখক বুলি মত প্ৰকাশ কৰে। সজ আৰু অসজ মানুহৰ কাৰ্য্যৰ ফল দেখুওৱা *সুধৰ্ম্মাৰ উপাখ্যান* (১৮৮৪) আৰু শিশুৰ কাৰণে নীতিমূলক *হিতসাধিকা* (১৮৮৫) এই দুখন পুথি ফুকননীৰ সাহিত্যিক প্ৰতিভাৰ পৰিচায়ক। ফুকননীয়ে মত প্ৰকাশ কৰিছে যে, তিৰোতাৰ অল্পবিদ্যা ভয়ংকৰী। আধা দুখৰীয়াকৈ পঢ়িলে জ্ঞান অৰ্জন নহয়, বিবেচনাৰ ত্ৰুটী ঘটে আৰু স্বাধীনতাৰ অপপ্ৰয়োগ হয়। জ্ঞান উৎপত্তি হোৱাকৈ শিক্ষা পালেহে বিশেষ উপকাৰ সাধিত হয়।

কোনো মহিলা লিখকে পুৰুষৰ বাধা নাইবা সহানুভূতিৰ অভাৱত নিজকে প্ৰকাশ কৰিবৰ সুযোগ পোৱা নাই বুলি আক্ষেপ নকৰিলেও পুণ্যপ্ৰভা দাসে "ভাৰতৰ অভাৱ আৰু অভিযোগ" নামৰ ৰচনাত লিখিছে: "শিক্ষা আৰু স্বাধীনতা পালে তিৰোতা জাতিৰ প্ৰতিভা আৰু কাৰ্য্যকৰী শক্তি কেনেকৈ জাগি মাধুৰ্য্যত পৰিপূৰ্ণ হৈ উঠে, জাপানত নাৰীৰ কৃতিত্বই তাৰ প্ৰমাণ কৰি দিছে।.......ভাৰতৰ অভাৱ দূৰ কৰিবলৈ হ'লে, উপযুক্ত শিক্ষা আৰু কিঞ্চিৎ স্বাধীনতা দিয়া উচিত।" এনে প্ৰবন্ধৰ যোগান ধৰি অধ্যাপক গোস্বামীয়ে অসমীয়া মহিলা লিখিকাক অনুপ্ৰাণিত কৰাই নহয়, গৱেষণাৰো দিগ্‌দৰ্শন কৰিছে। 'ৰাজনীতি আৰু কবিতা'ত অধ্যাপক গোস্বামীয়ে উল্লেখ কৰা মতে মাতৃভাষাৰ শুদ্ধ প্ৰয়োগ কৰাটোৱেই কবিসকলৰ একমাত্ৰ দায়িত্ব আৰু ৰাজনৈতিক কৰ্ত্তব্য।

ইজৰেইয়েলৰ প্ৰেৰণাদায়ক বীৰাঙ্গনা 'হানা ছেনেশ্বৰ কাহিনী'ৰে সাহিত্যিক সকলোকো অনুপ্ৰেৰণা যোগাবলৈ গোস্বামীয়ে চেষ্টা কৰিছে। ই 'ইতিহাস' সম্পৰ্কীয় ৰচনাৰ অন্তৰ্গত।

অধ্যাপক গোস্বামীয়ে উল্লেখ কৰিছে যে, হাঙ্গেৰীয় কবি আটিলা যোজেফে (১৯০৫-৩৭) তেওঁৰ লিখনিৰ জৰিয়তে মুখ্যতঃ নিজ দেশ হাঙ্গেৰীৰ বাহিৰৰ দুখ-দুৰ্দ্দশা আঁতৰ কৰিবলৈ বিচাৰিছিল আৰু মৃত্যুৰ প্ৰতি আছিল তেওঁৰ এক দুৰ্বাৰ আকৰ্ষণ। হাঙ্গেৰীৰ কবিসকলৰ ভিতৰত তেওঁৰ স্থান সুউচ্চত। কাজাখস্তানৰ কবি আবাই কুনান বায়েভে কাজাখী লোকক দূৰদৃষ্টি সম্পন্ন আৰু নৈতিকতাৰে বলীয়ান কৰিবলৈ কৰা চেষ্টাৰ আভাস অধ্যাপক গোস্বামীয়ে দিছে "কাজাখস্তানৰ কবি আবাই কুনান বায়েভ' নামৰ প্ৰবন্ধটোৰ জৰিয়তে। হাঁহিয়েই প্ৰাণ, হাঁহিয়েই জীয়াই থকা জাতি এটাৰো লক্ষণ। হাঁহিৰ জৰিয়তে যে জ্ঞান লাভ কৰিব পাৰি তাৰ সংকেত অধ্যাপক গোস্বামীয়ে দিছে "হাঁহি আৰু জ্ঞান" নামৰ প্ৰবন্ধটোৰ মাধ্যমেৰে। হাঁহি আৰু জ্ঞানৰ সমল বিশিষ্ট কেইবাটাও চুটী সাধুৰো এই প্ৰসংগত সহায় লোৱা হৈছে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ কৃপাবৰী ৰচনাসমূহত স্থান পোৱা হাঁহিৰ উদ্দেশ্য জ্ঞান দিয়া আৰু ইয়াৰ সংযোগত সমাজ সংস্কাৰ কৰা।

অধ্যাপক গোস্বামীয়ে আনে হাত নিদিয়া বিষয়ত হাত দি তৃপ্তি লাভ কৰে। "সুৰা সম্পৰ্কীয় চিন্তা-ভাৱনা" তেনে এক ৰচনা। প্ৰাচীন ভাৰতত শিষ্ট মানুহৰ মাজতো সুৰাপান

চলিছিল আৰু আফগানিস্তানৰ কথা বাদ দি ৰোমৰপৰাও ভাৰতলৈ সুৰাৰ আমদানী কৰা হৈছিল। 'প্ৰখ্যাত লিখকৰ অখ্যাত কাহিনী' অধ্যাপক গোস্বামীৰ সাহিত্য সম্পৰ্কীয় ৰচনা। ইয়াত ৰবাৰ্ট গ্ৰেইভজ, টি. এছ্. এলিয়ট, জন ৰাছকিন, টমাছ্ কাৰ্লাইল, জন ষ্টুৱাৰ্ট মিল, জৰ্জ এলিয়টৰ জীৱনৰ সৰু সৰু কথাৰ মধুৰ ব্যাখ্যা আছে।

'ভাষাৰ প্ৰয়োগ সম্পৰ্কীয় দুটিমান কথা'ত অধ্যাপক প্ৰফুল্লদত্ত গোস্বামীয়ে ভাষাৰ শুদ্ধ বা অশুদ্ধ সম্পৰ্কীয় বিশত মতামত নিদি সকলোৰে অজ্ঞাতেই অসমীয়া বাক্যৰ গঢ়ত যে কিছু পৰিৱৰ্তন সোমাইছে সেই বিষয়েহে কৈছে। 'অসমীয়া ভাষাত বৰো-কছাৰী লেখক' ডঃ গোস্বামীৰ সাহিত্য সম্পৰ্কীয় ৰচনা। ইয়াত কীৰ্ত্তিনাথ দাস (খাখলাৰী ?), বিষ্ণুপ্ৰসাদ ৰাভা, মেদিনী চৌধুৰী, সীতানাথ ব্ৰহ্মচৌধুৰী, অনিৰাম বসুমতাৰী আৰু ভবেন নাৰ্জীৰ লিখনিৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা হৈছে। ভাষা-কৃষ্টিৰ সংৰক্ষণ আৰু সমাজ সংস্কাৰৰ বাবে বৰোসকলৰ মাজত গঢ়লৈ উঠা জাগৰণেই এই লিখনিসমূহৰ মূল প্ৰেৰণা।

'ফণী শৰ্মাৰ ৰচনাৱলী'ৰ ঘাই আকৰ্ষণ হ'ল মানুহৰ দুমুখীয়া নীতিৰ প্ৰতি তীব্ৰ ঘৃণা বুলি অধ্যাপক গোস্বামীয়ে উল্লেখ কৰিছে। জ্যোতিপ্ৰসাদৰ সাংস্কৃতিক চিন্তাৰ অভিনৱত্বৰ বিষয়ে ডঃ গোস্বামীয়ে আলোচনা কৰিছে "চিন্তাৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ" নামৰ প্ৰবন্ধত।

বেজবৰুৱাই 'চালনী আৰু বেজী'ত

চালনীয়ে বোলে বেজী ভাই, তুমি কিয় ফুটা ?
নহযনে বাৰু হাঁহি উঠা ?
হাঁহি হাঁহি আঁহি হুঠা
নহয়নে বাৰু হাঁহি উঠা ?

– বুলি কোৱাৰ দৰে অতুলচন্দ্ৰ হাজৰিকায়ো 'ৰাংঢালী'ত লিখা দুটা শাৰীতেই অসমীয়াসকলৰ প্ৰকৃত স্বৰূপটো উদঙাই দেখুৱাইছে :

খুদ মগনীয়াসকলো মৰক
মোৰোহে মাথোন জোলোঙা ভৰক। (পৃঃ ৩২)

ডঃ গোস্বামীয়ে "কৃপাবৰ বৰবৰুৱা মহাধনুৰ্দ্ধৰৰ স্ৰষ্টা বেজবৰুৱা" লিখা প্ৰসংগতেই উল্লেখ কৰিছে যে, বেজবৰুৱাৰ হাতত ভাষাই এপাট অস্ত্ৰৰ দৰে কাম কৰিছে, অসম আৰু অসমীয়া সমাজৰ সংস্কাৰ কামনা কৰিছে। সময়ৰ হাত বুলনিত মৰহি নোযোৱা বেজবৰুৱা এপাহ সজীৱ ফুল, যি বিলাব পাৰে সুৰভি আৰু সময়ৰ অতন্দ্ৰ প্ৰহৰী।

শ্যামলিকৰঞ্জৱা ৰচিত 'পাদতাড়িতকম্' ডঃ গোস্বামীৰ সংস্কৃতি বিষয়ক ৰচনা। বৈদিক যুগৰপৰা আৰম্ভ কৰি বহু শ বছৰ পিছলৈ গণিকা বৃত্তি ধৰ্মীয় বা সামাজিকভাৱে স্বীকৃত হৈ আছিল তাৰেই বৰ্ণনা "পাদতাড়িতকম্"।

"অসমীয়া নাটৰ উৎপত্তি সম্পৰ্কত" ডঃ গোস্বামীয়ে আগবঢ়োৱা আলোচনাত কৃষ্ণকেন্দ্ৰিক নাট্যৰ পৰম্পৰা যে দুহেজাৰ বছৰ পুৰণি সেই কথা উল্লেখ কৰিছে আৰু

কোনো উৎসাহী ডেকা গৱেষকে মথুৰা অঞ্চলত অনুসন্ধান কৰি নতুন তথ্যৰ যোগান ধৰি উপকৃত হ'ব পাৰিব বুলি আশা প্ৰকাশ কৰিছে।

অসমীয়া ভাষাৰ এক আপুৰুগীয়া সম্পদ “সদৰামীনৰ আত্মজীৱনী”য়ো ড০ গোস্বামীৰ আন এক উল্লেখযোগ্য ৰচনা।

ওড়িয়া ভাষাই বৰ্তমান স্বতন্ত্ৰভাৱে বিকাশ লাভ কৰাৰ মূলতে আছে এজন ব্যক্তি। সেইজন হ'ল ফকিৰমোহন সেনাপতি। যেনেকৈ অসমীয়া ভাষাৰ এনে পৰিস্থিতিৰ অৱসান ঘটোৱাৰ মূলতে সৰ্বাগ্ৰে স্মৰণীয় ব্যক্তি হ'ল আনন্দৰাম ঢেকিয়াল ফুকন। ড০ গোস্বামীয়ে 'ফকিৰমোহন সেনাপতি আৰু ওড়িয়া ভাষা' শীৰ্ষক ৰচনাত তাকেই দেখুৱাইছে।

উচ্চবৰ্ণৰ গোৱামিৰ বাবেই সপ্তদশ শতিকাৰ প্ৰতিভাশালী তেলেগু কবি ৱেমশৰ দুৰ্গতিৰ সীমা নাইকিয়া হৈছিল। 'কবি ৱেমনাৰ দুৰ্গতি' শীৰ্ষক ৰচনাত ড০ গোস্বামীয়ে এই কথাৰ ইঙ্গিত দিছে।

'কুৰ্‌ৰাল' ড০ গোস্বামীৰ সাহিত্য বিষয়ক ৰচনা। কুৰ্‌ৰাল শব্দৰ অৰ্থ 'সংক্ষিপ্ত'। ৰচনাবিলাক দুশৰীয়া পদত সীমাবদ্ধ। নীতি, সদাচাৰ, প্ৰেম, ধৰ্ম, ভগৱান প্ৰীতি, মানৱীয় গণতান্ত্ৰিক চিন্তাৰে কুৰ্‌ৰালসমূহ সমৃদ্ধ।

“হৰপ্পীয় সভ্যতা আৰু লোঠাল” শীৰ্ষক ৰচনা ড০ গোস্বামীৰ সংস্কৃতি বিষয়ক লিখনিৰ অন্তৰ্গত। আহমেদাবাদত ইণ্ডিয়ান পি.ই.এন কনফাৰেঞ্চত যোগ দিওতে তেওঁ ব্যক্তিগতভাৱে লোঠাললৈ যোৱাৰ সুযোগ লাভ কৰিছিল। সেই অভিজ্ঞতাৰ প্ৰাঞ্জল প্ৰকাশ এই প্ৰবন্ধটো।

অভিনৱ আৰু আনৰ চকুত সহজে নপৰা বিষয় এটাও ড০ গোস্বামীয়ে সুন্দৰ আৰু সুচতুৰভাৱে বৰ্ণনা কৰি পাঠকৰ জনপ্ৰিয়তা অৰ্জন কৰিব পাৰে। 'জাল ৰচনা'য়ো তেনে এক সাহিত্যিক ব্যতিক্ৰম। দেশ-কাল-পাত্ৰ ভেদে প্ৰাচীন কালৰপৰাই যে 'জাল ৰচনা'ৰ প্ৰক্ৰিয়া চলি আহিছে তাৰ আভাস এই প্ৰবন্ধটোত দিয়া হৈছে।

'তিব্বতৰ সংস্কৃতি আৰু ইতিহাস' নামৰ প্ৰবন্ধটোত ভাৰত, নেপাল, চুইজাৰলেণ্ড আদি দেশৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ পৰা তিব্বতী সাহিত্য-সংস্কৃতিৰ বিষয়ে আলোকপাত কৰা হৈছে। ড০ গোস্বামীৰ বাস্তৱ জীৱনৰ অভিজ্ঞতা এনে ধৰণৰ লিখনিৰে মূল প্ৰেৰণা।

'গেছৰ' মানুহৰ মুখে মুখে চলা Folk Epic বা মৌখিক মহাকাব্য। ইয়াৰ সময় খৃঃ দ্বাদশ শতিকামান বুলি উল্লেখ কৰা হৈছে। ইয়াত কিছু ঐতিহাসিক সমল সোমাই আছে 'গেছৰ খানৰ জন্ম বৃত্তান্ত'ত গেছৰ খানৰ অলৌকিক বীৰত্বৰ বৰ্ণনা উপস্থাপিত হৈছে। তিব্বতত সৃষ্টি হোৱা এই কাহিনী তিব্বতী আৰু মঙ্গল দুয়োশ্ৰেণী লোকৰ মাজত পোৱা যায়।

পৰিশেষত ক'ব পৰা যায় যে সাহিত্য, সংস্কৃতি, ইতিহাস ড০ গোস্বামীৰ এখন উল্লেখযোগ্য গ্ৰন্থ। ভাষা স্পষ্ট, সাৱলীল আৰু প্ৰাঞ্জল। ৰচয়িতাৰ সংক্ষিপ্তকৰণৰ প্ৰৱণতা আৰু সাহসী মনৰ পৰিচয় প্ৰবন্ধসমূহত লক্ষ্য কৰা যায়। অসমীয়া প্ৰবন্ধ-সাহিত্যৰ পৰিসীমাত ড০ গোস্বামীৰ এই গ্ৰন্থখন বৈশিষ্টপূৰ্ণ সংযোজন।

—●—

গল্পকাৰ প্ৰফুল্লদত্ত গোস্বামী

('নিতে নব ৰূপ তাৰ'ৰ আধাৰত)

****

নগেন ঠাকুৰ

গল্পৰ মাজেদিয়েই সাহিত্যিক জীৱন আৰম্ভ কৰা ড০ প্ৰফুল্লদত্ত গোস্বামী অসমীয়া সাহিত্যত কিন্তু গল্পকাৰ হিচাপে পৰিচিত নহয়, বৰং ইয়াতকৈ ঔপন্যাসিক হিচাপেহে তেখেত অধিক পৰিচিত; 'কেঁচা পাতৰ কঁপনি' সেই পৰিচিতিৰ উজ্জ্বল স্বাক্ষৰ। সেয়ে হ'লেও নিজাকৈ সম্পাদিত 'দেশী-বিদেশী গল্প' (১৯৬০) আৰু যুটীয়াভাৱে সম্পাদিত 'বিদেশী গল্প'ৰ (১৯৮৫) উপৰিও 'ভেজাল সোণ' (১৯৫৫) আৰু 'নিতে নব ৰূপ তাৰ' (প্ৰথম সংস্কৰণ ১৯৬০, তৃতীয় সংস্কৰণ ১৯৮২) নামেৰে দুখনকৈ মৌলিক গল্পৰ সংকলন প্ৰকাশ কৰি অসমীয়া গল্প সাহিত্যক সমৃদ্ধ হোৱাত তেখেতে পথত বৰঙণি আগবঢ়াইছিল। কিন্তু তেখেতৰ গল্প সমকালীন অসমীয়া গল্প লেখকৰ তুলনাত ব্যতিক্ৰমধৰ্মী আৰু এই ব্যতিক্ৰমেই গল্প লেখক হিচাপে তেখেতৰ বৈশিষ্ট্য। 'জয়ন্তী'ৰ পাততে গল্প লিখা আৰু দ্বিতীয় মহাযুদ্ধৰ ভয়াবহতা, লগতে স্বাধীনতা আন্দোলনৰ তুমুল জোৱাৰৰ কালৰ লেখক হৈও সেই সন্ধিকালৰ উপলব্ধি বা অভিজ্ঞতা তেখেতৰ গল্পৰ বিষয়বস্তু নহয়। জীৱনৰ মাজতে লুকাই থকা জীৱনৰ বৈচিত্ৰ্যৰ একোটা বিশেষ চিত্ৰৰ ৰেখাংকণেই তেখেতৰ গল্পৰ উপজীব্য।

বিচিত্ৰ মানুহৰ বিচিত্ৰ জীৱন ধাৰণ। ঋতুময় প্ৰকৃতিৰ নিত্য নতুন ৰূপৰ দৰে ইয়াৰ চাৰিত্ৰিক অভিব্যক্তি ঘটে বিচিত্ৰ ৰূপত। সংবেদনশীল লেখকৰ মনঃচক্ষুত সি ধৰা দিয়ে প্ৰকৃতিৰ নিত্য নতুন ৰূপৰ দৰে নৱ নৱ ৰূপেৰে। হাঁহি-কন্দা, সুখ-দুখ, আবেগ-অনুৰাগ সাৰ্বজনীন হ'লেও মানুহৰ এনে কিছুমান চাৰিত্ৰিক অভিব্যক্তি আছে যিবোৰ বৈচিত্ৰ্যময়— সেইবোৰত কেতিয়াবা তৃপ্তি আছে, গ্লানি নাই, কেতিয়াবা গ্লানি আছে, তৃপ্তি নাই। বহুৰূপী জীৱনৰ যি নিতে নব ৰূপ সেইবোৰ ৰূপৰ চিত্ৰ কেতবোৰ সন্নিৱিষ্ট কৰি গোস্বামীদেৱৰ গল্প সংকলন হৈছে : *নিতে নব ৰূপ তাৰ*। ১৯৩৬ চনতে ছাত্ৰ অৱস্থাত থাকোতেই, বিহগী কবি ৰঘুনাথ চৌধাৰীদ্বাৰা সম্পাদিত পৰেকীয়া 'জয়ন্তী'ত প্ৰকাশ পোৱা

ৰচনা বুলি কোৱা 'বিহু' নামৰ ব্যংগ্য-চিত্ৰৰপৰা শেহতীয়া ১৯৮২ চনত লেখা 'পুতলাৰ খেল' 'গল্প লৈ এই সংকলন হৈছে আৰু সংগৃহীত হৈছে মুঠ সাতাইশটা গল্প।

অসমীয়া জন-সাহিত্যৰ গৱেষণাৰপৰা পুৰণি পুথি সম্পাদনা, গীত-মাতৰ সংকলন, ভ্ৰমণ-কাহিনী, উপন্যাস, জীৱনী-গ্ৰন্থ, শিশু-গ্ৰন্থ, অনুবাদ সকলো ক্ষেত্ৰতে বিচৰণ কৰা ড০ গোস্বামীৰ ৰচনা-সমগ্ৰৰ যি বৈচিত্ৰ্য দেখা যায়, জীৱনোপলব্ধিৰ ক্ষেত্ৰতো যেন তেনে বৈচিত্ৰ্যই দেখা দিছে 'নিতে নব ৰূপ তাৰ'ত সংকলিত গল্প-সমগ্ৰৰ মাজেদি। সেয়েহে মোক্কেল চৰিতৰপৰা অৱতাৰী গোসাঁই প্ৰভুৰ কীৰ্ত্তি-কলাপলৈকে, সৰু মানুহ পাণৱালাৰ উদাৰতাৰপৰা 'মেৰা ভি পাছিং শ্বো' বুলি কোৱা নেপালী ল'ৰাৰ গৰ্বাভিমান পৰ্য্যন্ত বিভিন্ন চৰিত্ৰৰ বিভিন্ন বৈচিত্ৰ্য সমাবেশ হোৱা লক্ষ্য কৰা যায়।

গল্প বুলিলে যি এক সুসংগঠিত আৰ্টৰ কথা মনলৈ আহে বা জীৱনৰ কোনো এক বিশেষ দিশক আলোকপাত কৰি তাক উদ্ভাসিত কৰি তোলাৰ প্ৰেৰণা বুলি বুজা যায়, তেনে আৰ্ট বা প্ৰেৰণা ড০ গোস্বামীৰ অধিকাংশ গল্পতে মূৰ্ত্ত হোৱা নাই। সুসংগঠিত আৰ্টৰ ধাৰণা দিবলৈ নোযোৱাৰ কাৰণেই বলো শইকীয়াৰ লগত 'এস্পেৰিমেণ্ট' কৰি বলো শইকীয়াৰ জীৱন ভিত্তিক পাঁচোটাকৈ খণ্ড-চিত্ৰ আঁকিছে। হাস্য-মধুৰ এনে খণ্ড চিত্ৰই গল্পৰ উদ্দেশ্য সাধন নকৰিলেও লেখকে দাবী কৰাৰ দৰে 'আমাৰ ভাষাত নতুন'। গল্প লিখাৰ যি টেক্‌নিক, গল্পৰ অনুবাদক আৰু ইংৰাজী সাহিত্যৰ লগত সুপৰিচিত অধ্যয়নপুষ্ট ড০ গোস্বামীদেৱৰ আয়ত্বৰ ভিতৰত আছিল যদিও তেখেতে অংকণ কৰিবলৈ বিচাৰিছিল জীৱনৰ বিশেষ মুহূৰ্ত্তৰ ৰেখা-চিত্ৰহে, পূৰ্ণতৰ ছবি নহয়। সেয়েহে কিছুমান গল্পত আছে সমাজৰ ভণ্ডামিৰ প্ৰতি ভ্ৰূকুটি (যেনে ঃ বিহু, বুলেট, সৌজন্য, অৱতাৰী), কিছুমানত আছে জীৱনৰ ঘাত-প্ৰতিঘাতৰ হাস্যাস্পদ চিত্ৰ (বলো শইকীয়া সম্পৰ্কীয় কাহিনী কেইটা) আৰু কিছুমানত আছে ব্যক্তি বিশেষৰ সাহচৰ্য্যত বিশেষ মুহূৰ্ত্তৰ সূক্ষ্ম ৰসিকতাবোধ (ৰাটৰ কাষৰ ফুল, যুদ্ধৰ দিনৰ কথা, মিঃ চহৰীয়াৰ সেনাপতি দৰ্শন)। কিন্তু সেইবুলি মানৱীয় আবেদনৰ কৰুণ-মধুৰ ঘটনা সম্বলিত নিটোল গল্প যে নাই এনে নহয় ঃ 'পৰীক্ষা', 'মাষ্টাৰ বাবু', 'নিকুট ৰচন', 'পুতলাৰ খেল' এনে মানৱীয় আবেদনপূৰ্ণ গভীৰ আকৃতি ভৰা সাৰ্থক গল্প।

গল্প সংকলনটিৰ প্ৰথমতে স্থান দিয়া 'পৰীক্ষা' নামৰ গল্পটিৰ নামকৰণ দুৰ্বল হোৱা সত্বেও গভীৰ মানৱীয় আবেদনপূৰ্ণ। ৰূপহী ঘৰশুৱাৰ ৰূপ-সৌন্দৰ্য্যত মুগ্ধ হৈ ভোলাৰাম আৰু নবেশ্বৰ দুয়ো প্ৰতিদ্বন্দ্বী হৈ উঠিছিল। সাহ-পিত প্ৰদৰ্শন কৰিবলৈ বুলি এক বাঘ বধ কৰাৰ অভিযানত গৈ দুৰ্ভাগ্যক্ৰমে ভোলাৰামৰ হাতত নবেশ্বৰে প্ৰাণ দিব লগা হ'ল। নিজৰ ভুলৰ বাবে প্ৰতিদ্বন্দ্বী নবেশ্বৰে তাৰ হাতত প্ৰাণ হেৰুৱাব লগা হোৱাত তাৰ গ্লানিৰ শেষ নোহোৱা হ'ল। ঘৰশুৱাই ভোলাৰামৰ কাষ চাপি তাক গ্ৰহণ কৰিবলৈ আহিছিল যদিও অনুশোচনাত ভোলাৰামে মনে বিচৰা ঘৰশুৱাক আপোন কৰি ল'ব নোৱাৰিলে। আত্মদগ্ধ হৃদয়ৰ কাৰুণ্যৰ ওচৰত প্ৰেমৰ অনুভূতিও পৰাজিত হ'ব লগা

হ'ল। নৱেশ্বৰৰ স্মৃতিৰ বেদনাই তাক স্থবিৰ কৰি পেলালে : "তাৰ চকুৰে লো বাগৰিছে। তাই দুৱাৰডলিতে বহি পৰিল। সি তাইক লাহেঁকৈ ঠেলি থৈ দুৱাৰ জপাই দিলে।" সৰু মানুহ ভোলাৰামৰ অনুশোচনা আৰু উদাৰতাই, লগতে ত্যাগে যি কোনো পঢ়ুৱৈক ক্ষণিকৰ বাবে স্তম্ভিত কৰি তুলিব।

এনে এক কাৰুণ্য ভৰা গল্প হৈছে 'মাষ্টাৰ বাবু'। সুন্দৰী গাভৰু লীলাৱতীৰ সৌন্দৰ্য্য আৰু সৰলতাত মুগ্ধ হোৱা নতুনকৈ অহা মাষ্টৰে ছবিৰ দৰে নিশ্চল হ'ব লগা হ'ল যেতিয়া শেষ মুহূৰ্তত জানিব পাৰিছিল যে তাইৰ "বাওঁ ভৰিখন আঁঠুৰপৰা নাই!" গল্প হিচাপে কথন-ভংগীৰ মাধুৰ্য্য নাই যদিও উৎকণ্ঠা শেষ অৱধি ৰাখি বিস্ময়ত মাষ্টৰকে নহয়, পাঠককো অভিভূত কৰিব পৰাতেই গল্পটোৰ সাৰ্থকতা।

'নিফুট বচন' এক ভিন্নসুৰী গল্প; এনে গল্প অসমীয়া সাহিত্যত দুৰ্লভ। দুৰ্বল প্ৰকাশভংগী আৰু পোনপটীয়া বক্তব্যই ৰস আস্বাদনত হেঙাৰ তৰিলেও ইয়াৰ কেন্দ্ৰীভূত আবেদনে পাঠকৰ অন্তৰত কাৰুণ্যৰ এজোলোকা সোঁত নোবোৱাকৈ নাথাকে। মুখৰ মাত নাথাকিলেও এগৰাকী পূৰ্ণ যৌৱনা গাভৰুৰ হৃদয়ানুভূতি সাৰ্বজনীন, সি একেই ভাৱাবেগেৰে উন্মুখ— সিয়েই মূলতঃ গল্পটোৰ নিৰ্ণেয় বিষয়। বেজবৰুৱাৰ 'নিমাতী কন্যা'ৰ পংক্তিৰ উদ্ধৃতি দিয়াৰপৰা এই গল্পৰ প্ৰেৰণা সিয়েই হ'ব পাৰে বুলি অনুমান কৰিব পাৰি। সেই নিমাতী তথা বোবা গাভৰুৰ ৰূপ বেজবৰুৱাৰ কবিতাৰে স্বৰূপ বুজাইছে যে মুখত মাতহে নাই, যি হাঁহি আছে সি যেন কেতেকীৰ পাহি; প্ৰতি অংগতে মাত বিৰাজমান। নায়কৰ লগত সলজ্জ প্ৰেমপূৰ্ণ হাঁহি বিনিময় হয়, কিন্তু সেই হাঁহি নেমুটেঙাৰ ফুলৰ গোন্ধৰ দৰে কৰুণ স্নিগ্ধ। নায়কে তাইক গ্ৰহণ কৰিবলৈ অপৰাগ, কাৰণ সামাজিক তথা ঘৰুৱা বাধা। নায়কৰ বিয়াৰ দিনা তাই নিৰবে নায়কৰ কাষত থিয় দি থাকে, বিয়াৰ পাছত আগৰ জেউতী হেৰোৱা হাঁহিৰে নায়কৰ লগত দৃষ্টি-বিনিময় কৰে। এদিন তাইৰো কাৰোবাৰ লগত বিয়াৰ আয়োজন হোৱা বুলি জানি নায়কে তাইৰ ভৱিষ্যত মংগল কামনা কৰে যদিও তেওঁ অনুভৱ কৰে সেই মংগল কামনাও প্ৰকৃততে এক প্ৰবঞ্চনাহে; নিজে গ্ৰহণ কৰিব নোৱাৰাৰ বেদনাই নায়ককো যেন বোবা কৰি পেলাইছে, এনেদৰে বোবা হৈ পৰাৰ কাৰণ একমাত্ৰ 'সমাজৰ বিধি ব্যৱস্থাৰ অলংঘ্য প্ৰাচীৰ'। বোবা ছোৱালীজনীৰ অন্তৰ্লীন প্ৰেম-অনুভূতিৰ কাতৰতাই পাঠকক সহজতে মুগ্ধ কৰি এক স্নিগ্ধ কাৰুণ্যৰ সোঁত হৃদয়ত প্ৰবাহিত কৰিব পাৰে।

লেখকৰ শৈশৱত বয়সৰ সৃষ্টি 'পুতলাৰ খেল' প্ৰথম প্ৰেমৰ মাধুৰ্য্যৰে ভৰপূৰ। খাছিয়া ছোৱালী প্ৰোবিয়াই প্ৰাম নিবেদন কৰি নায়কৰ মন আকৰ্ষণ কৰি প্ৰেমৰ স্বৰূপ প্ৰকাশ কৰে; প্ৰাম গছে গোলাপী ফুল ফুলি সময়ত গুটি ধৰি পূৰঠ হোৱাৰ দৰে প্ৰোবিয়াৰ সেই প্ৰেমৰ তীব্ৰতা সময় আগবঢ়াৰ লগে লগে গাঢ়তৰ হয়। একান্ত আন্তৰিকতাৰে প্ৰোবিয়াই বিচাৰে নায়কক। কিন্তু সামাজিক সংস্কাৰৰ কাৰণে নায়ক আগবাঢ়িব নোৱাৰে। প্ৰেম হেৰুৱাই

প্ৰোবিয়াই আপোনঘাটী হোৱাৰ পথ বাচি লৈছিল। নায়কৰ মনতো প্ৰেমৰ অনুৰাগ হৈছিল যদিও মিলন সম্ভৱ নহ'ল সমাজৰ জাত-পাতৰ কাৰণে। সময়ৰ সোঁতত প্ৰোবিয়াৰ বিয়া হ'ল, সংসাৰ হ'ল, কিন্তু পাহৰিব পৰা নাছিল প্ৰথম প্ৰেমৰ সেই উন্মাদনা। নায়কক এদিন অকস্মাৎ লগ পাই চকুপানী বোৱাই এদিন মাথো তেওঁৰ লগত থকাৰ অনুৰোধ কৰিলে। কিন্তু সম্ভৱ নহ'ল। সমস্ত ঘটনাই নায়কৰ যেন বোধ হ'ল এক পুতলাৰ খেলাৰ দৰে— কোনে নচুৱাই, কেনেকৈ নচুৱাই কোনেও ক'ব নোৱাৰে।

অসমীয়া গল্প-সাহিত্য লক্ষ্য কৰি উত্তৰাধিকাৰ বিচাৰত ড০ গোস্বামীক মহীচন্দ্ৰ বৰাৰ উত্তৰাধিকাৰী বুলিব পাৰি; কোনো কোনো ক্ষেত্ৰত লক্ষ্মীনাথ ফুকনৰ লগতো। মহীচন্দ্ৰ বৰা বা লক্ষ্মীনাথ ফুকনৰ সৰহভাগ গল্পৰ মাজেদি হাস্য আৰু ব্যংগ্য দক্ষতাৰে প্ৰকাশ হোৱাৰ দৰে ড০ গোস্বামীৰ অধিকাংশ গল্পতে তেনে হৈছে। 'বিহু', 'সৌজন্য', 'বস্ত্ৰেশ্বৰ ভূতৰ বাৰী', 'অৱতাৰী', 'বিভ্ৰাট' আদি গল্পত এনে হাস্য-ব্যংগ্যৰ প্ৰয়োগ অতিকৈ প্ৰকট। মহীচন্দ্ৰ বৰাৰ 'উকীলৰ জন্ম ৰহস্য', 'উকীলৰ আপদ', 'কেৰাণীৰ কপাল' আদি নামকৰণৰ লগত ড০ গোস্বামীৰ 'মক্কেল চৰিত', 'কপাল' আদি গল্পৰ নামকৰণৰ ক'ৰবাত জান-নেজান সাদৃশ্যও আছে। অৱশ্যে এনে সাদৃশ্য কোনো প্ৰভাৱ নহয়, বৰং ক'ব পাৰি প্ৰেৰণাজাত। একে প্ৰেৰণাৰে এক সুকীয়া স্বাদৰ গল্পৰ ধাৰা অসমীয়া সাহিত্যত বোৱাই আনিব পৰাতো দুইজনৰে সমান কৃতিত্ব।

গল্প ৰচনা ড০ গোস্বামীৰ গৌণ সাধনা হোৱাৰ বাবে প্ৰকৃত গল্পৰ যি সৌষ্ঠৱ বা নিটোল অৱয়ব, ভাষাৰ যি চাতুৰ্য্য, প্ৰকাশ-ভংগীৰ যি কাৰুকাৰ্য্য সেইবোৰ তেখেতৰ গল্পত অনুপস্থিত। তথাপিতো জীৱনৰ বৈচিত্ৰ্যক পোনপটীয়াকৈ, কোনো জড়তা নথকা সহজ-সৰল ভাষাৰে প্ৰকাশ কৰিব পৰা তেখেতৰ গল্পৰ অন্যতম বৈশিষ্ট্য। আজীৱন লোক-সংস্কৃতিৰ গৱেষণাৰ লগত নিবিড়ভাৱে জড়িত হৈ থকাৰ কাৰণেই হয়তো লোক-জীৱনৰ সহজ-সৰল প্ৰকাশ-ভংগীয়ে তেখেতক আকৰ্ষণ কৰিছিল বাৰ্কৈয়ে। সেয়েহে প্ৰকাশ-ভংগী হৈছে সহজ-সৰল, ঘৰুৱা জীৱনৰ ব্যৱহৃত বাক ভংগীৰ লগত অধিক সম্পৃক্ত আৰু তাৰ মাজেদিয়েই ৰক্ষা হৈছে তেখেতৰ গল্পৰ স্বকীয়তা।

—০—

প্ৰফুল্লদত্ত গোস্বামী : এটি মূল্যায়ন

****

দয়ানন্দ পাঠক

একেটা বাক্যৰে ডঃ প্ৰফুল্লদত্ত গোস্বামীৰ ব্যক্তিত্ব আৰু কৃতিত্ব সম্পৰ্কে ক'ব নোৱাৰি। গোস্বামীৰ ব্যক্তিত্বৰ কেবাটাও লক্ষ্যণীয় দিশে তেওঁৰ প্ৰতি আমাৰ আকৰ্ষণ বৃদ্ধি কৰে। এগৰাকী ব্যক্তিৰ ব্যক্তিত্ব তেতিয়াহে সাধাৰণ ব্যক্তিৰ বাবে আকৰ্ষণীয় হৈ উঠে যেতিয়াই ব্যক্তিগৰাকীৰ ব্যক্তিত্বত কিছু অপৰম্পৰাগত বা অস্বাভাৱিক বৈশিষ্ট্য লক্ষ্যণীয় হয়। নিঃসন্দেহে ডঃ গোস্বামী এগৰাকী স্বনামধন্য লেখক-পণ্ডিত আৰু গৱেষক। ঔপন্যাসিক হিচাপে তেওঁ স্পষ্টভাৱে এক নতুন ধাৰাৰ সৃষ্টি কৰিছে। *শেষ ক'ত* (১৯৪৮) আৰু *কেঁচা পাতৰ কঁপনি* (১৯৫২) তেওঁৰ দুখন মহৎ উপন্যাস। বিশেষকৈ *কেঁচা পাতৰ কঁপনি* উপন্যাসখনে অসমীয়া উপন্যাসৰ ইতিহাসত এক নৱযুগৰ সূচনা কৰিছে। জীৱনীকাৰ হিচাপেও ডঃ গোস্বামী এগৰাকী সিদ্ধহস্ত লেখক। *ইউৰোপৰ মনীষা* (১৯৬৭) *মানিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ* (১৯৭০), *মানিক চন্দ্ৰ বৰুৱা* (১৯৭৭), *মহাত্মা গান্ধী* (১৯৪৬) আদি জীৱনীভিত্তিক গ্ৰন্থৰ মাজেৰে গোস্বামীয়ে তেওঁৰ জীৱন-বীণত ঝঙ্কাৰ তোলা ব্যক্তিসকলৰ প্ৰতি তেওঁৰ অনুৰাগ ব্যক্ত কৰিছে। চৰাই-চিৰিকতিৰ ওপৰত যুগুতোৱা *চৰাই বিনন্দীয়া* (১৯৭০) নামৰ কিতাপখনে তেওঁৰ মনৰ কোমল দিশটিৰ পৰিচয় দিয়ে। ডঃ গোস্বামীয়ে একাধিক ভ্ৰমণ কাহিনী(Travelogue) লিখিছে। *বিলাতত সাতমাহ* (১৯৫৯), *সোণবাণৰ নহয় সি দেশ* (১৯৬২), *পৃথিৱীৰ চৌপাশে এপাক* (১৯৬৭), *মোৰ বাহিয়া ভ্ৰমণ* (১৯৭৪)– আদি ভ্ৰমণ কাহিনীৰ মাজেৰেও ডঃ গোস্বামীদেৱৰ জীৱনবীক্ষাৰ উমান সকলোৱে পাব। অনুবাদক হিচাপেও তেওঁ সিদ্ধহস্ত। গ্ৰীক নাট্যকাৰ চোফোক্লিছৰ *এণ্টিগনি* (১৯৬৭) নাটকখন তেওঁ অসমীয়ালৈ অনুবাদ কৰে। একেদৰে মেকিয়াভেলিৰ *দি প্ৰিন্স* নামৰ গ্ৰন্থখনো তেওঁ অসমীয়ালৈ অনুবাদ কৰিছে। ডঃ গোস্বামীয়ে মৃত্যুৰ মাত্ৰ কেইটামান দিন পূৰ্বে *পদ্মাৱতী দেৱী ফুকননী* শীৰ্ষক গ্ৰন্থখন সম্পাদনা কৰি এক সম্পূৰ্ণৰূপে বিস্মৃত হৈ যাব খোজা বিদুষী মহিলা এগৰাকীৰ জীৱন আৰু কৃতিত্বৰ কথা আমাক সোঁৱৰাই দিয়ে।

ইংৰাজী সাহিত্যৰ ছাত্ৰ হ'লেও ড০ গোস্বামীক শেষৰ দিনে আমি সকলোৱে এগৰাকী লোকসংস্কৃতিৰ কৃতী অধ্যাপক, লেখক আৰু গৱেষক বুলিহে জানিবলৈ আৰম্ভ কৰিলোঁ। আমাৰ অসমীয়া সাহিত্যত ইউৰোপী ভাষাৰ ছাত্ৰ আৰু অধ্যাপকসকলৰ অৱদান উল্লেখযোগ্য। তেনে ব্যক্তিৰ তালিকাত ড০ গোস্বামীৰ স্থান তাৎপৰ্যাপূৰ্ণ। সেইহে আমি ভাবিবলৈ বাধ্য হৈছিলোঁ ইংৰাজী সাহিত্যৰ দৰে এটা সমৃদ্ধ আৰু আধুনিক তথা বিষয়ৰ ছাত্ৰ এগৰাকীয়ে কেনেদৰে জনকৃষ্টি বা লোকসংস্কৃতিৰ দৰে আওপুৰণি বা তুলনামূলকভাৱে অনাদৃত ক্ষেত্ৰ এখনৰ প্ৰতি আকৃষ্ট হ'ল ? প্ৰায় একেই কথাকেই ড০ বাণীকান্ত কাকতিৰ ক্ষেত্ৰতো ক'ব পাৰি। ভাষাবিজ্ঞানৰ ছাত্ৰ নোহোৱাকৈ বা উক্ত ক্ষেত্ৰখনৰ প্ৰাথমিক জ্ঞানখিনি আনুষ্ঠানিকভাৱে গ্ৰহণ নকৰাকৈ তেওঁনো কেনেকৈ *Assamese :Its Formation and Development* গ্ৰন্থখন লিখিবলৈ সমৰ্থ হ'ল সেই কথা ভাবিলে বিস্ময় মানিব লাগে। এইখিনিতে মন কৰিবলগীয়া, ড০ গোস্বামীয়ে যদি কাৰোবাক সঁচাসচি শ্ৰদ্ধা কৰিছিল তেন্তে সেইগৰাকী ব্যক্তি হ'ল ড০ বাণীকান্ত কাকতি। ড০ কাকতিয়ে ড০ প্ৰফুল্লদত্ত গোস্বামীৰ প্ৰথমখন উপন্যাস *শেষ ক'ত* ৰ প্ৰশংসা কৰি এইদৰে লিখিছে : "অসমীয়া সাহিত্যৰ নতুন যুগৰ এইখন নতুন কিতাপ। ই উপন্যাস নহয়, ইয়াত ধাৰাবাহিক কোনো ঘটনাৰ চকৰী নাই; ই অতিৰঞ্জিত নহয়.... ইয়াক Byron -ৰ *Childe Harold's Pilgrimage* -ৰ লগত বিচাৰ পাৰি" (২৯/৪/৪৯)।

সাহিত্যৰ এগৰাকী কৃতী ছাত্ৰ হিচাপে ড০ গোস্বামীয়ে সাহিত্য সমালোচনাত হাত নিদিয়া নহয়। *এই যুগৰ সাহিত্য* (১৯৪৭), *সাহিত্য আৰু জীৱন* (১৯৫৫) আদি মননশীল গ্ৰন্থৰ মাজেৰে পাঠকে ড০ গোস্বামীৰ সাহিত্যিক দৃষ্টিভংগীৰ কথা সহজে বুজি পাব। ইতিহাস প্ৰীতিও তেওঁৰ কম নহয়। *বুৰঞ্জী আৰু সংস্কৃতি* (১৯৮৫) তেওঁৰ ইতিহাস প্ৰীতিৰ অন্যতম স্বাক্ষৰ। কেইবাখনিও গ্ৰন্থ তেওঁ সম্পাদনা কৰিছে। *ৰুক্মিণীহৰণ নাট* (১৯৪৮), *কামিনীকান্তৰ চৰিত্ৰ* (১৯৬০), *গল্প : দেশী আৰু বিদেশী* (১৯৬০), *মণিকোঁৱৰ আৰু ফুলকোঁৱৰ* (১৯৭১), *ব'হাগ বিহুৰ বাৰেবৰীয়া ছবি* (১৯৭৫) আদি তেখেতৰ উল্লেখযোগ্য সম্পাদিত গ্ৰন্থ।

যি কি নহওঁক, ড০ গোস্বামীয়ে তেখেতৰ শক্তিভাণ্ডাৰৰ এটা বৃহৎ অংশ ব্যয় কৰিছে জনকৃষ্টি বা লোকসংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাত। ড০ বিৰিঞ্চি কুমাৰ বৰুৱাৰ উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয়ত 'লোকসংস্কৃতি গৱেষণা' বিভাগটো খোলা হয় যদিও উক্ত বিভাগৰ কাম-কাজখিনি সুপৰিকল্পিতভাৱে আৰম্ভ হয় ড০ গোস্বামীৰ নেতৃত্বতহে। ১৯৬৪ চনৰ ৩০ মাৰ্চত ড০ বৰুৱাৰ মৃত্যুৰ পাছত ড০ গোস্বামীয়ে বিশ্ববিদ্যালয়ৰ ফকলোৰ আঁচনিৰ দায়িত্ব লয়। ১৯৭২ চন জানুৱাৰী মাহৰপৰা লোকসংস্কৃতি বিভাগটো এটা স্বতন্ত্ৰীয়া বিভাগ হিচাপে আত্মপ্ৰকাশ কৰে ড০ গোস্বামীৰ উদ্যোগ আৰু প্ৰচেষ্টাত।

মন কৰিবলগীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষণা কৰ্মৰ ইতিহাস আৰম্ভ হয় কলা

বিভাগৰ প্ৰথম চাৰিওগৰাকী গৱেষকৰ গৱেষণাৰ জৰিয়তে। তেওঁলোকে গৱেষণা কৰ্ম আৰম্ভ কৰিছিল ড০ বিৰিঞ্চি কুমাৰ বৰুৱাৰ তত্ত্বাৱধান আৰু পৰিচালনাত। তেওঁলোক হ'ল ড০ প্ৰফুল্লদত্ত গোস্বামী, ড০ সত্যেন্দ্ৰনাথ শৰ্মা, ড০ মহেশ্বৰ নেওগ আৰু ড০ উপেন্দ্ৰনাথ গোস্বামী। ইয়াৰে প্ৰথম তিনিওগৰাকী গৱেষকে ৩০/৭/৫৫ ইং. তাৰিখে ডক্টৰেট ডিগ্ৰী লাভ কৰে। ড০ উপেন্দ্ৰনাথ গোস্বামীয়ে ডক্টৰেট ডিগ্ৰী লাভ কৰে ১৮/১২/৫৮ তাৰিখে। ড০ প্ৰফুল্লদত্ত গোস্বামী, ড০ মহেশ্বৰ নেওগ আৰু সত্যেন্দ্ৰনাথ শৰ্মাক অসমীয়া সাহিত্য-সংস্কৃতিৰ তিনিটা লাই খুটা বুলি ক'লেও বাহুল্য কোৱা নহ'ব। পিছে ড০ নেওগ আৰু ড০ শৰ্মাৰ গৱেষণাৰ ক্ষেত্ৰখন একেই। ড০ গোস্বামীৰ ক্ষেত্ৰখনহে সুকীয়া। তেখেতৰ গৱেষণাৰ বিষয় আছিল ঃ A Study of the Folklore of Assam–The Ballads and the Märchen" ।

গুৱাহাটী বিশ্ববিদ্যালয়তেই নহয়, অসমতো লোকসংস্কৃতি গৱেষণাৰ বুনিয়াদ ৰচনা কৰা ব্যক্তিগৰাকী ড০ গোস্বামীৰ বাহিৰে আন কোনো নহয়। তেখেতৰ পৰিকল্পনা আৰু অক্লান্ত শ্ৰমৰ বিনিময়ত গঢ়ি উঠিছে বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগটো। বিশ্ববিদ্যালয়ৰ চৌহদৰ বাহিৰতো ড০ গোস্বামীৰ উদ্যোগতেই গঢ়ি উঠিছে আন আন গৱেষণাকেন্দ্ৰিক অনুষ্ঠান-প্ৰতিষ্ঠান। 'দি ফকলোৰ ছোছাইটি অব আসাম' ১৯৬৯ চনত তেখেতৰ উদ্যোগতেই গঢ়ি উঠে।

ড০ গোস্বামী আৰু তেখেতৰ অনুৰাগী ড০ নবীনচন্দ্ৰ শৰ্মাৰ দৰে ব্যক্তিসকলৰ অনুপ্ৰেৰণাদ্বাৰা প্ৰেৰিত হৈ আমি 'অসম সাহিত্য সভা' পত্ৰিকাৰ সম্পাদক হৈ থকা কালত পত্ৰিকাৰ বিশেষ লোকসংস্কৃতি সংখ্যা (তৃতীয় সংখ্যা, ১৯৯২ চন) এটি উলিয়াইছিলোঁ। উক্ত সংখ্যাত প্ৰকাশ কৰিবৰলৈ ড০ গোস্বামীৰপৰা প্ৰবন্ধ এটা বিচাৰিছিলোঁ। অসম সাহিত্য সভাৰ প্ৰতি তেখেতৰ বৰ উচ্চ ধাৰণা নাছিল। বহু ঠাইত তেখেতে 'সভা'ক যুক্তি সহকাৰে সমালোচনা কৰিছে। সেই কথা আমি পৰৱৰ্তী পৰ্য্যায়ত আলচ কৰিম। আমাৰ ব্যক্তিগত অনুৰোধৰ বাবে ড০ গোস্বামীয়ে 'মন্ত্ৰৰ কথা' শীৰ্ষক এটি প্ৰবন্ধ দিছিল। উক্ত প্ৰবন্ধটো ১৯৯২ চনৰ অক্টোবৰ-ডিচেম্বৰ সংখ্যাত প্ৰকাশ হৈছে।

অসমীয়া মানুহৰ মাজত ইংৰাজী ভাষাত লেখা-মেলা কৰা লোকৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰা। ড০ প্ৰফুল্লদত্ত গোস্বামীয়ে এইক্ষেত্ৰত এক বিৰাট অভাৱ পূৰণ কৰিছে। বিশেষকৈ অসম তথা অসমীয়া মানুহৰ সাংস্কৃতিক জগতখনক বিশ্বৰ দৰবাৰত উন্মুক্ত কৰি দেখুওৱাৰ ক্ষেত্ৰত ড০ গোস্বামীৰ সমকক্ষ লোক অতি কম আছে। *Folk-Literature of Assam (1954), Bihu Songs of Assam (1957), Ballads and Tales of Assam (1960), The Springtime Bihu of Assam (1966), The Indian Chapter in Folktales Told Around the World (1975), Songs and Tales of North-Eastern India (1982), Tales of Assam (1980), Bohag Bihu of Assam and Bihu Songs (1988), Festivals of Assam (1995)* আদি ইংৰাজীগ্ৰন্থৰ মাজেৰে ড০ গোস্বামীয়ে অসমক

বিশ্ববাসীৰ সন্মুখত দাঙি ধৰিছে। ইয়াৰ উপৰিও অগণন তত্ত্বমধুৰ প্ৰবন্ধৰাজিৰ মাধ্যমেৰেও ড০ গোস্বামীয়ে অসমীয়া লোকসংস্কৃতিৰ পথাৰৰপৰা মণি-মুকুতা বুটলিছে।

লোকসংস্কৃতিৰ লগত জনজীৱনৰ বিশ্বাস, অন্ধবিশ্বাসৰ সম্পৰ্ক অতি গভীৰ। লোকসংস্কৃতিৰ গৱেষকে বহুতো সামাজিক তথা নৈতিকভাৱে নিষিদ্ধ কথা-কামৰ সৈতে সংযোগ স্থাপন কৰিবলগীয়া হয়। তেনে কৰিবলৈ যাওতে বহুতৰ অপ্ৰিয়ভাজনো হ'বলগীয়া হয়। ড০ গোস্বামীৰ বেলিকাও সেইটোৱেই হৈছিল। তেওঁ বহু নৈতিক লোকৰ চকুত অপ্ৰিয় হৈছিল। ড০ গোস্বামীয়ে *Bihu Songs of Assam* (1957) কিতাপখন যুগুতাবলৈ যাওতে বহুখিনি অসুবিধাৰ সন্মুখীন হৈছিল বুলি তেওঁ স্বীকাৰ কৰিছে। বিহুক বাদ দি অসমীয়াৰ কথা ভাবিব নোৱাৰি। বিহুগীতবোৰ লৌকিক জগতৰপৰা নিৰ্গত হৈ মৌখিক ৰূপত বৰ্তি আছিছে। বিহুগীতৰ লগত আমাৰ কৃষিজগতখনৰ সম্পৰ্ক অতি নিবিড়। ড০ গোস্বামীয়ে লিখিছে : The Seed time of Assam is commemorated with the Bohag Bihu which ushers in the new year The harvest season has its festival in the Magh Bihu, a period of rest and feasting (*Bihu Songs of Assam*)

অসমৰ ইমূৰৰপৰা সিমূৰলৈ বিহুগীতবোৰ মৌখিকভাৱে সিঁচৰতি হৈ আছে। সেইবোৰ বুটলি আনি এখন কিতাপৰ কাৰাগাৰত কাৰাবদ্ধ কৰিব খোজাটো দুৰূহ। স্বৰ্গীয় নকুলচন্দ্ৰ ভূঞাই অসমৰ চৌদিশৰপৰা মুঠ ৫৭৯টি বিহুগীত গোটাই *বহাগী* (১৯২১) নামৰ সংকলনখনত একত্ৰিত কৰাৰ প্ৰথম প্ৰয়াস কৰিছিল। কিন্তু ভূঞাদেৱে সেই কাম কৰিবলৈ যাওঁতে বহুখিনি অসুবিধাৰ সন্মুখীন হৈছিল। আধুনিক শিক্ষাৰ প্ৰসাৰৰ লগে লগে শিক্ষিত লোকৰ মনত বিহুগীতৰ প্ৰতি পূৰ্বৰ দৃষ্টিভংগী অটুট থকা নাই। শিক্ষিত সমাজত অশিষ্ট আৰু অশালীন বুলি বিবেচিত হোৱা বহুখিনি বিহুগীত ৺ভূঞাই *বহাগীত* স্থান নিদিলে বা দিবলৈ ইচ্ছা নকৰিলে। এনে দুৰ্বলতাৰপৰা ড০ গোস্বামী আছিল সম্পূৰ্ণৰূপে মুক্ত। তেওঁৰ দৃষ্টিত শালীন বা অশালীন বুলি কোনো কথা নাই। এক ঠেক নৈতিক দৃষ্টিভংগীৰে প্ৰকৃত গৱেষকৰ দায়িত্ব পালন কৰিব নোৱাৰি। প্ৰকৃত গৱেষক লজ্জা, ঘৃণা আৰু ভয়ৰপৰা মুক্ত হোৱাটো বাঞ্ছনীয়। ড০ গোস্বামী লজ্জা, ঘৃণা আৰু ভয়ৰপৰা আছিল সম্পূৰ্ণৰূপে মুক্ত। তেখেতে লিখিছে : In my choice of the Songs I have not been swayed by any moral considerations, though poetic quality and translatability have been my temptations. (*Bihu Songs of Assam*)

মাটিৰ লগত পোনপটীয়া যোগসূত্ৰ নহ'লে লোকসংস্কৃতিৰ গৱেষণাত সিদ্ধি লাভ কৰিব নোৱাৰি। লোকসংস্কৃতিৰ সৰু-বৰ প্ৰতিটো ক্ষেত্ৰৰ লগতেই কেঁচা মাটিৰ গোন্ধ নিহিত থাকে। মাটিক লেতেৰা বুলি গণ্য কৰা, গ্ৰাম্য জীৱনৰ সৈতে আত্মিক সম্পৰ্ক ৰাখিবলৈ ইতস্ততঃ কৰা, শিষ্ট-অশিষ্ট বা শালীন-অশালীনৰ চক্ৰবেহুত অৱস্থান কৰি লোকসংস্কৃতিৰ সাধকো হ'ব নোৱাৰি, গৱেষকো হ'ব নোৱাৰি। ড০ গোস্বামীৰ গাত এনে

দোষ-দুৰ্বলতা নাছিল।

লোকসংস্কৃতিৰ গৱেষকসকলে কিছু নিজস্ব যুক্তিৰে পৰিচালিত হ'বলগীয়া হয়। ব্যক্তি বা সমাজ জীৱনৰ আচৰণবোৰ সদায় গতানুগতিক অথবা বিজ্ঞানসন্মত যুক্তিৰে নিয়ন্ত্ৰিত নহয় প্ৰয়োজন সাপেক্ষে বিশ্বাস-অন্ধবিশ্বাসবদ্ধাৰাও নিয়ন্ত্ৰিত হয়। আধুনিক তথা বৈজ্ঞানিক দৃষ্টিভংগীৰে সমৃদ্ধ সমাজ গঢ়ি উঠাৰ পূৰ্বেও মানুহ আছিল, সমাজ আছিল, লোকাচাৰ আছিল। তেনেবোৰ লোকাচাৰ বা লোকবিশ্বাসেই সমাজ-জীৱন নিয়ন্ত্ৰণ কৰিছিল। এনেবোৰ কথা ড০ গোস্বামীয়ে অতি সুন্দৰকৈ ফহিয়াই আলোচনা কৰিছে। লোকসংস্কৃতিৰ সমগ্ৰ বিষয়টোক তেওঁ পদ্ধতিগতভাৱে বিশ্লেষণ কৰি বিষয়টোৰ প্ৰতি আমাৰ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে। ড০ গোস্বামীয়ে লিখিছে : "বুৰঞ্জীয়ে সামাজিক জীৱনৰ আটাইবিলাক কাহিনী ক'ব নোৱাৰে; যত প্ৰমাণ নিমিলে তাত বুৰঞ্জীৰ বিধান হয় অচল। কিন্তু প্ৰমাণ কৰিবপৰা ঘটনাৱলী ঘটাৰ আগেয়েও সমাজ আছিল, সেই সময়তো মানুহে খাই বৈ কাম-কাজ কৰি জীৱন নিৰ্বাহ কৰিছিল। এই প্ৰমাণ নোহোৱা যুগৰ কথা আলোচনা কৰিবলৈ জনসাহিত্য-পুৰাতত্ত্ব আদি বিজ্ঞানৰ দৰে এবিধ উপাদান।" (*অসমীয়া জনসাহিত্য*)

ড০ গোস্বামী পৃথিৱীৰ বিভিন্ন ঠাইলৈ গৈছে। সেইবোৰ ঠাইৰ সাহিত্য-সংস্কৃতি অধ্যয়ন কৰিছে। তেনেবোৰ দেশৰ লোকবিশ্বাস আৰু লোককাহিনীবোৰবদ্ধাৰা তেওঁৰ কৌতূহলী দৃষ্টি আকৃষ্ট হৈছে। পানীয়ে বাৰিষাৰ সময়ত নদীৰ পাৰ ভাঙি উছন কৰে। সেই নদীৰ পানীয়েই আকৌ কোনোবা স্থানত নতুনকৈ চৰ-চাপৰি তোলে। সংস্কৃতিৰ বেলিকাও একে কথা ক'ব পাৰি। কোনোটো জাতিয়েই তেওঁলোকৰ সংস্কৃতিৰ ক্ষেত্ৰত শতকৰা ১০০ ভাগ মৌলিকতা দাবী কৰিব নোৱাৰে। ভৌগোলিক, ঐতিহাসিক, ৰাজনৈতিক, নৃতাত্ত্বিক উত্থান-পতনসমূহেও সংস্কৃতিৰ বুনিয়াদ ৰচনা কৰে। ড০ গোস্বামীয়ে এনেবোৰ কথাৰ প্ৰতিও আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে : "জাপানী সভ্যতাৰ গুৰিত আছে চীনদেশীয় সভ্যতা; জাপানলৈ বৌদ্ধ ধৰ্ম বিয়পে চীন দেশৰপৰাই। এই কাৰণে জাপানী জনবিশ্বাস আৰু জনসাহিত্যত চীনা আৰু ভাৰতীয় প্ৰভাৱ আছে" (*জাপানৰ জনকৃষ্টি আৰু অন্যান্য ৰচনা*)। লোকসংস্কৃতিৰ সাধক এগৰাকীৰ হৃদয়-মনতোৱে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰতি অনাবিল আকৰ্ষণ থাকিব পাৰে সেই কথাৰ জ্বলন্ত প্ৰমাণ হ'ল ড০ গোস্বামী। তেখেতৰ সান্নিধ্যলৈ অহা প্ৰতিগৰাকী ব্যক্তিয়েই তেখেতৰ আধুনিকতম মনৰ পৰিচয় পাইছে। পিছে, আধুনিকতাই তেওঁক ভণ্ড বা কপটীয়া কৰা নাই। বহুত ক্ষেত্ৰত সক ল'ৰাটোৰ দৰে তেওঁৰ মন আছিল নিকা আৰু প্ৰাণোচ্ছল। তেওঁৰ কথা-কামত এনে কিছু বৈশিষ্ট্য আছিল যিবোৰে সকলোকে বিস্মিত কৰিছিল। হয়তো সেইবাবেই ড০ প্ৰফুল্লদত্ত গোস্বামী সকলোৰে আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈছিল। সভা-সমিতিলৈ যাবলৈ তেওঁ কুণ্ঠাবোধ কৰিছিল। যাবঁ'হে যাবলগীয়া হ'লেও তেওঁৰ ভাষণ আছিল গোট গোট শব্দেৰে নিৰ্মিত মাত্ৰ কেইটামান

বাক্য। তেনে সংক্ষিপ্ত ভাষণে বহুতকে বিপাঙত পেলাইছিল। তেওঁ বিশ্বাস কৰিছিল যে, সভাই-সমিতিয়ে দীঘলীয়া ওজস্বী ভাষণ দি সমাজৰ একো উপকাৰ সাধিব নোৱাৰি। সমাজৰ উপকাৰ কৰিবলৈ হ'লে মানুহে নিষ্ঠা আৰু সততাৰে কামত প্ৰবৃত্ত হোৱা ভাল। জীৱনৰ অন্তিম দিনকেইটাতো তেওঁ সবল, কৰ্মক্ষম আৰু বিদ্যানুৰাগী হৈ থাকিল। আমি আগতেই কৈছোঁ, মৃত্যুৰ মাত্ৰ কেইটামান দিন পূৰ্বে তেওঁ 'অসম প্ৰকাশন পৰিষদ'ৰদ্বাৰা প্ৰকাশিত 'পদ্মাৱতী দেৱী ফুকননী' কিতাপখন সম্পাদনা কৰি উলিয়ায়। 'আমনবাম বৰুৱা ভাষা, কলা-সংস্কৃতি সংস্থা'ৰ (ABILAC) কাৰ্য্যকৰী সমিতিৰ সভাপতি হিচাপে তেওঁ সংস্থাৰ প্ৰাৰম্ভিক কামত আগবঢ়োৱা সেৱাৰ বাবে আজি উক্ত সংস্থাটো এটা জাকতজিলিকা গৱেষণা প্ৰতিষ্ঠান হিচাপে সমাদৃত হৈছে।

ড০ গোস্বামীৰ মনত অসমৰ জনজাতীয় লোক তথা তেওঁলোকৰ কৃষ্টিৰ প্ৰতি থকা দৰদ এক সৰ্বজনবিদিত কথা। অলপ সুবিধা পালেই তেওঁ গুৱাহাটীৰপৰা ওলাই গৈ জনজাতীয় বন্ধুসকলৰ ঘৰ ওলাইগৈ। অত তেওঁলোকৰ লগত ঘূৰিমেলি গুৱাহাটী ওলাইছি। আজি অসমৰ জনজাতীয় লোকসকল লাহে লাহে অসমৰ মূল সুঁতিৰপৰা আঁতৰি যাব লাগিছে। অসমীয়া মানুহৰ উগ্ৰ স্বাজত্যাভিমানৰ(Chauvinism) বলিশালত জনজাতীয় লোকসকলৰ ভাষা-কৃষ্টিৰ অস্তিত্ব যেন বিপন্ন হ'বলৈ আৰম্ভ কৰিছে। অসম এক বাৰেবৰণীয়া ভাষা-উপভাষা আৰু দোৱানৰ দেশ। কৃষ্টি-সংস্কৃতিৰ বেলিকাও একেটাই কথা। কিন্তু অসমীয়া মানুহৰ জাতীয়তাবাদী চিন্তাই(Nationalism) আৰু ক্ষুদ্ৰ বৰ্ণবাদী (castism) চিন্তা সৰহ ভাগ ক্ষেত্ৰতেই অপ্ৰয়োজনীয়ভাৱে একপক্ষীয় হৈ আমাৰ সামাজিক গাঠনিক থৰকবৰক কৰি আহিছে। এনেবোৰ কাৰণতেই অসমৰ জনজাতীয়সকলে আজি অসমীয়া ভাষী মানুহখিনিক বিশ্বাসত নোলোৱা হৈছে। অসমীয়া মানুহখিনিৰ এনে উচ্চাভিমুকতা মনোভাব আজিৰ নহয়। কলিকতাত স্থাপন হোৱা 'অসমীয়া ভাষা উন্নতি সাধনী সভা'ৰ মুখপত্ৰ 'জোনাকী'ৰ (১৩ জানুৱাৰী, ১৮৮৯) উদ্দেশ্য ব্যাখ্যা কৰি মুখপত্ৰত লিখা হৈছিল : "আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিপক্ষে, উদ্দেশ্য দেশৰ উন্নতি 'জোনাক'।.....আমি নিজকে যোগ্য নকৰিলে অন্যই কৰি নিদিয়েহি। এই সংসাৰেই হৈছে যোগ্যৰ ঘৰ, অযোগ্য অধঃপতনলৈ যাব—Survival of the fittest। পাঠকে দায় নধৰিব।" এনে মন্তব্যৰ অন্তৰালত আছিল একালে উগ্ৰ অসমপ্ৰীতি আৰু অন্যকালে আছিল অসমীয়া উচ্চবৰ্ণবাদৰ ধ্বজা। স্বাভাৱিকতেই অসমীয়াৰ 'জ্যেষ্ঠভাতৃত্ব্য' ব্যৱহাৰত জনজাতীয়সকল মনে মনে ক্ষুণ্ণ হৈছিল। সেই দিনতো অসমীয়াৰ জাতি গঠন প্ৰক্ৰিয়াটো এনেবোৰ কাৰণতেই বিঘ্নিত হৈছিল। স্বাধীনতাৰ পাছতো ১৯৬০ চনৰ ৰাজ্য ভাষা আইনৰ পৰিপ্ৰেক্ষিতত অসমৰ জনজাতীয়সকল বিভিন্ন স্বাৰ্থজনিত কাৰণত আমাৰপৰা ওলাই যাবলৈ আৰম্ভ কৰিলে। তেনে ৰাজ্য ভাষা আইনখনৰ প্ৰবৃত্তিলৰ্বত 'অসম সাহিত্য সভা'ৰ দৰে জাতীয় অনুষ্ঠানটিৰ অৱিহণা গুৰুত্বপূৰ্ণ। ১৯৬০ চনৰ পাছৰপৰাই বিভিন্ন উজুহাতত

অসমৰ জনজাতীয়সকলে নিজৰ বাবেও এডোখৰ মাটি সুকীয়াকৈ বিচাৰিলে। ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে তেনে দাবীৰ প্ৰতি নতমস্তক হ'বলগীয়া হ'ল। অসম চৰকাৰে ১৯৬০ চনৰ ৰাজ্য ভাষা আইনখনৰ দৰে কেইবছৰমান আগতে অসমীয়া ভাষাটো শিক্ষাৰ মাধ্যম হিচাপে অসমৰ সৰ্বত্ৰ প্ৰয়োগ কৰিব লাগে বুলি অধিসূচনা জাৰি কৰিলে। এইবাৰো 'অসম সাহিত্য সভা'ই এনে অধিসূচনা জাৰিকৰণৰ ক্ষেত্ৰত ইতিবাচক পদক্ষেপ ল'লে। পিছে, উক্ত অসমীয়া মাধ্যম অধিসূচনাৰ পৰিণতি কি হ'ল আমি নজনা নহয়। এনে অধিসূচনাৰ পৰিপ্ৰেক্ষিতত বড়োসকলে সুকীয়া ৰাজ্যৰ দাবী জোৰদাৰ কৰিলে। একেদৰে 'অসম সাহিত্য সভা'ৰ নাকৰ সন্মুখতেই অসমৰ প্ৰতিটো জনজাতীয় সম্প্ৰদায়ে 'অসম সাহিত্য সভা'ৰ ধ্বজাৰ তলত থাকি সুৰক্ষিত অনুভৱ নকৰি নিজাৰবীয়াকৈ সাহিত্য সভা গঠন কৰি ল'লে। যেনে ঃ বড়ো সাহিত্য সভা, মিছিং সাহিত্য সভা, ৰাভা সাহিত্য সভা, টিৱা সাহিত্য সভা, তাই সাহিত্য সভা আদি। অৰ্থাৎ 'অসম সাহিত্য সভা'ৰ দৰে জাতীয় অনুষ্ঠান এটিয়ে নিজৰ স্বাজাত্যাভিমানী আদৰ্শৰ বাবে এনে ভাঙোনমুখী প্ৰক্ৰিয়াক ৰোধ কৰিবলৈ ব্যৰ্থ হ'ল। চৰকাৰে কৰিব নোৱাৰা কাম 'অসম সাহিত্য সভা'ই কৰিব পাৰিলেহেঁতেন।

ড০ প্ৰফুল্লদত্ত গোস্বামীৰ দৰে দূৰ দৃষ্টিসম্পন্ন ব্যক্তিসকলে অসমীয়া জাতিটোৰ এনে ক্ষয়িষ্ণু দশাৰ কথা গভীৰভাৱে অনুভৱ কৰিছিল। সমাজ গঠনত ৰাজনীতিকসকলেই যে, দায়িত্ব ল'ব লাগিব তেনে কথা হ'ব নোৱাৰে। 'অসম সাহিত্য সভা'ৰ দৰে অনুষ্ঠানক যাক অসমৰ বাহিৰে এটি মহৎ জাতীয় অনুষ্ঠান বুলি গণ্য কৰে, তেনে এটি অনুষ্ঠানৰ গুৰিবঠা ধৰোঁতাসকলৰ অদূৰদৰ্শী মনোভাৱৰ বাবে অসমৰ জনজাতীয় লোকসকলে অসমীয়াৰ লগত আগৰদৰে থাকিবলৈ অনিচ্ছুক হ'ল। এক বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াটো বন্ধ হৈ যোৱা ঘটনাই ড০ গোস্বামীৰ দৰে ব্যক্তিক ভীষণ কষ্ট দিছে। সেইবাবেই তেওঁ অসম সাহিত্য সভাৰ দৰে অনুষ্ঠানটোকেই নিৰৰ্থক বুলি গণ্য কৰিছিল। তেওঁৰ ভাষাত ঃ "মই অসম সাহিত্য সভাৰপৰা আঁতৰে আঁতৰে থকা লোক, যথাশক্তি নিজেই যি পাৰোঁ ভাষাৰ সেৱা কৰি আছোঁ, অসম সাহিত্য সভা মোৰ কাৰণে প্ৰেৰণাদায়ক বুলিও বোধ কৰা নাই।" (*প্ৰকাশ*, দ্বাদশ বছৰ, পঞ্চম সংখ্যা।) সভাৰ প্ৰতি থকা তেওঁৰ ক্ষোভৰ আৰু খোলোচাকৈ প্ৰকাশ কৰিছে 'কথা' নামৰ সাহিত্যালোচনী এখনত তেখেতে কোৱা এষাৰ মন্তব্যৰ মাজেৰে ঃ "ন কমেন্ট(No Comment)। কমেন্ট মই কাহানিবাই দিছোঁ। কৈছোঁ যে সাহিত্য সভাৰ কাৰণে দেশখন খণ্ড-বিখণ্ড হ'ল– তোমালোকেতো পাইছাই! তাতকৈও বেছি হ'ল ঃ খণ্ড-খণ্ড, খণ্ড-উপখণ্ড.... আমাৰ মাজৰপৰা যে জনজাতীয় লোকসকল (গুচি গ'ল)!" (ড০ প্ৰফুল্লদত্ত গোস্বামীৰ সৈতে হোৱা এটি সাক্ষাৎকাৰৰপৰা, সাক্ষাৎগ্ৰহণ কৰিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক শ্ৰীৰঞ্জিৎকুমাৰ দেব গোস্বামীয়ে, *কথা*, অক্টোবৰ, ১৯৯৩ চন)।

ড০ গোস্বামীদেৱৰ এনে মন্তব্য বাতৰি কাকতত আগতেও প্ৰকাশ পাইছে। 'অসম সাহিত্য

সভা'ৰ কাৰ্য্যনিৰ্বাহকৰ কেইগৰাকীমান সদস্যই এনে মন্তব্যৰ বিৰুদ্ধে উষ্মা প্ৰকাশ কৰিছিল ড০ ভূপেন হাজৰিকাৰ পৌৰোহিত্যত যোৰহাটৰ চন্দ্ৰকান্ত ভৱনত বহা কাৰ্য্যনিৰ্বাহকৰ বৈঠকত। এইসকল সদস্যই অতি ওজস্বী বক্তৃতাৰে কাৰ্য্যনিৰ্বাহকক পতিয়ন নিয়াবলৈ যত্ন কৰিছিল যে, ড০ প্ৰফুল্লদত্ত গোস্বামীৰ দৰে এগৰাকী ব্যক্তিয়ে 'অসম সাহিত্য সভা'ৰ বিৰুদ্ধে এনে কটু মন্তব্য কৰিব নালাগিছিল। তেওঁৰ মন্তব্যৰ বিৰুদ্ধে কাৰ্য্যনিৰ্বাহকে এটি গৰিহণাসূচক প্ৰস্তাৱ ল'ব লাগে বুলি তেওঁলোকে দাবী জনাইছিল। এনে দাবীৰ প্ৰতি আমি সমৰ্থন জনোৱা নাছিলোঁ। যি কি নহওক, ড০ গোস্বামীৰ মন্তব্যৰ বিৰুদ্ধে হোৱা আলোচনাখিনি হয়তো কাৰ্য্যনিৰ্বাহকৰ কাৰ্য্যবিৱৰণীত লিপিবদ্ধ হৈ আছে।

ড০ গোস্বামীৰ ব্যক্তিত্ব আৰু কৃতিৰ বিষয়ে আৰু বহুখিনি ক'বলগীয়া আছে। এটা সৰু প্ৰবন্ধৰ মাজতে তেওঁৰ বিশাল কৰ্মৰাজি সামৰি এক বস্তুনিষ্ঠ মূল্যায়ন কৰাটো উজু কাম নহয়। আমেৰিকাৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ৰ ভিজিটিং প্ৰফেছৰ (১৯৬৬) হিচাপে কাৰ্য্যনিৰ্বাহ কৰাৰপৰা আৰম্ভ কৰি তেখেতে বিশ্বৰ বিভিন্ন দেশলৈ যোৱাৰ বিষয়েও ক'বলগীয়া বহুখিনি আছে। ইমানৰ পাছত এগৰাকী শিশু-সাহিত্যিক হিচাপেও তেওঁ শিশু সমাজৰ হৃদয়ৰ মানুহজন হ'ব পৰাটো কম ডাঙৰ কথা নহয়। ভৱিষ্যতৰ লেখক-গৱেষকসকলে তেওঁক পূৰ্ণাঙ্গৰূপত চাব বুলি এই দায়িত্ব তেওঁলোকলৈ এৰিলোঁ।

— o —

প্ৰফুল্লদত্ত গোস্বামীৰ লিখনিৰ চানেকি :

"মনৰ পখী উভতি উৰে"

****

[এই কিতাপখন ৰচনা কৰিছিলোঁ বাৰ-তেৰ বছৰ আগেয়ে। ই ছপাখানালৈকেও গৈছিল, কিন্তু সৌভাগ্যবশতঃ ছপা কৰা নহ'ল। এইখন এনে কোনো অসাধাৰণ ৰচনাও নহয়, মাথোন বিভিন্ন সময়ত মনত উক্ দিয়া ভাব-চিন্তা নাইবা কিছু অভিজ্ঞতাৰ প্ৰতিফলন। ড০ প্ৰবীণ চন্দ্ৰ দাসৰ অনুৰোধত কিতাপখনৰ কিছু অংশ ৰাইজৰ সমুখত উপস্থাপন কৰিবলৈ মন কৰিছোঁ। এইখন সাধাৰণ অৰ্থৰ আত্মজীৱনী মুঠেও নহয়।]

আত্মজীৱনী ? মোৰ সৰু ছোৱালীজনীয়ে কয়, মই বোলে আত্মজীৱনী লিখিব লাগে। বাহিৰৰ ঘটনাৱলী— অমুক চনত মোৰ জন্ম, অমুক মোৰ পিতৃ, অমুক চহৰত মই শিক্ষা লভিছিলোঁ, মই অমুক চাকৰি কৰিলোঁ ইত্যাদি। আৰু মনৰ ভিতৰত চলা ভাব-চিন্তা, এই দুটা দেখোন সুকীয়া সুকীয়া বস্তু। ভাব-চিন্তাৰ বিজনিত বাহিৰৰ ঘটনাৰ মূল্য কিমান ? আনহাতে, নিজৰ ভাব-চিন্তাৰ সাৰ্থকতা নিজৰ কাৰণেই, বিশেষকৈ অনুভূতিশীল লোকৰ ক্ষেত্ৰত। তত্ৰ কস্য কা পৰিদেৱনা ? ৰোমা ৰোলাঁই 'ঝাঁ ক্ৰিষ্টোফ' উপন্যাসত মন্তব্য কৰিছে: "মানুহ এজনক যে আটাায়ে বুজি পাব লাগে তাৰ কোনো যুক্তি নাই; কেতবিলাক মনৰ মূল্য একো একোটা জাতিৰ সমান।"

নিজৰ বিষয়ে কি লিখিম ? দিনবিলাক পাৰ হৈ গ'ল। অভিজ্ঞতাৰ লগত জড়িত অনুভূতিও শুকাল। মনলৈ আহে জাপানী হোকু এটি :

মন্থৰ গতিৰ দিনবিলাক
গোট খালে, গোট খাই—
হায়, পাৰ হ'ল দূৰলৈ, বহুদূৰ।

ডায়েৰি বা আত্মজীৱনী কেতবিলাক লোকে লিখে নিজৰ মনৰ আউল-বাউল ভাবত থিত লগাবলৈ, কেতবিলাকে নিজক বুজি চাবৰ অৰ্থে, আৰু কেতবিলাকে বেদনা বা দুচিন্তাৰ ভাৰ পাতলাবৰ কাৰণে। (যিসকলে নিজৰ কাৰ্যাকাৰিতা সম্পৰ্কে উচ্চ ভাব পোষণ কৰি নিজৰ সামাজিক নাইবা ৰাজনৈতিক কাৰ্য্যাৱলী নথিবদ্ধ কৰিব খোজে সেইসকলৰ কথা সুকীয়া।

নিজৰ বেদনা নাইবা দুচিন্তাৰ আভাস দি যি লিখে সেই লিখা কেতিয়াবা আনৰ কাৰণেও বেদনাদায়ক হ'ব পাৰে। প্ৰথম কথা আত্মজীৱনীমূলক ৰচনা প্ৰকাশৰ কাৰণে লিখা নহ'ব পাৰে, যদিহে প্ৰকাশ নহয় ভালৰ কথা। দুৰ্ভাগ্যবশতঃ বহুত সময়ত লিখকৰ মৃত্যুৰ পিছত তেনে ৰচনা প্ৰকাশ হয় আৰু সি চমকদাৰ-অচমকদাৰ সকলো পাঠকৰ হাতত পৰে। এটি চানেকি দিবলৈ হ'লে, কম্ গল্প লিখক আৰু নাট্যকাৰ চেহ্‌সোফৰ টোকাবহীৰ অলপমান তুলি দিব পাৰি: "দিনৰ ভাগত হাইস্কুলত পঢ়া গাভৰুৰ দুচৰিত্ৰ সম্পৰ্কে মেল, গধূলি চৌপাশে দেখিবলৈ পোৱা বন্ধুবিলাকৰ অৱক্ষয়ৰ ওপৰত বক্তৃতা আৰু ৰাতি এই সকলোবিলাকৰ পিছত মন যায় যেন গুলি কৰি আপোনঘাতীহে হওঁ।" লিখকে মনৰ ভাব-চিন্তা এইদৰে লিখি থয়, কিন্তু সেই সকলোবোৰ আনে পোৱা যুগুতনে ?

নিজৰ জীৱন সম্পৰ্কে বহুতে বহুত ধৰণৰ মন্তব্য কৰিছে। স্পেইনদেশীয় চিত্ৰকৰ চালভাডৰ ডালিয়ে কৈছিল: "নিজৰ জীৱন শেহ হোৱাৰ পিছত, জীৱন কালৰ শেহত, বুঢ়া কালতহে, জীৱনস্মৃতি ৰচনা কৰাটো মানুহৰ আচাৰ। কিন্তু মোৰ সকলো কাম আনতকৈ বেলেগ ধৰণে কৰা, আনে যিকৰে তাৰ ওলোটাটো কৰা বদভ্যাসৰ কাৰণে থিৰ কৰিলোঁ যে মই জীৱন-স্মৃতিৰেই আৰম্ভ কৰি পিছত জীলেহে (অৰ্থাৎ জীয়াই থকাৰ চিন দেখুৱালেহে) বুদ্ধিৰ পৰিচয় দিয়া হ'ব।"

আমেৰিকাৰ চিন্তাশীল লিখক থৰোৱে কৈছিল: "আন কাৰোবাক ইমান ভালকৈ জনাহেঁতেন মই নিজৰ বিষয়ে ইমান নকলোহেঁতেন।"

ইংৰাজ লিখিকা এথিল মেনিনে মন্তব্য কৰিছিল জোৰকৈয়ে: "মোৰ আস্থা আছে জীৱনত— গঢ়হীন, বিশৃঙ্খল, কোবাল আৰু ইয়াত অৰ্থ নাইবা উদ্দেশ্য বিচাৰিবৰ একো যুক্তি নেদেখোঁ। মাথোন বৰ্তি থাকিবলৈ, আৰু সেইয়ে চেতনাৰ শেষ সীমালৈ— এইখিনিয়ে মোৰ কাৰণে যথেষ্ট যেন লাগে।"

গ্ৰীক শাসনকৰ্তা থেমিষ্টোক্লিজে মানুহ এজনক কৈছিল: "এনে এটি বুধি উলিওৱা যাৰ সহায়ত মানুহে মনত ৰখাতকৈ পাহৰিবহে পাৰে।" মানুহজনে লৈ গৈছিল কথা মনত ৰাখিব পৰা বুধি। কেতবিলাক লোকে অতিকৈ পাহৰে, অৰ্থাৎ যেতিয়া যি কয় বা কৰে কোনো এক ক্ষণতহে কয় বা কৰে, অলপ পিছতে তাৰ লগত মনৰ সংযোগ নোহোৱা হয়। এনে লোকৰ মনৰ বোজা তেনেই পাতল। এওঁলোকৰ আত্মজীৱনী লিখিবৰ প্ৰয়োজন নহয়। স্মৃতি নাইবা নথি নহ'লে আত্মজীৱনী লিখা সম্ভৱো নহয়।*

---

* শ্ৰীকনক চন্দ্ৰ কলিতা সম্পা. কণজৰ, ১ম/দশম/এপ্ৰিল, গুৱাহাটী, ১৯৮৯, পৃ. ১০

—০—

“দৰঙাৰ মেলা”

কিছুমান দিনৰপৰা জনসাধাৰণৰ জীৱনধাৰণৰ বিচিত্ৰ ফালবিলাকে মন আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছে। এই মানুহবিলাকৰ অভাৱ-অনাটন থাকিলেও তেওঁলোকৰ ভাব-চিন্তা, পিন্ধন-উৰণ এইবিলাকত লক্ষ্য কৰিবলগীয়া সমল বহুতো আছে। এইবিলাকৰ সন্ধানত মাঘ মাহৰ এদিন দুপৰীয়া অকস্মাৎ ৰঙিয়া জংচন পালোঁ। তেতিয়া চাবে বাৰমান বাজিছে। তাৰপৰা বোলে ভুটীয়া মেলালৈ যাব পাৰি। ভুটীয়া মেলা ক'ত যাক যাক সুধিলোঁ তাঁহাতে অধিককৈ ক'ব নোৱাৰিলে। কোনোবাই ক'লে ওদালগুৰিত, কোনোবাই বা ৰঙিয়াত। কোঁনফালে গ'লে সুবিধা— কেনেকৈ নে বাছেৰে ? কি ষ্টেচন ? এইদৰে ভবা-চিন্তা কৰি কিছু সময় উকলোৱাৰ পাছত অকস্মাৎ পুৰণি বন্ধু এজনক আন এখন ৰেলৰপৰা নমা দেখিলোঁ। তেওঁক ক'লোঁ, “ব'লক দৰঙা মেলালৈ যাওঁগৈ। হাজাৰ হাজাৰ ভুটীয়া নামে. বিৰাট মেলা।” তেওঁ ক'লে, “এহ, মোৰ আকৌ টংলালৈ যাব লাগে, কালিলৈ কুলিক দৰ্মহা দিব লাগিব। মই কেতিয়াও আকৌ যোৱাও নাই।” “ব'লক, ব'লক, এইদৰে হুৰমুৰাই নগ'লে যোৱা আৰু নহ'ব।” বন্ধুজনক ভৰালী বুলিয়েই কওঁ, মোতকৈ ডাঙৰ আৰু মোক তুমি বুলি মাতে।

“বাৰু ব'বাচোন, মোৰ লগতে আৰু এজন মানুহ আহিছে, তেওঁ এইবিলাকত অতি পাকৈত।”

মানুহজনে বা বিনোদে ক'লে, “মোৰো কাম আছিল। তাতে লগত টকা-পইচাও নাই।”

মই দেখিলোঁ অচিনাকি ঠাই, লগত কাৰোবাক নিনিলে নহ'ব। “বাৰু, ভাৰা মই দিম, তেওঁ ওলাওক।”

পিছে বাছ যাবগৈ চাৰিমান বজাতহে। বহুত সময় আছে। ভৰালী আৰু বিনোদ ভাত খাবলৈ গ'ল। মই আমিনগাঁৱতে আগেয়ে খাই থৈছিলোঁ। ঠিক নে চাৰে চাৰি বজাত বাছ চলিল। নেপালী, ভুটীয়া, অসমীয়া বিবিধ মানুহ, কাপোৰে-কানিয়ে কিম্ভুত-কিমাকাৰ। ভুটীয়াহঁতৰপৰা প্ৰতি খেপত ভাৰা অন্ততঃ তিনিটকা লয়। আনৰপৰা দুটকা আঢ়ৈ টকা। ৰঙিয়াৰ মাজেৰেগৈ বাছে দৰঙালৈ পোন বাট ল'লে। দূৰত্ব ত্ৰিশমাইল নে কিমান। দৰঙা ভোটান পাহাৰৰ পাদভূমিত, অলপমান ওখত। তাৰপৰা অসম-ভোটানৰ সীমা দেৱানগিৰি আৰু দহমাইলমান।

বাট কেঁচা, ধূলিবে ভৰা। মটৰ লাহে লাহে যায়। যাত্ৰী পালে উঠাৱো লয়। আমনি লাগে। বাহু মাজতে ভাৱোলপুৰত কিছু সময় ৰ'ব লাগে। তাৰপৰা বেৰিয়াইলমান গৈ কুম্বিকাটা। ইয়াতে ১৮৬৪ চনমানত ভোটান আৰু ইংৰাজৰ ৰণ লাগিছিল। ভোটানৰ সাকৰা "দুৱাৰ" অঞ্চল ইংৰাজে হাত কৰি লোৱা কাৰণেই খৰিয়াল লাগিছিল। দৰঙাত পাছতো যুদ্ধ হৈছিল। ইংৰাজ আৰু ভুটীয়াৰ প্ৰথম খৰিয়াল লাগে ১৭৭২ চনত, যেতিয়া ভুটীয়াবিলাকে কোচবিহাৰখন দাবী কৰি তাৰ ৰজাজনক ধৰি নিয়ে। পিছত তিব্বতৰ টিচু লামাৰ মধ্যস্থতাত সন্ধি স্থাপিত হয়। লক্ষ্য কৰিলোঁ বঙিয়াৰপৰা দৰঙালৈ এই বিৰাট ঠাই ভোখৰ তেনেই সমতল আৰু প্ৰায় সমান। মাজে মাজে সৰু সৰু নৈ, ক'ৰবাত শুকাই গৈছে। হাৰ্বি-জংগল তেনেকৈ নাই। দীঘল দীঘল আধা শুকান ঘাঁহবিলাক থিয় হৈ আছে। প্ৰথমতে কিছুমান কছাৰী গাঁও দেখিছিলোঁ। গৈ গৈ সন্ধিয়াৰ লগে লগে পালোঁগৈ মটঙা নদী, পুতলে এমাইলমান হ'ব, কিন্তু পানী এটোপাও নাই। তাৰ ওপৰেদিয়ে বাট গৈছে। পানীত খয় যোৱা শিলগুটি কিছুমান পৰি আছে। জোন ওলাবলৈ ধৰিছে। সিদিনা শুক্লপক্ষৰ চতুৰ্দ্দশী।

দৰঙা পাওঁতে আন্ধাৰেই হ'ল। হাটৰ শাৰী শাৰী ঘৰবিলাক দীঘ-পথালিকৈ থিয় হৈ আছে, মানুহ-দুনুহ বিশেষ নাই। মনটো অলপ সেমেকিল। ভুটীয়া মানুহো চকুত নপৰে দেখোন। সি যি নহওঁক ড্ৰাইভাৰক ভাৰা দি অতাই নিশাটো কেনেকৈ খপা যায় তাৰ কথা চিন্তা কৰিবৰ হ'ল। বিনোদৰ বোলে এজন চিনাকি দোকানী আছে। তেওঁক খবৰ কৰিবলৈ পঠালোঁ আমি এজন দেহোৱালীৰ দোকানত সোমাই মুখ-হাত ধুই চাহ খালোঁ। বঢ়িয়া পেয়াৰা দিছিল যদিও দাম অতিপাত।

তাৰপিছত বিনোদৰ বন্ধুৰ দোকোনখনলৈ গ'লোঁ। তাতে গধূলি হোৱাৰ লগে লগে দোকান-পাট বন্ধ কৰে, বিপদ-আপদো আছে, তাতে ভুটীয়াইত বোলে বৰ চোৰ। দোকানখনত চাৰি-পাঁচটা কুকুৰ দেখিলোঁ। মোৰ কুকুৰৰ লগত বিশেষ মিতিৰালি নাই। সেইকাৰণে অলপ অসুবিধা হৈছিল। তাতে তাহাত বিহে খিঙখিঙীয়া যেন পালোঁ।

দোকানীজন ৰবপেটাৰ, বয়স বত্ৰিশমান হ'ব, মানুহজন অলপ চৌখিন। আমাৰ আগতে মুখটো দুবেলি আচুৰিলে। অচিনাকি মানুহৰ ঘৰত এইদৰে ৰাতি বঞ্চিব লগীয়া হোৱাত অলপ অস্বস্তিবোধ কৰিলোঁ। তথাপি ভাবিলোঁ এইদৰে আদান-প্ৰদান নহ'লে চলে কেনেকৈ ? ৰাতিৰ ভাত-পানীৰ যোগাৰ হ'বলৈ দি ভাবিলোঁ অলপ বাহিৰৰ ফালৰপৰা চাই-চিতি অহা যাওঁক। দোকানীজনে ক'লে, ৰাতি ফুৰা ভাল নহয়, ৰাতিপুৱাৰ লগে লগে মানুহ-দুনুহ ভৰি পৰিব, ৰাতিটো জিৰাওক। তেতিয়া সময় দহটাৰ ওচৰাওচৰি। তথাপি নতুন ঠাই চাবিওফালে পাহাৰ, তাতে বাহিৰত শুক্লা চতুৰ্দ্দশীৰ জোনাক, নোলাইনো পাৰিনে ?

শাৰী শাৰী ঘৰবিলাকৰ দুৱাৰ জপোৱা। মাথোন পূৰফালে পাহাৰৰ কামত এঠাইৰপৰা

মানুহৰ কোলাহল ভাহি আহিছে। গানৰ সুৰ যেনো লাগিল। মেলাখনৰ একেবাৰে মূৰলৈ গৈ দেখিলোঁ যেৰৰ এপাৰী চাপৰ ঘৰৰ কামত একুৰি মানুহ। তাৰ ভিতৰত দুজনী ছোৱালী আৰু এজন আধবয়সীয়া মানুহে নাচিছে। ছোৱালী দুজনীৰ হাতত দুখন "টেঙ্কি" বীণৰ নিচিনা, তাঁৰ দুডালমানে জিলিজাল। কিন্তু অৱশ্যে যে এনে বিতোপন মাত ওলাব পাৰে দেখি আচৰিত হ'লোঁ। তাৰ টুং টাংবিলাক ছিগা ছিগা নহয়, বেহেলাৰ স্বৰৰ দৰে মিঠলীয়া, গভীৰ আৰু কৰুণ অথচ সজীৱ। বুঢ়াজনেতো প্ৰাণৰ আনন্দতে নাচিছে। ছোৱালী দুজনীয়ে কঁকাল ভাঙি ভাঙি এখন ভৰিৰ সমুখত আনখন ভৰি থৈ ঘূৰি ঘূৰি বেছ জোৰেৰে নাচিছিল। এজনী বেছি পাকৈত, তাইৰ বয়স কুৰি বছৰমান হ'ব। ছোৱালী কেইজনী ভুটীয়া, ঘূৰণীয়া মুখৰ, এজনী অকনমান ল'নী, লেতেৰা-পেতেৰা। কিন্তু তাহাঁতে আপোন পাহৰি আনন্দৰ স্পন্দন চতুৰ্দশীৰ জোনাকৰ লগত মিলাবলৈ চেষ্টা কৰিছিল। তাহাঁতে গাইছিল তিব্বতীয় গান, কিন্তু মই ধৰি লোৱাৰ দৰে অতে মঙ্গোলীয় বা আমাৰ বনঘোষাৰ লেখীয়া সুৰ নাপালোঁ। বেছ ঘনছন্দৰ কোয়াবাৰ দৰে ওপৰলৈ উঠি যোৱা মাত।

তাত মতা-মাইকী মানুহ প্ৰায় এশমানে জুম বান্ধিছে, ঠেলা-হেঁচাত ইজন-সিজনৰ গাত পৰে। ভুটীয়াবিলাক অতি অপৰিষ্কাৰ, মাজে মাজে দুই-এজন ওখ, অলপ মাৰ্জিত চেহেৰাৰ তিব্বতীয় লোক দেখিলোঁ। মানুহৰ দলটো প্ৰথমে দেখি মনত শঙ্কা যে হোৱা নাছিল এনে বুলি ক'ব নোৱাৰোঁ। তাতে মদো চলিছিল, বিশেষকৈ নচা আৰু গোৱাৰ কেইজনৰ মাজত। বুঢ়াজনৰ নো কোৰ কি চাবা ? কিছু সময় নচাৰ পিছত সি অকস্মাৎ চাকি এটালৈ চাৰিওফালে পইছা বিচাৰিবলৈ ধৰিলে। ততালিকে মানুহবিলাক ভাগিল। মোৰ পিছে ঠাইডোখৰ এৰিবৰ মন নোযোৱাত তাক পইছা দুঅনা দিলোঁ। সি চালাম এটা দি আনফালে গ'ল। সেইফালে কিবা খং উঠাত মানুহ এজনক চোঁচা মাৰি ধৰি ভুকুৱাই দৰৱাদৰৱি কৰিলে। কাৰবাৰটো তেনেই আসুৰিক। মোৰ গান শুনি তাৰ অৰ্থও উলিয়াবলৈ মন গৈছিল। ভুটীয়া এটা নে দুটাক হিন্দুস্থানীত সুধিলোঁ, একো বুজি নেপালে। আৰু এজন ডেকা মানুহেও বিশেষ একো ক'ব নোৱাৰিলে। শেষত অসমীয়া ড্ৰাইভাৰ এজনে অতিকৈ ৰস উপলব্ধি কৰা যেন মন কৰি সোধাত জানিব পাৰিলোঁ সেইবোৰ আনন্দৰ গান, অলপ অশ্লীলো। সি এফাকি কথাৰ অৰ্থ এইদৰে ভাঙিলে— ছোৱালীৰ উক্তি— "আমাৰ লগত নাচোঁতেই যদি ভাগৰ লাগে, তেনেহ'লে আৰু কি বিয়া সোমাবা ?"

ইতিমধ্যে মোৰ দুজন বন্ধুও সেইখিনি পাইছিলগৈ। এঘাৰমান বজাত উভতিলোঁ। ইফালে কিন্তু ভাত-পানী একোৰে যোৱা নাই। পুৰুষ মানুহৰ কাৰবাৰ। সৌভাগ্যবশতঃ অলপ মাংসৰ যোগাৰ কৰা হৈছিল। দোকানীজনে ভুটীয়াবিলাকৰ কাপোৰ-কানি, কস্তুৰী, কুকুৰ আদি কিনি আন মানুহক দিয়ে। তাত সেইবিলাক বস্তু অলপ সস্তা। অন্ততঃ ভোটানৰ ৰপ্তানী বুলি বিশেষত্বপূৰ্ণ। তেওঁ মিঠাই কৰিও বেচে অলপ-চলপ। তাতৰ চুলাটোত মাহমহীয়া ৰাতি জুই পুৰাবলৈ বেয়া নালাগে। আমি তাত থাকোঁতেই তাত "বাবা"

একজনৰ আৱিৰ্ভাব হ'ল। বাবাৰ হাতত ভাঙৰ চিলিম। তেওঁৰ বয়স চল্লিশমান হ'ব পাৰে। চকুত উজ্জ্বল ভাব এটা আছিল যদিও মানুহজনক দেখিলে বিশেষ শ্ৰদ্ধা নোপোজে। সেইটো যোৰো ভাব হ'ব পাৰে। তেওঁ ভাঙৰ লগত কস্তুৰী মিহলালে খাবলৈ কেনে উপাদেয় হয় আমাক তাৰ আভাস দিলে। এই আওহতীয়া ঠাইতো সন্ন্যাসী-ফকিৰৰ দৰ্শন লাভ কৰি মনত বিশেষ তৃপ্তি নাপালোঁ। মানুহজনে হিন্দুস্থানী কৈছিল যদিও উচ্চাৰণৰপৰা পাঞ্জাবী যেন লাগিল।

পিছদিনা পুৱা নিচেই ওচৰেদি বৈ থকা শীৰ্ণা দবঙা নৈত মুখ-হাত ধুই আহিলোঁগৈ। তাৰপিছত আঠমান বজাৰপৰা দূৰৈৰ পাহাৰৰ গা বগাই ভুটীয়াবিলাক আহিবলৈ ধৰিলে। পাহাৰী বাটেদি আহি সিহঁতে হাবি এখনৰ মাজেদি দেখা দিয়ে। ঠিক তাতেই সৰু নৈ এখনি। নৈখনৰ সিপাৰে খেৰেদি সজা সৰু ভুটীয়া থানা। তাত পুলিচ থাকে। নমান বজাত ভুটীয়া যথেষ্ট আহিল। মতা-মাইকী, ল'ৰা-ছোৱালী ঠঙাৰে মেৰিয়াই ৰখা অলেখ মলিয়ন শৰীৰ। পিছে শত মলিয়েও সিহঁতৰ গালৰ ৰঙখিনি লুকাব খোজা নাছিল। প্ৰত্যেক মানুহৰ লগত অলপ কিবা বস্তু, হয়তো এটা কুকুৰ পোৱালী, নহয় পখৰা কাপোৰ এখন, বা আন কিবা এটা। কোনোবাই আনিছে দা-কটাৰী, কোনোবাই কাঠৰ টৈমা, কোনোবাই কৰ্কালত বান্ধিব পৰা গৰম পটী। তাৰ উপৰি খোজত কিৰিঙতি ওকবাব পৰা জাকে জাকে তেজী গৰু আৰু অস্থিৰ পাহাৰী ঘোৰা। গৰুবিলাকৰ শিং কপালৰ ওপৰত লগাই থোৱা যেন দেখি। ভুটীয়া কাপোৰৰ ভিতৰত ভাল লাগিল তিনিখন দীঘলীয়া কাপোৰ একে জাপে সুন্দৰ সুন্দৰ ৰং দিয়া আৰু ফুল তোলা একৰকম বস্তু, যাক আমাৰ পৰ্দাও কৰিব পাৰি বা বিছনাতো পাৰিব পাৰি। কেতবোৰ কাপোৰৰ কিচ্‌কিচীয়া ক'লা পটভূমিৰ ওপৰত থকা উজ্জ্বল হালধীয়া ফুলবোৰ সোণ যেন দেখা হৈছিল। এইবোৰৰ দাম তিনিকুৰিৰ ওচৰ। মই সস্তীয়া বিধৰ দুই নে এখন কিবাকিবি আনিলোঁ। পিছে আন ঠাইৰপৰা অকস্মাৎ গৈ নিজে কিনাকুটা কৰিলে ঠগিব লাগে। তাত বিবিলাকে বেপাৰ কৰে তেওঁলোকে ভুটীয়া মাত-কথা শিকি লয়। ভুটীয়া দুই-চাৰিয়েও অসমীয়া জানে। মোক কাপোৰ কিনি দিলে যাৰ ঘৰত আলহী আছিলোঁ সেই দোকানীজনেই। নগদ টকা বিচাৰিও তেওঁৰ শৰণ পশিবৰ বাধ্য হ'লোঁ, কিয়নো তাত নোট নচলে; ভুটীয়াবিলাকে নগদ টকাহে লয়। মোৰ বিশ্বাস দোকানীজনে মোক বস্তু কিনি দিওঁতে দুই-চাৰি টকা লাভ কৰিলে। মই বুজিও নুবুজা যেন হৈ থাকিলোঁ, কাৰণ হোটেলত থাকিলেওতো এসাজ বা দুসাজ ভাতৰ কাৰণে সেইখিনি দিবলগীয়া হয়।

দুপৰীয়া ব'দ উঠি আহিল। ভাত-পানীৰ তেতিয়াও কোনেও নামেই উলিওৱা নাই। ইতিমধ্যে মোৰ লগৰীয়া দুজনো নাইকিয়া হ'ল। তেওঁলোকে আগদিনা ৰাতি হেনো পাহাৰৰ ভিতৰত ক'ৰবাত এটা প্ৰকাণ্ড কুকুৰ থকা বুলি গম পাইছিল। সেইটোৰ সন্ধানত চাবলৈ গ'ল। নাইবা আন কিবা বিচাৰিও যাব পাৰে। মুঠৰ ওপৰত মই অকলে ব'লোঁ। এনেতে দোকানীজনে মোক ক'লে যে এই সময়তে যাহুত নুঠিলে পিছলৈ পলুলি হ'ব।

আৰু সেইদিনাই গুৱাহাটী পোৱা বৰ টান হ'ব। পিছদিনা আকৌ মোৰ কলেজ আছে। অগত্যা ভাত-পানী নোখোৱাকৈ আৰু অকলেই দৰঙা ত্যাগ কৰিলোঁ। আহিবৰ মন যোৱা নাছিল। আকৌ যাব লাগিব, পাৰিলে দৰঙাৰ পাছেদি ভোটানৰ ভিতৰৰ গাঁৱলৈকো যাব লাগিব মনত এনে ধৰণৰ চিন্তা লৈ উভতিলোঁ।*

---

* *বিহ্বৰন*, দ্বিতীয় বছৰ, পাঁচশাসা, ১৯৫১

—০—

"'বড়ো-কছাৰীৰ ভাষিক জাগৰণ"

****

ভাষা একালত কথিত ৰূপতহে থাকে, সময়ত বৰ্ণমালাৰ ব্যৱহাৰ সোমায়। চিন্তা-চৰ্চা বাঢ়িবলৈ ধৰিলে আৰু আন ভাষাৰ সাহিত্যৰ সংস্পৰ্শলৈ আহি লিখিত ভাষা নথকা গোষ্ঠীয়েও বৰ্ণমালাৰ সহায়ত কিতাপ-পত্ৰ ৰচনা কৰিবলৈ যত্ন কৰে। আজি কেইদশকমানৰপৰা বড়ো-কছাৰীসকলেও কিতাপ-পত্ৰ ৰচনা কৰিবলৈ ধৰিছে। চেষ্টাৰ অসাধ্য একো নাই, সময়ৰ লগে লগে নিশ্চয় এনে ৰচনাৰ মানো উন্নত হ'ব।

সকলো শিক্ষিত কছাৰীয়ে তেওঁলোকৰ ওচৰে-কাষৰে থকা চুবুৰীয়াসকলে ব্যৱহাৰ কৰা অসমীয়া ভাষা জানে আৰু দৰ্কাৰ বুজি ব্যৱহাৰো কৰে। প্ৰথম ভোখৰত তেওঁলোকৰ নিজৰ আলোচনী নাইবা কিতাপ নথকাত তেওঁলোকৰ যি দুই-চাৰিয়ে মনৰ ভাব-চিন্তা ব্যক্ত কৰিবলৈ যত্ন কৰিছিল, এওঁলোকে অসমীয়া ভাষাৰে সহায় লৈছিল। মই বিমান দূৰ জানো সম্ভৱ কীৰ্তিনাথ দাসেই (খাখলাৰী ?) প্ৰথমে নিজৰ গোষ্ঠী সম্পৰ্কে কিছু মতামত প্ৰকাশ কৰিছিল ১৯১৭ চনৰ 'বাঁহী' আলোচনীত। তেওঁ 'কছাৰী জাতিৰ বিবৰণ' নামেৰে ৰচনা এখনত এইদৰে মন্তব্য কৰিছিল : 'কচাৰী এটা সম্পূৰ্ণ জাতি। কাৰণ যি জাতি মানুহে প্ৰায় সকলো কামকে কৰিব পাৰে সিয়েই সম্পূৰ্ণ জাতি। কচাৰী কুলি কামৰ উপযুক্ত, কচাৰী সৈনিক কামৰ উপযুক্ত, কচাৰী উপযুক্ত সেনানায়ক। কচাৰী উৎকৃষ্ট খেতিয়ক, বহু পৰিশ্ৰমী, কচাৰী জাতি শিল্পী জাতি। আসামৰ গৃহশিল্প মুগা, পাট আৰু এৰিৰ লালন-পালনত আসামৰ ভিতৰত কচাৰী সকলোতকৈ আগবঢ়া।'

[মই বড়ো-কছাৰী আৰু কছাৰী দুয়োটা শব্দ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰিছোঁ।]

এইদৰে মাজে-সময়ে কছাৰী লিখকে অসমীয়া ভাষাৰ জৰিয়তে আত্মপ্ৰকাশ নকৰাকৈ থকা নাই। বিষ্ণুপ্ৰসাদ ৰাভাৰ নাম আটাইৰে মুখে মুখে। উপন্যাস এখনৰ বাহিৰে আন সাৰ্থক ৰচনা বিশেষ এৰি নগ'লেও বিভিন্ন সম্প্ৰদায়ৰ মানুহৰ লগত মিলিজুলি আৰু ভাৱণ আদিৰ জৰিয়তে এওঁ অসমৰ সমূহীয়া সংস্কৃতিৰ হকে যথেষ্ট অৰিহণা দি গ'ল। সম্প্ৰতি সম্ভৱ মেদিনী চৌধুৰী এনে কছাৰী লিখক যিজনে 'অনন্য প্ৰান্তৰ', 'তাত নদী নাছিল' আদি উপন্যাস ৰচনা কৰি অসমীয়া সাহিত্যত যথেষ্ট প্ৰতিষ্ঠা আৰ্জিব পাৰিছে।

বগুৰিগাঁওবাসী স্বৰ্গীয় সীতানাথ ব্ৰহ্ম চৌধুৰীৰ ৰচনা সৰহ নহ'লেও কবিৰূপে তেওঁৰ খ্যাতি নথকা নহয়। এওঁৰ জীৱনৰ সৰহকাল স্কুল-কলেজ স্থাপন, লোকেল বোৰ্ডৰ দায়িত্ব, পাৰ্লিয়ামেণ্টৰ কাৰ্য্য আদিত অতিবাহিত হয়। এওঁৰ কবিতা যাইকে আগবয়সত ৰচনা কৰা, এই শতিকাৰ তৃতীয়, চতুৰ্থ দশকমানত। চেঙেৰা কালত ধুবুৰী হাইস্কুলত পঢ়ি থকা সময়ত এওঁ পুলিচ বিষয়া কবি আনন্দ চন্দ্ৰ আগৰৱালাৰ সান্নিধ্য লাভ কৰে। ধুবুৰীত বহা ১৯২৬ চনৰ সাহিত্য সভাৰ অধিৱেশনত তেওঁ লক্ষ্মীনাথ বেজবৰুৱা আদি গণ্যমান্য লোকৰ লগত চিনাকি হয়। বেজবৰুৱাই তেওঁক 'বাঁহী'ত লিখিবলৈ উদগনি দিছিল।

ব্ৰহ্ম চৌধুৰীৰ প্ৰথম প্ৰকাশিত কিতাপ সম্ভৱ 'কমল-কলি' (১৯২৫), পঁইত্ৰিশটা গীতি-কবিতাৰ সংগ্ৰহ। এই সংগ্ৰহৰ কবিতা ভগবানত ভাৰসা, শোক-বিৰহ, প্ৰকৃতি, উদগনি, আত্মপ্ৰত্যয় আদি বিবিধ বিষয়ৰ আধাৰত ৰচিত। ছন্দত মাজে মাজে ৰাবীন্দ্ৰিক স্পন্দন অনুভৱ কৰিব পাৰি। স্বদেশৰ বুৰঞ্জীত কবিয়ে পাইছে দেশাত্মবোধৰ আৰ্হি :

উদ্দীপনা সুধা-গীতি
দেশাত্মবোধৰ স্মৃতি
জীৱন প্ৰভাত সি যে
পাঞ্চজন্য ধ্বনি;
অতীৱ নীৰৱ কৰ্মী
জাতীয় জীৱন-স্বামী
অতীত আমাৰে ভাই
জনক জননী। (বুৰঞ্জী)

'বাঁহী'ত ওলাইছিল পিছলৈ 'ফুলেশ্বৰী দৈমাৰী'ত সংগৃহীত কেইবাটাও উচ্চ গীতি-গুণসম্পন্ন কবিতা (১৯৭৬)। ফুলেশ্বৰী দৈমাৰীয়ে তেওঁৰ প্ৰেমাস্পদক নিমন্ত্ৰণ জনাইছে এইদৰে :

নগৰৰপৰা আহিবা বন্ধু, তিনি যোজনৰ বাট,
গাঁও দুটি এৰি উত্তৰ পশ্চিমে পাবা গৌৰাঙৰ ঘাট।
সোঁফালে শালনিজাৰ, এৰি যাবা তাৰো পূবফালে,
বাওঁফালে পাবা আঁহত এজোপা, তাতে গৰখীয়া খেলে।
উত্তৰমুখে পাবা মোৰ গাঁও বাঁহৰ জাৱণি হেন,
পদুলিতে মোৰ নাৰিকল গছ মনোমোহা ছবি যেন।

গাঁৱৰ প্ৰাকৃতিক পৰিবেশৰ কি বিতোপন ছবি! ফুলেশ্বৰী দৈমাৰীক কেন্দ্ৰ কৰি ৰচা কবিতাকেইটি মনোৰম, পঢ়ি উঠি আকৌ এবেলি পঢ়িবৰ মন যায়। ব্ৰহ্ম চৌধুৰীৰ আন দুখন কবিতাৰ পুথি 'আবেগ' আৰু 'চকুলো'। এই দুখন মই পঢ়িবলৈ সুযোগ পোৱা নাই।

চিন্তাশীল কছাৰী গদ্যলিখকৰ ভিতৰত সত্তৰ দশকৰ ওচৰৰ লালপাৰা গাঁৱৰ অনিবাম বসুমতাৰী আটাইতকৈ উল্লেখযোগ্য। মোৰ বিবেচনাত বামপন্থী চিন্তাধাৰা সাৰ কৰি অসমীয়া ভাষাত যি কিতাপ ওলাইছে তাৰ ভিতৰত বসুমতাৰীৰ 'সমাজ আৰু শাসননীতি' (১৯৫৭) মূল্যবান। এওঁৰ আন কিতাপ 'কৃষ্টি'। এওঁৰ বিশিষ্টতা হ'ল তেওঁ মাৰ্ক্স নাইবা এঙ্গেলছৰ নাম স্মৰণ নকৰে; বিদেশী তথা নিজে হজম কৰি সৰল যুক্তিপূৰ্ণ ঠাঁচত প্ৰকাশ কৰিবলৈ যত্ন কৰে।

বসুমতাৰীৰ 'কৃষ্টি' সংস্কৃতি, সাহিত্য, সঙ্গীত, চিত্ৰকলা আদি বিষয়ৰ তাত্বিক আলোচনা; ই নিজৰ অধ্যয়ন আৰু অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি ৰচা, বামপন্থী চিন্তাৰ ভাৱ ইয়াত তেনেকৈ নাই। ৰচনাভঙ্গী প্ৰাঞ্জল, তাত ভাবালুতা নাইবা অস্পষ্টতা কম। কিতাপখন সাহিত্য-সংস্কৃতিৰ ছাত্ৰই পাঠ কৰা যুগুত যেন লাগে। 'সমাজ আৰু শাসননীতি'ৰ চিন্তা বামপন্থী, কিন্তু তাত সমাজ বিৱৰ্তনৰ যি বিৱৰণ পায় সি অতি সহজবোধ্য। যি খেতিয়ক-মজদুৰে চহকীৰ ভোগৰ সামগ্ৰী উৎপাদন কৰে সেই লোকৰ সাংসাৰিক অৱস্থা, কেনে অন্তৰ পৰশাকৈ বৰ্ণাইছে লক্ষ্য কৰক :

"তেওঁলোকৰ জাৰত উৰিবলৈ কাপোৰ নাই। তিনিমূৰীয়া পাক খাই কেঁচুৱাটি বুকুত সাৱটি লৈ কঁপি কঁপি থাকে নাইবা জুই পুৱাই গাল-মুখ চিবাচিব হয়। জহৰ দিনত আঠুৱা নাই— মহৰ কামোৰত ছটফটাই থাকে।....গতিকে অভাৱৰ হেঁচাত বাধ্য হৈ খেতিয়ক-বনুৱাৰ ল'ৰা-ছোৱালীয়ে উমলি-যামলি আৰু কণ কণ ভায়েক-ভনীয়েকহঁতক ওমলাই ডাঙৰ হয়। অলপ ডাঙৰ হ'লে পৰৰ ঘৰত চাকৰ-চাকৰণী খাটিবলৈ বাধ্য হয়। এইদৰে আৰ্থিক সম্বলৰ অভাৱত আৱশ্যকীয় শিক্ষা লাভ কৰিব নোৱাৰি তেওঁলোকৰ কোনো কোনোৱে উচ্ছৃংখল হৈ দুৰ্ভোগ ভোগে। আৰ্থিক সম্বলৰ অভাৱৰ কাৰণেই তেওঁলোকৰ ভিতৰত থকা মানৱসুলভ প্ৰতিভা মৰহি গৈ লোপ পায়।"

এজন কছাৰী লিখকৰ নাম এই প্ৰসঙ্গত উল্লেখ নকৰিলে অন্যায় কৰা হ'ব। তেওঁ হ'ল অলপ দিন আগেয়ে স্বৰ্গী হোৱা মোৰ বিশিষ্ট বন্ধু ভবেন নাৰ্জি (নাৰ্জী)। শিক্ষা সৰহ নাথাকিলেও এওঁ আছিল মেধাবী আৰু অধ্যয়নশীল লোক। বড়ো সমাজ-সংস্কৃতি, গীত-পদ আদি বিষয়ৰ ওপৰত ৰচনা কৰা এওঁৰ কিতাপ আমাৰ ভাষাৰ মূল্যবান সম্পদ। এই লিখকসকলৰ অসমীয়া গদ্য দলিয়াই পেলাবলগীয়া নহয়; এওঁলোকৰ ৰচনাত কদাচিৎ ব্যাকৰণ নাইবা বানানৰ ভুল দুই-চাৰি চকুত পৰে। এনে ভুল অ-বৰো লিখকৰ ৰচনাতো দেখিবলৈ পোৱা যায়। বেজবৰুৱাই কীৰ্তি দাসৰ ৰচনাখন যেনেকৈ পাইছিল প্ৰায় তেনেকৈয়ে ছপাইছিল।

মই ক'ব খোজা নাই যে কছাৰীসকলে তেওঁলোকৰ ভাষাত আত্মপ্ৰকাশ নকৰি আন ভাষাত কৰক। কিন্তু আন ভাষাত নাইবা আনৰ ভাষাত লিখা কিতাপবোৰ সম্মান নথকা নহয়, যেনে মেদিনী চৌধুৰী আৰু ভবেন নাৰ্জিৰ কিতাপৰ। অসমীয়া ভাষাৰ এটি গৌৰৱ—

'পৃথিৱীৰ হাঁহি' নামৰ উপন্যাসৰ লিখক লুম্মেৰদাই অৰুণাচলবাসী আবৰ-আদি লোক। কাৰ্বি, তিৱা আদিসকলৰ মাজতো ভাল অসমীয়া ৰচনাকাৰ নথকা নহয়।

কছাৰী ভাষাত এসময়ত কিতাপ-পত্ৰ নাছিল, এতিয়া ওলাবলৈ ধৰিছে, যেনে : মনোৰঞ্জন লাহৰীৰ গল্প আৰু কবিতা, কামেশ্বৰ ব্ৰহ্মৰ সমাজ সম্বন্ধীয় 'বড়োনি হাবিমু', দুই-একে উপন্যাস আৰু নাটক ৰচিছে, কোনোবা এজনে ওমৰ খৈয়ামৰ ৰুবাইতবো অনুবাদ কৰিছে। পাঠ্যপুথিও ওলাবলৈ ধৰিছে। অনাহাতে মোহিনী ব্ৰহ্ম আৰু সুকুমাৰ বসুমতাৰীৰ দৰে লোকে পৰম্পৰাগত মেথাই আৰু চল'বাথা আদিও সংগ্ৰহ কৰি ৰাইজৰ সমুখত উলিয়াই দিছে। এনেধৰণৰ কাম সজীৱতাৰ লক্ষণ, মাথোন কথা হৈছে— বৰো-কছাৰীয়ে আমি বেলেগ লোক, আমাৰ সংস্কৃতি সুকীয়া, এইবুলি যেন চৌপাশে থকা বৃহত্তৰ জগতখনৰপৰা নিজক আঁতৰাই নিনিয়ে। হোৱা যুগুত কৰিয়ে কোৱাৰ দৰে :

বিশ্বৰ সইতে য'ত ভাবৰ বন্ধন
*সেয়ে মোৰ জীৱনৰ ধৰ্ম সনাতন।** — ভূঞা

*প্ৰফুল্লদত্ত গোস্বামীৰ অন্য ৰচনা, চন্দ্ৰপ্ৰকাশ শইকীয়া সম্পাদিত গৰীয়সীত প্ৰকাশিত, ১ম/এপ্ৰিল, ৭ম সংখ্যা, ১৯৯৪, পৃ. ২০-২১

— ০ —

প্ৰফুল্লদত্ত গোস্বামীৰ জীৱনৰ বিশেষ ঘটনাপঞ্জী

১৯১৯, ১৮ মাচ :	তেওঁৰ জন্ম দিন।
১৯২৫, ২মাৰ্চ :	পিতৃ সিংহদত্তদেৱ অধিকাৰীৰ মৃত্যু।
১৯৩৮ :	ৰঘুনাথ চৌধাৰীৰ প্ৰেৰণাত গঢ়ি উঠা প্ৰগতি সমিতিৰ সম্পাদক।
১৯৪০ :	কটন কলেজৰপৰা ইংৰাজীত অনাৰ্চ সহ বি.এ. পাছ।
১৯৪৩ :	প্ৰথম বিবাহ।
১৯৪৪ :	কলিকতা বিশ্ববিদ্যালয়ৰপৰা এম্.এ. উপাধি লাভ আৰু জগন্নাথ বৰুৱা কলেজত যোগদান।
১৯৪৫ :	কটন কলেজত যোগদান।
১৯৪৬ :	তেওঁৰ প্ৰথম কিতাপ 'মহাত্মা গান্ধী' প্ৰকাশ।
১৯৪৮ :	গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য আৰু বি.টি. বিভাগৰ ইংৰাজীৰ প্ৰবক্তা নিযুক্ত।
১৯৫০ :	গুৱাহাটী বিশ্ববিদ্যালয়ৰ জাৰ্নেলৰ সম্পাদক।
১৯৫০ :	দ্বিতীয় বিবাহ।
১৯৫৩ :	জুলাই মাহত গুৱাহাটী বিশ্ববিদ্যালয়ত গৱেষণা গ্ৰন্থ দাখিল।
১৯৫৫ :	ডি.ফিল. উপাধি লাভ।
১৯৫৮ :	লণ্ডন যাত্ৰা, ইউৰোপ ভ্ৰমণ।
১৯৬০ :	গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা তেওঁৰ গৱেষণা গ্ৰন্থ 'Ballads and Tales of Assam' প্ৰকাশ।
১৯৬১ :	শ্ৰীনগৰত অনুষ্ঠিত ইংৰাজী ভাষা শিক্ষণ অনুষ্ঠানত যোগদান।
১৯৬২ :	মধ্যপ্ৰদেশৰ পাচমাঢ়ীত এমাহৰ বাবে অভিনয়ৰ শিক্ষা লাভ।
১৯৬১-৬৩ :	অসম একাডেমিৰ সচিব আৰু *The Assam Quarterly* - ৰ সম্পাদক।

১৯৬৫ :	নেপাললৈ যোৱা সাংস্কৃতিক দলৰ দলপতি।
১৯৬৬ :	Visiting Professor হিচাপে আমেৰিকাত শিক্ষকতা, জাপান ভ্ৰমণ।
১৯৬৯ :	Folklore Society of Assam -ৰ প্ৰতিষ্ঠাপক সভাপতি।
১৯৭১ :	ৰাছিয়া ভ্ৰমণ।
১৯৭২ :	গুৱাহাটী বিশ্ববিদ্যালয়ত স্বতন্ত্ৰ লোকসংস্কৃতি বিভাগ স্থাপন আৰু এই বিভাগৰ প্ৰথম প্ৰধান অধ্যাপক।
১৯৭৫-৭৬ :	শ্বিলঙত প্ৰতিষ্ঠিত North-East India Council for Social Science Reseaerch -ৰ সভাপতি।
১৯৮০ :	North-Eastern Language Society -ৰ সভাপতি।
১৯৮১ :	গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি বিভাগৰপৰা অৱসৰ গ্ৰহণ।
১৯৮৮ :	Bohag Bihu of Assam and Bihu Songs প্ৰকাশ।
১৯৮৯ :	আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সস্থাৰ Governing Council -ৰ উপ-সভাপতি আৰু Executive Committee -ৰ সভাপতি।
১৯৯১ :	গুৱাহাটী বিশ্ববিদ্যালয়ৰদ্বাৰা Emeritus Professor -ৰ সন্মান প্ৰদান।
১৯৯৪, ১৯ নৱেম্বৰ :	মৃত্যু।

প্ৰফুল্লদত্ত গোস্বামীৰ নিৰ্মিতিৰাজি

অসমীয়া

সাহিত্য আৰু সমালোচনা ঃ

মহাত্মা গান্ধী (১৯৪৬)
এই যুগৰ সাহিত্য (১৯৪৭)
সাহিত্য আৰু জীৱন (১৯৫৫, ১৯৫৭)

সম্পাদনা ঃ

ৰুক্মিণীহৰণ নাট (১৯৪৮)
কামিনীকান্তৰ চৰিত্ৰ (১৯৬০)
মাধৱ-সুলোচনা (যুটীয়াভাৱে সম্পাদিত, ১৯৬০)
কমলাকান্ত ভট্টাচাৰ্যৰ ৰচনাৱলী (১৯৮০)
অসমীয়া একাঙ্কিকা আৰু পিয়লি ফুকন (নেচনেল বুক ট্ৰাষ্ট প্ৰকাশিত, ১৯৮৫)
পদ্মাৱতী দেৱী ফুকননী-ৰচনাৱলী (১৯৯৪)

জনকৃষ্টি বিষয়ক ঃ

অসমীয়া জন-সাহিত্য (১৯৪৮)
অসম দেশৰ সাধু (১৯৬২)
বাৰমাহৰ তেৰ গীত (১৯৬২)
মণিকোঁৱৰ আৰু ফুলকোঁৱৰ (সম্পাদিত, ১৯৭১)
বৰো-কছাৰী ছ'ল (যুটীয়াভাৱে সম্পাদিত, (১৯৭২)
বহাগ বিহুৰ বাৰেবৰণীয়া ছবি (সম্পাদিত, ১৯৭৫)
জাপানৰ জনকৃষ্টি আৰু অন্যান্য ৰচনা (১৯৮৪)
টেঁটকুটি (১৯৮৭)

কাহিনী ঃ

বিলাতী হোজা (১৯৪৮)
শেষ ক'ত ? (উপন্যাস, ১৯৪৮)

কেঁচা পাতৰ কঁপনি (উপন্যাস, ১৯৫২)
ভেজাল সোণ (গল্প, ১৯৫৫)
নিজে নৰ ৰূপ তাৰ (গল্প, ১৯৬০, ১৯৬২)
গল্প ঃ দেশী আৰু বিদেশী (সম্পাদিত, ১৯৬০)
বিদেশী গল্প (যুটীয়ভাৱে, ১৯৮৫)

ভ্ৰমণ কাহিনী ঃ

বিলাতত সাতমাহ (১৯৫৯)
সোণ-ৰূপৰ নহয় সি দেশ (১৯৬২)
পৃথিৱীৰ চৌপাশে এপাক (১৯৬৭)
মোৰ বাহিৰা ভ্ৰমণ (১৯৭৪)

জীৱনী ঃ

ইউৰোপৰ মনীষী পাঁচগৰাকী (১৯৫৭)
ইউৰোপৰ মনীষা (১৯৬৭)
মাণিকচন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ (১৯৭০)
মাণিকচন্দ্ৰ বৰুৱা (১৯৭৭)
যীৰ এজন পৰিল (১৯৭৮)
এটি জীয়া কাহিনী (১৯৭৯)

পক্ষী বিজ্ঞান ঃ

চৰাই বিনন্দীয়া (১৯৭০)

ইতিহাস ঃ

প্ৰাচীন সভ্যতা (যুটীয়াভাৱে, ১৯৬০)
যুবতী আৰু সংস্কৃতি (১৯৮৫)

অনুবাদ ঃ

চোফোক্লিজৰ এণ্টিগনি (১৯৬৭)
মেকিয়াভেলিৰ ৰজা (১৯৬৪)
একাকিকা (যুটীয়াভাৱে, ১৯৬২)

অপ্ৰকাশিত ঃ

মনৰ পখী উভতি উৰে (আত্মজীৱনী)

ইংৰাজী

Literature and Education :

Assamese Drama : An Outline, 1960
On the Teaching of English, 1961
The Teaching of English, 1962
Teacher's Handbook, 1962
Fiction in Assamese, 1963

Folklore :

Folk-literature of Assam, 1954
Bihu Songs of Assam, 1957
Assamese Dance : An Outline, 1960
Ballads and Tales of Assam, 1960
The Springtime Bihu of Assam, 1966
The Indian chapter in Folktales told Around the World (Univ. of Chicago Press), 1975
Songs and Tales of North-Eastern India, 1982
Tales of Assam, 1980
Essays on the Culture and Folklore of N.E. India, 1982
Folktales of India (Jointly edited), Published by the University of Chicago Press, 1987
Bohag Bihu of Assam and Bihu Songs, 1988
Festivals of Assam, 1995 (Posthumous Publication)

লিখক-লিখিকা-পৰিচিতি

ড০ অশোক কুমাৰ গোস্বামী ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক। অসম জনকৃষ্টি সমাজৰ সদস্য।

ড০ বীৰেন্দ্ৰনাথ দত্ত ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক। বৰ্তমান তেজপুৰ বিশ্ববিদ্যালয়ৰ ট্ৰেডিচনেল কালচাৰ এণ্ড আৰ্ট কৰ্মচ্ বিভাগৰ অধ্যাপক আৰু উপদেষ্টা। অসম জনকৃষ্টি সমাজৰ সদস্য।

নৱকান্ত বৰুৱা ঃ কটন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি।

ড০ বিশ্বনাৰায়ণ শাস্ত্ৰী ঃ অসম জনকৃষ্টি সমাজৰ উপদেষ্টা। কামৰূপ অনুসন্ধান সমিতিৰ সভাপতি।

অতুল চন্দ্ৰ বৰুৱা ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু অসম জনকৃষ্টি সমাজৰ সদস্য।

ড০ কালীনাথ শৰ্মা ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীবিদ্যা বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক।

ধৰণীধৰ চৌধুৰী ঃ অসম সাংস্কৃতিক সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত সঞ্চালক। অসম জনকৃষ্টি সমাজৰ কোষাধ্যক্ষ।

ড০ গোবিন্দ প্ৰসাদ শৰ্মা ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক।

যতীন গোস্বামী ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি। অসম জনকৃষ্টি সমাজৰ সদস্য।

ৰূপম বৰুৱা ঃ বিশিষ্ট সাংবাদিক।

আজিমুননিছা পিৰাৰ ঃ অসম জনকৃষ্টি সমাজৰ সদস্যা।

ড০ থানেশ্বৰ শৰ্মা ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ ৰীডাৰ।

নীৰু গোস্বামী ঃ প্ৰফুল্লদত্ত গোস্বামীৰ সহধৰ্মিনী।

দীপালী শৰ্মা ঃ প্ৰফুল্লদত্ত গোস্বামীৰ সৰুজীয়া ভনী।

নগেন বৰুৱা ঃ অৱসৰপ্ৰাপ্ত অভিযন্তা।

ড০ গীতা গোস্বামী ঃ কালিৰাম বৰুৱা কন্যামহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা।

ভুবনেশ্বৰ শৰ্মা ঃ অসম ৰাজ্যিক চিৰিয়াখানাৰ বিষয়া।

ড০ নবীন চন্দ্ৰ শৰ্মা ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিভাগৰ মুৰব্বী অধ্যাপক। অসম জনকৃষ্টি সমাজৰ সাধাৰণ সম্পাদক।

ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য ঃ গুৱাহাটীৰ বি.বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ। অসম জনকৃষ্টি সমাজৰ সভাপতি।

ড০ অঞ্জলি শৰ্মা ঃ গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা।

শশী শৰ্মা ঃ নলবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক।

ড০ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যাপক। অসম জনকৃষ্টি সমাজৰ সদস্য।

ড০ ভুবনমোহন দাস ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক। অসম একাডেমীৰ সভাপতি।

ড০ কিশোৰ ভট্টাচাৰ্য্য ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিভাগৰ প্ৰবক্তা। অসম জনকৃষ্টি সমাজৰ সদস্য।

ড০ দিলীপ কুমাৰ কলিতা ঃ আনন্দৰাম বৰুৱা ভাষা-সংস্কৃতি সংস্থাৰ লোকসংস্কৃতি আৰু মৌখিক পৰম্পৰা বিভাগৰ চিনিয়ৰ বিচাৰ্চ ফেল'। অসম জনকৃষ্টি সমাজৰ সদস্য।

ড০ দুৰ্গেশ্বৰ শৰ্মা ঃ গুৱাহাটীৰ আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক। অসম জনকৃষ্টি সমাজৰ সদস্য।

কনক চন্দ্ৰ চহৰীয়া ঃ গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা। অসম জনকৃষ্টি সমাজৰ সদস্য।

ড০ বসন্ত কুমাৰ ভট্টাচাৰ্য্য ঃ নলবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক।

ড০ মালিনী গোস্বামী ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ।

ড০ কৃষ্ণ কুমাৰ মিশ্ৰ ঃ শিৱসাগৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক।

ড০ ভৃগুমোহন গোস্বামী ঃ উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক। অসম জনকৃষ্টি সমাজৰ সদস্য।

ডঃ বাণীকান্ত শৰ্মা ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ মুৰব্বী অধ্যাপক।

ডঃ যোগেন বায়ন ঃ ৰেলওৱে বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া।

ভৱপ্ৰসাদ চলিহা ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ। অসম জনকৃষ্টি সমাজৰ সদস্য।

ডঃ উমেশ ডেকা ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ।

ডঃ বিজয়া বৰুৱা ৰাজখোৱা ঃ ডিব্ৰুগড়ীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা।

লক্ষ্মী দাস পাঠক ঃ গুৱাহাটীৰ ললিত চন্দ্ৰ ভড়ালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা। অসম জনকৃষ্টি সমাজৰ সদস্যা।

নীলিমা গোস্বামী শৰ্মা ঃ গুৱাহাটীৰ ললিত চন্দ্ৰ ভড়ালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা। অসম জনকৃষ্টি সমাজৰ সদস্যা।

ডঃ নগেন ঠাকুৰ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ।

ডঃ দয়ানন্দ পাঠক ঃ হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ। অসম জনকৃষ্টি সমাজৰ সদস্য।